

বিহুৱান
ষষ্ঠবিংশ সংখ্যা • ২০১৫
সম্পাদক
ইন্দিবৰ বুঢ়াগোহাঞি

শ্ৰদ্ধাঞ্জলি



ঁপীতাম্বৰ গগৈ

জন্ম ঃ ১৯৩৮ চন

মৃত্যু ঃ ২৬-০৯-২০০৬

# বিহুৱান

ষষ্ঠ বিংশ সংখ্যা · ২০১৫ বৰ্ষ

ফাটবিহুৰ বছেৰেকীয়া প্ৰকাশ

২৪, ২৫ আৰু ২৬ বহাগ ১৯৩৭ শকাব্দ

৮, ৯ আৰু ১০ মে' ২০১৫ চন

ফাটবিহুতলী

ম'হঘূলি চাপৰি, ঢকুৱাখনা

সম্পাদক ঃ

ইন্দিবৰ বুঢ়াগোহাঞি

BIHUWAN:
*A cultural and literary souvenir to Phato Bihu Festival, Dhakuakhana, Published by* ***Anilekh Gogoi & Dr. Beauti Gogoi*** *on behalf of the Phato Bihu celebration Committee and Edited by* ***Indibor Buragohain.***

ষষ্ঠ বিংশ প্ৰকাশ ঃ ব'হাগ
মে'২০১৫ খ্ৰীষ্টাব্দ

প্ৰকাশক ঃ অনিলেখ গগৈ
ড° বিউটী গগৈ

সম্পাদনা সমিতি ঃ
ডিম্বেশ্বৰ গগৈ, উপদেষ্টা
বলোৰাম দলে, উপদেষ্টা
অৰুণ চমুৱা, সদস্য
অৰূপ কুমাৰ বৰুৱা, সদস্য
বিপুল গগৈ, সদস্য
সৰুজ গগৈ, সদস্যা
জিনু কোঁৱৰ গগৈ, সদস্যা
জ্যোতিনীলিমা গগৈ, সদস্যা

ইন্দিবৰ বুঢ়াগোহাঞি ঃ সম্পাদক

প্ৰকাশ ঃ মে, ২০১৫ চন
প্ৰচ্ছদ, আলোকচিত্ৰ, অলংকৰণ ঃ ইন্দিবৰ বুঢ়াগোহাঞি

অক্ষৰ বিন্যাস ঃ মৃনাল কুমাৰ দাস আৰু ৰাজীৱ গগৈ, ঢকুৱাখনা।

অৰিহণা ঃ ৫০ (পঞ্চাশ) টকা।

মুদ্ৰক ঃ ফেয়াৰগ্ৰাফিকচ্ মিডিয়া চাৰ্ভিছেচ প্ৰাঃ লিঃ, বামুণীমৈদাম, গুৱাহাটী - ২১

চ'তি চ'তি মাৰলি মাৰলি বগাই কাৰ্শলা সাপ
আমাৰে কপালত যি হ'বৰ হৈছে
ৰাইজখন কুশলে থাক

বিহুৱৰীয়া প্ৰীতি আৰু শ্ৰদ্ধাৰে –

ঢকুৱাখনা মহাবিদ্যালয়-
..............................................................লৈ



সম্পাদক
বিহুৱান,২০১৫



# প্ৰকাশকৰ একাষাৰ

সৰু-বৰ অসংখ্য নদী বিভিন্ন ঠাইৰ বুকুৰে বাগৰি বৈ ব্ৰহ্মপুত্ৰত মিলি গঢ়ি তুলিছে বিশাল ব্ৰহ্মপুত্ৰ উপত্যকা। এই উপত্যকাৰ উৰ্বৰা ভূমিত পুষ্ট হৈ জীপাল হৈ উঠিছে সেউজীয়া অসমখনি। সেইদৰে অনেক বৰ্ণনীয়া কৃষ্টিৰ সমাহাৰত গঢ় লৈ উঠিছে বৰ্ণাঢ্য অসমীয়া সংস্কৃতিয়ে। এই সংস্কৃতিৰ অন্যতম ঢকুৱাখনাৰ ফাট বিহু। কোন কাহানিবাতে চাৰিকড়ীয়া নদীৰ ফাটত সাৰ পাই উঠা ফাট বিহুৰ উদ্‌যাপন কৰাত সংগঠক হিচাবে আমাৰ চিৰ আৰাধ্য দেউতা পীতাম্বৰ গগৈ দেৱে দেহেকেহে কাম কৰিছিল। উন্নয়নৰ হকে আত্মনিয়োগ কৰিছিল। ইয়াৰোপৰি ঢকুৱাখনাৰ সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়াৰ ক্ষেত্ৰত তেখেতৰ অৱদান উল্লেখযোগ্য। তেখেতৰ আদৰ্শৰে আমিও আজি অনুপ্ৰাণিত হৈ আছো। ২০১৫ বৰ্ষৰ ফাট বিহুত প্ৰকাশ পাব লগা "বিহুৱান" খনি তেখেতৰ সোঁৱৰণত প্ৰকাশ কৰিবলৈ পাই আমি নিজকে ধন্য মানিছো।

গ্ৰন্থ প্ৰকাশ কৰাটো এক মহৎ কাম বুলি আমি বিবেচনা কৰো। দায়িত্বপূৰ্ণ কাম বুলি ভাবো। আমি সেই মহৎ আৰু দায়িত্বপূৰ্ণ কাম কৰাৰ উপযুক্ত ব্যক্তি হয় নে নহয় নাজানো। আমি সদৌটি ঢকুৱাখনীয়া ৰাইজৰ আশীৰ্বাদ শিৰত লৈ ফাটবিহুৰ উত্তৰোত্তৰ উন্নতিৰ কামনাৰে 'বিহুৱান'ৰ প্ৰকাশৰ দায়িত্ব বহন কৰিছো। ইয়াৰ লগতে আমি অতিশয় আনন্দ লভিছো। ফাটবিহুৰ সমূহ কৰ্মকৰ্তা, বিহুৱা-বিহুৱতী, আমন্ত্ৰিত অতিথি বৰ্গ আৰু পাঠক সমাজলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। আমাৰ অজানিতে হোৱা দোষ-ত্ৰুটি মাৰ্জনা কৰে যেন।

৩০ এপ্ৰিল, ২০১৫
ঢকুৱাখনা

অনিলেশ গগৈ
ড° বিউটি গগৈ

# সম্পাদকীয়

এখন নদী।

নাম চাৰিকড়ীয়া। নিৰৱধি বৈ আছে - ঢকুৱাখনাৰ বুকুজুৰি। এই চিনাকী, আপোন নদীখনৰ পাৰলৈ ফাটবিহু আহিছে। হেঁপাহৰ ফাটবিহু। নদীখনৰ বুকুত ব'হাগৰ ন-পানীৰ হেন্দোলনি উঠিছে। সৰু-বৰ ঢৌ উঠিছে। অস্থিৰ পানীত আকাশৰ কলীয়া ডাৱৰৰ প্ৰতিচ্ছবি নাচিছে-ৰাগিছে। পাৰৰ চাপৰিত বননিৰ সেউজীয়া শোভাই জক্‌মকাইছে। জহি-পমি যোৱা ইকৰা-বিৰিণা, নল-খাগৰি আৰু তৰাণিৰ মাজৰ পৰা নতুন কোঁহ, নতুন গজালি ওলাইছে। বিৰিষৰ ডালে ডালে কুঁহিপাতৰ চিনাকী সুৰ। লহপহীয়া আহুধানৰ পাত কঁপাই যোৱা বতাহে ধান নিয়াই থকা গাভৰুৰ কাণে কাণে বিহুৰ কথা কয়। চৰি থকা গৰুজাকৰ গাত বুজিব নোৱাৰা উলাহ। কাপোৰ ধোৱা, গা-ধোৱা জিয়ৰী-বোৱাৰীৰ হাঁহি খিকিন্দালি উফৰি পৰে নদীৰ ঘাটত। কুলিৰ মাত নিনাদিত হয় চাৰিকড়ীয়াৰ আকাশ-বতাহত। এয়া চাৰিকড়ীয়া পাৰৰ ব'হাগৰ পৰিৱেশ। ইয়াৰ মাজতে কোনোবাফালে ঢোলে গৰজে। মন হ'ব খোজে কমোৱাৰ তুলা। থেৰেজুবুলীয়া হৃদয়। বুকুৰে বুকুৰে বিহুৱা আৱেশ।

এই চাৰিকড়ীয়া নদীৰ পাৰতে ঠন ধৰি উঠিছিল- ফাটবিহু। ঢকুৱাখনাৰ এক সোণসেৰীয়া লোককৃষ্টি ফাটবিহু। অনন্য লোককৃষ্টিৰ দৰেই ফাটবিহুৰ উৎপত্তিৰ কোনো নিৰ্দিষ্ট চন তাৰিখ ক'তো লিপিবদ্ধ নাই। কাৰোবাৰ নেতৃত্বত বা কোনো দল সংগঠকৰ নেতৃত্বত ফাটবিহুৰ জন্ম হোৱা নাই। ফাটবিহুৱে প্ৰাণ পাই উঠিছিল-কৃষিজীৱীলোকৰ জীৱন পৰিক্ৰমা আৰু বিনন্দীয়া প্ৰকৃতিৰ সংপৃক্ততাত। এই সংপৃক্ততা যিমান দিন বৰ্তি থাকিব সিমানদিনলৈ থাকিব ফাটবিহুৰ মাদকতা। ইতিহাসৰ এক দীঘলীয়া বাট অতিক্ৰম কৰি আহিছে ফাটবিহুৱে। সময়ে সময়ে সলনি হৈ আহিছে - ইয়াৰ ৰং-ৰূপ। ডাল-পাত সলনি হ'লেও মূল শিপাডাল অক্ষুণ্ণ থকালৈকে ফাটবিহু জীয়াই থাকিব। ফাটবিহুৰ উৎপত্তি, ঐতিহ্য আৰু গতিধাৰা সম্পৰ্কে বিভিন্নজনে বিভিন্ন যুক্তি, মত আৰু আলোচনা আগবঢ়াইছে। ইয়াৰ সকলোখিনি সকলোৱে গ্ৰহণ কৰা নাই। কোনখিনি গ্ৰহণযোগ্য, কোনখিনি গ্ৰহণযোগ্য নহয় তাক ঠিৰাং কৰিবলৈ আমাক আৱশ্যক আলোচনা, পৰ্যালোচনা আৰু গৱেষণাৰ। গ্ৰহণ আৰু বৰ্জনৰ ক্ষেত্ৰত আমাক যুক্তি লাগিব। কিন্তু যুক্তি বলেৰে আৱিষ্কাৰ কৰিব নেলাগে। আমি এখন ফাটবিহুৰ গ্ৰন্থ প্ৰকাশ কৰা উচিত হ'ব। যি গ্ৰন্থত থাকিব সকলোৱে মানি ল'ব পৰা তথ্য, যুক্তি আৰু শুদ্ধ ধাৰণা। ফাটবিহু সমিতিৰ উদ্যোগতে এই কাম কৰিব পাৰি। অন্যথাই- ফাটবিহু সম্পৰ্কে যাৰ যি মন যায় তাকে ব্যক্ত কৰিব। ইতিমধ্যে ভুল ব্যাখ্যাৰে - ফাটবিহুৰ বিষয়ে বহু লেখা অসমৰ দুই এখন কাকত-আলোচনীত আমি পঢ়িবলৈ পাইছো। ই শুভ লক্ষণ নহয়।

কোনো কোনোৱে ফাটবিহু কেন্দ্ৰিক বিহুনাম, বিহুনাচ বুলি কিছুমান বিহুনাম আৰু বিহুনাচক আখ্যা দিব খোজে। প্ৰকৃতাৰ্থত ফাটবিহুৰ তেনে কোনো সুকীয়া নাম-নাচ নাই। বিহুনাম বিহুনামেই। ইয়াৰ সৃষ্টি আৰু প্ৰকাশ-অজ্ঞাত অখ্যাত লোকৰ। পৰিস্থিতিৰ লগত মিলি যোৱাকৈ বিহুনাম গোৱা হয়। যি এদিনো পথাৰত ভৰি দি পোৱা নাই। যি এদিনো পথাৰৰ লহপহীয়া শইচৰ নাচোন দেখা নাই। প্ৰাকৃতিক উত্তেজনা অনুভৱ কৰা নাই তেওঁ প্ৰকৃতাৰ্থত বিহুনামৰ মাদকতা উপলব্ধি কৰিব নোৱাৰে। বিহুনামে প্ৰভাৱিত কৰে নাচক। ইংগিত

প্ৰকাশ বিহুনাচৰ আন এক বৈশিষ্ট্য। ঋতুৰ মাদকতাৰ উপলব্ধি আৰু মানুহৰ চিৰন্তন ভাব-অনুভূতিৰ যুগুপৎ প্ৰকাশেই - বিহুনাচ। ইয়াত সন্নিবিষ্ট হৈ আছে- জীৱন-যৌৱনৰ অনুভূতিৰ প্ৰকাশ আৰু সৃষ্টিৰ কামনা। ইয়াত অশ্লীলতাৰ মায়া এক বিভ্ৰান্তি মাথোন।

থলুৱা বহগেৰে বঞ্চিত ফাটবিহু। আহোম স্বৰ্গদেউ সকলৰ দিনৰে পৰা শিৱসাগৰৰ সৈতে ঢকুৱাখনাৰ স'ততে যোগাযোগ হৈছিল। সেয়ে শিৱসাগৰীয়া বিহুৰ কিছু প্ৰভাৱ ইয়াত পৰাটো স্বাভাৱিক। পৃথিৱীৰ কোনো কৃষ্টি-সংস্কৃতিয়েই অবিমিশ্ৰিত হৈ থকা নাই। ফাটবিহুও ইয়াৰ পৰা মুক্ত নহয়। ফাটবিহু অধুনালুপ্ত বঙ্কা বিহু শিৱসাগৰৰ বঙ্কা বিহুৰ সৈতে মিল দেখা যায়। বিহুৰ আনন্দ আৰু উপচাৰসমূহ লৈ ফাটবিহু আহিছে। উৎপত্তিৰ দিনৰে পৰা সম্প্ৰীতি আৰু সংহতিৰ বান্ধোনেৰে ঢকুৱাখনীয়াক মহীয়ান কৰি আহিছে- ফাটবিহুৱে। বোৱতী নদীৰ দৰে আজিও প্ৰৱাহমান সম্প্ৰীতি আৰু সংহতিৰ সেই গতি ধাৰা। ই আমাৰ স্বাভিমান। আমাৰ গৌৰৱ। উমৈহতীয়া আমাৰ আকাশ। বতাহ। সেই বহল, মুকলি আকাশৰ তলত ভেদাভেদ পাহৰি আমি হাঁহো, নাচোঁ, গাঁও- চাৰিকড়ীয়া পাৰৰ প্ৰাণৱন্ত বিহুনাম। আমাৰ দেহত বিহু, তেজত বিহু। বিহু আমাৰ প্ৰাণত।

লোক কৃষ্টিয়ে শাস্ত্ৰীয় বিধি নামানে সঁচা। কিন্তু, লোক কৃষ্টিৰো কিছুমান নিজা নিয়ম আছে। বিহুও লোক কৃষ্টি, ইয়াৰো নিজা নিয়ম আছে। সেই কাৰণে বহু দীঘলীয়া ইতিহাসৰ নানা উত্থান-পতন আৰু অনেক ধামখুমীয়াৰ মাজতো বিহু হৈ আছে কপৌ-কেতেকী ফুলৰ সুৰভিৰে মলমলীয়া। গামোচাৰ আঁচুফুলৰ দৰেই ৰঙীণ। পচোৱাৰ দৰে প্ৰাণোচ্ছল।

পৰম্পৰা লোককৃষ্টিৰ প্ৰধান বৈশিষ্ট্য। ফাটবিহুৰো পৰম্পৰা আছে। ঢকুৱাখনীয়া মানুহে ফাটত বিহু মৰাৰ সময়তো পৰম্পৰা ৰক্ষা কৰিছিল। সময় মানি চলিছিল। চাৰিকড়ীয়াৰ ফাটত সাতদিন জুৰি বিহু মাৰিছিল আৰু সময়মতে সামৰিছিল। ব'হাগৰ শেষৰ দিনা বিহু উৰুৱাইছিল। আমাৰ ওপৰিপুৰুষসকলে বুজি পাইছিল-অৰ্থনৈতিক স্বাৱলম্বিতা নেথাকিলে এটা জাতি ঠন ধৰি উঠিব নোৱাৰে। বিহু উৰুৱাই তাৰ পিচতেই কৃষিকৰ্মত, উৎপাদনমুখী কৰ্মত ধৰিছিল। এতিয়া ১লা ব'হাগৰ পৰা তিনিমাহ জুৰি বিহু পতা হয়। ইয়াৰে কোনোটো-ব'হাগ বিদায়, কোনোটোৰ নাম কেন্দ্ৰীয় বিহু ইত্যাদি ইত্যাদি। এই ব্যৱস্থাটো প্ৰকৃততে পৰম্পৰা নমনা, বিজতৰীয়া এটা কৰ্ম। যাৰ অন্য নাম দুষ্কৃতি। কৰ্ম-কৃষ্টি ক্ৰমাগতভাৱে বিনষ্ট কৰা এটা দুৰাৰোগ্য ৰোগ। এই ৰোগৰ পৰা জাতিটোক বচাবলৈ একমাত্ৰ উপায়- প্ৰতিকাৰ। চাৰিকড়ীয়াৰ পাৰলৈ ফাটবিহুৰ আনন্দ অহাৰ সময়তে আমাৰ মাজত শুভবুদ্ধিৰ উদয় হওক। আমি পাহৰি গ'লে নহ'ব যে- আমাৰ পূৰ্ব পুৰুষসকলে, গাঁৱৰ অশিক্ষিত, হোজা, সৰল মানুহখিনিয়ে আঁঠুৰ মূৰত চুৰীয়া পিন্ধি, ঘৰৰ তাঁতশালত বোৱা বিহা-মেখেলা পৰিধান কৰি প্ৰকৃতিৰ যৌৱনৰ লগত তাল মিলাই মুক্তভাৱে নাম গাই, নাচি জাতীয় কৃষ্টি জীয়াই ৰাখিছিল।

কিছুবছৰৰ আগৰ পৰা মহিলা আত্মসহায়ক গোটবোৰ গঠন হ'বৰ পৰা অসমৰ হস্ত আৰু বস্ত্ৰতাঁত শিল্পৰ যথেষ্ট উন্নয়ন হৈছে। ঘৰতে তাঁতশালত বোৱা বস্ত্ৰৰ আদৰো বৃদ্ধি পাইছে। অসমৰ খিলঞ্জীয়া এড়ী, মুগা আৰু পাট কাপোৰ মহিলা সকলে বেচিকৈ পৰিধান কৰিবলৈ লৈছে। ই শুভ লক্ষণ। কিন্তু ঢোল, তাল, গগনা, সুতুলি, ম'হৰ শিঙৰ পেঁপা, টকা আদি সামগ্ৰীবোৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এতিয়াও আমাৰ অনীহা। চেন্নাই বা অসমৰ বাহিৰৰ পৰা অহা গামোচা, চীনৰ পৰা অহা চিকমিকাই থকা গহনা-গাঁঠিৰিৰে আমাৰ বিহু চলি আছে। এই সামগ্ৰীবোৰ প্ৰস্তুতকৰ্ত্তা সকলক কেৱল গালি পাৰি থাকিলে কোনো লাভ নাই। এইবোৰ যদি আমি নিজৰ ভিতৰতে প্ৰস্তুত কৰি লওঁ বাহিৰৰ প্ৰস্তুতকতাই আমাৰ কৃষ্টিত প্ৰভাৱ পেলাব নোৱাৰে। আমি আশাকৰো দুষ্কৃতিৰ মহা পয়োভৰে অসমীয়াৰ বিহুক বিকৃত কৰাৰ আগতে অসমীয়াই চকু দিব পৰম্পৰাৰ প্ৰতি। এই পৰম্পৰা কেৱল- সময়ৰ মাজতে নাই, আছে আমাৰ নাম, নাচ, সাজ-পাৰ, বাদ্য, খাদ্য আদিৰ মাজত। মহাবাহু ব্ৰহ্মপুত্ৰৰ উপনৈয়ে উপনৈয়ে একো একোটা বৰ্ণাঢ্য উপত্যকাই প্ৰকৃতিৰ অপৰূপ ৰূপ-সজ্জা ধাৰণ কৰাৰ দৰেই যুগ যুগ ধৰি বহন কৰি থকা নৃ-গোষ্ঠীৰ বিৰল আৰু বৰ্ণাঢ্য কৃষ্টিৰ মাজত। নৈপৰীয়া মাটিৰ উৰ্বৰতা গা কৰি উঠা লহপহীয়া গছ, লতিকা, পাত ফুলৰ দৰেই বৰ্ণাঢ্য সম্ভাৰেৰে উপচি পৰা ভিন্ন ভিন্ন ভংগিমা, লহৰ, ঢেও, চাপৰ, ৰং আৰু সুৰৰ মাজত। অসমীয়া জাতিৰ যৌৱন আছে যেতিয়া, বিহুৰ উম আৰু মন মতলীয়া কৰা উদ্দীপনাও থাকিব। ফাটবিহুৰ পৰাই চাৰিওফালে বিয়পি পৰক এই চিন্তা, এই প্ৰেৰণা আৰু শুভবুদ্ধি।

যি সকলে প্ৰথমে **বিহুৱান** খনিৰ জন্ম দিলে তেখেতসকললৈ এই আপাহতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বিহুৱানৰ ২য় সংখ্যাটিৰ পৰাই জড়িত হৈ আছিলো-প্ৰকাশৰ বিভিন্ন কাম-কাজৰ মাজেদি। বেটুপাত অংকন, ছপাৰ বাবে কাঠৰ ব্লক নিৰ্মাণ, লেখা আৰু ছপাশালৰ কাম কৰি আনন্দ পাইছিলো। তেতিয়াই ভাবিছিলো আহিবনে এনে এটা দিন যি দিনা এখন সৰ্বাংগ সুন্দৰ স্মৰণিকা সম্পাদনা কৰি উলিয়াম। কিন্তু সেই সুবিধা মোলৈ আহিল - সুদীৰ্ঘ ৩৮ বছৰৰ পাচত। তাৰোপৰি কাম কৰিবলৈ পালো কম সময়। ইয়াৰে মাজতে - সম্পাদনা সমিতিৰ সুদক্ষ প্ৰতিগৰাকী ব্যক্তিৰ অকুণ্ঠ সহযোগত ৰাইজৰ মাজলৈ বিহুৱানখনি উলিয়াই দিয়াৰ প্ৰয়াস কৰিলো। ভুল থাকি যোৱাটো স্বাভাৱিক। সেইখিনি শুধৰাই দিলে উপকৃত হ'ম। প্ৰকাশৰ দৰে গুৰু দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি অহা অনিলেখ গগৈ আৰু ড° বিউটি গগৈলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। ছপাশালৰ প্ৰতিগৰাকী কৰ্মীৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ। প্ৰৱাহিত চাৰিকড়ীয়া নৈৰ সোঁতৰ দৰে 'ফাটবিহু' বৈ থাকক বৰ্ণাঢ্য অসমীয়া সংস্কৃতিৰ বুকুজুৰি। ফাটবিহুত সমবেত সদৌটিলৈ ওলগ জনালোঁ।

ইন্দিবৰ বুঢ়াগোহাঞি
সম্পাদক, বিহুৱান
২০১৫ বৰ্ষ

00000

## সূচীপত্ৰ


গোলকত ঢকুৱাখনা - শৈলেন বৰুৱা / ৯
আহোম যুগৰ ফাটসমূহৰ বিষয়ে - ডিম্বেশ্বৰ গগৈ /১৩
ঐতিহ্যমণ্ডিত ম'হঘূলি চাপৰি - ড° জিতৰাম কলিতা /১৯
বিহুৰ ঐতিহ্যৰ অন্বেষণ - দুৰ্লভ বুঢ়াগোহাঁই /২৪
বিহুৰ মৌলিকতাক কেন্দ্ৰ কৰি কিছু চিন্তা - ডাঃ অমৰেন্দ্ৰ গগৈ /৩২
অসমীয়া মুছলমানৰ জাতীয় জীৱনত বিহুৰ প্ৰভাৱ - মঃ আতিকুৰ ৰহমান /৩৮
অসমৰ লোককলা আৰু পথৰুৱা সংস্কৃতি - শিৱ প্ৰসাদ গগৈ /৪৩
সাত বিহুৰ প্ৰাসঙ্গিকতা - ভৰত সন্দিকৈ /৪৭
লোক উৎসৱ বাঁহ গোসাই - ড° পইনুদ্দিন আহমেদ /৫২
সাম্প্ৰতিক প্ৰেক্ষাপটত ৰঙালী বিহু : এক চিন্তন - ড° সুখ বৰুৱা /৫৪
স্বাধীনোত্তৰ কালৰ বিহুগীতত জন-জীৱনৰ দুখ যন্ত্ৰণা - ড° সূৰ্য দাস /৫৯
বিহুনামৰ আংগিক সৌন্দৰ্য বিচাৰ - ড° বিউটি গগৈ /৬৬
ঢকুৱাখনাৰ দুখন ঐতিহাসিক গাওঁ - সৰ্বেশ্বৰ সুত বৰুৱা /৭০
সংৰক্ষণ আৰু অৰ্থনৈতিক দৃষ্টিকোণেৰে ফাট বিহু - লোহিত ডেকা /৭৬
বিহুনামত সাহিত্যৰ নৱৰস - ইন্দিৰা গগৈ /৮০
যোৰা নাম বা ঠেলা নাম - খগেন্দ্ৰ চুতীয়া /৮৬
সংস্কৃতি, সাজ-পোছাক, সমন্বয় আৰু নাৰী - পুষ্পা গগৈ /৯০
অসমীয়া সংস্কৃতিত তামোল পান - মীনামনি দেৱী /৯২
মিছিং সমাজৰ মিবু - ৰুৱাদ লঃয়ুং /৯৫
বিহুগীতত নাৰী - তৰালী ঘৰফলীয়া /৯৮
তিনিখন অবিস্মৰণীয় বিহু আৰু তিনিটা ডাঙৰ ঘটনা - নন্দ চুতীয়া /১০০
প্ৰসঙ্গ : ৰাতি বিহু - মীৰা গগৈ /১০৩
বিহুনামত অসমৰ ইতিহাস - জিনু কোঁৱৰ গগৈ /১০৬
ভূপেন হাজৰিকাৰ গীতত ব'হাগ, বসন্ত ...... প্ৰমোদ চন্দ্ৰ দাস /১১১
অসম বুৰঞ্জীত বিহুকেন্দ্ৰিক দুটিমান চিত্ৰ - যাচিংফা গগৈ /১১৮
জানোচা পাহৰো :
দুৰ্যোগৰ মাজেদি ফাটবিহু - ছবিলাল চৈন /১২১
স্মৃতিৰ গাগৰি খুঁচৰি - তিলেন চমুৱা /১২৫
আইতাৰ কথাৰে - সৰোজ গগৈ /১২৭
এগৰাকী বিহুৱা আৰু একুৰি বিহু নাম - প্ৰণামী বুঢ়াগোহাঞি /১৩০
স্মৃতিৰ জলভৈদি ফাটবিহু - ডাঃ বিদোশ্বৰ দলে /১৩৩
চৰ চাপৰিৰ বিহু দলৰ জন্মকথা আৰু ফাটবিহুৰ অভিজ্ঞতা
- ইচমাইল হুছেইন /১৩৮
ব'হাগ বিহু : পৰম্পৰা, সংশয় আৰু সম্ভাৱনা : ড° নৰেন্দ্ৰ নাথ দত্ত/১৪৬
বিহু গীতত ম'হওৱাল - হেমচন্দ্ৰ হাজৰিকা /১৫০
ফাট বিহু চাবলৈ গৈছিলো - ড° ধৰণীধৰ গোস্বামী /১৫৩
বিদেশী পৰ্যটকৰ দৃষ্টিত ফাটবিহু :
উৎসৱৰ মধু আলোড়ন - ডাঃ অঞ্জন জ্যোতি চৌধুৰী/১৫৮
বিহু মোৰ শৈশৱৰ, কৈশোৰৰ - ইলাদেৱী অধিকাৰী/১৬২
বিলুপ্তিৰ পথত বৰহমথুৰি - ড° অম্লজ্যোতি গগৈ/১৬৬
ব'হাগৰ ছবি - জ্যোৎস্না বৰুৱা/১৬৮
অসমীয়া জনজীৱনত বিহুগীতৰ নান্দনিক সুবাস -
জেপোলিন ৰাজকুমাৰী/১৭১
বিহুনামত সৌন্দৰ্য - জীৱন ঘৰফলীয়া/১৭৪


### কবিতা :


কুশল দত্ত, জ্যোতিনীলিমা গগৈ, কাব্যশ্ৰী গগৈ, নিবিৰ অনুৰাগ মানস, সত্যজিৎ বৰপাত্ৰ, নৱনীতা গগৈ, সৌৰভ কুমাৰ বৰুৱা, ডাঃ ইন্তিকাপুৰ ৰহমান, জুপিতৰা নাথ, বীনামনি শইকীয়া, সুৰুয কুমাৰ ভূঞা, ৰূপম ৰুণ গগৈ, ত্ৰিদিপ গগৈ, নিত্যানন্দ শইকীয়া, ধ্ৰুৱজ্যোতি বৰা, শৰৎ চন্দ্ৰ দাস, মুকুল জয়ন্ত, কৃষ্ণ বৰা, কেশৱ শইকীয়া, পূৱালী সন্নদকৈ।

পীতাম্বৰ গগৈৰ সোঁৱৰণ দুটি লেখা :
প্ৰতিবেদন : সভাপতি, ফাটবিহু সমিতি
সম্পাদক, ফাটবিহু সমিতি

২০১৪ বৰ্ষৰ ফাটবিহু প্ৰতিযোগিতাৰ ফলাফল
নিমন্ত্ৰণী পত্ৰ
ফাটবিহু উদযাপন সমিতিৰ সভাপতি, সম্পাদকৰ তালিকা
"বিহুৱান"ৰ সম্পাদকৰ তালিকা




# গোলকত ঢকুৱাখনা

শৈলেন বৰুৱা



উপগ্ৰহৰ ছবি

বিহু, কৃষ্টি-সংস্কৃতি বা সাহিত্যৰ বিভিন্ন ভাগত আমি সততে 'বিশ্ব দৰবাৰ'বুলি কোনো ক্ষেত্ৰ বা স্থান নাই। বিশ্ব দৰবাৰ বুলিলে বিশ্বজনীনতাকে বুজায়। সৰল ভাষাত ক'বলৈ হ'লে বিশ্বৰ প্ৰান্তে প্ৰান্তে আমাৰ ভাষা-সাহিত্য—সংস্কৃতিক বিয়পাই দিয়াটোকে বিশ্ব দৰবাৰত স্থান দিয়া বুলি ক'ব পাৰি।

বিশ্বজনীনতাৰ দিশে ধাবিত হ'বলৈ হ'লে পোনতে জানিব লাগিব নিজৰ অৱস্থিতি কি? উদাহৰণ স্বৰূপে ফাটবিহুক বিশ্ব দৰবাৰলৈ নিবলৈ হ'লে ফাটবিহু ক'ত হয় সেই প্ৰশ্ন প্ৰথমেই আহিব। আমি সকলোৱে জানো ফাটবিহু ঢকুৱাখনাতে হয়। এই 'জানো'টো মূলতঃ লখিমপুৰ বা অসমতে সীমাবদ্ধ। কিন্তু অষ্ট্ৰেলীয়া বা জাৰ্মানীৰ এজন লোকৰ বাবে ঢকুৱাখনা অপৰিচিত। যদি ঢকুৱাখনা অসম বা ভাৰতৰ অন্তৰ্ভুক্ত বুলি বুজাই দিয়া হয় তেন্তে যিকোনো এজন বিদেশীৰ বাবে ঢকুৱাখনা অৱস্থিতি সম্পৰ্কে এক সম্যক জ্ঞান হ'ব। কিন্তু ইয়াৰ বিপৰীতে যদি ঢকুৱাখনাৰ ভৌগোলিক অৱস্থিতি অক্ষৰেখা (বিষুব ৰেখাৰ সমান্তৰালকৈ উত্তৰে আৰু দক্ষিণে কল্পিত বৃত্তাকাৰ ৰেখা) বা দ্ৰাঘিমা-ৰেখাত (সুমেৰু-কুমেৰু সংলগ্ন কল্পিত ৰেখা) প্ৰকাশ কৰা হয়

তেন্তে বিশ্বৰ যিকোনো প্ৰান্তৰ যিকোনো শিক্ষিত লোকেই থাওকতে গোলকত বা মানচিত্ৰত ঢকুৱাখনা ক'ত আছে চাই ল'ব পাৰিব। কাৰণ অক্ষৰেখাৰ জৰিয়তে উলিওৱা কৌণিক দূৰত্ব-অক্ষাংশ বা দ্ৰাঘিমা ৰেখাৰ জৰিয়তে উলিওৱা কৌণিক দূৰত্ব-দ্ৰাঘিমাংশৰ জ্ঞান সমগ্ৰ বিশ্বতে একে।

পৃথিৱীৰ প্ৰতি ইঞ্চি ভূমিৰ অৱস্থিতি গোলক বা মানচিত্ৰত নিহিত হৈ আছে। সেয়ে ফাটবিহুৰ ২৭°১১′৯৩২″ উত্তৰ অক্ষাংশ আৰু ৯৪°২৬′১৮০′ পূব দ্ৰাঘিমাংশত অৱস্থিত বুলি ক'লে নিউজিলেণ্ডৰ এজন লোকে যেনেদৰে থাওকতে ফাটবিহুৰ মঞ্চৰ অৱস্থিতি উলিয়াই ল'ব পাৰিব ঠিক একেদৰে চীন বা জাপানৰ এজন লোকৰ বাবে ঢকুৱাখনা বা ফাটবিহু তলীৰ অৱস্থিতি বুজি উঠাত সহায়ক হ'ব।

ঠাই এখনৰ অৱস্থিতি ৰাজ্য বা দেশৰ নাম উত্থাপন কৰি উল্লেখ কৰিব পাৰি, কিন্তু দেশখনৰ নামটোৱেই যদি আমাৰ অপৰিচিত হয় তেন্তে ঠাইখনৰ অৱস্থিতি বোধগম্য হ'ব কেনেকৈ? সেয়েহে ভূগোলবিদ সকলে বহু যুগৰ আগতেই বিশ্বৰ সকলো মানুহে বুজাকৈ পৃথিৱীৰ ওপৰত কিছুমান কাল্পনিক ৰেখা অংকণ কৰি দ্ৰাঘিমা ৰেখা আৰু অক্ষৰেখা বুলি নামকৰণ কৰি থৈছে। বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নতিৰ যুগত এতিয়া ঠাই একনৰ অৱস্থিতি মানচিত্ৰ বা গোলকত চোৱাৰ প্ৰয়োজন হ্ৰাস পাইছে। তাৰ বিপৰীতে হাতত এটা জি পি এছ (Geographical Positioning System) যন্ত্ৰ থাকিলেই যিকোনো ঠাইত অৱস্থিতি অক্ষাংশ-দ্ৰাঘিমাংশত নিৰ্ণয় কৰি ল'ব পাৰি। শেহতীয়া প্ৰযুক্তিৰ স্মাৰ্টফোন বিশেষতো জি পি এছ সংযোগ কৰিব পৰা ব্যৱস্থা আছে।

চেটেলাইট মেপ বা উপগ্ৰহীয় মানচিত্ৰও এতিয়া সুলভ হৈ পৰিছে। নিজ কম্পিউটাৰতে ইণ্টাৰনেট সংযোগ কৰি চেটেলাইট মেপত নিজ এলেকাৰ বা নিজৰ ঘৰটোত ক্লিক কৰি দিলেও আপোনাৰ ঘৰ বা স্কুলখন কিমান ডিগ্ৰী দ্ৰাঘিমাংশ আৰু অক্ষাংশত অৱস্থিত সেয়া ফটফটীয়াকৈ ওলাই পৰিব। যিকোনো ঠাইত নদ-নদী, পথ-দলং, ভৱন, উদ্ভিদৰ বিভিন্নতা, বন-বননিয়ে আগুৰা অঞ্চল কিমান আছে তাক চেটেলাইট মেপৰ জৰিয়তে প্ৰত্যক্ষ কৰিব পাৰি। এক কথাত আকাশৰ পৰা পৃথিৱীলৈ চালে যেনেকুৱা দেখিব, চেটেলাইট মেপতো তেনে দেখি।

পৃথিৱীৰ পৰা মহাকাশলৈ প্ৰেৰণ কৰা কৃত্ৰিম উপগ্ৰহবোৰ প্ৰতিনিয়ততে পৃথিৱীৰ ফটো তুলি আছে। পৃথিৱীৰ ক'ত কি হৈ আছে সেয়া কৃত্ৰিম উপগ্ৰহৰ কেমেৰাত লাইভ টেলিকাষ্টৰ দৰে বন্দী হৈ আছে। সেয়ে চেটেলাইট মেপৰ চাহিদা আজিৰ যুগত ভাবিব নোৱাৰা বিধৰ। এটা উদাহৰণ দিলে চেটেলাইট মেপৰ উপযোগিতা বুজাত সহায় হ'ব। ধৰক আমেৰিকাৰ এটা কৃত্ৰিম উপগ্ৰহৰ আলোকচিত্ৰত ধৰা পৰিল যে এইবাৰ ভাৰতত ধানখেতি ভাল হোৱা নাই। অচিৰেই ভাৰতত চাউলৰ উৎপাদন কমিব। তেতিয়া আমেৰিকাই লগে লগে নিজ দেশত ধানৰ দৰ বঢ়াব দিব পাৰে। কাৰণ খেতি ভাল নোহোৱাৰ বাবে ভাৰতে আমেৰিকাৰ পৰা ধান বা চাইল কিনিবই লাগিব। ফলত আমেৰিকাৰ লাভ অধিক হ'ব। ইয়াৰ বিপৰীতে যদি ভাৰতৰ কৃত্ৰিম উপগ্ৰহৰ আলোকচিত্ৰত ভাৰতে আগতীয়াকৈ দেখে যে ভাৰতত ধানৰ উৎপাদন ভাল নহ'ব, তেতিয়া ভাৰতে আমেৰিকাত ধানৰ দাম বৃদ্ধি নৌহওঁতেই কিনি থ'ব পাৰিব। ফলত ভাৰতে কম দামতো ধান ক্ৰয় কৰিব পাৰিব। এয়া সম্ভৱ হ'ব উপগ্ৰহীয় আলোকচিত্ৰ বিশ্লেষণৰ জৰিয়তে। এয়া মহাকাশ বিজ্ঞানৰ অগ্ৰগতিৰ জৰিয়তে পাব পৰা সুবিধা। সেইবাবেই দেশবোৰে



মহাকাশ বিজ্ঞানৰ উন্নতিত কোটি টকা খৰচ কৰিছে আৰু বছৰেকত ৪-৫ টা মান কৃত্ৰিম উপগ্ৰহ উৰুৱাই আছে।

এনে অৰ্থনৈতিক প্ৰেক্ষাপটৰ বিপৰীতে ভৌগোলিক দিশতো চেটেলাইট মেপৰ উপযোগিতা দিনক দিনে বৃদ্ধি পাব ধৰিছে। অধ্যয়ন, অনুসন্ধান বা গৱেষণাৰ বাবে এতিয়া চেটেলাইট মেপ বা জি পি এছৰ ব্যৱহাৰ তুংগত উঠিছে।

ঢকুৱাখনাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ বাবে ব্যক্তিগত ভাৱে আমি জি পি এছৰ দ্বাৰা মহকুমাটোৰ বিভিন্ন স্থানৰ ভৌগোলিক অৱস্থিতি অনুসন্ধান কৰিছিলো। প্ৰয়োজন সাপেক্ষে চেটেলাইট মেপৰো সহায় লৈছিলো। সেইমৰ্মে ঢকুৱাখনাৰ উত্তৰ সীমা বুলি পৰিচিত বৰদৈবামৰ সমীপত (কালভাৰ্টৰ ওচৰত) অৱস্থিতি এনেধৰণৰ ২৭°২০′৫৮৯″ উত্তৰ অক্ষাংশ আৰু ৯৪°২১′৩০৩′ পূব দ্ৰাঘিমাংশ। এই স্থান সাগৰ পৃষ্ঠৰ পৰা ২৯৩ ফুট উচ্চতাত অৱস্থিত। সেইমৰ্মে ঢকুৱাখনাৰ দক্ষিণ সীমা বুলি যদি খেৰকটীয়া সুঁতিক (মাজুলীৰ ওচৰত) ধৰা যায় তেন্তে দেখা যাব সেই স্থান ২৭°০৫′৬১৭″ উত্তৰ অক্ষাংশ আৰু ৯৪°১৯′১৭১′ পূব দ্ৰাঘিমাংশত অৱস্থিত আৰু এই স্থান সাগৰ পৃষ্ঠৰ পৰা ২৫৫ ফুট উচ্চতাত। এই দুই তথ্যই ঢকুৱাখনাৰ দুটা দিশৰ অৱস্থান নিৰ্ণয় কৰাৰ লগতে স্পষ্ট কৰিছে যে উচ্চতাৰ ক্ষেত্ৰত ঢকুৱাখনা মহকুমা উত্তৰৰ পৰা দক্ষিণলৈ ক্ৰমান্বয়ে এঢলীয়া। এই এঢলীয়াৰ পৰিমাণৰ ব্যৱধান ২৯৩-২৫৫=৩৮ ফুট। অৰ্থাৎ ঢকুৱাখনা উত্তৰ দিশৰ বৰদৈবাম অঞ্চল খেৰকটীয়া সুঁতিৰ জেংৰাইমুখ অঞ্চলতকৈ প্ৰায় ৩৮ ফুট উচ্চতাত অৱস্থিতি। (মন কৰিব লগা যে এয়া মাত্ৰ দুখন ঠাইৰ দুটা নিৰ্দিষ্ট বিন্দুত লোৱা উচ্চতাৰ জোখহে। সেয়ে সামগ্ৰিক ভাৱে দুয়োটা অঞ্চলৰ উচ্চতা ৩৮ ফুত নহৈ ৩০ বা ৩৫ ফুট হ'ব পাৰে।

এতিয়া আহোঁ ঢকুৱাখনাৰ পূব দিশৰ অৱস্থিতিলৈ। ঢকুৱাখনাৰ পূব বুলি মাছখোৱা অঞ্চলক ধৰা হয় যদিও মানচিত্ৰত ঢকুৱাখনা-মাছখোৱা পথৰ কঁঠালগুৰিৰ ওচৰত গড়কাপ্তানি পথত এটা বেঞ্চমাৰ্ক (Branch Mark) আছে। এই ঠাইৰ অৱস্থিতি ২৭° ১৮′ ১৬০″ উত্তৰ অক্ষাংশ আৰু ৯৪°৩২′২২৯″ পূব দ্ৰাঘিমাংশ। সাগৰ পৃষ্ঠৰ পৰা উচ্চতা ৩৪৯ ফুত। ঢকুৱাখনা চাৰিআলি পৰা এই ঠাইলৈ দূৰত্ব ১৬ কিলোমিটাৰ। আনহাতে ঢকুৱাখনাৰ পশ্চিম দিশৰ দৰ্গে গাঁৱত লোৱা জোখ মতে এই ঠাই ২৭°১৫′৯৯০″ উত্তৰ অক্ষাংশ আৰু ৯৪°১৩′৭৬৩″ পূব দ্ৰাঘিমাংশত অৱস্থিত আৰু সাগৰ পৃষ্ঠৰ পৰা উচ্চতা ২৪৪ ফুট। এই তথ্য বিশ্লেষণ কৰিলে দেখা যাব ঢকুৱাখনাৰ পূব দিশৰ পৰা পশ্চিমলৈ ক্ৰমে হেলনীয়া আৰু দুয়োটা দিশৰ হেলনীয়াৰ ব্যৱধান ৩৪৯-২৮৮=৬১ ফুট। (ওপৰত কৈ অহাৰ দৰে দুটা নিৰ্দিষ্ট বিন্দুত লোক এই জোখে সামগ্ৰিক ভাৱে দুয়োটা অঞ্চলৰ উচ্চতাক প্ৰতিনিধিত্ব নকৰিব পাৰে। সেয়ে এঢলীয়াৰ ব্যৱধান ৫০ বা ৫৫ ফুটও হ'ব পাৰে। ঢকুৱাখনাৰ উচ্চতা বিশ্লেষণে এটা কথা স্পষ্ট কৰিছে যে উত্তৰ-দক্ষিণৰ উচ্চতাৰ ব্যৱধানতকৈ পূব-পশ্চিমৰ উচ্চতাৰ ব্যৱধান অধিক। এই কথাৰ সত্যতা চাৰিকড়ীয়া নৈৰ গতিপথেই ইংগিত কৰে। কাৰণ চাৰিকড়ীয়াখন পূবৰ পৰা পশ্চিম দিশলৈ বৈ আছে। যদি উত্তৰ-দক্ষিণ দিশৰ উচ্চতাৰ ব্যৱধান অধিক হ'লেহেঁতেন তেন্তে চাৰিকড়ীয়া পশ্চিমলৈ নবৈ চিধাচিধি দক্ষিণলৈ বৈ গ'লহেঁতেন।

জি পি এছৰ দ্বাৰা তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ লগতে চেটেলাইট মেপ অধ্যয়নত ঢকুৱাখনা আৰু বহুতো তথ্য পোহৰলৈ আহিছে। সকলো তথ্য এই প্ৰবন্ধত সন্নিবিষ্ট কৰিব বিচৰা নাই। ইয়াৰ বিপৰীতে ঢকুৱাখনা কেতবোৰ ঠাইৰ ভৌগোলিক অৱস্থিতি

এনেধৰণৰ -

কোৱাবাৰী দলনি ২৭°১৩′০৮১″ উত্তৰ অক্ষাংশ আৰু ৯৪°২৬′০৯১″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ২৫২ ফুট (উচ্চতা সাগৰ পৃষ্ঠৰ পৰা প্ৰকাশ কৰা হয়)। ঢকুৱাখনা চাৰিআলি ২৭°১২′১৪২″ উত্তৰ অক্ষাংশ আৰু ৯৪°২৬′৫৭৩″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ২৩৫ ফুট। সোণাৰি চাপৰি ২৭°০৮′৭৯১″ উত্তৰ অক্ষাংশ আৰু ৯৪°২১′০১৭″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ২৫৪ ফুট। ঢকুৱাখনা জান (হাৰ্হি দেৱালয়ৰ ওচৰত) ২৭°১৩′৮৮৫″ উত্তৰ অক্ষাংশ আৰু ৯৪°২৭′৫১৬″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ২২৫ ফুট। মাছখোৱা চাৰিআলি ২৭°২০′০১৬″ উত্তৰ অক্ষাংশ আৰু ৯৪°৩২′৬৬৭″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ৩১০ ফুট। ঢকুৱাখনা চাৰিআলিৰ পৰা দূৰত্ব ১৯.৭ কিলোমিটাৰ। মাতমৰা (মথাউৰিৰ ওচৰত) ২৭°১২′৩৪৬″ উত্তৰ অক্ষাংশ আৰু ৯৪°৩০′৯৭৫″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ৩০০ ফুট। ঢকুৱাখনা পৰা দূৰত্ব ৮.৩ কিলোমিটাৰ। টেকেলিফুটা ২৭°০৮′৩০৫″ উত্তৰ অক্ষাংশ আৰু ৯৪°২৯′৬৭৪″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ২৮০ ফুট। দূৰত্ব ৯.৯ কিলোমিটাৰ। বাসুদেৱ থান (মন্দিৰৰ কাষত) ২৭°১৩′১০৩″ উত্তৰ অক্ষাংশ আৰু ৯৪°২০′১০০″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ৩১৫ ফুট। ঘিলামৰা (তিনিআলিৰ নাতিদূৰৈত) ২৭°১৯′০৩৭″ উত্তৰ অক্ষাংশ আৰু ৯৪°২৫′২৭৯″ পূৱ দ্ৰাঘিমাংশ। উচ্চতা ৩৩০ ফুট।

ওপৰত উল্লেখ কৰা তথ্য আৰু আমাৰ হাতত থকা তথ্য বিশ্লেষণত উদ্ধাৰ হৈছে যে ঢকুৱাখনা মহকুমাৰ ভিতৰত আটাইতকৈ ওখ ঠাই হৈছে ঢকুৱাখনা-মাছখোৱা পথৰ কঁঠালগুৰি অঞ্চল (সাগৰ পৃষ্ঠৰ পৰা উচ্চতা ৩৪৯ ফুট)। দ্বিতীয় স্থানত আছে ঘিলামৰা তিনিআলি (সাগৰ পৃষ্ঠৰ পৰা উচ্চতা ৩৩০ ফুট)। ইয়াৰ পিছতে স্থান লাভ কৰিছে বাসুদেৱ থানে (সাগৰ পৃষ্ঠৰ পৰা উচ্চতা ৩১৫ ফুট)। তাৎপৰ্যপূৰ্ণ তথ্যটো হৈছে যে মাতমৰাতকৈ ঢকুৱাখনা চাৰিআলি চাপৰ। মাতমৰাৰ ইচ্চতা ৩০০ ফুট আৰু ঢকুৱাখনা চাৰিআলিৰ উচ্চতা ২৩৫ ফুট। মাতমৰাত বছৰ বছৰ বানে পেলোৱাৰ ফলত উচ্চতা বৃদ্ধি পোৱা বুলি ধৰিব পাৰি।

আমাৰ দৃষ্টিত ঢকুৱাখনা ভৌগোলিক আৰু ভূতাত্বিক অধ্যয়ন সম্পূৰ্ণভাৱে এতিয়ালৈকে হোৱা নাই। এইবোৰ বিদ্যায়তনিক গৱেষণামূলক কাম সম্পূৰ্ণ নহ'লে বিশ্ব দৰবাৰত স্থান লাভ কৰাটো সহজ নহয়। এনে কেতবোৰ আন্তঃ গাঁথনিমূলক কাৰিকৰী দিশত চকু নিদিয়াৰ বাবেই সংস্কৃতিৰ ৰাজধানী স্বৰূপ মাজুলীয়ে বিগত দহ বছৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ বিপৰীতে মেক্সিকোৰ 'টাকিলা' নামৰ সুৰাবিধেও বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ল। ফাটবিহু বা ঢকুৱাখনাক সমগ্ৰ বিশ্বৰ ওচৰত চিনাকী দিবলৈ হ'লে পৰিকল্পিত তথা পদ্ধতিগতভাৱে আগবাঢ়িব লাগিব। এই প্ৰবন্ধ মাথো ইংগিতহে।

*লেখকৰ ঠিকনা -*

*আমাৰ অসম, উত্তৰ লখিমপুৰ পথ*


*৯৪৩৫০৮৬৯৫১ (মো)*

০০০০০



# আহোম যুগৰ ফাটসমূহৰ বিষয়ে

ডিম্বেশ্বৰ গগৈ




ফাট শব্দটো তাই- আহোম ভাষাৰ শব্দ। আহোম ৰাজত্বত নৈ আদিৰ দাঁতিত বেপাৰী একত্ৰ হোৱা, বেহা-বেপাৰৰ কৰ আদায় কৰা ঠাইকে ফাট্ বোলে। আজি কালিৰ কৰ বিভাগৰ কাৰ্যালয়ৰ লেখীয়া। Ahom lexicons আৰু **হেমকোষত** ইয়াৰ ব্যাখ্যা দিছে এনে ধৰণেৰে - --A place where traders assemble for trade and for payment of duty.[১] সেই যুগত নাৱেৰে বেহা-বেপাৰ কৰিলে ৰজাঘৰত **দান** নামে এবিধ কৰ দিব লাগিছিল। ৰজাই তাৰ বাবে দুবৰীয়া, বৰদুবৰীয়া আদি বিষয়াক ফাটৰ দায়িত্বত নিযুক্তি দিছিল। পানীৰ লগত সম্পৰ্কিত কাৰণে পানী-ফাট পদটোও প্ৰয়োগ কৰিছিল। আহোম যুগৰ বুৰঞ্জী, চৰিত পুথি, আৰু তামৰ ফলিত ফাটৰ কথা উল্লেখ আছে। কিন্তু আহোমসকলৰ পূৰ্ববৰ্তী শাসনকৰ্তাসকলৰ তামৰ ফলিত ফাটৰ উল্লেখ পাবলৈ নাই। গতিকে নিশ্চিত ভাবে ক'ব পাৰি ---ফাট ব্যৱস্থাটো আহোম ৰজাসকলৰ দিনতহে হৈছিল।

সাধাৰণতে ফাটসমূহ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰ ৰূপে গঢ় লৈ উঠিছিল। যিবিলাক ফাটৰ নাম পোৱা গৈছে সেইবোৰ দেশৰ সীমান্তবৰ্তী ঠাইসমূহতহে স্থাপন কৰা হৈছিল। দেশৰ ভিতৰত বেহা-বেপাৰৰ বাবে হাট আৰু আনদেশৰ লগত বাণিজ্যিক সম্পৰ্ক ৰাখিবলৈ ফাটবোৰ গঢ়ি তুলিছিল। গতিকে হাটতকৈ ফাটৰ গুৰুত্ব বেছি। পৰৱৰ্তীকালত পূৰ্বৰ ফাটৰ সীমাক অতিক্ৰম কৰি দেশৰ ভৌগোলিক

সীমা বৃদ্ধি হ'লেও ফাটৰ কাৰ্যব্যৱস্থা চলি আছিল।

ফাট আৰু চকীবোৰত যাতায়াতৰ বাবে ঘাট ৰূপেও প্ৰতিষ্ঠা লাভ কৰিছিল। সেইকালত কোনোবা মানুহে ৰজাঘৰত কিবা জগৰ লগাই পলাব বিচাৰিলে ৰজাৰ ৰিপুৱা বা চোৰাংচোৱাবোৰে ফাট আৰু চকীসমূহত তালাচী চলাইছিল। আজিকালিৰ Check gate ৰ নিচিনা। 'গুৰুচৰিত -কথা'ত তেনেকুৱা কেইটামান আমোদজনক বিৱৰণ আছে। স্বৰ্গদেউ উদয়াদিত্যসিংহৰ দিনত কিছুমান ভকতে দ্ৰোহ আচৰণ কৰাত তেওঁলোকক চকী আৰু ফাটেদি কেনিবা পলায়ন কৰিছে নেকি বিচাৰ-খোচাৰ কৰোঁতে ধৰা পৰিল। শাস্তিৰূপে খাটোৱালে ধৰি বেবেজীয়াখেলত (বাৰে মিহলি এটা খেল) স্থাপিত কৰিলে —

*আৰু উদআদিত্য ৰাজাৰ দিনত ভকতৰ বৰ জগৰ*
*হৈছিল ঃ পলাইছিল ঃ সত্ৰ -সভা*
*নামগুণ এৰি ঃ চকি ফাট দি পালে ঃধৰি খাতোৱাল*
*কৰি বেবেজিয়া কৰেণি ।*[2]

একেখন পুথিতে বৈষ্ণৱ ধৰ্মাচাৰ্য ভৱানীপুৰীয়া গোপাল আতাৰ শৈশৱকালৰ এটা ঘটনাৰ লগত ফাটত যে তালাচী চলোৱা হয় সেইকথাৰ প্ৰমাণ আছে। এবাৰ চুক্লেন কোঁৱৰে (চুক্লেনমুঙ বা গড়গঞা ৰজা) হাতীৰে সহিতে গোপালৰ মাতৃ বজ্ৰাংগী আইৰ পোহাৰ লণ্ডভণ্ড কৰাত গোপালে কোঁৱৰক প্ৰতিহত কৰিবলৈ চেষ্টা কৰে। কোঁৱৰ কোপিত হ'ল। ৰাজধানী পালেগৈ বাতৰি। ৰজাঘৰীয়া সৈন্য লালি পাতি খেদি আহিল। ঘটনা বেগতিক দেখি গোপালে মাতৃক লগত লৈ সেই ঠাইৰপৰা কেনিবা পলাল। পাছত ৰজাৰ বিষয়াই জগৰ ধৰি — '*চকি ফাট দি বিচাৰি নেপালে কতু*'।[3]

ৰজা বা ৰজাৰ প্ৰতিনিধিয়ে দেৱতাৰ পূজা-অৰ্চনাৰ বাবে যিবোৰ ভূমি দেৱোত্তৰ বা ব্ৰহ্মোত্তৰ হিচাপে দান কৰে সেই সত্ৰ, মন্দিৰ-দেৱালয়ৰ পাইকে ফাটি কৰকে ধৰি আন কিছুমান কৰৰ পৰা ৰেহাই দিছিল। এটা মাত্ৰ উদাহৰণ তুলি দিয়া হ'ল-

শিৱসিংহ স্বৰ্গদেউৰ দিনত ডেকা দুৱৰা বৰফুকনে ১৬৪৮ শকত শুৱালকুছিৰ ৰামমিশ্ৰ বৰদেউৰীক যিখন তামৰফলি কৰি মাটি দান দিছিল তাত লিখা আছিল —

*.....শুৱালকুছিৰ ৰামমিশ্ৰ বৰদেউৰীক স্বৰ্গীয় পুনো উৎসৰ্গা কৰি ব্ৰহ্মোত্তৰ দিয়া গেল। ইহাৰ কৰ কাটল, পদপঞ্চক, বেঠ বেগাৰ , ধুমুলি ঘামেসা (মাড়েসা) জলকৰ-যৱক্ষৰ, হাট-**ফাট**, চকী-**ফাট**, দান-খুত সৰ্ব্বাৰি পৰিত্যাগ হৈল...*[4]

প্ৰসংগক্ৰমে আহোম যুগৰ কেইবিধমান কৰ-কাটলৰ ধৰণ উল্লেখ কৰা হ'ল -

কৰ - মাটিখোৱা বাবে ৰজাক শোধাব লগা ধন।

কাটল—মাটি খোৱা বাবে ৰজাৰ কামত খাটনি কৰিব লাগিছিল। খাটনি কৰিব নোৱাৰিলে তাৰ বিনিময়ত দিব লগীয়া ধনক কাটল বোলে।

পঞ্চক—বৰভণি বা পঁচা।

বেঠ –ৰজাঘৰীয়া হাতী ম'হ আদি ধৰাৰ বাবদ দিব লগা মূল্য।

বেগাৰ — ৰজাৰ প্ৰয়োজন মতে বন-বাৰি কৰি দিয়া।

ধুমুলি– নিৰ্ব্বংশ মানুহৰ সম্পত্তি ৰজাই লাভ কৰে।

মাড়েসা / ঘামেসা –ছোৱালী বিয়া দিলে ৰজালৈ দিব লগা প্ৰাপ্য ফেৰি।

জলকৰ – নৈ বিল আদিত মাছধৰা কৰ।

যৱক্ষৰ –হিলৈত প্ৰয়োজন হোৱা খাৰ প্ৰস্তুতৰ বাবে ঘৰেপ্ৰতি দিব লগা বাব।



হাট -- নিৰূপিত সময়ত অনেক মানুহ সমাবেশ ঘটি বয় বস্তু কিনা বেছা কৰা ঠাই, তাৰ কৰ।

ফাট– নাৱে বা বামে বেপাৰী একত্ৰ হৈ ৰাজহ দিব লগা ঠাই।

চকী– ৰজাৰ নগৰ বা প্ৰতিৰক্ষা গড়ৰ পৰা দিয়া ঠাই, তাৰ কৰ।

দান—বেচিবলৈ অনা বস্তুৰ বাবে ৰজাঘৰীয়াক দিয়া কৰ, পাৰ হোৱা কৰ।

খুত– মাটিত বাজে আন বস্তুৰ ওপৰত লগোৱা কৰ।[5]

তলত কেইখনমান বুৰঞ্জী বিখ্যাত ফাটৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কে আলোচনা দাঙি ধৰা হৈছে। এই বিষয়ে আজিকোপতি অনালোচিত হৈ আছে। এই লেখাত হয়তো দুই এটা ভুল-প্ৰমাদ থাকি যাব পাৰে।

## সলা (হলা) ফাট

নগাঁও জিলা উত্তৰ পূব ফালে কলিয়াবৰ মহকুমাৰ দিফলু নৈৰ পাৰত সলাৰ ফাট। এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। তাতেই আহোমসকলে গড় বান্ধিছিল বাবে সলাগড় বুলিও প্ৰখ্যাত। সলাত কেইবাখনো যুদ্ধবিগ্ৰহ হৈছিল। চুহুংমুং ৰজাৰ দিনতে আহোমৰাজ্য আক্ৰমণ কৰিবলৈ অহা মুছলমান সৈন্যৰ এটা বৃহৎ দল অগ্ৰসৰ হয়। আহোমে উত্তৰপাৰে ভৰলী নদীৰ মুখত আৰু শিঙৰীত, দক্ষিণপাৰে সলাত কোঠ মাৰি আছিল। মুছলমানৰ বৃহৎ ফৌজ এটাই **সলাত** আহোমৰ গড় আক্ৰমণ কৰাত দুয়োদলৰ ভীষণ ৰণ হয়। সেই যুদ্ধত আহোমৰ তিনিজনা প্ৰধানমন্ত্ৰীয়ে যুদ্ধত নামে। কনচেং বৰপাত্ৰগোহাঞে বীৰ বিক্ৰমেৰে যুঁজি মুছলমান সেনাপতিক বধ কৰে। সেনাপতি বধ হোৱাত মুছলমান সৈন্যৰ মনোবল হ্ৰাস পায়। আহোমে খেদি নি খাগৰিজান পোৱালেগৈ। এই দীঘলীয়া ৰণখনত স্বয়ং স্বৰ্গদেৱে **সলা** কোঠত থাকি ৰণৰ ভূ-ভা লৈ আছিল।[6] তাৰ পিছত কোচৰাজ্য আৰু ভূঞা ৰাজ্যৰ সীমান্তৱৰ্তী সেই সলা আহোমৰ দখলত থকা গড় আৰু ফাট্ থকা ঠাই। ১৫৪৬ চনত কোচৰজা নৰনাৰায়ণে ভায়েক শুক্লধ্বজৰ অধীনত এটা শক্তিশালী সেনাবাহিনী আহোমৰাজ্য আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰিছিল। তেতিয়া আহোম ৰাজ্যৰ সিংহাসনত চুক্লেংমুঙ আছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে চিলাৰায় দিক্ৰাই নৈলৈকে আগুৱাই আহে। যুদ্ধত আহোম সেনাবাহিনী ঠাৰৰিব নোৱাৰি পিছ হোঁহকি আহে। দক্ষিণপাৰে কলিয়াবৰত কোচসকলক বাধা প্ৰদান কৰিবলৈ সক্ষম হয়। ইয়াত কোনো পক্ষৰে হাৰ-জিত নিৰ্ণয় নহ'ল। কিন্তু ইয়াৰ পাছত সলাত যিখন ৰণ হৈছিল তাত কোচৰ হাতত পৰাস্ত হৈছিল। সেই ৰণত কুৰিজনমান ওখ খাপৰ আহোম বিষয়াই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল।[7]

পৰৱৰ্তীকালত চুখাম্‌ফা বা খোৰাৰজাৰ দিনত প্ৰতাপৰায় ভূঞাৰ এজন নাতিয়েকৰ নেতৃত্বত বিদ্ৰোহৰ সূচনা কৰি আহোমৰাজ্যত লুটপাট কৰে। তেতিয়া চুখাম্‌ফা ৰজাই আইখেক বুঢ়াগোহাঞিক প্ৰধান সেনাপতি পাতি যুদ্ধলৈ আগবঢ়াই দিয়ে। বুঢ়াগোহাঞিৰ সুদক্ষ নেতৃত্বত ভূঞাক দমন কৰে। বুঢ়াগোহাঁয়ে যি ঠাইত শত্ৰুক বাধা দিবলৈ সূচল তেনেকুৱা ঠাইত কোঠ মৰালে। সেই অনুসৰি **সলা** আৰু **বোকাত** কোঠ মাৰি স্থায়ীভাৱে সৈন্যসামন্ত ৰাখিবলৈ সূচল কৰিলে। তেতিয়াৰে পৰা আহোম, ভূঞা আৰু কোচ ৰাজ্যৰ সীমা মূৰিয়লী ঠাই হিচাপে সলা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক কেন্দ্ৰ ফাট গঢ়ি উঠিল।

দিফলু নৈখন কাৰ্বি আংলঙৰপৰা ওলাইছে। বৰ্তমানৰ গোলাঘাট জিলাৰ কাজিৰঙা অভয়াৰণ্যৰ মাজেদি বৈ আহোতে নৈখনে দুয়োপাৰে ভালেমান জান-জুৰি-বিলৰ লগত সংলগ্ন হৈ বোকাখাত মহকুমা অতিক্ৰম কৰি নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ উত্তৰ-পূৰত সোমাইছে। কলিয়াবৰ মহকুমাৰ সেইখিনিতে

ভেংৰাইজান লগত মিলি ব্ৰহ্মপুত্ৰত পৰিছে। সেই দুই পানীধাৰাৰ সংগমস্থলীতে সলাৰ ফাট আছিল। কেপ্টেইন ৰেডৰ টোকামতে দিফলু নৈখন সলা ফাটৰ উজনিত লুইত আৰু দিহিং লগ লাগি বৰলুইতত পৰিছে।

**বৰহাট ফাট**

ঠাইখনৰ নামটোৱেই হাট আৰু ফাট দুয়োটাকে সূচাইছে। অসম নগাপাহাৰৰ সীমান্তবৰ্তী ঠাই। আজিকালি বৰহাট চাহ বাগিছা নামৰ এখন ডাঙৰ চাহ বাগিছা আছে। দিলিহ নৈৰ কাষৰীয়া ঠাই। নগাপাহাৰৰ পৰা ওলাই অহা দিচাঙৰ পূব ভাগটোক দিলিহ নৈ বোলে। দিহিং আৰু দিলিহ নৈৰ মাজৰ পাহাৰীয়া অঞ্চলতে বুৰঞ্জী আৰু লোকসাহিত্যত সঘনে উল্লিখিত মহং ঠাইখন। মহং লোণপুঙৰ বাবে বিখ্যাত। বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই পুৰণি তথাৰ পৰা উদ্ধৃতি দি লিখিছিল —বৰহাট–নগাপাহাৰৰ দাঁতি কাষৰীয়া ঠাই।

আগৰ দিনত যোৰহাটৰ পৰা নাৰেদি গ'লে
বাৰদিনৰ মূৰত পায়গৈ। দিখৌমুখৰপৰা
নাৱেৰে গৈ চাৰিদিনৰ মূৰত দিচাংমুখ।
দিচাঙৰ পৰা বৰহাটলৈ ওলাব পাৰি। বৰহাটলৈ
এদিনৰ বাট থাকোতেই সৰু নাৱতহে যাব
পাৰি। পৰ্বতৰপৰা নগাই ভৈয়ামত বেপাৰীৰ
সৈতে চাউল, খাৰুৱা কাপোৰ, শুকানমাছৰ
লগত লোণ সলায়। ভৈয়ামৰ লোকে চাউল,
গুড়, বৰকাপোৰ, কপাহ, এৰি-মুগাৰ কাপোৰ
আদিৰ ভাৰ নাৱেৰে কঢ়িয়াই নিছিল।
তিনিসেৰ চাউল দি এসেৰ লোণ পাইছিল।[৮]

বিষ্ণামসমূহতো বৰহাট, মহং নামৰ ঠাইদুখন আৰু লোণ সম্বন্ধীয় উল্লেখ ভালেমান আছে। ভৈয়ামৰপৰা লোণ সংগ্ৰহ কৰিবলৈ যোৱাসকলক উদ্দেশ্যি করুণ ভাবৰ বিহু নাম ৰচনা কৰিছিল

*মহং বেহাৰলৈ নেযাবি সোণামুৱা*
*নাখাওঁ ভুখৰীয়া লোণ;*
*অকৰা নগাই খকৰাই কাটিব*
*তোৰ লগত কান্দিব কোন?*

**তিনিমনি ফাট**

এই ফাটৰ কথা উল্লেখ আছে 'গুৰু চৰিত কথা'ত। ভৱানীপুৰীয়া গোপাল আতাৰ পূৰ্বপুৰুষে এসময়ত বাস কৰিছিল কলিতা দেশত। চেকখামহাট জিনৈ নামৰ গাৱঁত। পিতাকৰ নাম কামদেৱ, মাতৃৰ নাম বজ্ৰাংগী। কামদেৱৰ পিতৃ নৰদেৱ বিয়োগ হোৱাত সতীয়া ভায়েকে বাপেক নৰদেৱৰ চাৰিশ টকা বিচাৰি ৰাজদূত নি মেলত ঘটোৱাত উপায়ান্তৰ হৈ কামদেৱৰ পৰিয়ালটো পলাই আহি আহোমৰাজ্যত সোমালহি। তেওঁলোকে *'দেশ এৰি অটবা অৰণ্যে চৰা পৰ্ব্বত পাৰ হৈ তিনিমনি ফাটে ঃ আবৰ মিৰি চাৰি মাটি এৰি দি অচম দেশ ওলালহি পোঙ্কৰ দিনে'*।[৯] প্ৰশ্ন হয়, কলিতা দেশৰ অৱস্থিতি ক'ত আছিল? চৰা পৰ্বতনো কোনটোক কয়? আবৰ মিৰি আৰু মাটিমিৰি (ভৈয়ামৰ মিৰি) ৰ বসতিস্থল পাৰ হোৱালৈ চাই পূবৰ শদিয়া ফালৰপৰা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পাহাৰৰ দাঁতিয়েদি আহি পুনৰ দক্ষিণমুৱা হৈ 'তিনিমনি ফাট' অতিক্ৰম কৰি নাজিৰাহাটলৈ গৈছিল। বজ্ৰংগী আয়ে নাজিৰাহাট আৰু গড়গাঁৱৰ বৰদুৱাৰমুখত পোহাৰ দি জীৱন নিৰ্বাহ কৰিছিল। ড. বাণীকান্ত কাকতিয়ে সেই বৰ্ণনা অনুসৰি 'কলিতা দেশ পূব-উত্তৰঅসমৰ সীমান্ত ভূমিৰপৰা পোঙ্কৰ দিনৰ বাটৰ দূৰত আছিল।'[১০] কোনো কোনো লেখকে কলিতা দেশখন লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ ওচৰত বুলিছে।[১১] যদি সেইটো কথা সঁচা হয় **তিনিমনি** ফাট **অচম দেশৰ** নামনিৰ পিনেহে হয়। কিন্তু গুৰুচৰিত কথা'ত স্পষ্টভাৱে উল্লেখ থকা জনগোষ্ঠী কেইটা উজনিৰ ফালৰহে। গোপালদেৱৰ পূৰ্বপুৰুষৰ গাওঁখনৰ নামটোৰ প্ৰথমাংশত **চেকখাম** শব্দটো তাইমূলীয় যেনহে অনুভৱ হয়। আমাৰ মত হ'ল, তিনিমনি মানে তিনিখন দেশৰ সীমান্তবৰ্তী ঠাই। সেই দেশ কেইখন হ'ল কলিতা, চুতীয়া আৰু অচম(আহোম) দেশ।

**হাদিৰাচকী**

অসম দেশৰ পশ্চিম সীমান্তৰ হাদিৰাচকীতো ফাটৰ নিচিনা কাৰ্য সম্পাদন হৈছিল। আহোম ৰাজ্য গোৱালপাৰালৈকে বিস্তাৰিত হোৱাত গোৱালপাৰাৰ সিপাৰে বঙাল হাট বা হাদিৰাচকীত এজন হাটখোৱা বা দুৱৰীয়াক নিযুক্তি দিয়া হৈছিল। তেওঁ বাৰ্ষিক বাণিজ্যৰ বাবে ৰজাক টকা সোধাব লাগে।সেই চকীৰ অধ্যক্ষজনক দুৱৰীয়া বৰুৱা বুলিছিল। তেওঁৰ অধীনত কিছুমান সৈন্যও আছিল। সেই কৰ্মচাৰীসকলক মাহেকীয়া বা বাৰ্ষিক কোনোধৰণৰ বেতন দিয়া নহৈছিল। তেওঁলোকক কিছুমান খেল বা মেল দিছিল। তাৰ উৎপন্নৰ দ্ৰব্য-বস্তুৰ কিছু পৰিমাণৰ ভোগ কৰিছিল।[১২] পশ্চিমৰ বংগদেশৰ লগত অসমৰ ব্যৱসায়-বাণিজ্য গঢ় লৈ উঠাৰ উপৰিও প্ৰতিৰক্ষাৰ ব্যৱস্থা লোৱাত হাদিৰাচকী বিখ্যাত হৈ পৰিছিল।

**নগা-ফাট**

অবিভক্ত শিৱসাগৰ জিলাৰ ওপৰ দৈয়াঙতো নগা-ফাট নামৰ এটা ফাটৰ কথা উল্লেখ পোৱা যায়। দৈয়াং নৈখন নগাপাহাৰৰ পৰা ওলাই বৰ্তমানৰ গোলাঘাট জিলাৰ ধনশিৰিত পৰিছে। সেইখিনিকে দৈয়াংমুখ বোলে। তাৰপৰা গোলাঘাট চহৰলৈ সাত কিলোমিটাৰমান দূৰত্ব। স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত ধনশিৰি দৈয়াঙৰ পাৰে পাৰে গাওঁ বহুৱাইছিল। সময়ৰ সোঁতত সেই জনপদ নোহোৱা হ'ল যদিও পুনৰ উনবিংশ শতিকাত বাহিৰৰ ব্যৱসায়ীয়ে ধনশিৰি পাৰত **গোলা** পাতিছিল।[১৩] ওপৰ দৈয়াঙৰ নগা-ফাট অসম-নগাৰাজ্যৰ সীমাত।

স্বনামধন্য লেখক আনন্দচন্দ্ৰ দত্তই 'প্ৰান্তিক' আলোচনীত কাজিৰঙাত কলৰ ফাট আৰু কাকডোঙা নৈৰ পাৰত খিটলুৰ ফাট নামৰ দুখন ফাটৰ কথা উল্লেখ কৰিছে। কাকডোঙা নৈখনই যোৰহাট আৰু গোলাঘাট জিলাৰ সীমা নিৰ্দ্ধাৰণ কৰিছে।

**ভূটীয়া ফাট**

বৰ্তমানৰ দৰং জিলা আৰু বাগছা জিলাৰ উত্তৰত ভূটান দেশ। সেই সীমান্তবৰ্তী অঞ্চলত ভূটীয়া ফাট থকাৰ কথা শুনিবলৈ পোৱা যায়। পাহাৰীয়া ভূটীয়া, আঁকা, ডফলা জনগোষ্ঠীসমূহে দুৱাৰ (গিৰিপথ) বোৱেদি ভৈয়ামত প্ৰৱেশ কৰিছিল। ৰজাই নিবন্ধ কৰি দিয়া অনুসৰি ভৈয়ামবাসীৰ পৰা পঁচা সংগ্ৰহ, খাদ্যবস্তু তুলিবলৈ খৰালি কালত নামি আহি প্ৰায়েই ৰায়তক অত্যাচাৰ কৰিছিল। কোচ, আহোম ৰজাসকলে তেওঁলোকক দমন কৰিবলৈ বহুবাৰ যুদ্ধ কৰিছিল। বুৰঞ্জীত উল্লেখ আছে স্বৰ্গদেউ চুখাম্‌ফাই তেওঁৰ ৰাজ্যৰ এই উত্তৰ পশ্চিম অঞ্চলটোৰ শাসন সুদৃঢ় কৰিবলৈ পোন প্ৰথমবাৰৰ বাবে দাঁতিয়লিয়াল সলাল গোঁহাইৰ পদ সৃষ্টি কৰি একোজন শাসনকৰ্তা নিয়োগ কৰিছিল।[১৪] ১৫৪৭ খ্ৰীঃত মহাৰাজ নৰনাৰায়ণৰ আদেশত ভায়েক গোঁহাই কমলে কোচবিহাৰৰ পৰা ভূটানৰ নামনিয়েদি নাৰায়ণপুৰলৈকে ৩৪০ মাইল দৈৰ্ঘ্যৰ এটা চেউনী আলি নিৰ্মাণ কৰাইছিল। এই পথেদি ভূটানৰ লগত যাতায়াতৰ সুবিধা হৈছিল। এসময়ত ভূটীয়াসকলে গোঁহাইকমল আলিৰ সীমালৈকে তেওঁলোকৰ ৰাজ্যৰ সীমা দাবী কৰাইছিল।

নৈ পথেদিও ভূটানৰ লগত অসমৰ

যোগাযোগ আছিল। ধনশিৰি, মঙ্গলদৈ, নোৱানদী, বৰনদী আদি যাতায়াতৰ উপযোগী নৈবোৰ ভূটানৰ পাহাৰৰ পৰা ওলাইছে। ভূটীয়াসকলে পাহাৰত উৎপাদিত বয়-বস্তু লৈ অসমীয়ালোকৰ লগত বেহাবেপাৰো কৰিছিল। বৰনদীৰ পাৰতে ইতিহাসপ্ৰসিদ্ধ দুমুনিচকী । এসময়ত আহোমৰাজ্য আৰু মুচলমান ৰাজ্যৰ সীমাত বৰনদী। হাজো অঞ্চল মুছলমানসকলৰ দখলত আছিল। দুমুনিচকী মানে — - সাম্প্ৰদায়িক কথা নহয় ; দুই সীমাৰ মূৰৰ চকী । ভূটান অসমৰ সীমান্তবৰ্তী অঞ্চলৰ কোন কোন ঠাইত ফাট আছিল স্থানীয়ভাৱে অনুসন্ধান কৰিলে নিশ্চয় উদঘাটিত হ'ব।

**ঢকুৱাখনাৰ ফাট**

লুইতৰ উত্তৰপাৰে, লুইত সোৱণশিৰিৰ মাজৰ ভূ-খণ্ডত চাৰিকড়ীয়া নৈৰ পাৰত এটা পানীফাট আছিল। এতিয়ালৈকে লিখিতৰূপত কোনেও দেখুৱাব নোৱৰাৰ কাৰণে বহুতে ইয়াক কল্পনা-ৰঞ্জিত উৰুঙা কথা বুলিয়েই টিলিকি মাৰি উৰুৱাই দিব বিচাৰে। তামৰ ফলি, বুৰঞ্জী, চৰিত-পুথিত নাথাকিলেও এই অঞ্চলৰ মানুহে যুগ যুগ ধৰি মৌখিক ৰূপত সংৰক্ষণ কৰিছে। চাৰিকড়ীয়া পাৰৰ ফাটটোৰ কথা সাঁচিপতীয়া বুৰঞ্জীত নাই, মানুহৰ মুখত আছে। তেনেদৰে তিনিমনি ফাটৰ উল্লেখ চৰিত পুথিত আছে কিন্তু বৰ্তমান ভৌগোলিক অৱস্থিতি থাউকতে ক'ত আছিল ক'ব নোৱাৰি। মৌখিক কথাৰ ওপৰতো বুৰঞ্জী পুনৰ্নিৰ্মাণ কৰিব পাৰি। ফাট যদি নাছিলেই ফাট কি শব্দটো আহিল ক'ৰ পৰা? বালিগাঁৱৰ নৈ পাৰৰ অঞ্চলটোক দূৰৱৰ্তী গাঁৱৰ বুঢ়া-বুঢ়ী মানুহে ফাট বালি গাঁও বোলা আমি নিজ কাণেৰেই শুনিবলৈ পাইছিলো। এসময়ত উত্তৰপাৰত এই ফাটটোতেই হাট-ঘাট আৰু ফাটৰ এই ত্ৰিশিৰা বৈশিষ্ট্যই প্ৰাধান্য লাভ কৰিছিল। স্বৰ্গদেউ ৰাজেশ্বসিংহৰ দিনত উমা বৰবৰুৱাই ৰংপুৰৰ পৰা দিচাং ঘাটলৈকে এটা আলিবাট নিৰ্মাণ কৰাইছিল ; যিটো বৰবৰুৱা আলি নামে জনাজাত। উত্তৰ পাৰত ঢকুৱাখনা ফাটৰপৰা বৰদলনিলৈকে সম্প্ৰসাৰিত হৈ ৰাজগড়ত লাগিছেগৈ। উত্তৰপাৰৰ অংশ হাঁহখোৱা আলি নামে জনাজাত হৈছিল। বানপানী, ভূমিকম্প, খহনীয়াৰ উপৰিও বৃটিছৰ শাসনকালত অব্যৱহৃত হোৱাত ভগ্নপ্ৰায় হৈ পৰিল যদিও এতিয়াও ঠায়ে ঠায়ে অৱয়ৱ অটুত আছে।

তাই ভাষাৰ ফাট্ এটা ব্যঞ্জনান্ত শব্দ। ফাট শব্দৰ লগত অসমীয়া ষষ্ঠী বিভক্তি লগ লাগিছে। ফাট্+অৰ+বিহু= ফাটৰ বিহু। ষষ্ঠী তৎপুৰুষ হৈ ফাটবিহু হৈছে। ফাটত পতা বিহু কাৰণে ফাটবিহু। বিহু মাৰোঁতে ঢোল ফটা, মাত ফটা, নাচোতে বসুমতী ফটা এনেকুৱা অনেক কথা লিখি বহুতে ফাটবিহু শব্দৰ সংজ্ঞা দিবলৈ প্ৰয়াস কৰিছে। এইবোৰ সম্পূৰ্ণ অশুদ্ধ কথা।


*লেখকৰ ঠিকনা ঃমুৰব্বী অধ্যাপক,*
*অসমীয়া বিভাগ, ঢকুৱাখনা মহাবিদ্যালয়*

প্ৰসংগ সূত্ৰ

১। AHOM LEXICONS, P-69
২। মহেশ্বৰ নেওগ, সম্পা. গুৰুচৰিত কথা পৃ.৪৫০
৩। উল্লিখিত গ্ৰন্থ, পৃ.২০৯
৪। বেণুধৰ শৰ্মা ৰচনাৱলী, প্ৰথম খণ্ড, পৃ.৫১৭
৫। সূৰ্যকুমাৰ ভূঞা, আহোমৰ দিন, পৃ.৫০
৬। চন্দ্ৰকান্ত মহন্ত, অসমৰ চমু ইতিহাস পৃ.৩২২
৭। উল্লিখিত গ্ৰন্থ পৃ.৩১৬
৮। বেণুধৰ শৰ্মা ৰচনাৱলী পৃ.১০৫৪-৫৫
৯। গুৰুচৰিত কথা পৃ.২০৭
১০। বাণীকান্ত ৰচনাৱলী পৃ.১০৭
১১। লক্ষ্মীনন্দন বৰা, যৈচন গগন বিয়াপি
১২। গুণাভিৰাম বৰুৱা, আসাম বুৰঞ্জী পৃ.১৬৭
১৩। যোগেন্দ্ৰ নাথ শৰ্মা, অসমৰ নদ-নদী পৃ.৬৪
১৪। কনকচন্দ্ৰ শৰ্মা, তেজপুৰ নামে ইটো নগৰ বিশেষ, পৃ.৬৪

০০০০





# ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ম'হঘূলি চাপৰি

ড° জিতৰাম কলিতা

বৰ্তমান ঢকুৱাখনা লখিমপুৰ জিলাৰ এটা মহকুমা। ১৯৮৯ খ্ৰীঃৰ ১৫ আগষ্টলৈকে ধেমাজী মহকুমাৰ অন্তৰ্গত এটা বিস্তৃত অঞ্চলহে আছিল। সামগ্ৰিকভাৱে ঢকুৱাখনা বুলি ক'লে ২৭.৬ উত্তৰ অক্ষাংশৰ পৰা ২৭.২৬ উত্তৰ অক্ষাংশ আৰু ৯৪.২৪ পূব দ্ৰাঘিমাংশৰ পৰা ৯৪.৪২ পূব দ্ৰাঘিমাংশৰ অন্তৰ্গত ভৌগলিকভাৱে থকা ভূ-খণ্ডক নিৰ্দেশ কৰে। ঢকুৱাখনাৰ পৰিসীমা ৬৫৯ বৰ্গ কিলোমিটাৰ। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সোৱণশিৰীৰ মাজত থকা বিস্তৃত অঞ্চলটো ঢকুৱাখনা নামেৰে জনাজাত। এই ভূ-খণ্ডৰ

মাজেৰে চামপৰা, কড়া, চাৰিকড়ীয়া, দাংধৰা আদি ব্ৰহ্মপুত্ৰৰ কেইবাখনো উপনৈ বৈ গৈছে।

অৰুণাচলৰ পাহাৰৰ পৰা নামি অহা উপনৈবোৰে সমভূমিত নিৰ্দিষ্ট গতিপথ লাভ কৰাৰ আগতে যেতি-তেনি বৈ গৈ লুইত বা সোৱণশিৰী উপনৈত পৰিছেগৈ। গতিকে ঘন ঘনকৈ থকা নৈ, জান আৰু জুৰিবোৰে তাহানি কালৰে পৰাই অঞ্চলটোৰ ভূ-গঠন প্ৰক্ৰিয়াত আলোড়ন সৃষ্টি কৰি আহিছে। পাহাৰৰ পৰা খহাই অনা শিল, বালি আদিয়ে ভৈয়ামৰ ভূ-গঠনৰ কাম বছৰে বছৰে নতুন নতুনকৈ চলাই আছে। সেইবাবে বহু বছৰলৈকে ইয়াৰ খেতি-পথাৰ আৰু ঘৰবাৰীৰ স্থায়িত্ব নাছিল। এই ভূ-খণ্ড দ আৰু পলসুৱা। অঞ্চলটো বাৰিষা কালত ছয়মাহমান পানীত তল গৈ থাকে। বাম খেতি কৰিবলৈ যথেষ্ট উপযোগী হোৱাৰ বাবে ইতিহাসে চুকি পোৱাৰ আগলৈকে ইয়ালৈ কৃষিজীৱী মানুহৰ আগমন হৈছিল যদিও খ্ৰীষ্টীয় কেইবা শতিকালৈ আঞ্চলটো স্থায়ীভাৱে বসবাসৰ উপযোগী হৈ উঠা নাছিল।

**ম'হঘুলি চাপৰি আৰু ফাটবিহু ঃ** ঢকুৱাখনাৰ "মহঘুলি চাপৰি"ৰ নামকৰণ বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিদেৱে "গৰখীয়া" নামৰ গল্পত উল্লেখ কৰিছে। বৰগোহাঞি দেৱক চাৰিকড়ীয়ানৈৰ উত্তৰ দিশত বৰ্তমান ঢকুৱাখনা আৰক্ষী থানাৰ উত্তৰে থকা চাৰিকড়ীয়া নৈৰ ওপৰত থকা পকা দলংখনৰ পশ্চিমে থকা অটব্য অৰণ্যৰ চাপৰিটোৰ প্ৰাকৃতিক সৌন্দৰ্যই শৈশৱৰে পৰাই আকৰ্ষণ কৰি আহিছিল বাবে সেই বিশাল ঠাইডোখৰক ম'হঘুলি চাপৰি নাম দি গল্পৰ ওপৰিও উপন্যাসত উল্লেখ কৰিছে।

১৯৯৬ খ্ৰীষ্টাব্দৰ পৰা চাৰিকড়ীয়া নৈৰ পাৰত থকা মনোমোহা চাপৰিটোত থকা শিশু গছৰ বাগিছাৰ মাজত স্থায়ীভাৱে সাজি-লোৱা বননিৰ অঞ্চলত ফাটবিহু অনুষ্ঠিত কৰি অহা হৈছে। মঞ্চৰ কাষৰ শিশু গছবোৰৰ তলে তলে অনুষ্ঠিত হোৱা মুকলি বিহুত সমবেত হোৱা হাজাৰ হাজাৰ দৰ্শকৰ দলদোপ হেন্দোলদোপত ঠাইডোখৰ লোকাৰণ্য হৈ পৰে। অসমীয়া লোক-সংস্কৃতিৰ এক অমূল্য সম্পদ ফাটবিহু এই চাপৰিতে বছৰি অনুষ্ঠিত হৈ আহিছে বাবে ম'হঘুলি চাপৰি অসমৰ এখন বিখ্যাত স্থানত উপনীত হৈছে।

ঢকুৱাখনা মহকুমাটোক ভিন্ ভিন্ জনগোষ্ঠীৰ মিলন ভূমি আখ্যা দিব পাৰি। পূৰ্বৰে পৰাই এই ভূ-খণ্ডত বিভিন্ন থলুৱা জনগোষ্ঠীবোৰৰ বসবাস সেৰেঙা আছিল যদিও কালক্ৰমত বিভিন্ন ঠাইৰ পৰা সাৰুৱা মাটিৰ সন্ধানত এই ভূ-খণ্ডলৈ মানুহৰ প্ৰব্ৰজন হ'বলৈ ধৰিলে। এই প্ৰব্ৰজনকাৰী মানুবোৰে থলুৱা লোকসকলৰ লগত এৰা ধৰাৰ মাজেদি বৃহৎ অসমীয়া সমাজ গঠন প্ৰক্ৰিয়া আৰম্ভ কৰি এখন নতুন ৰূপৰ ঢকুৱাখনা গঠনৰ শুভাৰম্ভ কৰিছিল।

১৯৮৯ খ্ৰীষ্টাব্দত লখিমপুৰ জিলাৰ এখন মহকুমা হিচাপে গঠিত ঢকুৱাখনাত বাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত আহোম, কোঁচ-ৰাজবংশী, চাহ-জনগোষ্ঠী, চুতীয়া, মিচিং, দেউৰী, নেপালী, বড়ো, সোণোৱাল কছাৰী, কৈৱৰ্ত, সূত আদি জনগোষ্ঠীৰ লগতে কায়স্থ, ব্ৰাহ্মণ, কলিতা, মুছলমান, বিহাৰী, মাৰোৱাৰী, বঙালী আদি লোকসকলে বিভিন্ন ঠাইৰ পৰা আহি ঢকুৱাখনাতে মাতৃভূমি হিচাপে আঁকোৱালী লোৱাৰ মানসিকতা গঢ় লোৱাত ঢকুৱাখনীয়া হিচাপে চিনাকি দি আহিছে। ঢকুৱাখনাত কোনো গোষ্ঠীগত সংঘৰ্ষ, ভাষা-ভিত্তিক বৈষম্য, সাংস্কৃতিক বিৰোধ, ধৰ্মীয় সংঘাত নোহোৱাকৈ এক ঢকুৱাখনীয়া হিচাপে বসবাস কৰিবলৈ সক্ষম হৈছে।

ফাটবিহু অসমীয়া লোক-সংস্কৃতিত এক অমূল্য সম্পদ। চাৰিকড়ীয়া নৈখনক কেন্দ্ৰ কৰি তাহানিখনতে ম'হঘুলি চাপৰিত অনুষ্ঠিত হৈছিল ফাটবিহু। ফাটবিহুত গোৱা বিহুগীতবোৰৰ ভাষাত সেই অঞ্চলৰ জন-জীৱনৰ আশা-নিৰাশা, বিৰহ-মিলন আৰু পোৱা-নোপোৱাৰ বেদনাবোৰ চিত্ৰিত হৈছিল। অৱশ্যে ফাটবিহুকলৈ ৰচিত আৰু বৰ্তমানে প্ৰচাৰিত প্ৰায়বোৰ গীতেই অৰ্বাচীন। ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক বিশিষ্ট গৱেষক ডিম্বেশ্বৰ গগৈয়ে ঢকুৱাখনাৰ প্ৰাচীন কালত গোৱা বিহুগীত কেইটামান সংগ্ৰহ কৰি এখন মূল্যবান সংকলন প্ৰকাশ "দেহা গৰকিলে প্ৰেমে' প্ৰকাশ কৰি ঢকুৱাখনীয়া ৰাজিক মহৎ উপকাৰ সাধন কৰিছে। বৰ্তমান অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মানুহৰ জাতিগত, ভাষাগত, কৃষ্টিগত আদি আপদীয়া আৱেগ-অনুভূতিৰ পৰা সৃষ্টি হোৱা সন্দেহ, সংশয় আৰু সংকটৰ ফলত সংঘটিত হোৱা ভাতৃঘাতী ঘটনা চাৰিকড়ীয়া নৈৰ পাৰত কেতিয়াও সংঘটিত হোৱা নাই।

ফাটবিহু হৈছে ব'হাগৰ উৎসৱ আৰু ব'হাগ মানে হৈছে এক অনুপম শাশ্বত অনুভৱ। সেউজীয়া ৰঙৰ সমাহাৰেৰে পৰিপূৰ্ণ হৈ পৰে প্ৰকৃতি। ইয়াত সহজতে বিচাৰি পোৱা যায় জীৱন-যৌৱনক মাদকতা। কৃষকৰ জীৱন প্ৰকৃতিৰ লগত একাত্ম হৈ পৰে। ঢোল-পেঁপা আৰু গগনাৰ মাতে কৰি তোলে হিয়া ৰাইজাই। দেহ-মনলৈ আহে প্ৰেমৰ বন্যা আৰু প্ৰেমাসক্ত মনত দোলা দিয়ে যুৱীয়া জীৱনৰ সপোনে। এই সপোন কাৰোবাক আপোন কৰি লোৱাৰ। এনে দৰ্শনৰ মাজতে লুকাই আছে জীৱ-সৃষ্টিৰ আকুলতা। এইবাবে যুৱক-যুৱতীৰ যৌৱন আকুলতা ব'হাগত লগৰীৰ সন্ধানত ব্যস্ত হয়।

ফাটবিহু বুলি ক'লে ভালেমান গাঁৱৰ লোক-সমষ্টিৰ প্ৰদৰ্শিত বিহুকে বুজায়। পৰম্পৰাগত ৰঙালী বিহুত সাধাৰণতে এখন গাঁৱৰ যুৱতীসকলে নিজৰ গাঁৱত বা পথাৰত চ'ত মাহৰ ২৬ তাৰিখৰ পৰা ৰাতি বিহু পাতিছিল আৰু গৰু বিহুৰ দিনাৰ পৰাই যুৱকসকলে ঘৰে ঘৰে হুঁচৰি গাইছিল। ফাটবিহুত বিভিন্ন ঠাইৰপৰা বিহু দলবোৰে আহি ঢকুৱাখনা জানৰ পৰা ভোৰতাল চুকলৈকে চাৰিকড়ীয়া নৈৰ দক্ষিণ পাৰে দিনৰ ভাগত বিহু প্ৰদৰ্শন কৰিছিল। নিজা গোষ্ঠীৰ বৰ্ণময় পোছাক-পৰিচ্ছদ পৰিধান কৰি বিহুৰতলীত মুকলি বিহুৰ প্ৰদৰ্শনৰ সুশৃংখলিত দৃশ্যই যি নৈসৰ্গিক দৃশ্য সৃষ্টি কৰিছিল সেই দৃশ্য কল্পনাতো অগোচৰ আছিল বুলি অগ্ৰজসকলে কৈছিল। এইবাবে ফাটবিহু স্বমহিমাৰে মহিমা মণ্ডিত আৰু অনন্য।

সংস্কৃতি হৈছে এটা জাতিৰ চিন্তা, কল্পনা আৰু সকলো কৰ্মৰ সমষ্টিৰ শ্ৰেষ্ঠাংশৰ সমাহাৰ। প্ৰকৃতিৰ প্ৰেৰণা থাকিলেও প্ৰাকৃতিক নিয়মবহিৰ্ভূত মানুহে নিজৰ শৰীৰ আৰু মানসিক বিকাশৰ বাবে সমাজৰ হিতাৰ্থে সৃষ্টি কৰা আৰু মানি অহা সকলোখিনিয়ে হ'ল সংস্কৃতি। ধৰ্ম-বিশ্বাসো সংস্কৃতিৰ প্ৰধান অংগ। এটা জাতিৰ জনজীৱনৰ ওপৰত সাংস্কৃতিক পৰম্পৰাৰ প্ৰভাৱ পৰিবই। বিভিন্ন সময়ত অসমলৈ বিভিন্ন জাতিগোষ্ঠীৰ মানুহে নিজৰ সংস্কৃতি লৈ আহিছিল বাবে সেই জনগোষ্ঠীৰ সাংস্কৃতিক ৰবঙণিয়ে লুইতপৰীয়া সংস্কৃতিৰ বাবে ৰহণীয়া ৰূপত বৃহৎ অসমীয়া সংস্কৃতিৰ সমন্বয় ঘটিছিল। অসমীয়া সংস্কৃতিৰ পাৰম্পৰিক সমন্বয়ৰ গুৰিতে অসমৰ অধিবাসীসকলৰ মাজত প্ৰচলিত ধৰ্ম, গীত, বাদ্য, নৃত্য, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি উপাদান লক্ষ্য কৰিব পাৰি।

অসমত আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব কালত আহোমসকলৰ গুণগ্ৰাহিতা, উদাৰতা আৰু সাংস্কৃতিক উৎসাহৰ বাবে অসমৰ সাংস্কৃতিক বিবৰ্তন আৰু দ্ৰুত বিকাশ হৈছিল। বাৰে ৰৰণীয়া সাংস্কৃতিক সম্পদ সৃষ্টিত ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়োৱা হৈছিল বাবে অসমৰ গৌৰৱময় ঐতিহ্যৰ পৰম্পৰাসাধিত হৈছিল।

অসমীয়া সংস্কৃতিক প্ৰাণস্বৰূপ শ্ৰীমন্ত শংকৰদেৱে বান্ধি দিয়া সংস্কৃতিৰ মেটমৰা ভঁৰাললৈ দৃষ্টিপাত কৰিলে জানিব পাৰি অংকীয়া নাটৰ ভাওনাৰ মাধ্যমত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে অসমীয়া জাতিৰ প্ৰত্যেককে গায়ক, ভাৱৰীয়া আৰু সুসংস্কৃত মানৱ সৃষ্টি কৰি গৈছে। সেই পৰম্পৰা দীৰ্ঘ সময় ধৰি আজিও বিদ্যমান হৈ আছে। গুৰু দুজনাই অসমৰ সংস্কৃতিৰ যি ৰবঘৰ বান্ধি থৈ গৈছিল আজান ফকীৰে তাক সমন্বয়ৰ জৰীৰে বান্ধি বৃহৎ অসমীয়া জাতি

গঠনত সহায় কৰিছিল। অসমত আহোমসকলৰ ৰাজত্ব কালত ৰজাঘৰীয়া সন্মান পোৱা বিহুৰ সাংস্কৃতিক পৰম্পৰা সুন্দৰ আৰু সাৱলীল আছিল। অসমৰ জনজীৱনত জড়িত হৈ থকা গীত-মাতত খাটি অসমীয়া সত্বাৰ লগত জড়িত হৈ আছে বিহু নাম, আই নাম, বিয়া নাম আদিত। বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি অসমত সকলো জনগোষ্ঠীৰ মাজৰপৰা সাংস্কৃতিক পৰম্পৰা অৱনমিত হোৱা দেখা গৈছে। জনজীৱনৰ লগত সংলগ্ন হৈ থকা সকলো সাংস্কৃতিক পৰিবৰ্তনৰ ফলত সমাজৰ শৃংখলাত বাধাৰ সৃষ্টি হৈছে। সাংস্কৃতিক পৰম্পৰা হৈছে সাংস্কৃতিক কাৰ্যৱলীৰ লগতে সামাজিক দায়বদ্ধতায়ো সাঙোৰ খাই থাকে। সংস্কৃতি হৈছে মানুহৰ শাৰীৰিক আৰু মানসিক শক্তিৰ প্ৰশিক্ষণ দৃঢ় কৰি বিকাশ ঘটোৱাৰ উপায়। গতিকে সংস্কৃতি হৈছে এটা জাতিৰ চিন্তা, কল্পনা আৰু কাৰ্যৰ শ্ৰেষ্ঠ অংশখিনি। অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতিৰ গুৰিতে বিভিন্ন সময়ত অসমলৈ অহা বিভিন্ন জনগোষ্ঠীৰে মানুহে স্বকীয় সংস্কৃতি আমদানি কৰি জাতি-গোষ্ঠীসমূহৰ সামূহিক সাংস্কৃতিক অৱিহণাই বৃহৎ অসমীয়া জাতি গঢ় দিয়াত সহায়তা কৰিছিল।

ত্ৰয়োদশ শতিকাতে অসমলৈ অহা টাই আহোমসকলৰ গুণগ্ৰাহিতা, উদাৰতা আৰু সাংস্কৃতিক সহিষ্ণুতাৰ কাৰণে অসমীয়া সংস্কৃতিৰ বিকাশ আৰু বিৱৰ্তন হৈছে। স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্ব কালৰেপৰা একেৰাহে বাৰে ৰহণীয়া সাংস্কৃতিক সম্পদ সৃষ্টি কৰাত ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়োৱা হৈছে। প্ৰাক্ শংকৰী যুগৰে পৰা অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ সূচনা আৰম্ভ হ'লেও অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ শ্ৰীমন্ত শংকৰদেৱে বান্ধি দিয়া সাংস্কৃতিক দিশত অংকীয়া ভাওনাৰ জৰিয়তে অসমীয়া জাতিৰ প্ৰত্যেককে গায়ক, ভাৱৰীয়াৰ সৃষ্টি কৰি অসমীয়া জাতিৰ সংস্কৃতি ৰূপান্তৰৰ এটা স্বাভাৱিক প্ৰক্ৰিয়া। সেই ৰূপান্তৰ হ'ব লাগে জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, ভূপেন হাজৰিকাই কৈ যোৱা ৰূপান্তৰৰ নিৰ্দেশ অনুযায়ী। কাৰণ জনকৃষ্টিৰ সংঘাত, সংমিশ্ৰণ আৰু সমীকৰণৰ ফলত সংস্কৃতিৰ যি ৰূপান্তৰ ঘটে তাৰ ফলতে সংস্কৃতিয়ে প্ৰগতিৰ পথত সমাজখন আগবঢ়াই নিব পাৰে।

মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱে অসমীয়া সংস্কৃতিৰ যি বৰঘৰ বান্ধি থৈ গৈছিল পৰৱৰ্তী সময়ত বহুকাললৈ সেই সংস্কৃতি প্ৰচাৰৰ অভাৱত কেৱল সত্ৰ-সমাজতে আবদ্ধ হৈ আছিল। বৰ্তমান সত্ৰীয়া সংস্কৃতিয়ে বিশ্ব দৰবাৰলৈ গতি কৰিছে। আহোমৰ ৰাজত্ব কালত ৰজা ঘৰীয়া সন্মান পোৱা বিহুৰ সাংস্কৃতিক পৰম্পৰা বৰ মনোৰম আৰু সাৱলীল আছিল। বৰ্তমান দেখা পোৱা যায়- অসমীয়া জাতীয় উৎসৱ বিহুৰে কোনো কোনো ঠাইত সাংস্কৃতিক পৰিক্ৰমাৰ পৰিধি ভাঙি অপসংস্কৃতিলৈ অৱনমিত হোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে ভোগালী বিহুত গ্ৰাম্যাঞ্চলত গাঁৱৰ সকলোৱে লগে লগে এসাজ খাই বং ৰহইচৰ মাধ্যমত সম্প্ৰীতিৰ বান্ধোন অটুট কৰাটো এটা সামাজিক পৰম্পৰা বুলি ধৰা হৈছিল। মাঘ বিহুৰ দিনা ৰাতিপুৱা মেজি জ্বলাই অগ্নিক সেৱা জনাই ৰাইজে সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰিছিল। বৰ্তমানৰ প্ৰেক্ষাপটত দেখিবলৈ পোৱা যায় যে, গ্ৰাম্যাঞ্চলবোৰতো ঘৰৰ চোতালে পৃথককৈ মেজি জ্বলাই দোভাগ ৰাতিলৈকে উচ্চস্বৰত মাইকত ৰেকৰ্ড বজাই বায়ু প্ৰদূষণ কৰাৰ লগতে ওচৰ চুবুৰীয়াৰ টোপনি ক্ষতি কৰি শান্তি ভংগ কৰে। ওচৰা ওচৰিকৈ ঘৰ কৰি থকা ভাই-ককায়েকে বিভিন্ন ধৰ্মীয় মতালম্বনৰ বাবে মেজি জ্বলাই সাংস্কৃতিক পৰম্পৰা বিনষ্ট কৰাৰ লগতে তেওঁলোকৰ মাজত থকা একতাৰ বান্ধোন শিথিল কৰিছে। কাতি বিহুত আকাশবন্তি জ্বলোৱাৰ নিয়ম দুই-এখন সত্ৰৰ মাজতে আবদ্ধ হৈ আছে।

ব'হাগ বিহু হৈছে ৰংৰহইচৰ উৎসৱ আৰু সাংস্কৃতিক সমন্বয়ৰ সেতু। কৃষিজীৱী সমাজৰ পৰম্পৰাগত বিশ্বাসমতে ডেকা-গাভৰুৰ উদ্দাম নৃত্যৰ লয়লাসত প্ৰকৃতিয়ে শস্য উৎপাদনৰ ক্ষমতা লাভ কৰাৰ যোগ্যতা লাভ কৰে। এই বিহুত কিছুমান যুৱকৰ উশৃংখলতাৰ কাৰ্য পৰিলক্ষিত হোৱা দেখা যায়। বিহুৰ নামত শকত পৰিমাণৰ চান্দাৰ-দাবী, মাদক দ্ৰব্য সেৱন কৰি ৰাতি ৰাতি জনসাধাৰণৰ শান্তি ভংগ কৰি হুঁচৰি গোৱা, বিহু অনুষ্ঠানৰ বাবে সামৰ্থৰ বাহিৰৰ অৰ্থ দাবী আদি কাৰ্য বিহু-পৰম্পৰাৰ পৰিপন্থী। জনজীৱনৰ সাংস্কৃতিক পৰম্পৰাত এনে কাৰ্য লাহে লাহে সুদূৰপ্ৰসাৰী হৈ পৰাটো গভীৰ চিন্তাৰ কাৰণ হৈ পৰিছে।

জতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে জনসাধাৰণক একতাৰ ডোলেৰে যি কেইটা লোক-উৎসৱে বান্ধি ৰখাৰ সহায় কৰি আহিছে তাৰ অন্যতম হৈছে বিহু উদ্‌যাপনৰ বাবে পতা সন্মিলনবোৰৰ কৰ্ম-কৰ্তা ডেকাসকলৰ চান্দা দাবী কৰা গোজৰণিত। কৃষক-পথাৰ-শ্ৰম-ঘামৰ পৰা আজিৰ বিহু বিচ্ছিন্ন হৈ পৰিছে। বজাৰমুখী অৰ্থনীতিৰ ধামখুমীয়াত অসমীয়া জাতিৰ এক স্বকীয় সংস্কৃতি একাংশ শিল্পী নামধাৰী বহুবাৰ নিলৰ্জ্জ আস্ফালনত আজি বিপন্ন। স্পৰ্দ্ধাৰে সকলো সীমা উলংঘন কৰি বিহু মঞ্চত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিবলৈ গৈ হাতত পিষ্টল লৈ গীত পৰিবেশন কৰা, ৰাজহুৱাভাৱে "সোণেৰে সজোৱা-পজা" আৰু "মা আমি শদিয়ালৈ জামে" আদি অসমৰ জাতীয় সংগীত হ'ব লাগে বুলি মন্তব্য দি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক অপমান কৰিছে। এতিয়া সৰহভাগ অসমীয়া কৃষকেই ভূমিহীন। তাৰ মাজতো সম্প্ৰীতিৰ সাঁকো স্বৰূপ বিহুৰ চিৰন্তন পৰম্পৰাক আমি জীয়াই ৰাখিব লাগিব। লোক-সংস্কৃতিৰ বিশেষত্বই হৈছে পৰিবৰ্তিত পৰিস্থিতিত তথা বিভিন্ন স্থানত ভিন্ন ৰূপত প্ৰকাশিত হোৱা। গতিকে আজোককাৰ দিনত বিহু আৰু বৰ্তমানৰ বিহু প্ৰকাশগত পাৰ্থক্য থকাটো স্বাভাৱিক যদিও ইয়াৰ বিকৃতকৰণো কোনো অসমীয়াৰ কাম্য নহয়।

সংস্কৃতি বোঁৱতী নৈৰ দৰেই গতিশীল। সেইবাবে পৰিবৰ্তনৰ নামত জধে মধে নতুনত্বক গ্ৰহণ কৰা উচিত নহয়। অতীতৰ গছৰ তলৰ বিহুৰ পৰা বৰ্তমান ক্ৰমবিৱৰ্তন হৈ আহি বিহু গৃহস্থৰ চোতাল, ৰজাঘৰৰ পৃষ্ঠপোষকতা ৰংঘৰৰ বাকৰি, মঞ্চ আৰু সম্প্ৰতি ডিজিটেল ৰূপত চিডি, টিভিৰ জৰিয়তে মানুহৰ ঘৰ চুইছেগৈ।

ঢকুৱাখনাৰ ফাটবিহুৱে পুৰণি কিছু আঞ্চলিক বৈশিষ্ট্য এতিয়াও ধৰি ৰাখিব পাৰিছে। ফাটবিহুৰ পৰিৱেশে মানৱীয় প্ৰেম আৰু ভালপোৱাৰ মাজেৰে উঠি অহা নৱপ্ৰজন্মক সপোনৰ পথ দেখুৱাওক। পাৰ হৈ যোৱা বছৰৰ শেষত পুনৰ এক বলিষ্ঠ অনুৰাগে এটা নতুন বছৰৰ মুখামুখি হ'বলৈ শক্তি দান কৰক। ফাটবিহু হওক জীৱনৰ প্ৰেৰণা, সপোন অন্বেষণৰ বুনিয়াদ। চাৰিকড়ীয়া নৈ যিমান দিনলৈ বৈ থাকিব, সকলো লোকাচাৰৰ লগতে ফাটবিহুৰ বিহুনাম আৰু মুকলি বিহু নৃত্য থাকিব, অতি বিনন্দীয়াকৈ হাৰ্ষিৰ দেওধনি লগাকৈ জীয়াই থাকিব।

(অন্য বহুতো শ্ৰদ্ধাৰ লিখকৰ সহায় লোৱা হৈছে।)

*ৱাৰ্ড নং - ২, ঢকুৱাখনা নগৰ*
*ফোন নং (মোবাইল) - ৯৪৩৫৮৫০৩০৭*

০০০০

# বিহুৰ ঐতিহ্য অন্বেষণ

দুৰ্লভ বুঢ়াগোহাঁই



অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুটিৰ জন্ম বৃত্তান্ত সঠিক ভাৱে পাবলৈ নাই। বিহুৰ সংস্কৃতি গ্ৰন্থ, লেখক, গৱেষক আৰু গুণী ব্যক্তি সকলৰ লিখনিতো অসমীয়া সমাজে কোন সময়ত আদিম বনৰীয়া আচাৰ সমূহ ঘৰৰ মজিয়াত বহুৱাই লৈছিল সঠিককৈ কোৱা নাই। ইন্দ্ৰবংশী স্বৰ্গদেউ সকল অসমলৈ আগমন হোৱাৰ পূৰ্বে অসমত বসবাস কৰি থকা মটক, মৰাণ, বৰাহী, চুতীয়া, মিচিং, দেউৰী, বড়ো, গাৰো, ৰাভা, কাৰ্বি, কোচ, কছাৰী, ডিমাছা, তিৱা, আইতনীয়া, ফাকিয়াল, কলিতা আদি জনগোষ্ঠীসমূহ স্বকীয় বৈশিষ্টৰে পৰিচিত আছিল।

ভাষাতত্ত্বৰ ফালৰ পৰা চাবলৈ গ'লে অসমৰ জাতিমালা সংমিশ্ৰণ ঘটি একে কৃষ্টি-সংস্কৃতিৰ সুঁতিত বৰ্ত্তমান প্ৰবাহিত হৈ আছে। হৃদয়ত বুজ লব পৰা প্ৰধান মাধ্যম অসমীয়া ভাষা আৰ্য-অনাৰ্যৰ (সংস্কৃত আৰু দোৱান) সংমিশ্ৰণ ঘটিয়েই সৃষ্টি হৈছে সেয়ে আহোম স্বৰ্গদেউ সকলে বৰ অসম গঢ় দিয়াৰ পথত আগবাঢ়ি যাওঁতে সমস্যা হৈ দেখা দিয়া কথন মথনৰ দিশতোও গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছিল। তাকে কৰিবলৈ যাওঁতে অসমীয়া জাতিৰ প্ৰধান ভাষা শিকি বুজি ল'বলৈ দেশ জয়ী ইন্দ্ৰবংশী আহোম সকলক প্ৰায় ৩০০ বছৰ মান সময় প্ৰয়োজন হৈছিল।

এই সুদীৰ্ঘ ৩০০ বছৰ অৰ্থাৎ চ্যুকাফাৰ আগমণৰ পৰা (১২২৮+৩০০) ১৫২৮ খৃঃলৈকে অসমীয়া সংমিশ্ৰিত ভাষাৰ জ্ঞান আয়ত্বলৈ অনাৰ ব্যৱধানৰ সময় চোৱাত অসম মুলুকত বিহু সংস্কৃতি আছিল নে নাই? যদি আছিল কোন জনজাতি বা সাধাৰণ কোন খিনি মানুহে কেনেকৈ পালন কৰিছিল? সঠিক অনুসন্ধান বৰ্ত্তমানলৈকে হোৱা নাই।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৬৯৬ খৃঃ আহোম ৰাজধানী শিৱসাগৰৰ ৰংঘৰৰ বাকৰিত সমজুৱা ভাৱে বিহু আয়োজনৰ পৃষ্ঠপোষকতা কৰি বিহু-সংস্কৃতিৰ মৰ্যদা বৰ্ধিত কৰি সমাজত বৰপীৰা পাৰি বহুৱাই প্ৰজাৰ সমন্বয়ৰ সৌধ নিৰ্মাণ কৰিছিল। আহোম ৰজাই ভাষা জ্ঞানৰ বাবে প্ৰয়োজন হোৱা তিনিশ বছৰৰ সময়ছোৱাত সেই সময়ৰ থলুৱা চহা লোকে গোৱা বিহু নাম, সুৰ, বাদ্য, তাল, মান আদি কেনে ধৰণৰ আছিল? বুৰঞ্জীবিদ ডিম্বেশ্বৰ নেওগদেৱে গৱেষণা কৰি ব্যক্ত কৰিছে যে "বিয়ানাম আৰু অসমীয়াৰ আন চহা গীতমাতবোৰ অষ্টাদশ শতিকাৰ পিছলৈ নাহিলেও অন্ততঃ বৈষ্ণৱ যুগৰ আগৰ, বৰ্ত্তমান গঢ়লৈ অহা নাছিল"। আন এটি উক্তিত কৈছে "অসমীয়া চহা সাহিত্যৰ পদ মাতবোৰক কেতিয়াও গীত বা গান বোলা নহয়, নাম বোলা হৈছিল।"

চ্যুকাফা ১২২৮ খৃঃত আগমন আৰু ধৰ্মগুৰু শঙ্কৰদেৱৰ জন্ম ১৪৪৯ খৃঃত। শ্ৰী শ্ৰী শঙ্কৰদেৱে ১৪৭০ খৃঃত কীৰ্ত্তন পুথি ৰচনাত হাত দিছিলহে মাত্ৰ। এই (১৪৪৯-১২২৮ = ২২১) ব্যৱধানৰ সুদীৰ্ঘ সময়ছোৱাত চ্যুকাফাই জয় কৰা ৰাজ্যসমূহত বিহু কেনেকৈ গাইছিল? বিশেষকৈ বিহুৰ সুৰসমূহ কেনে ধৰণৰ আছিল? বুৰঞ্জীবিদ সকলে ক'ব খোজে যে শঙ্কৰদেৱৰ বৈষ্ণৱ সংস্কৃতিৰ প্ৰভাৱৰ পাচৰ পৰাহে অসমৰ জনগোষ্ঠীসমূহে "নাম" গাবলৈ শিকিলে। উদাহৰণস্বৰূপে শঙ্কৰ মাধৱৰ বৈষ্ণৱ নাম ধৰ্মৰ প্ৰচাৰৰ মাধ্যম হিচাবে বৈষ্ণৱ কীৰ্ত্তন কৰোতে যিবোৰ পদ গাইছিল সেই সমূহক "নাম" ৰূপে আখ্যা দিছিল। কীৰ্ত্তন ঘোষা প্ৰচাৰ প্ৰচলনৰ আৰু নাম ধৰ্ম চৰ্চ্চাৰ দ্বাৰাই জন সাধাৰণে "নাম" গাবলৈ ল'লে। যেনে-বিয়ানাম, আই নাম, গৰখীয়া নাম, হৰিনাম, বিহুনাম, ইত্যাদি।

এই সময়তে এটি ভাব উদয় হয় যে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সময় বা কালছোৱা, পূৰ্বৰ ২২১ বছৰ ব্যৱধানত চহা কৃষকে ব্যক্তিগত আমোদ-প্ৰমোদ বা আনন্দ উল্লাহৰ সময়ত হাবি বা গৰু ম'হ চৰণীয়া পথাৰ বা জান, জুৰি, নৈ, চাপৰি আদিত যৌৱনে গৰকা বয়সত দেহৰ আমনি সুৰ বোৰক কি নামেৰে জনা যাব! বিহু কৃষকৰ। অনাখৰি কৃষকে সৃষ্টিৰ আদি সত্যক বিশ্বাস কৰি উৰ্ব্বৰা শক্তিৰ প্ৰভাৱত পৰ্যাপ্ত শস্য পোৱাৰ বাবে কৰা বং বহইছৰ সুৰবোৰেই লোক সুৰ। স্বতঃস্ফূৰ্তভাৱে হিয়াৰ মাজৰ পৰা ওলাই অহা ধ্বনিবোৰক সেই সময়ৰ চহা কৃষকে 'নাম' বুলিয়েই হয়তু কৈছিল। চহা কৃষকে বা গৰখীয়াই নিজান হাবিত মানৱী জীৱনৰ আশা-আকাংক্ষা, পোৱাৰ আনন্দ, নোপোৱাৰ বেদনাবোৰ সুৰেৰে যেতিয়া বিনাইছিল সেই বিননিবোৰক 'নাম' বুলিয়েই কৈছিল। গুৰুজনাই একশৰণ নাম ধৰ্ম্ম প্ৰচাৰৰ বেলিকা সন্মুখীন হোৱা ঘাত প্ৰতিঘাতবোৰ সাধাৰণ শাক্ত ভক্তৰ ইচ্ছাৰ সৈতে মিলাই চহা কৃষিজীৱী শাক্ত সাধনাক বিশ্বাস কৰি চলা জনগোষ্ঠীক বৈষ্ণৱ একশৰণ নাম ধৰ্ম্মৰ প্ৰতি আকৃষ্ট কৰিবলৈ নামঘৰ বা প্ৰাৰ্থনা গৃহ সমূহত সেই কালৰ কৃষক গৰখীয়াই বনৰ মাজত গোৱা গীত সুৰ সমূহকে কীৰ্ত্তনৰ ঘোষাপদত সন্নিবিষ্ট কৰি একশৰণ নাম ধৰ্ম্মৰ প্ৰতি আকৰ্ষিত কৰি বহুল প্ৰচাৰৰ

মাধ্যম ৰূপে লৈছিল। গুৰুজনাৰ মহান ধৰ্ম্ম গ্ৰন্থৰ পদ, ছবি ছন্দ, লেচাৰি, দুলড়ী আদিকে ধৰি ঈশ্বৰ বন্দনা সমূহৰ সুৰ আৰু বিহুৰ বনঘোষা বা হাবি নাম বুলি জনা সুৰ সমূহৰ প্ৰায় মিল আছে। মাথো সামন্য 'স্বৰ'ৰ ব্যৱধানত ঘটিছে। সেয়ে ইয়াৰ অন্তৰালত আদিতে চহা কৃষক কণ্ঠই নিগৰিছিল নে গুৰু জনাৰ কণ্ঠই নিগৰি আহিছিল আমি সঠিককৈ জনাৰ বৰ প্ৰয়োজন । আনহাতেদি 'বনৰীয়া নাম' বুলি জনা নামবোৰক বৰ্ত্তমানে 'বনঘোষা' বুলিও কোৱা হয়। মাধৱ গুৰুৱে 'নামঘোষা'খনি ৰচনাৰ (১৫৬৬-১২২৮) ৩৩৮ বছৰৰ ব্যৱধানৰ কালছোৱাৰ চহা কৃষকৰ স্বতঃস্ফূৰ্ত বনৰ সুৰ বা বিনিনিৰ ধৰণ, নামঘোষাৰ লগত সাঙুৰ খাই থকাৰ ভাৱধাৰাই, বিহুৰ অতীত অন্বেষণত কোনটো আগ কোনটো পাছ গৱেষণাৰ অতীৱ প্ৰয়োজন।

বনৰীয়া নাম বা বনঘোষাৰ অতীত সোঁৱৰিবলৈ গ'লে অনাখৰি যৌৱনপ্ৰাপ্ত কৃষক বা গৰখীয়াৰ একক কণ্ঠত কামাষক্তিৰ উন্মুক্ত অসামাজিক অশ্লীল যেন লগা বিনিনিবোৰ জাতীয় সংস্কৃতি বিহুৰ পৰা আঁতৰাই ৰখা হৈছে। দুখেৰে ক'বলৈ গ'লে কিছু সংখ্যক পাবত গঁজালি মেলা লোকে কৃষকৰ প্ৰকৃত আত্মাৰ নিবেদনবোৰক বুজিবলৈ চেষ্টা নকৰি নিজকে তথাকথিত ভাৱে বিহুৱা জহাই অশালীন অসামাজিক শব্দ প্ৰয়োগেৰে গাই নতুন প্ৰজন্মৰ সাংস্কৃতিক মানসিকতাক বিপথে নিয়াৰ অপচেষ্টা অতি দুখনীয়।

তাহানি কালৰ অসমৰ "চ'তৰ ৰাতি বিহু" বিষয়টি অন্বেষণ কৰিবলৈ যাওঁতে সেই সময়ৰ জনগোষ্ঠীয় সকলৰ সহযোগী ভাষাৰ বিষয়ে বুজ ল'ব লাগিব। বুৰঞ্জীয়ে কৈছে "স্বৰূপতে অসমীয়া লিপিৰ মৌলিকতা আৰু ক্ৰমবিকাশ, অসমীয়া ভাষা বৈশিষ্ট্যতাৰ দৰেই অন্ততঃ সপ্তম শতিকাৰ আগচোৱাত ৰজা ভাস্কৰবৰ্মাৰ নিধনপুৰ লিপিৰ কালৰ পৰা আজিলৈকে ধাৰ নিচিগাকৈ চলি আছে।"- ডিম্বেশ্বৰ নেওগ।। আহোম স্বৰ্গদেউ ১২২৮ খৃঃত অসমত প্ৰৱেশ কৰাৰ আগতেই অহা বুঢ়াটাই মটক (মটেক, মহটক) সকল, মৰাণ, চুতীয়া দেউৰী, মিচিং আদি বিহুৰ লগত স্বতঃস্ফূৰ্তঃভাৱে জড়িত এই জনগোষ্ঠীৰ লোকসকলে কৃষিৰ লগতে চ'তৰ ৰাতি বিহু সংস্কৃতিও সৃষ্টি কৰিছিল। কালক্ৰমত আহোম স্বৰ্গদেৱে বহলাই যোৱা ৰাজ্যৰ সংযোগী "অসমীয়া" ভাষা আয়ত্ত কৰি লোৱাৰ পাছত সম্ভৱত ত্ৰয়োদশ শতিকাত অসমৰ বিভিন্ন প্ৰান্তত চ'তৰ ৰাতি বিহুৰ উন্মাদনা বহুল ভাৱে বিয়পি পৰিছিল। চ'তৰ ৰাতি বিহু গোৱা বিহুনামসমূহত অনাখৰি কৃষক বিহুৱাৰ ভাৱৰ টোপোলাত পুৰুষ প্ৰকৃতিৰ সঙ্গমবৃত্তান্ত অথবা কামাসক্তিক উতলা কৰা দৈহিক অঙ্গৰ নিষ্কলঙ্ক শৃঙ্গাৰ প্ৰকাশক শব্দৰ সংযোজন নঘটে। কাৰণ যৌৱনৰ গীত হ'লেও জুমবান্ধি দলীয় ভাৱে কৰা বিহুত তেনেধৰণৰ ভাৱ নিৰ্হিত নামসমূহ নাগাইছিল। অশ্লীল নামবোৰ দূৰনিত ম'হৰ গোৱাল, খৰিকটিয়াই, জাৰণি মোকলোৱা চহা কবিৰ কণ্ঠত বিননিৰূপে নিগৰিছিল। তেনে বিহু বিননিসমূহক হাবিনাম/গৰখীয়া নাম/গ্ৰাম্যগীত/বনঘোষা বুলিহে জনা যায়। হাবিনাম বা গৰখীয়া নামবোৰ একক। যৌৱনপ্ৰাপ্ত ডেকাই তেনে ক্ষণ-অনুক্ষণত অকলশৰীয়া মনৰ প্ৰেমাসক্তি আবেগসমূহক সংযম কৰাৰ প্ৰয়োজন বোধ নকৰে। কিন্তু চ'তৰ ৰাতি বিহুৰ দলীয় নাম, নাচসমূহত প্ৰকৃতিৰ প্ৰতি সম্মান, আধ্যাত্মিক প্ৰেমবোধ আৰু কৃষিৰ পথাৰত সংস্কৃতি উন্মেষ ঘটোৱাৰ প্ৰয়াস নিৰ্হিত হৈ থাকে।

জীৱ আৰু জড়জগতৰ লগত নিবিড় সম্পৰ্ক ঘটি উৎপত্তি হ'ল কৃষি আৰু কৃষিৰ বুকুত জন্ম সংস্কৃতি। বসন্তৰ প্ৰয়োভৱৰ সময়তে কৃষকে কৰা আনন্দ উল্লাহৰ বন্যাত সৃষ্টি হোৱা চহা কাব্যৰাজিক সম্মান জনাই আহোম স্বৰ্গদেৱে ১৬৯৬ খৃঃত বিহুক ৰাজহুৱা সংস্কৃতি ৰূপে



স্বীকৃতি দিছিল। বৃত্ত আকাৰত কৰা লোকনৃত্য-গীত সমূহে কালক্ৰমত সমাজ সংস্কৃতিলৈ আহি এৰাব নোৱাৰা "হুঁচৰি"ৰ ৰূপ লৈছিল।

"হুঁচৰি"ৰ উৎপত্তিৰ অন্বেষণত কেইটিমান সম্ভাব্য দিশৰ প্ৰতি আঙুলিয়াব পাৰি। আদিতে আছিল হাবিৰ বিহু। তাৰ পাছত স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়া সকলৰ ৰং আনন্দ উপভোগৰ সমল। স্বৰ্গদেউ সকলৰ আদৰৰ আচলত ধৰি এটা সময়ত গাঁৱৰ পদূলিয়ে পদূলিয়ে শালীনতা পূৰ্ণ হুঁচৰি গাই প্ৰত্যেকৰ পদূলিত আশীৰ্বাদ জনোৱা নিয়ম আছিল। কালক্ৰমত ৰাজদৰবাৰ, বিষয়া, ডা-ডাঙৰীয়াক তোষামোদৰ অচিলাৰে গাঁৱৰ ল'ৰা, বুঢ়া, ডেকাই জুম বান্ধি বিহুক হুঁচৰি ৰূপে চোতাললৈ প্ৰৱেশ ঘটালে। এই দৰেই অসমত নতুন বছৰৰ আৰম্ভণী মাহ ব'হাগ অহাৰ লগে লগে প্ৰজাই গোট বান্ধি ৰজা, ডা-ডাঙৰীয়াৰ চোতালত ৰজা-প্ৰজাৰ পৰস্পৰৰ শ্ৰদ্ধা-চেনেহৰ বান্ধোন কটকটীয়া কৰা ব্যৱস্থাহে আজিও 'হুচৰি সংস্কৃতি' এটি অতি গুৰুত্বপূৰ্ণ সামাজিক পবিত্ৰ অনুষ্ঠান ৰূপে চলি আছে।

হুঁচৰি সংস্কৃতিত 'লহৰি' ধেমালি নামেৰে এটি অতিৰিক্ত উল্লাহ জড়িত হৈ গাঁৱৰ নিঃকিন, অজলা, অবলা, ধনী-দুখীয়া সকলোকে একত্ৰিত কৰি সমন্বয়ৰ হেতু সুদৃঢ় কৰিলেহি। উদাহৰণ স্বৰূপে শঙ্কলদেউ (শঙ্কদেউ) ৰজাৰ মণিকোঁৱৰ, কাচনবাই কুঁৱৰী, ফুলকোঁৱৰ, ধনেপচতুলা, অৰুণা, জগৰা এই পৰিয়ালটি পৰস্পৰে বিছিন্ন হৈয়ো পুনৰ মিলন হোৱা কাহিনী গাওঁখনিৰ সমন্বয়ৰ প্ৰতীক। সামান্য খামখিয়ালিতে বিছিন্ন হ'ব খোজা পগলা পাৰ্ব্বতীৰ পুনৰ মিলনৰ কাহিনী, আনহাতেদি প্ৰতাপী গৰুচুৰ ৰজাৰ দুহিতা অহংকাৰী জনাগাভৰুৱে সামান্য প্ৰজা বুলি ন-গাঁৱৰ গোপীচন কোঁৱৰক বন্দী কৰিবলৈ বিচৰা আৰু গোপীচন কোঁৱৰে নিজৰ অলৌকিক বল প্ৰদৰ্শনেৰে জনাগাভৰুক নিজৰ পত্নীৰূপে সৈমান কৰোৱাই প্ৰতিদ্বন্দী হৈয়ো পুনৰ মিলন হৈ সংসাৰ কৰা কাহিনী সমূহ মালিতা ৰূপে 'লহৰি'ত নাম হিচাবে হুঁচৰিত গোৱা বিষয়টি তাৎপৰ্য্যপূৰ্ণ। মালিতাৰ কাহিনীৰ দৰেই গাঁওসমূহতো কেতিয়াবা অজানিতে ভুল বুজাবুজিৰ দ্বাৰাই খামখিয়াল লাগি পৰস্পৰে বহুদিন ধৰি অমিলহৈ থাকে। কিন্তু ব'হাগ বিহুৰ আনন্দ উল্লাহত নতুন বছৰৰ 'হুঁচৰি'ত 'লহৰি খেল'ৰ দ্বাৰাই পুনৰ মিলন হোৱাৰ আনন্দ উল্লাহত মালিতাৰ গীত মাতে তাৎপৰ্য্য বহন কৰিছে।

'হুঁচৰি' চোতালগৈ অহা বিষয়টি অন্বেষণত এটি সম্ভাব্য বুৰঞ্জী কাহিনী মনলৈ আহে। আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (১৭৫১-৬০) মনিপুৰৰ ৰজা জয়সিংহ (১৭৬০-৯৯) ৰ জীয়েক কুৰঙ্গনয়নীক উপহাৰত পত্নীৰূপে পাইছিল। ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পাছত লক্ষীসিংহ ৰাজপাটত উঠে। সেই ৰূপে কুৰঙ্গনয়নীও তেওঁ লগতে থাকে। কিন্তু কীৰ্তিচন্দ্ৰ বৰবৰুৱা এজন সাধাৰণ শ্ৰেণীৰ হৈও প্ৰধান মন্ত্ৰীৰ বাব পাই অহংকাৰী হৈ উঠিছিল। লক্ষীসিংহ স্বৰ্গদেউৰ নিশকটীয়া স্বভাৱৰ সুযোগ লৈ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা উঠিৰজা বহিৰজা হৈ পৰে। উগ্ৰপ্ৰকৃতিৰ বৰবৰুৱাই শাক্ত ধৰ্ম্মৰ গুৰু কৃষ্ণৰাম ভট্টাচাৰ্যৰ নিৰ্দ্দেশত মোৱামৰীয়া গোসাঁই অষ্টভূজক অপমান কৰিছিল। মৰাণ সকলৰ নায়ক ৰাঘমৰাণকো চাবুকেৰে কোবাইছিল। মোৱামৰীয়া মহন্ত সকলক বলি কটা পশুৰ তেজেৰে ফোঁট দিছিল। অত্যাচাৰত মোৱামৰীয়া মৰাণ সকল বিদ্ৰোহী হৈ মন্ত্ৰী বৰবৰুৱা আৰু স্বৰ্গদেউ লক্ষী সিংহৰ বিৰুদ্ধে আন্দোলন কৰিছিল। গোবিন্দ গাঁওবুঢ়াৰ নেতৃত্বত বিহুপ্ৰেমী কৃষক বনুৱাক সৈন্য ৰূপে গঢ়ি বিহুমৰাৰ চলেৰে হাতে হাতে চেকনি লৈ ৰজাক আক্ৰমণ কৰিছিল। চেকনি কোবোৱা ৰণ নামে জনজাত এই ৰণত ১৭৬৯ খৃঃত লক্ষীসিংহক পৰাস্ত কৰি ৰাজ্য অধিকাৰ কৰি ৰাঘমৰাণক ৰজা

পাতিলে আৰু ৰজাক বধ কৰি কুৰঙ্গনয়নীক পত্নী কৰি ল'লে। ৰাঘমৰাণৰ অত্যাচাৰ বাঢ়ি যোৱাত মোৱামৰীয়া গোসাঁয়ে অষ্টভূজে মৰাণৰ নায়ক ৰমাকান্তক ৰজা পাতিলে। তেনে কাৰণতে ৰাঘমৰাণ অসন্তুষ্ট হৈছিল। ৰাজ্যত অন্তঃকন্দলে দেখা দিলে। মোৱামৰীয়া সকল বিহুপ্ৰেমী হোৱাৰ সুযোগতে কুৰঙ্গনয়নীৰ সৈন্যই বিহুৱাৰূপে চোৰাংচোৰাহৈ বিহু দলত যোগ দি গোবিন্দ গাঁওবুঢ়াক তোষামোদ কৰাৰ চলেৰে হুঁচৰিত কলমৌ খাওঁতে বুঢ়া হনুমন্তই নগৰী কৰিলে চন ঐ গোবিন্দায়ৰাম' বুলি পদ গাই গোবিন্দ গাঁওবুঢ়াক প্ৰলোভিত কৰি কৌশলেৰে হত্যা কৰিছিল। তেনেকৈ প্ৰতিশোধৰ অগনিত জৰ্জৰিত হৈ থকা কুৰঙ্গনয়নী ৰাণীয়ে 'গোবিন্দৰাম গাঁওবুঢ়াক প্ৰশংসা কৰা চলেৰে হুঁচৰি গাই ৰাঘমৰাণকো সেৱা লওঁতেই ৰাণীৰ ইঙ্গিতত হত্যা কৰিছিল। কাহিনীটোত প্ৰতিশোধৰ দাবানল প্ৰকাশিত হ'লেও চোতাললৈ 'হুঁচৰি' অহাৰ দিনৰ আৰম্ভণিৰ কথা ভাবিব পাৰি।

উপৰোক্ত কাহিনীটোত হুঁচৰি সংস্কৃতিত ধৰ্মীয় প্ৰভাৱ পৰাৰ বিষয়েও এটি গোন্ধ পোৱা যায়। বুৰঞ্জীয়ে কয় ১৪৫০-১৬৫০ খৃঃ বৈষ্ণৱ যুগ। বৈষ্ণৱ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম ১৪৪৯ খৃঃত। কীৰ্ত্তন পুথিৰ লিখাৰ আৰম্ভণীৰ ১৪৭০ খৃঃ। গুৰু জনাৰ মৃত্যু ১৫৬৯ খৃঃত। গুৰুজনাৰ মৃত্যুৰ পিচতেহে কীৰ্ত্তন পুথি খনি যুগুতাই প্ৰকাশ কৰাৰ বিষয়ে বুৰঞ্জীয়ে কয়। আনহাতেদি বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ আৰু প্ৰকাশৰ বেলিকা সেই সময়ৰ শাক্ত-শৈৱ প্ৰভাৱৰ মাজত সন্মুখীন হোৱা বাধা, বিপৰ্যয়ৰ দিশটো লক্ষ্য কৰিলে স্বৰ্গদেউ ৰুদ্ৰ সিংহই ১৬৯৬ চনত বিহুক ৰাজকীয় কৰা দিনলৈকে চোতালত হুঁচৰি গোৱা আৰু হুঁচৰিত বৈষ্ণৱ প্ৰভাৱ পৰা নাছিল বুলি ধাৰণ কৰিব পাৰি।

ৰুদ্ৰসিংহই ১৬৯৬ খৃঃত বিহুক ৰাজকীয় কৰাৰ দিনৰে পৰা গছ তলৰ যৌৱন মতলীয়া চ'তৰে বাহি বিহুটি ক্ৰমান্বয়ে পৰিয়ালকেন্দ্ৰিক হৈ সমজুৱা সংস্কৃতিৰ গঢ় লৈছিল। তিৰোতা বা ছোৱালীৰ বাদে কেৱল ল'ৰা, ডেকা-বুঢ়াই জুম বান্ধি পদূলিয়ে পদূলিয়ে আশীৰ্বাদ দিয়া নিয়ম কালক্ৰমত চোতাল গৰকি নতুন বছৰত প্ৰত্যেক ঘৰলৈকে সমজুৱা আশীৰ্বাদ দিয়া নিয়ম 'হুঁচৰি' ৰূপে জনাজাত হ'ল।

আন এটি দিশত বিহুপ্ৰেমী মৰাণ, মটক (মহতক/মতেক), চুতীয়া জনগোষ্ঠীয়ে তাহানি আহোম স্বৰ্গদেৱে সৌমাৰত প্ৰৱেশ কৰাৰ আগতেও বিহু কৰিছিল আৰু সেই বিহু কেৱল যৌৱনপ্ৰাপ্ত অনাখৰি কৃষকৰ মুকলিমূৰীয়া বনৰ আনন্দতে সীমাবদ্ধ আছিল যেন অনুমান হয়। কালক্ৰমত আহোম বংশী সকলে বিহুক জনপ্ৰিয় কৰাত অৰিহণা যোগাইছিল। সেই দৰেই বুৰঞ্জীৰ ঘটনাৰ দ্বাৰাই আগুৱাই গৈ আমি ক'ব পাৰো যে মোৱামৰীয়া বিহু প্ৰেমী সৈন্যই ১৭৬৯ খৃঃত আহোম স্বৰ্গদেউ লক্ষ্মী সিংহক পৰাস্ত কৰিবলৈ ঘৰে ঘৰে হুঁচৰি গোৱাৰ অচিলাৰে চেকনি কোবোৱা ৰণ তৈয়াৰ কৰাৰ কৌশলকে চোতালত "হুঁচৰি" গোৱা প্ৰথা উৎপত্তি বুলি অনুমান কৰো তেন্তে গুৰুজনাৰ তিৰোভাৱ তিথিৰ (১৫৬৮ খৃঃত) ব্যৱধান আৰু বিহুক ৰাজকীয়কৰণ (১৬৯৬ খৃঃ)ৰ মাজত ব্যৱধান প্ৰায় ২১০ বছৰ। তাৰপাছতো কীৰ্ত্তন খনি যুগুতাই প্ৰকাশ আৰু প্ৰচাৰ কৰা সময়ো কিছুবছৰ যোগ দিলে সম্ভৱ অষ্টাদশ শতিকাৰ লৈকে 'হুঁচৰি' ধৰ্ম্মীয় প্ৰভাৱৰ পৰা মুক্ত আছিল যেন লাগে। আনহাতেদি শঙ্কৰগুৰুৰ সাত জনা ধৰ্ম্মাচাৰ্যৰ মাজত হোৱা মান-অভিমান, জ্যেষ্ঠ-কনিষ্ঠ আদিৰ খামখিয়ালি, ধৰ্ম্মাঙ্কিৰ গৌৰৱ বিভিন্ন সংহতিত বিভাজন। স্বৰ্গদেউ ৰুদ্ৰসিংহই বংগৰ পৰা আমদানিকৃত শাক্তধৰ্ম্মী কৃষ্ণৰাম ভট্টাচাৰ্যৰ চৰণত স্বৰ্গদেউ শিৱসিংহক শৰণ ল'বলৈ বাধ্য কৰোৱা ইত্যাদি কাৰণ সমূহে অষ্টাদশ শতিকালৈকে হুঁচৰিত বৈষ্ণৱ ধৰ্ম্মীয় প্ৰভাৱ নাছিল বুলি কোৱাত যুক্তি হয়তু আছে। তদুপৰি অসমৰ বিহুৰ লগত জড়িত চহা কবিৰ অমূল্য ৰচনা-ৰাজি অসমৰ পৰা নিচিহ্ন কৰি আঁতৰাই পঠিয়াবলৈ ১৮২৪ খৃঃত হলিৰাম ঢেকিয়াল ফুকনৰ লগতে অন্যান্য লোকসকলেও সেই সময়ৰ অসম শাসক, বিট্ৰিছ প্ৰশাসনকক অনুৰোধ কৰা কাৰণটিও উল্লেখিত যুক্তি সমূহৰ লগতে থ'ব পাৰি। মোৱামৰীয়া গোবিন্দ গাঁওবুঢ়াই 'হুঁচৰিৰ গোবিন্দৰাম' হওঁক বা একশৰণ ভাগৱতী ধৰ্ম্মৰ ইষ্টদেৱ ভগবান শ্ৰীকৃষ্ণৰ সহস্ৰ নামৰেই 'গোবিন্দ ৰাম' হওঁক 'হুঁচৰিত' ধৰ্ম্মীয় প্ৰভাৱ পৰাৰ সময়ৰ বিষয়ে সঠিক গৱেষণাৰ বাবে অসমৰ জনগণৰ সমূহীয়া চিন্তাৰ প্ৰয়োজন আছে। যিয়েই নহওঁক, হুঁচৰি সংস্কৃতিত ধৰ্ম্মীয় প্ৰভাৱে অসমীয়া সমাজখনিৰ গৌৰৱ দুগুনে বৃদ্ধি কৰিছে।

আদি যুগ (৬০০-১১০ খৃঃ)ত অসমৰ খিলঞ্জিয়া লোক সকল, বিশেষকৈ চুতীয়া, দেউৰী, মৰাণ, মটক, বৰাহী, কছাৰী, সম্প্ৰদায়ৰ লোকসকলে তামেশ্বৰী আইৰ নামত নৰবলি পৰ্যন্ত দি উৰ্চগা সেৱা কৰিছিল। কিন্তু আজিৰ দিনত কিছু সংখ্যকে ক'ব খোজে মৰাণ, মটক সম্প্ৰদায়ৰ লোকসকলে হুঁচৰি গাওঁতে প্ৰথমতে ঈশ্বৰ কৃষ্ণৰ উচ্চাৰণেৰে সুঁৱৰি হুঁচৰিৰ নাম আৰম্ভ কৰাৰ পৰম্পৰা আছে। কিন্তু আমি ক'ব খোজো যে পৰম্পৰা মানেই ঐতিহ্য বা কিংবদন্তিৰ অৰ্থ প্ৰকাশ নকৰে। ই যুগে যুগে পৰিবৰ্তনৰ পৰম্পৰাৰ প্ৰলেপ পৰি সলনি হৈ আহি আছে। গতিকে চহা কৃষকৰ আত্মাৰ বাণী বহন কৰি থকা সংস্কৃতিসমূহেই নিৰ্দিষ্ট জাতিৰ ঐতিহ্যৰ চিনাকি দিয়ে।

আনহাতেদি ১১০০-১৪৫০ এই প্ৰাক বৈষ্ণৱ যুগৰ সময়তে শাক্ত-শৈৱ, বৈষ্ণৱ-বৌদ্ধ, দ্বৈতবাদ-অদ্বৈতবাদ আদিকে ধৰি বিভিন্ন ধৰ্ম্মত বিশ্বাসী কৈদৰ মাজত যুঁজ বাগৰ অঁৰিয়াঅঁৰি চলি আছিল। নৱ বৈষ্ণৱপন্থী আগুৱাব খুজিলে ধৰ্ম্মৰ পৰম্পৰা হিচাবে মানি অহা শাক্ত বিশ্বাসী সকলে ফেপেৰিপাতি ধৰিছিলি। এনে যুক্তিয়েও সেই কালত হুঁচৰিত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰা নাছিল বুলিহে প্ৰমাণ কৰে।

বিহুনাম। বৰ্তমান বিহু মাৰি ফুৰা গাভৰু সকলৰ প্ৰতি প্ৰশ্ন? পুৰণি বিহুনাম কোন খিনি আৰু এতিয়া গাইফুৰা বিহু নামবোৰ বিহুনাম নহয়নেকি? তেনে ভাবলৈ ফুৰাসকলৰ প্ৰতি ক'ব খোজো যে, আদিম অসমীয়াই গুহা, খোৰোং এৰি বাসগৃহ সাজিবলৈ শিকা আৰু বনৰীয়া তৰু তৃণৰ পাত, শিপা, চাল আদি আৰু বনৰীয়া পশু-পক্ষীৰ কেঁচা মঙহৰ জুতি এৰি খেতিৰ দ্বাৰা শস্য উৎপাদন কৰি ৰান্ধি বাঢ়ি খাবলৈ শিকিলে তেতিয়াৰ পৰাই গঁজি উঠা কৃষ্টিৰ পথাৰত সংস্কৃতিৰ ভোগজৰা হিচাবে চিহ্নিত হ'ল এই বিহু সংস্কৃতি। বিহুনাম পথাৰত জন্ম। কৃষকৰ আত্মাৰ বাণী। জীৱন ধাৰণৰ বাবে যোগান পোৱা প্ৰকৃতিৰ সমল বোৰেই বিহুনামৰ বিদ্যালয়। পথাৰ, নৈ, জান, জাবনিত চহা কৃষকৰ হিয়া ফালি স্বতঃস্ফূৰ্তঃভাৱে ওলাই অহা জীৱন যৌৱনৰ আশা আকাংক্ষাৰ সুৰ সমূহেই বিহুনাম। গতিকে চহাকৃষক, গ্ৰাম্য চিত্ৰ, ভাবাবেগ, সুস্থ-শান্তিৰে বাসকৰাৰ উদ্দেশ্যত, যুগ্ম জীৱনৰ নিৰ্ম্মল ধাৰা প্ৰকাশক নাম সমূহেই পুৰণি বিহুনাম। বিহুনামে যুগৰ বতৰাও কয়। উপমা, প্ৰাকৃতিক চিত্ৰধৰ্ম্মীতা, ৰিজনিমূলক, আনন্দ, বিষাদ স্নেহ, শ্ৰদ্ধা আদিয়েই বিহুনামৰ বৈশিষ্ট্য। 'বিহুনাম পীৰিতি'ৰ এই আপ্তবাক্য ফাঁকিতেই বৰ্তমান যুগৰ বিহুৱাসকল বিচলিত হৈ পৰি কেৱল আভিজাত্যৰ অন্ধ ঔচ্চাখিকতাত ভুগি অশালীন, অ-সামাজিক ভাষা প্ৰয়োগেৰে মিশ্ৰিত সুৰ সংযোজনাৰে বেপেৰুৱা হৈ পৰিছে। বৈদ্যুতনিক মাধ্যমৰ অল্পবিদ্যালব্ধি তথাকথিত প্ৰযোজকৰ দ্বাৰাই

প্ৰচাৰ কৰি নৱ প্ৰজন্মক প্ৰকৃত বিহু সৃষ্টিকামী সকলৰ জাতীয় লোক নাম সমূহৰ পৰিচয়ৰ পৰা বঞ্চিত কৰা বিষয়টিও অপৰাধ বুলিলেও বঢ়ায় কোৱা নহ'ব। তাহানিৰ কৃষকৰ প্ৰকৃতাৰ্থত গোৱা বিহুনামবোৰত নিহিত হৈ থকা প্ৰেমাসক্তিবোৰ সৰল, শুদ্ধ ,সত্য আৰু আধ্যাত্মিক দৰ্শন যুক্ত। মিছা প্ৰলোভন নাই। এই আদিৰসাত্মক বিহুনামসমূহ অতি পুৰণি। সেইবোৰ বনৰীয়া/হবিনাম বা বনঘোষা। তাৰ পাচত ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে অসম ৰাজ্যত বিভিন্ন দুৰ্যোগ, যুদ্ধ, আভ্যন্তৰিণ কন্দলে জুৰুলা কৰা সময়চোৱাত চহা কৰিব ভাবৰ বন্যাত সৃষ্টি হোৱা সামাজিক ছবি প্ৰকাশক এলানি "নাম" হুঁচৰি সংস্কৃতিত ব্যৱহাৰ হৈছিল। সমজুৱাকৈ শালীনতাপূৰ্ণ ভাৱে গোৱা নামসমূহেই হুঁচৰিৰ বিহুনাম।

হুঁচৰি কেৱল পুৰুষৰ অনুষ্ঠান। ল'ৰা, ডেকা, বুঢ়াৰ দলগত উল্লাস। গাভৰু নাচনী হুঁচৰিত নাছিল। থকাটো যুক্তি দিব পৰা নাযায়। সেইদৰেই গাভৰু সকলৰ নিজা বৈশিষ্ট্যযুক্ত গছতলৰ মুকলি বিহুত ডেকাসকল বা পুৰুষৰ স্থান নাই। কিন্তু বিংশ শতিকামানত চেঙেলীয়া ল'ৰাক মহিলাৰ সাজ পিন্ধাই হুঁচৰিত সজোৱা নাচনিলৈ আনন্দৰ থাউবিতোলা এটি পৰম্পৰা সৃষ্টি হৈছিল। তেতিয়াৰে পৰা হুঁচৰিত 'জাত' নাম, জোঙাল বা জোঙলা নাম আৰু ঠেহ-পেচ জাতৰ নাম এৰিধেও মুক্তি লভিছিল।

'জাত' নামবোৰ প্ৰাধনত নাচনিমূলক। সজোৱা নাচনিক মাজত লৈ নাচনিৰ জীৱনসংগ্ৰামৰ সাংসাৰিক ঘাত-প্ৰতিঘাতৰ বুজনি থকা ভাবেৰে চহা কৰিয়ে দুশাৰীৰ পৰা ছয়শাৰীলৈকে সুন্দৰ ভাৱে বিহুজাত গাঁজি এজনে লগাই দিয়ে, আন সদস্য সকলে একেস্বৰে দুহাৰে। আন এটি 'জাত' মূলক নাম বিহুৰ বতৰত বিশেষ মুহূৰ্ত্তত ঘটি যোৱা ঘটনাকে আলম হিচাপে লৈ একোজন বিহুৱাই মালিতা ৰূপে বিহু সুৰত গাইছিল।

'ঠেহপেচ' নামৰ বিহুনামসমূহ জোঙাল বা জোঙলা নামৰ সৈতে সংযোজন কৰিব পাৰি। প্ৰধানতঃ সজোৱা নাচনিক এবাৰ হহুঁৱা আৰু এবাৰ কন্দোৱা ঠাঁচৰ বিহু নামকে ঠেহ পেচ বুলি কোৱা হৈছে। এনে নামত প্ৰায় হাস্যব্যংগৰ ভাৱ অত্যাধিক। জোঙাল বা জোঙলা নাম প্ৰধানত হুঁচৰিত সৃষ্টি। হুঁচৰিত গাই-নাচি আমনি লগা বা গাঁওখনৰ বহু সংখ্যক ঘৰ নিৰ্দিষ্ট সময়ত হুঁচৰি গাই সামৰিবলৈ প্ৰতিঘৰতে সময় ৰক্ষাৰ বাবে, গাই থকা ঘৰত সোনকালে শৰাই হাঁচতি উলিয়াবলৈ নামেৰে গৃহস্থক 'খুচি' দিয়া কৌশলী ঠাঁচটিয়ে জোঙলা বা জোঙাল নামৰূপে, আনহাতেদি 'যোৰানাম' আৰু 'ঠেলানাম' ৰূপেও আন দুটা বৈশিষ্টপূৰ্ণ ঐতিহাসিক বিহু নামৰ ঠাঁচ থকাৰ কথা জনা যায়। 'যোৰানাম' চ'তৰ ৰাতি বিহুত ডেকা-গাভৰুৱে পৰস্পৰৰ মাজত বা জীৱনসঙ্গী বিচাৰি বিহু নামেৰে মনৰ অভিব্যক্তি প্ৰকাশি প্ৰশ্নোত্তৰে গোৱা নাম। বগিয়াবগিকৈ গোৱা বাবেই 'বাগিনাম' বুলিও খেনোৱে ক'ব খোজে। এনে ধৰণৰ 'যোৰানাম' বা 'বাগিনাম', হুঁচৰিত গোৱাৰ বিষয়ে জনা নাযায়। 'ঠেলানাম' সমূহৰ বিষয়ে অনুধাৱন কৰিলে ক'ব পাৰি যে এজন নামতিয়ে গোৱাৰ পাছত গাওতাই আন এজন নামতিৰ কাষলৈ গৈ নাম গাবলৈ ইঙ্গিতেৰে ঠেলি থৈ আহে। আৰু প্ৰথম নামতিয়ে গোৱা নাম ফাঁকিৰ অৰ্থৰ লগত দ্বিতীয় নামতিয়ে ধৰা নাম ফাঁকিৰ কোনো ধৰণৰ অৰ্থৰ মিল নঘটে। ইজনে সিজনে সলনা সলনিকৈ সাজি সাজি গোৱা নামসমূহকে ঠেলা নাম বুলি জনা যায়। এই ঠেলা নাম সমূহৰ কিছুমান নিৰ্বাচিত শালীনতাসূচক নাম পুৱতিনিশা হুঁচৰিত গোৱা পৰম্পৰাৰ বিষয়ে জনা যায়।



আহাৰ্য্য বিষয়টি অন্বেষণত ঐতিহ্য হৈ আজিও সমাদৰ লাভ কৰি থকা বিভিন্ন জনগোষ্ঠীয় সাজ-পোছাক, আ-অলংকাৰৰ সমন্বয় ঘটি বৃহৎ অসমীয়া জাতি আজি যাউতিযুগীয়া হৈ আছে বুলি প্ৰমাণ হয়। আহোম স্বৰ্গদেউ সকলে পৰিধান কৰা চাপকণ, ঠেঙা, পটলুং, ফচৌ চেলেং আদি পাট মুগাৰ আছিল। প্ৰাক্ আহোম যুগত চোলা ব্যৱহাৰ নাছিল। মহিলাই মেঠনি মাৰিছিল। মেখেলা, চাদৰ, ৰিহা। এই তিনি পদ বস্ত্ৰ। ৰিহা, আহোম সকলৰ পাছৰ পৰাহে অধিক ব্যৱহাৰ হয়। মহিলাই কলা মেখেলা আৰু পুৰুষেও কলা ৰঙৰ চুৰিয়া পিন্ধাৰ বিষয়ে লীলা গগৈৰ বুৰঞ্জীত পাওঁ। প্ৰায় অষ্টাদশ শতিকালৈকে মোগলৰ আক্ৰমণৰ কালছোৱাত মোগলৰ কিছু সংখ্যক আৰামদায়ক সাজ অসমীয়াৰ সমাজলৈ আহিল। পাগুৰী, বচোৱাল টঙালি আদি। আদি পুৰুষ চুতীয়া সকলৰ সংস্পৰ্শ সলাগিবলগীয়া। অসমলৈ যুগে যুগে মানুহ আহি বিভিন্ন উপাদান সংযোজিত কৰিছে। বৈশিষ্ট্যৰ লগতে বৈচিত্ৰ আৰু বৈচিত্ৰতেই ঐক্য সাধন হৈছে।

পুৰুষ মহিলা সকলোৱেই অলঙ্কাৰ পিন্ধিছিল। পুৰুষে গাম খাৰু আৰু মহিলাই মুঠি খাৰু পিন্ধিছিল। পুৰুষে পিন্ধা গামখাৰু মিচিং সম্প্ৰদায়ৰ গাঁৱৰ জ্যেষ্ঠ জনে পিন্ধাৰ সন্মান হিচাবে অসমীয়াৰ হাতলৈ আহিল। মুঠি খাৰু, পাতি খাৰু ইত্যাদিৰ লগত সোণ-ৰূপৰ বিভিন্ন গহণা গাঁথৰি, যেনে - কেৰু, মনি, ডুগডুগি, গেজেৰা, বেনা, ঢোলবিড়ি, উজান্তি, আঙঠি ইত্যাদি। সৌন্দৰ্য প্ৰিয়াসী অসমীয়া নাৰী সমাজে মুখায়ব আৰু দৈহিক গঠনৰ লগত মিলাই ডিঙি, হাত, কাণ, নাক আদি অঙ্গৰাগ শুৱনি-কৰিছিল।

এটা নিজস্ব জাতিৰ নিজস্ব চিনাকি স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যত আৰু বৈচিত্ৰতাত। সংস্কৃতিয়েই সন্মান আৰু জাতিৰ ভৱিষ্যত। সংস্কৃতিয়ে প্ৰগতি আনে। আন ক্ষেত্ৰত পৰিবৰ্ত নেই প্ৰগতিক বুজায় কিন্তু সাংস্কৃতিক পৰিবৰ্তন ঘটাব নোৱাৰি। সংস্কৃতিৰ জখলাৰে জাতিটো আগুৱাবলৈ ৰূপান্তৰৰ প্ৰয়োজনীয়তাক পৰিস্থিতি আৰু পৰিবেশে উদগনি দিয়ে। সুন্দৰেই সংস্কৃতি। সুন্দৰৰ সন্ধানেই বিৰ্বত্তন। কিন্তু আধুনিক বা অভিজাত্যৰ অন্ধ অভিমান বা উচ্চাম্বিকাত ভুগি নিজৰ জাত্যাভিমানক পাহৰি নিৰক্ষৰ সমাজে অতি পৰিপাতিকৈ গঢ় দি থৈ যোৱা সাংস্কৃতিক ঐতিহ্যক সাক্ষৰ হৈয়ো ৰক্ষা কৰি থৈ যাবলৈ নিবিচৰা সকলে নিজকে জীৱ শ্ৰেষ্ঠ বুলি কবলৈ হয়তু এদিন লাজ কৰিব।

*লেখকৰ ঠিকনা ঃ বাণীপুৰ, ডিব্ৰুগড়।*

০০০০০

# বিহুৰ মৌলিকতাক কেন্দ্ৰ কৰি কিছু চিন্তা

ডাঃ অমৰেন্দ্ৰ গগৈ



বিহু এদিন আছিল নৈৰ পাৰত, পথাৰৰ আহঁতৰ তলত, কঁহুৱানিৰ মাজত। সময়ৰ কালচক্ৰত পৰি সেই বিহুৱে ৰংঘৰ বাকৰি বগাই আহি আধুনিক মঞ্চ পালেহি। ইলেক্ট্ৰনিক মাধ্যমৰ ৰৰঘৰতো বৰপীৰা পাৰি বিহুক বহোৱা হ'ল। বিনোদন, প্ৰদৰ্শন আৰু প্ৰতিযোগিতাৰ শিকলিৰে গদগদকৈ বিহুক বান্ধি পেলোৱা হ'ল। হেৰাই গ'ল ডেকা গাভৰুৰ কমোৱা তুলাৰ দৰে উৰি ফুৰা মনৰ মুকলি অভিব্যক্তি। হেৰাই গ'ল বিহুৰ স্বাধীনতা।

উদং পথাৰৰ মাজত থকা যুৱীয়া আঁহতৰ তলত আজিকালি ডেকাই ঢোলত চাপৰ নেমাৰে, পেঁপা নবজায়, নামতীয়ে বিহুনাম নেগায়। ম'হৰ পিঠিত বহি কোনোবা মোলোকাই নৈৰ ঘাটলৈ পানী আনিবলৈ যোৱা বগীতৰাক উদ্দেশ্যি যোজনা নেটানে, এদিন টানিছিল-

ঘাটলৈ গৈছিলি ভালেই কৰিছিলি
কাকায়েৰক নিছিলি কিয়,
কথা কমে বুলি পাণ্ডি থৈয়েছিলো
দেখিয়েই উৰি গ'ল জীৱ।

বগীতৰাই বুজি পায় মোলোকাৰ মনৰ বেদনা। চেগ বুজি উত্তৰো দিয়ে তাই-

আইকো তেজিমে বোপাইকো তেজিমে
তেজিমে সমনীয়া ভাই,
তোমাক ঐ চেনাইটি নেপাব লাগিলে
মৰিম বৰেবিহে খাই।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত বিহুৱে ৰাজকীয় মৰ্যাদা লাভ কৰিছিল। স্বৰ্গদেউ ঈশ্বৰে সোণ চৰোৱা সাজপাৰ, মূৰত সোণৰ মুকুট পিন্ধি ৰংচৰোৱা হাতীত উঠি ৰংঘৰলৈ আহিছিল বিহু চাবলৈ। স্বৰ্গদেউ কাষে কাষে আহিছিল হেংদাঙধাৰী পাহোৱাল দেহৰক্ষীসকল। পাচে পাচে দোলাত উঠি আহিছিল পাত্ৰমন্ত্ৰী আৰু ডাঙৰীয়াসকল।

কেঁকোৰা দোলাত উঠি ৰাজপথেদি গৈ থকা স্বৰ্গদেউৰ সন্মানাৰ্থে বাটৰ কাষত বিহু মাৰি থকা দলটিৰ নাচোনত মুগ্ধ হৈ দোলা ৰখাই বিহু উপভোগ কৰাৰ কথা হুঁচৰিৰ ঘোষাতে পোৱা যায়-

হুৰাই ল' কেঁকোৰা দোলা
নাচোন ভাল দেখি
স্বৰ্গদেউ ঈশ্বৰে
ৰখালে কেঁকোৰা দোলা।

তেনেদৰেই কোনোবা নাচনীৰ নাচোনত মুগ্ধ হৈ স্বৰ্গদেউৱে কুঁৱৰী কৰি লোৱাৰ কথা বুৰঞ্জীত উল্লেখ আছে। তেনে মৰ্যাদাৰে বিভূষিত বিহু এদিন ব্যৱসায়ীৰ হাতৰ মুঠিৰ পুতলাৰ দৰে হৈ পৰিলহি। বিহুৰ ৰূপ সলনি হ'ল। বাট এৰি বিহু অবাটে গ'ল। বিহুৰ অস্তিত্ব সঙ্কটত পৰিল।

বিহুৰ এনে পৰিবৰ্তনৰ কাৰণসমূহ তলত দিয়া ধৰণেৰে ব্যাখ্যা কৰিব পৰা যায়।

**১) বৌদ্ধিক মহলৰ অনিহা ঃ** বিহুৰ তাত্বিক আৰু বাস্তৱিক দিশৰ প্ৰতি বুদ্ধিজীৱি মহলৰ বেছিভাগৰে আগ্ৰহৰ অভাৱ। চিন্তাশীল লোকসকলৰ বৌদ্ধিক জগতখনত বিহুৱে যিমানখিনি গুৰুত্ব পাব লাগিছিল সিমানখিনি পোৱা নাই। বিহুৰ প্ৰকৃত স্বৰূপ, মৌলিকতা আদিতকৈ মনোৰঞ্জন বা বিনোদনৰ দিশটোৰ ওপৰতহে অধিক মনোযোগ দিয়া যেন লাগে। বিহুৰ সুৰক্ষাৰ প্ৰতিও সেইসকল সমাজৰ নমস্য ব্যক্তি, অলপো যেন সজাগ নহয়, এনে লাগে। নহ'লেনো দিল্লীত হোৱা কমনৱেলথ গেমছ আৰু বাংলাদেশত হোৱা বিশ্ব এদিনীয়া ক্ৰিকেট, মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত বিহুক ইমানকৈ অপমানিত কৰাৰ পাচতো সেই সকল ব্যক্তিৰ কণ্ঠ আৰু কলম নীৰৱ হৈ থাকেনে?

**২) ব্যৱসায়ীসকলৰ দখল ঃ** বিহুৰ বিনোদনমূলক গুণাগুণৰ বাবে অসম বা ভাৰততেই নহয়-বিশ্বৰ বহুতো ঠাইতেই বিহুৱে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই বিনোদনধৰ্মী গুণাগুণৰ বাবেই চতুৰ ব্যৱসায়ীসকলে বিহুক পণ্যদ্ৰব্য হিচাপে ব্যৱহাৰ কৰিবলৈ লাগিছে যাৰ ফলত বিহুৱে গুণগত বৈশিষ্ট্য ক্ৰমান্বয়ে হেৰুৱাই পেলাইছে। বিনোদনক নিজৰ লাভালাভৰ বাবে ব্যৱহাৰ কৰি অধিক আকৰ্ষণীয় কৰিবলৈ যাওঁতে বিহুৱে স্বকীয়তা হেৰুৱাইছে। চতুৰ ব্যৱসায়ীসকলে জনপ্ৰিয় গায়ক গায়িকাৰ সুললিত কণ্ঠ, অভিনেতা অভিনেত্ৰীৰ আকৰ্ষণীয় চেহেৰা, মনোৰম অন্তৰ পৰশা অভিনয় আৰু

বিভিন্ন ইলেক্ট্রনিক বাদ্যযন্ত্রৰ সহায়ত বিহুক অধিক মনোগ্ৰাহী কৰিবলৈ যাওঁতে বিহুৱে নিজৰ ৰূপ হেৰুৱাই পেলাইছে। বিহুৰ আলম লৈ, কাল্পনিক কাহিনীৰে (অতি নাটকীয়) ভি চি ডি ছবি নিৰ্মাণ কৰি, বিহুগীত বুলি বিহুসুৰীয়া গীতৰ প্ৰচাৰ কৰি শ্ৰোতা-দৰ্শকৰ মন মুহিবলৈ সক্ষম হোৱা ব্যৱসায়ীসকলে বিহুৰ পৰম্পৰাত দেখদেখকৈ আঘাত হানিছে।

এটা কথা অৱশ্যে নুই কৰিব নোৱাৰি যে এনে কৰোতে বিহুৰ স্বৰূপৰ, মিশ্ৰিতভাৱে হ'লেও প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছে। লগতে এই বিহু সংস্কৃতিৰ লগত জড়িত বহুকেইজন শিল্পী দক্ষতাসম্পন্ন লোক উপকৃত হৈছে। বিহুৰ বাদ্য প্ৰস্তুত কৰাসকল আৰু প্ৰশিক্ষণ আদি দিয়া লোকসকলে ইয়াক জীবিকা হিচাপেও গ্ৰহণ কৰিছে। আনহাতে বিহুমেলাসমূহৰ সংখ্যা বাঢ়ি যোৱাৰ বাবে টেন্ট হাউচ, মাইক, লাইট, চাহ-তামোল-পাণৰ দোকান দিয়া ক্ষুদ্ৰ ব্যৱসায়ীসকল সামান্যভাৱে হ'লেও উপকৃত হৈছে। এইবোৰ কথা আদৰণীয়, কিন্তু বিহুৰ পৰম্পৰাত আঘাত নহনাকৈও জানো এনে কৰিব পৰা নহ'লহেঁতেন? নিশ্চয় হ'লেহেঁতেন।

৩) স্পষ্ট নীতি নিৰ্দেশনা অভাৱ: বিহু লোক-সংস্কৃতি। বিহুৰ কোনো ব্যাকৰণ নাই বুলি ভবাতো শুদ্ধ নহয়। বিহুনাম, বিহুনাচ, বিহুৰ বিভিন্ন বাদ্য আদি সকলোৰে পৰিৱেশনৰ এক নীতি-নিয়ম আছে। এনে নীতি-নিয়ম আৰু নিৰ্দেশনাৰ অভাৱ হ'লে বিহুৱে স্বকীয়তা হেৰুওৱাটো স্বাভাৱিক। আজি বিহুৰ মাজত তেনেদৰে সৰ্বজনগৃহীত নীতি নিৰ্দেশনাৰ অভাৱ হৈছে। "নানা মুণিৰ নানা মত"ৰ দৰে বিহু বিশেষজ্ঞ আৰু বিহুৰ বিচাৰকসকলৰ মাজতো মতৰ অমিল হোৱা দেখা যায়। কোনোবাই যদি কয় কাষৰীয়াকৈ কঁকাল ভাঙি নচাটো ভুল- কোনোবাই কয় শুদ্ধ। কোনোবাই যদি কয় নাচনীয়ে দুই হাতৰ আঙুলিৰে মেখেলাত ধৰি নাচিব নেলাগে- কোনোবাই কয় লাগে। এনেদৰে এশ এবুৰি বিৰ্তক। গাভৰুৰ বিহু নাচ সম্পৰ্কে এটা বিতৰ্কিত (?) কথা এইখিনিতে উল্লেখ কৰাতো বোধহয় অনুচি নহ'ব। ড° লীলা গগৈয়ে তেখেতৰ বিহুগীত আৰ বনঘোষাত ৰাতি গাঁৱৰ ডেকা-গাভৰুৱে টকা গগনা লৈ যৌন গন্ধী গীত গাই যৌন অভিব্যক্তিমূলক ভংগীৰে নাচি নাচি বিহু মাৰে" বুলি উল্লেখ কৰিছে শোণিতকোঁৱৰ গজেন বৰুৱাদেৱৰ মতে- "বিহুনাচ ডেকাই গাভৰুক, গাভৰুৱে ডেকাক নাচৰ অংগী ভংগীৰে যৌন সম্ভোগৰ ইংগিতপূৰ্ণ স্বৰূপটো প্ৰদৰ্শ কৰি যৌন মিলনৰ মৌন নিবেদন কৰে। দেহত শিহঁৰ তুলিব পৰা স্তন যুগলত স্পৰ্শভঙ্গী দেখুৱাই উঠা নম কৰা কাৰ্যই অপূৰ্বভাৱে ৰতি ৰসৰ সৃষ্টি কৰা, যৌন অং হাতেৰে দেখুৱাই মিলন কামনা কৰা কৌশলৰ উপৰি কঁকাল আৰু তলপেট আগ-পিছ কৰি স্তম্ভন কা দেখুৱাই উত্তেজনাৰ সৃষ্টি কৰিব পৰাটোহে আচ বিহুনাচ।" বিহুনাচৰ বিভিন্ন ভঙ্গীমাৰ ব্যৱহাৰিক প্ৰচল আৰু আঞ্চলিক বৈশিষ্ট্যৰ ওপৰত বিচাৰ-খোচাৰ, চি চৰ্চা কৰি জানিব পৰা হৈছে যে স্তন যুগলত স্পৰ্শ ভঙ্গী দেখুওৱা আৰু যৌন অংগ হাতেৰে দেখুৱাই মিলন কামনা কৰা ভঙ্গী কেইটা অশ্লীল বুলি এচাম বিহু বিচাৰকে পৰিত্যাগ কৰিছে। বিহুনাচ মূলত যৌ সম্পৰ্কীয় নাচ। তাত অশ্লীলতা থাকিলেও সেয় খোলাখুলিকৈ প্ৰকট নহয়। তেনে ভঙ্গীমাকেইটি ইঙ্গিতসূচকহে। তদুপৰি ওপৰত শালিনতাৰ চাদৰ এখ থাকেই। বিহুনামতো এনেদৰে শালিনতাৰ চাদৰেৰে অশ্লীলতাক ঢাকি ৰখা হয়। তেনে বিহুনাম বহুত আছে তাৰে দুফাঁকিৰ উদহাৰণ দিয়া হ'ল-

চাইনো চাই বুলিবি    বাটে সমনীয়া
চাইনো চাই বুলিবি বাট,
দেহাৰে ভিতৰত    আছে খলাবমা
পিচলি পৰিবি তাত।

০০০০

হাতী পানী খালে    হৈয়াঙে দৈয়াঙে
ঘোঁৰাই পানী খালে বৈ
ধনে পানী খালে    পীৰিতি নিজৰাত
থিয় গৰাত খোপনি লৈ।

উক্ত নাম দুফাঁকিত যথাক্ৰমে দেহৰ খলাবমাত "পিছলি পৰা" আৰু "পীৰিতি নিজৰাৰ থিয় গৰা"ৰ অৰ্থৰ ব্যাখ্যা কৰাটো নিষ্প্ৰয়োজন।

গতিকে অশ্লীল বুলি উক্ত ভঙ্গীমা দুটিক পৰিত্যাগ কৰাটো অনুচিত। বিহুনাচৰ প্ৰতেকটো ভঙ্গীমাই পৰম্পৰাগত ঐতিহ্য আৰু অৰ্থ বহন কৰে। যৌন উদ্দীপক নৃত্যগীত পৃথিৱীৰ আন দেশৰ লোক-সংস্কৃতিৰ মাজতো আছে। সুখৰ বিষয় যে লক্ষীমপুৰৰ কোনো কোনো অঞ্চলত স্তন যুগলৰ ভঙ্গীমাটি এতিয়াও প্ৰচলিত হৈ আছে। কিছুবছৰৰ আগতে ধেমাজী জিলাৰ মাছখোৱা অঞ্চলৰ এখন বিহুত দুগৰাকী বোৱাৰীয়ে দ্বিতীয় ভঙ্গীমাটিও প্ৰদৰ্শন কৰি বিহু নচা দেখিছিলো। আমি অৱশ্যে এই ভঙ্গীমা দুটি প্ৰদৰ্শন কৰি নাচিবলৈ নাচনীক সদায় উৎসাহিত কৰি আহিছো। এনে ভঙ্গীমা ইংগীত সূচকহে, বাস্তৱিক নহয়। তাতে আজিকালি বহু উৎকট যৌনগন্ধী নৃত্য-গীত সংস্কৃতিৰ নামত সদায়েই পৰিৱেশিত হৈ থকাটো ভাতৰ লগত পানী খোৱাৰ দৰে সাধাৰণ হৈ পৰিছে।

হুঁচৰি ক্ষেত্ৰতো বিৰ্তকৰ অন্ত নাই। বিহু-হুঁচৰি বা হুঁচৰি-বিহুৰ কথা নকলোৱেইবা হুঁচৰিত গাভৰুৱে নচা-নচাৰ বিৰ্তকই তুংগত পাইছেগৈ। এই কথা অনস্বীকাৰ্য যে টকা-বিহু, জেংবিহু আদি যিদৰে নাৰীৰ (মহিলা) একচেটিয়া অনুষ্ঠান; তেনেদৰে হুঁচৰিও পুৰুষৰ অনুষ্ঠান। হুঁচৰিত নাৰীয়ে অংশগ্ৰহণ নকৰে। কিন্তু বৰ্তমান বিশ্বায়নৰ যুগত পৰিবৰ্তন অৱশ্যম্ভাৱী বুলি আৰু সংস্কৃতিক বোৱতী নদীৰ লগত তুলনা কৰি হুঁচৰিত মহিলা (গাভৰু) নাচনীৰ অংশগ্ৰহণৰ সপক্ষে মুষ্টিমেয় দুজনমান বিহুপ্ৰেমী লোকে মতদান কৰিছে। এনে কৰিলে হুঁচৰিৰ পৰম্পৰাকেই অৱমাননা কৰাই নহয়, হুঁচৰিৰ পবিত্ৰতা আৰু মৌলিকতাকো বিঘ্নিত কৰা হয়। এয়া হুঁচৰিৰ অস্তিত্বৰ প্ৰতিয়েই ভাবুকি বুলি ক'ব লাগিব। যদি তেনেদৰে হুঁচৰিত নাৰীয়ে নাচিব আৰু গাব পাৰে তেন্তে টকা বিহু আৰু জেংবিহুত পুৰুষেনো কিয় ঢোল, পেঁপা লৈ গাভৰুৰ লগতে অংশগ্ৰহণ কৰিব নোৱাৰিব?

বিৰ্তকই বিহুনামকো এৰা নাই। বিহুনামৰ বৈশিষ্ট্যসমূহৰ পৰা বহু আঁতৰত থকা বিহুসুৰীয়া আধুনিক গীত কিছুমান বিহুগীত বা বিহুনাম বুলি পৰিৱেশন কৰা হৈছে আৰু বিহুনামৰ প্ৰকৃত সংজ্ঞা নজনাৰ দোষত বহুজনে তেনে গীতকে বিহুগীত বা বিহুনাম বুলি আদৰি লৈছে। ন'লৈও উপাই নাই, কাৰণ বিহুনামৰ অংশবিশেষৰ সুৰ ধাৰ কৰি, বিহুনামৰ তালত, অতি সুৱদী কণ্ঠেৰে, বাচকবনীয়া শব্দ প্ৰয়োগেৰে ৰচনা কৰা তেনে গীতবিলাক ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰৰ সহায়ত চিত্ৰাৰ্পিত কৰি উপস্থাপন কৰা হৈছে। সন্দেহ নাই তেনে গীত অতি আকৰ্ষণীয়ভাৱে বিনোদনসূচক- কিন্তু তেনে গীতবিলাকে বিহুনামৰ বৈশিষ্ট্য একেবাৰেই ৰক্ষা কৰা নাই। গতিকে তেনে গীত বিলাক বিহু নাম বা বিহুগীতৰ শ্ৰেণীত নপৰে। বিহুনামৰ এক পৰম্পৰাগত সুৰ, ছন্দ আৰু দুই-এটি ধেমেলীয়া নামৰ বাহিৰে প্ৰত্যেক ফাঁকি বিহুনাম আৰু জাতে এক অৰ্থ বহন কৰে। এনে অপূৰ্ব বিহুনামবিলাকক "আৰ ছিগা চুলি, তাৰ ছিগা চুলি, বান্ধি যাওঁ নেঘেৰী খোপা"ৰ দৰে অ'ৰ এটুকুৰা, ত'ৰ এটুকুৰা আনি অৰ্থ শূণ্য বিহুনামৰ সৃষ্টি হ'ব নেলাগে।

এফাঁকি বিহুনাম আছে-

হাতৰে আঙুলি    পৰালি পৰালি
ভৰিৰে আঙুলি ঘন,
কোনজন বিধতাই    তোমাক সৰজিলে
চাইনো চাই থাকিব মন।

গুৱাহাটীৰ সৰু সজাইত আয়োজিত ৰাষ্ট্ৰীয় ক্ৰিয়া প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত উক্ত নামফাঁকি

এনেদৰে গোৱা শুনা গৈছিল-

হাতৰে আঙুলি ছিৰিলি ছিৰিলি

ভৰিৰে আঙুলি ঘন......।

হাতৰ আঙুলি পবালি পবালিহে। ছিৰিলি ছিৰিলি হোৱাটো অবান্তৰ কথা।

এনে ধৰণৰ পাৰ্থক্য থকা বিহুনাম বহুত আছে। অৱশ্যে অঞ্চল ভেদে কিছু ভিন্নতা থকাটো অস্বাভাৱিক নহয় কিন্তু এনে ধৰণৰ বৃহৎ পাৰ্থক্য গ্ৰহণযোগ্যও নহয়। এনেবোৰ কাৰণতে "বিহুৰ ঐতিহ্য তাৎপৰ্য আৰু সৌন্দৰ্য সন্ধান" গ্ৰন্থত তীৰ্থ ফুকনে উল্লেখ কৰিছে-...."এই কথাও আমি মনত ৰাখিব লাগিব যে অতি সাম্প্ৰতিক কালত ৰচিত বিহুনামবোৰে বিহুনামৰ ধৰ্মকে নষ্ট কৰিবলৈ ধৰিছে। সেই কাৰণে পুৰণি কালৰ নামবোৰৰ কোনবোৰ সাৰ্থক বিহুনাম আৰু কোনবোৰ ক্ষীণ অনুকৰণ তাকো চালি জাৰি চাবৰ সময় হৈছে। পুৰনিদিনীয়া গীত পদ জনা মানুহ গাঁৱে-ভূঁয়েও নোহোৱা হৈ আহিছে। এটা সময়ত এনে মানুহ দবৰত দিবলৈও পোৱা নাযাবগৈ। ..... (পৃঃ ১১৬)

৪) **ভুল ব্যাখ্যা ঃ** বিহুৰ কোনো কোনো প্ৰশিক্ষকেও কোনো কোনো সময়ত ভুল ব্যাখ্যা দিয়া দেখা যায়। যোজনা, জোঙলানাম, যোৰানাম, জাত আৰু জাতনাম, ঠেলানাম ঘোষা, পদ, বনবীয়ানাম (হৰিনাম) আদিৰ ব্যাখ্যা প্ৰশিক্ষাৰ্থীসকলক স্পষ্ট কৈ শুদ্ধ ভাৱত দিয়া উচিত। বিৰ্তকিত বিষয় বিলাকৰ বিষয়েও প্ৰশিক্ষাৰ্থী সকলক খোলাখুলিকৈ অৱগত কৰা উচিত। উদাহৰণস্বৰূপে সাত বিহুৰ কথাকে ধৰা হওক। ড° লীলা গগৈৰ মতে সাত বিহু হ'ল- গৰু বিহু, মানুহ বিহু, হাত বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু আৰু চেৰা বিহু। হেম বুঢ়াগোহাঞিৰ মতে- চ'ত বিহু, ৰাতি বিহু, গৰু বিহু, মানুহ বিহু, কুটুম বিহু, মেলা বিহু, আৰু চেৰা বিহু বা এৰা বিহু। প্ৰবীন গগৈৰ মতে- গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বিহু বা চেনেহী আৰু চেৰা বিহু। তেনেদৰে ধ্ৰুৱজ্যোতি দাস আৰু ড° সূৰ্য দাসৰ মতো ভিন্ন। গতিকে প্ৰশিক্ষাৰ্থীয়ে কোনটো শুদ্ধ বুলি ল'ব? পৰম্পৰাগত ভঙ্গীমাৰে নাচি অহা বিহুনাচৰ বিভিন্ন ভঙ্গীমাৰ বিশ্লেষণ কৰিবলৈও বিচৰাটো পৰিলক্ষিত হৈছে। মকৰা-বুলনি, শগুন-পাখা, পৰুৱা-বগোৰা, চিলনী হাত, টাকুৰী পাক, চেৰেকিপাক, টুকুৰা পাক, হাউলা পাক আদি লুপ্তপ্ৰায় ভঙ্গীমা সমূহৰ পুনৰুদ্ধাৰ কৰিবলৈ চেষ্টা কৰাটো আদৰণীয় যদিও ইবিলাকক উদ্ধাৰ কৰি ৰঙ-বিৰ লগাওঁতে সাৱধান হোৱা উচিত যাতে হিতে বিপৰীত নহয়গৈ। প্ৰশিক্ষক সকলে এইখিনি কথা স্পষ্টকৈ প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰিব লাগে, লগতে প্ৰশিক্ষকসকলে যুক্তি তথ্য সহকাৰে তেওঁলোকৰ মতামতো ভাঙি ধৰিব লাগে।

আন এক অতি প্ৰয়োজনীয় কথা হ'ল, বি... সংস্কৃতিক খিচিৰি-সংস্কৃতি হ'ব নোৱাৰাকৈ ৰখাটো। দেখা গৈছে কোনো কোনোৱে ফকৰা যোজনা, কুলাবুঢ়ী নাচ আদিক বিহুৰ মাজলৈ টানি আনি সোমোৱাই বিচাৰিছে। কিন্তু সেয়া কেৱল বিহুৰ বাবেই নহয় অসমৰ লোক-সংস্কৃতিৰ বাবেই অশুভ। ফকৰা-যোজনা, প্ৰবাদ প্ৰবচন আদিৰ অসমীয়া লোক সাহিত্যত এক সুকীয়া আৰু নিগাজী স্থান আছে। কুলা বুঢ়ী নাচৰো বৈশিষ্ট আচুটীয়া আৰু নিগাজী। তেনে ক্ষেত্ৰত লোকসংস্কৃতিৰ এনে অপূৰ্ব অঙ্গবিলাকক নিজ আসনৰ পৰা আঁতৰাই পেলোৱা অনুচিত।

৫) **হুঁচৰিৰ পৱিত্ৰতাত আঘাত ঃ** আগতেই উল্লেখ কৰা হৈছে যে হুঁচৰি পুৰুষৰ, টকা বিহু, জেং বি... নাৰীৰ একচেটীয়া অনুষ্ঠান। আনহাতে মুকলি বিহু পুৰুষ আৰু নাৰী উভয়ৰে অনুষ্ঠান। এই পৱিত্ৰতা ৰক্ষা কৰাটো বাঞ্ছনীয়। কিন্তু বৰ্তমান নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণ কৰি অৰ্থনৈতিক লাভালাভৰ বাবে এচোমে "বিহু-হুঁচৰি" ৰ "হুঁচৰি-বিহু" শব্দৰ সৃষ্টি কৰি বহুতো শ্ৰোতা দৰ্শকে গ্ৰহণ কৰিছে বুলি দাবী কৰি হুঁচৰিত গাভৰু ছোৱালী নচুৱাবলৈ লৈছে। হুঁচৰি আৰু মুকলি বিহুক একাকাৰ কৰিলে দুয়োবিধৰে ঐতিহ্য আৰু সৌন্দৰ্য বিঘ্নিত হৈ শেষত স্বকীয়তা সম্পূৰ্ণভাৱে হেৰুৱাব লগাত পৰিবগৈ। হুঁচৰি আৰু মুকলি বিহু নিজ নিজ বৈশিষ্ট্যৰে উজ্জ্বলিত হৈ আছে আৰু তেনে ধৰণেই থাকিবলৈ দিয়া উচিত। হুঁচৰিত গাভৰুয়ে নচাটো কিছু সংখ্যক শ্ৰোতা দৰ্শকে গ্ৰহণ কৰাটো সঁচা কিন্তু সেয়া বিনোদনৰ বাবেহে গ্ৰহণ কৰিছে, বিহুৰ ঐতিহ্য আৰু মৌলিকতাৰ বাবে গ্ৰহণ কৰা নাই। যেতিয়াই সেই সকল শ্ৰোতা দৰ্শক বিহুৰ পৰম্পৰা আৰু ঐতিহ্য ৰক্ষাৰ বিষয়ে অৱগত হ'ব তেতিয়া কিন্তু সেই সকলে 'বিহু-হুঁচৰি' বা 'হুঁচৰি-বিহু' আৰু 'হুঁচৰি'ত গাভৰুয়ে নচাৰ কথাটো ঐতিহ্য পৰম্পৰাৰ পৰিপন্থী বুলি তেনে ব্যৱস্থাক নিশ্চয় ত্যাগ কৰিব। কাৰণ বিহু সকলো অসমীয়াৰে প্ৰাণৰ স্পন্দন।

৬) **বিচাৰকৰ সজাগতাৰ অভাৱ ঃ** কোনো কোনো বিচাৰকৰ ভুল সিদ্ধান্তইও বিহুৰ মৌলিকতা বিঘ্নিত কৰিব পাৰে। ভুলকৈ বিহুনাম, বিহুনাচ পৰিবেশন কৰিও কোনোবা এটা দল বা ব্যক্তিগত এগৰাকী শ্ৰেষ্ঠ বিবেচিত হ'লে আন সকলে তেওঁলোকক অনুকৰণ কৰিবলৈ গৈ ভুলটোকে শুদ্ধ বুলি গ্ৰহণ কৰেগৈ। কেতিয়াবা এনেকুৱাও হয় যে বিদেশত বিদেশীৰ মনোৰঞ্জনৰ কাৰণে ভুলে শুদ্ধই বিহু পৰিবেশন কৰি অহা দলটিক বহুতেই অনুকৰণ কৰিবলৈ লয়- যাৰ ফলত বিহুৰ প্ৰকৃত স্বৰূপৰ ৰূপান্তৰ ঘটে।

৭) **যুৱ প্ৰজন্মৰ অনীহা ঃ** আজিৰ যুৱ-প্ৰজন্মই লোক-সংস্কৃতিৰ প্ৰতি আগ্ৰহ নেদেখুৱাই পশ্চিমীয়া সংগীতৰ প্ৰতিহে অধিক আগ্ৰাহন্বিত হোৱা দেখা গৈছে। "বাৰীৰ ঘাঁহে গোহালিৰ গৰুৰে ৰাহি নহা'ৰ দৰে বিহুৰ মৌলিকতাৰ প্ৰতি যুৱ-প্ৰজন্মৰ ধাউতি নোহোৱা হৈছে। বিহুৰ বিপথগামীতাৰ ইও এক কাৰণ।

বিহু নিৰ্ভেজি ৰূপত ৰাখিবলৈ আজি প্ৰয়োজন হৈছে বিহুৰ প্ৰতি ধাউতি আৰু শ্ৰদ্ধা থকা নিস্বাৰ্থ লোকৰ। প্ৰয়োজন হৈছে বিহুৰ বিভিন্ন দিশ ফঁহিয়াই চাই, অৰ্থ, পৰম্পৰা, ঐতিহ্য আদিৰ বিষয়ে চিন্তা চৰ্চা আৰু গৱেষণা কৰা চিন্তাশীল লোকৰ। প্ৰয়োজন হৈছে বিহুৱা বিহুৱতীৰ অভিভাৱক সকলৰ সজাগতা আৰু যোগ্য প্ৰশিক্ষক আৰু নিঃস্বাৰ্থ বিচাৰকৰ। ইয়াৰ উপৰিও স্কুল-কলেজৰ পাঠ্যক্ৰমতো বিহুক অৰ্ন্তভূক্ত কৰাতো অতি প্ৰয়োজনীয় হৈ পৰিছে। সকলোতকৈ অধিক প্ৰয়োজন হৈছে ৰাইজৰ অকুণ্ঠ সহযোগ, যাৰ অবিহনে বিহুৰ সুৰক্ষা সম্ভৱ নহয়।

লেখকৰ ঠিকনা ঃ নকাড়ী, লখিমপুৰ।


প্ৰসঙ্গসূচী -

১) গন্ধীয়া জয়কান্ত ঃ হুঁচৰি, মুকলি বিহু আৰু বিহুনাচ।

২) গোস্বামী প্ৰফুল্ল দত্ত ঃ বাৰ মাহত তেৰ গীত।

৩) গগৈ ডাঃ অমৰেন্দ্ৰ ঃ বিহু নামৰ ৰৰপেৰা প্ৰথম আৰু দ্বিতীয় খণ্ড।

৪) গগৈ ডাঃ অমৰেন্দ্ৰ ঃ প্ৰবন্ধ - 'বিহুৰ মৌলিকতা'।

৫) গগৈ ডাঃ অমৰেন্দ্ৰ ঃ প্ৰবন্ধ-প্ৰান্তিক-'বিহু নামৰ বৈশিষ্ট্য'।


00000

# অসমীয়া মুছলমানৰ জাতীয় জীৱনত বহাগ বিহুৰ প্ৰভাৱ

মঃ আতিকুৰ ৰহমান

যোল্ল-সোতৰ শতিকাৰ পৰা বিহুৱে প্ৰাকৃতিক পৰিৱেশত ব্যাপক প্ৰভাৱ সামাজিক ভাৱে লাভ কৰিছিল। সেই সময়ত অসমীয়া ইছলামধৰ্মী মুছলমান সকলৰ দৃষ্টিত ধৰা পৰিছিল বিহুৰ এই ব্যাপকতা। লোক-সংস্কৃতিৰ গৱেষক ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে বহাগ বিহুৰ পৰম্পৰা লিখনিত ব্যাখ্যা কৰিছে - পুৰণি অসমীয়া পুথিত কেতিয়াবা কৰবাত বিষুৱ বা বিহু শব্দটোৰ উল্লেখ পায়, কিন্তু উৎসৱ হিচাপে তাৰ বৰ্ণনা কতো পাবলৈ নাই। সম্ভৱ সপ্তদশ শতিকাত এখ মুছলমান ভ্ৰমণকাৰীয়ে থৈ যোৱা বৰ্ণনাই প্ৰথম বৰ্ণনা। এই মুছলমান জনে " নওৰোজ" বা নৱবৰ্ষত অসমৰ ৰাজধানীত পুৰুষ-স্ত্ৰী উভয়ে নৃত্য আৰু গীতবোৰে যি ৰং-ধেমালি কৰিছিল তাৰ বৰ্ণনা দিছে। ঢোল, পেঁপা, টকা আদি বাদ্যযন্ত্ৰৰউল্লেখ এওঁ কৰিছে। এওঁ আকৌ কৈছে যে, ডেকা-গাভৰুৰ জাতীয় মনৰ আদান প্ৰদানো এই সময়ত হয়। সম্ভৱ আহোম ৰজাসকলে এই উৎসৱৰ পৰিপোষণ কৰি বিহুক এটি গঢ় দিয়াত সহায় কৰিলে। চিহাবুদ্দিন (চাহাবুদ্দিন) তালিচৰ বুৰঞ্জীৰ পৰাও জনা যায় যে,তেৰ শতিকাৰ পৰা সপ্তদশ শতিকালৈ যি সকল মুছলমানে অসমত বসবাস কৰিছিল, তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, মাত-কথা আৰু সংস্কৃতিৰ সৈতে থলুৱা অনা মুছলমান লোকৰ সংস্কৃতিৰ মাজত বিশেষ পাৰ্থক্য নাছিল। বেছিবাগেই থলুৱা জনজাতি আৰু সমাজৰ আহোম, চুতীয়া,মেচ, কোচ, আৰু ৰাজবংশী আদি জনগোষ্ঠীৰ গাভৰু বিয়া কৰাইছিল। সেয়েহে বৈৱাহিক সূত্ৰে ত্ৰয়োদশ শতিকাৰ পৰা মুছলমান সমাজৰ অসমৰ থলুৱা সংস্কৃতি আৰু সামাজিক পৰম্পৰাৰ প্ৰভাৱ পৰিছিল। বিহুৱেও তেনেকৈয়ে অসমীয়া সমাজত সমাদৰ লাভ কৰিছিল।

অসমীয়া সংস্কৃতি বৰগীত,দেহ বিচাৰ গীত, বিহুগীত আৰু টোকাৰীগীত আৰ্হিত আজানপীৰ জিকিৰ গীত ৰচনা কৰিছিল। আহোম স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্বকালৰ পৰা শিৱসিংহৰ ৰাজত্ব কালছোৱাত, আজালপীৰৰ চিন্তাদৰ্শনত থলুৱা সমাজ,ধৰ্ম,ভাষা, আৰু সংস্কৃতিৰ প্ৰভাৱ পৰিছিল, প্ৰকৃতি উৎসৱ বিহুক কেন্দ্ৰ কৰি বিহুনাম গঠন প্ৰণালীৰে জিকিৰ ৰচনা কৰাৰ উপৰিও বিহুনাম সুৰ জিকিৰত সন্নিবিষ্ট কৰিছিল।

ডঃ মোহিনী কুমাৰ শইকীয়াই "আছাম মুছলিম বিলেচন এণ্ড ইটচ কালচাৰেল চিগিনিফিকেচন গ্ৰন্থত (১৯৮৭) উল্লেখ কৰিথে যে - নগাওঁ জিলাৰ কিছুমান বিহুনামত "গৰীয়া" শব্দটোৰ উল্লেখ আছে, আৰু তেনে গৰীয়া মুছলমান সকলে বাঁহৰ গগনা বজাই বুলিও কোৱা হৈছে, জিকিৰ আৰু জাৰীক কেন্দ্ৰ কৰি পৰিৱেশন কৰা নাচৰ সৈতে বিহুনাচ আৰু হুঁচৰিৰ বহুখিনি সাদৃশ্য আছে।

প্ৰাচীন কালৰে পৰা বিহুনাচ আৰু বিহুনামৰ সৈতে অসমৰ অসমীয়া মুছসমানৰ সম্পৰ্ক আছে। সাহিত্যিক আব্দুছ ছাত্তাৰেও তেঁওৰ "সংমিশ্ৰণত অসমীয়া সংস্কৃতি" গ্ৰন্থত লিখিছে মুছলমান ডেকায়ো বিহুগীতৰ সুৰ জুৰি আকাশ বতাহ কপায়, বহাগ বিহুত অসমীয়া মুছলমান জীয়াৰীও হাতত জেতুকাৰ বোল সানে।

আজানপীৰৰ ৰচিত জিকিৰৰ গঠন প্ৰণালীত বিহুমান তথা হুঁচৰি পদৰ সৈতে সুৰৰ সামঞ্জস্য আছে। যেনে -

"হাতেৰে শুৱনি ৰেৱাৰৰ টোকাৰী
মুখেৰে শুৱনি দাঁত,
সমাজৰ শুৱনি শিৰৰ চাহেৰ ঐ
লগাইছিল অমাতৰ মাত"।

*- জিকিৰ*

উপৰুক্ত জিকিৰ ফাকিৰ গঠন প্ৰণালী যিকোনো বিহুনামৰ গঠন প্ৰণালীৰ সৈতে মিল আছে। উদাহৰণ স্বৰূপে-

"লুইতৰ শুৱনি মাজুলি চাপৰি
সৰগৰ শুৱনি তৰা,
কোনটো চিতেৰে আমাক এৰি থৈ
খালি দোৱা ভজা চিলা।"

*- বিহুৱান-*

অসমীয়া মুছলমানৰ মাজত প্ৰচলিত হৈ থকা বিহুনামৰ প্ৰতি লক্ষ্য ৰাখি জিকিৰত বিহুনামৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। বিহুনামৰ সৈতে সাদৃশ্য থকা আৰু প্ৰভাৱৰ বাবে জিকিৰৰ গীত অসমীয়া জাতীয় লোক সাহিত্যৰ সম্পদৰূপে স্বীকৃত হৈছে। বিহুনাম যিদৰে ধৰ্মনিৰপেক্ষ স্বীকৃতি লাভ কৰাৰ পিছত কিছুমান ক্ষেত্ৰত ধৰ্মনিৰপেক্ষৰূপত প্ৰকাশ পাইছে।

আদিযুগৰ পৰা বৰ্তমানলৈকে বহু কৃষিজীৱী অসমীয়া মুছলমান লোক অসমৰ গাওঁ অঞ্চলত আছে,নৈ বোৱৰ নীলাৰঙৰ পানী,সেইজীয়া চাপৰিবোৰ তেওঁলোকৰ অতিকৈ চিনাকী, তেওঁলোকৰ মন প্ৰাণ প্ৰকৃতিৰ পৰশত স্পন্দিত হৈ উঠে। অসমীয়া হিন্দু -মুছলমানলোকৰ বিহুগীতবোৰত মনৰ আৰু প্ৰাকৃতিক জগতখন সুন্দৰভাৱে প্ৰফুল্লিত হৈ উঠে। প্ৰকৃতিৰ পৰশত স্পন্দিত হৈ উঠে তেওঁলোকৰ মন প্ৰাণ, তাতে বিহুগীত সমূহৰ নদী-প্ৰীতি সুন্দৰ ৰূপত প্ৰকাশ পাইছে, সৰুৰে পৰা চাপৰিত গৰু ম'হ চৰাই অসমীয়াত হিন্দু-মুছলমান লৰা ছোৱালীয়ে লুইতখনক ভাল পাবলৈ শিকে। লুইতৰ পাৰৰ কঁহুৱা ফুলে প্ৰতি অসমীয়াৰ হিন্দু-মুছলমান ডেকা গাভৰুৰ মন উন্মনা কৰি তোলে। তেওঁলোকৰ মুখত উচ্চাৰিত হৈ থকা বিহুগীত সমূহত ধাননি পথাৰত উদয় হোৱা প্ৰেম-বিৰহৰ অলেখ মধুৰ চিত্ৰ বিন্দী হৈ আছে।

আজিও অসমীয়া মুছলমান ছোৱালী (বোৱাৰী) শিপিনীয়ে তাঁতশালত চাদৰ, গামোছা তৈয়াৰ কৰিবজানে। ডিঙিত ঢোলবিৰি, জোনবিৰি গেজেৰা সোণ-পোৱাল মণি, কাণত ৰাখৰ খটুৱা কেৰু থুৰীয়া, হাতত গামখাৰু পিন্ধে। আহোমৰজাৰ ৰাজত্বকালত দিল্লী আদি অঞ্চলৰ পৰা সোণাকটীয়া, দৰ্জ্জি,কাৰিকৰ আদি মুছলমানলোকক আমন্ত্ৰণ কৰি আনিছিল। কালক্ৰমত তেওঁলোকে অসমৰে জীয়াৰী বিয়া কৰাই ৰজাই দিয়া মাটিত স্থায়ী বাসিন্দা হৈ ৰৈ গৈছে। তেওঁলোকৰ কাৰুকাৰ্যৰ প্ৰভাৱ অসমীয়া সাজ-পোচাক,অলংকাৰ আদিত বিশেষ অৱদানৰূপে আজিও আছে।

অসমীয়া হিন্দু-মুছলমানলোক উভয়ৰে প্ৰধান খাদ্য তালিকাৰ অন্তৰ্ভূক্ত হৈছে ভাত, শাক-পাচলি, মাছ আৰু মঙহ ইত্যাদি। জলপানৰ ক্ষেত্ৰত বিশেষকৈ বিহুৰ বতৰত কৰাই গুড়ি, চিৰা, মুড়ি, সান্দহ, পিঠাগুড়ি, তিলপিঠা আৰু গুৱালৰ দৈ গুৰুত্বপূৰ্ণ আহাৰ অসমীয়া মুছলমান সকলে প্ৰতিবছৰে দুবাৰকৈ উদযাপন কৰি অহা ঈদতো এনেবোৰ খাদ্য গ্ৰহণ কৰে, বিহু বা ঈদত পৰস্পৰে মিলি এই খাদ্য খায়। বহাগ বিহুৰ প্ৰথম দিনা প্ৰত্যেকে এশ এটা শাকৰ আঞ্জা, কচু, ঢেকিয়া, কেৰেলা, বাবৰি, ভেদাইলতা আদি শাক খায়। তাৰোপৰি কচুটেঙা, কচুজাল খাৰ আদি খোৱাৰ অভ্যাস সকলোৰে আছে। অসমীয়া হিন্দু মুছলমান উভয়ৰে অতি প্ৰিয় খাদ্য এইবোৰ। ডেকা-গাভৰুৱে বাৰিষা পথাৰত মাছ ধৰিবলৈ যাওঁতে মনৰ মিলন ঘটে। টেঙা সম্পৰ্কে বিহুগীতত জবা, চকলা, পনিয়ল, বগৰী, অমলখি আৰু শিলিখা আদিৰ উল্লেখ আছে।

সহজ সৰল গাৱলীয়া ডেকা-গাভৰুৱে ৰং ৰইচৰ পূৰ্ণ হুঁচৰি জোৰাই চহৰ অভিমুখে ৰঙৰে কিৰিলি পাৰি নাচি বাগি ওলাই আহে। সেই হুঁচৰি জোৰাত অসমীয়া মুছলমান ডেকা-গাভৰুৱে সহযোগ কৰে। প্ৰতিবছৰে জাজী আমগুৰী অঞ্চলৰ পৰা শিৱসাগৰ অভিমুখে অহা হুঁচৰি জোৰাত ২০-২২ বছৰীয়া নাচনী ঢুলীয়া, পেপা, বাঁহী বজোৱা কেইজন মান অসমীয়া যুৱকে ইমান সুন্দৰ আৰু নিখুত ভাৱে পৰিৱেশন কৰে, তেওঁলোকৰ নজনালে হিন্দু নে মুছলমানতাক নিৰ্ণয় কৰা সহজ নহয়। মুছলমান জিকিৰগীত পৰিৱেশন কৰোঁতে বিভিন্ন মঞ্চত বাঁহীবাদক জন প্ৰায় অসমীয়া হিন্দু যুৱক থাকে। উল্লেখিত হুঁচৰি দলটো বৃত্তাকাৰে ঘূৰি ঘূৰি এজন মুছলমান যুৱকে পদেৰে আৰম্ভ কৰে - "কৃষ্ণাইৰ মুৰৰে বকুল ফুল এপাহি নিয়ৰ পাই মুকলি হলেহে গোবিন্দাই ৰাম"পদৰ শেষত এফাকি যোজনা - "দেহি ঐ ব্ৰহ্মাই চৰজা নাম, বেয়া নাম ওলালে দায় ক্ষমিব, প্ৰথমে বিষ্ণুনাম গাম। যোজনা শেষ হোৱাৰ লগে লগে অসমীয়া মুছলমান যুৱতী নাচনী এজনী মাজলৈ আহি বিহুগীত জুৰে "বগীতৰা ওলাই দেখা দিয়া হাতত পাণ বটা লৈ ৰাইজৰ দেখা দিয়া"। নিখুত তথা ক্ৰটিহীন নৃত্য আৰু বাদ্যযন্ত্ৰত পাৰ্গত অসমীয়া মুছলমান ডেকা গাভৰুৰ বিহু প্ৰদৰ্শণে অসমীয়া জাতিৰ সম্প্ৰীতিৰ এনাজৰীডাল অধিক মজবুত কৰি ৰাখিছে। এনে আকৰ্ষণীয় সমন্বয়ৰ বিহু আজি পৰ্যন্ত প্ৰচলিত হৈ জাতিটোৰ বাবে সৌভাগ্যজনক বাৰ্তা দিছে।

এসময়ত অসমীয়া ভাষা-সাহিত্য অস্তিত্ব সংকটত পৰিছিল। কালৰ গৰ্ভত হেৰাই যোৱা উপক্ৰম হোৱাৰ উমান পাই কিছুসংখ্যক অসমীয়া বিদ্বানলোক আহোপুৰুষাৰ্থত অসমীয়া ভাষা সাহিত্যই পুণৰ মূৰ দাঙিবলৈ সমৰ্থ হৈছিল। এইক্ষেত্ৰত আনন্দৰা ঢেকিয়াল ফুকনৰ নাম বিশেষ ভাৱে লব পাৰি। অসমীয়া মুছলমান বিদ্বান লোকসকলৰ ভিতৰত মফিজুদ্দি আহমেদ হাজৰিকা, চৈয়দ আব্দুল মালিক আৰু ইমৰা শ্বাহ আদিৰ অৱিহণাৰ বাবে অসমীয়া সাহিত্য-সংস্কৃতি সংকট মুক্ত আৰু সমন্বয় ভিত্তিত ৰাখিবলৈ যথেষ্ট সহায়ক হৈছে। তেখেত সকলে প্ৰতিটো মুহূৰ্তত উপলব্ধি কৰিছিল যে বিহু প্ৰতিজন অসমীয়া হিন্দু ব মুছলমানেই হওক প্ৰত্যেকৰে হিয়াৰ আমঠু, তেওঁলোক লিখনিত প্ৰতিফলিত হৈছে অসমীয়া জাতিৰ অস্তিত্ব জাতিৰ সংস্কৃতি আদি। বসন্তৰ হাতত ধৰি বহাগ আহি স্বাগতম জনাই অসমীয়া জাতিক অসমীয়াৰ হেঁপাহৰ টান ব'হাগত আনন্দত আত্মহাৰা হৈ পৰে। অসমীয়া জাতিয়ে স্নান কৰি নৱৰূপ লৈ নতুন চিন্তাৰ পাত মেলে। বহাগত চিন্তাৰ বতৰ, প্ৰতিজন অসমীয়া হিন্দু মুছলমানৰ বহাগ হব নোৱাৰেনে কিছুমান ইতিবাচক চিন্তাৰ আকৰ?

চিকাগোত থকা প্ৰবাসী অসমীয়া যুৱতী ৰেহেনাৰ বিহুগীত প্ৰদৰ্শন নিউজ লাইভ দেখুৱা এগৰাকী অসমীয়া মুছলমান হিচাবে গৰ্বিত। প্ৰতিবছৰে আমেৰিকা কাণাডা বা পৃথিৱীৰ বিভিন্ন প্ৰান্তত থক



অসমীয়া হিন্দু-মুছলমান সমাজ আয়ুস ৰেখা বহাগ বিহু ওলাহ মালহেৰে উদযাপন কৰি অহা আমি বিভিন্ন মিডিয়াৰ যোগেদি প্ৰত্যক্ষ কৰো। বিদেশতো চিৰা, দৈ, তিলপিঠা তৈয়াৰ কৰি খোৱাৰ উপৰিও অসমীয়া জাতীয় সাজ পোছাক পৰিধান কৰে। বিহু নাচি বহাগক আদৰণি জনায়।

অসমৰ গ্ৰামাঞ্চলত আজিও অসমীয়া মুছলমানে ঢেঁকীত চিৰা খুন্দে, উৰলত কৰাইগুৰি, সান্দহ খুন্দে। আইতাই খুন্দনাত তামোল কোটে, টি.ভি.ত অসমীয়া চেনেলত বিহুগীত বা হুঁচৰিৰ অনুষ্ঠানত প্ৰদৰ্শন কৰিলে ঘৰত কিতাপ পঢ়ি থকা কণমানি জনীয়ে বিছনাৰ ওপৰত বা টেবুলৰ কাষতে নাচিবলৈ আৰম্ভ কৰে। এইক্ষেত্ৰত অসমীয়া হিন্দু মুছলমান উভয়পক্ষতে প্ৰযোজ্য, পৰি থকা যিকোনো কাপোৰ এখনকে ককালত গুজি ৰয় নাচনীৰ সাজৰ দৰে। এই অনুপম দৃশ্য সাধাৰণতে সমূহ অসমীয়া হিন্দু মুছলমানৰ ঘৰত উমৈহতীয়া পৰিৱেশ। বিহু মঞ্চত প্ৰতিযোগিতামূলক বিহু কুঁৱৰীত সমন্বয় ভিত্তিত সকলোৱে অংশ গ্ৰহণ কৰে। পুৰস্কাৰও পায়।

অসমীয়া জাতীয় উৎসৱ বিহু কৰ্মময় জীৱনৰ ওপৰত প্ৰতিষ্ঠাপিত বসন্তকালৰ ৰঙালী বিহুৱে প্ৰতি অসমীয়া হিন্দু আৰু মুছলমানে সমানে সমাদৰ কৰে। বিহুগীতত আছে হিয়াৰ আকুলতা, যৌৱন চঞ্চলতা, প্ৰেমৰ চপলতা। ব'হাগ বিহুতেই প্ৰেমিক প্ৰেমিকাই হিয়াৰ ভাষা আৰু মত বিনিময় কৰে। অসমীয়া মুছলমান ডেকা-গাভৰু ইয়াৰ ব্যতিক্ৰম নহয়। ব'হাগ আহিলেই মনবোৰ থৌকি বাথৌ হয়। বিহু বুলিলে ডেকা গাভৰুৰ মনবোৰ কমোৱা তুলা হৈ উৰে "বিহু আনন্দীয়া/বিহু বিনন্দীয়া/বিহুৰে বলিয়া মন/কমোৱা তুলাবোৰ যেনেকৈ উৰিছে/তেনেকৈ উৰিবৰ মন" বনৰ পলাশ শিমলু নাহৰ ফুলাৰ দৰে মনবো পলাশ শিমলু নাহৰ ফুলে।

"বিহুৱান" শব্দৰ অভিধানিক অৰ্থ হৈছে বিহুত দিয়া নতুন কাপোৰ ঘাইকৈ গামোচা। বহাগ বিহুত দ্বিতীয় দিনা মানুহ বিহুৰ দিনা বিহুৱান উপহাৰ দিয়ে প্ৰধান বৈশিষ্ঠ্য। অসমীয়া সমাজত বিহুৱানৰ সুকীয়া মৰ্যদা বিদ্যমান, হেমচন্দ্ৰ বৰুৱাই গামোচা শব্দটোৰ অৰ্থ দিছে - গা ধুই পানী টোকা সৰু কাপোৰ, তামোল বন্ধা, মূৰত বন্ধা সৰু কাপোৰ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে -গামোচা হ'ল অংগবস্ত্ৰ/অংগোছা/গামোচা। গামোচা অসমীয়া হিন্দু আৰু মুছলমান সমাজত সন্মান আৰু মৰ্যদাৰ অংগ। অতিথি আৰু প্ৰিয়জনৰ বাবে অতি মৰমৰ চিহ্ন। অসমীয়া হিন্দু আৰু মুছলমানৰ উভয়ে সভা-সমিতি, ধৰ্মীয় অনুষ্ঠান নামঘৰ, দৰগাহ আদিত হোৱা সভা বা অধিৱেশনত বিশেষ ভাৱে এই ফুলাম গামোচাৰে অতিথিক আদৰণি সম্ভাষণ জনায় চেনেহ যাচে। বিশেষকৈ নামঘৰ বা দৰগাহ আদিত মুৰব্বীসকলে মুৰত বা কান্ধত গামোচা একোখন ব্যৱহাৰ কৰে। ব'হাগ বিহুত অসমীয়া হিন্দু ছোৱালীয়ে মুছলমান প্ৰিয় যুৱ বন্ধুক একোখন ফুলাম গামোচাৰে আদৰে, মুলতঃ বিহুৱান অৰ্থাৎ গামোচা অসমীয়া হিন্দু আৰু মুছলমানৰ অতি আদৰৰ সম্বল।


প্ৰতিজন অসমীয়া হিন্দু আৰু মুছলমানৰ বাবে ব'হাগ হৈছে সাহস আৰু আয়ুস ৰেখা, সমগ্ৰ জাতিৰ প্ৰতি কল নেওচিবৰ বাবে ব'হাগেই আনি দয়ে সমদল গতি ব'হাগেই নাশ কৰে প্ৰভেদক, জাতিৰ জীৱন আকাশ উজ্জ্বলাই ব'হাগেই বৰদৈচিলা হৈ অনুপ্ৰেৰণা দিয়ে। অসমীয়া জাতীয় জীৱনত, অসমীয়া হিন্দুমুছলমানৰ মাজত ঐক্য সম্প্ৰীতি অটুত ৰখাত ব'হাগ বিহুৰ ভূমিকা অতুলনীয়। বিহুমঞ্চত বিহুনাচি বিহু কুৱৰী বিভুষিত হোৱা পুৰস্কাৰ প্ৰাপ্ত অসমীয়া মুছলমান যুৱতীয়ে একেই সমন্বয়ৰ বাৰ্তা কঢ়িয়াই বিয়াত অসমীয়া মুছলমান ছোৱালীক হালধী মাহে গাধোৱা গামোচাৰে চুলিকোচা পানী টোকা হাতত জেতুকা বোলোৱা মুগাৰ মেখেলা চাদৰ পিন্ধা আদি পৰম্পৰাও সমন্বয়কে সূচায়। অসমীয়া মুছলমান সমাজত

আত্মীয়জনৰ মৃত্যুত তিনিদিনীয়া,দহ, চালিছা আদি পতাৰ উপৰিও তিনিদিনলৈকে মাছ-মাংস গ্ৰহণ নকৰে। ব'হাগ বিহুত একে লগে জলপান খোৱা আদি পৰম্পৰা আজিও চলি আছে। একেলগে পঢ়া-শুনা, খেল-ধেমালি কৰা, মাছ ধৰা, গৰু ম'হ চৰোৱা, চাকৰিঅথ বাব্যৱসায় ক্ষেত্ৰতো এটা মূহুৰ্ত্ততে হিন্দু নে মুছলমান ভাৱ পোষণ নকৰালৈ লক্ষ্য কৰি চিৰদিন চিৰকাল এই ভাতৃস্নেহ ঐক্য সম্প্ৰীতি অটুত থকাৰ শুভকামনাৰে সামৰিছো। শেষত এটি বিহু কলিৰে ........

"বিহুটি ঐ
জাতিটোক শাক ভাত খুৱাবা
ঐ মৰমৰ দীঘ দি হেঁপাহৰ আঁচুৰে একতাৰ গামোছা
বোৱাবা।

*লেখক ঃ টেক্সি আলি. শিৱসাগৰ*

*ভ্ৰাম্যভাষ ঃ-৯৯৫৪৩০১৪৬২*






# অসমৰ লোক কলা আৰু পথৰুৱা সংস্কৃতি

শিৱপ্ৰসাদ গগৈ

" Culture is that complex whole which includes knowledge, belief, art, law, morals, customs and any other capabilities and habits acquired by man as a member of society." - E. B. Tailor



আদিম মানুহৰ ভাৱনাৰ পৃথিৱীখন - চহালোক - লোক সমাজত চলন্তি হৈ থকা লোক-বিশ্বাস, লোক-পৰম্পৰা আৰু লোক-কলা-সাহিত্যৰ মাজেদি মন কৰিলে আজিও আমি ৰিণিকি-ৰিণিকি দেখিবলৈ শুনিবলৈ পাওহঁক। লোক-সংস্কৃতিৰ বুকুত চহালোকৰ মুকলি মনটোৰ প্ৰাচুৰ্য দেখিলে ভাৱ হয় তেওঁলোকে জন্মৰ পৰা মৃত্যু পৰ্যন্ত জৈৱিক আৰু মানসিক সকলো ধৰণৰ আৰ্হি-আদৰ্শ পৰিগ্ৰহণ কৰিছিল প্ৰকৃতি ৰাজ্যৰ

পৰা। আন কথাত, প্ৰকৃতিৰ উন্মুক্ত ৰাজ্যখন আছিল আদিম লোক জীৱনৰ একমাত্ৰ নিৰ্ভৰশীল আশ্ৰয়। জীৱন ধাৰণৰ আশ্ৰয়, জীৱন ধাৰণৰ অভিজ্ঞতা আৰু সৰ্বোপৰি মানৱ জাতিৰ জীৱনৰ সাৰ্বজনিক সংস্কৃতিৰ উৎস আছিল প্ৰকৃতি।

বহু কাৰণত আমি নেভাবোৱে যে মানৱ-সংস্কৃতিৰ বিষয়ে অতি শৃংখলিত আৰু পৰিপাটিকৈ গ্ৰহণযোগ্য অভিমত আৰু বিশ্লেষণ আগবঢ়াইছে নৃবিজ্ঞানীসকলে। নৃবিজ্ঞানীসকলৰ সংস্কৃতিৰ বিষয়ে বিশ্লেষণ এনেকৈয়ে আৰম্ভ হৈছে যে- আদিম অৱস্থাত মানুহে এই পৃথিৱীত বিচৰণ কৰোতে আন আন জীৱ-জন্তুৰ দৰেই জীৱন ধাৰণৰ বাবে খাদ্য সংগ্ৰহৰ যুঁজখনত প্ৰকৃতিজাত নিজৰ হাত-ভৰি, নখ-দাঁত আদিহে ব্যৱহাৰ কৰিব জানিছিল। কিন্তু যেতিয়াৰে পৰা খাদ্যৰ নাটনিৰ সমস্যাই দেখা দিলে তেতিয়াৰে পৰা তেওঁলোকে আন সা-সৰঞ্জাম আৰু বুদ্ধি-কৌশলৰ সহায়লৈ জীয়াই থাকিবৰ বাবে নতুন পদ্ধতিৰে সংগ্ৰাম আৰম্ভ কৰিলে। কালৰ সোঁতত এনেকৈয়ে মানৱ-জাতিৰ মাজত জীৱন সংগ্ৰামৰ সংস্কৃতিৰ উন্মেষ ঘটিল।

মানৱ কুলৰ মৌলিক সমস্যা প্ৰধানকৈ দুটা- খাদ্য আৰু আশ্ৰয়। আদিম মানুহৰ এই দুয়োটা প্ৰধান সমস্যা সমাধানৰ একমাত্ৰ উৎস আছিল প্ৰকৃতিৰ। প্ৰকৃতিৰ আকৌ বিস্ময় এইয়ে যে এই প্ৰকৃতিৰ স্বৰূপ কেতিয়াবা মাতৃৰ দৰে মমতাময়ী আকৌ কেতিয়াবা দুৰ্দমনীয় অলৌকিক নিষ্ঠুৰ আৰু সংহাৰিণীৰ দৰে মহিমাময়ী। এই দুয়োটা বিপৰীতমুখী স্বাভাৱিক ৰূপৰ দয়া মমতা বিচাৰি আদিম মানুহে প্ৰকৃতিক সন্তুষ্ট কৰিবলৈ নানা উপায়েৰে পূজা অৰ্চনাৰ লগতে নৃত্য-গীত-বাদ্যৰো সহায় লৈছিল। প্ৰকৃতিদেৱীক সন্তুষ্ট কৰিব পাৰিলেই তেওঁলোকৰ সন্মুখত দেখা দিয়া সকলো সমস্যা প্ৰকৃতিয়ে মহিমাময়ী-মমতাময়ী ৰূপত দয়াশীলা হৈ সমাধান কৰিব-এনে বিশ্বাসকে সংস্কৃতিৰ আলোচনাত আমি লোকবিশ্বাস-লোক-ধৰ্ম আদিকৈ



বিশ্লেষণ কৰি দেখুৱাওঁ।

অসমীয়া মানুহৰ লোক-মনটোৰ এফাল ছবি আছে পথাৰৰ সপোনে। পথাৰৰ কথা নভবাকৈ একালত অসমৰ মানুহে জীয়াই থকাৰ উপায়-বুদ্ধিৰ কথা ভাবিবই নোৱাৰিছিল। অসমৰ মানুহে আজিও গাঁৱৰ পথৰুৱা জীৱন এৰি চহৰীয়া জীৱনক হৃদয়ৰ আকুলতাৰে গ্ৰহণ কৰিব পৰা নাই। জীৱন-জীৱিকাৰ তাড়নাত তথা সতি-সন্ততি আৰু পৰিয়ালৰ সুৰক্ষিত ভৱিষ্যতৰ তাগিদাত অসমৰ মানুহ নানা কাৰণত নগৰ-চহৰত অথবা পৰবাসত থাকিবলগীয়া হ'লেও, আজিৰ আদহীয়া চাম মানুহ যিসকলে জীৱনৰ আদিপাঠ গাঁৱৰ পথাৰ-সমাৰত লাভ কৰাৰ সৌভাগ্য ঘটিছিল তেওঁলোকৰ আকলুৱা মনটোৱে শয়নে-সপোনে গাঁৱত থকা আপোন পথাৰখনলৈকে অনবৰতে ধিয়াই থাকে। ওপজিয়ে দেখা সেউজীয়া গছে-বনে ভৰা শুৱনি গাঁওখনিৰ শৈশৱ কৈশোৰ কালৰ জকমকীয়া পাখি-লাহি মায়াময় মধুৰ স্মৃতিয়ে উদ্বাউল নকৰা পৰবাসী অসমীয়া মানুহ নাই। পথাৰ-অসমৰ মানুহৰ, অসমীয়া মানুহৰ হৃদয় জুৰুৱা আশ্ৰয়। সাতামপুৰুষীয়া পথাৰৰ আকুল আহ্বানত আজিও পৰবাসী অসমৰ মানুহে উধাতু খাই গাঁৱৰ ঘৰলৈ দৌৰি অহাদি আহিবলৈ তৎ হেৰুৱাই নহয়নো কিছু ওপজিয়ে বোকাপানী খচকি ডাঙৰ দীঘল হোৱা সেই সপোনৰ পথাৰখনত ৰিঙিয়াই পোৱা সুখকণ পৃথিৱীৰ আন ক'তো বিচাৰি পাবলৈ নাই। পথাৰ অসমৰ মানুহৰ, অসমীয়াৰ জীৱন দায়িনী মাতৃ।

কুৰি শতিকাৰ প্ৰথম দুটামান দশকৰ আৰম্ভণি পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ দয়োপাৰে থকা গাঁও-ভূঁইবোৰত প্ৰাচীন কালৰে পৰা চলি অহাৰ দৰে অসমৰ গঞা মানুহৰ সামাজিক জীৱনৰ ৰীতি-নীতি, সাজোন-কাচোন, খাৱন-বোৱন, ঘৰ-দুৱাৰ, খেতি-পথাৰ, আচাৰ-বিচাৰ, লোক পৰম্পৰা, লোক-বিশ্বাস, লোক কলা, গীত-মাত উৎসৱ-পাৰ্বন আদি একে ধাৰাতে চলন্তি হৈ আছিল পাশ্চাত্যৰ উন্মেষ ঘটা আধুনিক যুগৰ বেহ-ৰূপ, বেপাৰ



বাণিজ্যৰ লগতে কৃত্ৰিমতা আহি প্ৰধান নগৰ কেইখনত ভুমুকি মাৰিছিলহি যদিও গাঁওপৰীয়া মানুহৰ জীৱন-চৰ্যালৈ সেইবোৰ বেহানিৰ তেতিয়াও আগমন ঘটা নাছিল। বাট-পথ নথকা দুৰ্গম গাঁৱলীয়া মানুহৰ জীৱন আছিল সহজ সৰল। সুখ-দুখ, হাঁহি-কান্দোন, জীৱন জোৰা আশা-ভৰষা তেতিয়াও আছিল-জন্ম-মৃত্যুৰ সম্পৃক্ত অথাই সাগৰ। অসমৰ চহালোকৰ স্বাভাৱিক জীৱনৰ কামনা-বাসনা, হা-হুতাসবোৰৰ প্ৰকৃতিৰ লগত সেই কালতো আছিল নিবিড় সম্পৰ্ক। কিন্তু প্ৰথম বিশ্বযুদ্ধৰ লগে লগে অসমৰ মানুহৰো সামাজিক জীৱনলৈ নামি আহিল নতুন যুগৰ অপ্ৰতিৰোধ্য আধুনিকতাৰ যান্ত্ৰিক প্ৰভাৱ।

প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে অসমৰ মানুহে প্ৰথম বাৰলৈ প্ৰত্যক্ষ কৰিলে যুদ্ধৰ দামামা কটিয়াই ফুৰা আকাশীজাহাজ। তেওঁলোকৰ দুচকুৰে দেখা অবিশ্বাস্য আকাশীজাহাজৰ দৃশ্যই অসমৰ পাহাৰে-ভৈয়ামে বসবাস কৰা নিৰক্ষৰ মানুহৰ ভাৱনাৰ জগতখনক আধুনিক যুগৰ যান্ত্ৰিকতাই আহি খৌকি-বাথৌ লগাই গ'লহি। ইয়াৰো আগে পাছে স্থলভাগত ৰে'ল আলিয়েদি চলাচল কৰা ভাপ-ইঞ্জিন, জলভাগত চলা সৰু বৰ জাহাজবোৰ আৰু ধূলি উৰুৱাই গমনা গমন কৰা মটৰ গাড়ীবোৰৰ দৃশ্যই অসমৰ মানুহক আধুনিক যুগটোৰ লগত মুখামুখি কৰাই দিছিল। কৌটি-কালৰে পৰা চলি অহা অসমৰ মানুহৰ সহজ সৰল জীৱনৰ চিন্তা ভাৱনা উলট-পালত হৈ গ'ল। প্ৰকৃতিৰ বুকুত আশ্ৰিত হৈ জীৱন ধাৰণ কৰা অসমৰ মানুহৰ লোকমনটোৰ ওপৰত নভবা-নিচিন্তকৈয়ে দেখা দিলেহি আধুনিক যুগৰ অপ্ৰতিৰোধ্য যান্ত্ৰিকতাই।

ইয়াৰ আগলৈকে অসমৰ লোক সমাজখন বৰ্তি আছিল পথাৰৰ সংস্কৃতিৰ বুকুত। পথৰুৱা নাঙলৰ সংস্কৃতিয়েই আছিল অসমৰ চহা মানুহৰ সুখ-সমৃদ্ধিৰ জীৱন। পথাৰ, নৈ-জানজুৰি আৰু খাল-বিলৰ বুকুত উভৈনদী হৈ থকা "শস্যে মৎস্যে অনুপম" অসমৰ গাঁৱৰ



জীৱনত প্ৰকৃতিৰে সম্পৰ্ক আছিল অতি নিবিড়।

অতীজৰে পৰা পথাৰৰ মোহনীয় ৰূপ-সৌন্দৰ্যই অসমৰ মানুহৰ জীৱনটোৰ এফাল আজিও আগুৰি আছে। বাৰিষা কালি পথাৰখনৰ বুকুত অসমৰ গঞালোকৰ সমগ্ৰজীৱনজুৰি চলে জীয়াই থকাৰ সৰল সংগ্ৰাম, এই পথাৰখনৰ চৌদিশে থকা প্ৰকৃতিখনে অসমৰ মানুহৰ মনটোও আগুৰি আছে। প্ৰকৃতি আৰু মানুহৰ মধুৰ সম্পৰ্কৰ ছবিখন বিহুনাম আৰু বনঘোষাবোৰত নান্দনিক ৰূপত কেনেকৈ প্ৰকাশ হৈছে অকণমান গমি চালেই উমান পাব পাৰি। তাৰে দুটামান উল্লেখ কৰণ হ'ল।

নিম তিতামান তিতা নাই /খেৰেজু ঐ পকা নাই/ ঢোলৰে ঐ শুনা নাই মাত/ নৈপানী ঐ বঢ়া নাই/নাহৰ ফুল ঐ ফুলা নাই /বিহু বিহু লগা নাই গাত।

হাললৈ লেখিলে মোকে ঐ লগৰী /কোৰলৈ লেখিলে মোক/চাৰি আঙুলি কপালত বিধাতাই লেখিলে, ক'ত্ৰে নিমিলালে সুখ।

শালি ধানৰ মৰণা মাৰি ঐ থাকোতে কঠিয়াৰ নললো সঁচ,
উজনি নামনি সবদত ঘূৰিলো টোলোঠাৰ নেপালো গছ।

পথাৰৰ মাজতে পানী চলু চলু জাকৈকে এখোৱা বাওঁ,
পাওঁৰে কি নেপাওঁৰে তেৰে ডৰিকণা মনটিকে পতিয়াই যাওঁ।

উলতি নেচাবি মোকে ঐ লাহৰী পালোহি ঐ নেচাবি মোক,
পানী অনা ঘাটতে পিচলি পৰিবি মোৰ গাত নিদিবি দোষ।

কলৈ যাব কলীয়া গধূলি বেলিকা মাৰক নোবেল আই,
অত গৰু-ম'হ হেদাঙি মেলিলি কাৰেনো বাতৰি পায়।

এইবোৰ ছন্দিত আৰু সুৰীয়া নাম-শিল্পপ্ৰাণৰ গৰাকী চহা সমাজৰ নিৰক্ষৰ ডেকা গাভৰু। তেওঁলোকৰ

মনোজগতখনৰ সুগন্ধি ইয়াত নিবিড়ভাৱে সংপৃক্ত হৈ আছে।

বিহুনাম অথবা বনঘোষাবোৰত চহা অসমীয়া ডেকা-গাভৰুৰ যৌৱনৰ উচ্ছ্বাস আৰু আৱেগৰ মুকলি প্ৰকাশ। দেশ আৰু জাতিৰ সুথিল কালতহে লোক-কলা সংস্কৃতিৰ পথাৰখন জিকমিকাই থাকে। আজিৰ দিনত মানুহৰ সামাজিক জীৱন নানা কাৰণত অসন্তোষ-অশান্তিৰে ভৰা। তাহানি দিনৰ কৃষিজীৱি সমাজখনৰ চিনমোকাম সাম্প্ৰতিক সময়ত ক'তো বিচাৰি পাবলৈ নাই। অভাৱ-অনাটনত জুৰুলা হোৱা গাঁৱৰ নিমাখিত মানুহে আজিও দেশত চলি থকা বিয়াগোম দুৰ্নীতি-অন্যায়ৰ কথাৰ একো ভূ-ভা নেপায়। নেজানে। দেশ[...] চলি থকা ৰাজনীতিৰ কুটিল নীতিৰ কথা গএগ্ৰালো[...] শুনিছেনে এইবোৰৰ উৱাদিহ কিন্তু নেপায়। তেওঁলোক[...] নিমাখিত জীৱন আজিও অতীজৰ দৰেই নিষ্পেষিত[...] চ'ত-ব'হাগৰ বিহুৰ বতৰত দেখাক দেখি টানি-আঁজু[...] বছৰেকৰ বিহুটো পালন কৰা দুখীয়া দৰিদ্ৰজনৰ দুচকু[...] বিহু আজি টিভিত দেখা ৰংচঙীয়া বিহুখনতে শে[...] বাস্তৱ জীৱনত সংস্কৃতিৰ সুনন্দন আস্বাদ প্ৰকৃতিৰ বুকু[...] আজি আৰু পাবলৈ নাই। সেউজীয়া দেশত, পথাৰ[...] সোণতলীত ৰঙালী বিহুৰ আনন্দ আজি ছয়া-ম[...] সপোনৰ ছবি।


*লেখকৰ ঠিক[...]*
*বালিগাওঁ, ঢকুৱাখ[...]*

০০০০০



# সাতবিহুৰ প্ৰাসংগিক চিন্তা

ভৰত সন্দিকৈ



বিহু বুলিলেই অসমীয়া মানুহৰ গা সাতখন-আঠখন হয়। তাতে যদি চ'তৰ ৰঙালী বিহুটি হয়, তেতিয়াতো কথাই নাই। চ'তৰ ৰঙালী বিহু বুলি এই কাৰণেই কৈছোঁ যে তাহানিতে আমাৰ বোপা-ককাসকলে ব'হাগৰ বিহু বুলি কোৱাতকৈ চ'তৰ বিহু বুলি কৈহে সন্তোষ লভিছিল। 'চ'তৰ বিহুলৈ ছমাহ বাকী', 'সাত ভাই যাৰ, চ'তৰ বিহু তাৰ' আদি প্ৰবচনবোৰেই তাৰ উমান দিয়ে বুলি তীৰ্থ ফুকনে তেখেতৰ এটি লেখাত উল্লেখ কৰিছে। তেতিয়াতে বিহুৰ নামকৰণো কৰিছিল এনেদৰে — 'চ'ত বিহু, ৰাতি বিহু, গৰু বিহু, চেনেহী বিহু, কুটুম বিহু, মেলা বিহু আৰু চেৰা বিহু। ('বিহু আকৌ আহিল — হেম বুঢ়াগোহাঞি)। আনহাতেদি ড০ লীলা গগৈৰ

কথাটো কিছু সুকীয়া। তেখেতে 'অসমৰ সংস্কৃতি' নামৰ পুথিত সাতবিহুৰ নাম এনেদৰে দিছে — গৰু বিহু, মানুহ বিহু, হাট বিহু, চেনেহী বিহু, মাইকী বিহু, বঙালী বিহু আৰু চেৰা বিহু। অৱশ্যে কোনো কোনো অঞ্চলত এই নামকেইটাৰ কিছু ইফাল-সিফাল হোৱা দেখা যায়। বহুলোকে চেনেহী বিহুক মানুহ বিহু, মেলা বিহুক হাট বিহু, কুটুম বিহুক গোঁসাই বিহু আৰু চেৰা বিহুক এৰা বিহু বুলিও কয়। স্থান কাল পাত্ৰ অনুযায়ী এনে ভিন্নতা থকাতো স্বাভাৱিক কথা।

**চ'তৰ বিহু ঃ** তাহানিতে চ'ত মাহ পৰাৰ লগে লগেই গাঁওবোৰত বিহুৰ উখল-মাখল লাগেই। ডেকা-বুঢ়া সকলোৰে গা সাতখন আঠখন হয়। আৰম্ভ হয় ঢোলৰ গুমগুমনি। আৰম্ভ হয় বিহুনামৰ আখৰা, বিহুনাচ আৰু ঢোল-পেঁপা-গগণা বজোৱাৰ আখৰা। পেঁপাৰ টিহিটি টিহিটি মাতৰ দৰেই জীয়াৰী-বোৱাৰী শিপিনীসকলৰ মাকোৰ খিটখিটনিও খৰ হ'বলৈ ধৰে যাতে শালখন বিহুছেৱা নহয়। বিহুছেৱা তাঁতৰ শাল অকাজী শিপিনীৰ প্ৰতীক বুলি ভৱা হয়। তদুপৰি তেনে কাপোৰ পিন্ধিলে বা গাত ল'লে আয়ুস টুটে বুলি সমাজত পাৰম্পৰিক বিশ্বাস প্ৰচলিত হৈ আছে। সেয়া যি কি নহওক, চিৰা-সান্দহ খুন্দা ঢেঁকীৰ গিৰগিৰ নিত গাঁৱে-গাঁৱে আহি পৰে বিহুৰ ৰজনজন। বিহুৰ দিনকেইটাৰ বাবে খৰি কাঠ যোগাৰ কৰাৰ উপৰিও মানুহে ন-কাপোৰ লোৱাৰ দৰে গৰু কেইটাৰ বাবে নতুন পঘা বাতিবলৈ নৈৰ কাণৰ তৰাণীৰ পৰা তৰা চিৰি আনে চ'ত মাহতেই। আনহাতেদি, চ'তৰ দিন পৰাৰ লগে লগেই কড়ি খেলবো আৰম্ভ হয় গাঁওবোৰত। বিহুনামতো গায় —

'ন-পানী বঢ়া নাই নাহৰ ফুল ফুলা নাই
বিহু বিহু লগা নাই গাত।
গাঁৱৰ ডেকা ল'ৰাই
কড়িখেল পতা নাই
ঢোল-পেঁপাৰ শুনা নাই মাত।'

চ'তৰ বিহুৰ সংস্কৃতি বিলোপ হোৱা বহু বছৰে
হ'ল। তাৰ লগে লগে কড়িখেলৰ পৰম্পৰাও নাইকিয়া
হৈছে। উঠি অহা প্ৰজন্মক কড়িখেলৰ কথা সুধিলে এনে
উত্তৰেই দিব নোৱাৰিব। ভাষা, কৃষ্টি-সংস্কৃতি প্ৰবাহমান
নদীৰ দৰে। ই যেনিয়েই কোমল পায়, তেনিয়েই গতি
পথ তৈয়াৰ কৰি লয়। গতিকে পৰম্পৰা বুলি বোমক
কৰাৰ বাদে কথাবোৰ ধূসৰ হৈ পৰিছে।

**ৰাতি বিহু ঃ** চ'তৰ বিহুৰ লগে লগেই আৰম্ভ হয় ডেকা
গাভৰুৰ ৰাতি বিহু। ৰঙালী বিহুৰ উৰুকাৰ ৰাতিলৈকে
তাহানিতে এই ৰাতি বিহু পাতিছিল বুলি জনা যায়
ৰাতিবিহুৰ বিষয়ে ভিন্ন জনে ভিন্ন মন্তব্য দিয়া দেখা যায়
ডেকা-গাভৰুসকলে ৰাতি গছৰ তলত বা মুকলি পথাৰত
বিহু মাৰিবলৈ যোৱাটো বা বিহুৰ আখৰা কৰাটো বহুতে
শালীনতাহীন কাৰ্য বুলি মন্তব্য নিদিয়াকৈয়ো থকা
নাছিল। কিন্তু প্ৰণিধানযোগ্য যে সেই সময়ৰ ডেকা
গাভৰুসকলৰ ৰাতি বিহু অনুষ্ঠিত হৈছিল মুকলি স্থানত
— গছ তলেই বা পথাৰেই হওক। বিহুনামৰ মাজেৰে
প্ৰকাশ কৰিছিল মনৰ কথা। গাইছিল, নাচিছিল আৰু
আনন্দ কৰিছিল। কোনোবাজনীয়ে হয়তো মনে বিচৰা
ডেকালৈ পলাইয়ো গৈছিল। কিন্তু তাত নাছিল ব্যভিচাৰ
বা অনাচাৰ। সাম্প্ৰতিক কালৰ প্ৰদৰ্শনকামীতা তথা ক্লাব
সৰ্বস্ব মুখা পিন্ধা অভিজাত আৰু তথাকথিত সভ্য সমাজ
ব্যৱস্থাৰ কলীয়া ডাৱৰ লেখমানো তাত নাছিল।

**গৰু বিহু ঃ** চ'ত আৰু ব'হাগৰ দোমাহীৰ দিনাই গৰু
বিহু অনুষ্ঠিত হয়। ৰাতিপুৱাই গোহালিৰ পৰা গৰুবোৰ
দীঘলতি, মাখিয়তী আদি সৰু সৰু গছৰ ডালেৰে কোবাই
কোবাই পানী থকা পথাৰলৈ নিয়া হয়। উল্লেখ্য যে
এতিয়াৰ পৰা তিনি কুৰি বছৰমানৰ আগলৈকে অসমৰ
জলবায়ু আজিৰ দৰে নাছিল। সেই সময়ত উৰুকাৰ দিন
নিশা ধাৰাষাৰ বৰষুণ হৈছিল আৰু পিছদিনা পথাৰবোৰ
পানীৰে উপচি পৰিছিল। সেইবাবে উৰুকাৰ দিন
বহুলোকে ঢৌতে খৰ মাৰি ফটনুৱা ফাটি থকা পথাৰৰ সৰু সৰু আলিত ঠুহা-খোকা পাতি থৈ পিছদিনা ফাওঁতে মাছ এসাজো যোগাৰ কৰি লৈছিল। যি কি নহওক, গা ধোৱাবলৈ গৰুবোৰ পথাৰলৈ নিওঁতেই এখন ডলাত আগলি কলপাত পাৰি আগদিনাই যতনাই থোৱা কেৰেলা, বেঙেনা ইত্যাদিৰ চাটবোৰো লৈ যোৱা হয় আৰু গৰু গা ধোওৱাৰ পিছত তাৰ টুকুৰাবোৰ গৰুৰ গালৈ মাৰি গোৱা হয় —

লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু, বাপেৰে সৰু, তই হবি বৰ গৰু।

সেইদিনা পুৱা পথাৰলৈ গৰুবোৰ নিওঁতে আটাইতকৈ বয়সীয়াল গৰুটোৰ ডিঙিত এডাল পঘা নুৰিয়াই দিয়া হয় আৰু গা ধোৱাই শেষ হোৱাৰ পিছত সেই পঘাডাল খুলি চাৰিঠেঙৰ তলেদি পেলাই দি বছৰটো বিদায় দিয়া হয়। সেইদিনা গোহালিটো আন দিনাতকৈ পৰিস্কাৰ কৰা হয় আৰু গধূলিলৈ গৰুবোৰক নতুন পঘা দিয়া হয়। তদুপৰি গৰুবোৰক পিঠা খাবলৈ দিয়া হয়। গোহালিৰ দাঁতিত জাগ দিয়া হয়। বহুতে পিছদিনা গৰুবোৰক ফোঁটো দিয়ে। সেইদিনা আচলতে কেৱল গৰু বুলিয়েই নহয়, ঘৰচীয়া সকলোবোৰ জীৱ-জন্তুৰ প্ৰতিয়েই তেনে আচৰণ আৰু সন্মান প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে, কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষতেই গো-পূজা অনুষ্ঠিত কৰাৰ নিয়ম প্ৰচলিত হৈ আছে। গৰু বিহুৰ দিনাৰে পৰা কণীযুঁজৰো পাতনি মেলা হয়। বিহুনামবোৰতো কণীযুঁজৰ কথা কৈছে —

'এইবেলি বিহুখন ৰমকে জমকে
চেনাইলৈ সাঁচিছো কণী
গোন্ধতেল এবটল আনিবা চেনাই ঐ
ম'হৰ শিঙৰ আনিবা ফণী।'

বহুতে সেইদিনা এশ এবিধ শাকেৰে আঞ্জা ৰান্ধি খায়। তদুপৰি তিতা পাচলিও ৰান্ধে। বহু সম্প্ৰদায়ৰ লোকে আমৰলি পৰুৱাৰ টোপো সংগ্ৰহ কৰি খায়।

গৰু-ম'হেৰে আজিকালি খেতি-খোলা কৰিবলৈকে এৰিছে বুলিব পাৰি। ইয়াৰ বহুত কাৰণ আছে। ফলত গাঁওবোৰত গৰু-ম'হৰ সংখ্যা কমি গৈছে। তাহানি দিনত তিনি কোঠলীয়া গোহালিত এগোহালি গৰু-ছাগলী, খুটিত ম'হ, গৰাঁলত হাঁহ-কুকুৰা, বাৰীত তামোল-পাণেৰে একো একোখন নদন-বদন ঘৰ আছিল। ধনী নহ'লেও মানুহবোৰ আছিল চহকী। কিন্তু তাৰ বিপৰীতে আজিকালিৰ মানুহবোৰৰ ঘৰত সেইবোৰ পাবলৈ নাইকিয়া হ'ল। বহুত মানুহ ধনী হ'ল সঁচা, কিন্তু তিলমানো চহকী হ'ব নোৱাৰিলে। গতিকেই গৰুৰ গা ধোৱাবৰ দিনা পথাৰত আগৰ দৰে গৰু দেখিবলৈ পোৱা নাযায়। তদুপৰি নিজে হাঁহ কুকুৰা পুহিবলৈ এৰি দিয়াৰ ফলত কণী যুঁজাবৰ বাবে বজাৰৰ আমদানীকৃত কণীৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। এশ এবিধ শাক বা আমৰলি টোপো সহজলভ্য নহয়।

**চেনেহী বিহু ঃ** গৰু বিহুৰ পিছৰ দিনা, অৰ্থাৎ ব'হাগ মাহৰ আৰম্ভণিৰ দিনটোৱেই হ'ল চেনেহী বিহু। বহুতে সেই দিনটোক মানুহ বিহু বুলিও কয়। সেইদিনা সকলোৱে নতুন বস্ত্ৰ পৰিধান কৰে। কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা-সৎকাৰ কৰি আশীৰ্বাদ বিচাৰে। জ্যেষ্ঠজনে কনিষ্ঠজনক মৰম-চেনেহ যঁচাৰ লগতে আগন্তুক বছৰটো কুশলে থাকিবলৈ আশীৰ্বাদ দিয়ে। জীয়াৰী-বোৱাৰীসকলে বয়স নিৰ্বিশেষে ঘৰখনৰ প্ৰতিজন পুৰুষকে একোখনিকৈ ফুলাম বিহুৱান উপহাৰ দিয়ে। দৰাচলতে সেইদিনা পৰিয়ালৰ সকলোৰে মাজত পাৰস্পৰিক চেনেহা-চেনেহীয়ে মূৰ্ত প্ৰকাশ লাভ কৰে। সেইবাবেই হয়তো সেইদিনাৰ বিহুক চেনেহী বিহু বোলা হয়। প্ৰয়াত হেম বুঢ়াগোহাঞিয়ে চেনেহী বিহুৰ অৰ্থ ভাঙিছে এনেদৰে — "প্ৰকৃতিদেৱী বা বন দেৱীক

টাইসকলে চেংনাং বুলি কয়। ইয়াৰ অৰ্থ (চেং = পৱিত্ৰ, নাং = ৰাণী) পৱিত্ৰ প্ৰকৃতিদেৱী বা বনদেৱী। বনদেৱীৰ তুষ্টিৰ বাবে গোৱা গীত চেংনাঙ গীতৰ পৰাই আধুনিক অসমীয়া গীতত ব্যৱহৃত চেনাই শব্দ প্ৰয়োগ হৈছে। আচলতে চেনাই শব্দৰ অৰ্থ হ'ল মৰমৰ লোক। চেনাই শব্দই স্ত্ৰী, পুৰুষ উভয়কে বুজায়; তাকে যেনিবা স্ত্ৰী ৰূপ দি চেনেহী শব্দ প্ৰচলন কৰা হ'ল। এই মৰমৰ বিহু বা চেনেহী বিহু প্ৰকৃততে গাভৰুসকলে দ্বিতীয়দিনা আয়োজন কৰা বড়তলৰ বিহু।"

চেনেহী বিহুৰ দিনাই বহু পৰিয়ালে পূৰ্বপুৰুষৰ তৰ্পণ অনুষ্ঠান — বছেৰেকীয়া শ্ৰাদ্ধ বা শলিতা লগোৱা বা বিহু খোৱা অনুষ্ঠিত কৰি ভকতক জা-জলপান খুওৱাৰ মাধ্যমেৰে পূৰ্বপুৰুষৰ পৰা আশীৰ্বাদ কামনা কৰে।

**কুটুম বিহু ঃ** কুটুম মানে অতি মৰমৰ সম্বন্ধীয় আপোন মানুহ। ব'হাগ মাহৰ দ্বিতীয় দিনটোৰ বিহুকেই কুটুম বিহু বোলে। সেইদিনা জী-জোঁৱাই আহি শহুৰ-শাহুৰেক বা অন্যান্য জ্যেষ্ঠজনক সেৱা জনাই সন্মান আৰু ভক্তি নিবেদন কৰেহি। শহুৰৰ পৰিয়ালেও জী-জোঁৱাইক আদৰ-সাদৰ কৰি ভালদৰে এসাঁজ খুৱাই আনন্দ কৰে। শহুৰ-শাহুৰ নাথাকিলেও পৰিয়াল অন্যান্য লোকে সেই ভূমিকা পালন কৰে। সেইদিনা মিতিৰ কুটুমৰ ঘৰলৈ অহা-যোৱা কৰি বিহু অনুষ্ঠিত কৰে বাবেই কুটুম বিহু বোলে। গ্ৰাম্য জীৱনৰ স্নেহ, শ্ৰদ্ধা, ভক্তিৰ এনাজৰীডাল তাহানিতে বৰ কটকটীয়া আছিল। পুৰুষেই হওক বা নাৰীয়েই হওক, কনিষ্ঠজনে জ্যেষ্ঠজনক শ্ৰদ্ধা-ভক্তি কৰিবলৈ কৃপণালি নকৰিছিল। তাৰ মাজতো নিৰ্দোষ ধেমালিয়েও কেতিয়াবা স্থান পোৱা দেখা গৈছিল। কেতিয়াবা ওচৰৰ জোঁৱাইয়ে পেঁপা বা বাঁহী বজাই শাহুৰেকক জোকাইও চায় —

'পদূলি মুখতে পেঁপাটি বজালোঁ
শাহুৰে শুনকে বুলি,
শাহুৰে শুনিলে মিচিকিয়াই হাঁহিলে
জোঁৱাই ধেমেলীয়া বুলি।'

আজিকালিৰ ব'হাগৰ দ্বিতীয় দিনাই মিতিৰৰ ঘৰ... ফুৰিবলৈ বা বিহু খাবলৈ যোৱাটো একপ্ৰকাৰ উঠি গৈ... বুলিয়েই ক'ব লাগিব। ন-কৈ বিয়া হোৱা দম্পতিয়ে... সপ্তাহ-দহ দিনৰ পিছতহে শহুৰ-শাহুৰৰ ঘৰলৈ ফুৰিবলৈ... যায়। পুৰণি হ'লেতো কথাই নাই। বিশ্বব্যাপী যো... যোগাযোগ তথা যাতায়তৰ সা-সুবিধাই সম... পৃথিৱীখনকে এখন সৰু গাঁৱলৈ ৰূপান্তৰিত কৰিছে... গতিকে পৃথিৱীৰ ক'ত কি ঘটিছে তাৰ ডাঁৱৰ বাৰ্ত... ডাঁৱে পাব পৰা হ'ল। কাজেই মানুহবোৰ হৈ পৰি... সাংঘাতিক ধৰণে ব্যক্তিকেন্দ্ৰিক আৰু অৱসৰপ্ৰি... ব্যক্তিকেন্দ্ৰিক সমাজব্যৱস্থাই মানুহৰ বুকুৰ পৰা প্ৰেম আ... অনুৰাগবোৰো আঁতৰাই নিব ধৰিছে। কাজেই কুটুম বি... নামটোহে আছেগৈ।

**মেলাবিহু ঃ** মেলাবিহুক বহুতে হাট বিহুও বোলে... ব'হাগৰ তৃতীয় দিনটোতেই মেলা বিহু অনুষ্ঠিত হয়... সেইদিনা গাঁৱৰ ইঘৰে-সিঘৰে অহা-যোৱা কৰে। জ... জলপান, পিঠাপনা খাই ৰং-তামাচা কৰা হয়। তদুপৰি... বন্ধু-বান্ধৱ বা চকুৰ চিনাকি লোকৰ ঘৰলৈয়ো যো... হয় আৰু বিহুৰ সাদৰ-সম্ভাষণ জনোৱা হয়। উল্লেখ্য যে... তাহানিতে বিহুত কাকো নিমন্ত্ৰণ জনোৱা নহৈছিল... আপোন ইচ্ছাৰেই সকলোৱে আনৰ ঘৰলৈ ফুৰিবলৈ... গৈছিল। তেনেদৰে গ'লেও আদৰ-সাদৰৰ কিন্তু তাৰত... ঘটা নাছিল।

সাম্প্ৰতিক কালত কিন্তু তেনে পৰম্পৰা প্ৰা... অচল হৈ পৰিছে। এক মেখেলাৰ ককাই-ভাইয়ে... কেতিয়াবা বিহুত এজনে আনজনক নিমন্ত্ৰ... কৰিবলগীয়া হৈছেগৈ। সময়ৰ দ্ৰুত পৰিৱৰ্তনত মানু... ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে! ফলত সমাজৰ পৰা মানৱ... আৰু ভাতৃত্ববোধৰ অনুভূতিবোৰো হেৰাই গৈছে। জীৱ... ধাৰণৰ বাবে তুমুল সংগ্ৰামত অৱতীৰ্ণ হ'বলগীয়া হোৱা... বাবে মানুহৰ অৱশ্যে সময়ৰো অভাৱ নোহোৱাকৈ থকা নাই।

**চেৰা বিহু ঃ** চ'ত মাহ সোমোৱাৰে পৰা বিহুৰ নামত ডেকা-গাভৰুসকলকে আদি কৰি সকলো লোকেই শাৰীৰিক আৰু মানসিক দুয়োফালেই ব্যস্ত হৈ পৰে। খৰি-কাঠ গোটোৱা, ধান বানি চাউল-পাত যোগাৰ কৰা, জা-জলপান খুন্দা, তাঁত-সুঁত বোৱা, হাঁহ-কুকুৰা, গৰু-ছাগলী প্ৰতিপাল কৰা, ঘৰ-দুৱাৰ চাফ-চিকুণ কৰা এশ এবুৰি কামত লাগিবলগীয়া হয়। তাৰ উপৰি ছেগ বুজি কড়ি এচাল খেলিবলৈ যোৱা, বিহুৰ আখৰাত পাক এটা — আদিও আছেই। আকৌ উৰুকাৰ দিনৰে পৰা আলহী-অতিথিক আপ্যায়ন কৰাকে আদি কৰি বিহুৰ আনন্দ, ৰং-ৰহইচ কৰাত পৰিয়ালৰ প্ৰতিজন লোকেই ব্যস্ত হৈ পৰে। বহুতে হুঁচৰিতো অংশগ্ৰহণ কৰিবলৈ যায়। এনেদৰেই কেইবাদিনো অতিক্ৰম কৰাৰ পিছত ডেকা-গাভৰু বা পৰিয়ালৰ আন আন লোকসকল অৱশ হৈ পৰেগৈ। বিহু মাৰিবলৈও মন নোযোৱা হয়। সেই দিনকেইটাকেই চেৰা বিহু বোলে। চেৰা বিহুৰ পিছৰ এটা বিষুৱীয়া দিনত বিহু উৰুওৱা হয়। সাধাৰণতে বিহুৰ সাত বা এঘাৰ দিনত নামঘৰ বা কিছু আঁতৰৰ গছৰ তলত বিহু উৰুওৱা হয়।

যোৱা শতিকাৰ চল্লিছৰ দশকৰ আগলৈকে ঠাই বিশেষে চ'তৰ ৰাতি বিহু অনুষ্ঠিত হৈ আছিল বুলি জনা যায়। কিন্তু গাঁৱত তেতিয়াও হুঁচৰিৰ পৰম্পৰা চলি আছিল। এটা সময়ত বিহুৱা ৰাইজে হুঁচৰিৰ লগতে বিহুও গাবলৈ আৰম্ভ কৰি দিলে। হুঁচৰি আৰু বিহু একেলগে গোৱাৰ পৰম্পৰা এতিয়াও প্ৰচলিত হৈ আছে। ইফালেদি গাভৰুসকলে গছৰ তলত ৰাতিৰ সলনি দিনত বিহু মাৰিবলৈ ধৰিলে। তাকেই স্থানভেদে গছ তলৰ বিহু, গাভৰু বিহু বা জেং বিহু নামেৰে নামাকৰণ কৰিলে। গাভৰুসকলে গোৱা এই গছতলৰ বিহুও উৰুওৱাৰ নিয়ম প্ৰচলিত হৈ আছে।

আলোচনাৰ পৰা দেখা গ'ল যে তাহানিৰে পৰা কেইটামান নিৰ্দিষ্ট দিনতহে ৰঙালী বিহু অনুষ্ঠিত কৰি অহা হৈছে। সেই দিনকেইটাৰ বাদে বিহু মৰা, ঢোল-পেঁপা বজোৱা, বিহু নাম গোৱা আদি কাৰ্যবোৰ কৃষিজীৱী অসমীয়া জনসাধাৰণে অমংগলীয়া কাম বুলি গণ্য কৰিছিল। তেনে কৰিলে প্ৰকৃতি ৰুষ্ট হৈ মাৰি-মৰকেৰে জনসাধাৰণক শাওপাত দিব বুলি ভাবিছিল। তদুপৰি অতিবৃষ্টি অনাবৃষ্টি হৈ কৃষিকাৰ্যত বিঘিনি ঘটিব বুলিও বিশ্বাস কৰিছিল। সেয়েহে ৰোপা-ককাসকলে ৰঙালী বিহুৰ বসতে নাম থৈ মাজ ব'হাগৰে পৰা খেতি-খোলাত নামি পৰিছিল। সময়ৰ শৰ সময়ত মাৰি সুখ-শান্তি, সমৃদ্ধি আৰু আনন্দেৰে জীৱন উপভোগ কৰিব পাৰিছিল।

*লেখক ঃ জীৱন ফুকন নগৰ, চি আৰ বিল্ডিং*
*ডিব্ৰুগড়-৭৮৬০০৩*
*ফোন - ৯৯৫৭১৭৬৯০০*

০০০০০

# লোক উৎসৱ "বাঁহ গোঁসাই"

ড° পইনুৰুদ্দিন আহমদ

অসম এখন বহু জনগোষ্ঠীৰ বাসভূমি। ইয়াৰ নানা বৰণীয়া নানা বহনীয়া কৃষ্টি-সংস্কৃতিয়ে দেশখন জাতিষ্কাৰ কৰি আছে। প্ৰায় প্ৰতিটো জনগোষ্ঠীৰে নিজা নিজা উৎসৱ-পাৰ্বন নানা হৰ্ষোল্লাসেৰে উদযাপিত হয়। সেয়েহে কোৱা হয় বাৰ মাহৰ তেৰ পাৰ্বন। এই উছৱ পালনৰ যোগেদি পাৰস্পৰিক মৰম-প্ৰীতিৰ লগতে ভ্ৰাতৃত্ব বন্ধনো মজবুত হয়।

অসমত দৰাচলতে কিমান সংখ্যক জনগোষ্ঠী আছে তাক সঠিকভাৱে কোৱা টান। তথাপি ছাব্বিছটাতকৈ অধিক জনগোষ্ঠী থকা বুলি কোনো কানো মহলে কোৱা-মেলা কৰা শুনা যায়।

এই জনগোষ্ঠীসমূহৰ ভিতৰত শৰণীয়া কছাৰীসকল অন্যতম। এওঁলোকে বছৰৰ ভিতৰত ভালেকেইটামান উছৱ পালন কৰে। তেওঁলোকে পালন কৰা এটা প্ৰধান উৎসৱ হৈছে "বাঁহ গোঁসাই" উৎসৱ। আমাৰ বাপতি সাহোন ৰঙালী বিহুটি উলহমালহেৰে পালন কৰাৰ সময়তে শৰণীয়া কছাৰীসকলেও বাঁহ গোসাই নামৰ এটি লোক উৎসৱ মহা ধুমধামেৰে পালন কৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে খ্ৰীষ্টাব্দ চতুৰ্থ-সপ্তম শতিকামানৰ পৰা বিভিন্ন কাৰণত যি সকলে নিজস্ব পৰম্পৰাগত ধৰ্ম বা ধৰ্ম মত এৰি হিন্দু ধৰ্ম লৈছিল আৰু ধৰ্মীয় প্ৰচাৰ আৰু পৰম্পৰা গ্ৰহণ কৰিছিল তেওঁলোকেই শৰণীয়া বা শৰণীয়া কছাৰী। অসমতে শৰণীয়া কছাৰীসকলৰ সংখ্যা উলাই কৰিব পৰা বিধৰ নহয়। অসমী আইৰ সন্তান এই শৰণীয়া কছাৰী সকে প্ৰতিবছৰে বহাগ মাহৰ এক তাৰিখৰ পৰা সা তাৰিখলৈকে এই বাঁহ গোঁসাই উৎসৱ ধৰ্মীয় আে আৰু পৰম্পৰা আনন্দ উলাহেৰে এই উৎসৱ যথাবিহি কাৰ্যসূচীৰে উদযাপন কৰে।

অসমৰ অন্যান্য হিন্দু গাঁৱৰ দ শৰণীয়াসকলৰ প্ৰত্যেক গাঁও বা চুকত একোটি নামঘৰ বা গোঁসাই ঘৰ থাকে। চ'তৰ সংক্ৰান্তিৰ দি অৰ্থাৎ গৰু বিহুৰ দিনা গৰুক নদী বা পুখুৰী, খাল-বি আদিত গা ধুৱাই-পখলাই উঠাৰ পিচত বাঁহ গোঁসাই সজাই পৰাই তোলা হয়। বাঁহ গোঁসাইক বন্ধাৰ বা দেউৰী বা পুৰোহিতজনে হাতত চাকি-বন্তি এটি লৈ বঁ এজুপিৰ গুৰিলৈ যায় আৰু ইতিপূৰ্বে নিৰ্ধাৰিত কৰি ব বাঁহজুপিলৈ ভক্তি পূৰ্ণভাৱে নৈবদ্য আগবঢ়ায়। দেউৰী পাচে পাচে ঢোল-তাল বজাই অহা ৰাইজে বাঁহ এডা কাটিবলৈ যায়। এই বাঁহডাল ৯ হাত ৫ আঙুলি জোখ দীঘলকৈ কটা হয়। তাৰপাচত এই নিৰ্দিষ্ট জোখ বাঁহডালকে ধুই-মেলি, চাঁচি-চুচি সমান কৰি লোৱা হয় এনেকৈ চুচি-চৰুকি লোৱাৰ পাচত বাঁহ ডালত এখ বগা কাপোৰ পিন্ধাই দিয়া হয়। এই কাপোৰখন ওপৰতেই ৰুমাল, চোঁৱৰ আদি গাঁঠি দিয়া হয়। বাঁহডাল মূৰত বা একেবাৰে ওপৰত পিতল নাইবা ৰূপৰ এ মুকুট পিন্ধোৱা হয়। ইয়াৰ পাচত তেল-সেন্দুৰ ভালদ সানি ফুলৰ মালা পিন্ধোৱা হয়। এইবিলাক সজো পৰোৱা পৰ্ব শেষ হোৱাৰ পাচত বাঁহ গোঁসাইক গোঁসা ঘৰৰ চাৰিওফালে সাতপাক ঘূৰাই আগত থাপনা পাতি নতুন বছৰৰ ওলগ আৰু শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ইয়াক গোঁসাই থাপনাৰ দিন বোলা হয়।

ইয়াৰ পাছত পিচ দিনা অৰ্থাৎ মানুহ বিহু বা প্ৰথম ব'হাগৰ পৰা পাঁচ ব'হাগলৈ ঢোল-তাল, শংখ-ঘন্টা আদি বজাই গাঁৱৰ প্ৰতিঘৰৰ পদূলিয়ে পদূলিয়ে পৰিভ্ৰমণ কৰা হয়। এনেকৈ পদূলিয়ে পদূলিয়ে ফুৰোঁতে যি ঘৰৰ পদূলিৰ সন্মুখ পায় সেই পৰিয়ালৰ এগৰাকী মহিলাই বটাত ৰুমাল, গামোচা আৰু টকা-পইচাৰে মাননি আগবঢ়ায়। এইখিনি কাম নিজৰ চোতাললৈ ভ্ৰমনকাৰী সকলক মাতি নিও কৰিব পাৰি। কিন্তু এবাৰ চোতাললৈ মাতিলে পৰৱৰ্তী দুবছৰ একেৰাহে মাতিব লাগিব। এয়া পৰম্পৰা। সেই দেখি পৰাপক্ষত চোতাললৈ মাতিনিনি নঙলামুখতে মাননি পৰ্বৰ সমাধা কৰা হয়। যি হক দিনৰ দিনটো এনেকৈ বাঁহ গোঁসাইক গাঁও ফুৰাই সূৰ্যাস্তৰ লগে লগেই ফুৰোৱা সামৰণি মাৰি গোঁসাই ঘৰত বাঁহ গোঁসাইক সভক্তিৰে থোৱা হয়। ব'হাগ মাহৰ ছয় তাৰিখৰ দিনা অসমৰ সমূহ "বাঁহ গোঁসাই" কোনো এক নিৰ্দিষ্ট স্থানত গোট খুৱাই সমূহীয়াভাৱে গোঁসাই উৎসৱ পালন কৰা হয়। ব'হাগৰ সাত তাৰিখে বিহু উৰুৱাৰ নিচিনাকৈ বাঁহ গোঁসাইক গোঁসাই ঘৰত সাত পাক ঘূৰাই বাঁহ ডালৰ পৰা ৰুমাল চোঁৱৰ আদি খুলি পেৰা বা বাকচ আদিত থৈ দিয়া হয় পৰৱৰ্তী বছৰৰ বাবে। সেইদিনা গোঁসাই ঘৰত ছাগলী, পাৰ আদি বলি দিয়া হয় আৰু সকলোৱে মিলি আনন্দ স্ফূৰ্তিৰ মাজেৰে বছৰেকীয়া ৰাজহুৱা ভোজ খোৱা হয়। সেইদিনা আবেলি মাহ-প্ৰসাদ বিতৰণৰ লগে লগেই সাত দিনীয়া বসন্তকালীন উৎসৱটিৰ যৱনিকা পৰে।

এই লোক উৎসৱ সমূহ হৈছে জাতি-জনগোষ্ঠী একোটাৰ প্ৰাণ স্বৰূপ। এনে লোকউৎসৱৰ মাজেদিয়েই একো একোটা জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি-সভ্যতা প্ৰবাহমান হৈ থাকে বোৱতী নৈ নিজৰাৰ দৰে। সাম্প্ৰতিক কালৰ বিশ্বায়নৰ ধুমুহাই যাতে উৰুৱাই নিব নোৱাৰে তাৰ প্ৰতি সকলোলোকে সচেষ্ট হোৱা অতীৱ প্ৰয়োজন।

লিখকৰ ঠিকনা ঃ- সহযোগী অধ্যাপক, কটন কলেজ, গুৱাহাটী।

00000


ৰঙালী বিহু প্ৰেমী ৰাইজলৈ আন্তৰিক শুভেচ্ছাৰে -

## ঢকুৱাখনা মহকুমা ছাত্ৰ সন্থা

শ্বহীদ ভৱন, ঢকুৱাখনা

শ্ৰীদিলীপ কোঁৱৰ
সভাপতি

শ্ৰীটুলটুল ভৰালী
সম্পাদক

ঢকুৱাখনা মহকুমা ছাত্ৰ সন্থা

# সাম্প্ৰতিক প্ৰেক্ষাপটত ৰঙালী বিহু ঃ এক চিন্তন

ড° সুখ বৰুৱা

মানৱীয় প্ৰমূল্যবোধ তথা সামাজিক আচৰণ আদিৰ বহিঃ প্ৰকাশৰেই অন্য এক নামান্তৰ উৎসৱ-অনুষ্ঠানসমূহ। ব্যক্তি তথা সামূহিক আবেগ অনুভূতিবোৰক লোকচক্ষুলৈ উলিয়াই অনাৰ মাধ্যমৰূপে উৎসৱ-অনুষ্ঠানসমূহে প্ৰাধান্য লাভ কৰে। ইংৰাজী 'Festival' শব্দৰ প্ৰতিশব্দৰূপে ইয়াক গ্ৰহণ কৰা হৈছে। প্ৰাচীন কালৰেপৰা সভ্যতাৰ জখলাৰে বিভিন্ন স্তৰত উপনীত হওঁতে প্ৰয়োজনৰ তাগিদাতে মানুহৰ হাতত লালিত-পালিত হৈ আহিছে পূজা-পাৰ্বণ, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আৰু ধৰ্মীয় প্ৰকাৰ্যসমূহ আৰু সময়ৰ পৰশে সিবোৰক পৰম্পৰাৰ মাত্ৰা দান কৰিছে আকৌ কেতিয়াবা সময় সাপেক্ষে পুনৰ্নিমাণো ঘটাইছে। অনস্বীকাৰ্য যে প্ৰকৃতিৰ পৰিৱৰ্তন, ধৰ্ম, মানৱ জীৱনৰ পৰিৱৰ্তিত ঘটনাক্ৰম, কৃষি-জীৱনৰ আনন্দ আৰু সৃষ্টি প্ৰক্ৰিয়াৰ গাত আঁউজিয়েই উৎসৱ-অনুষ্ঠানসমূহে জন্ম আৰু বিকাশ লাভ কৰিছে।

প্ৰকৃতাৰ্থত কবলৈ গ'লে বিশেষ ধৰণৰ তাৎপৰ্যপূৰ্ণ সময়ত অনুষ্ঠিত অনুষ্ঠানৰ পৌনঃপুনিকতাই উৎসৱ। সেয়েহে ঋতুকালীন উৎসৱেই হওক বা ধৰ্মাশ্ৰয়ী উৎসৱেই হওক এটা তাৎপৰ্যপূৰ্ণ সময় বা দিনতহে ই অৱধাৰিত ৰূপত উদযাপিত হয়। বসন্তকাল আগমনৰ লগে লগে প্ৰকৃতি জগতলৈ প্ৰাণ-প্ৰাচুৰ্য নামে, ৰৰষুণ নামে আৰু গছ-লতিকাই শ্যামলী বৰণেৰে

যৌৱনদীপ্ত হৈ উঠে। আৰম্ভ হয় কৃষি কৰ্মৰ বতৰ আ
এই তাৎপৰ্যপূৰ্ণ সন্ধিক্ষণতে উদ্‌যাপিত হয় ব'হাগ বি
বা ৰঙালী বিহু। ৰঙালী বিহুৰ লগত অসমৰ কৃষিক
সম্বন্ধ জন্মাৱধি। কৃষিক কেন্দ্ৰ কৰিয়েই কৃষিজী
সমাজত কৃষি উৎপাদনৰ প্ৰত্যুষতে উদ্‌যাপিত হৈছি
গৰু বিহু। পূৰ্বতে সেয়ে গো-পূজাকে বিহু কোৱা হৈছি
কিন্তু চ'ত আৰু ব'হাগৰ সংক্ৰান্তিৰ দিনা গৰু বিহু
আৰম্ভ হোৱা এই বিহুত নৃত্য-গীত, সুৰ-তাল-লয়ে
হুঁচৰি গোৱাৰ উপৰিও বিবিধ আচাৰ-অনুষ্ঠান পাল
কৰি বং ৰহইছেৰে মানুহে অনাবিল আনন্দত মতলী
হয়। নামকৰণ কৰা হয় ৰঙালী বিহু। বসন্তৰ পৰশত প্ৰা
পাই উঠা নদ-নদী, পৰ্বত-পাহাৰ, গছ-গছনি, তৰু-লত
চৰাই-চিৰিকটি, জল-বৃষ্টিয়ে প্ৰকৃতিয়ে বিনন্দীয়া ৰূ
সলাই সৌন্দৰ্যময়ী হয়। এইদৰে বসন্তৰ পৰশত পূ
যৌৱনা হোৱা পৃথিৱীৰ ওপৰত নাচি-বাগি আদি
মানুহে পৃথিৱী গৰ্ভৱতী হোৱাটো কামনা কৰিছিল আৰ
সেই নৃত্য-গীতৰ উৎসৱটোৱেই কালক্ৰমত যথাক্ৰমে
ব'হাগ বিহু, ৰঙালী বিহু আৰু পিছলৈ অসমীয়াৰ জাতী
উৎসৱ ৰূপে মৰ্যাদা লাভ কৰি অসমৰ চুকে-কোণে
জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অৱধাৰিত ৰূপে উদ্‌যাপিত
হৈ আহিছে।

অসমীয়াৰ জাতীয় উৎসৱ বিহুৱে জাতী
জীৱনৰ আকাশ উজ্বলাই তোলে, নৱ নৱ চিন্তাৰ উন্মে



ঘটায়, নতুন চিন্তা-চেতনাৰে সাঁচিপাতত সৃষ্টিৰ দলিল লিখাত প্ৰেৰণা যোগায়, জাতি সত্তাৰ উত্তৰণ ঘটোৱাত উৎসাহ উদ্দীপনা যোগায়। এনে এটি প্ৰাণৰ উৎসৱ বিহুক সংগীত সূৰ্য ড° ভূপেন হাজৰিকাই যথাৰ্থ ৰূপত ডাঙি ধৰিছে এইদৰে..

*"ব'হাগ মাথো এটি ঋতু নহয়*
*নহয় ব'হাগ এটি মাহ*
*অসমীয়া জাতিৰ ই আয়ুস ৰেখা*
*গণ জীৱনৰ ই সাহ।"*

এনেদৰেই যেন অসমীয়া জাতিৰ আয়ুস ৰেখা স্বৰূপ বিহুটি প্ৰত্যেক অসমীয়াৰ বুকুৰ মাজত কব নোৱাৰাকৈয়ে আত্মাৰ তানেৰে সংপৃক্ত হৈ আছে। বিহুৰ লগত যিমানবোৰ বিশ্বাস, সংস্কাৰ, আচৰণ, নীতি-নিয়ম, ধৰ্মীয় বিশ্বাস, ক্ৰিয়া-কাণ্ড জড়িত হৈ আছে সেই সকলোবোৰৰ লগত কৃষিজীৱি মানুহৰ মনৰ সম্পৰ্ক অতি নিবিড়। কোৱা নিষ্প্ৰয়োজন যে- জনজীৱনৰ সকলো আশা-আকাংক্ষা বিহুৰ যোগেদিয়েই প্ৰতিফলন ঘটি সভ্যতা আৰু সংস্কৃতিৰ উত্তৰণ ঘটিছে আৰু মানুহৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ ভেঁটি সুদৃঢ় হৈছে। সম্প্ৰতি কৃষি ভিত্তিক উৎসৱ ৰঙালী বিহু লাহে লাহে উত্তৰণ ঘটিলে ৰঙৰ উৎসৱলৈ। অতীজৰ মুকলি পথাৰৰ, ৰৰগছৰ তলত কপৌ-কেতেকী, তগৰ ফুলৰ আমোল মোলোৱা সুগন্ধি বতাহত মন জুৰাই অনুষ্ঠিত কৰা বিহু সাম্প্ৰতিক কালত উঠিছেহি মুকলি মঞ্চত। নগৰত ইয়াৰ প্ৰাবল্যতা অনুধাবন কৰাৰ সময়তে গ্ৰাম্যাঞ্চলতো বিহুৱে তদ্ৰূপ ভূমিকাকে পৰিগ্ৰহ কৰা দৃষ্টিগোচৰ হৈছে। কোৱা বাহুল্য মাথো যে- নগৰতে নহয় গাওঁ অঞ্চলবিলাকতো বিহুৱে পৰিৱৰ্তনৰ সাজ পিন্ধি মাটিৰ গোন্ধ হেৰুৱাই পেলাইছে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিৰ অভিনৱ কৌশলে মানুহৰ সভ্যতাক দান কৰিছে অভূতপূৰ্ব প্ৰগতি আৰু সমৃদ্ধি। যন্ত্ৰ নিৰ্ভৰ জীৱনে প্ৰকৃতি নিৰ্ভৰ জীৱনৰ বহিঃপ্ৰকাশৰে পৰিৱৰ্তন সধা নাই, অন্তৰভাগৰো পৰিৱৰ্তন সাধন কৰিছে। পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ লগতে আমদানিকৃত সাংস্কৃতিক উপাদানৰ প্ৰভাৱো আমাৰ সমাজ জীৱনত অধিক প্ৰভাৱ পৰিছে। অৱশ্যে সমাজ পৰিৱৰ্তনশীল, পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। গতিশীলতা অথবা গঠনমূলক পৰিৱৰ্তন সদায়েই আমাৰ কাম্য আৰু আদৰণীয়। গতিকে বিহু উৎসৱত এনে পৰিৱৰ্তনৰ প্ৰভাৱ পৰাটো কোনো দোষণীয় হ'ব নোৱাৰে। কিন্তু পৰিৱৰ্তনৰ গইনা লৈ আমাৰ সংস্কৃতি আৰু ঐতিহ্যত যাতে অশুভ শক্তিয়ে ক্ৰিয়া কৰিব নোৱাৰে তাৰ বাবে আমি সজাগ আৰু সতৰ্ক হোৱা উচিত। কিয়নো সংস্কৃতি আৰু ঐতিহ্যসমূহৰ বিকৃতকৰণে সমাজ জীৱন প্ৰদূষিত কৰিব ই নিশ্চিত।

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। সমন্বয়ৰ সংস্কৃতিৰ অবিচ্ছেদ্য অংগ স্বৰূপ বিহু হৈ পৰিছে সমাহৰণ উৎসৱ। বিভিন্ন জাতি, উপজাতিৰ আবাসভূমি অসমৰ বাবে ৰহনীয়া সংস্কৃতিও তেওঁলোকৰে অনবদ্য অৱদান। সকলো জাতি জনজাতিৰে সামূহিক সাংস্কৃতিক পথাৰখনলৈ স্বকীয় কলা-কৃষ্টিৰ অৱদানো অনস্বীকাৰ্য। বিভিন্ন জনগোষ্ঠীৰ অনেক লোকাচাৰ, লোক সংস্কৃতিৰ সম্ভাৰে অসমীয়া সংস্কৃতিৰ ভঁৰাল উপচি আছে। অসমত পূৰ্বতে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত উদ্‌যাপিত হোৱা বিহু আৰু সাম্প্ৰতিক সময়ৰ বিহুৰ মাজত বিস্তৰ পাৰ্থক্য পৰিলক্ষিত হয়। ৰংঘৰৰ বাকৰিত অনুষ্ঠিত হোৱা বিহুৱে তেতিয়াৰ বৰঅসমৰ সমন্বয়ৰ ছবিখন উল্লেখিত বিহুগীত ফাঁকিয়ে দাঙি ধৰাটো এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।

*"নগাৰ চাঙতে পেঁপাটি বাজিলে*
*ডফলাই ধৰিলে টকা*
*ল'ৰা বুঢ়া ডেকা ৰঙতে বলিয়া*
*অসমৰ বিহুৱা ডেকা।"*

এইদৰে সকলোৱে একত্ৰিত হৈ টকা, পেঁপা বজাই পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰিডাল বান্ধি ৰাখিছিল। সেয়ে জাতি-উপজাতিৰ মহামিলনৰ মঞ্চস্বৰূপ বিহু হৈছে জনগণৰ সামূহিক আবেগ-

অনুভূতিক প্ৰাণ ঢালি, হিয়া উজাৰি ভাল পোৱা অনুষ্ঠান। এনে এটা অনুষ্ঠানক ব্যৱসায়ত পৰিণত কৰিবলৈ দিলে জাতীয় কৃষ্টি-সংস্কৃতিৰ বৰঘৰৰ বৰছালখন খহি পৰিব ই ধ্ৰুপ। নামী-দামী গায়ক-গায়িকা আনি শকত ধনৰ টোপোলা যাচি মঞ্চত বিহু মতলীয়া হ'লেই অসমীয়াৰ হিয়াৰ আমঠু স্বৰূপ বিহু কেতিয়াও বাচি নাথাকে। বৰ্তমান বিহু বুলি আমাৰ সংস্কৃতি এলবামত থকা তাহানিৰ বিহুৰ ছবিখন ধূবলী কুঁৱলী হৈ পৰা যেন লাগে। বিহু বাচি থাকিবলৈ হ'লে বৰ্ণাঢ্য সংস্কৃতিৰ আবাসভূমি, বিভিন্ন জনগোষ্ঠীয় চেতনা, সাংস্কৃতিক উপাদান, জনগোষ্ঠীয় গীত-মাত, বাদ্য যন্ত্ৰ, সাজপাৰ, খাদ্য সম্ভাৰ ইত্যাদিসমূহক লোক চক্ষুলৈ উলিয়াই দিয়াৰ পৰিবেশ আৰু সুযোগ দিব লাগিব। লগতে স্থানীয় শিল্পীসকলক গুৰুত্ব দি তেওঁলোকক উৎসাহিত কৰাৰ উপৰিও তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক সন্মান জনাই এই বিহু মঞ্চৰ জৰিয়তে আগবঢ়াই নিয়াত সুযোগ-সুবিধা প্ৰদান কৰিব লাগিব, নহলে বিহুৰ বিভিন্ন উপাদানে মানসিক উৎকৰ্ষ সাধন কৰিব নোৱাৰিব। অন্যাহাতেদি সামাজিক জীৱনক ঐক্যবদ্ধ কৰি ৰাখিবলৈ হ'লে বিহু হ'ব লাগিব উৎকৃষ্ট মাধ্যম। জাতীয় চেতনা জাগ্ৰত কৰিবলৈ হ'লে আয়োজকসকলে আত্ম বিশ্লেষণ কৰাৰ সময় সমাগত হৈছে। বিহুৰ বতৰত বহু শ্ৰৱা কেছেটে মুক্তিলাভ কৰিছে যদিও অনুভৱ কৰা হৈছে গৰিষ্ঠ সংখ্যক বিহুগীতে স্বকীয় বৈশিষ্ট্য ধৰি ৰাখিব পৰা নাই। উচ্চ মান বিশিষ্ট সম্পদ সৃষ্টি কৰিব নোৱাৰিলে সংস্কৃতিৰ নামত বিহুক নিম্ন পৰ্যায়লৈ নমোৱাৰ কোনো পথেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। বিহুৰ নামত হিন্দী গীত, পাশ্চাত্য গীতৰ সুৰ, ছেও, তাল আদিৰ সংযোজন ঘটাই চহা জীৱনৰ স্বতঃস্ফূৰ্ত আনন্দৰ বহিঃপ্ৰকাশৰ মাধ্যমক বিকৃত কৰাৰ মানসিকতা সংস্কৃতিৱানলোকৰ কাম্য নহয়। সংস্কৃতিৰ নামত দুস্কৃতি কৰিবলৈ নিদিয়াকৈ আমাৰ যুৱশক্তিৰ লগতে সচেতন নাগৰিকে বিষয়টোৰ প্ৰতি দৃষ্টি দিয়াটো

উচিত। বিহু আয়োজনৰ নামত মুকলি বিহুৰ বাবে বি... সন্মিলন জাক জমকৈ পাতি মঞ্চত বিকৃত ৰুচিবো... কাৰ্যসূচী ৰূপায়নত বাধা প্ৰদান নকৰিলে বিহু আম... জাতীয় উৎসৱ অথবা আপুৰুগীয়া সম্পদ হৈ নাথাকি... কেছেটৰ বিহুগীতত লোক মন আৰু লোক জীৱন... নাই, নাই মাটিৰ গোন্ধ। সাম্প্ৰতিক সময়ত গৃহস্থ... মংগলাৰ্থে বুলি ঢোলত চাপৰ মাৰি বিহু বা হুঁচৰি গো... পৰিবেশ নাই আৰু নহবও। আজিৰ বিহুৰ প্ৰাণ উত্ত... নকৰে বৰঞ্চ অনুভৱ হয় এটা সময়ত বিহু কেৱ... টেলিভিচনৰ পৰ্দাতহে দেখা যাব অৰ্থাৎ বিহুৰ ভৱিষ্য... কাৰ্যপন্থা যেন গতিশীল সময়েহে নিৰ্দ্ধাৰণ কৰিব... অতীতৰ বিহুত প্ৰদৰ্শিত হোৱা ধৰ্মীয় ভাৱাবেগ আ... মাৰ্জিত ৰুচিবোধ বৰ্তমানৰ বিহুত মুঠেই নাই। বি... সংস্কৃতিৰ নামত পোখা মেলা চান্দা সংস্কৃতিৰ পয়োভ... আমাৰ বাবে অশুভ ইংগিত বহন কৰিছে। এ... তথাকথিত চান্দা সংস্কৃতিৰ ফলত বিহু বিদ্বেষী এচাম... মাজত অসন্তোষ্টিৰ ভাৱ সততে দেখা যায় আৰু বিহু... সম্পৰ্কে বিৰূপ মন্তব্য বা ধাৰণা কৰাও দেখা যায়। বি... প্ৰেমী আৰু সংস্কৃতি প্ৰেমী জনগনে কিন্তু প্ৰাচীনত... সাংস্কৃতিক ঐতিহ্যক আনৰ চকুত হেয় প্ৰতিপ... হোৱাটো কেতিয়াও নিবিচাৰে। গতিকে বি... আয়োজকসকলে বিষয়টো গভীৰভাৱে চিন্তা কৰ... উচিত।

সময়ৰ সোঁতে ব'হাগ বিহুৰ পৰম্পৰালৈ বিভি... পৰিবৰ্তন আনিলেও অসম আৰু অসমীয়া থকালৈকে... বিহুও থাকিব। নানা প্ৰাকৃতিক দুৰ্যোগ, হিংসা, সন্ত্ৰা... আৰু বয়-বস্তুৰ মূল্যবৃদ্ধিয়ে জনজীৱনক বিপৰ্যয় কৰি... তুলিলেও জনজীৱনে অতিকৈ আদৰৰ ৰঙালী বিহু... পালন নকৰাকৈ থকা নাই। এই ৰঙালী বিহুটিক একাং... লোকৰ মাজত স্বকীয় পৰম্পৰা ৰক্ষা কৰি আয়োজ... কৰাৰ এক জাগৰণ সৃষ্টি হোৱাৰো পৰিলক্ষিত হৈছে... এয়া শুভ লক্ষণ।। বিশ্বৰ দৰবাৰত নিজকে অসমী... হিচাপে চিনাকি দিবলৈ অসমৰ পৰম্পৰাগত ৰীতি-

নীতিসমূহ পুৰ্নজীৱিত কৰাৰ চেষ্টা চলোৱাটো ইতিবাচকেই নহয় আশাব্যঞ্জক বতৰাও সমাজলৈ নিশ্চয়কৈ কঢ়িয়াই আনিব। ঠায়ে ঠায়ে বিহু নৃত্য-গীতৰ বিভিন্ন নিয়ম সম্পৰ্কে নৱ-প্ৰজন্মক শিক্ষা দিবলৈ কৰ্মশালা অনুষ্ঠিত হৈছে। উৎসাহৰ বিষয় এই যে- এনেধৰণৰ কৰ্মশালাত পাঁচবছৰীয়া কণমানি শিশুৰ পৰা যুৱক-যুৱতীলৈকে অংশগ্ৰহণ কৰাৰ উপৰিও চহৰৰ ব্যস্ততাত আৱদ্ধসকলেও সুৰুঙা উলিয়াই এনে কৰ্মশালাত অংশগ্ৰহণ কৰিছে। অসমৰ বাহিৰৰ ৰাজ্যত থকাসকল বা বিদেশত প্ৰবাসী অসমীয়াসকলেও ৰঙালী বিহুৰ সময়ত সুবিধা অনুযায়ী বিহু অনুষ্ঠিত কৰাটো নিয়মীয়া হৈ পৰিছে। তাৰবাবে তেওঁলোকে আনকি অসমৰ পৰা শিল্পীৰ দলকো আমন্ত্ৰণ কৰি নিয়া দেখা যায়। এয়াও এক শুভ চিন্তন ৰূপে পৰিগণিত হৈছে।

মন কৰিবলগীয়া যে- গোলকীকৰণৰ প্ৰভাৱ বিহু সংস্কৃতি আৰু ইয়াৰ লগত জড়িত বিভিন্ন সা-সামগ্ৰীৰ ওপৰত পৰিছে। বিহু মঞ্চসমূহ এতিয়া বহুজাতিক কোম্পানীসমূহৰ বিজ্ঞাপনেৰে ভৰি থকা দেখা যায়। সেইদৰে হুঁচৰি দলসমূহকো এনেধৰণৰ কোম্পানীয়ে প্ৰযোজনা কৰাও পৰিলক্ষিত হৈছে। শিপিনীয়ে হেঁপাহেৰে ফুল তুলি বৈ দিয়া 'বিহুৱান'খনি এতিয়া ফেশ্বনৰ এক প্ৰধান আহিলা হিচাপে পৰিগণিত হৈছে। গামোচাৰ কামিজ, ব্লাউজ, টি-চাৰ্ট, স্কাৰ্ট, ফ্ৰক আদিয়ে উল্লেখনীয় স্থান দখল কৰিছে। ফলত গামোচাৰ উৎপাদন ক্ৰমাৎ বাঢ়িব ধৰিছে। বিহুৰ লগত জড়িত গহনা-গাঠৰি, বিভিন্ন লোক বাদ্য, কপৌফুল, ভাটৌফুল আদিকে ধৰি বিভিন্ন অৰ্কিডসমূহৰ প্ৰতি বহুতৰে আগ্ৰহ বাঢ়ি যোৱাৰ ফলত এই সামগ্ৰীসমূহক কেন্দ্ৰ কৰিও এখন বজাৰ গঢ়ি উঠিছে আৰু ৰাজ্যৰ অৰ্থনীতিও সবল হৈছে। কিছুদিনৰ আগতে অসমৰ বিহু সম্পৰ্কে তথ্য সমৃদ্ধ কেইবাটাও ৱেবচাইট ইণ্টাৰনেট যোগে মুকলি কৰা হৈছে। এই ৱেবচাইট সমূহত অসমীয়া জাতীয় উৎসৱ বিহুৰ সম্পৰ্কে নানা তথ্য থকাৰ উপৰিও বিভিন্ন পিঠা-পনা, জা-জলপান প্ৰস্তুতিৰ বিধি, বিহু গীত, নৃত্য আদিৰো সংযোজন কৰা হৈছে। ইয়াৰ জৰিয়তে অসমীয়াৰ প্ৰাণৰ বিহু সম্পৰ্কে দেশ-বিদেশত থকা অসমীয়াসকলৰ উপৰিও অন্যান্যসকলেও সহজতে জানিব পাৰিছে। এইবিলাক সুদূৰপ্ৰসাৰী ইতিবাচক দিশৰ উত্তৰণ আমাৰ কাম্য।

বিহু সমন্বয় আৰু সম্প্ৰীতিৰ প্ৰতীক। বিহু পালনত অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ স্বকীয়তা থাকিলেও ই যে অসমৰ আৰু অসমীয়াৰ প্ৰাণ সেয়া অনস্বীকাৰ্য। বিহুৰ মাধ্যমেৰে সকলোৰে মাজত থকা ভেদাভেদ অন্ত পেলাব পাৰি এইষাৰ কথা আহোম স্বৰ্গদেউসকলে তাহানিতে উপলব্ধি কৰিছিল। সেয়েহে ৰংঘৰৰ বাকৰিত ৰজা-প্ৰজা সকলোৱে একগোট হৈ বিহুৰ আনন্দত মতলীয়া হৈছিল। সাম্প্ৰতিক অসমৰ হিংসাজৰ্জৰিত পৰিবেশ, গোষ্ঠীগত সংঘাত, সাম্প্ৰদায়িক মনোভাৱৰ বিষ বাষ্প বিয়পি পৰা স্বত্তেও আমাৰ সকলোৰে হেঁপাহৰ ৰঙালী বিহু পুনৰ আহিছে শান্তি আৰু প্ৰত্যাশাৰ বতৰা লৈ। বিহু উদ্‌যাপন কৰিবলৈ কোনো আনুষ্ঠানিক মঞ্চৰ প্ৰয়োজন নাই। কাৰণ বিহু প্ৰত্যেক অসমীয়াৰ হৃদয়ত বিৰাজমান, প্ৰাণৰ আমঠু। মাত্ৰ তাক উপলব্ধিৰ বাবে এখন বিবেকবান আৰু অনুভৱী হৃদয়ৰহে প্ৰয়োজন। এই বিহুৰ বতৰত আমি কিছুদিনৰ বাবে হ'লেও হিংসা, ভেদাভেদ পৰিহাৰ কৰি এক মুকলি মন লৈ বিহু উদ্‌যাপন কৰো আহক আৰু তেতিয়াহে বিহুৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰা হ'ব।

প্ৰকৃততে বিহুতলীখন নিভাঁজ থলুৱা গীত মাত পৰিবেশনৰ সমূহীয়া মঞ্চ হ'ব লাগে বা হোৱাটো উচিত যত অসমৰ সমূহ জনগোষ্ঠীয় স্বকীয়তাখিনি প্ৰকাশ কৰিবলৈ সুবিধা পাব পাৰে আৰু তেতিয়াহে আমি জাতীয় সত্বাক লৈ গৌৰৱ অনুভৱ কৰিব পাৰিম। বিহুক সশ্ৰদ্ধ আৰু সস্নেহৰ এনাজৰিৰ চানেকি কৰি ৰাখিব লাগিব। অসমীয়া জাতিটোৱে বিহুৰ মাজেদি জাতীয়

পৰিচয় দিব পাৰিলেহে জাতিসত্বাৰ কপালৰ তিলক স্বৰূপ বিহু সংস্কৃতি অটুট থাকিব।

বিহুৰ ওপৰত ইতিমধ্যে বহুত আলোচনা বিলোচনা হ'লেও গছত তলৰ বিহু আৰু পথাৰৰ বিহুত পালনীয় অনেক সমল আজিও উদ্ধাৰ নোহোৱাকৈ আছে। বিহু কৃত্ৰিম ৰূপে মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে সাংস্কৃতিক সৰ্বস্ব সামাজিক বান্ধোন, মৰম-স্নেহ, সম্প্ৰীতি, সংভাৱ কমি আহিবলৈ ধৰিছে। জাতীয় উৎসৱৰ লগত বৈজ্ঞানিক মানসিকতা সাঙুৰ খুওৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। কেৱল পৰম্পৰাগত উৎসৱ হিচাবে নাপাতি পৰম্পৰাৰ নামত পৰম্পৰা ৰক্ষা নকৰি, এনে সৃষ্টিশীল কাৰ্যত ভৱিষ্যত প্ৰজন্মক অকৃত্ৰিম বিহুক চিনিবলৈ কাৰ্যপন্থা হাতত লোৱাৰ প্ৰয়োজন আছে। অসমীয়া সংস্কৃতিক, নতুন মাত্ৰা আৰু সভ্যতাক নতুন মৰ্যদা দিব পৰাকৈ বৈজ্ঞানিক মানসিকতা উদ্ভৱ ঘটোৱাৰ গুৰুত্ব অপৰিসীম।

তদুপৰি সাংস্কৃতিক মানদণ্ড ৰক্ষা কৰিবলৈ হ'লে যুগৰ লগত খাপ খুৱাবলৈ গৈ ৰচনা কৰা বিহু গীত, বিহু গীতৰ কেছেট বিকৃত কৰা মানসিকতা পৰিহাৰ কৰিব লাগিব। গীতসমূহক কৃত্ৰিমতাৰ কবলৰ প আঁতৰাই আনিব লাগিব। নতুনকৈ চিন্তা চৰ্চা কৰি বিহু পৰম্পৰাগত ঐতিহ্য হেৰাই যাবলৈ দিব নালাগি সাম্প্ৰতিক যুগৰ বিহু মানেই এখনি বিহু কুঁৱৰী, বি সম্ৰাজ্ঞী প্ৰতিযোগিতাৰ থলী হোৱাৰ পৰিৱৰ্তে প্ৰাচী লোক গীত, বাদ্য সমূহৰ সংৰক্ষণৰ থলী হওঁক, সু হোৱা সমলসমূহ উদ্ধাৰ কৰি তাক নৱ প্ৰজন্মক চিনা কৰাৰ থলী হওঁক। মননশীল চিন্তা-চৰ্চ্চাৰে যোগাত্ম পদক্ষেপ গ্ৰহণ কৰাৰ সময় সমাগত। ড্ৰামচেটৰ সল ঢোল, পেঁপা, গগনাৰ মূল্যায়ণ কৰাৰ ব্যৱস্থা হওঁক ঐতিহাসিক কালৰে পৰা মুখ বাগৰি অহা অথবা চ লোকে মুখতে ৰচনা কৰা গীতৰ কথাবোৰত বায়ু-পানী মাটিৰ গোন্ধ থকা নিভাঁজ গীত। সেয়ে আধুনিক কাল গীতিকাৰসকলেও গীত ৰচনা কৰোতে স্বকীয়তা গুৰুত্ব দি গীতসমূহক জনপ্ৰিয় কৰি তুলিব লাগে এইদৰে, সাংস্কৃতিক সম্পদসমূহক বিজ্ঞানসন্মত সুৰক্ষ দিব পাৰিব লাগিব, তেতিয়াহে বিবৰ্তনৰ পথেদি বিহু যাত্ৰা অব্যাহত ৰাখিলেও বিহুত অসমীয়াই কেচাঁ মাটি গঁজি উঠা শিপাৰ গোন্ধ লবলৈ সমৰ্থ হ'ব।

*লেখিকাৰ ঠিক*
*মৰাণ, ডিব্ৰুগ*

০০০০০



# স্বাধীনোত্তৰ কালৰ বিহুগীতত জন-জীৱনৰ দুখ-যন্ত্ৰণা

ড° সূৰ্য দাস

আমি সকলোৱে জানো বিহুগীত যৌৱনৰ গীত, পীৰিতিৰ গীত; বিহু নাচ পৃথিৱীৰ উৰ্বৰতা শক্তি বৃদ্ধি কৰি অধিক শস্য উৎপন্নৰ আশাৰে নৰ-নাৰীৰ যৌনতাৰ অন্ধকৃতি কৰি পথাৰত নচা নাচ আৰু বিহুনাম বা গীত সমূহ সেই নাচৰ লগৰীয়া। সেয়ে তাত যৌনতা বা অশ্লীলতা পাৰ ভাঙি যোৱা। কিন্তু এই নৃত্য-গীত সমাজত প্ৰদৰ্শনৰ বাবে নহয়। জীৱনৰ সৰ্বক্ষেত্ৰতে কৃষক সমাজৰ ডেকা-গাভৰুৱে নতুন সৃষ্টিৰ হেঁপাহেৰে শ্ৰম আৰু প্ৰেমক একাকাৰ কৰি তোলাৰ গীত -

তুমি কৰি যাবা     ৰোৱনী দাৱনী
মইয়ে বাই যাম হাল।
তুমি বৈয়ে দিবা     ফুলামকৈ গামোচা
মইনো পাতি দিমে শাল।।

এই গীত সমূহৰ বহুততে আছে পূৰ্বৰাগ, অনুৰাগ, প্ৰেম, মিলন আৰু বিৰহৰ হা-হুমুনিয়াহৰ লগতে মিলনৰ ইচ্ছাত বাধা দিয়া সকলৰ বিৰুদ্ধে প্ৰতিবাদৰ গীত, সংগ্ৰামৰ গীত। বসন্ত কালৰ মন উতলা কৰা প্ৰাকৃতিক পৰিৱেশত, নতুন বৰষুণে, নতুন শেইচ সিঁচাৰ বাবে পথাৰ জীপাল কৰি তোলে। সেই পথাৰৰ বুকুতেই সৃষ্টিৰ সন্ধি জগাই তুলিবলৈ আৰু ডেকা-গাভৰুৱে নিজৰ মাজতো সৃষ্টিৰ আকুলতা প্ৰকাশ কৰি, তেওঁলোকে যৌৱনৰ নাচ নাচে, সৃষ্টিৰ অঙ্কুৰ সিঁচে।

লুইতৰ চাপৰি     বগী ঢকে ঢকি
কাছই কণী পাৰে লেখি।
গাত জুই জ্বলিছে     সৰিয়হ ফুটিছে
ধনক পানী ঘাটত দেখি।
হাতো শুৱনি     ভৰিও শুৱনি
বুকুতে পদুমৰ চকা।
আচোঁৱালী ৰিহাৰে     কিমান দিন ঢাকিবা
আপুনি উঠিব ফুলি।।

কিন্তু বিহুগীতত কেৱল প্ৰেম-বিৰহৰ দুখ-বেদনাই প্ৰকাশ পোৱা নাই বিহুগীতত যি নাই অসমীয়া সমাজতে সেয়া নাই। থোৰতে ক'বলৈ গ'লে বিহুগীত হ'ল অসমীয়া জাতীয় জীৱনৰ বিশ্বকোষ। বিহু উৎসৱৰ সৃষ্টি কালৰে পৰা এতিয়ালৈকে অসমীয়া কৃষকৰদুখ-যন্ত্ৰণা, বিহুৰ স্ৰষ্টা কৃষক-বনুৱা-জনতাক কৰা শোষণ-নিৰ্যাতিন আৰু অসহায় অৱস্থাৰ কথা আজিও অপৰিবৰ্তিত। সেই ছবি বিহুনামত জিলিকি আছে। যদিও কৃষিয়েই সকলো খাদ্যৰ উৎপত্তিস্থল, কৃষক সকলেই ইয়াৰ উৎপাদনকাৰী, তথাপিও কৃষি কাৰ্যক আজিও সন্মানজনক বৃত্তি বুলি গণ্য কৰা নহয়। সমাজ-ৰাষ্ট্ৰ সকলোৱে অসমৰ কৃষক। আৰু কৃষি ব্যৱস্থা অৱহেলিত, অপমানিত আৰু মধ্যভোগীৰ দ্বাৰা শোষিত।

এখনি হালেৰে খচি হাল বালো
জুৰে ছমাহৰে ভাত।
বাকী ছমাহদিন খাবলৈ নোজোৰে
নেখাও পেটে ভৰি ভাত।।
পথা ডালহে আছে গৰু হাল নাই ঐ
কেনেকৈ হালখনি বাওঁ।
নাঙলটিহে আছে মাটিও নাই মোৰ
কেনেকৈ ভাতমুঠি খাওঁ।।
ম'হৰ শিঙৰ পেঁপাটি নবজাৰা কাইটি
বুকু ঘনে ঘনে কঁপে।
দিহিঙে দিচাঙে বোমা বিস্ফোৰণে
চকুপানী বোৱালে ঘনে।।

এয়ে হ'ল স্বাধীনোত্তৰ কালৰ অসমৰ কৃষক-বনুৱা সকলৰ বা জন-জীৱনৰ প্ৰকৃত ছবি। যি সকলৰ হাতত ধৰি স্বাধীনতা আহিছিল, তেওঁত সকলে কি পালে?

অসমৰ অসংগঠিত কৃষি খণ্ড, কৃষিত ব্যৱসায়ীকৰণৰ অভাৱ, কেৱল ধান খেতিৰ বাহিৰে অইন বিভিন্ন বিধ অৰ্থকৰী শস্যৰ খেতিৰ প্ৰতি অনীহা আৰু অজ্ঞতাই অসমৰ কৃষকৰ দুৰ্দশাৰ প্ৰধান কাৰণ; তদুপৰি অসমৰ মানুহৰ স্বাভাৱিক শ্ৰমবিমুখতাও ইয়াৰ প্ৰধান কাৰণ। আহোম ৰাজত্ব কালত ৰজা প্ৰতাপ সিংহৰ দিনৰে পৰা সমগ্ৰ অসমৰ প্ৰজাক পাইক প্ৰথাৰে ৰাষ্ট্ৰীয় দাসত্ব ব্যৱস্থাৰে যেনেদৰে শৃঙ্খলিত কৰি সকলো সাবালক প্ৰজাক বিভিন্ন খেলত ভাগ কৰি যেনেদৰে সকলো দিশতে প্ৰচুৰ পৰিমাণে উৎপাদনৰ ব্যৱস্থা কৰি তোলা হৈছিল পৰৱৰ্তী কালত আহোম শাসন ব্যৱস্থা শিথিল হৈউৱলি গৈ মানৰ আক্ৰমণৰ জৰিয়তে বৃটিছ সাম্ৰাজ্যত জাহ যোৱালৈকে অসমৰ সমাজ আৰু শাসন ব্যৱস্থা প্ৰায় ধ্বংস স্তূপত পৰিণত হৈছিল। জনসংখ্যা কমি গৈ ৭/৮ লাখ মানতহে পৰিণত হৈছিল গৈ। কোম্পানীৰ শাসন ব্যৱস্থা প্ৰৱৰ্তন হোৱাৰ লগে লগ নামনি অসমত বিশেষকৈ গোৱালপাৰা জিলা জমিদাৰী শাসন ব্যৱস্থা, মধ্য আৰু উজনি অসম মৌজাদাৰ সকলৰ শাসন আৰু শোষণ, মহাজনী শোষ কোম্পানীৰ মুদ্ৰাভিত্তিক খাজানা আৰু শোষণ ব্যৱস্থা অসমৰ কৃষকৰ স্বাধীন চিতীয়া জীৱনলৈ আনিলে প্ৰচ আঘাত। তদুপৰি বৃটিছৰ হাতলৈ অসম যোৱা আগলৈকে অসমৰ মানুহে নিমখৰ বাহিৰে প্ৰায় সকলে সামগ্ৰী নিজেই তৈয়াৰ কৰি লৈছিল। কিন্তু বৃটিছ শাস প্ৰৱৰ্তন হোৱাৰ লগে লগে অসমৰ মানুহে বহুতে দৈনন্দিন ব্যৱহৃত সামগ্ৰীৰ বাবে বজাৰৰ ওপৰত নিৰ্ভ কৰিব লগা হ'ল। প্ৰয়োজন হ'ল নগদ টকাৰ। বহুতে থলুৱা শিল্প পাহৰণিৰ গৰ্ভত লীন হ'ল। অত্যধি খাজনাৰ বাবে মাটি ইস্তফা দিবলগীয়া হোৱাত, ধন অভাৱত আৰু অন্যান্য বিভিন্ন কামত বিদেশী বণিক নানা ছল-চাতুৰীৰ ফলত মাটি হেৰুৱাব লগীয়া হোৱা অসমৰ বহুতো মানুহ সেই বৃটিছ যুগতেই ভূমিহীন কৃষক বনুৱাত পৰিণত হ'ল।

উজায়ে নেচাবি ঐ ভটিয়াই নেচাবি
পথাৰত জ্বলিছে জুই।
সোণৰে মাটি মোৰ আজি নাইকিয়া
লোককে খুৱাইছো ৰুই।।

অজ্ঞতা আৰু অৰ্থকৰী শস্যৰ অভাৱত অসম কৃষকে বিভিন্ন প্ৰয়োজনত বা অৰ্থৰ অভাৱত সঘনা মাটি বিক্ৰী কৰি সৰ্বস্বান্ত হ'বলগীয়া হৈছিল, যৌ পৰিয়ালবোৰ ভাগি মাটি ভাগ ভাগ হৈ প্ৰত্যেকৰে ভাগ মাটি তাকৰীয়া হৈ পৰিছিল; ফলত উৎপাদন কমি গৈছিল। প্ৰাকৃতিক দুৰ্যোগ - যেনে বান আৰু গৰাখহনীয়াই খেতিৰ মাটিৰ পৰিমাণ সঙ্কুচিত কৰি পেলোৱাত ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল।

নদীয়ে খহালে আমাৰ মাটি ভেটি
বানে উটুৱালে ঘৰ।



তুমি সোণ খহালা হৃদয়ৰ গৰাবোৰ
আপোন হৈ হ'লা যে পৰ।।
দেও দি সাৰিলে দেও ডৰিকণা
পল ভাঙি সাৰিলে শ'ল।
তোমাক আনিবলৈ বৰঘৰ সাজোঁতে
মাটি বাৰী বন্ধকত গ'ল।।

যদিও কৃষিয়েই আমাৰ দেশৰ অৰ্থনীতিৰ প্ৰধান ধ্বৰণী, কৃষক সকলেই দেশৰ পিতৃ স্বৰূপ, তথাপি কৃষক আৰু কৃষি ক্ষেত্ৰই হ'ল আমাৰ দেশত আটাইতকৈ অৱহেলিত ক্ষেত্ৰ। গতিকে বৃত্তি হিচাপে কৃষি ৯৯ শতাংশ ভাগ শিক্ষিত লোকৰ বাবে ই বঞ্চিত বৃত্তি নহয়। এই অৱহেলা কেৱল আজিৰ নহয়; কৃষিৰ প্ৰতি কৃষকৰ প্ৰতি শাসকৰ অৱহেলাৰ সাক্ষী মধ্যযুগৰ অসমতো আছিল; বিহু গীতে তাৰ সাক্ষ্য দিয়ে।

আহুধানৰ পথাৰত ইপাৰে সিপাৰে
আমি দিলো বোকাৰে আলি।
স্বৰ্গদেউ ঈশ্বৰে বৰলুইতক নেভেটিলে
গাঁৱৰ ভৰাল হ'ল খালি।।

স্বাধীনতাৰ ৬৭ বছৰ পিচতো কৃষি আৰু কৃষকৰ এই অৱস্থা অপৰিবৰ্তিত। অসমৰ কৃষি ভূমিত এতিয়াও সৰ্বাত্মক জলসিঞ্চনৰ সুবিধা নহ'ল; ইয়াৰ বাবে আবন্টিত ধন মন্ত্ৰী আমোলাৰ জেপলৈ গ'ল। অশেষ পৰিশ্ৰমেৰে উৎপাদিত সামগ্ৰী কৃষকে পানীৰ দামত বিক্ৰী কৰিবলগীয়া হৈছে নাইবা উৎপাদিত সামগ্ৰী পেলাই দিবলগীয়া হৈছে। যোৱা ১৫ বছৰত দেশৰ বিভিন্ন ৰাজ্যৰ আঢ়ৈ লাখ কৃষকে শস্যৰ উপযুক্ত দাম নেপাই আত্মহত্যা কৰিছে। তথাপি কৃষকৰ স্বাৰ্থ ৰক্ষাৰ বাবে বিশেষ কোনো ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰা নাই। সেয়ে কৃষকৰ দুখ-দৈন্য আৰু অভাৱ-অনাটনৰ অন্ত নাই। ফলত কৃষকৰ ঘৰত কি হৈছে প্ৰতিদিনৰ বাতৰি কাকতৰ লগতে বিহুগীতেও তাৰ সাক্ষী দিছেঃ

মাজুলীৰ দেশতে খোৱাৰ অভাৱতে
পেলায় পৰিয়ালক কাটি।
চিলং ৰোডতে দেখিবা ৰাইজমোৰ
মিনিষ্টাৰ সকলৰ মাটি। (মঘাই ওজা)
ঢোলৰে বৰতি চিলা ঐ ঢুলীয়া
ঢোলৰে বৰতি চিলা
কালিৰে পৰা ভাতে নাই কিয়া
ককাঁলৰ কাচুটি ঢিলা।।

স্বাধীনতাৰ ৬৭ বছৰৰ পিচতো দেশৰ জনতাৰ এই দুৰৱস্থা; অথচ ১৯২১ চনত গান্ধীজী অসমলৈ আহোতে এখন সভাত কৈছিল- "ভাৰতৰ দৰিদ্ৰ লোকৰ হাহাঁকাৰ আঁতৰোৱাৰ বাবে মই ভাৰতৰ স্বাধীনতাৰ বাবে আন্দোলন কৰিছো। দেশ স্বাধীন হ'লেহে দৰিদ্ৰতাৰ অৱসান হ'ব।" কিন্তু গান্ধীজীৰ সপোন সপোন হৈয়ে থাকিল।" জোতি প্ৰসাদ আগৰৱালাৰ পৈতৃক গৃহ 'পকীত' আলহী হৈ থাকোতে গান্ধীজীয়ে কিশোৰ জ্যোতিক কৈছিল- "মই যে আঁঠুৰ ওপৰত ঘৰত বোৱা এই খদ্দৰৰ চুৰিয়া পিন্ধিছো তাৰ কাৰণ হ'ল মোৰ এই ভাৰতবৰ্ষত শতকৰা ৮০ শতাংশ গৰীব লোক আছে, যাৰ সেইখনতকৈ সামান্য দীঘলো চুৰিয়া পিন্ধিবৰ বাবে সামাৰ্থ্য নাই। ভাৰতৰ স্বাধীনতা মানে সেই সকল অষ্টম দৰিদ্ৰ দুবেলা দুসাঁজ পেট ভৰাই খাবলৈ অন্ন আৰু থাকিবৰ বাবে মূৰৰ ওপৰত এখন চালি দিয়া।" কিন্তু আজিও ৪২ কোটি খাবলৈ নোপোৱা মানুহৰ দেশ ভাৰতবৰ্ষ; ৪,২৬,০০০০, জন ভূমিহীনৰ ৰাজ্য অসম। গান্ধীজীৰ সপোন সপোন হৈয়েই ৰ'ল। এতিয়া দেশৰ জনতাই নিজৰ অধিকাৰ বিচাৰি ৰাজপথত ভৰি দিলেই পায় লাঠী, গুলী আৰু কন্দুৱা গেচ। নিজৰ অধিকাৰ, বিচৰা জনতাক ছত্ৰ ভঙ্গ দিয়াবলৈ ৰাজিৰ ধনেৰেই কিনা হৈছে 'বৰুণ' নামৰ বিশাল যান। দেশৰ-কৃষক-শ্ৰমিক আৰু শাসক গোষ্ঠী এতিয়া দুটি পৰস্পৰ বিৰোধী শত্ৰু শিবিৰত পৰিণত হৈছে। স্বাধীনতাৰ পিছতো দেশৰ

শাসক গোষ্ঠীৰ চৰিত্ৰ হ'ল ঔপনিবেশিক আৰু সামন্তীয়; যদিও আমাৰ দেশ এখন প্ৰজাতান্ত্ৰিক স্বাধীন গণৰাজ্য। স্বাধীনতাৰ ফল হ'ল বিদেশী বগা চাহাবৰ হাতৰ পৰা স্বদেশী ক'লা চাহাবৰ হাতলৈ ক্ষমতাৰ হস্তান্তৰ মাথোন। ঔপনিবেশিক শাসকৰ দৰেই দেশীয় শাসক সকলেও ৰাইজৰ ওপৰত চলাই গ'ল শোষণ-দমন-নিৰ্যাতন; ই যেন ঐপনিবেশিক আৰু সামন্তীয় শোষণৰ নতুন ৰূপ।

চিপাহী চন্তৰী দেশৰ হ'ল গৰাকী
ঢোল বায় ৰাইজৰ পিঠিত।
ডা-ডাঙৰীয়াৰ নাই নিয়ম নীতি
দেশ চলায় ছলাহী ৰীতিত।।

গণতান্ত্ৰিক ৰাষ্ট্ৰত ৰাইজৰ প্ৰতিনিধিয়ে ৰাইজলৈ পিঠি দি কেৱল নিজ দলৰ চৰকাৰ আৰু সোণৰ অসম গঢ়াৰ পৰিবৰ্তে সোণৰ সংসাৰ গঢ়াতহে মন দিলে। ধনবৰ্থক ইমানেই বাঢ়ি গ'ল যে ৰাইজৰ ধনেৰে সাতপুৰুষলৈ ধন-সম্পত্তি গোটাইও সিহঁতৰ হেঁপাহ নপলোৱা হ'ল। কোটি কোটি টকা আত্মসাতৰ খবৰ আৰু প্ৰতিবাদকাৰী কৃষক বনুৱাৰওপৰত কৰা দমন-নিৰ্যাতনৰ খবৰ হ'ল প্ৰতিদিনৰ খবৰ; ৰাইজৰ বলতহে যে তেওঁলোক বলীয়ান দিল্লী দিচপুৰৰ মচনদত বহাৰ লগে লগে পাহৰি গ'ল। ৰাইজৰ দুখ- দুৰ্দ্দশাই তেওঁলোকৰ হৃদয়খন স্পৰ্শ নকৰা হ'ল।

ৰাইজখনে কান্দিছে ডা-ডাঙৰীয়া
দেশখনে কান্দিছে চোৰা।
ৰাইজৰ বলতে তুমিও বলৱন্ত
কিয়নো পাহৰি যোৱা।।

ভৰতবৰ্ষৰ অইন ঠাইত বৃটিছৰ শাসন প্ৰৱৰ্তন হোৱাৰ পিছত ১৮২৬ চনত বৃটিছে ইয়াণ্ডাবু সন্ধিৰ চৰ্ত্ত উলংঘা কৰি তেওঁলোকে সমগ্ৰ অসম নিজৰ দখললৈ নিয়ে। লগে লগে বৃটিছৰ সহযোগী আমোলা কেৰাণী-মহৰী সৃষ্টি কৰাৰ প্ৰয়োজনত পশ্চিমীয়া শিক্ষাৰ প্ৰচলন হ'ল। অসমত প্ৰচলন হ'ল এযাৰী প্ৰবচন- 'লেখা-প[...] কৰে যি হাতী ঘোঁৰাত উঠে সিঃ' বৃটিছ গ'ল। দেশ[...] সকলোকে শিক্ষিত কৰাৰ বাবে নহয় সকলো[...] স্বাৱলম্বী কৰাৰ বাবে নহয়। কেৱল ডিগ্ৰী প্ৰদানৰ বা[...] অসংখ্য স্কুল-কলেজৰ সৃষ্টি হ'ল। শিক্ষাদানোহে পৰি[...] এক প্ৰকাৰ ব্যৱসায়। স্বাধীনতাৰ ৬৫ বছৰৰ পিছত[...] ৰাজ্যখনত হাতে কামে কৰি খোৱা শিক্ষাৰ পৰিবৰ[...] কেৱল চৰকাৰী বেচৰকাৰী চাকৰিৰ পিচত দৌৰি ফু[...] এচাম শিক্ষিত নিবনুৱাৰ সৃষ্টি হ'ল- যি সকলে অই[...] কোনো কাম কৰাৰ যোগ্যতা। হেৰুৱাই পেলালে। লগে[...] লগে চাকৰি দিয়াৰ নামত ধন সংগ্ৰহ কৰা এচাম অ[...] পিশাচ চৰকাৰী বেচৰকাৰী দালালৰ সৃষ্টি হ'ল, সৃ[...] হ'ল চাকৰিৰ বজাৰ। চাকৰিৰ বাবে টকা দিবলৈ কৃষক[...] পুত্ৰ-নাতি সৰ্বাস্বান্ত হ'ল, ভূমিহীনত পৰিণত হ'[...] বহতো ব্যক্তি আৰু পৰিয়ালৰ জীৱনলৈ নামিল আঁউসী[...] এন্ধাৰ।

চাকৰি বিচাৰি খালো হাবা থুৰি
চাকৰি পাবলৈ নাই।
তোমাক বিয়া কৰি খুৱাম কেনে কৰি
ৰাতি দিন ভাবোতে যায়।।
পঢ়িলো শুনিলো বি. এ. পাছ কৰিলো
চাকৰিৰ মুখলৈ চাই।
ভেটি বন্ধক দিলো মাটি বন্ধক দিলো
চাকৰি পাবলৈ নাই।।

অথচ বৃটিছৰ শাসন কালতেই তেতিয়া[...] শিক্ষিত ডেকা-গাভৰুৱে চাকৰি বিচাৰি অতিষ্ঠ [...] চাকৰিৰ বিৰুদ্ধে প্ৰকাশ কৰিছে তীব্ৰ বিদ্বেষ আৰু ধিক্কাৰ[...] শিক্ষিত লোকৰ তুলনাত চাকৰিৰ সংখ্যা বহু কম। [...] প্ৰতিষ্ঠানত চাকৰি কৰাৰ বাবে অসমত তেনে ধৰণ[...] শিক্ষাৰো ব্যৱস্থা নাই। তদুপৰি সমগ্ৰ ৰাজ্য জুৰি অহৰ[...] চলি আছে অসমীয়াক বঞ্চিত কৰাৰ ষড়যন্ত্ৰ। সে[...]



এসময়ত উচ্চাৰিত হৈছিল এই ধিক্কাৰ আৰু সাৱধান বাণী।

চৰকাৰী চাকৰি নেলাগে লাহৰী
নেলাগে তলপৰ ধন
ঘৰতে থাকিবা বনবাৰী কৰিবা
পঢ়িবা ভাগৱত ৰামায়ণ।

অসমৰ জাতীয় জীৱনলৈ অহা অসংখ্য দুৰ্যোগৰ মাজতো প্ৰতিবছৰে অসমলৈ বিহু আহে। দেশী-বিদেশীৰ নীৰৱ আক্ৰমণত প্ৰকৃতিৰ ৰম্য ভূমি অসম এতিয়া লাহে লাহে মৰুভূমিলৈ ৰূপান্তৰ হোৱা অসমত ৰঙালী বিহুৰ সময়ত প্ৰয়োজন হোৱা মাখিয়তি, দীঘলতি, নৰসিংহ, ধপাত তিতা থেকেৰা পাবলৈ নোহোৱা হ'লেও, হাবিৰ জন্তু, কুলি-কেতেকী, গঙা-চিলনিৰ মাত শুনিবলৈ নাইকিয়া হ'লেও অসমৰ প্ৰকৃতি বুলি যি কণ বন-বননিৰ অৱশিষ্ট ৰৈছে গৈ, সিহঁতেই বছৰৰ মূৰত সময়ত বৰষুণ নাহিলেও অতিকষ্টে নতুন পাত সলাই অসমলৈ বসন্তকাল অহাৰ আগজাননী দিয়ে। বহুতো ঠাইৰ বিহুৱা - বিহুৱতীয়ে নিজৰ গাঁৱত বিহুমৰাৰ পৰিবৰ্তে নগৰীয়া বিহুতলীত বিহুমাৰি ধন ঘটাৰ প্ৰস্তুতি চলাই বিহু সন্মিলন পতা এচাম কৰ্ম কৰ্ত্তাক বছৰটোলৈ ধন ঘটাৰ সাহস কৰে। কিন্তু প্ৰাপ্য মাননি নাপাই গাঁৱৰ পৰা অহা প্ৰকৃত বিহুৱা-বিহুৱতী সকলে বিননি জোৰেঃ

মোৰে দুখ দেখি কান্দে বনৰ পখী
হৰিণাই চিএৰে বনত।
বিহুৰ কৰ্মকৰ্ত্তা বুজিও নুবুজা
কিনো জুই জ্বলিছে পেটত।।

আমাৰ শেৰ স্বাধীনতা প্ৰাপ্তি যোৱা শতিকাৰ এটি যুগান্তৰকাৰী ঘটনা। স্বাধীনতাৰ ৰণ চলি থকাৰ সময়ত ৰচিত হোৱাৰ দৰে স্বাধীনতাৰ পিছতো গঞা ৰাইজৰ মুখে মুখে বহুতো বিহুগীত ৰচিত হৈছে। সেইগীত সমূহতো অসমৰ গঞা ৰাইজৰ দুখ-বেদনা আৰু সমাজ-সচেতনতাৰ খবৰ পোৱা যায়। যোৱা শতিকাত হোৱা চীন-ভাৰত সংঘৰ্ষৰ বিষয়েও ভালমান বিহুগীত ৰচিত হৈছিল। যুদ্ধৰ স্বাভাবিক পৰিণাম স্বৰূপেই সেই সময়ৰ নেফাবাসীৰ জীৱনলৈ নামি আহিছিল নানা দুৰ্যোগ আৰু বিপৰ্যয়। সাতামপুৰুষীয়া ঘৰবাৰী এৰি পলাই আহিবলগীয়া হৈছিল অসমলৈ। এই হৃদয় বিদাৰক দৃশ্য দেখি অসমৰ বিহুৱা ডেকাই বিহুনাম জুৰিলে -

পাহাৰৰ বুকুত জিলীয়ে কান্দিলে
কান্দিলে পাহাৰী ভাই।
সাতামপুৰুষীয়া ঘৰবাৰী এৰিলে
এৰিলে আপোনৰ ঠাই।।
শিৱসাগৰৰ শিৱদ'ল
চীনা যুদ্ধ লাগি গ'ল
টোৱাঙলৈ যাবলৈ
পাহাৰেদি ৰাস্তা হ'ল।
টোৱাং বমডিলাত বৰটোপ ফুটিলে
কাণতাল মাৰি যায়।
নাচনীৰ বুকুতে অগনি জ্বলিছে
চেনাই ধন ঘৰতে নাই।।

এনেদৰে ৬২ চনৰ যুদ্ধৰ কথা বিহুগীতত ৰেকৰ্ড হোৱাৰ লগতে অসমৰ ৰাইজ বিহুগীতৰ মাজেৰে চীনা প্ৰধানমন্ত্ৰী চৌ-এন-লাইকো সমালোচনা কৰিবলৈ এৰা নাইঃ

উত্তৰৰ পৰ্বেত ধূৰঁলী কুঁৱলী
চালে চকুজুৰি যায়।
মিতিৰৰ ভাৱৰে শতুৰু শালিলে
চীনৰে চৌ-এন-লাই।।

যোৱা শতিকাৰ একেটা দশকতেই আমাৰ দেশৰ স্বাধীনতা আন্দোলন আৰু

চীনদেশৰ বিপ্লৱ সফল হৈছিল। তাৰ পিছত দুই দেশৰ মাজত বন্ধুত্ব স্থাপন হৈছিল আৰু হিন্দী-চীনী ভাই ভাই ধ্বনিৰ ভাৰত-চীনৰ আকাশ-বতাহ মুখৰিত হৈছিল। ই-টচিং আৰু হিউয়েন চাঙৰ ভাৰতৰ প্ৰতি থকা বন্ধুত্বৰ দৃষ্টিক নতুন দৃষ্টিৰে চাবলৈ লৈ, সেই দুগৰাকী মহান ভাৰত বন্ধুৰ আদৰ্শেৰে ভাৰত-চীন মৈত্ৰীৰ বান্ধোন সুদৃঢ় কৰিবলৈ বিচৰা হৈছিল। এই প্ৰচেষ্টাত নিচেই কাষতে থকা ৰাষ্ট্ৰ হিচাপে অসমৰ মানুহো আনন্দিত হৈছিল। এই মৈত্ৰীৰ বান্ধোন অসমৰ সাধাৰণ মানুহৰ চেতনাতো সোমাই পৰিছিল আৰু ৰাজ্যখনিৰ বিভিন্ন ঠাইত গঠন হৈছিল ভাৰত-চীন মৈত্ৰী সংস্থা। কিন্তু আচম্বিতে হোৱা যুদ্ধখনে অসমৰ জন-মানসত কেনেদৰে জোকাৰি পেলাইছিল তাৰো আভাস বিহুগীতত পোৱা যায়।

উনৈশ শ বাষষ্ঠি চন
চীন ভাৰতৰ লাগিল ৰণ
চৌ-এন-লায়ে নিব খোজে
ভাৰতবৰ্ষ গোটেইখন।।

এইখন যুদ্ধৰ সময়ত অসমৰ ৰাইজে দেশৰক্ষাৰ বাবে কেনেকৈ নিজকে উছৰ্গা কৰিবলৈ ওলাইছিল, তাৰো আভাস বিহুগীতে দিয়েঃ

উনৈশ বাষষ্ঠি চন স্বাধীন ভাৰতক
চীনাই কৰে আক্ৰমণ।
জন্মতীৰ্থ ভাৰতৰ স্বাধীন পৰত আমাৰ পণ
জীৱন আমাৰ কৰিলো পণ।।
আলগুলৈ যাবানে
ক'লা আপগু খাবানে?
যদি চীনাই গুলী মাৰে
বুকু পাতি দিবানে?

স্বাধীনতাৰ পিছত হোৱা প্ৰথম সাধাৰণ নিৰ্বাচনৰ নিৰ্বাচনী ইস্তাহাৰত কংগ্ৰেছ ১৯৫১ চনত ঘোষণা কৰিছিল- স্বাধীনতা আন্দোলনৰ সময়তো আমাৰ লক্ষ্যমাথোন ৰাজনৈতিক স্বাধীনতা লাভ নাছিল। জনসাধাৰণক শোষণ আৰু অভাৱ-অনাট পৰা মুক্ত কৰিবলৈকো বিচাৰিছিল। জনসাধাৰণৰ খা বস্ত্ৰ আৰু থকা-মেলাৰ মৌলিক অভাৱ মোচনৰ বাব কৰা আৰু ইয়াৰ পিছতেই তেওঁলোকৰ সাংস্কৃতি বিকাশৰ ব্যৱস্থা কৰা আমাৰ লক্ষ্য আছিল। আমাৰ মু সংগ্ৰামৰ দ্বিতীয় অধ্যায়ত প্ৰৱেশ কৰিবৰ সময় এতি উপস্থিত হৈছে আৰু এই অধ্যায়ৰ কাম হৈছে সেইবিল উদ্দেশ্য সাধন কৰা, যিবিলাক উদ্দেশ্য সাধন নকৰি আমাৰ বহুতৰ কাৰণে ৰাজনৈতিক স্বাধীনতাৰ কো অৰ্থ নাথাকিব। (কংগ্ৰেছৰ নিৰ্বাচনী ঘোষণাপত্ৰ, ১৯ চন)। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পা বিমলা প্ৰসাদ চলিহাৰ দ্বাৰা প্ৰচাৰিত আৰু ত্ৰিবিউন গুৱাহাটীত মুদ্ৰিত পৃষ্ঠা-২)

কিন্তু স্বাধীনোত্তৰ কালৰ নতুন চৰকাৰে প্ৰতিশ্ৰুতি কোনো দিনেই পূৰণ কৰিবলৈ চে নকৰিলে। দেশ গঠনৰ পৰিবৰ্তে তেওঁলোকে বাবে চৰকাৰগঠন কৰি উন্নয়নৰ ধন আত্মসাদ কৰি পৰবৰ্তি সাতপুৰুষৰ ধন পাহাৰ গঢ়াত লাগিল। নতুন শাস কুলৰ ৰাইজ বিৰোধী কাৰ্য-কলাপ দেখি অম্বিকাগি ৰায়চৌধুৰীৰ দৰে আজন্ম বিপ্লৱী স্বাধীনতা সংগ্ৰা আৰু দেশৰ বাবে, দেশ গঠনৰ বাবে সৰ্বস্বত্য কৰোঁতাজনেও দেশৰ শাসক সকলৰ দেশ গঠনৰ প্ৰ অৱহেলা আৰু দুৰ্নীতিত লিপ্ত হোৱা দেখি ১৯৫২ চ ২৬ জানুৱাৰীৰ দিনা তেখেতৰ কলম গৰজি উঠি নতুনকৈ স্বাধীন হোৱা, নতুন গণতান্ত্ৰিক দেশ শাসনভাৰ লোৱা নতুন জনপ্ৰতিনিধি সকলৰ বিৰুদ্ধে স্বাধীনতাৰ স্বপ্নভঙ্গৰ বেদনাই স্বাধীনতাৰ পুৱা বেলাতে তেখেতক কেনেদৰে মৰ্মাহত কৰিছিল এই কবিতাটো প্ৰধান। কবিতাটিৰ নাম - "দুনীতিত লিপ্ত নেত স্বাধীনতা দিৱসৰ গীত।"

আজি গণতান্ত্ৰী স্বাধীনতা স্থাপন কৰাৰ দিন।



আজি গণৰাষ্ট্ৰৰ স্বাধীনতা উপভোগৰ দিন
দুষ্ট বৃত্তি পুষ্টকৰাত হলো বাধাহীন
তাকেই যদি নকৰিলো
দুৰ্নীতিকে নকৰিলো
শিকলি ছিঙি স্বাধীন হোৱাৰ কিনো থাকিল চিন?

.....................

চৈধ্য পুৰুষৰ গোলামীয়ে চেপি ৰখা খঁক-
এই সুবিধা এৰিম কিয়? যায় যদি দেশ য'ক
গণতন্ত্ৰী স্বাধীনতাই
বাধা-নিষেধ দিলে খহাই
নিজৰে মোৰ নহ'লে যদি দেশৰ স্বাৰ্থ কি?

স্বদেশী শাসক সকলে নিজ ৰাজ্যৰ মানুহকেই বিদেশী শাসক-শোষকৰ দৰে শোষণ কৰা দেখি দেশৰ নেতা সকলৰ বিৰুদ্ধে সৰৱ হৈ উঠিল বিহুগীতৰ জৰিয়তে।

আৰু কি দেৱেশ্বৰ
অতিকৈ স্বাৰ্থপৰ
টকাত অনাকৈ খাজানা বাঢ়িল
দুখীয়াৰ মূৰতে মাধমাৰ মাৰিলি
অ' দেৱেশ্বৰ, কেলেই এনেকুৱা
কেলেই এনেকুৱা হলি।

*লেখকৰ ঠিকনা ঃ মাৰফৎ ড° দিপ্তী দত্ত দাস*
*অসমীয়া বিভাগ, কটন কলেজ।*



00000

# বিহুনামৰ আংগিক সৌন্দৰ্যৰ বিচাৰ

ড° বিউতী গগৈ

সমাজ জীৱনৰ অকৃত্ৰিম আৰু স্বতস্ফূৰ্তভাৱে অভিব্যক্ত হোৱা পৰম্পৰা আশ্ৰিত সাহিত্যই হ'ল লোক সাহিত্য। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে প্ৰচলিত এই শ্ৰেণী সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি। সমাজৰ আনন্দ উলাহৰ কলাক্ষেত্ৰস্বৰূপ এই লোক সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ ঠাল হ'ল লোকগীত। এই লোকগীতসমূহ দৰাচলতে এহাতে লোক কবিতা আৰু আনহাতে লোকগীত।

মানুহৰ দীঘলীয়া জীৱন পৰিক্ৰমাত সদায়ে দুটা সুঁতিয়ে ক্ৰিয়া কৰে। এটা বেদনাদায়ক আৰু আনটো আনন্দদায়ক। এই দুই বিপৰীতমুখী পৰিস্থিতিতে সৃষ্টি হয় বিপৰীতমুখী অনুভূতিৰ, যি অনুভূতিয়েই হ'ল লোকগীত সৃষ্টিৰ প্ৰধান উৎস। এই উৎস অনুসৰি সেয়ে লোকগীত সমূহৰ প্ৰধান সুৰ দুই ধৰণৰ- এটা আনন্দদায়ক আৰু আনটো বেদনাগধূৰ। অৰ্থাৎ লোকগীতৰ গা আৰু থাঁ হ'ল সুখ-দুখ, হৰ্ষ-বিষাদ, প্ৰেম-ঘৃণা, আশা-নিৰাশা ক্ষোভ, বেদনা, হতাশা-নিৰাশা আদি মানৱ জীৱনৰ আজন্ম লগৰীয়া এই অনুভূতিসমূহ।

অসমীয়া লোকগীতৰ বাবে বহনীয়া পথাৰখনত বিহুনাম, বনগীত সমূহত সদায়ে আনন্দদায়ক সুৰ এটিহে কমোৱা তুলাৰ দৰে ভাহি থকা দেখা যায়। অসমীয়া জাতিৰ আয়ুসৰ লগত যেন বিহুৰ আয়ুস জড়িত হৈ আছে। অৰ্থাৎ অসমীয়া জাতিৰ লগে লগে বিহুৰো উদ্ভৱ হৈছে বুলি ক'ব পাৰি। অসমীয়া জাতিৰ সমগ্ৰ জীৱন-ধাৰাই প্ৰতিফলিত কৰা ধাৰক আৰু বাহ[...] এই বিহুৰ ভিতৰত ব'হাগ বিহুৰ লগতে মাটি আৰু মানু[...] উৰ্বৰা শক্তি বৃদ্ধিৰ কথা জড়িত হৈ আছে। যাৰ ফলস্বৰূ[...] ব'হাগ বিহুত মাটিৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে ডেক[...] গাভৰু সকলে মনৰ আনন্দত মুকলি পথাৰত যৌৱ[...] গীত গাই, নাচ-নাচি সৃষ্টিৰ বীজ সিঁচিছিল। গীতসমূহ[...] দ্বাৰা দৈহিক সৌন্দৰ্য, কৰ্মকুশলতা আদি প্ৰকাশ ক[...] ডেকা-গাভৰুৱে যেন জীৱন সংগী বিচাৰি ভৱিষ্য[...] জীৱনৰ সুখৰ সপোন ৰচিছিল। প্ৰেম-বিৰহৰ চিত্ৰৰ লগ[...] লগে কিন্তু এই গীতসমূহত প্ৰকাশ হয় সমগ্ৰ অসমী[...] জাতিৰ সমাজ জীৱনৰ গাঁথা।

লোক কবিৰ সৃষ্ট লোক গীতসমূহ প্ৰথমে[...] লোক কবিতা হোৱাৰ দৰে বিহুনামসমূহো প্ৰথমে কবিত[...] পিছতহে সুৰদী লোকগীত। কবিতাৰ গুণ বিচাৰত ইয়া[...] আংগিকৰ স্বৰূপ বিচাৰ কৰাৰ দৰে কবিতাৰ লোকগী[...] হিচাপে বিহুগীতৰ ৰূপ গুণ বিচাৰ কৰিবলৈ ইয়া[...] আংগিকৰ স্বৰূপ বিচাৰ কৰিব লাগিব।

অসমীয়া কবিতাৰ জগতখনত ছন্দ[...] অলংকাৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। কবিতা হিচাপে[...] বিহুগীতসমূহতো কবিতাৰ এৰাব নোৱাৰা দেহাভূষণ ছন্দ[...] অলংকাৰ আদিয়ে স্থান দখল কৰি আছে। ছন্দ[...] অলংকাৰৰ সংযোগত বিহুনাম সমূহত অভিন[...] সৌন্দৰ্যই মন চুই যায়। তলত এই বিষয়ে অতি চমুকৈ[...] বিশ্লেষণ আগবঢ়োৱা হৈছে।



**দুলড়ী ছন্দ ঃ** দুলড়ী ছন্দত যতি নিয়ন্ত্ৰিত তিনিটাকৈ পৰ্ব থাকে। ইয়াত মুঠতে তিনিটা তিনিটাকৈ ছয়টা চৰণ থাকে। প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণ ছয়টাকৈ আৰু তৃতীয় আৰু ষষ্ঠ চৰণত আঠোটাকৈ মুঠতে চল্লিশটা আখৰ থাকে। প্ৰত্যেক চৰণৰ শেহত যতি পৰে। তৃতীয় আৰু ষষ্ঠ চৰণৰ অন্ত্য আখৰৰ মিল থাকে। অৰ্থাৎ ই মিত্ৰাক্ষৰী। অসমীয়া বিহুনামবোৰৰ সৰহ সংখ্যকেই দুলড়ী ছন্দত ৰচিত। দুলড়ী ছন্দত ৰচিত কেইফাঁকিমান বিহুনাম তলত উল্লেখ কৰা হ'ল-

১। আমনা ধানকে দাবলৈ গৈছিলো  
বাউলি বতাহে পালে;  
কাঁচি দলি মাৰি হাবিতে সোমালো  
ওঁঠতে বৰলে খালে  
২। তইনো কলিয়া অলিয়া বলিয়া  
মোকে কৰিলি বাউল;  
পদূলি মূৰতে সুহুৰি মাৰিলি  
ভাত কৰিলি চাউল।

**খোড়া দুলড়ী ছন্দ ঃ** এইবিধ ছন্দত আকৌ চাৰিটা চৰণ থাকে। দুলড়ী ছন্দত প্ৰথম দুটা চৰণ এৰি দিলে বাকী থকা চৰণ কেইটি যেনে হয় খোড়া দুলড়ী ছন্দ সজ্জাতো তেনে। বিহুনামত এই ছন্দও ব্যৱহাৰ হোৱা দেখা যায়। যেনে -

১। ভলুকা বাঁহৰে গা  
ৰিহা পাৰি পাৰি কত কথা কলি  
এতিয়া কিহৰ লাজ।  
২। চতি পাই বগালে চেলা;  
মাটি পাই বগালে কেকোঁৰা নাঙলটি  
তোকে পাই বেহালে দেহা।

**লেঙা দুলড়ী ছন্দ ঃ** লেঙা দুলড়ী ছন্দ সজ্জাও দুলড়ীৰ দৰে একে। কেৱল এই বিধ ছন্দত দুলড়ী ছন্দতকৈ ব্যৱহৃত আখৰৰ সংখ্যা বেছি। বিহুনামৰ উদাহৰণ -

১। কাঁহৰে বাটিতে মাটিমাহ তিয়ালোঁ  
উফৰি এবাটি হ'ল;  
গাঁৱৰ ডেকামখাক খাবলৈ মাতিলো  
আটাইবোৰ জহনীত গ'ল।  
২। হাতী বুঢ়া হ'ল মাউতৰ দুখতে  
গৰু বুঢ়া হ'ল হালত,  
তুমিবুঢ়ী হ'লা মাৰৰ ঘৰতে  
নিদিলে যৌৱনৰ কালত।

**অনুপ্ৰাস অলংকাৰ ঃ** একেটা ব্যঞ্জনবৰ্ণ ওচৰা-ওচৰিভাৱে শুনিবলৈ শুৱলা হোৱাকৈ বিন্যাস হ'লে অনুপ্ৰাস অলংকাৰ হয়। বিহুনামৰ উদাহৰণ -

১। পানীৰ জিক মিক পানীৰ পৰুৱা  
ফুলৰ জিক মিক পাহি,  
চেনাই জিক মিক তেজৰ বলতে  
মুখত ঐ নুগুচে হাঁহি।  
২। তোৰে মান লাতৰী নাই ঐ লাহৰী  
তোৰে মান চাতৰী নাই;  
আহিম আহিম বুলি লনছনা কৰিলি  
জেপৰ খিলি তামোল খাই।

**উপমা অলংকাৰ ঃ** একে ৰূপ-গুণবিশিষ্ট বেলেগ বেলেগ দুটা বস্তুৰ মাজত থকা সাদৃশ্যৰ বিষয়ে বৰ্ণনা কৰাই হ'ল উপমা অলংকাৰ। অৰ্থাৎ উপমা অলংকাৰত বৈচিত্ৰ্যজনকভাৱে দুটা বস্তুৰ স্পষ্টভাৱে সাদৃশ্য বৰ্ণনা কৰা হয়। বিহুনামৰ উদাহৰণ -

১। ঘৰতো নবহে মনে সমনীয়া  
পথাৰতো নবহে মন;  
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে  
তেনেকৈ উৰিবৰ মন।  
২। ধানে দাই গ'লো মুঠি মুঠি কৰি  
থাকি গ'ল চেনেহী থোক;  
লুইতে যিদৰে এসুঁতি এৰিলে  
সেইদৰে এৰিলি মোক।

**অতিশয়োক্তি অলংকাৰ ঃ** কোনো বস্তুৰ বিষয়ে অতিপাত বঢ়াই ক'লে বা প্ৰয়োজনতকৈ বেছিকৈ কোৱাকে অতিশয়োক্তি বা অত্যুক্তি বোলা হয়।

বিহুনামৰ উদাহৰণ -

১। হাতী হেৰুৱালো লিহিৰি বনতে
ঘোঁৰা হেৰুৱালোঁ ৰণত;
পায়ো হেৰুৱালো আমাৰে নাচনীক
চোতালৰ দুবৰী বনত।

২। অদূলি পদূলী মই ফুৰো গধূলি
বাঘে খাই ঘোঙে খাই খাওঁক,
কেটকুৰী গছতে উঠো লাফে মাৰি
জীৱনটো যায় যদি যাওঁক।

**অপ্ৰস্তুত প্ৰশংসা অলংকাৰ ঃ** বক্তব্য উক্তি পোনকৈ নকৈ তুলনীয় আন উক্তিৰে কোৱাকে অপ্ৰস্তুত প্ৰশংসা বোলে। অৰ্থাৎ ক'বলগীয়া কথাটি গুপুতে ৰাখি আন কথাৰ দ্বাৰা ক'বলগীয়া কথা উনুকিয়াই গ'লে অপ্ৰস্তুত প্ৰশংসা হয়।

বিহুনামৰ উদাহৰণ ঃ

১। কেঁলৈ ফুলিলি ৰূপহী মদাৰ ঐ
কেঁলৈ মেলিলি পাহি,
গুৰুতো নালাগে ভকততো নালাগে
থাকে তল ভৰি সৰি।

২। আহোতে দেখো ধন যাওঁতে দেখো ধন
বগী জামুকৰে পুলি;
খোৱাবো নহ'লি পিন্ধাবো নহ'লি
চকুৰে পোৰণি হ'লি।

**প্ৰতিবস্তুপমা অলংকাৰ ঃ** সাদৃশ্যযুক্ত দুটা বিশিষ্ট বাক্যৰ অৰ্থ বিচাৰত যদি বেলেগ বেলেগ শব্দৰ দ্বাৰা এক সাধাৰণ ধৰ্মৰ নিৰ্দেশ কৰা হয় তেতিয়া সি প্ৰতিবস্তুপমা অলংকাৰ হয়। বিহুনামৰ উদাহৰণ ঃ

১। আগফাল শুৱনি কাকিনি তামোল
পাছফাল শুৱনি পাণ;
বৰঘৰ শুৱনি জিয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান।

২। হাত মেলি হালধি নল'বি তই মালতী
চুলি মেলি নল'বি তেল;
পানী অনা ঘাটলৈ অকলে তই নাযাবি
বাটত ডেকা ল'ৰাৰ মেল।

**ব্যতিৰেক অলংকাৰ ঃ** যাক তুলনা কৰা হয় তাৰ গ... বা গুণ যদি যাৰ লগত তুলনা কৰা যায় তাতকৈ উৎক... বা অপকৰ্ষ হয়, তেতিয়া সি ব্যতিৰেক অলংকাৰ হ...

বিহুনামৰ উদাহৰণ ঃ

২। ঐ কুমলীয়া খাবকে নোৱাৰি
কেঁহেপা কেঁহেপা লাগে;
তাতো কুমলীয়া তোমাৰে দেহাটি
চাই থাকো যেন লাগে।

২। পিয়া সুবদি পানী ঐ লাহৰি
ভোকৰে সুবদি ভাত,
তাতোকৈ সুবদি তোমাৰ মাতষাৰি
লগাই থৈ যোৱা মাত।

**সমাসোক্তি অলংকাৰ ঃ** এইবিধ অলংকাৰত পৰস্প... অনুৰূপ পদাৰ্থ বা সংসৰ্গৰ বৰ্ণনাৰ দ্বাৰা এটাৰ ... আনটোৰ সৈতে তুলনা কৰা হয়। বিহুনামৰ উদাহৰ...

১। বিহুৱতী চৰায়ে কৰে বিহু বিহু
আমাৰ বিহু কাপোৰ নাই;
লগৰ সমনীয়াই সোধে বেড়ি বেড়ি
সৰুতে মৰিলে আই।

২। ফেঁচাই কুৰুলিয়াই ৰাতিকে নুপুৱায়
কপৌ কুৰুলিয়াই ডালত
মোৰ ধনে কুৰুলিয়াই ম'হঘূলি চাপৰিত
শুনি যাঁও বতাহৰ ঢালত।

**অপহ্নুতি অলংকাৰ ঃ** কেতিয়াবা প্ৰকৃত বস্তুক অস্বীক... কৰি অপ্ৰকৃত বস্তুক প্ৰাধান্য দিয়া হয়। অৰ্থাৎ আ... কথাটো গোপন কৰি বেলেগ কথাৰ দ্বাৰা বক্তব্য বিষ... ব্যক্ত কৰিলে অপহ্নুতি অলংকাৰ হয়। বিহুনা... উদাহৰণ ঃ

১। হাঁহে হৈ সাঁতুৰিম তোমাৰে পুখুৰীত
পাৰ হৈ পৰিম গৈ চালত;
ঘামে হৈ জিলিকিম তোমাৰে শৰীৰত



মাখি হৈ চুমা দিম গালত।

**বিষম অলংকাৰ ঃ** পৰস্পৰ মিল নথকা দুটা কথাৰ বিষম সম্বন্ধৰ বৰ্ণনা দিলে বিষম অলংকাৰ হয়। অসম্ভৱ ঘটনা যদি একেঠাইতে ঘটে তেতিয়াও বিষম অলংকাৰ হয়। অৰ্থাৎ ইয়াত আশাত নিৰাশা হয়।

বিহুনামৰ উদাহৰণ ঃ-

১। মাখি মূৰে কাটি ঢোলটি কাটিলোঁ
পিপৰা ছালেৰে চালো,
জেলুকৰ ছালেৰে বৰতি কাটিলোঁ
ফৰিঙৰ ঠেঙেৰে বালোঁ।

২। হাতী হেৰুৱালো লিহিৰি বনতে
ঘোঁৰা হেৰুৱালো ৰণত,
পাই হেৰুৱালো সৰগৰ মুকুতা
চোতালৰ দুবৰি বনত।

৩। সোৱণশিৰি মুখলৈ গৈছিলে লাহৰী
সোণ কমাওঁগৈ বুলি,
এতিয়া লাহৰি উভটি আহিলো
হাতত লৈ এমুঠি বালি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে বিহুগীতত মিত্ৰাক্ষৰ ছন্দ ব্যৱহাৰে ইয়াৰ সৌন্দৰ্য বঢ়াই তুলি শুনিবলৈ শুৱলা কৰাৰ দৰে অলংকাৰৰ ব্যৱহাৰে লোকজীৱনৰ, লোকমনৰ, সমাজ জীৱনৰ অভিজ্ঞতাক বা সংসাৰৰ জ্ঞানক অধিক স্পষ্ট আৰু মনোমোহা কৰি তুলি ধৰে। বক্তব্য বিষয়ক ৰমনীয় তথা অধিক স্পষ্ট ৰূপত তুলি ধৰি ব্যঞ্জনাময়ী কৰি তুলিবলৈকে অলংকাৰৰ প্ৰয়োজন হয়। চহাকবিৰ মনৰ অনুভূতি প্ৰকাশক এই গীতসমূহৰ দ্বাৰা অসমীয়া সমাজ-জীৱন, ঠাইৰ নামৰ ঐতিহ্য, প্ৰেম-বিৰহ, প্ৰকৃতি চিত্ৰ আদি অতি সুন্দৰভাৱে পৰিস্ফূট হোৱা লক্ষ্য কৰা যায়। অসমীয়া সাহিত্যৰ ভৰাঁলত এই বিহুনাম সমূহে এক অনন্য স্থান দখল কৰি আছিছে। মুখ্যতঃ বিহুনামৰ মূল উদ্দেশ্যই হৈছে আনন্দ প্ৰকাশ কৰা। মানৱ জীৱন দৰ্শন তথা মাটি-পানী বায়ুৰ গোন্ধ থকা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি থকা এই বিহুনামসমূহে অসমীয়া কাব্য সাহিত্যক চহকী তথা জীপাল কৰি ৰাখিছে।

প্ৰসংগ পুথি ঃ

১। ভট্টাচাৰ্য, ড° বসন্ত কুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা, নিবেদন প্ৰিণ্টাৰ্ছ, গুৱাহাটী, ১৯৯৭।
২। শৰ্মা, তীৰ্থনাথ ঃ সাহিত্যবিদ্যা পৰিক্ৰমা, বাণী প্ৰকাশ, গুৱাহাটী ২০০১।
৩। বৰুৱা, নৱকান্ত ঃ অসমীয়া ছন্দ শিল্পৰ ভূমিকা, অসম বুক ডিপো, গুৱাহাটী ১৯৮৯।
৪। শৰ্মা, অচ্যুত চন্দ্ৰ (সম্পা) ঃ বিহুৰ ৰূপ-ৰস আৰু তত্ত্ব, বি.আৰ. কলিতা বুক ডিপো,পানবজাৰ ১৯৯৬।
৫। দেৱশৰ্মা, সোণাপতি ঃ অসমীয়া সাহিত্যৰ সাজ, বাণী প্ৰকাশ, গুৱাহাটী ১৯৯৭।
৬। বৰুৱা, নৱকান্ত ঃ কবিতাৰ দেহ বিচাৰ, ষ্টুডেণ্টচ্ ষ্ট'ৰচ, গুৱাহাটী ১৯৮৭।

00000

# ঢকুৱাখনাৰ দুখন ঐতিহাসিক গাঁও

ঢকুৱাখনাৰ মাজমজিয়াত এখন আহল-বহল পথাৰ - নাম বৰপথাৰ। এই ঐতিহাসিক পথাৰখনক কোঁৱৰগাঁও, ঘাঁহি গাঁও, চাউৰকীয়া গাঁও, দীঘলা-২নং হিলৈদাৰী গাঁও, হিলৈদাৰী-জামুগুৰি, গোহাঁই গাঁও, ভগামুখ, জীয়ামৰীয়া, কমাৰ আৰু বৰুৱাটিকা গাঁৱে আবৰি আছে। ঢকুৱাখনা চাৰিআলিৰ পৰা কোঁৱৰ গাঁৱৰ মাজেদি হিলৈদাৰী ভেদ কৰি সুৰেণ বুঢ়াগোঁহাই পথ (পুৰণা হাঁহখোৱা আলি) পথাৰৰ মাজেদি পাৰহৈ গৈছে। কোঁৱৰ গাঁৱৰ নাতিদূৰৈত থকা পুলটোত

## সৰ্বেশ্বৰ সূত বৰুৱা

এসময়ত এখন দলং আছিল। এই দলংখনক লোহাৰ দলং বুলি জনা যায়। ৪২ চনৰ গণ আন্দোলনত সংগ্ৰামী ৰাইজে এই দলংখন জুইলগাই পোৰে। তেতিয়া অৱশ্যে এইি দলংখন কাঠৰহে আছিল। এই পুলটোৰ দুয়োকাষে থকা দলনিখনেই ঐতিহাসিক কোৰাবাৰী দলনি। প্ৰস্তাৱিত পক্ষী উদ্যান হিচাবে বৰ্ত্তমান পৰিচিত। নৱেম্বৰ মাহৰ পৰা এপ্ৰিল মাহলৈ এই উদ্যানখনত পৰিভ্ৰমী ৰাজহাঁহ, পেলিকান আদিৰ বাহিৰেও স্থানীয় অনেক পক্ষীৰ বিচৰণভূমি।

গাঁওবিলাকৰ কাষে-কাষে এই বৰপথাৰখনৰ অংশ হিচাবে সৰু সৰু কিছুমান পথাৰ আছে। এই পথাৰবোৰৰ কাষৰ জামু, শ'ৰা আৰু আঁহত গছৰ তলত ৰাতি বিহুমৰা অনেক উদাহৰণ আছে। প্ৰেমে গৰকা গাভৰুৰ ভৰিৰ দপদপনিত এতিয়াও উক্ত গছৰ মূঢ়াবিলাকৰ কাষত ঘাঁহবন গজা নাই, কাষৰ দূৰৰিও ডালিমদঁতীয়া গাভৰুৰ হাঁহিৰ মুকুতা এতিয়াও জিলিকি আছে।

এনে এখন গাঁৱৰ সমীপত থকা পথাৰৰ - ঔগুৰি পথাৰ। মানৱ আক্ৰমণৰ পিছতে মা জংঘল কাটি উলিওৱা এই পথাৰখনত এজোপা ঔ অস্তিত্ব এতিয়াও আছে। বৰপথাৰখনৰ অংশ বি এই পথাৰখন তুলনামূলকভাৱে বাম যদিও লাহি ধ খেতি ভাল হয়। ১৯৬২ প্ৰলয়ংকাৰী বানপানীতো পথাৰখন তল যোৱা নাছিল। ঘাঁহিগাঁৱৰ গাতে ল থকা পথাৰখনত বহুতো ঐতিহাসিক আঁচোৰ আ ইয়াত পোন্ধৰটামান পুখুৰী (বাৰীপুখুৰী, ভকতপু জামুগুৰি, ঘিলাগুৰি, বুঢ়া-বুঢ়ী তৰাণি, হাবি, গৰ পদুমণি, টোটনি বা হাবি পুখুৰী, বৰপুখুৰী অ বিদ্যমান। এইবিলাক পুখুৰী অতি প্ৰাচীন। বহুতে পুখুৰীবিলাক পিতৃ-হত্যাৰ পাপৰ পৰিত্ৰাণৰ কাৰণে আমিত্তই খন্দোৱা বুলি কয় (১৩৬৫-১৩৮৫ চন ম ভিতৰত) কিন্তু লীলা গগৈ আৰু কেইবাজনো বুৰঞ্জী আৰিমত্ত ৰজা বিশ্বনাথ চাৰিআলিৰ পৰা পূৱলৈ অ কথা অস্বীকাৰ কৰে। মধ্যযুগত চুতীয়া বা আহোম ৰ এই পুখুৰীবিলাক খন্দোৱাৰ কথা অনুমান কৰিব পা এই ক্ষেত্ৰত অসম বুৰঞ্জী নিমাত।

বৰ্ত্তমান ঘাঁহিগাঁৱৰ গাতে লাগি থকা পুখুৰীবিলাকৰ বৈশিষ্ট্য মনকৰিবলগীয়া। সেই সম (তেতিয়া হয়তো গাঁওখনৰ নাম ঘাঁহি গাঁও নহ পাৰে) এই স্থানত মানুহৰ বসতি ঘন আছিল। খো পানী, গা-ধোৱা, কাপোৰ-ধোৱা আৰু পশু-পক্ষী খোৱা পানীৰ কাৰণে এই পুখুৰীবিলাক খন্দ হৈছিল। কোৱা বাহুল্য যে- এই পুখুৰীবিলাক গাঁওখ

পৰা এক কিলোমিটাৰ মানৰ ভিতৰতে খন্দোৱা হৈছিল যাতে পানীৰ যাৱতীয় ব্যৱহাৰ কৰিব পৰা যায়। বাৰীপুখুৰী আৰু ভকতপুখুৰী দুটা নিৰ্মল পানীৰ পুখুৰী গাঁৱৰ মধ্য ভাগত খন্দা হৈছিল। গাঁওখনৰ কাষতে ৫/৬ টা মান পুখুৰী গা-পা, কাপোৰ-কানি ধোৱা আৰু গৰুৱে পানী খোৱাৰ উপযোগীকৈ খন্দোৱা হৈছিল।

একেদৰে ঘাঁহি গাঁৱৰ নাতিদূৰত থকা কোঁৱৰগাঁও খনো ইতিহাস বহন কৰা গাওঁ। এই গাঁৱৰ আশে-পাশে পোন্ধৰ-যোল্লটামান পুখুৰী-বামুনপুখুৰী, গোঁসাইপুখুৰী, জামুগুৰিপুখুৰী, শ'লমৰা, বৰকলা, নামঘৰপুখুৰী আদি প্ৰধান। ২০০১ চনত উদ্ধাৰ হোৱা (৫ম খন) ফলি এই গাঁৱৰ নিবাসী শ্ৰী সুখেশ্বৰ কোঁৱৰ নামৰ এজন ব্যক্তিয়ে শৌচাগাৰৰ গাঁত খান্দোতে উদ্ধাৰ হয়। এই ফলিখন শিক্ষক শ্ৰী ধৰণী কলিতাই, ঘিলামৰা নিবাসী প্ৰত্নতাত্ত্বিক ড° নিত্যানন্দ গগৈ (প্ৰবক্তা, বিশ্বনাথ মহাবিদ্যালয়) দেৱক দিয়ে। পাঠোদ্ধাৰ কৰি তেখেতে মতামত দিয়ে যে- ফলিখনৰ দাতা স্বৰ্গেয়াপতি - ধীৰ নাৰায়ণ। তেখেতে ১৪৪৪ খৃঃত বৰ্শীকৰ বিপ্ৰক গজ-হস্ত পৰিমাণে ১,০০০ (এক হাজাৰ) পুৰামাটি হিপুৱালী নামৰ ঠাইত প্ৰদান কৰে। ড° গগৈ দেৱে ঢকুৱাখনাতেই এই ঠাইখনৰ অৱস্থিত বুলি ঠাৱৰ কৰিছে। গতিকে গাঁৱৰ সমীপতে থকা ওপৰত উল্লেখ কৰা বৰপথাৰখনেই ফলিত থকা হিপুৱালী পথাৰ বুলি পতিয়ন নিয়াব পাৰি। অতীততে এই গাঁৱৰ নাম হয়তো আন আছিল। আহোম শাসনৰ পিছৰ পৰাহে গাঁওখনৰ নাম কোঁৱৰ গাঁও হয়। গোঁসাই পুখুৰী আৰু বামুন পুখুৰী দুটাই অতীততে ইয়াত গোঁসাই আৰু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক থকাৰ স্বাক্ষৰ বহন কৰে। বামুন, গোঁসাইৰ লগত কলিতা, সূত, চুতীয়া আদি জাতি বাস কৰাৰ নজিৰ আছে। গতিকে গাঁওখন চুতীয়া ৰজাৰ ৰাজত্ব কালতে স্থাপিত হোৱা বুলি পতিয়ন নিয়াব পৰা যায়।

ঘাঁহিগাঁৱৰ উত্তৰে ঔগুৰি পথাৰ, পূৱে- কচুগাঁও, দক্ষিণে- ঢকুৱাখনা ঘূনাসুঁতি পথ আৰু ঢকুৱাখনা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পশ্চিমে ঢকুৱাখনা মুগা ফাৰ্ম, আমকটীয়া গাঁও। এই গাঁৱৰ পশ্চিমফালে প্ৰায় দহ-বাৰ বিঘামান মাটিৰ এডোখৰ ওখ ঠাই আছে। বৰ্ত্তমান বাঁহনি আৰু হাবি-জংঘলেৰে ভৰা ঠাইডোখৰ মৈদামনি বুলি খ্যাত। আহোম ৰজাৰ দিনত সম্ভ্ৰান্ত পৰিয়ালৰ লোকসকলে মৈদামত সোণ-ৰূপ আদি মূল্যবান ধাতু মৃতকৰ লগত দিয়া নিয়ম আছিল। এই ঠাইডোখৰত যে আহোমৰ দিনৰ মৈদাম আছিল তাৰ এটি কাহিনী উল্লেখ কৰিব বিচাৰিছো। এবাৰ মৈদামনিৰ পৰা মাটি আনি ঘাঁহি গাঁৱৰ মানুহ এজনে বেৰ লিপিবলৈ যো-যা কৰে। বেৰ লিপিবলৈ লোৱা মানুহ গৰাকীয়ে চৰিয়া এটাত মাটি খচি লিপি থাকোঁতে হঠাৎ টান বস্তু এটা পাই দলিমাৰি দিয়ে। পিছে বস্তুটো পুনৰ চাৰিয়াটোতে ঘূৰি পৰেহি। পিছত বস্তুটো লিৰিকি-বিদাৰি চাই দেখে যে- এডোখৰ সোণ। তিনি চাৰিশ বছৰৰ পূৰ্বে সমাধিস্থ কৰা কংকাল আদি মাটিত বিলিন হৈ সোণ টুকুৰা ৰৈ যায়। গতিকে নামটোৰ যথাৰ্থতা উপলব্ধি কৰিব পাৰি। গাওঁখনৰ শ্ৰী দিগন্ত তামুলীৰ বাৰীত এতিয়াও মৈদামৰ ভেটি এটাৰ অৱশিষ্ট দেখা পোৱা যায়। বাঁহনিৰ মাজত সৰু পুখুৰী এটা আজিও আছে।

গাঁৱৰ এই পুখুৰীবিলাকৰ বিষয়ে কিংবদন্তি শুনা যায়। আন ঠাইৰ প্ৰবাদৰ নিচিনাকৈ বৰ পুখুৰীত বোলে কাঁহি-বাতি আছিল। গাঁৱৰ ৰাইজে সকাম-নিকাম হ'লে গধূলি পুখুৰীৰ পাৰত তামোল-পাণ এটা দি চাকি বন্তি জ্বলাই কিমান কাঁহী-বাতিৰ প্ৰয়োজন কৈ প্ৰাৰ্থনা কৰি আহিলে বোলে পুৱা পাৰত কাঁহী-বাতি উলিয়াই থোৱা পায়গৈ। সকামৰ পিছত ধুই-পখালি আথে-বেথে পুখুৰীৰ পাৰত থৈ আহে। কোনোবাই বোলে বাতি এটা মোহ কৰা আৰু অপৰিস্কাৰ কাঁহী-বাতি প্ৰদান কৰাৰ পিছৰ পৰা উক্ত পুখুৰীত লাহে লাহে কাঁহী বাতি নোলোৱা হ'লগৈ।

বিজ্ঞানসন্মতভাৱে এই কথাবোৰৰ সত্যতা নাই। কিন্তু চিন্তাশীল বা বুদ্ধিজীৱী মানুহে হয়তো পুখুৰী

বিলাক পৰিষ্কাৰ পৰিচ্ছন্ন হৈ থাকিবৰ হেতু এইদৰে সাধাৰণ মানুহক দৰ কৰাই ৰাখিছিল। সৌ-সিদিনাৰ কথা পদুম ফুলেৰে সুশোভিত পুখুৰীটোত বোলে ৰজঃস্বলা মহিলা এগৰাকীয়ে গা-ধোৱাৰ কাৰণে পদুম ফুলবিলাক নিঃশেষ হৈ গ'ল।

এই আওপুৰণি পুখুৰী বিলাক এতিয়া প্ৰায় জৰাজীৰ্ণ অৱস্থা। বহুত পুখুৰীৰ মাজত দোপ সৃষ্টি হৈ তাৰ ওপৰত তৰা, ভেৰগছ আদি গজি পুখুৰীৰ পানী ব্যৱহাৰৰ অনুপযোগী হৈছে। খৰালি দিনত গৰুৱে পানী খাবলৈ গৈ ভেৰৰ মাজত সোমাই বহু গৰুৰ মৃত্যু হৈছে। এনে কিছু পুখুৰীৰ ভেৰবিলাক খান্দি পুখুৰীৰ তলিৰ পৰা চেঙা, কাৱৈ, মাগুৰ, শিঙি, কুচিয়া আদি মাছ ধৰা দেখা যায়।

চুতীয়া, ভূঞা, কছাৰী আদি জাতিয়ে হাবুঙত বসবাস কৰি থকাৰ সময়তে চুতীয়াৰ শেষ ৰজা নীতিপালৰ পৰা ১৫২৩ খৃঃত হাবুং আহোম ৰজাৰ অধীনলৈ যায়। আহোম ৰাজত্বৰ শেষৰ ফালে মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ দানৱীয় আক্ৰমনে অসমখন চাৰখাৰ কৰি যায়। উত্তৰ পাৰতো ইয়াৰ প্ৰভাৱ বাৰুকৈ পৰে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছৰ পৰাহে অঞ্চলৰ গাঁওবিলাক থানঠিত লাগে। বিদ্ৰোহৰ পিছৰ পৰাহে শিৱসাগৰ, যোৰহাট, নগাওঁ, তেজপুৰ আদিৰ পৰা প্ৰব্ৰজন হৈ আমাৰ গাঁওবিলাক প্ৰতিষ্ঠিত হয়।

ঘাঁহিগঁৱৰ লিখিত ইতিহাস পোৱা নাযায়। ঘাঁহিগাঁও উৎপত্তি সম্পৰ্কে এনেদৰে ভাবিব পাৰি।

১। মোৱামৰীয়াক দমন কৰিবলৈ আহোমৰজাই ঘোঁৰাচোৱা বৰুৱাক উত্তৰ পাৰলৈ পঠোৱাৰ লগত হয়তো ঘোঁৰাৰ ঘাঁহ যোগনীয়া মানুহও লগত আহিছিল। তেওঁলোকে বাসকৰা গাঁওখনেই ঘাঁহিগাঁও নাম পায়।

২। মানৰ আক্ৰমণৰ সময়ত কোনো ঠাইৰ পৰা ভাগি অহা কোনো এজন ঘাঁহি বিষয়াৰ পদৰ নামেৰে গাঁওখনৰ নাম ঘাঁহি গাঁও হয়।

৩। প্ৰব্ৰজনকাৰী লোকসকলে তেওঁলোকৰ পূৰ্বৰ অঞ্চ বা গাঁৱৰ নামধৰি নতুন ঠাইখনত বসবাস কৰে। কোনে ঘাঁহি মানুহ থকা অঞ্চলৰ পৰা এই ঠাইত থিতাপি ঘাঁহিগাওঁ নাম দিব পাৰে। উল্লেখ্য যে- সূতসকলে অকল ঘাঁহি নহয়। ইয়াত বিভিন্ন সম্প্ৰদায়ৰ লোক আছে।

ঘাঁহিগাঁৱত প্ৰধানকৈ তিনিটা সম্প্ৰদায়ৰ লো বসবাস কৰি আছে- সূত, কায়স্থ আৰু ব্ৰাহ্মণ।

**কায়স্থ পৰিয়াল** ঃ- এই পৰিয়ালটি তিতাবৰ কাছজ অঞ্চলৰ পৰা অহা লোক। সদা তামুলী ফুকনক আহো ৰজাই উত্তৰ পাৰত চলা মানৰ আক্ৰমণ প্ৰতিহত কৰিব কাৰণে পঠায়। মানৰ আক্ৰমণ শেষ হোৱাৰ পিছ তামুলী ফুকন তিতাবৰলৈ ঘূৰি নগ'ল। এই ঘাঁহিগাঁৱ থিতাপি লয়। প্ৰবাদ আছে মানৰ তৃতীয় আক্ৰমণ তেখেতক আচম্বিতে মান সেনাই ঘেৰি ধৰে। তেখে বাহুবলেৰে দুজন মানসৈন্যৰ পৰা দুখন তৰোৱাল কা লৈ মানসৈন্যক কচু কটা দিয়ে। অসমীয়া মানুহ একত্ৰি হৈ মান বিলাকক কাটি-মাৰি খৰজানত (ঢকুৱাখনা কে পৰা ৫ কিঃ মিঃ পশ্চিমে উটাই দিছিল। বাকী থ কিছুমানক নদীৰ (চাৰিকড়ীয়া) সিপাৰে চাপৰি বেৰিধৰি জুই লগাই পোৰে। ফলত খাৰজান আ জুয়েপোৰা চাপৰি নামে বিদিত হ'ল (বাৰভূঞা- ধাতুৰ ভূঞা)।

সদা তামুলীয়ে বহুত মাটি অধিগ্ৰহণ কৰে চাৰিকড়ীয়া নদীৰ পৰা লোহাই জানলৈকে তেখেত মাটি বিস্তৃত আছিল। কন্যাক বিয়া দিয়া সূত্ৰে থান দাৰোগা এজনক দেৱেকা (দাৰোগা) পথাৰৰ মাটিখি আৰু বাপীৰাম ভূঞাক (মাধৰাম ভূঞাৰ দেউতাৰ কন্যাৰ লগত ভেটিমাটি আৰু খেতি মাটি প্ৰদান কৰে কন, নকুল, কমলা তামুলী আদি সদা তামুলীৰ নাতি তিতাবৰ কাছজানৰ পৰা অহা কাৰণে এই পৰিয়ালৰ কাছ পৰিয়াল বোলে। (পৰিয়ালৰ এজন বৃদ্ধ লোক পৰা লোৱা বিৱৰণ)।

**সূত সম্প্ৰদায়ৰ ভিতৰত (১) ম'হ গোৱালৰ পৰিয়াল** ঃ জনশ্ৰুতি অনুসৰি অসমত মানৰ আক্ৰমণৰ পূৰ্বে জীৱিকাৰ সন্ধানত যোৰহাট জিলাৰ চৰাইবাহী খঙীয়া গাঁৱৰ পৰা এই বংশৰ পূৰ্ব-পুৰুষ আহিছিল। চাৰিকড়ীয়া নদীৰ উত্তৰ দিশে শস্য-শ্যামলা ঘাঁহ বনেৰে উপচি থকা ভূমি ভাগত (বৰ্তমান ঘাঁহিগাঁও) কৃষি আৰু পশু-পালক হিচাবে এই পৰিয়ালটোৱে জীৱনৰ নিৰ্বাহ কৰে। ম'হগিৰি হিচাবে জীৱন-জীৱিকা ধাৰী বংশটো কালক্ৰমত 'ম'হ গোৱাল বংশ' নামে পৰিচিত হয়। শিক্ষা-দীক্ষা আৰু আৰ্থসামাজিক দিশত এই পৰিয়ালটিয়ে ঐতিহ্য আৰু ইতিহাসবহন কৰি আহিছে। (ম'হগোৱাল বংশাৱলীৰ পৰা)।

**(২) ঘোঁৰাচোৱা পৰিয়াল** ঃ অসম বুৰঞ্জীত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণ, অসমৰ আকাশত দুটপৰা কলামেঘ। ১৭৮৬ চনত উত্তৰ পাৰৰ মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবৰ বাবে গৌৰীনাথ সিংহই কিছুমান সৈন্য পঠাই বিফল হ'লত কলিকতাত থকা বৃটিছ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱলিচৰ সহযোগত কেপ্টেইন ওৱেলছৰ সহায়ত বিদ্ৰোহ দমন কৰি ১৭৯৪ চনৰ জুলাই মাহত গৌৰীনাথ সিংহক ৰাজ্যভাৰ গতায় কলিকতালৈ ঘূৰি যায়। নগাঁৱৰ কোনোবা এখন ভিতৰুৱা গাঁৱৰ সূত সম্প্ৰদায়ৰ যদুমণিৰ পুত্ৰ 'একাদশ ঘোঁৰাচোৱা বৰুৱা' ওৰফে গোপালক মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ পঠাইছিল। ওপৰত উল্লেখ কৰাৰ দৰে আহোম সেনা চত্ৰভংগ দিলে যদিও 'ঘোঁৰাচোৱা বৰুৱা' গোপাল ঢকুৱাখনাতে থাকি যায়। বৰ্তমান কোঁৱৰ গাঁৱতে থিতাপি লৈ থাকিল।

গোপালৰ পুত্ৰ সংৰাম আৰু তেওঁৰ পুতেক জীউৰাম বৰুৱা। জীউৰাম বৰুৱা (ঘিলামৰা, বেৰেজীয়া- বৰ্তমান গোহাঁই মৌজাৰ) মৌজাদাৰ আছিল। এবছৰ বানবিধ্বস্ত ৰাইজৰ পৰা খাজনা নুঠোৱাৰ কাৰণে তেওঁৰ মৌজা, সা-সম্পত্তি, মাটি-বাৰী চৰকাৰে বাজেয়াপ্ত কৰে। দুটা তেজেৰীৰ এটাত সোণ-ৰূপৰ অলংকাৰ মাটিত পুতি ৰাখিলে। আনটো নিলাম হোৱাত সাগৰমল কেঞাই ৰাখে। চৰকাৰৰ ভয়ত পুতি থোৱা তেজেৰীটো আজি পৰ্যন্ত উদ্ধাৰ নহ'ল। শেষত বংশটো তিনিভাগ হৈ এভাগ ঢকুৱাখনা ঘাঁহিগাঁৱলৈ আৰু এভাগ ভগামুখলৈ গুচি যোৱাৰ পিছত সমাজকৰ্মী মুক্তিযোদ্ধা চন্দ্ৰশেখৰ দাসদেৱৰ পৰিয়ালটি কোঁৱৰ গাঁৱতে থাকি যায়। (ঘোঁৰাচোৱা পৰিয়ালৰ বংশাৱলীৰ পৰা উল্লেখিত)।

**(৩) জোনাকৰ বংশ** ঃ বিশ্বনাথ চাৰিআলিৰ ডেকাবৰুৱা সৈন্যৰ দলত থকা এটা পাহৰাল ডেকাক ৰুদ্ৰসিংহ স্বৰ্গদেৱে গড়গাঁৱলৈ লৈ আহে। এজন পাৰদৰ্শী ব্যক্তি হিচাবে তেওঁক দিখৌমুখত থকা 'ৰামখা পীঠত' প্ৰশাসনিক দায়িত্ব দিয়ে। এইজনা বৰুৱাই হ'ল প্ৰখ্যাত গংগাধৰ বৰুৱা। এই বৰুৱাৰ আজোনাতি দুৰ্গাধৰ বৰুৱাৰ সৰুপুত্ৰৰ নাম হ'ল দেৱগিৰি। মানৰ আক্ৰমণৰ সময়ত এই দেৱগিৰি উত্তৰ পাৰলৈ পলায়ন কৰে। তেওঁ প্ৰথম আউনিআটি সত্ৰতে আশ্ৰয় লয়। কালক্ৰমত সত্ৰীয়া সংস্কৃতিৰ লগত তেখেতৰ বিশেষভাৱে পৰিচয় হয়। এবাৰ ঢকুৱাখনাৰ কেইজনমান লোকে সত্ৰত শৰণ ল'বলৈ যাওঁতে দেৱগিৰি বৰুৱাৰ লগত পৰিচয় হ'ল। তেওঁৰ পাণ্ডিত্যত মোহ গৈ তেখেতক ঢকুৱাখনালৈ আনি ঘাঁহি গাঁৱতে থাকিবলৈ দিয়ে।

ঘাঁহিগাঁৱৰ ভাওনা-সবাহ, গায়ন-বায়ন আদিত তেখেত আগৰণুৱা আছিল। ৰাইজে তেখেতক 'গায়নীয়া বড়া' পাতে। তেখেতে সাঁচিপতীয়া পুথি (পুৰণি অসমীয়া আখৰ থকা) কীৰ্ত্তন দশম, ভাগৱত আদি পঢ়ি সুন্দৰভাৱে ব্যাখ্যা দাঙিধৰাৰ হেতু গাঁৱৰ ৰাইজে দেৱগিৰিক নৈমিষাৰণ্যৰ ভাগৱত বক্তা 'সূত' উপাধিৰে বিভূষিত কৰাৰ লগতে সাংস্কৃতিক দিশত পাৰ্গত ব্যক্তি কাৰণে তেওঁক 'জোনাক' অৰ্থাৎ উজ্জ্বল পুৰুষ নামেৰে অলংকৃত কৰিছিল। পিছলৈ এই বংশটো

জোনাকৰ বংশ হিচাপে খ্যাত হয়। বৰ্ত্তমানলৈকে এই বংশ দশম পুৰুষত ভৰি দিছে। (ত্ৰিবেণী সংগম পৃঃ ৩১৩-১৪)।

(৪) **ডাকদাৰ বংশ ঃ** মানৰ আক্ৰমণৰ সময়ত দিখৌমুখ অঞ্চলৰ গোৱাল গাঁৱৰ পৰা দুজন ককাই-ভাই (চফল ডেকা) ব্ৰহ্মপুত্ৰ পাৰহৈ উত্তৰ পাৰলৈ আহে। ঢকুৱাখনাতে তেওঁলোকে থিতাপি লয়। নিজ গাঁৱৰ স্মৃতি ৰাখি তেওঁলোকে বাসকৰা গাঁওখনৰ নাম গোৱাল গাওঁ ৰাখে। পিছে ভায়েক গোৱাল গাঁৱতে থাকিল যদিও ককায়েকে সূতকুলীয়া ছোৱালী বিয়া কৰাই ঘাঁহি গাঁৱত বাসস্থান লয়। দিখৌমুখৰ 'ৰামখা দেওশালৰ সংস্কৃতিয়ে পৰিপূৰ্ণ মদন বৰুৱাই এক্ৰেঠাইৰ পৰা অহা দেৱগিৰিৰ লগত ভাওনা সবাহ আদি মাংগলিক অনুষ্ঠানত পাকৈত ব্যক্তি হৈ পৰিল। শিক্ষিত ডেকা কাৰণে কোনো এক মৌজাদাৰৰ ডাকদাৰ বিষয়া (মৌজাদাৰৰ জবিকাৰ) হৈ কাৰ্যনিৰ্বাহ কৰাৰ কাৰণে পৰিয়ালটোক পিছত ডাকদাৰ পৰিয়ালৰূপে পৰিচিত হয়। (কিংবদন্তি অনুসৰি)।

এই চাৰিটা বিশেষ পৰিয়ালৰ বাদেও বিভিন্ন ঠাইৰ পৰা প্ৰব্ৰজন হোৱা- খৰনিযোৱা বংশ, দীনাই বংশ, এমাৰি বংশ, ৰঘুবুঢ়াবংশ, নদীভদৰ বংশ, মাধীবুঢ়া বংশ, কণেশ্বৰ (নিৰোপায়) বংশ আদি সৰু বৰ সাতটামান বংশৰ লোকে এই গাঁৱত বসতি কৰি আছে। গাওঁখনত পূৰ্বতে এটাই ব্ৰাহ্মণ পৰিয়াল আছিল। ইয়াৰ এটা ঠালৰ কুশৰাম শৰ্মাৰ পৰিয়ালটো পুৰোহিতৰ পৰিয়াল বুলি খ্যাত।

সামাজিক আৰু সাংস্কৃতিক দিশত গাঁওখন বহু আগবঢ়া। 'জোনাক' আৰু 'ডাকদাৰ' পৰিয়ালৰ লোকেই ভাওনাৰ গীত-মাত, গায়ন-বায়ন আদিত সদায় আগভাগ লয়। তদুপৰি ত্ৰিশদশক মানতে শিৱসাগৰৰ জাঁজি অঞ্চলৰ পৰা ৰূপেশ্বৰ বায়নক সিধা দি গাঁৱতে ৰাখি শংকৰী ক'লা-কৃষ্টিৰ গায়ন-বায়ন, গীত-মাতৰ শিক্ষা লোৱা হয়। প্ৰতিবেশী গাঁওবিলাকেও এই গায়নীয়া গীত মাতৰ শিক্ষা লয়। অঞ্চলটোৰ ভিতৰত ঘাঁহি গাঁৱৰ ভাওনা উল্লেখনীয়। দৰ্শকৰ সমাগম বেছি হোৱাৰ কাৰণে নামঘৰৰ সন্মুখৰ মুকলি ঠাইত বৰচাপৰিৰ পৰা 'মতাকুলি গছৰ খুঁটা আনি ৰভা তৈয়াৰ কৰি ভাওনা প্ৰদৰ্শন কৰা হয়। পোহৰৰ কাৰণে কেৰাচিন তেলৰ আঁৰিয়া আৰু পেট্ৰ'মাক্স লাইট আদি ব্যৱহাৰ কৰা হয়। ১৮৯৭ চনৰ বৰভূইকঁপৰ পিছৰ পৰাই এই বাৰ্ষিক ভাওনা প্ৰদৰ্শনৰ ধাৰা বাহিকতা বিদ্যমান। কিশোৰ অৱস্থাতে উপভোগ কৰা গাঁৱৰ পৰশুৰামৰ মাতৃহত্যা' ভাওনাখনৰ স্মৃতি মোৰ এই উনাশী বয়সতো মানস পটত ভাঁহি আছে।

১৯৬৯ চনত আৰম্ভ হোৱা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ ঢকুৱাখনা অঞ্চলৰ গাঁওবিলাকৰ ভিতৰত প্ৰথম। তিনিদিনীয়াকৈ ৰাসমহোৎসৱ পাতিও দৰ্শকক আসন দিব নোৱাৰা উদাহৰণ আছে। ১৯৮৬ চনৰ ৪ এপ্ৰিল তাৰিখে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা (পঞ্জীয়ন নং ৭৮১) ২০০০.০০ (দুই হাজাৰ) টকাৰ অনুদান পায়। ১৯৯৩ চনৰ ২৯ নৱেম্বৰত ৰাসলীলা মহোৎসৱৰ ৰূপালী জয়ন্তী পালন কৰা হৈছে। ২০১৯ চনত অনুষ্ঠিত হ'বলগা সোণালী জয়ন্তীলৈ সাংস্কৃতিক টঙালি বন্ধা হৈছে। ভাস্কৰ নাটমন্দিৰৰ সৌজন্যতে গাঁৱৰ ৰাস, ভাওনা, থিয়েটাৰ সবাহ আদি অনুষ্ঠানবিলাক পতা হয়। এই গাঁৱৰ মুকুল পুথিভঁৰাল আৰু মুকুল মইনা পাৰিজাত আন এক অনুষ্ঠান। ১৯৫৪ চনত গাঁৱৰ যুবক বৃন্দই মাজুলীৰ হালধিবাৰী পৰ্যন্ত অঞ্চলত হুঁচৰি গাই অৰ্থ সংগ্ৰহ কৰি এই মুকুল পুথিভঁৰালটো প্ৰতিষ্ঠা কৰা হয়। গাঁওখনৰ উপৰিও প্ৰতিবেশী গাওঁ বিলাকৰ ল'ৰা-ছোৱালীয়ে এই পুথিভঁৰালৰ পৰা কিতাপ আলোচনী আদি পঢ়ি উপকৃত হৈ ছিল। ১৯৬২ চনৰ প্ৰলয়ংকাৰী বানপানীত পুথিভংৰালটো আৰু আচবাব বিলাক ডুব যোৱাৰ কাৰণে কিতাপ-পত্ৰ বিলাক নষ্ট হয়। সুখৰ বিষয় যে এই মৃতপ্ৰায় পুথিভঁৰালটো (২০১৩ চন) গাঁৱৰ উদিয়মান যুবক আৰু সচেতন ব্যক্তি কেইজনমানে নতুনকৈ ঘৰ দুৱাৰ নিৰ্মাণ কৰি আৰম্ভ কৰিছে।

এই গাঁওখনৰ আন এটি সাংস্কৃতিক পৰম্পৰা হ'ল হুঁচৰি আৰু বিহু উৎসৱ। ঔগুৰি পথাৰত স'ৰা আৰু জামু গছৰ তলত ডেকা আৰু গাভৰুৱে পৃথকে পৃথকে ৰাতি বিহু মৰাৰ কথা বুঢ়ালোকৰ মুখত শুনিবলৈ পাইছিলো। এই পৰম্পৰা বৰ্ত্তমানো বিদ্যমান। ফাটবিহুৰ আৰম্ভণি বছৰ কেইটাত হুজগাঁও, ঘাঁহিগাঁও আৰু বান্তৌ গাঁৱৰ বিহু দলে সন্মান বুটলা পৰিলক্ষিত হয়। ঘাঁহিগাঁৱৰ যুৱক-যুৱতীয়ে পঞ্চম বছৰৰ কাৰণে (২০১৪ চনত) তিনিমহলীয়া ভেলা ঘৰ সজা 'ঔগুৰি ভোগালী' উৎসৱক চাই মহকুমাধিপতি অনুপম চৌধুৰীয়ে ভূয়সী প্ৰশংসা কৰি গৈছে। ২০১৫ চনতো এই উৎসৱ পালন কৰা হয়।

গাঁওখনত কেইবাটাও গোষ্ঠীয়ে বসবাস কৰিছে আৰু তিনিটাকৈ ধৰ্মীয় অনুষ্ঠান গাঁওখনত আছে। সম্প্ৰীতিৰ ক্ষেত্ৰত গাঁওখন আগবঢ়া। গাঁৱৰ ৰাস-ভাওনা, বৰসবাহ আদি সামাজিক কাম-কাজত পুৰুষ-মহিলা, যুৱক-যুৱতী সকলো একগোট হৈ কাম কৰে। তদুপৰি আমাৰ গাঁৱৰ লগত আন গাঁৱৰ সৈতে হোৱা অসবৰ্ণ বিবাহৰ মুক্ত আচৰণে সম্প্ৰীতিৰ বান্ধনটো আৰু কটকটীয়া কৰি তুলিছে।

উল্লেখ্য যে ১৮৫৩ চনত ঢকুৱাখনাত চৰকাৰী ভাৱে হোৱা ঢকুৱাখনা প্ৰাথমিক বিদ্যালয়খনি (ঢকুৱাখনা চৰকাৰী মজলীয়া স্কুলৰ ভেটিত প্ৰতিষ্ঠিত) জন্মভেটি ঘাঁহিগাঁও। ইয়াৰ পৰা কোঁৱৰ গাঁও পিছত বালিগাঁৱলৈ স্থানান্তৰিত হোৱাৰ পিছত বৰ্ত্তমান উল্লেখিত ভেটিলৈ যায়। ১৯৩৬ চনত স্থাপিত হোৱা ঢকুৱাখনা হাইস্কুলখন (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) ঘাঁহিগাঁৱৰ মাটিতে ঁ চন্দ্ৰশেখৰ দাসদেৱৰ যত্নতে প্ৰতিষ্ঠিত হয়।

বৃটিছৰ শাসন কালত মৌজাদাৰৰ চ'ৰাটো আছিল আদালত। বিচাৰপতি মৌজাদাৰ। কাৎচিতহে মোৰ্কদমা বিলাক আদালতলৈ গৈছিল। আমাৰ গাঁৱৰ যাৱতীয় মেল-মিটিং বিলাকৰ বিচাৰ পুৰোহিত দেউৱে (কুশৰাম শৰ্মা) কৰিছিল। নিৰপেক্ষ চিন্তাধাৰাৰে দেউৱে যিটো বিচাৰৰ ৰায়দান দিব-সি শিলৰ ৰেখাৰ ব্যতিক্ৰম হ'ব নোৱাৰে।

অতীজতে গাঁৱৰ সামাজিক বান্ধোন কটকটীয়া আছিল- আউসী, একাদশী, পূৰ্ণিমা তিথিত হালবালে দণ্ড ভৰিব লাগিছিল, কোনোবাই মদখালে সামাজিকভাৱে ক্ষমাখুজি উৰ্দ্ধাৰণি হ'ব লাগিছিল, গাঁৱত কোনোবাই কুকুৰা পুঁহিলে ৰাইজে এঘৰীয়া কৰিছিল- এতিয়া সেই দিন নাই। গাঁৱত এতিয়া মদ তৈয়াৰ কৰা গৃহস্থি- মদৰ দোকান আছে। আগেয়ে গাঁৱৰ হয়তো দহজনে মদ খাইছিল এতিয়া গাঁৱত হয়তো দহজনো মদ নোখোৱা মানুহ নাই। কুকুৰা-গাহৰি পোহা অবাধ গতি, এতিয়া 'কালৰো কাল বোলে হৰিণাই চেলেকে বাঘৰ গাল'।

ঘাঁহি গাঁওখনি আৰম্ভণিতে মাত্ৰ দুটা চুবুৰী আছিল— উজনি আৰু ভাটীচুক বা চুবুৰী। চাপৰি চুবুৰীটো (৩ য়টো) নতুনকৈ সৃষ্টি হোৱা। দুফালে দুটা হোলাৰ মাজত নতুনকৈ সৃষ্টি হোৱা এই চুবুৰীটো। পূৰ্বতে কোঁৱৰ গাঁৱৰ মানুহে ইয়াতে গৰুখুঁটি দিছিল। বৰ্ত্তমান ১২০ ঘৰৰ অধিক লোকৰ বসতি।

*লেখকৰ ঠিকনা*


*আমোলাপট্টি, ঢকুৱাখনা*

০০০০০

# সংৰক্ষণ আৰু অৰ্থনৈতিক দৃষ্টিকোণেৰে ফাটবিহু

লোহিত ডেকা

সভ্যতা বিকাশৰ প্ৰক্ৰিয়াটোত সমগ্ৰ পৃথিৱীৰেই মানুহৰ সমাজৰ চাৰিওফালৰ পৰিবেশ অহৰ্নিশে সলনি হ'বলৈ ধৰিছে। গতিকে স্বাভাৱিকতেই সাংস্কৃতিক জগতৰ পৰিবেশো সলনি হৈছে। অসমতো ইয়াৰ প্ৰভাৱ নপৰাকৈ থকা নাই। আজিৰ পৰা ২০-২৫ বছৰ আগতে প্ৰাথমিক বা মাধ্যমিক বিদ্যালয়ত পঢ়া কালত ছাত্ৰ-ছাত্ৰীসকলে বিহুৰ বিষয়ে ৰচনা লিখোতে লিখা কথাবোৰ এতিয়া অসংলগ্ন যেন লগা হৈছে। বিহু সংস্কৃতিৰ বিষয়ে বৰ্ণনা কৰোতে দাঙি ধৰা দৃশ্যবোৰ এতিয়া গাঁওবোৰতো ক্ৰমান্বয়ে দুৰ্লভ হ'বলৈ ধৰিছে। পুৰণি বিহুনামবোৰত বৰ্ণনা কৰা কথাবোৰ আচহুৱা যেন পাই নতুন প্ৰজন্মই সেইবোৰ গাবলৈ বা শুনিবলৈ নিবিচৰা হৈছে। কেৱল কোৱা কথাক বিশ্বাস নকৰা নতুন প্ৰজন্মক বিশ্বাস জন্মাবলৈ কোনোবা অত্যুৎসাহীয়ে দৃশ্য-শ্ৰব্য মাধ্যমত পুৰণি পৰম্পৰাৰ কিবা দৃশ্য তুলি ধৰিবলৈ চেষ্টা কৰিলেও কৃত্ৰিমতা ধৰিব পাৰি বা আজিৰ প্ৰেক্ষাপটত আচহুৱা যেন দেখি তেওঁলোকে সেইবোৰ প্ৰত্যাখ্যান কৰিছে। তাৰ পৰিৱৰ্তে নবীনসকলে নতুন চিন্তাৰে উদযাপনৰ প্ৰচেষ্টা চলাইছে। কিছুমানে বিহুনামৰ ঠাচত নিজে ভাল পোৱা ধৰণে গীত ৰচনা কৰি, সুৰ দি গাইছে বা গোৱাইছে। কিছুমানে আকৌ অ'ৰ ত'ৰ পৰা পুৰণি গীতৰ কথা সংগ্ৰহ কৰি নতুন সুৰ সংযোজনেৰে সেইবোৰ গাইছে। তেনে শিল্প আৰু শিল্পীবোৰক নতুন সমাজখনে আগ্ৰহেৰে আকোঁৱালীও লৈছে। তাকে দেখি প্ৰবীনসকলে নবীনসকলক কঠোৰ ভাষাৰে সমালোচনা কৰিছে আৰু বাপতি সাহোন সমূলঞ্চে বিনষ্ট হোৱাৰ আশংকা কৰি মুষ্টিমেয় কেইজনমানে পৰাখিনি জীয়াই ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। ফলত বিহুটোক একেৰূপতে পালন কৰি যাবলৈ চেষ্টা কৰা আৰু নকৰা





দুটা দলৰ মাজত একপ্ৰকাৰ সংঘাত হৈছে। এনে পৰিস্থিতিত কি কৰা উচিত সেই বিষয়ত বিস্তৰ আলোচনাৰ অৱকাশ আছে। কিন্তু আজি সংস্কৃতি সম্পৰ্কীয় অন্য এটা বিষয়হে আলোচনা কৰিবলৈ ওলাইছো।

মানুহৰ সংস্কৃতিৰ ভেটিটো অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত হয়। এই কথা বহলাই কোৱা প্ৰয়োজন নাই যে আজি আমি বিহুনামক পুৰণি আৰু নিভাঁজ সংস্কৃতিৰ বাহক বুলি কওঁ, সইবোৰ উৎপত্তি হোৱা কালত আমাৰ সংস্কৃতিৰ ভেটিটো এশ শতাংশই কৃষি অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। সেইবোৰত চহা লোকজীৱনৰ জীৱন প্ৰণালী সৰলভাৱে প্ৰকাশিত হোৱা কথাই নিশ্চয় তাকেই প্ৰমাণ কৰে। সময় পৰিবৰ্তনৰ লগে লগে বিহুনামৰ কথা, নাচোন ভংগী, নচাৰ পৰিবেশ সকলো এতিয়া সলনি হৈছে। পিঠা-পনা, হুঁচৰি আদিৰ সতে জৰিত এতিয়া সম্পূৰ্ণৰূপে কৃষকসকলৰ সৰল জীৱন প্ৰক্ৰিয়াৰ সতে জৰিত নহয়। এই সকলোবোৰৰ সতে এতিয়া একপ্ৰকাৰ উদ্যোগিক অৰ্থনীতি জৰিত হৈ পৰিছে। ইলেকট্ৰনিক, গাড়ী-মটৰ, বস্ত্ৰ, বিভিন্ন প্ৰসাধন সামগ্ৰী আদি উৎপাদনকাৰী উদ্যোগ আৰু সৰ্বোপৰি পৰ্যটন উদ্যোগ জড়িত হৈ পৰিছে। সেয়েহে দক্ষ ঢুলীয়া-নাচনী এতিয়া গাঁৱত পাবলৈ নোহোৱা হৈছে। এই কথা অপ্ৰিয় হলেও আমি মানি লবই লাগিব যে বিহু আজি একপ্ৰকাৰ নগৰীয়া আৰু ধনবানসকলৰ সংস্কৃতিহে হৈ পৰিছে। তথ্য-প্ৰযুক্তিৰ বিস্ফোৰণৰ দিনত উদ্যোগিক অৰ্থনীতি জৰিত হৈ পৰা কাৰ্যই পৰিৱৰ্তনৰ গতিক অধিক ক্ষীপ্ৰ কৰি তুলিছে। এনে প্ৰেক্ষাপটত আমাৰ কৌতিকলীয়া সংস্কৃতিৰ ভেটিটো সাম্প্ৰতিক বিশ্বৰ ভোগবাদী সমাজ আৰু পুঁজিপতিৰ আগ্ৰাসনে ভাঙি চূৰমাৰ কৰিলে বুলি কেৱল চিঞঁৰ-বাখৰ কৰি ইয়াৰ পুৰণি ৰূপটো কিমান দিনলৈ ৰক্ষা কৰিব পৰা যাব কব নোৱাৰি। আমাৰ ব্যক্তিগত ধাৰণা, সাম্প্ৰতিক সময়ৰ সতে খাপ খোৱাকৈ যিমান পৰা যায় সোনকালে এক ফৰপ্ৰসু মধ্যম-পন্থা উদ্ভাৱন নকৰিলে আমাৰ পৰম্পৰাৰ সাক্ষৰ বহন কৰা বহুতো সাংস্কৃতিক উপাদান ইতিহাসৰ সমল হৈও নাথাকিবগৈ। এতিয়া এই মধ্যম পন্থাটো কি হ'ব? এই মধ্যম পন্থাটো হ'ব লাগিব বিশেষত্বপূৰ্ণ ঐতিহ্যৰে সংলগ্ন, যুগসাপেক্ষ আৰু অৰ্থনৈতিকভাৱে লাভজনক।

বাৰু এইবোৰ কথা পিছলৈ থলো। বৰ্তমান অৱস্থাত বিহুৰ সতে জড়িত অৰ্থনীতিৰ দিশটোলৈ লক্ষ কৰিলে আমি দেখা পাওঁ যে বিভিন্ন উপভোক্তা সামগ্ৰীৰে বজাৰখন বিহুৰ কেইদিনৰ বাবে বিশেষভাৱে সজাই পেলোৱা হয় আৰু অসমীয়াৰ আবেগ উদ্বেলিত কৰি সামগ্ৰী বিক্ৰীৰ অভিযান চলোৱা হয়। আধুনিক ব্যৱসায় ব্যৱস্থাপনাত যি কোনো সাম্ভাব্য বজাৰ আবিস্কাৰ কৰি তেনেদৰে কৌশলেৰে উদ্যোগবোৰ নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰে। ইয়াকেই ব্যৱস্থাপনা বিজ্ঞানৰ ভাষাত "মাৰ্কেটিং" বুলি কোৱা হয়। মাৰ্কেটিঙৰ বাবে বিক্ৰী কৰিবলৈ কিছুমান সামগ্ৰী আৰু এখন বজাৰৰ নিতান্ত প্ৰয়োজন। সাম্প্ৰতিক বিশ্বত পৰ্যটন এক বৃহৎ উদ্যোগৰূপে গঢ়ি উঠিছে আৰু এই উদ্যোগৰ সামগ্ৰী বিক্ৰীৰ বাবে সমগ্ৰ বিশ্বতেই এখন বিশাল বজাৰ আছে। অসমত এই উদ্যোগ এতিয়াও সু-সংগঠিত ৰূপত গঢ়ি উঠা নাই। অৰ্থাৎ আমাৰ সম্পদবোৰক উদ্যোগটোৰ বাবে উপযুক্ত ৰূপত আগবঢ়াই দিয়াৰ ক্ষেত্ৰত আমি বহুত কৰিব লগা আছে। বনাঞ্চল, বন্যপ্ৰাণী আৰু বিভিন্ন জনগোষ্ঠীৰ বাৰেবৰহণীয়া সংস্কৃতি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন উদ্যোগৰ বাবে গুৰুত্বপূৰ্ণ প্ৰডাক্ট। সাম্প্ৰতিক বিশ্বৰ পৰ্যটনৰ বজাৰখনত আমাৰ সামগ্ৰীবোৰ সজাই-পৰাই মেলি ধৰিব পাৰিলে সংস্কৃতিয়ে আমাৰ দুখীয়া ৰাজ্যখনৰ অৰ্থনৈতিক দিশলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। সংস্কৃতি সংৰক্ষণৰ হকে কাম কৰা সকলে এতিয়া অৰ্থনীতিৰ সতে সংস্কৃতিৰ সম্পৰ্কৰ বিষয়টো গুৰুত্বসহকাৰে বিচাৰ কৰাৰ সময় আহি পৰিছে। তাকে

নকৰিলে অতি ক্ষীপ্ৰতাৰে পৰিবৰ্তিত সমাজখনত আমাৰ ঘাই শিপাডাল ধৰি ৰখা সংস্কৃতি সতে জড়িত অৰ্থনীতিৰ অধ্যয়নক আধুনিক অৰ্থবিজ্ঞানে সাংস্কৃতিক অৰ্থনীতি বুলিছে। সাংস্কৃতি অৰ্থনীতি বা Cultural Economics হ'ল অৰ্থনীতিৰ এটা ভাগ য'ত অৰ্থনৈতিক পৰিণামবোৰৰ সতে সংস্কৃতিৰ সম্পৰ্কৰ কথা আলোচনা কৰা হয়।

এতিয়া অসমৰ লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ঐ তিহ্যমণ্ডিত ফাট-বিহুৰ প্ৰসঙ্গলৈ আহোঁ। আহোমে ৰজাদিনীয়া এই ঐতিহ্যহাসিক পৰম্পৰা পালনক লৈ ঢকুৱাখনাবাসীৰ উচাহৰ সীমা নাই। আধুনিক শিক্ষাৰে শিক্ষিত ঢকুৱাখনাৰ এচাম কষ্টসহিষ্ণু উদ্যমীৰ প্ৰচেষ্টাত এতিয়া প্ৰতিবছৰে ফাট-বিহু উদ্‌যাপন কৰা হয়। সময়ৰ সতে খাপ খুৱাই অনুষ্ঠানৰ আয়োজন কৰিলেও কিছুমান পৰম্পৰাগত নিয়ম-নীতি ফাট-বিহু উদ্‌যাপন কৰোতে ঢকুৱাখনাবাসীয়ে কঠোৰভাৱে পালন কৰি আহিছে। উদাহৰণ স্বৰূপে পৰম্পৰাগত সাজপাৰ নিপিন্ধিলে কাকো মঞ্চত উঠিবলৈ নিদিয়া, দলীয় পৰিবেশনৰ সময়ত জাকজমকীয়া সাজপাৰৰ ওপৰত গুৰুত্ব নিদিয়া ইত্যাদি। এই কাৰ্যই ফাটবিহুক এক স্বকীয় মাত্ৰা প্ৰদান কৰিছে আৰু আমি ব্যক্তিগতভাৱে কিছুমান ম নুহৰ পৰা লাভ কৰা প্ৰতিক্ৰিয়া অনুসৰি পৰম্পৰাগত নিয়ম-নীতিখিনি কঠোৰভাৱে পালন কৰা কাৰ্যক ৰাইজে আদৰিও লৈছে। এই কাৰ্য যেন ফাট-বিহুৰ Unique Selling Point (USP) হৈ পৰিছে। আন কথাত ক'ব পাৰি এই কাৰ্যই ৰাইজক ফাটবিহুৰ প্ৰতি আগ্ৰহী কৰি তুলিছে আৰু ফলত ফাটবিহুলৈ পৰ্যটকৰ আগমনো বাঢ়িছে। ঘৰুৱা বা দেশী পৰ্যটক হলেও ইয়াৰ সংখ্যা বৃদ্ধিয়ে ঢকুৱাখনাত ফাটবিহুক কেন্দ্ৰ কৰি গঢ়ি উঠা অৰ্থনীতিৰ কলেৱৰ বৃদ্ধি কৰিব। এই কথাই নিশ্চয় ঢকুৱাখনাৰ সামগ্ৰীক অৰ্থনীতিত প্ৰভাৱ পেলাব। আমি আশা কৰিব পাৰো, আগন্তুক চাৰি-পাঁচ বছৰত ফাটবিহু উপভোগ কৰিবলৈ অহা মনুহৰ সংখ্যা বৰ্তমানতকৈ কমেও দুগুণ বৃদ্ধি পাব। তেতিয়া ৰাজ্যৰ বাহিৰৰ বা বিদেশী পৰ্যটকৰ কথা বাদ দিলেও অসমৰেই, ঢকুৱাখনাৰ বাহিৰৰ অন্ততঃ দুহেজাৰ লোকক উৎসৱৰ কেইদিনৰ বাবে থকা-খোৱাৰ ব্যৱস্থা কৰি দিব লাগিব। তেনে লোকসকলৰ প্ৰত্যেকৰ পৰা থকা-খোৱাৰ নামত কমেও পাঁচ হাজাৰ টকাকৈ পালেও উৎসৱৰ কেইদিনত ঢকুৱাখনাৰ ৰাইজে এক কোটি টকা উপাৰ্জন কৰিব পাৰিব। বয়ন, কুটিৰ শিল্প বা অন্যান্য বিষয়বোৰৰ পৰা হবলগা লাভৰ কথা বাদেই দিলো। আৰু এটা কথা, অধিক পৰ্যটক আকৰ্ষণৰ প্ৰৱণতাৰে ফায়বিহুক জীয়াই ৰখা প্ৰচেষ্টাই বৰ্তমানৰ বিকাশৰ প্ৰক্ৰিয়াত ক্ষীপ্ৰতা হেৰাই যাবলৈ ধৰা আমাৰ সাংস্কৃতিক পৰম্পৰাবোৰ জীয়াই ৰখাত সহায় কৰিব। আচলতে আৰ্থিক উপাৰ্জনৰ চিন্তাৰে আগবঢ়া পৰ্যটনে আধুনিক সমাজত সাংস্কৃতিক ঐতিহ্যবোৰ বৰ্তাই ৰখাৰ যুক্তি-যুক্ততা প্ৰতিপন্ন কৰে। সেই যুক্তিৰে আমি কব পাৰো ফাটবিহুক কেন্দ্ৰ কৰি ঢকুৱাখনাক পৰ্যটন কেন্দ্ৰ হিচাবে গঢ়ি তোলা হওক।

এতিয়া কথা হল ফাটবিহুক কেন্দ্ৰ কৰি যদি ঢকুৱাখনাক পৰ্যটন কেন্দ্ৰ হিচাবে গঢ়ি তুলিব লাগে তেনেহলে কেইটামান কথাৰ ওপৰত প্ৰথমাৱস্থাত বিশেষ গুৰুত্ব দিব লাগিব। আমি ভাবো -

১। উৎসৱ প্ৰতি বছৰে একেকেইটা দিনত উদযাপন কৰিব লাগিব আৰু দেশ-বিদেশৰ পৰ্যটন কেন্দ্ৰ, পৰ্যটন ব্যৱস্থাপক সংস্থা বা টুৰ অপাৰেটৰ তথা বাণিজ্যিক দূতাবাসবোৰৰ জৰিয়তে প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগিব। প্ৰথমাৱস্থাত এনে প্ৰতিষ্ঠানবোৰৰ লগত জড়িত ব্যক্তিৰ সতে আলোচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

২। উৎসৱৰ কাৰ্যসূচী সজাওঁতে ফাটবিহুৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়াৰ লগতে ৰঙালী বিহুৰ সামগ্ৰীক ৰূপ এটা ডাঙি ধৰাত মনোযোগ দিব লাগিব। মুঠতে ফাট-বিহুৰ উপাদানবোৰ পৰ্যটকৰ বাবে সদায় আকৰ্ষণৰ কাৰক হৈ থাকিব লাগিব। আন কথাত কবলৈ গলে - আৰ্থিক বিকাশৰ কথা আগত ৰাখি ব্যৱস্থাপনাৰ প্ৰক্ৰিয়াটো এনে লাগে যাতে সাংস্কৃতিক সমন্বয়, অত্যাৱশ্যকীয় পাৰিপাৰ্শিক প্ৰক্ৰিয়া, জৈৱ বৈচিত্ৰ আৰু জীৱন ৰক্ষাকাৰী প্ৰণালীবোৰ আগবঢ়াই নিয়াৰ লগে লগে অৰ্থনৈতিক, সামাজিক আৰু নান্দনিক প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব পৰা যায়।

৩। উৎসৱ উপভোগ কৰিবলৈ অহা পৰ্যটকসকলৰ বাবে হোটেল, ৰিজ'ট, গেষ্টহাউচ বা তেনেধৰণৰ উপযুক্ত থকা-খোৱাৰ ব্যৱস্থা কৰিব লাগিব। ঢকুৱাখনাৰ সমৰ্থবান সকলে ঘৰৰেই এটা বা দুটা কোঠা সজাই লৈ এনে ব্যৱসায়ত জড়িত হোৱাৰ লগতে সংস্কৃতি সংৰক্ষণ অভিযানৰ অংশীদাৰ হব পাৰে। এই কাৰ্যৰ বাবে প্ৰয়োজনীয় মানৱ সম্পদ গঢ়ি তুলিবলৈ স্থানীয় এচাম যুৱক-যুৱতীক উপযুক্ত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। এই সকলোবোৰৰ বাবে চৰকাৰ বা সংশ্লিষ্ট বিভাগবোৰক হেঁচা প্ৰয়োগ কৰি প্ৰয়োজনীয় ব্যৱস্থা লবলৈ বাধ্য কৰিব পৰা যায়।

৪। উৎসৱৰ কেইদিনত চাব পৰাকৈ সমগ্ৰ ঢকুৱাখনাক নহলেও অন্ততঃ এখন গাঁও 'আদৰ্শ গাঁও' হিচাবে আৰু দুই-তিনিখন চোমনি 'আদৰ্শ চোমনি' কৰি গঢ়ি তুলিব পাৰে। আদৰ্শ গাঁও গঢ়ি তোলাৰ প্ৰক্ৰিয়াটো ঢকুৱাখনাবাসীয়ে আৰম্ভ কৰি স্থানীয় বিধায়ক আৰু সাংসদৰ চৰকাৰী আঁচনিৰ জৰিয়তে ৰূপায়ন কৰিব পাৰে। চোমনি সংৰক্ষণৰ বাবে অঞ্চলটো প্ৰদূষণমুক্ত কৰি ৰখাটো গুৰুত্বপূৰ্ণ। সেয়েহে অঞ্চলটোত প্ৰদূষণকাৰী উদ্যোগ স্থাপন নোহোৱাটো নিশ্চিত কৰিব লাগে।

৫। ফাটবিহু সম্পৰ্কত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰৰ ব্যৱস্থা কৰাটো ঢকুৱাখনাক পৰ্যটন কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত অন্যতম প্ৰচেষ্টা হব। ফাটবিহু উদযাপন সমিতিয়ে এই ক্ষেত্ৰত এটা কথা নিশ্চিত কৰিব পাৰে, সেয়া হল - প্ৰতি বছৰে একোজনকৈ ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ভ্ৰমণ লেখকক নিমন্ত্ৰণ কৰাটো।

৬। পৰ্যটকক আদৰণি আৰু আপ্যায়ন কৰিবলৈ সমগ্ৰ ঢকুৱাখনাবাসী মানসিকভাৱে দৃঢ়তাৰে প্ৰস্তুত হ'ব লাগিব। কিন্তু সমান্তৰালকৈ পৰ্যটনৰ ব্যৱসায়ীক দিশলৈ অধিক গুৰুত্ব দিওঁতে যাতে পৰিৱেশ প্ৰদূষিত নহয়, কোনো জনগোষ্ঠী বিশেষৰ ক্ষতি নহয় বা কাৰোবাৰ সংস্কৃতি বিলুপ্ত নাযায় সেই কথাৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। এতিয়াৰে পৰাই গোটা পেলনীয়া সামগ্ৰী ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশেষভাৱে চকু দিব লাগিব। কাৰণ অনিয়ন্ত্ৰিত পৰ্যটনে পৰিৱেশ আৰু সংস্কৃতি ধ্বংস কৰাৰ উদাহৰণ অনেক আছে।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত সাংস্কৃতিক পৰ্যটনৰ প্ৰধান ঘাটি আমি গাঁওবোৰত গঢ়ি তুলিব পাৰো আৰু আচলতে তেনে কৰিলেহে উদ্যোগটোৰ পৰা উপাৰ্জিত ধনৰ প্ৰধান ভাগটো প্ৰকৃত অংশীদাৰসকলে লাভ কৰিব। এই কাৰ্যৰ দ্বাৰা আমাৰ সংস্কৃতিৰ জীৱন্ত যাদুঘৰবোৰ চাই দেশ-বিদেশৰ পৰ্যটকসকলো উপকৃত হব আৰু তেওঁলোক বাৰে বাৰে আমাৰ মাজলৈ আহিবলৈ ইচ্ছা প্ৰকাশ কৰিব। আমাৰ এক দুৰ্বলতা হ'ল - আমি পৰ্যটনৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক লাভালাভৰ কথাবোৰক গুৰুত্বসহকাৰে বিচাৰ নকৰো আৰু সেই সম্পৰ্কত জানিবলৈ চেষ্টা নকৰো। সেই সম্পৰ্কত আমাৰ সজাগতা, শিক্ষা বা প্ৰয়োজনীয় প্ৰচাৰ নোহোৱাটোৱেই আমি পিছ পৰি থকাৰ মূল কাৰণ।

*লেখকৰ ঠিকনা ঃ-*
আকাশবাণী
মলখুৱছা, ডিব্ৰুগড়

০০০০০

# বিহু নামত সাহিত্যৰ নৱ ৰস

বিভিন্ন যুগত বিভিন্ন জনগোষ্ঠীয়ে ভাৰতবৰ্ষত বসবাস কৰিছিল আৰু নিজা নিজা সংস্কৃতি প্ৰতিষ্ঠা কৰি সংমিশ্ৰিত সাংস্কৃতিক উপাদানেৰে ভাৰতীয় সংস্কৃতিক এক সুসংহত ৰূপত সৃষ্টি কৰি এক সংমিশ্ৰিত সংস্কৃতি গঢ় দিছিল। নিগ্ৰো, অষ্ট্ৰিক, দ্ৰাবিড় আৰু মঙ্গোলীয় ভাষা-ভাষী মানুহৰ সংস্কৃতিৰ বাছকবনীয়া সংস্কৃতিৰ বৰ্তমান ভাৰতীয় সংস্কৃতিত নিহিত হৈ থাকিলেও কিন্তু ভাৰতীয় সংস্কৃতি বিশেষভাৱে আৰ্যমূলীয়া। বিশেষকৈ ধৰ্ম আৰু ভাষা আৰ্যমুখী। ধৰ্ম আৰু ভাষাৰ কেন্দ্ৰত যিবোৰ সাংস্কৃতিক সমল সৃষ্টি হৈছে সেই সকলোবোৰতে আৰ্য গন্ধিতাৰ উমান পোৱা যায়। অসমীয়া সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। অসমত বসবাস কৰা অষ্ট্ৰিক, মঙ্গোলীয় এই দুই জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ কোঁহে কোঁহে সোমাই থকা অসমীয়া সংস্কৃতি আৰ্যমুখী তথা ভাৰতীয়ৰূপী হ'লেও তাৰ মাজতেই অসমীয়া সংস্কৃতিত কেতবোৰ নিজস্ব বৈশিষ্টাই ধৰা দিয়ে। জাতিগত সমন্বয়ৰ বাবেই হওঁক বা ভৌগলিক পৰিবেশৰ প্ৰভাৱতেই হওক অসমীয়া সংস্কৃতিয়ে স্বকীয়তা ৰক্ষা কৰি আহিছে। যেনেকৈ সৌন্দৰ্য চৰ্চাৰ বাবে বিহুৰ সময়ত জেতুকা লোৱাৰ নিয়ম, আ-অলংকাৰ আদিৰ ক্ষেত্ৰত ভাৰতৰ অন্যাইতকৈ অসমীয়া আ-অলংকাৰ পৃথক। অসমীয়া সোণাৰিয়ে বনোৱা ঢোলবিৰি, গামখাৰু অন্যৰ লগত তুলনা নাই। অসমৰ থলুৱা গছ-বন, ফল-ফুল-লতাৰে কেতবোৰ প্ৰসাধন সামগ্ৰী তৈয়াৰ, অন্যহাতে বিহু সময়ত জেতুকাৰে হাত -বোলোৱা নিয়ম-নীতি সম্পূ স্বকীয়। কেতেকী, খৰিকাজাঁই, মাধৈমালতী ফুলৰ কে আৰু পাহি মিলাই গোন্ধতেল তৈয়াৰ কৰা আ

ইন্দিৰা গগৈ

কাৰ্যবোৰ অসমীয়াৰ নিজস্ব।

বিহু সংস্কৃতিৰ এক উপাদান, উৎসৱ ইয়াৰ আনুষঙ্গিক লোকাচাৰ সমূহত যিবোৰ উপাদান নিহিত হৈ আছে সেইবোৰক পৰ্যায়ক্ৰমে বিশ্লেষণ কৰিলে অসমীয়া সংস্কৃতিৰ ইতিহাস আপোনা আপুনি ওলাই পৰে। অষ্ট্ৰিক সকলৰ উৰ্বৰ-বিশ্বাস জৰিত মূল কৃষিধৰ্মী উৎসৱটি বিভিন্ন সংস্কৃতিৰ সংস্পৰ্শলৈ আহি সমৃদ্ধ ৰূপত বাৰেবহনীয়া হৈ উঠিছে। (ইয়াক কেন্দ্ৰ কৰি অপূৰ্ব লোক সাহিত্যৰ) তামিলনাড়ুৰ পুংগল, কেৰেলাৰ বিচু উৰিষ্যাৰ পৌৰ-সংক্ৰান্তি, বংগ দেশৰ নৱবৰ্ষ, পঞ্জাবৰ বৈশাখী, উত্তৰ ভাৰতৰ ফাগু উৎসৱ, ষট পূজা আদিৰ উপৰিও অসমৰ থলুৱা জনজাতি দেউৰী, সোনোৱাল কছাৰী, টিৱা, বড়ো, ৰাভা, মিচিং আদি জনজাতিৰ বিহু বিচু বৈশাগু এই সকলোবোৰ অসমীয়া বিহু উৎসৱৰ আচাৰ-অনুষ্ঠানৰ লোকাচাৰৰ অধ্যয়নত এক তুলনামূলক সংযত ৰূপৰ সংস্কৃতিৰ পূৰ্ণাঙ্গ ৰূপ ফুটি উঠা দেখা যায়।

কৃষি উৎসৱৰ লগত গৰু বিহু অৰ্থাৎ গো-পূজা, বিহুৱান দিয়া, মান সৎকাৰ কৰা, নাম-কীৰ্ত্তন কৰা, গোঁসাই বিহু পতা আদি অনুষ্ঠান সংযোজিত হৈ আছে। অনপিনে পথাৰৰ শস্যৰ সম্ভাৱনাপূৰ্ণ ফুল দেখি আনন্দ পোৱা কাতিবিহুৰ লগত আকাশবাতি, তুলসী ৰোপন, তুলসী পূজা সংযোজন বিবৰ্ত্তনৰ প্ৰক্ৰিয়া মাথোন। ঢোল, পেঁপা, বাঁহী, টোকাৰী, বীণ, টকা, সুতুলি বাদ্যৰ ব্যৱহাৰ নাচোনৰ যৌৱনোদ্দীপক লহৰ মন উৰুৱাই নিয়া বিহুনামৰ সুৰৰ বৈশিষ্ট্য আলোচনাযোগ্য। এই বিহুক কেন্দ্ৰ কৰি অপূৰ্ব লোক সাহিত্যৰ চানেকি বিহু নামবোৰ সৃষ্টি কৰি মৌখিক সাহিত্য বা বাচিক কলা, অলিখিত সাহিত্য, চহা সাহিত্য আদি অভিধাৰে অভিহিত কৰি মৌখিক ৰচনা হ'লেও লিখিত সাহিত্যৰ দৰে এই শ্ৰেণী সাহিত্যৰ যি নান্দনিক দিশত নিশ্চিতভাৱে সমৃদ্ধ কৰি ৰচোতাৰ কলাত্মক দক্ষতাৰ সুন্দৰ প্ৰকাশ, তাক "অখ্যাত কবিৰ বিখ্যাত ৰচনা বুলি কোৱা হৈছে। এই মৌখিক সাহিত্য বা বাচিক কলাক বিহুনাম সমূহে যে অসমীয়া সংস্কৃতিক বিশেষভাৱে চহকী কৰি গৈছে ই ধ্ৰুৱসত্য আৰু এই মৌখিক সাহিত্য অথবা বিহু নামবোৰ সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰি নিগাজি আসন দখল কৰি অসমীয়া জাতিয় জীৱনৰ সাংস্কৃতিৰ সোঁতৰ লহৰ তোলি দেহৰ অঙ্গ-সঞ্চালনত কামোদ্দীপনা জগাই তোলাত অৰিহণা যোগাই আহিছে। এই বিহুনাম সমূহক অসমীয়া সাহিত্যৰ কাব্য জগতত, অৰ্থাৎ "প্ৰথম লিখিত সাহিত্য কবিতাৰ" লেখেৰে লিখা হয় আৰু ইয়াক গীতিকবিতাৰ আসন অলংকৃত কৰিব পাৰি।

অসমীয়া ভাষাৰ ইতিহাসৰ লগতে, বিভিন্ন গল্প, উপন্যাস, নাটক, কবিতা আদি অধ্যয়নৰ লগত সংগতি ৰাখি সাহিত্যৰ "ৰস" শব্দটো প্ৰয়োগৰ লক্ষ্য কৰা যায়। ভাৰতীয় অলংকাৰ শাস্ত্ৰত অথবা নন্দন তত্ত্বত ৰসৰ ধাৰণাই বিশেষ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। "ৰসো বৈ সঃ" দৰে বাক্য শ্ৰুতিবাক্য তথা "ৰসানাথৰনাদপি" ভাৰতবাক্যৰ প্ৰয়োগ বা প্ৰচলনে আমাক ৰসৰ ধাৰণা প্ৰাচীনত্বক সোঁৱৰাই দিয়ে। কাব্যত অন্তৰ্নিহিত হৈ থকাৰ ৰসৰ আস্বাদনে পাঠকক অতুলনীয় আনন্দ দিব পাৰে। কাব্য সাহিত্যৰ অনন্য উপাদান হ'ল ৰস। কাব্যৰ আত্মা হিচাপে থাকি ৰসৰ অস্তিত্বই কাব্যক আকৰ্ষণীয় আৰু হৃদয়গ্ৰাহী কৰি তোলে। কোৱা হয় "আত্মা বিহিন শৰীৰৰ দৰে ৰসহীন ৰচনা মূল্যহীন। চিৎ আনন্দৰূপে আত্মাৰ বিষয়ীভুত, অভিব্যক্ত, স্থায়ী ভাৱেই ৰস।

সাহিত্যৰ এই ৰসক লৈ আলঙ্কাৰিক সকলৰ মাজত মতভেদ দেখা যায়। ভৰত মুনিয়ে নাটকত আঠবিধ ৰসৰ বিপৰীতে অভিনৱগুপ্ত আদি আলঙ্কাৰিক সকলে সাহিত্যৰ নবিধ ৰসক মানি লৈছে যদিও কোনো কোনোৰ মতে দহ বাৰ বিধও ৰস সামৰি লৈছে।

বিশেষভাৱে সাহিত্যত নবিধ ৰসক লৈ কাব্য জগতখনিক বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পনত বিশেষ অভিমত ব্যক্ত কৰিছে। সেইনবিধ ৰস হ'ল -শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত, বীৰ আৰু শান্ত।

কাব্য জগতৰ আত্ম স্বৰূপ হৈ ৰসে যেনেদৰে অস্তিত্ব প্ৰদান কৰি আহিছে, তেনেদৰে আমি যদি বিশেষ ধৰণে অধ্যয়ন কৰো তেন্তে আমাৰ বিহু সময়ত গোৱা আটাইবোৰ বিহু নামত আদি ৰসৰ সোৱাদৰ জুতিয়ে আত্ম ৰূপ ধাৰণ কৰি আহিছে। এক প্ৰকাৰৰ যৌনধৰ্মী গীত সমূহ " অখ্যাত কবিৰ বিখ্যাত" নামবোৰ গীতি কবিতা সদৃশ চন্দযুক্ত কৰি চহা কবিয়ে হৃদয়ৰ অনুভূতিক, সুপ্ত প্ৰতিভাক ব্যক্ত কৰিবলৈ মঞ্চ হিচাবে লৈছিল দলনী পথাৰক মতা ম'হৰ পিঠিৰ তপত উম, হাবি তলী, যুৱীয়া আঁহতৰ তলী,ৰাতিবিহুৰ তলী, অথবা লুকাই চোৰ কৰি সন্ধিয়া কোনোবা প্ৰেয়সী পদূলিৰ সমুখত। এই নাম সমূহত সাহিত্যৰ নব ৰসৰ জুতি বিচাৰিলে দেখা যায়

যে-

কিনো চ'ত মহীয়া ৰ'দে চৌ চৌ
পেটতো লাগিছে ভোক
টিঁয়হো নহলি চিৰালো নহলি
চোবাই খালো হেঁতেন তোক।

বিহুনামত ডেকাই যেতিয়া চ'তমহীয়া নিশা বিহুত শৰীৰত দপ দপকৈ জ্বলি থকা যৌৱনৰ জুইকুৰাত শাঁত পেলাবলৈ অথবা জ্বলি উঠা জীৱনৰ আদিম ক্ষুধাক নিবাৰণ কৰিবলৈ নামেৰে মনৰ সমস্ত কামনা উজাৰি দিয়ে, তেতিয়া গাভৰুৱে উত্তৰ দিয়ে

কোবাই কা নকৰে    জিলিয়ে জা নকৰে
শদিয়া পাৰৰে আলি
কেচাই খাওঁ কেচাই খাওঁ    নকৰ সোণামুৰা
নহও মই টিঁয়হৰ জালি

**শৃঙ্গাৰ ৰস** ঃ- সাহিত্যৰ শৃঙ্গাৰ ৰসৰ ৰক্ষণৰ প্ৰসংগত যদি বিচাৰ কৰা হয় উক্ত নাম দুশাৰীয়ে এই ৰসক হৃদয়ঙ্গম কৰাত সুন্দৰ প্ৰকাশ ঘটাই জুতি লোৱাত বিশেষ অৱদান যোগাইছে। কাৰণ "শৃঙ্গ শব্দটোৱে কাম আবিৰ্ভাৱক বুজায়, কামভাৱৰ আবিৰ্ভাৱৰ কাৰণ স্বৰূপে যি ৰস সৃষ্টি হয় আৰু সেই ৰসৰ মূল প্ৰায়েই উত্তম প্ৰকৃতি হৈ থাকে তেনে ৰসকেই শৃঙ্গাৰ ৰস বোলে।" সহজ ভাৱে ক'ব পাৰি - ৰতি নামৰ স্থায়ী ভাৱটো, প্ৰিয়জন বা প্ৰিয় বস্তুক অৱলম্বন কৰি ৰসৱত আদি প্ৰমোদ বন, জোন, ভ্ৰমৰৰ গুঞ্জন আদিৰ দ্বাৰা উদ্দীপিত, কটাক্ষপাত, মধুৰ হাঁহি আদি ভাৱৰ দ্বাৰা সঞ্চাৰিত হৈ উঠিলে যি ৰসৰ আত্মা ৰূপে নিহিত হৈ আছে।

গতিকে নিশ্চয়কৈ ক'ব পাৰি যে উক্ত বিহুনাম দুফাঁকিৰ মাজত শৃঙ্গাৰ ৰস আত্মা ৰূপে নিহিত হৈ আছে।

বিহু নামৰ লগত ঢোলৰ চাপৰৰ তালে তালে নাচোন ভঙ্গীয়ে কামোদ্দীপনাৰ পৰিণতি প্ৰেম-পিৰিতি হৈ শৃঙ্গাৰ ৰসৰ সৃষ্টি কৰে।

তৰা তৰপীয়া    পাতে ঐ লাহৰী
তৰা তৰপীয়া পাত
ৰাতি জাৰ লাগিলে    সুহুৰি মাৰিবা
কাপোৰ দি আহিমগৈ গাত।
কথাৰো নুবুজ    পাক ঐ লাহৰী
ৰাতিও নেভাৰ শুই
তামোলো নহলো    ফালি দেখুৱাবলৈ
শৰীৰৰ কি কোৰা জুই।

কেতিয়াবা কেতিয়াবা বিহুনাম সমূহ ব্যঙ্গভাৱৰ ৰসও নিহিত হৈ থকা দেখা যায় যাক হা ৰস বুলি আলংকাৰীকসকলে মন্তব্য কৰিছে।

**হাস্যৰস** ঃ- যেনেদৰে "হাস্য নামৰ স্থায়ীভাৱটো বিকৃত বেশভূষা, বচন, গমন আদিৰ অৱলম্বন কৰি লে আদিৰ বিকৃত বা অসামঞ্জস্যৰ দ্বাৰা উদ্দীপিত,দন্ত বিক গন্ধস্ফীত আদিৰ দ্বাৰা অনুভাৱিত আৰু পৰিশ্ৰম আল আদিক সঞ্চাৰিত কৰি সামাজিক পাঠকৰ হৃদয় আস্বাদিত হৈ হাস্য ৰসৰ সৃষ্টি কৰে" তেনেদৰে, আম বিহুনাম কিছু মানত হাস্য ৰসৰ প্ৰভাৱ দেখা পোৱা যা উদাহৰণত গাব পাৰি -

যোৱা ৰাতি সপোনত    নাঙল খাইছিলে
ডিলাডাল আছিলে লগত
নাভাবি নিচিন্তি    গিলি পঠিয়ালো
ফালচটা লাগিলে গলত।
ৰঙা লাও গছতে    জাতিলাও বগালে
ধৰিব পাৰিলো পাতত
তোলৈ বুলি    চিঠিখন লিখিলো
পৰিল গৈ বাপেৰৰ হাতত

**কৰুণ ৰস** ঃ সাহিত্যৰ কৰুণ ৰসত কোৱা হৈছে মৃত চিৰ দিনৰ বাবে আঁতৰি যোৱা বন্ধু-বান্ধাৱ, প্ৰেমিক-প্ৰেমিকা আদিক আলম্বন কৰি শোক নামৰ স্থায়ী ভাৱটি প্ৰিয়জনৰ গুণ আদি দ্বাৰা উদ্দীপিত, ৰোদন আদিৰ দ্বাৰা অনুভাৱিত আৰু দৈন্য, মোহ আদিৰ দ্বাৰা সঞ্চাৰিত হৈ যেতিয়া হৃদয়ত আস্বাদিত হৈ সৃষ্টি হোৱাৰ ৰস, তাকেই কৰুণ ৰস বোলে। বিহুনামত ইয়াৰ এনেদৰে প্ৰকাশ পাইছে।

সুখৰো নগলে    কালে মোৰ চেনাই ঐ
দুখৰো নগলে কাল
লাগনি গছতে    গুটি নৌ লাগোতে
ধুমুহাই ভাঙিলে ডাল।

ভাৱত জ্বলা-কলা    চিন্তাত মই পগলা
দেহ মোৰ চালনি জলা
খাইনো মই বৰেবিহ    মৰিব নোৱাৰো
তুমি মোৰ শতৰু হ'লা

**ৰৌদ্ৰৰস** ঃ- শত্ৰুক অৱলম্বন কৰি যি ক্ৰোধ ভাব, শত্ৰুৰ দ্বাৰা অপকাৰ আদি দ্বাৰ তৰ্জন-গৰ্জন-কম্পন আদিৰ দ্বাৰা অনুভাৱিত আস্বাদিত হৈ ৰস সৃষ্টি কৰাকে ৰৌদ্ৰৰস বোলা হয়।

বিহু নামত এনে ৰসৰ প্ৰভাৱ স্বাভাৱিকতে দেখা পোৱা যায়।

যেনে -

মোকে নিন্দাকৰি    যিজনী আনিবি
মেখেলা ধুবুলৈ পাবি
তিতা চুৰীয়া আগেৰে    চকুপানী টুকিবি
মোৰে গুণ গাবলৈ পাবি।
তোমাৰ মিঠা হাঁহি    নেচাওঁ মই চকুৰে
নুশুনো অমাতৰ মাত
কঠোৰ মাতেৰে    হিয়া ভাঙি দিলা
জ্বলা জুই জ্বলিছে গাত।

**বীৰ ৰস** ঃ প্ৰতিশোধ গ্ৰহণ বা বিপদৰ প্ৰতিকাৰ আদিৰ দ্বাৰা অনুভাবিত গৰ্ব, বিতৰ্ক, ৰোমাঞ্চ আদিৰ দ্বাৰা সঞ্চাৰিত হৈ সামাজিক সুহৃদয় পাঠকৰ হৃদয়ত যি ৰস আস্বাদিত হয় তাকে বীৰ ৰস বালে। এই ৰসে বিহুৰ নামৰ প্ৰাণত সততে থিতাপি লোৱা দেখা যায়।

পথাৰে পথাৰে    কাঁৰে মাছ উজালে
ধৰি আন খৰিকাট দিওঁ
সৌজাক ডেকাই    আমাক জোকাইছে
ধৰি আন ফাটেকত দিওঁ।
জীৱন জাঁজিনৈত    পাৰো নাও চলাব
তুমি উঠোবুলি কলে
কলিজাৰ ৰঙা তেজ    ঢালি দিব পাৰো মই
তুমি লাগে বুলি ক'লে।

**ভয়ানক ৰস** ঃ "ভয়লগাক অৱলম্বন কৰি ভয় নামৰ স্থায়ীভাৱক বিকট অৱস্থা বা কৰ্ম আদি দ্বাৰা উদ্দীপিত কম্পন, পলায়ন আদিৰ দ্বাৰা অনুভাৱিত আৰু ত্ৰাস আদিৰ দ্বাৰা সঞ্চাৰিত হৈ সহৃদয় পাঠকক হৃদয়ত যি ৰসৰ সৃষ্টি কৰে তাকেই ভয়ানক ৰস বোলে। বিহুনামত এই ৰসৰ নিদৰ্শন এনে ধৰণৰ -

নালে চাই বিচনি    কেলৈ বনাই দিছিলা
ৰাৰী বাঁহ এঠানি কৰি
যদি নিবৰ মনে নাই    কেলৈ আশা দিছিলা
আশা দি নিৰাশা কৰি।

তোমাৰে পদূলিত    ডিঙি কাটি মৰি যাম
তেজেৰে বৈ যাব নৈ

হেনু নৈ খনিত তুমি নাও চলাবা
হাতত চিগা বঠা লৈ

**বীভৎস ৰস ঃ** জুতস্মা (ঘৃণাৰ ভাব) নামৰ স্থায়ীভাবটোৱে ঘিন লগা বস্তুক অৱলম্বন কৰি দুৰ্গন্ধ আদিৰ দ্বাৰা উদ্দীপিত হৈ নাসিকা সংকোচ আদিৰ দ্বাৰা অনুভাৱিত আৰু গ্লানি আদি দ্বাৰা সঞ্চাৰিত হৈ সহৃদয়ত আস্বাদিত হ'লে যি ৰসৰ সৃষ্টি হয় তাকে বীভৎস ৰস বোলে। বিহু নামত তেনে ৰসৰ সৃষ্টি শ্ৰুতিমধুৰ। যেনে -

কাঁহৰে বাটিতে মাটিমাহ তিয়ালোঁ
উফৰি এবাটি হ'ল
গাঁৱৰ ডেকা মখাক খাবলৈ মাতিলো
আটাইবোৰ জহনিত গ'ল।

আহোঁ বৰে তলে যাওঁ বৰে তলে
বৰৰে ডপলা পাত
বৰ গছৰ তলতে হাগি থৈ আহিছো
ডেকা ল'ৰাৰ ছমাহৰ ভাত।

**অদ্ভুত ৰস ঃ** "বিস্ময় নামৰ স্থায়ী ভাবটো স্বাভাবিক বস্তু বা ঘটনা অৱলম্বন কৰি অস্বাভাবিকতা, অসাধাৰণ, মাহাত্ম্য আদিৰ দ্বাৰা উদ্দীপিত, শিহঁৰণ, চকখোৱা আদিৰ দ্বাৰা অনুভাৱিত আৰু বিতৰ্ক চিন্তা, আৱেগ আদিৰ দ্বাৰা সঞ্চাৰিত হৈ সামাজিক হৃদয়ত আস্বাদিত হ'লে যি ৰস সৃষ্টি হয় তাক অদ্ভুত ৰস বোলে।"

হাতীটি হাতীটি পোৱালী হাতীটি
শূঁৰ মেলি মলহা খায়
আঠু ভিৰাই ভিৰাই মাৰো ধেনু গুটি
হেদামে হৰকি যায়।
ডিঙিত চিপজৰী মইনো জামে মৰি
তোমাৰে আশাটি লৈ
হেনো যে আশাটি সিপুৰীত পুৰামগৈ
জমৰে আলহী হৈ।

**শান্ত ৰস ঃ-** এই ৰসক লৈ অৱশ্যে আলংকাৰিক সকল মাজত যথেষ্ট মতানৈক্য দেখা যায়। কিন্তু 'শান্তসুখাম শান্তোপি নৱমো ৰসঃ ইত্যাদি বাক্যৰ শান্ত ৰসকো কা ৰস হিচাপে স্বীকৃত দিছে। নিৰ্বেদ নামৰ স্থায়ী ভাবটো হেয়ৰূপে প্ৰতিভাত হৈ প্ৰপঞ্চময় জগতৰ বস্তু বিলাক অৱলম্বন কৰি জাগতিক বস্তুৰ প্ৰতি উপেক্ষাৰ দ্বা অনুভাবিত আৰু ধৈৰ্য - মতি- হৰ্ষ আদিৰ দ্বাৰা সঞ্চাৰি হৈ যেতিয়া হৃদয়ত আস্বাদিত হয় তাকে শান্ত ৰস বোলে 'অভিনৱ গুপ্তৰ মতে ৰসৰ ভিতৰত শান্ত ৰসেই প্ৰধান অনুভূত হয়। বিহু নামৰ এই শান্ত ৰসৰ প্ৰাধানৰ বিশে নহ'লে উলাই কৰিব নোৱাৰি।

যেনে -

ফুটকলাএজুপি ফুটকলা দুজুপি
ফুটকলা ভিৰাই লৈ খাওঁ
ফুটকলা তলতে সুহুৰি মাৰিলে
আমি ঘৰা ঘৰি যাওঁ।

আউনী পানৰে শিৰা সমনীয়া
অউনী পানৰে শিৰা
আমাৰে নাচনী নাচিবলৈ ধৰিছে
ককাই ভাই আঁতৰি দিয়া

এনেদৰে আলঙ্কাৰিক সকলে ৰসক ৰতিভাব বুলিয়ে কৈছে। যিটো স্থায়ী ভাব কেৱল জাগৃত হয় কিন্তু ৰস পৰিণত হ'ব পৰা নাই। অথচ ৰসস্বাদন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত আনন্দ বাহক হয়।

"ফুটোনে নুফুটোকৈ কুমলীয়া কলিটি
ওঠৰ লাজেৰে বৈ মিচিকিয়া হাঁহিটি।"

ইয়াত ৰতি ভাবটো ব্যঞ্জিত হৈছে কিন্তু ৰসৰ পূৰ্ণতা ফুটি উঠা নাই। এনেদৰে কবিসকলে ভাবৰ অৱস্থান ঘটাই ৰসক সুহৃদয় পাঠক বা হৃদয় আনন্দৰ বাহক হিচাপে লৈ অনুভূতিৰ জোঁৱাৰ সৃষ্টি কৰিছে ঠিক তেনেদৰে বিহুনাম সমূহতো অস্পষ্ট ৰতি ভাৱৰ জোৱাৰ তুলি ৰসৰ ঢৌৰ নিজৰাই দিয়ে। প্ৰতিজন অসমীয়াৰ হৃদয়ৰ কোঁহে কোঁহে যৌৱনৰ জোৱাৰ তুলে প্ৰতি পল, অনুপলে।

শেষত মহান পণ্ডিত সকলৰ ওচৰত সেৱা জনাই কৈছো যদি কৰবাত এই লিখনিত সাহিত্য জগতৰ ধাৰাৰ পৰা ফালৰি কাটিছে, ভুলত্ৰুটি হৈছে ক্ষমা বিচাৰি এফাঁকি বিহু নামেৰে সামৰিলো।

আহোমৰ ফাটেৰে চেনেহৰ ফাটবিহু
কিনো চাবা পিৰিতিৰ ৰং
চাৰিকড়ীয়া পাৰত ঢোলৰ মাতে শুনি
দুৱাৰৰ কাটিলো দাং

*লেখিকাৰ ঠিকনা ঃ- আমকটীয়া, চকুৱাখনা*

সহায়ক গ্ৰন্থ ঃ-
১। অসমৰ সংস্কৃতি - ড° লীলা গগৈ।
২। সমালোচনা সাহিত্য - ড° প্ৰদীপজ্যোতি মহন্ত।
৩। অসমীয়া সংস্কৃতি - সম্পাদক - ড° প্ৰদীপজ্যোতি মহন্ত।

00000

# যোৰানাম বা ঠেলানাম

থগেন্দ্ৰ চুতীয়া

অতীজতে ৰাতি বিহুত ডেকা-গাভৰুৱে পৃথকে পৃথকে বিহু মাৰিছিল। পিছলৈ ডেকা-গাভৰুৱে ওচৰা-ওচৰিকৈ বিহুখোলা পাতি বিহু মাৰিছিল। ডেকাই গাভৰুক আৰু গাভৰুৱে ডেকাক উদ্দেশ্যি বিভিন্নধৰণৰ বিহুগীত গাইছিল। ডেকা-গাভৰুৰ মাজত একপ্ৰকাৰৰ প্ৰতিযোগিতাৰ সৃষ্টি হৈছিল। কোনে কাক হৰুৱাব পাৰে তাৰে যেন প্ৰতিযোগিতা হৈছিল বিহুনামৰ মাধ্যমেৰে। এনেদৰে এটা দলে আনটো দলক যুঁৰী গোৱা বাবেই এইধৰণৰ বিহুনামক যোৰানাম বোলা হয়। যোৰানামক ঠেলানামো বোলে। কিয়নো ডেকাসকলে বিহুনাম গাই গাভৰুসকললৈ উত্তৰ বিচাৰি ঠেলি দিছিল আৰু সেইদৰে গাভৰুসকলেও ডেকাসকলক বিহু নামেৰে পত্যুত্তৰ দিছিল। তেনে যোৰানাম বা ঠেলানাম এনেধৰণৰ-

ডেকাই গায় -

কোনে আনি দিব    নৈৰ পানী টুপি  
কোনো ৰান্ধি দিব ভাত।  
নৰিয়াত পৰিলে    কোনে বেথা লগাব  
কোনে দিব চেনেহৰ মাত।।

গাভৰুৱে উত্তৰ দিয়ে -

ময়ে আনি দিম    নৈৰ পানী টুপি  
ময়ে ৰান্ধি দিমে ভাত।  
নৰিয়া পৰিলে    চাইনো থৈ আহিমগৈ  
লগাই থৈ আহিমগৈ মাত।।

যোৰানাম সম্পৰ্কে জয়কান্ত গান্ধীয়াদেৱে লিখিছে- "মুকলি বিহুৰ আটাইতকৈ আকৰ্ষণীয় অংগ হ'ল ডেকা-গাভৰুৱে যোৰানাম (ঠেলানাম) গাই-গাই কথাৰ (বা ভাবৰ) কটা-কটি কৰি বিহু মৰা অংশ।"

**ৰাতি বিহুত যোৰানাম ঃ**

অসমীয়া বাপতিসাহোন ব'হাগ বিহুৰ অন্যতম আকৰ্ষণ হ'ল ডেকা-গাভৰুৱে নিশা বৰ, জৰী, আঁহত, পিপল, কেন্দু আদি গছৰ তলত ওচৰা-ওচৰিকৈবিহু মৰা অনুষ্ঠানটো। ৰাতি ভাত-পানী খাই ডেকা-গাভৰুসকলে কিৰিলি পাৰি দুপৰনিশা পৰ্যন্ত বিহু মৰা পৰম্পৰা অতীজতে অধিক আছিল। এই বিহুক ৰাতি বিহু, চ'তৰ বিহু, গছতলৰ বিহু আদি নামেৰে কৰা হৈছে। ডেকা আৰু গাভৰুৱে পৃথকে ৰাতি বিহু মাৰিছিল। চ'ত সোমোৱাৰপৰা গোটেই ব'হাগ মাহটোৱেই গাঁৱৰ ডেকা-গাভৰুৱে নিশা বিহু মাৰিছিল। 'নৈ বৈ যায়'ত লীলা গগৈদেৱে লিখিছে-"....চ'ত মহীয়া ইয়াতেই ৰাতি বিহু হয়। কেতিয়াবা একো একোটা উজাগৰী নিশা পাৰ হয়, বিহু মাৰি থাকোঁতে পূৰ্ণিমাৰ জোন মাৰ যায়।" (পৃঃ-১০৮)

কোনো কোনো অঞ্চলত চ'ত মাহৰ উপৰিও চেৰা বিহু দিনাখনৰলৈকে ৰাতি বিহু মৰা পৰম্পৰা আছিল। ডেকা-গাভৰুৱে একেখিনি ঠাইতে ওচৰা-ওচৰিকৈ বিহু মাৰিছিল যদিও কোনো দিনেই ডেকাই গাভৰুসকলৰ বিহুত অথবা গাভৰুৱে ডেকাসকলৰ বিহুত অথবা গাভৰুৱে ডেকাসকলৰ বিহুত যোগ দিয়া নাছিল। গাভৰুসকলক তদাৰক কৰিবৰ বাবে 'গাভৰু বৰা' আছিল। 'গাভৰু বৰা'ৰ নিৰ্দেশতহে গাভৰুসকলে বিহু মাৰিছিল। অৱশ্যে যদিও পৃথকে ডেকা-গাভৰুসকলে ৰাতি বিহু মাৰিছিল তথাপি বিভিন্ন পীৰিতিমূলক বিহুনামেৰে ডেকাই গাভৰুক আৰু গাভৰুৱে ডেকাক উদ্দেশ্য কৰি বিহুনাম গাইছিল। বিহুনামসমূহ যৌনগন্ধী আৰু প্ৰেম-প্ৰণয়মূলক আছিল যদিও সীমা চেৰাই যোৰাকৈ অথবা থোৰতে ক'বলৈ হ'লে অশ্লীলধৰ্মী বিহুনাম গোৱা নহৈছিল। যৌনগন্ধী বিহুনামসমূহক অশ্লীলধৰ্মী বুলিব নোৱাৰি। ডেকাই গাভৰুক আৰু গাভৰুৱে ডেকাক উদ্দেশ্য কৰি নানা যোৰানাম বা ঠেলানাম গাইছিল। গাভৰুসকলে সুতুলি, টকা আৰু হাত চাপৰিৰে চৌদিশ মুখৰিত কৰি তুলিছিল। সেইদৰে আঁতৰৰপৰাই ডেকাসকলে ঢোল, পেঁপা বজাই গাভৰুসকলক নচুৱাইছিল। ৰাতি বিহুত ডেকা-গাভৰুসকলে গোৱা যোৰানাম এনেধৰণৰ-

গাভৰু -

নৈলৈ হালিলে    নদালি ভলুকা  
পথাৰলৈ হালিলে কাক,  
বুকুৱে কামিহাড়    হ'ল ডালি ডালি  
কালৈ চিন্তা কৰি থাক।

ডেকা -

তোমাৰ ঘৰ ইপাৰে    মোৰো ঘৰ সিপাৰে  
মাজত বৰতানি হাবি,  
খৰি শুকুৱাদি    শুকালোঁ লাহৰি  
তোমাক দিনে ৰাতি ভাবি।

গাভৰু -

চকলা টেঙাটি    অকলৈ নেখাবা  
আমাকো এচকল দিবা,  
বিহু মাৰিবলৈ    অকলৈ নেযাবা  
আমাকো লগতে নিবা।

ডেকা -

তেলৰে বাটিতে    তেল মলঙিলে  
গাতে মলঙিলে ঘাম,  
সুহুৰি মাৰিলে    ওলাই তই আহিবি  
দুয়ো একেলগে যাম।

**চেং নাং বিহুত যোৰানাম ঃ**

অতীজতে চ'তৰপৰা ডেকা-গাভৰুৰ গা সাতখন আঠখন হৈ পৰে। কমোৱা তুলা যেন মনে একোৰে বাধা মানিব নোখোজে। গছ বিৰিখত ন-কুঁহিপাত মেলে। কুলি-কেতেকীৰ সুৱদী সুৰে চৌদিশ মুখৰিত কৰি তোলে। ঘৰৰ কাম-বন শেষ কৰি গাভৰুহঁতে একেলগে গছৰ তলত বিহু মাৰি আনন্দত মতলীয়া হৈ পৰিছিল। বড় গছৰ তলত, হাবিৰ মাজৰ মুকলি ঠাইত গাভৰুহঁতে হাতে হাতে টকা লৈ বিহু মাৰিছিল।

ডেকাসকলক এনে বিহুত গাভৰুসকলৰ লগত বিহু মাৰিবলৈ দিয়া নহৈছিল। কেৱল গাভৰুসকলেহে গছৰ তলত টকা-গগনা বাদ্য পৰিৱেশন কৰি বিহু মাৰিছিল। গাভৰুসকলে মৰা বাবেই এই বিহুক টাই ভাষাত 'পয় চেং না' বিহু বোলা হৈছিল। 'পয়' শব্দৰ অৰ্থ হ'ল উৎসৱ, 'চং' শব্দৰ অৰ্থ হ'ল গুণ/দেৱতা/শপত আৰু 'নাং' শব্দৰ অৰ্থ হ'ল গাভৰু। অৰ্থাৎ গাভৰুসকলৰ বিহু। গাভৰু বৰাৰ নিৰ্দেশতে এই বিহু হৈছিল। ডেকাৰ উপস্থিতি এই বিহুত সমূলি নাই যদিও চোৱাত কোনো আপত্তি নাছিল। সেয়ে ডেকাসকলে এই বিহু আঁতৰৰপৰা দৰ্শন কৰিছিল। ডাঙৰ গছৰ তলত অথবা হাবিৰ কাষৰ মুকলি ঠাইত 'বিহু খোলা' পাতি গাভৰুসকলে নাচি-বাগি 'গাভৰু বিহু' মাৰিছিল। অৱশ্যে লাহে লাহে ডেকাসকলে 'গাভৰু বিহু'ৰ কাষ চাপিল। গাভৰু বৰাৰ পৰিচালনাত হোৱা এই বিহুত যাতে ডেকাসকলে আমনি কৰিব নোৱাৰে

তাৰ প্ৰতি লক্ষ্য ৰাখি ডেকাসকলৰ মাজৰপৰা এজন 'ডেকা বৰা' নিৰ্বাচন কৰি লোৱা হৈছিল। কেতিয়াবা গাভৰুসকলে বিহুনামৰে ডেকাসকলক জোকাইছিল আৰু যৌৱনপ্ৰাপ্ত ডেকাসকলেও বিহুনাম গাই প্ৰত্যুত্তৰ দিছিল। এইদৰে দুয়ো দলৰ মাজত বিহুনামেৰে (যোৰানাম) কথাৰ কটাকটি হৈছিল। অৱশ্যে কোনো নাৰীৰ শ্লীলতা হানি কৰা বিহুনাম (যৌনগন্ধী) গোৱা নহৈছিল। উৎকট যৌনগন্ধী বিহুনামৰ পয়োভৰ অতীজৰ বিহুত কোনো কালেই নাছিল। অৱশ্যে বিহুনামসমূহ প্ৰণয়মূলক, কিছু পৰিমাণে যৌনতাৰ চাপ অৱশ্যে নপৰাকৈ নাছিল যদিও সেয়া অশ্লীলতাৰ শাৰীত থ'ব নোৱাৰি। এই সম্পৰ্কে জয়কান্ত গীন্ধীয়াদেৱে তেখেতৰ 'ৰঙালী বিহুৰ কথা' গ্ৰন্থত লিখিছে- "বহুতে চেং নাং বিহু বা ডেকা-গাভৰুৰ বিহু বুলিলেই হাবিয়লীয়া পৰিৱেশ এটা সৃষ্টি হৈছে বুলি বুজিবলৈ বিচাৰে, আনকো বুজাবলৈ বিচাৰে। যদিওবা তাহানিৰ ডেকা-গাভৰুসকলে হাবিয়লীয়া ঠাইতে বিহু, প্ৰণয়মূলক কিছু নাম গাইছিল; তথাপি আজিৰ মানুহে ভবাৰ দৰে তেওঁলোকে যৌন উচ্ছৃংখলতা উৎকটকৈ প্ৰকাশ কৰা নাছিল, উৎকটকৈ চিএৰ-বাখৰ কৰা নাছিল।" ডেকাই কোনো গাভৰুক বিহুতলীত পছন্দ কৰিলে সেই কথা ডেকা বৰাৰ আগত অৱগত কৰে আৰু ডেকা বৰাই গাভৰু গৰাকীৰ পিতৃ-মাতৃ ওচৰলৈ গৈ বৈবাহিক সম্বন্ধৰ বিষয়ে বিতংকৈ কথা পাতিছিল।

ডেকা-গাভৰুৰ বিহু বা চেং নাং বিহুত গোৱা যোৰানাম এনেধৰণ -

গাভৰু -

দলনি পথাৰত জাকৈ বাই আছিলোঁ
কিহত কিয়ে কথা হ'ল,
দেখা নাপাওঁ বুলি চিন্তাকৈ আছিলোঁ
বাটত ভেটা ভেটি হ'ল।

ডেকা -

মাছে মাৰবিৰে অনেকটি এ বুধি
দীঘলী কাটিবৰ লোৰ,
বাটত লগে পাবৰে অনেকটি এ বুলি
জোপাৰ তলে তলে খোৰ

**মুকলি বিহুত যোৰানাম ঃ**

মুকলি বিহু হ'ল ডেকা-গাভৰুৱে একেলগে মৰা বিহু। অৱশ্যে 'মুকলি বিহু' নামকৰণ তেনেই নতুন। কুৰিশতিকাৰ পঞ্চাশ দশকৰ মানৰপৰাহে এই নামকৰণৰ সৃষ্টি হোৱা বুলি জনা যায়। অতীজতে মুকলি বিহু বুলি কোনো বিহু অনুষ্ঠানৰ সৃষ্টি হোৱা নাছিল। ই ডেকা-গাভৰুৰ গছতলৰ বিহু চেং নাং বিহু। অৰ্থাৎ অতীজৰ মনপৰশা 'চ'তৰ বিহু' বা নিশা বিহুৱেই আজি মুকলি বিহু হ'ল। ড° লীলা গগৈদেৱে বিহু দুভাগে বিভাজন কৰি মুকলি বিহুৰ কথা উল্লেখ কৰিছে। তেওঁ লিখিছে- "অতীতৰ বিহুক আমি দুভাগে ভাগ কৰিব পাৰোঁ (১) মুকলি বিহু (২) সমজুৱা বিহু, মানুহৰ চোতাল গছকি ন-বছৰৰ নতুন আশীৰ্বাদ দি হুঁচৰি গায়। আমি ইয়াকে সমজুৱা বিহু বুলিছোঁ। আনহাতে ডেকা-গাভৰুৱে মুকলি ঠাইত বনগীত, বিহুগীত গাই যি বিহু কৰে তাকে মুকলি বিহু বুলিছোঁ। ড° লীলা গগৈদেৱৰ লিখনিৰপৰা জনা গ'ল যে মুকলি বিহু অতীজৰ ডেকা-গাভৰুৰ গছতলৰ বিহুৱেই। মুকলি ঠাইত বিহু মৰা বাবেই এনে বিহুক 'মুকলি বিহু' নামেৰে নামকৰণ কৰা কিমান যুক্তিসঙ্গত সেয়া বিচাৰ্যৰ বিষয়। যি কি নহওঁক মুকলি বিহুৰ সম্পৰ্কে 'ৰঙালী বিহুৰ কথা' গ্ৰন্থত বিহু বিশেষজ্ঞ জয়কান্ত গন্ধীয়াদেৱে এনেদৰে লিখিছে- "অৱশ্যে 'মুকলি বিহু', এই অভিযোজনা নতুন। জামুগুৰিহাটৰ ৰতন ৰাজবংশীৰপৰা পোৱা এটা তথ্যৰ মতে ১৯৫৭ চনৰপৰা 'মুকলি বিহু' অভিযোজনা প্ৰচলিত হৈছে। তেখেতে লিখিছে- 'ব'হাগ মাহৰ ৰঙালী বিহুত প্ৰচলিত বিহুনাচ, অতীজৰেপৰা গাভৰু বিহু, এখন মুকলি বাকৰিত



বহুকেইটা বিহুদলক দলগত-ভাৱে বিহু পৰিৱেশন কাৰোবাই দৰ্শক তথা দলক আনন্দ দিয়াৰ লগতে চিন্তাৰ খোৰাক যোগোৱাৰ উদ্দেশ্যৰে ১৯৫৭ চনৰ ৰঙালী বিহুৰ চেৰা বিহু দিনটোৰ 'বিহু' শব্দৰ আগত 'মুকলি' শব্দটো লগাই জামুগুৰিহাটৰ ফুটুকাতলি বাকৰিত মুকলি বিহু পৰিৱেশন কৰা হৈছিল।"

মুকলি বিহুৰ মূল আকৰ্ষণেই হ'ল ডেকা-গাভৰুৱে যুতি গোৱা যোৰানাম বা ঠেলা নাম। ডেকাই গাভৰুক আৰু গাভৰুৱে ডেকাক উদ্দেশ্যি এইদৰে যোৰানাম গায় মুকলি বিহুত-

ডেকাই গায়-


উজাই গৈ আহিলোঁ নগাৰ মাত শুনিলোঁ
কাষলৈ চপালোঁ নাও;
তোমাৰে বাতৰি নেপাওঁ ভালে কৰি
ভাটীলৈ ভটীয়াই যাওঁ।

গাভৰুৰ উত্তৰ-

ভাটীলৈ ভটীয়াই যাবগৈ নালাগে
শুকান পিঠাগুড়ি খাই,
কোনোবা ৰাজতে হুলে ফুটি মাৰিব
তোমাৰ লগত কান্দোতা নাই।

**লেখকৰ ঠিকনা ঃ বৰদলনি, ধেমাজি**

০০০০০



# সংস্কৃতি, সাজ-পোছাক, সমন্বয় আৰু নাৰী

**পুষ্পা গগৈ**

মানুহৰ আদৰ্শগত জীৱন বৈশিষ্ট্যই সংস্কৃতিৰ ঐতিহ্যক প্ৰকাশ কৰে। সংস্কৃতিয়ে বোৱতী নদীৰ দৰে এই আদৰ্শৰ মাধুৰ্য সমাজ জীৱনলৈ বোৱাই নিয়ে। সমাজ জীৱনৰ আচাৰ-ব্যৱহাৰ, মৰ-স্নেহ, সংঘাত, বিপৰ্যয়, আনন্দ-উল্লাস, আন্ধাৰ-পোহৰ, উৎসৱ-অনুষ্ঠান সকলোতে সংস্কৃতি বিদ্যমান হৈ থাকে। এই উৎসবিলাকে সভ্যতাৰ ইতিহাস প্ৰকাশ কৰাৰ লগতে জনসমাজৰ মাজত সমন্বয়ৰ বাতাৱৰণ সৃষ্টি কৰাত সহায় কৰে।

সকলো জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত আদৰ্শ আৰু বৈচিত্ৰপূৰ্ণ বৈশিষ্ট্যসমূহেই সংস্কৃতিৰ উপাদান সৃষ্টিত অৰিহণা যোগাই আহিছে। গতিকে সংস্কৃতিৰ কণ কঠীয়া ৰোপণ জনসমাজৰ সকলো কৰ্ম, চিন্তা-চেতনাই প্ৰভাৱ পেলায়। সমাজৰ সৰস আৰু সাৰুৱা বিচিত্ৰতাইহে সংস্কৃতিৰ ভেটি সুদৃঢ় কৰি তোলাত সহায়ক হয়।

লৌকিকতা সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ। লৌকিকতাৰ কলাত্মক ৰূপ প্ৰকাশৰ আৰু ইয়াক অধিক গতিশীল কৰি তোলাৰ ক্ষেত্ৰত জাতি-জনগোষ্ঠীসমূহৰ জীৱন-চৰ্চা আৰু জীৱন-জীৱিকাৰ সংস্কাৰসমূহে সংস্কৃতিত ইতিবাচক প্ৰভাৱ পেলায়। কাৰণ, জন সমাজৰ মাটিৰ গোন্ধ থকা স্বাভাৱিক তথা সুন্দৰ বৈশিষ্ট্যইহে লৌকিকতাক অনন্য কৰি তুলিব পাৰে। লৌকিকতাৰ সুন্দৰতাই হ'ল জনসমাজৰ সাংস্কৃতিক প্ৰগতিৰ খতিয়ানস্বৰূপ। কিয়নো ব্যক্তি গোষ্ঠীৰ পৰিশীলিত আৱেগ-অনুভূতিক সংস্কৃতিয়ে সমাজ মাঙ্গলিক অৰ্থত সামৰি লয়। সুৰুচিপূৰ্ণ জীৱন চৰ্চাই সংস্কৃতিৰ পৰিসৰৰ অন্তৰ্গত হৈ মানৱিক বিকাশৰ পথ বাচি লয়। মানুহৰ সুৰুচিসন্মত আৱেগ-অনুভূতিসমূহ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, উৎসৱ-পাৰ্বণ, সাজ-পোছাক আহাৰ-বিহাৰ, আচাৰ-ব্যৱহাৰে প্ৰকাশ কৰে। গতিকে সংস্কৃতিৰ প্ৰবাহমান গতিত জনসমাজে গ্ৰহণ কৰা পোছাক-পৰিচ্ছদেও প্ৰভাৱ বিস্তাৰ কথা অকপটে স্বীকাৰ কৰিব লাগিব। সাজ-পোছাকে মানুহৰ কেৱল বাহিৰ সুন্দৰভাৱে প্ৰকাশ নকৰে, সৌন্দৰ্যপিপাসু মানসিক অৱস্থানৰো উমান দিয়ে। সৌন্দৰ্যপিয়াসী ভাৱনাৰে মানুহে সুখ-আনন্দ, আৱেগ-অনুভৱ প্ৰকাশ কৰাৰ চেষ্টা কৰে। আদিম কালৰে পৰাই মানুহে নিজৰ সুন্দৰতা প্ৰকাশৰ প্ৰচেষ্টা অব্যাহত ৰাখি আহিছে। এই অনুভৱ মানুহে প্ৰকৃতিগতভাৱে লাভ কৰে বুলি ক'ব লাগিব। মানসিক এই সৌন্দৰ্যপ্ৰিয়তাৰ বহিঁপ্ৰকাশত পোছাক-পৰিচ্ছদৰ অৰিহণা অনবদ্য। ৰুচিসন্মত সুন্দৰ সাজ-পোছাকে মানুহৰ পৰিশীলিত চিন্তাৰ পৰিস্ফূৰণ ঘটায়। আনহাতে, এই কথাও স্বীকাৰ কৰিব লাগিব যে, সাজ-পোছাক মানুহৰ শালীনতাবোধৰে পৰিচায়ক। গতিকে, সকলো জাতি-জনগোষ্ঠীৰ সাজ-পোছাকে সাংস্কৃতিক প্ৰগতিৰ নিদৰ্শন দাঙি ধৰে।

সাম্প্ৰতিক কালত মানুহৰ ৰুচিবোধ, সৌন্দৰ্যপ্ৰিয় সচেতনতাৰ সলনি হৈছে। সময় সাপেক্ষে পৰিবৰ্তনকামী এই চিন্তাক অৱশ্যে উলাই কৰিব নোৱাৰি। সাজ-পোছক পৰিধানত পুৰুষতকৈ অৱশ্যে নাৰীৰ সৌন্দৰ্যচেতনাৰ প্ৰভাৱ বেচি। গতিকে সাজ-পোছকৰ উল্লেখনীয় কথাত সদায়ে নাৰী বিষয়ক চিন্তা-চৰ্চাহে আলোচনাৰ পৰিসৰৰ অন্তৰ্গত হয়। নাৰীৰ সুন্দৰভাৱে সকলোৱে স্বীকাৰ কৰে। এই যুক্তিৰ ভিত্তিতে নাৰীৰ সৌন্দৰ্যসুলভ, ৰুচিবোধ সম্পন্ন সাজ-পোছাকৰ শালীনতাবোধ থকাটো প্ৰত্যেকজন প্ৰগতিবাদী সমাজ প্ৰিয় আৰু সুৰুচিপূৰ্ণ ব্যক্তিৰে কাম্য বুলি ক'ব লাগিব।

প্ৰত্যেক জাতি-জনগোষ্ঠীয়ে নিজাববীয়া বৈশিষ্ট্যৰে সাজ-পাৰ পৰিধান কৰে। অসমীয়া নাৰীৰ মুগাৰ মেখেলা-চাদৰ, বিহা আদিৰ সৌন্দৰ্যবৰ্দ্ধক বেশভূষাই দেশৰ ভিতৰে-বাহিৰে সমাদৰ লাভ কৰাৰ পথ প্ৰশস্ত কৰি তুলিছে। তদুপৰি অসমীয়াৰ এই আপুৰুগীয়া সাজ-পাৰে বাণিজ্যিক ভিত্তিতো ব্যাপকতা লাভ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। গতিকে, প্ৰতি অসমীয়া নাৰীৰ বাবে ই এক গৌৰৱৰ বিষয়। এনেধৰণৰ গৌৰৱপূৰ্ণ উপাদানসমূহে জাতীয় চেতনাৰো উন্মেষ ঘটায়। জাতি আৰু দেশৰ ঐক্য-সংহতি বজাই ৰখাতো পোছাক-পৰিচ্ছদৰ উল্লেখনীয় প্ৰভাৱ আছে। এনেবোৰ কথালৈ গুৰুত্ব দি সকলো নাৰীয়ে সাজ-পোছাকৰ ৰুচিশীল চিন্তা-চৰ্চাৰ প্ৰতি মনোযোগ দিয়া দৰকাৰ। আধুনিকতাৰ ধামখুমীয়াত বৰ্তমান প্ৰজন্মক হেৰাই যাবলৈ দিয়াটো প্ৰতিজন সচেতন নাগৰিকৰে নিশ্চয় কাম্য নহয়। যাৰ বাবে সময় আৰু সমাজৰ বিবৰ্তনমুখী পৰিবৰ্তনত উচ্ছৃঙ্খলতা বৃদ্ধি পোৱাটো স্বাভাৱিক বুলি স্বীকাৰ কৰিব লাগিব। যৌন আবেদনময়ী স্বল্পবখনা দৃশ্যই সমাজত নিশ্চয় প্ৰভাৱ নেপেলোৱাকৈ নাথাকে। ৰুচিসন্মত সৌন্দৰ্যবোধক উলাই কৰি কেতিয়াও তেনে আধুনিকতা গ্ৰহণযোগ্য হ'ব নোৱাৰো গতিকে প্ৰতি গৰাকী চিন্তাশীল মাতৃয়ে নিশ্চয় নিজৰ সন্তানৰ মঙ্গলৰ বাবে তেনে শিষ্টাচাৰবিহীন আধুনিকতা গ্ৰহণ কৰাৰ কথা মানি ল'ব নোৱাৰি। যদিহে সমাজত বিৰূপ প্ৰভাৱ পেলাব পৰা তেনে ৰুচিহীন নগ্নতাক যিসকলে আদৰণীয় বুলি গ্ৰহণ কৰিছে, তেনে অভিব্যক্তিক বিকৃত মানসিকতাৰ পৰিচায়ক বুলিহে ক'ব লাগিব। নাৰীৰ পৰিপাটি বেশভূষা তথা দেহজ আবৰণে নাৰী চৰিত্ৰৰো পৰিস্ফুট কৰে বুলি জ্ঞানীজনে এনেদৰে মত প্ৰকাশ কৰা দেখা যায়,

সমুদ্ৰাবৰণং পৃথ্বি প্ৰাকাৰাবৰণাং গৃহম্।
নৰেন্দ্ৰাবৰণো দেশাশ্চৰিত্ৰাবৰণায় স্ত্ৰীয়াঃ।।
(সমুদ্ৰৰ আবৰণ পৃথিৱী, ঘৰৰ আবৰণ বেৰ।
ৰজাৰ আবৰণ দেশ, নাৰীৰ আবৰণ ভেষ (চৰিত্ৰ)।।

অসমীয়া নাৰীক সাজ-সজ্জাই ইতিমধ্যে আন্তৰ্জাতিক পৰ্যায়ত এখন আদৰণীয় আসন লাভ কৰাৰ কথা উল্লেখ কৰা হৈছে। এই বেশভূষাই অসমীয়াৰ সাংস্কৃতিক মূল্যবোধৰো পৰিচয় দাঙি ধৰিছে। মূল্যবোধৰ এই চেতনাক দেশৰ প্ৰগতি আৰু সংস্কৃতি ৰক্ষাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱাটো নিশ্চিত।

ফাট বিহু ঢকুৱাখনাৰ সাংস্কৃতিক ঐতিহ্য বহনকাৰী এক পৰম্পৰাগত উৎসৱ। ফাটবিহুৰ নিয়ম সাপেক্ষে জাতীয় সাজ-পাৰ পৰিধান ৰীতিৰ যি সাংস্কৃতিক অনুভূতি, ই সকলোৰে হৃদয় স্পৰ্শ কৰাটো স্বাভাৱিক। এই কথা প্ৰতিজন সংস্কৃতিৱান ব্যক্তিয়ে অনুভৱ কৰে। এতিয়া অৱশ্যে সময়ৰ পৰিবৰ্তনৰ গৰাহত ফাটবিহুৰ ঐতিহ্যক এতিয়া কিছু পৰিমাণে হ'লেও সাজ-পোছাকে উলাইনকৰাকৈ থকা নাই। তথাপিতো এই প্ৰসঙ্গৰ দোহাই দি ফাট বিহুৰ উদ্যোক্তা, সমগ্ৰ ঢকুৱাখনাৰ কলা-কুশলী, সৌন্দৰ্য সচেতনৰ সকলো ব্যক্তিৰ প্ৰতি নিশ্চয় এক আহ্বান জনাব পাৰোঁ- আমি প্ৰত্যেকে স্নেহ আৰু সমন্বয়ৰ সুদৃঢ় ভেঁটি গঢ়িব পাৰোঁ, যদিহে প্ৰত্যেককে নিশ্চয় ভাবিবলৈ বাধ্য কৰাওঁ যে পৰিশীলিত আৰু সুৰুচিসন্মত সাজপাৰে আমাৰ ঐতিহ্যপূৰ্ণ সাংস্কৃতিক চৰিত্ৰও গঠন কৰে।

*লেখিকাৰ ঠিকনা ঃ বালিগাওঁ, ঢকুৱাখনা*

০০০০০

# অসমীয়া সংস্কৃতিত তামোল পান

মীনামনি দেৱী

অসমীয়া সংস্কৃতি বাৰেৰহনীয়া সংস্কৃতি। এই সংস্কৃতিৰ লগত অষ্ট্ৰিক সংস্কৃতিৰ মেটমৰা সম্পদ নিহিত হৈ আছে। তাৰ ভিতৰত অসমীয়া সমাজত সকলো সময়তে ব্যৱহাৰ হোৱা তামোল-পান উল্লেখযোগ্য।

ইতিহাসে চুকিপোৱা দিনৰে পৰাই অসমত তামোল-পানৰ ব্যৱহাৰ হৈ আহিছে। তামোল-পান অসমীয়া সমাজৰ অবিচ্ছেদ্য অঙ্গ। তামোল-পানক বাদ দি অসমীয়া সংস্কৃতিৰ পথাৰখনেই উকা হৈ পৰিব। প্ৰতিটো সামাজিক, ধাৰ্মিক কামত তামোল-পান এটা প্ৰয়োজনীয় বস্তু। তামোল-পানৰ সংস্কৃতি অষ্ট্ৰিক সংস্কৃতিৰ অনবদ্য অৱদান। অষ্টিক বা নিষাদ সকলৰ গাঁওমুখী বা কৃষি সংস্কৃতিৰ গইনা লৈয়েই অসমীয়া মানুহৰ মাজত তামোল-পানৰ সংস্কৃতিয়ে গা-কৰি উঠিছে। অসমীয়া সংস্কৃতিত অষ্ট্ৰিক প্ৰভাৱ কিমান তামোল পানৰ ব্যৱহাৰ মন কৰিলেই ধৰিব পাৰি। 'খাচী' ভাষাৰ 'কুৱা' অসমীয়া ভাষাও 'গুৱা'। তেনেকৈ গুৱাহাটী নামটোতো অষ্ট্ৰিক গোন্ধ আছে।

কোনো কোনোৰ মতে তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ী প্ৰথা। কাৰণ Betal (তামোল) শব্দটোৰেই মালয়ালম ভাষাৰ 'বেটিল্লা' শব্দৰ পৰা অহা। Areca (তামোল) শব্দটোৰো উৎপত্তি দাক্ষিণাত্যতো কানাড়ী (অড়িকে') শব্দৰ পৰা আহিছে। মহামহোপাধ্যায় 'কানেৰ' মতে দক্ষিণ ভাৰতত তামোলৰ



প্ৰৱৰ্ত্তন সম্ভৱত ঃ খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ আগতেই হৈছিল। তামোল খোৱা প্ৰথাৰ উল্লেখ সৰ্ব প্ৰথম পালি সাহিত্যতেই পোৱা যায়। জাতকৰ এটা আখ্যানত ভগৱান বুদ্ধই তামোল খোৱাৰ ইঙ্গিত দিয়ে। ভোজনৰ পিছত তামোল খোৱাৰ বিধান স্মৃতি শাস্ত্ৰত আছে। বাৎসায়নৰ কাম শাস্ত্ৰত দাঁত ঘঁহি মুখ ধোৱাৰ পিছত তামোল খাই মুখৰ নিশ্বাস সুগন্ধি কৰাৰ নিৰ্দ্দেশ আছে। পূজা উপচাৰৰ অন্যতম উপকৰণ স্বৰূপে দশম শতিকাত ৰচিত কালিকা পুৰাণেই সৰ্ব প্ৰথম তামোলক গণ্য কৰিছে। অসমৰ তামোল পানৰ বাৰীৰ সুখ্যাতি পুৰণি তাম্ৰলিপিটো উল্লেখ আছে। বলবৰ্মাৰ শাসনত 'প্ৰাগজ্যোতিষ নগৰৰ তামোলৰ গছ পানেৰে বেষ্টিত আৰু কৃষ্ণ অগৰু গছক ইলাচি লতাই মেৰাই ধৰিছিল বুলি বৰ্ণনা কৰিছে'। সপ্তম শতিকাৰ আদিত্য সেনৰ 'অপসদ' লিপিত লৌহিত্য পাৰৰ ৰমণীয় তামোল-পানৰ বাৰীৰ ছাঁত সিদ্ধিসকলে শয়ন কৰা উল্লেখ আছে। তামোল শব্দৰ পৰাও অসমৰ ভালেমান ঠাইৰ নাম হৈছে। যেনে - তামোলপুৰ, তামোলবাৰী, তামুলী চিগা ইত্যাদি।

অসমৰ তামোল খোৱা প্ৰথা বিশেষ প্ৰচলন যোগিনী তন্ত্ৰত থকা শ্লোকৰ পৰাই বুজিব পাৰি। অসমীয়া পুৰুষ, মহিলা, ডেকা, বুঢ়া কাৰোৰ বাবেই তামোল খোৱাত বাধা নাই। আহোম স্বৰ্গদেউ সকলৰ দিনত ডা-ডাঙৰীয়া সকলক তামোল পান যতনাবলৈ তামোলী বিষয়া আছিল। বাৰীত তামোল পান ৰোৱাটো অসমীয়া মানুহৰ ধৰাবন্ধা ৰীতি তথা উন্নত মনৰ পৰিচায়ক। আনকি আজি কালিও নতুনকৈ ভেঁটি লোৱা ঘৰৰ কাষত অসমীয়া মানুহে দুজোপা তামোল ৰুই সেই ৰীতি পালন কৰি আছে। বিয়ানামতো "আগফাল গুৱনি কাকিনী তামোলে, পিচফাল গুৱনি পান" বুলি গায়। অসমত ভোজন বিলাসৰ বস্তু হিচাপে ইয়াক ব্যৱহাৰ কৰা ওপৰিও ধৰ্মানুষ্ঠান, সামাজিক অনুষ্ঠান, অনান্য ক্ৰিয়া কাৰ্যত ইয়াক ব্যৱহাৰ কৰা হয়। পূজাৰ নৈবেদ্যত তামোল-পান অপৰিহাৰ্য উপচাৰ। অসমীয়া মানুহে ভাত খোৱাৰ পাছত মুখদি কৰে তামোলেৰে। উৎসৱ, অনুষ্ঠান, গুৰুঘৰ বা নামঘৰলৈ, দেৱতা বা অপ-দেৱতালৈ তামোল-পান আগবঢ়োৱা হয়। অসমীয়া সমাজত ঘৰলৈ অহা আলহীক প্ৰথম তামোলেৰে অভ্যৰ্থনা কৰা হয়।

তামোল-পানৰ যোগেদিয়েই গুৰু আশীৰ্ব্বাদ লাভ কৰা হয়। তামোলৰ আদান প্ৰদানত বন্ধুত্ব স্থাপন হয়। ৰাজহুৱা দায় জগৰ পৰিলেও তামোল-পান এজোৰ দি দোষ খণ্ডন কৰিব পাৰি। আনহাতে ডেকা গাভৰুৰ প্ৰেম নিবেদন, বিবাহ বিচ্ছেদৰ ক্ষেত্ৰতো তামোল-পানৰ বৈশিষ্ট্যপূৰ্ণ ভূমিকা আছে। ডেকা গাভৰুৱে তামোলৰ বিনিময়েৰে ইজনে সিজনক প্ৰেম নিবেদন কৰাৰ ৰীতি এতিয়াও গাঁও বিলাকত দেখিবলৈ পোৱা যায়। বিবাহ বা আন কোনো নিমন্ত্ৰণ কাৰ্যত তামোল-পান বিশেষভাৱে প্ৰয়োজন। অসমীয়া বিয়াত তামোল-পানৰ ব্যৱহাৰ মনকৰিব লগীয়া। বিয়াৰ কেইদিন দৰা-কইনাই এজোৰ তামোল পান আৰু চুৰিকটাৰী লগত ৰাখিব লাগে। বিবাহ অনুষ্ঠানৰ শেষত দৰা-কইনাই তামোল কটাৰী সলনি কৰে। দৈয়ন দিয়া কাৰ্যতো পানৰ প্ৰয়োজন। বিয়াৰ দিনা পুৱা কন্যাক মূল ঘৰৰ দুৱাৰ দলিত পিৰা এখনত বহুৱাই লৈ মাকে দুখন হাতত দুখিলা পান লৈ দৈ গাখীৰত জুবুৰিয়াই কন্যাৰ দুই গালত, বাহুত, ভৰিত সানি দিয়ে। কোনো কোনো অঞ্চলত বিবাহৰ সপ্তপদী গমনত দৰা, কইনাই সাতখিলা পান গছকাৰ বিধি আছে। আকৌ কোনো অঞ্চলত পান চিঙি বিবাহ বিচ্ছেদ কৰাৰো পদ্ধতি আছে। আহোম সম্প্ৰদায়ৰ চকলং বিবাহ পদ্ধতিত তামোল পানৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুৰঞ্জীত এনদৰে আছে " সোণৰ বাতি এটা ভৰাই দৈ, এঁৱা গাখীৰ, মৌ, চেনি, ঘিউ মিহলোৱা পঞ্চামৃত এবাতি আনি ৰজাৰ ওচৰত দিব। তাৰে পৰা আঙুলি লগাই আনি মুখলৈ টোৱাই গুণ্ডি পেলাই খৰিকা লৈ মুখে পানীলৈ তামোল চোবাব। এইদৰে পুনঃপুনঃ একৈশ বেলি পঞ্চামৃত সুণ্ডি ২১ ডাল খৰিকা, ২১ চলু পানী, ২১ খন থুৰীয়া তামোল চোবাই পেলাব পায়" (দেওধাই অসম বুৰঞ্জী - ১৩৫ পৃষ্ঠা)। তামোল পান গাঁৱলীয়া দৰবজাতিৰ অন্যতম উপাদান। অসমীয়া নিদানমতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। গৰু, ম'হৰ চকুৰ লেতেকুৱা বুলি হোৱা এবিধ বেমাৰ তামোলৰ পিকে আৰোগ্য কৰে। তামোল পানৰ অলৌকিক শক্তিত বিশ্বাস কৰি ইয়াক মন্ত্ৰত ব্যৱহাৰ কৰা হয়। কামৰত্ন তন্ত্ৰত তামোল পান সম্পৰ্কীয় বহু মন্ত্ৰ আছে। অসমৰ দৰে ভাৰতৰ অন্য প্ৰদেশত কোমল তামোল বা কেঁচা তামোল খোৱাৰ প্ৰথা নাই। তামোল গাঁতত পুতি ভবিষ্যতলৈ সঁচাৰ নিময়টোও অসমীয়াৰ নিজা। কেঁচা তামোল খোৱা প্ৰথা

শ্যাম আৰু ভিয়েটনামীসকলৰ মাজতো আছে। সংস্কৃত সাহিত্যত কৰ্পূৰ, কংকাল, লবঙ্গ জাতি ফলৰ লগত মিহলাই তামোল খোৱাৰ নিয়ম বুলি কোৱা হৈছে। এই আটাইকেইটা মিলি হয় 'পঞ্চসুগন্ধি কম', অসমীয়া মানুহে অৱশ্যে পান তামোলত এই আটাই কেইপদ সুগন্ধি দ্ৰব্য ব্যৱহাৰ নকৰে। পুৰনি অসমীয়া সাহিত্যত তামোলৰ লগত সুগন্ধি দ্ৰব্য খোৱাৰ উল্লেখ আছে। বিহুগীততো তামোল-পানক অধিক গুৰুত্ব দিয়া হৈছে। যেনে -

থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিলা
তাৰ মাজত দিছিলা লং

সাধাৰণতে অসমীয়া মানুহে নুথুৰিওৱা তামোল খায়। থুৰিওৱা তামোল উৎসৱ অনুষ্ঠান, পূজাপাৰ্ব্বনত, গোঁসাই ঘৰ, নামঘৰ ঘৰলৈ আগবঢ়োৱা প্ৰসাদৰ শৰাইতো দিয়া হয়, পান হাতেৰে ফলা নিষেধ। তামোল-পান আগবঢ়াই দিয়া সা-সৰঞ্জামৰ ভিতৰত পানবটা, শৰাই আদিয়ে প্ৰধান। তামোল পানৰ লগ[ত] সম্পৰ্ক থকা অনান্য সামগ্ৰী হ'ল তামোলৰ হাঁচি[...] তামোল কটা কটাৰী, খুন্দনা আদিয়ে প্ৰধান। অসমী[য়া] সমাজত তামোল-পানৰ ব্যৱহাৰ অপৰিহাৰ্য। অসমী[য়া] সংস্কৃতিত তামোল পানৰ ব্যৱহাৰ ব্যাপক কৰি তোল[...] গুৰিতে হ'ল অষ্ট্ৰিকসকল। ইয়াৰ প্ৰভাৱ অৱশে[্য] মঙ্গোলীয় সংস্কৃতিতো নপৰাকৈ থকা নাই। ইয়া[ৰ] উল্লেখযোগ্য উদাহৰণ হ'ল, তামোল-পানৰ শৰাই [...] কন্যা খোজা, তামোল -পানৰ শৰাই দি দায় জগৰ ভ[...] দেৱতালৈ তামোল-পান উৰ্চগা কৰা আদি প্ৰথ[া] বৰ্ত্তমানেও অসমীয়া সমাজত প্ৰচলিত হৈয়ে আছে[...] খাছীসকলে মৃতকৰ সংকাৰ কৰোতে শৱৰ ওপৰ[ত] তামোল এখন থৈ নিবেদন জনায় "বিদায়, ভগৱান[ৰ] ওচৰলৈ গৈ তামোল এখন খোৱাগৈ" মুঠতে অসমী[য়া] সমাজত ধৰ্মমূলক আৰু সামাজিক কামত তামোল পা[নে] এখন উচ্চ আসন অধিকাৰ কৰি আছে।

*লেখিকাৰ ঠিকনা ঃ হেঙেৰাবাৰী, গুৱাহাটী*

সহায়ক গ্ৰন্থ ঃ-


১। অসমৰ সংস্কৃতি - ডঃ লীলা গগৈ।
২। অসমৰ লোক সংস্কৃতি - ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা।
৩। অনান্য আলোচনীৰ পাতৰ পৰা।
৪। অসমীয়া ভাষা আৰু সংস্কৃতি - ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা।

০০০০



# মিচিং সমাজৰ মিবু

ৰুবাদ লঃয়ুং



দঃগ্ৰি পঃল (সূৰ্য-চন্দ্ৰ)ক মূল আৰাধ্য তথা পিতৃ-মাতৃ হিচাপে জ্ঞান কৰা অসমৰ দ্বিতীয় বৃহত্তৰ জনগোষ্ঠী মিচিং সমাজৰ সুকীয়া জীৱন-প্ৰণালীৰে ভৰপূৰ। সাধাৰণতে চাংঘৰ সাজি নৈপৰীয়া ঠাইত বাস কৰা মিচিং সমাজে কোনো এজন ব্যক্তিৰ বাবে অথবা ঘৰখনৰ বাবে অথবা পৰিয়ালৰ বাবে অথবা সমাজখনৰ মংগলৰ হেতু বিভিন্ন মাংগলিক কাৰ্য সমাপন কৰে। তাৰ বিতৰত উল্লেখযোগ্য তথা গুৰুত্বপূৰ্ণ মাংগলিক কাৰ্য হৈছে সিমি দাগনাম।

মিবু হৈছে মিচিং সমাজৰ দেউধাই স্বৰূপ। 'মি' মানে মানুহ আৰু 'বু' মানে আবু অৰ্থাৎ পিতৃ। মিবু দৈব্য শক্তি সম্পন্ন ব্যক্তি। মিবু সাধাৰণ ব্যক্তিতকৈ ব্যতিক্ৰম। তেওঁ অসাধাৰণ প্ৰতিভাৰ অধিকাৰী। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি তত্ত্ব, মানব জাতিৰ অতীত-বৰ্তমান-ভৱিষ্যত, কোনো ব্যক্তিৰ, পৰিয়ালৰ অথবা সমাজৰ সম্ভাব্য বিপদ আৰু সেই বিপদৰ পৰা পৰিত্ৰাণৰ উপায় আদি মিবুৱে জানে। মিবু শিশু অৱস্থাৰ পৰাই অৰ্থাৎ মিবু হোৱাৰ আগৰ পৰাই সিহঁতৰ গাত বৈশিষ্ট্যপূৰ্ণ ব্যক্তিত্ব দেখা যায়। মিবু গহীন-

গম্ভীৰ, নম্র তথা ভাবুক প্ৰকৃতিৰ হয়।

মিবু হ'বলগীয়া ব্যক্তিজনক প্ৰায় আঠ-দহবছৰ বয়সত 'ঔপম' নামৰ দেৱতাই হাবিলৈ নি লুকুৱাই ৰাখে। শিশুটিক চাৰি-পাঁচদিন লুকুৱাই ৰখা সময়ত কোনোৱে বিচাৰি নেপায়। জনবিশ্বাস মতে লুকুৱাই ৰখা সময়ত শিশুটিক 'চিৰকী নাংনৌ' আৰু 'চিৰদাম বাংৰু' নামৰ এহাল দেৱ-দেৱীৰ সৈতে সাক্ষাত হয়। তেওঁলোকৰ পৰামৰ্শমৰ্মে শিশুটি 'পমচিৰি' নামৰ পবিত্ৰ নদীত স্নান কৰি প্ৰকৃত পবিত্ৰ পুৰুষ হয় আৰু দিব্য শক্তি লাভ কৰে। হাবিত লুকুৱাই ৰখা অৱস্থাতে মিবুজনক এখন ঐশ্বৰিক শক্তি সম্পন্ন তৰোৱাল দিয়ে। যাক মিচিংত কোৱা হয় 'য়ক্চা'। 'য়ক্চা'খনৰ অবিহনে মিবুৱে মাংগলিক কাৰ্য সমাপন কৰিব নোৱাৰে। যেতিয়া শিশুটিক বিচাৰি পোৱা যায় তেতিয়া তেওঁ ক'ত আছিলে, কি কৰিছিলে আদি সকলো পাহৰি যায়। পিছত সকাম-নিকাম কৰি শিশুটিক 'মিবু' হিচাপে বৰ্ণ্ণা হয় আৰু জ্যেষ্ঠ মিবুসকলৰ পৰা বিভিন্ন শিক্ষাসমূহ লয়।

মিবুৱে দেও উঠা প্ৰক্ৰিয়াটোকে 'বিশ্ব দাগনাম' বুলি কোৱা হয়। প্ৰধানতঃ গাঁও বা সমাজৰ অপায়-অমংগল, ৰোগ-ব্যাধি অথবা কোনোবা ব্যক্তি গতভাৱে টান নৰিয়াত পৰিলে 'মিবু দাগনাম' প্ৰয়োজন হৈ পৰে। কাৰণ মিচিং সমাজে বিশ্বাস কৰে যে মিবুৱে ৰোগৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়ো জানে।

দেও উঠাবলৈ প্ৰথমে মিবুক আমন্ত্ৰণ জনোৱা হয়। দেও উঠোৱা অৰ্থাৎ 'মিবু দাগনাম' পৰ্বত মিবুৱে নিজৰ কঁকালত এখন কাপোৰ বান্ধি লয়। কাপোৰখনত ডেকা-গাভৰু সকলে শাৰী শাৰী কৈ ধৰি তেওঁৰ পদাংক অনুসৰণ কৰি নৃত্য কৰে। মিবু দাগনাম পৰ্বত সহযোগ কৰা ডেকা-গাভৰুসকলৰ পবিত্ৰ শৰীৰ আৰু পবিত্ৰ মন হ'ব লাগে। পূৰ্বে অপকৰ্মত লিপ্ত হৈ অশুচি হোৱা ডেকা-গাভৰু সকলে ইয়াত সহযোগ কৰিব নোৱাৰে। অশুচি লোকে এনে শুভ কামত বিঘিনি ঘটায়।

জনবিশ্বাস মতে, যেতিয়া কোনো ব্যক্তি আত্মাক দেও-ভূতে লুকুৱাই ৰাখে তেতিয়াই মানুহে টা নৰিয়াত পৰে। গতিকে লুকুৱাই ৰখা আত্মাক ঘূৰা মানুহৰ দেহত আকৌ সংস্থাপন কৰিবলৈ মিবুৱে ইহসংসাৰ এৰি দেও-ভূতৰ ৰাজ্যলৈ যাবলগীয়া হয় আত্মাক বিচাৰি যাওঁতে মিবুৱে বিভিন্ন বিপদ দংকুল হ' পাৰ হ'বলগীয়া হয়। এনে প্ৰতিকূল পৰিৱেশত মিবুৱে বিভিন্ন ৰূপ ধাৰণ কৰি পাৰ হ'ব লগা হয়। এনে সহযো ডেকা-গাভৰুসকলে কেনেবাকৈ কাপোৰখন এৰি দিলে মিবুৰ আত্মা কোনো নদী বা অৰণ্যত পৰি মৃত্যু পৰ্য হ'ব পাৰে।

মিবু দাগনাম পৰ্ব আৰম্ভণীতে দেৱতা উদ্দেশ্যে গোৱা হয় এইবুলি -

উন্নলায়ৌ ৰুমনা
দংকৌ লৌবৃঙা ৰুমনা
দৌঙকৌ লৌবৃঙৌ ৰুমনী নম
গৰদু বৌৰণী ৰুমনা
গৰণঃ য়ৰণী আঃতানা
লংঃগু আঃনৌ ৰুমনা
পঃচুম ডগুঙৌ গুঃমৃণী নমৌ
ঔঃণা মৌলঃকৌ জৌহদী জৌইদক
পৌদং আঃনৌকৌ অদঃদৌঃমৌ
দঃয়িং আনৌকৌ দঃজিককঃ জিগবি নামদৌ
নক্কৌ আঃজি তাঃবৌ কাঃলৃঙা
অঃকং য়েঃণী
লৌঃণি ডাঃবৌ গৃঃমৃণ
নলু চেঃদিকৌ চঃয় গৌমৌ
য়েকতুম মাঃজৌকা
কিৰুঃণানী বৃণপপুং নাঃনা
লৌঃনি দঃজি গৌম জিগবি
তাঃবৌ মাংগমৌ
লৌঃনি মাংগমৌ
চেঃদিকৌ বমঙৌ
উনচাং দচিমৌ
চেঃদি শাঃবাংকৌ
আংকাং য়েকুৱাই......।
(হে সৃষ্টিৰ অন্যতম গৰাকী)
হে ইতিহাসৰ অন্যতম গৰাকী
তোমাক সেৱা জনাইছো
জন্মৰ সকলো তাৰ কান্ধত আৰু গৰ্ভত লৈ
যি সকলো পৰিয়ালৰ জন্মৰ
মাতৃস্বৰূপ তোমাক বন্দো পৌদং
মাতৃয়ে সৃষ্টি কৰোতে
লহপহকৈ বাঢ়ি আহোতে
ইতিহাসৰ গৰাকীয়ে ভাগে ভাগে দিয়াখিনি
তোমাৰ প্ৰেৰণা প্ৰাপ্ত কিশোৰ
এই অঃবৌ মিবুৱে মিঃবৃ আঃবাং
গাবলৈ যত্ন কৰিছো
পঃচুম তগুং লৌঃনৌ তাঃবঃ আদি মিবুসকল
তোমালোকে চেঃদি মেঃলৰ বাবে
গোৱা আঃবাঁৰ পথ ৰুদ্ধ নকৰিবা
কিঃৰু আৰু বনপুং মাতৃ
তোমালোকে সুদক্ষ মিবৃৰ বাট দেখুৱাই দিবা
তাঃবৌ বা লৌঃনৌৰ দৰে সুদক্ষ মিবু নহ'লেও
চন্দ্ৰ-সূৰ্য থাকে মানে
চেঃদিৰ আংবাং গাবলৈ যত্ন কৰিছো।)

মিবু আংবাং গাই গাই চূড়ান্ত স্তৰত অৱতীৰ্ণ হয়। আংবাং শেষৰ পিছত মিবুৱে খাপৰ পৰা য়ক্চাখন উলিয়াই আৰু য়ক্চা জোকাৰি জোকাৰি জাপ মাৰি নৃত্য আৰম্ভ কৰে।

মিবুৱে আত্মা বিচাৰি পোৱাৰ পাছত মানুহৰ আত্মাৰ সলনি গৰু, ছাগলী, গাহৰি আদিৰ আত্মা ভূত-প্ৰেতলৈ বিনিময় হিচাপে দিব লগা হয়। অৱচেতন মিবুৱে মানুহৰ আত্মাৰ বিনিময় হিচাপে বেলেগ আত্মাৰ দিয়াৰ প্ৰতিশ্ৰুতি দি চেতন পায়। মিবুৰ নিৰ্দেশণুক্ৰমে ভূত-প্ৰেতলৈ উৎসৰ্গিত গৰু বা ছাগলীৰ বান্ধ খুলি দিয়া হয়। নৰিয়াত পৰা মানুহজন লাহে লাহে ভাল হৈ আহে। কুকুৰাৰ ডাক দিয়াৰ আগে আগে উৎসৰ্গিত গৰু বা ছাগলীটোৰ প্ৰাণ বায়ু উৰি যায়।

পৰিয়াল অথবা গাঁওৰ মংগলৰ হেতু কেতিয়াবা মিবুৱে সমজুৱাকৈ সকাম কৰাৰো বিধান দিয়ে।

উপসংহাৰ ঃ- কোনো ব্যক্তিৰ ৰোগ নিৰ্ণয় আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় অথবা সমাজৰ অমংগলৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰ সন্দৰ্ভত বিস্তৃত জ্ঞান থকা মিবুৱে মিচিং সমাজত গুৰুত্বপূৰ্ণ ভমিকা পালন কৰে। কিন্তু সম্প্ৰতি আধুনিকতাৰ প্ৰভাৱত মিচিং সমাজৰ পৰা মিবু প্ৰায় হেৰাই গৈছে। মিবু হেৰাই যোৱাৰ লগে লগে মিচিং সমাজৰ পৰা হেৰাই গৈছে তাহানি দিনৰ পৰা পৰম্পৰাগতভাৱে চলি অহা বহু ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি। বৰ্তমান সেইবোৰ সংৰক্ষণৰ সময় সমাগত। অন্যথা মিচিং সমাজৰ স্বকীয় ৰীতি নীতি, কৃষি-সংস্কৃতি, লোকাচাৰ, আঃবাং আদি কালৰ সোঁতত নিঃশেষ হৈ যোৱাটোৱে ধ্ৰুৱ। লগে লগে হেৰাই যাব 'মিচিং' নামৰ কৃষ্টি-সংস্কৃতিত অতি চহকী এটা জাতি।

*লেখকৰ ঠিকনা ঃ*
*নামনি গঁড় পৰা, ঢকুৱাখনা*
*ফোন ঃ ৮৮৭৬২৬৮৫৮৮*

ooooo

# বিহুনামত নাৰী

তৰালী ঘৰফলীয়া

আহিলে ফাগুনী　　নচোৱালে কাকিনী

মনবো স্থিৰতা নাই,

আজি অতিদনে　　বিচাৰি ফুৰিছোঁ

তোমাক দেখিবলৈ নাই।

ফাগুনৰ ধূলিয়ৰি পচোৱাই বা সানি যোৱা লাস্যময়ী ৰূপহী প্ৰকৃতিয়ে বসন্তক আদৰণি জনোৱাৰ লগে লগে প্ৰতিজন অসমীয়াৰ প্ৰাণত আনন্দৰ জোৱাৰ উঠে, দেহ-মন পুলকিত হয় আৰু স্বতস্ফূৰ্তভাৱে কোনো



চহা কবিৰ কাপেদি নিগৰে প্ৰেম, মিলন, বিৰহৰ গীত। বসন্তকালীন এই গীত মাতবোৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে আমি শিহৰিত হওঁ, মন উতলা কৰা এক উত্তাল শিহৰণেৰে।

অসমীয়া সমাজৰ ৰঙালী বিহুৰ সময়ত গোৱা-মাতবোৰৰ বিভিন্ন কলিৰ মাজেদি প্ৰকৃতিৰ কিনন্দীয়া ৰূপৰ বৰ্ণনাৰ পৰা আৰম্ভ কৰি প্ৰতিজন অসমীয়াৰ হৃদয়ৰ বতৰা জল-জল পট-পটকৈ প্ৰতিফলিত হৈ উঠে। এই বিহুনামসমূহত ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়ৰ লগতে নাৰী জীৱনৰ বিৰহ বেদনাৰ ছবিও মূৰ্ত হৈ উঠিছে।

গাভৰু জীৱনৰ মায়া বান্ধোন ছিঙি বোৱাৰীৰ সাজ পিন্ধিবলগা হোৱাটো নাৰী জীৱনৰ প্ৰকৃতিগত নিয়ম। অসমীয়া লোক সমাজত গাভৰু এজনীক 'বৰঘৰৰ শুৱনী' বুলি কোৱা হয়। ঘৰখন শুৱনি কৰা বুধা গাভৰুজনীৰ অন্য এখন ঘৰলৈ উলিয়াই দিয়াটো সঁচাই বৰ টান। যি কথা ভাবিব খুজিও যেন ভাবিবৰ মন নাযায়। বিহুনামত কোনো চহা কবিৰ কাপেদি এই কথা নিগৰিছে এনেদৰে -

আগবাৰী শুৱনি　　কাকিনী তামোলে

পাচবাৰী শুৱনি পাণ,

বৰঘৰৰ শুৱনি　　গাভৰু ছোৱালী

উলিয়াউ দিবলৈ টান।



কিন্তু, প্ৰকৃতিৰ নিয়মক জানো কোনোবাই বাধা দি ৰাখিব পাৰে? মাকৰ ঘৰত কমোৱা তুলা হৈ উৰি ফুৰা চঞ্চলা গাভৰুজনীৰ ভৱিষ্যত জীৱনৰ বৰ্ণনাও বিহুনামত প্ৰতিফলিত হোৱা দেখা যায় -

একালৰ ন-জোন　　একালত ওলাব

একালত পৰিব খহি

একালত সোণাই　　ঐ কান্দিব লাগিব

আনৰ দুৱাৰ দলিত বহি।

জন্ম ঘৰখনৰ অলেখ স্মৃতি বুকুত সাৱটি নতুন জীৱনৰ পাতনি মেলা প্ৰতিগৰাকী নাৰীৰ কপালত কিন্তু বিধিয়ে একেই সুখ নিলিখে। কোনোৱা এগৰাকীয়ে যদি হেঁপাহৰ মালা গুঁঠি সপোন ৰাজ্যত বিচৰণ কৰিছে আন এগৰাকীয়ে হয়তো আনৰ দুৱাৰ দলিতে বহি চকুলোৰে দুগাল তিয়াবলগা হৈছে। এয়ে নাৰী জীৱন ........।

গাভৰু মাত্ৰেই যেন জিৰণীয়া মৌ। শৈশৱৰ ডেওনা পাৰ হৈ কৈশোৰ অতিক্ৰম কৰি যৌৱনত ভৰি দিয়া বৰঘৰৰ শুৱনি গাভৰুজনীয়ে প্ৰকৃতিৰ নিয়ম মানি এদিন নহয় এদিন অন্য অচিনাকী ঘৰ আপোন কৰি ল'বলগা হয়। উন্মনা মনৰ সকলো চঞ্চল ভাৱনা জলাঞ্জলি দি নতুন ঘৰখনৰ ন-বোৱাৰী হোৱা একালৰ গাভৰুজনীৰ ঘনাই ঘনাই মাকৰ ঘৰলৈ মনত পৰে। ন-বোৱাৰীজনীৰ বুকুৰ বেথা বিহুনামত প্ৰকাশ পাইছে এনেদৰে -

আয়ে তুলিলে কতনা দুখেৰে

ঢাপৰ আলু কচু খাই,

বোপাই বিলনীয়া বিলাই পঠিয়ালে

লোকৰ কটা-তামোল খায়।

কোৱাৰ কোনো প্ৰয়োজন নাই যে এগৰাকী মাতৃয়ে কিমান কষ্টেৰে সন্তান এটা তুলি-তালি ডাঙৰ দীঘল কৰে। মাতৃমনৰ বেথা আনে জানো বুজিব? মাতৃ মনৰ সকলো হেঁপাহ ঢালি ডাঙৰ কৰা গাভৰুজনীক যেতিয়া বিয়াৰ উপযুক্ত বয়সত অন্য এঘৰলৈ উলিয়াই দিয়াৰ কথা আহি পৰে, তেতিয়া কিন্তু তামোল-পাণৰ শৰাই যাচি ছোৱালী খোজা ভাৰখন গ্ৰহণ কৰে দেউতাকেহে। পিতৃৰ দায়িত্বতো পালন কৰিবই লাগিব কন্যা দান কৰি।

চকুৰ আগতে গাভৰু হোৱা ছোৱালজনী যেতিয়া চকুৰ পচাৰতে অইন এখন ঘৰৰ বোৱাৰী হয়গৈ, কোন স'তে বাৰু মাক দেউতাকে সহ্য কৰিব পাৰে মনৰ বেদনা? দুখত যেন বুকু ফাটি যাব খোজে। ঘনাই চকুলো বব খোজে পুৰণি স্মৃতি সুঁৱৰি। তেতিয়া আকৌ বিহু-নামেৰেই গাভৰুজনীয়ে মাক-দেউতাকক সান্ত্বনা দিব খোজে -

উজাই নাৱৰীয়া　　বালি-ভাতে খালে

গচকি পুতিলে টৌ

আই নাকান্দিবা　　বোপাই নাকান্দিবা

আমি জিৰণীয়া মৌ।

অনাখৰী কোনো চহা লোকৰ মুখে মুখে চলি অহা প্ৰেম, পৰিণয়, বিৰহৰ লোকগাঁথা এই বিহুনামসমূহ প্ৰতিজন অসমীয়াৰ ৰক্তত প্ৰবাহিত হৈ আছে। ই চিৰন্তন, চিৰ শাশ্বত। অসমীয়াৰ বাপতি সাহোন বিহুৰ এই ৰঙালী প্ৰাচুৰ্যই চিৰদিন অসমীয়াৰ প্ৰাণত লহৰ তুলি আহিছে আৰু তুলি থাকিব। বিহুৰ সৰলতা, পবিত্ৰতা, মধুৰতা অক্ষুন্ন ৰাখিবলৈ প্ৰতিজন অসমীয়াই দায়বদ্ধ হোৱা উচিত। কিয়নো, বিহু হৈছে অসমীয়া জাতিৰ আয়ুস ৰেখা। বিহু থাকিলেহে যে অসমীয়া জাতি থাকিব ই ধ্ৰুৱসত্য। সেয়ে আমি সকলোৱে বিহু নামৰ এই স্বৰ্ণময়ী সংস্কৃতি আমাৰ বুকুৰ মাজত জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগিব। নহ'লে হয়তো 'অসমীয়া' জাতিটোৱেই নিশ্চিহ্ন হৈ যাব। সেয়ে আমি সকলোৱে একেমুখে কওঁ আহক - "বিহু আমাৰ প্ৰাণ, বিহু আমাৰ বাবে সম্ভাৱনাৰ এমুঠি সেউজীয়া গান।"

*লেখিকাৰ ঠিকনা*

*লখিমপুৰ।*

০০০০০

# তিনিখন অবিস্মৰণীয় বিহু আৰু তিনিটা ডাঙৰ শিক্ষা

নন্দ চুতীয়া

এক

তাহানিখন আমাৰ বালি গাঁৱত যি কেইজন খিতাপী-প্ৰতাপী প্ৰভাৱশালী মানী মানুহ আছিল তাৰ ভিতৰত স্বৰ্গীয় পৰমানন্দ বড়াদেৱো এজন। তেখেত ৰাজনীতিক, সমাজনীতিক, ক্ৰীড়া সংগঠক লগতে এজন জনপ্ৰিয় দক্ষ ফুটবল ৰেফাৰী আছিল। ঢকুৱাখনা টাউনক্লাব সংগঠনটোৰ জন্ম তেখেতৰে অনুভৱৰ ফচল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেইকালত বহাগ বিহুত থানাখনকে কেন্দ্ৰ কৰি বালি গাঁৱৰ দুঘৰমান অৱস্থাসম্পন্ন মানুহৰ ঘৰত হুঁচৰি গাবলৈ অনেক বিহুদলে ভিৰ কৰেহি। পৰমা বড়াৰ ঘৰতো হুঁচৰি গাবলৈ অনেক বিহু দল আহে। এটা দলে বিহু মাৰি থাকোতে আন দুই-তিনিটা দলে হুঁচৰি গাবলৈ অপেক্ষা কৰি পদূলিৰ মুখত ভিৰ কৰি থাকেহি। সেইবোৰ বিহু চাবলৈ অনেক মানুহ গোট খায়। এবছৰ পৰমা বড়া ঘৰৰ চোতালত আবেলি ভাগত এটা দূৰৰ বিহুদলে হুঁচৰি গাইছেহি। দূৰণিৰ সেইখন বিহু চাবলৈ তেখেতৰ চোতালত বহুতো মানুহ হৈছে।ময়ো দৰ্শকৰ এজন হৈ থিয় হৈ আছো। তেতিয়া মোৰ দেহত যৌৱনে ভুমুকি মাৰিছে। সেইদিনা পৰমা বড়াৰ নলেগলে লগা বন্ধু তেতিয়াৰ অসম চৰকাৰৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী মাতমৰা নিবাসী লক্ষ্য নাথ দলে ডাঙৰীয়াও বড়াৰ ঘৰত অতিথি হৈছেহি। দুয়ো বন্ধুৱে শুৱনি কোঠাত বহি পৰম আনন্দে কথা পতাত ব্যস্ত। বিহু দলটোৱে হুচৰি সামৰি বিহুখন মাৰিবলৈ আৰম্ভ কৰিছেহে তেনেতে টোপা কাড় পাত হৈ ৰুদ্ৰ মূৰ্ত্তি ধৰি পৰমা বড়াদেৱ বাহিৰলৈ ওলাই আহি সিংহ গৰ্জনে গৰজি দলটোক ধমক দি চোলাৰ জেপৰ পৰা দুটকীয়া নোট এখন উলিয়াই দলটোলৈ আগবঢ়াই কৈছে - 'এই দুটকা লোৱা আৰু ভাগা। এই দুটকা পোৱাও তোমালোক যোগ্য নহয়। বিহু মাৰিবলৈ আহিছা। ক'ৰ পৰা আহিছাহে? তোমালোকে বিহুক অপমান কৰিছা। তোমালোক তাৰ বাবে শাস্তি পোৱাৰ যোগ্য। দূৰৰ বিহু দল বুলি মই ৰেহাই দিছো। নহ'লে ....................। কি পোছাক পিন্ধি আহিছা এইবোৰ? গেট আউট'। দূৰৰ বিহুদলটোক এনেকৈ অপমান কৰি খেদি দিয়াত বিহু চাই থকা দৰ্শক সকলে বড়াদেৱক বেয়া পালে। ময়ো দুখ পালো। কিন্তু এতিয়াহে বয়সে গৰকাৰ পিছত পৰমা বড়াদেৱৰ সেই খঙটোক ময়ো আজি আদৰণি জনাইছো। বিহু মৰাৰ বেলিকা জাতীয় সাজ-পাৰ পিন্ধিহে বিহু মাৰিব লাগে। তেতিয়াহে বিহুক মান দিয়া হয়। সেই দলটোৱে লংপেন্ট চাৰ্ট পিন্ধি বিহু মাৰিছিলহি। দলটোৱে সংস্কৃতি কৰাৰ নামত অপসংস্কৃতি কৰি দুষ্কৃতিৰ পোহাৰ মেলিছিল। পৰমা বড়া দেৱৰ দৃষ্টিত সেয়াই আছিল দলটোৰ বাবে এটা ক্ষমাহীন ডাঙৰ অপৰাধ। দলটোক তাৰ বাবে গালিৰ মাজেদি ভৱিষ্যতলৈ সৰ্তক হ'বলৈ এটা শিক্ষা দিছিল। আজিৰ পৰা প্ৰায় দুকুৰি বছৰৰ আগত পৰমা বড়াদেৱে আপোন সংস্কৃতি নিখুঁতভাৱে ধৰি ৰখাৰ ক্ষেত্ৰত যিটো কথা তেতিয়াই অনুভৱ কৰিছিল আজি বহু বছৰৰ পিছতহে আমি সেই কথা অনুভৱ কৰিছো। সেই বাবেই হুঁচৰি বিহুত যিকোনো পোছাক পিন্ধি এতিয়া হুঁচৰি গোৱা স্বভাৱটো দূৰ হৈছে।

দুই

আমাৰ বালি গাঁৱত আৰু এঘৰ খামীডাঠ প্ৰতাপী মানুহ আছিল সেইঘৰ হ'ল মৌজাদাৰ ফণীধৰ বৰ গোঁহাই আৰু ইন্দ্ৰধৰ বৰগোহাঁই। দুয়ো ককাই ভাই। দুয়ো ককাই ভাই যৌথ পৰিয়ালপাতি বৰ সমিল মিলেৰে থাকে। দেখিলে এনে লাগে এওঁলোক দুয়ো যেন নলেগলে লগা বন্ধুহে। কাষৰীয়া গাঁও কেইখনে এইঘৰখনক বৰ সমীহ কৰি চলে। বহাগ বিহু। চনটো ১৯৫৬ বা ১৯৫৭ মান হ'ব। আমি আমাৰ গাঁৱৰ ভাটি ফালৰ সৰু সৰু ল'ৰাবোৰে অকৰা ধপাতৰ চুঙাত তামোলৰ ঢকুৱা বান্ধি ঢোল কৰি বেতৰ সুতেৰে দুয়োমূৰ বান্ধিলৈ ডোল কৰি ডিঙিত ওলমাই পিন্ধিলৈ ঘৰে ঘৰে গৈ হুঁচৰি গাওঁগৈ। সেইদিনত দুপইচা এক অনা খুব বেছি দুঅনা শৰাই মাননী হিচাবে গৃহস্থই আগবঢ়ায়। আমাৰ ল'ৰাহঁতৰ মানত সেয়াই বহুত। হুঁচৰি গাই গোট খোৱা পইচাৰে ভোজ খোৱা হয়। পইচা ৰাহি হ'লে ৰবৰৰ বল এটা কিনা হয় আৰু চেনিগুটি কিনি খাই পেলোৱা হয়। এদিন আমি ল'ৰাহতে আবেলি মৌজাদাৰ ফণী বৰগোঁহাইৰ ঘৰত হুচৰি গাবলৈ সোমাই চোতালখনত গোল হৈ শাৰীপাতিলৈ গৃহস্থৰ কুশল অৰ্থে হৰি বোলা ধ্বনি দি অ'ৰ এফাকি ত'ৰ এফাকি ধৰি পদ দিছো। সেই মূহুৰ্ত্তত ঘৰৰ বাৰাণ্ডাত বহি দুয়ো ভাই ককাইয়েক ফণী বৰগোঁহাই আৰু ইন্দ্ৰ বৰগোঁহাইয়ে কিতাপ পঢ়ি আছিল। ফণী বৰ গোঁহাইয়ে সেইদিনত ডাক যোগে মগাই আনি পঢ়া বাতৰি কাকত এখন হাতত লৈ চোতাললৈ নামি আহি ল'ৰা বোৰলৈ চাা লে। 'এওঁ কাৰ ঘৰৰ ল'ৰা? এওঁ একা'? ল'ৰাবোৰে হুচৰি বন্ধ কৰি ভয়ত আৰু লাজত বৰলৰ বাঁহটোৰ দৰেহৈ থুপ খাই এলদা হ'ল। ফনী বৰ গোঁহাইদেৱে আমাৰ জোমটোৰ মাজৰ ওখ ডাঙৰ ল'ৰাটোক সুধিলে - 'পঢ়িছানে নাই? সি পঢ়িছো বুলি মূৰ দুপিয়ালে? পুনৰ সুধিলে - কি শ্ৰেণীত পঢ়িছা? সি তৃতীয় শ্ৰেণীত পঢ়িছো বুলি ক'লে। তেতিয়া ফণী বৰগোঁহাইদেৱে বাতৰি কাকতখনৰ পৃষ্ঠা এটা মেলি তাৰ চকুৰ আগত দাঙি ধৰি কলে - 'এইখিনি ডাঙৰ ডাঙৰকৈ পঢ়ি মোক শুনোৱাচোন' এই বুলি কোৱাত সি ফণী বৰ গোঁহাইক বাঘ দেখাৰ দৰে দেখি অপস্তুত হৈ দৌৰি পলাল। তাক পলোৱা দেখি আমাৰ মাজৰ আৰু কেইবাটাও ল'ৰা দৌৰি পলাল। বাকী চাৰি পাঁচটামান আমি ল'ৰাহে সেমেনা সেমেনি কৰি ৰৈ থাকিলো। ফনী বৰ গোঁহাইয়ে আমালৈকে চাই ক'লে - নাচ গান খেলা ধূলা কৰাৰ লগতে পঢ়া শুনাও কৰিব লাগে। পঢ়া শুনা কৰিলেহে মানুহ জ্ঞানী হয়। এই বুলি কৈ ভিতৰলৈ গৈ চীনা মাটিৰ প্লেট এখনত চাৰি অনা পইচা এটা থৈ ৰুমাল এখনেৰে ঢাকি আমালৈ আগবঢ়াই দিলে। সেই পইচাটো থাপ মাৰিলৈ আমিও দৌৰি পলালো। ফণী বৰ গোঁহাইয়ে তেতিয়া ই কোৱা কেইষাৰ কথা আজিলৈকে মোৰ জীৱনৰ মচ নোযোৱা দাগ হৈ সাঁচ বহি আছে। হয়, ছাত্ৰাৱস্থাত ৰং তামাচাৰ লগতে সমানে লিখা পঢ়াতো মনোযোগ দিব লাগে। লিখা পঢ়াৰ মাজেদিহে মানুহ হ'ব পাৰি।

তিনি

তাহানিখনতো আমাৰ গাঁওখন ডাঙৰ। হুঁচৰি গাই গাঁওখন অন্ত কৰিবলৈ হ'লে বহাগৰ সাত আঠদিন লাগে। সেই দিনত আমাৰ গাঁৱৰ এটা দস্তুৰ আছিল এবছৰ যদি উজনি ফালৰ পৰা হুঁচৰি আৰম্ভ কৰি গাই অহা হয় পিছৰ বছৰ ভাটি ফালৰ পৰা গাই অহা হয়। সেইবাৰ উজনি ফালৰ পৰা গোৱা হ'ল। সেই দিনত আমাৰ বালিগাঁৱৰ ভাটি ফালে থকা শেষৰ মানুহঘৰ আছিল ° কৃষ্ণ গগৈৰ ঘৰখন। সেই বছৰ বহাগৰ কেইবাদিনো যোৱাৰ পিছতো হুঁচৰি গাই অন্ত পৰা নাই। হুঁচৰি শেষ কৰিবলৈ আৰু কেইঘৰ মান বাকী আছে। সেই দিনা গধূলিলৈ হুঁচৰি গাবলৈ ৰাইজখনৰ লগত ময়ো ওলালো। মই তেতিয়া চেঙেলীয়া ডেকা। কৃষ্ণ গগৈৰ চোতালত ৰাইজখন সোমাই হুঁচৰিৰ ঘাট মাৰিছোহে তেনেতে টিঙিৰি তুলাহৈ কৃষ্ণ গগৈ ভিতৰৰ

পৰা চোতাললৈ আহি ৰাইখনক গালিয়ে থকা সৰকা কৰি বকিবলৈ ধৰিলে - 'হুঁচৰি বন্ধ কৰ। নেলাগে তহঁতে মোৰ ঘৰত হুঁচৰি গাব। হুঃ, বিহু কেতিয়াবাই ছেৰিলে। আজি আহিছ হুচৰি গাবলৈ। মানুহে হাল কোৰ ধৰিলে। এপইচাও নিদিওঁ। ভাগ'। অৱশ্যে গালি পাৰিলেও শৰাইখন কিন্তু আগবঢ়াই দিলে আৰু ৰাইজেও আশীৰ্বাদ জোলোকা দি ঘৰমুৱা হ'ল। হয়। জী ৰুনৰ ভাটি বেলাহে আজিকালিৰ বিহুবোৰ চাই কৃষ্ণ গগৈৰ সেইকথাষাৰ গভীৰভাৱে উপলব্ধি কৰিছো। বিহু বুলিয়েই গোটেই বহাগ মাহটো হুঁচৰি গোৱা অনুচিত। বিহু কেইদিন উলাহৰ মাজতেই হুঁচৰি গাই শেষ কৰিব লাগে। বিহু ছেৰিলে হুঁচৰি গোৱা বন্ধ হ'ব লাগে। বিহু ছেৰাৰ পিছত হুঁচৰি গালে অশুৱনি হয়, গৃহস্থইও ভাল নেপায়, আমনিহে পায়। আজিৰ দিনৰ বিহু দলবোৰ এইষাৰ কথা টং কৰক আৰু বিহু কেইদিন যো ৱাৰ পিছত কৰ্মত হাত দিয়ক।

*লেখকৰ ঠিকনা :*
*বালিগাওঁ, ঢকুৱাখনা*



# প্ৰসঙ্গ ঃ ৰাতি বিহু

**মীৰা গগৈ**

শীতৰ অন্তত ফাগুনৰ পচোৱাৰ লগত টোপে টোপে আকাশৰ পৰা সৰি পৰে মুকুতা সদৃশ বৰষুণ। গছ-লতিকাই প্ৰাণ পাই উঠে, ধূলি-মাকতি ধোৱাই নিয়ে। নিকা কৰে বাট-পথ, গছ-গছনি আৰু জীপাল কৰে বসুন্ধৰা। লঠঙা গছত নকৈ কুঁহিপাত মেলে, পৃথিৱী হয় উৰ্বৰা-সৰ্গভা। প্ৰকৃতিয়ে বোৱাই আনে অনামী জলধাৰা। পৃথিৱী হয় জীপাল, উমাল চিৰ বিনন্দীয়া। প্ৰকৃতিৰ বুকুলৈ নামি আহে পৰিবৰ্তন। লঙঠা-লঙঠা গছে-গছে, লতাই-লতাই কোমল কুঁহিপাত মেলে, নতুন বছৰৰ আগমন হয়। বসন্তৰ পৰশ লাগি প্ৰকৃতি ফুলে-ফলে জাতিষ্কাৰ হয়। আমে মলিয়ায়, কঁঠালে মুচিয়ায়। কুলি-কেতেকী, মইনা, দহিকতৰা, সখিয়তিৰ সুমধুৰ কাকলিয়ে প্ৰকৃতিৰ বুকুত তোলে ছন্দৰ মূৰ্ছনা, কুঞ্জে কুঞ্জে মধু-মাধৱীৰ মধু সম্ভাৰ, মৌ-মাখিৰ মধুৰ গুঞ্জন, নানাৰঙী পখিলাৰ টৌতে ঠেওধৰা নাচ, ঢাপত ফুলে মাধৈ-মালতী, খৰিকাজাই, স'ৰাগছৰ ডালত ফুলে কপৌ-ভাটৌ ফুলৰ দৰে অৰ্কিডবোৰ। তগৰ, গোলাপ, চম্পা ফুলৰ সুবাসত জাতিষ্কাৰ হৈ প্ৰকৃতি ৰাজ্যৰ দৰে মানৱ জীৱনলৈকো অফুৰন্ত প্ৰেম আৰু আনন্দৰ নিজৰা বোৱাই আনে। আনন্দ উলাহৰ উৎসৱ ব'হাগ বিহু। প্ৰকৃতি ভৰ যৌৱনা হয়- মানুহবোৰো ল'ৰা-ডেকাৰ পৰা আবাল-বৃদ্ধলৈকে যৌৱনৰ ৰঙবোৰে ধোৱাই লৈ যায়। সকলো হৈ পৰে আনন্দত মতলীয়া। চ'তৰ সংক্ৰান্তিৰ দিনাই এই বিহু আৰম্ভ হয়। সেয়ে বিহু গীতত গায় -

"চ'তৰে শেষতে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুটিৰ কথা।"

অসমৰ পৰ্বতে-কন্দৰে, ভৈয়ামে মুগা পুহি ৰেচমী কাপোৰ তৈয়াৰ কৰি অসমীয়া নাৰী-পুৰুষৰ উভয়ৰে ৰিহা-মেখেলা, চোলা-চুৰিয়া, গামোচা আদি পৰিধান কৰি নিজকে সংস্কৃতিৱান অসমীয়া হিচাপে পৰিচয় দি আহিছে অতীজৰ পৰাই। ই এক পৰম্পৰা। তাঁতশালখনত শিপিনীয়ে ঘনে পতি মৰা মাকোঁ যিদৰে হিয়াৰ আপোন, ঠিক সেইদৰে ৰঙালী বিহুটিও অসমীয়া হিয়াৰ আমঠু। আগৰ দিনত বিহুত গাভৰুসকলে আঁহত গছ, বৰ গছ, সোৱালু গছৰ তলত, ফুটকলা গছৰ ওচৰত ৰাতি বিহু মাৰিছিল। গাভৰু বিহুত গাইছিল এনেদৰে -

"ফুটকলা এজোপা ফুটকলা দুজোপা
ফুটকলা ভীৰাই আন খাওঁ।"

অৰ্থাৎ গাভৰুহঁতে বিহু মাৰি মাৰি ভাগৰ নপলাবলৈ ফুপকা ফুটকলা খাই মুখ বোলাই লৈছিল। আহোম স্বৰ্গদেউ সকলৰ দিনত প্ৰথমে কি বিহু উপভোগ কৰিব বুলি মন্ত্ৰীক সোধাৰ প্ৰশ্ন উত্তৰত মন্ত্ৰীয়ে গাভৰু বিহুকহে আগস্থান দিছিল। ৰংঘৰ বাকৰিত এতিয়াও এই বিহু উৎসৱ পাতি আনন্দ-উলাহ, সম্প্ৰীতি, পৰম্পৰা ৰক্ষা কৰি আহিছে। ৰজাসকলৰ দিনৰে পৰাই গাভৰু বিহু প্ৰচলিত হৈ আহিছে। আবেলিৰ পৰা ৰাতিলৈকে

এই বিহু চলিছিল। এই বিহু জোনৰ পোহৰ নহ'লে ঘৰত পেৰা মিঠাতেলৰ ডাঙৰ চাকিত আঁৰৈ চাউল দি চাকি জ্বলাই নতুবা বাঁহৰ ভমক জ্বলাইও ৰাতি এপৰলৈকে বিহু মাৰিছিল। অভিভাৱক সকলে কোনো বাধা দিয়া নাছিল। ডেকা-সকলেও দূৰে দূৰে বিহু মাৰিছিল। এই বিহু চাবলৈ ডেকা আৰু গাভৰু সকলৰ ফালৰ পৰা সোঁত বৈছিল। তাত কোনো অপ্ৰীতিকৰ ঘটনা বা কথা নহৈছিল। কেৱল প্ৰেম-প্ৰীতিৰে যোৰানাম গাই বিহু মাৰিছিল। পিছত এনে প্ৰেম-প্ৰীতি স্থায়ী হৈছিল, কোনো কোনোৱে সঁচা জীৱন সংগী হিচাপে বাছি বিয়াও হৈছিল। আচলতে বিহুত প্ৰেমৰ প্ৰতিদান হিচাপে ডেকাই-গাভৰুক পলুৱাই নিছিল। তাহানিতে প্ৰেমক গইনা লৈ প্ৰেম-পীৰিতিৰে গাইছিল -

"তোৰো মনে গ'লে মোৰো মনে গ'লে
কি কৰিব কলিতাৰ কুলে বা কি কৰিব অজাতিৰ কুলে।"

অৰ্থাৎ একে জাত-পাত হ'লেতো কথাই নাই। কলিতা বা অজাতিৰ কুল হ'লেও বিচ্ছেদ ঘটাব নোৱাৰে। অসমৰ সংস্কৃতিত ড° লীলা গগৈৰ মতে, ৰাতি বিহু অনুষ্ঠিত হৈছিল- চ'তৰ শেষত, গছৰ তলত। সেইবাবে এই বিহুক চ'তৰ বিহু বা গছ তলৰ বিহু বুলি কোৱা হয়। পূৰ্বতে ডেকা-গাভৰুৱে বিহু পৃথকে পৃথকে মাৰিছিল। বিহু মাৰোঁতে ঢোল, পেঁপা, গগনা বজাই আনন্দ-উলাহ কৰিছিল। গাভৰু সকলে নেঘেৰী খোপাত কপৌ, ভাটৌ, তগৰ, নাহৰ ফুল -পাত বা আন ফুল লৈ গুজি হাতত টকা, খোপাত গগনা গুজি, ৰিহা-মেখেলা পিন্ধি বিহু মাৰিছিল। কপৌফুল নহ'লে বিহু নাচনী খোপা শুৱনি নহয়। তেনেদৰে আ-অংলকাৰৰ ক্ষেত্ৰতো জোনবিৰি, মাদলি, কাণফুল, গামখাৰু, মুঠিখাৰু, বাখৰ পতীয়া আঙুঠি পিন্ধি হাতত জেতুকা বোল, ওঁঠত বৰ্হমথুৰিৰ ৰং সানি বিহু মাৰিছিল। দূৰৈ পৰা ভোটাৰ পোহৰ সোণত যেন সুৱগা হৈ চৰিছিল নাচনীবোৰ। সেয়ে ডেকাসকলে যোৰানামত গাইছিল-

'উজায়ে চালো মই অ' চেনাই
ভটিয়াই চালো মই
তোমাৰ মান শুৱনি নাই।
দেৱে মাৰিব মনিচে মাৰিব
তোমাক ধন অকলে পাই।"

এই যোজনা ফাঁকিয়ে 'চেনাইধন' বা 'চেনাই' ডেকা-গাভৰু উভয়কে বুজাইছে। কেতিয়াবা যদি ডেকা-গাভৰুৰ উভয় পক্ষৰ পৰা বিয়া দিয়াত অমত হ'লেও বিহুগীতেৰে প্ৰত্যুত্তৰ দিয়ে -

"ক'লৈ যাম কি কৰিম
ক'ত সোমাই মৰিমগৈ
ক'ত গ'লে পাহৰিম তোক
মিচিমি আহিব বৰ বিহু আনিব
তাকে খাই পাহৰিম তোক।"


মনত দুখ লাগিলে এইদৰে গায় নিজকে সান্ত্বনা দিবলৈ চেষ্টা কৰে। উভয়ৰ ক্ষেত্ৰতে এই নামফাঁকি খাটে। এনেদৰে বসন্ত উৎসৱ বিহুৰ কথা কৈ কৈ শেষ কৰিব নোৱাৰি। বিহুত বিহুৱান বৈ চেনাইধনক দিবলৈ হাতত বিহুৱান লৈ গছতলত ডিঙি মেলি মেলি দেহা উজনি-ভাটি কৰি নাচনী গাভৰু সকল অধীৰ প্ৰতীক্ষাত ৰৈ থাকে। তেতিয়া নাচনী অৰ্থাৎ চেনেহীয়ে গায়-

"মৰমৰ দীঘ দি চেনেহৰ বাণিৰে
সপোনৰ আঁচুকে লৈ
মিলন ফুল বাচিছোঁ
এয়া তোমাৰ বিহুৱান লোৱা।"

পীৰিতিৰ প্ৰতিদান হিচাপে ৰঙালী বিহুতেই মনে-প্ৰাণে হেঁপাহৰ বিহুৱান খনি দি অসমীয়া কৃষ্টি-সংস্কৃতিৰ সন্মান অটুট ৰাখে। অসমৰ বিহু সংস্কৃতিৰ বিভিন্ন দিশৰ ওপৰত আলোচনা বিলোচনা হ'লেও গছ তলৰ বা পথাৰৰ বিহুৰ বিষয়ে বহুতো সমল এতিয়াও অতীত হৈয়ে আছে। বনাঞ্চল ধ্বংস হোৱাৰ লগে লগে বিহু পৰম্পৰা কেৱল মঞ্চলৈ ৰূপান্তৰ ঘটিছে বাণিজ্যিক ভিত্তিত। অসমীয়া ৰাপতি সাহোন বিহু আজি মঞ্চত বিকৃত ৰূপত, কৃত্ৰিমতাত গুৰুত্ব দি অশালীন অপ্ৰীতিকৰ ঘটনাত পৰিণত হৈছে। বিদেশৰ বজাৰত অধিক চাহিদা লাভৰ আশাত বেপেৰুৱা বিহুগীতে আগৰ মুক্ত বিহুগীতৰ ঠাইত স্থান পাইছে। মঞ্চৰ বিহুৱে আগৰ বিহুৰ বৈশিষ্ট্য হেৰুৱাইছে। সংস্কৃতিৱান অসমীয়াৰ সামাজিক বান্ধোন, সম্প্ৰীতি-সম্ভাৱ ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিছে। ৰাতি বিহু, গছতলৰ বিহু, পথাৰৰ বিহু আনুষ্ঠানিক বিহুতকৈ অপৰিসীম গুৰুত্ব আৰু মাদকতা আছে। এইবোৰৰ মাজত স্বকীয় সত্বাক বিচাৰি পোৱা যায়। এই বিহু ঘাইকৈ শিৱসাগৰ, লখিমপুৰ, ডিব্ৰুগড়, ধেমাজিত এতিয়াও পাতি অহা দেখা যায়। মুঠৰ ওপৰত বিহুৰ কথা কৈ শেষ কৰিব নোৱাৰি। মন উৰোঁ উৰোঁ, সাতখন-আঁঠখন কৰা গা- বসন্ত উৎসৱ বিহুত প্ৰীতি এনাজৰীৰে বৰ অসমক বান্ধি ৰাতি বিহু, হুঁচৰি, জেংবিহু আদি বিহু পৰম্পৰা ৰক্ষা কৰোঁ আহক আমি সকলোৱে।

*(বিঃদ্রঃ- প্ৰৱন্ধটি যুগুত কৰোঁতে কিছু কথা আলোচনী-বাতৰি আদিৰ পৰা সংযোগ কৰা হৈছে।)*

*লেখিকাৰ ঠিকনা ঃ আমগুৰি, শিৱসাগৰ*



০০০০০

# বিহুনামত অসমৰ ইতিহাস

জিনু কোঁৱৰ গগৈ

বিহু অসমীয়া জাতিৰ প্ৰাণ, আয়ুসৰেখা। বিহু বুলিলে প্ৰত্যেক অসমীয়াৰ গা-মন সাতখন-আঠখন কৰে। বসন্তৰ পৰশত প্ৰকৃতিয়ে অপৰূপ সাজোন পিন্ধে। ফাগুনে লঠঙা কৰা শুকান গছ-লতিকাৰ বক্ষত সেউজীয়া সপোনৰ উকমুকনি উঠে। বন-বিৰিখৰ পাতে পাতে সুকোমল ৰ'দালিৰ লুকা-ভাকু। মন বননিত অযুত সপোনৰ অগাডেৰা। হালধীয়া পখিলাৰ সেউজীয়া দুপাখিত উলমি পিটপিটাই ফুৰে মন। পুৰণিক গৰকি নতুনে নিৰ্ভয়ে উজান দিয়ে। হয়তো ইয়াকে কোৱা হয় - 'বিহু বিহু লাগিছে গাত, ঘৰতো নবহে পথাৰতো নবহে মন, কমোৱা তুলাবোৰ যিদৰে উৰিছে সেইদৰে উৰিবৰ মন'। এনে এক নান্দনিক পৰিৱেশত কবিয়ে কবিতাত, চিত্ৰকৰে তুলাপাতত, কৃষক-কবি বিহুৱা-বিহুৱতীয়ে হিয়া উজাৰি মনৰ বেথা প্ৰকাশ কৰিদেহা-মন শাঁত পেলায়।

অসমৰ পৰ্বত ভৈয়াম সৰ্বত্ৰতে বসন্তোৎসৱ বিহুৱে ৰূপ-ৰং-ৰস সঞ্চাৰ কৰি অহাৰ ইতিহাস বিচাৰিলে ১২২৮ খৃষ্টাব্দত পাটকাই পৰ্বত পাৰ হৈ অহা মঙ্গোলীয় গোষ্ঠীৰ আহোম স্বৰ্গদেউ চুকাফা আৰু উত্তৰসূৰী সকলৰ দিনৰ পৰা বিহুৱে বিশেষ মৰ্যাদা পোৱাৰ কথা জানিব পাৰি। ইয়াৰ পূৰ্বতে চ'তৰ সংক্ৰান্তিৰ দিনা নৈ-নিজৰাৰ সংগমস্থল বা আওহতীয়া ঠাই, গছৰতল আদিত ঢোল বজাই নাম গাই আনন্দ কৰাৰ নিয়ম আছিল। কৃষিভূমি উৰ্বৰা, শস্য সম্ভাৰা হোৱাৰ উদ্দেশ্যই সৰহ আছিল। কিন্তু আহোম স্বৰ্গদেউসকলৰ দিনৰ পৰা বিহু কেৱল কৃষিমূলক উৎসৱ হৈ নাথাকি বিহু হৈ পৰিল জাতীয় সংহতিৰ ৰক্ষক। স্বৰ্গদেউ ৰুদ্ৰসিংহই শিৱসাগৰৰ মেটেকা পথাৰত কাঠ-বাঁহেৰে ৰংঘৰ নিৰ্মাণ কৰি তাৰ বাকৰিত বিভি[illegible] খেল-ধেমালিৰ লগতে বিহু প্ৰদৰ্শন কৰাৰ দিহা কৰিলে[illegible] বিহুৱাই বিহুনাম গালে -

ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে

নাচনী চৌপাশ ঘূৰে

ৰংঘৰ বাকৰি খোজৰ ভৰত তলমল

নাচোনত তৰাফুল সৰে।

ৰজাঘৰৰ পৰা সাধাৰণ আইতালৈকে সকলোৱে ত[illegible] খেল-ধেমালি আৰু বিহু কৰি বা চাই আনন্দ কৰি[illegible] পাৰিছিল। ৰাজকীয় পোষকতা লাভ কৰি প্ৰদৰ্শন হো[illegible] বিহু চাই স্বৰ্গদেউৱে পাঁকৈত নাচনী-ঢুলীয়া-বিহু[illegible] আদিক বঁটা বাহন দিয়াৰ কথা বুৰঞ্জীত উল্লেখ আছে[illegible] এই ব্যৱস্থাই বিহুৱা-বিহুৱতীৰ মনত উৎসাহ যোগোৱা[illegible] লগতে বিহু জাতীয় উৎসৱলৈ পৰিণত কৰিছিল। সে[illegible] বিহুনামৰ মাজত অসমৰ ইতিহাস সম্বলিত ঘটনা[illegible] পৰিঘটনাৰ লগতে অসমীয়া জাতিৰ মিলন-বিৰহ, সুখ[illegible] দুখ, প্ৰেম-পীৰিতি, বিবিধ লোকাচাৰ, খাদ্যাভাস,সাজ[illegible] পাৰ, আ-অলংকাৰ,গছ-লতিকা, চৰাই-চিৰিকটি আদি[illegible] বিহুনামৰ মাজত সোমাই পৰিল। আমি অৱশ্যে এই[illegible] লেখাত অসমৰ নজহা-নপমা ইতিহাস কিদৰে অন্তৰ্নিহি[illegible] হৈ আছে তাকহে জুমি চাব খুজিছোঁ।

আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বি[illegible] কৰাৰ সুযোগ পোৱাত চহা কৰি বিহুৱা-নামতী সকলে[illegible] স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলক ভাল লগাবলৈ যত্ন[illegible] কৰিছিল। তেওঁলোকে পৰিধান কৰা আ-অলংকাৰ, সাজপাৰ, দোলা আদিৰ বৰ্ণনা কৰি গাইছিল -

স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ

দুলীয়াই পেলালে দোলা,

কাণত জিলিকিলে নৰাৰ জাংফাই

গাত গোমচেঙৰ চোলা।

১৫৩৯ খৃঃত স্বৰ্গদেউ চুক্লেনমুং ৰাজপাটত উঠে। শিৱসাগৰৰ ডৰিকা অঞ্চলৰ দক্ষিণ পশ্চিমফালে দ ঠাইতে বহলকৰি চাৰিওফালে গড় মেৰাই নগৰ কৰিহে শিঙৰি ঘৰত উঠে। গড় মাৰি নগৰ লোৱা প্ৰথম নগৰ গড়গাঁও। বিহুনামত তাৰ ইতিহাস এইদৰে সংৰক্ষিত হৈ আছে -

ৰজাৰে নগৰে দেখি উৰ লাগে

কেঁকোৰা কেকুৰি গড়

হেজাৰী বৰুৱাৰ হাতে আগম-নিগম

কোনে পাব তাৰে থৰ।

আহোমসকলৰ ছশবছৰীয়া ৰাজত্বকালত কছাৰী, চুতীয়া, মুছলমান, কোঁচ, নৰা আদিয়ে নান ধৰণৰ উপদ্ৰৱ কৰিছিল। বুঢ়াৰজা প্ৰতাপসিংহৰ দিনত (১৬০৩-১৬৪১ খৃঃ) কছাৰী লগত যুদ্ধ দিবলৈ গৈ সোন্দৰ বৰগোহাঁই ৰণত পৰিছিল। 'পূবেদি ওলাবৰ ৰেণু সমনীয়া/পূবেদি ওলাবৰ ৰেণু/ সুন্দৰ বৰগোহাঁই ৰণলৈ ওলালে/ গোটেখন ঘূণে খোৱা ধেনু।' এই ফাকি বিহুনামত সোন্দৰ গোহাঁইৰ অসাৱধনতাৰ হেতু কিদৰে কছাৰীয়ে বৰছাৰে খোঁচি মাৰিলে সেইকথা অন্তৰ্নিহিত হৈ আজিও বিদ্যমান।

একেদৰে স্বৰ্গদেউ চুলিকফা বা ল'ৰা ৰজাৰ ৰাজত্ব কালৰ কেতবোৰ দুখদায়ক কথা বিহুগীতৰ মাজতে আজিও আছে।

জেৰেঙা পথাৰত কান্দে জয়মতী

লাই-লেচাইৰ মুখলৈ চাই

লাই লেচাই দুটি ভাই কান্দে ইনাই বিনাই

আজিৰ পৰা আমাৰ মা নাই।

১৬৭৯ ৰ পৰা ১৬৮১ খৃঃলৈকে এইছোৱা সময় বৰ আতংকময় আৰু নিৰ্মম অত্যাচাৰৰ সময়। লালুকসোলা বৰফুকন ৰাজ্যৰ উঠি ৰজা -বহি ৰজা আছিল। স্বৰ্গদেউ চুলিকফা নামমাত্ৰ ৰজা আছিল। ৰজাৰ হৈ লালুকসোলা বৰফুকনে আহোম ৰাজকোঁৱৰসকলক হত্যা নতুবা অংগক্ষত কৰি আগলৈ ৰজা হ'ব নোৱাৰা এই জঘন্য কামত ব্ৰতী হৈছিল। লাইথেপেনা বৰগোহাঁই জীয়ৰী জয়মতীকুঁৱৰীয়ে ৰজা আৰু লালুকসোলাৰ এই কামৰ বিৰোধিতা কৰি নিজ স্বামী গদাপাণিক নগা পাহাৰলৈ পলুৱাই পঠাই নিজে কিদৰে চাউদাংৰ অবৰ্ণনীয় অত্যাচাৰৰ বলি হৈ, স্বামীৰ বাতৰি নিদিয়াকৈ মৃত্যু মুখত পৰিলে, সেই ক'লা অধ্যায় ইতিহাসৰ পাতত ৰাঙলী আখৰেৰে লিখা আছে আৰু বিহু নামত তাৰ ছবি সংৰক্ষিত হৈ আছে।

স্বদেশ আৰু স্বজাতিৰ মংগলৰ বাবে অসমীয়া নাৰীয়ে নিজৰ জীৱনকো তুচ্ছজ্ঞান কৰাৰ ইতিহাস পৃথিৱীত বিৰল। বিহুনামত তাৰ প্ৰতিফলন এনেদৰে - "লাফমাৰি আনি যাম ঢাপৰ তামোল থুকি, চোঁ মাৰি চিঙিযাম পাণ, জয়মতীকুঁৱৰী বৰগোহাঁই জীয়ৰী জীৱন দিয়ে গ'ল দান"। ইফালে গদাপাণিয়ে আজি এঠাইত কাইলৈ এঠাইত থাকি পলাই ফুৰিব লগা হৈছিল। এনেদৰে পলাই ৰহাৰ ৰহদৈ পোহাৰী, তিপামৰ ভাদৈ, শ'লগুৰিৰ আঘণী আৰু ৰাণীগাঁৱৰ গাৰোৱানীৰ ঘৰত কিছুদিন কটাইছিল। গদাধৰ সিংহই ৰাজপাটত বহাৰ পাছত কৃতজ্ঞতাৰ চিনস্বৰূপে তিনিজনী পোহাৰী মতাই নি ধন-সোন আৰু বৰ পোহাৰী বিষয় দিছিল। কিন্তু ৰজাই মতা বাতৰি পাই ভয়ত তিনিজনী লগ হৈ কান্দিছিল। এই ৰোমঞ্চকৰ কাহিনীটো বিহু নামত এনেদৰে আছে -

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ

শ'লগুৰি আঘণী বাই

তিনিও ডিঙিত ধৰি তিনিও কান্দিচে

সমন্বত একোটি নাই।

তেওঁৰ ৰাজত্বকাল (১৬৯৫-১৭১৪ ) ত স্বৰ্গদেউ ৰুদ্ৰসিংহ তেওঁৰ বিবিধ দৌল-দেৱালয় নিৰ্মাণ কৰাৰ লগতে মাতৃৰ স্মৃতিত জয়সাগৰ পুখুৰী খান্দি পাৰত জয় দৌল নিৰ্মাণ কৰিছিল। ঠিক তেনেকৈ শিৱসিংহই শিৱসাগৰ পুখুৰী খান্দি পাৰত শিৱদৌল নিৰ্মাণ কৰা কথা বিহুনামৰ যোজনাত আছে -

শিৱসাগৰৰ শিৱদৌল

জয়সাগৰৰ জয়দৌল

গড়গাঁৱৰ তলাতল ঘৰ ঐ অসমৰ জয়

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্বকাল (১৭৫১-১৭৬৯) ত মানতৰাই আহি মণিপুৰ আক্ৰমণ কৰিছিল, মণিপুৰৰ ৰজা তিষ্ঠিব নোৱাৰি সপৰিয়ালে ভাগি আহি শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহলৈ বাৰ্তা পঠাইছিল। স্বৰ্গদেউ ৰাজখ্যাতি আৰু ধৰ্মৰ প্ৰতি লক্ষ্য ৰাখি এদল সৈন্য দি মানতৰাক খেদিবলৈ পঠাইছিল। আহোম সৈন্য হাবি-লতা কাটি আগবাঢ়ি যোৱাৰ বাতৰি পাই মানতৰা ভাগি আঁতৰি গৈছিল। এই বিহু নামত এনেদৰে গোৱা হয় - "মানদেশত আছিলে মানতৰা এযুৰি, আছিলে নৰিয়া পৰি"। "চৰায়ে খাবৰে ধানে সমনীয়া, উফৰি পৰিবৰ কণ/কিনো চাই আছ গগৈ ৰাজখোৱা, মানতৰাই জিনিলে ৰণ।" এইজনা স্বৰ্গদেউৰ দিনত চকুৰাখনা চাৰিকড়ীয়া নদীৰ জান পাৰাপাৰ হওঁতে চাৰিটা কড়ী দি পাৰ হোৱাৰ কথা বিহুনামত উল্লেখ আছে।

ঠিক একেদৰে স্বৰ্গদেউ লক্ষ্মীসিংহৰ ৰাজত্বকাল (১৭৬৯-১৭৮০) ত মোৱামৰীয়া মহন্ত আৰু আহোম ৰজা ঘৰৰ মাজত বিদ্ৰোহ আৰম্ভ হয়। এই বিদ্ৰোহৰ ফলস্বৰূপে মোৱামৰীয়াৰ হাতত লক্ষ্মীসিংহ বন্দী হয় আৰু ঘনশ্যাম বুঢ়াগোহাঁই পলাই সাৰিব লগা হয়। মোৱামৰীয়াসকলে নাহৰৰ পুতেক ৰমানন্দক ৰজা পাতে আৰু ৰাঘৱ মৰাণ বৰবৰুৱা হয়।

ৰাঘৱ মৰাণৰ অতপালিত ৰাইজ অতিষ্ঠ হৈছিল। সে... ১৭৭০ খৃঃত ব'হাগ বিহুৰ দিনা স্বৰ্গদেউৰ অনুগত ... ডাঙৰীয়াসকলে ২ হাজাৰ তাল, ২ হাজাৰ টকা ... ঢোল বজোৱা চেক্নী ২ হাজাৰ লৈ মুঠ ছয় হাজাৰ মানু... বাদ্য বজাই ন ৰজা মন্ত্ৰী থকা ঠাইত হৰিধ্বনি কৰি ... গাইছিল আৰু মণিপুৰী কুঁৱৰীৰ পৰামৰ্শ মতে ৰাইজ... ওচৰত আঠু লওঁতেই ৰাঘৱ মৰাণক কাটি মাৰিছিল আ... পিছত ৰাইজে সিংহাসনত পুনৰ লক্ষ্মীসিংহক তুলিলে... এই গোটেই কাহিনীটো বিহুনাম গোৱা হয় এনেকৈ -

গড়গাঁও নগৰত হাহাকাৰ লাগিছে

বুঢ়াগোহাঁই ক'লৈবা গ'ল

লক্ষ্মীসিংহ স্বৰ্গদেউ জয়দ'লত বন্দী হ'ল

সিংহাসন মৰাণৰ হ'ল

এইজনা ৰজাৰ দিনতে ৰাটচ'ৰা বা পদুলি মুখ... ছবি প্ৰথম চোতাললৈ আহে। স্বৰ্গদেউ গৌৰীনা... সিংহই তেওঁৰ ৰাজত্বকাল (১৭৮০-১৭৯৫) ত পুখু... খন্দাই গৌৰীসাগৰ নাম থোৱা কথাও বিহুনামত উল্লে... আছে - "খোজকে কাঢ়িলে এলাই পেলাই, খোজে... লাগিলে ভাগৰ / দেউতা মহাৰজাই পুখুৰী খন্দা... নাম থ'লে গৌৰী সাগৰ।"

চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত মানৰ আক্ৰমণ... হৈছিল। ১৮১৭ খৃঃত বদন বৰফুকনৰ আমন্ত্ৰণ ক্ৰমে... মানে অসম আক্ৰমণ কৰে আৰু ৰাজধানী যোৰহাট দখল... কৰে। বদনে মানক আনি অসমীয়া মানুহৰ ওপৰত... অত্যাচাৰ চলাইছিল যদিও পিছত ৰূপসিংহ বড়াল... হাতত তেওঁ মৃত্যু হয় এই লোমহৰ্ষক কাহিনী লৈ ষ্ঠবি... বিহুগীত গালে- 'দেশদ্ৰোহী বদনক ৰূপসিঙে কাটিলে... এডালি বিহুগছ চিগিল।

মানৰ যুদ্ধত হাৰি চন্দ্ৰকান্তসিংহই চাৰিং ৰজা... ডালৰ বগা কোঁৱৰৰ ৰূপৱতী জীয়েক হেমো (ভামো... আইদেউক মান ৰজা বডৌচালৈ দিছিল। তেওঁৰ লগত... অনেক বন্দী বেটীৰ লগতে পাঁচশ অসমীয়া ৰণুৱা... সপৰিবাৰে পঠাইছিল। এই ভামো আইদেউক অসমৰ পৰা নি বডৌচাই প্ৰথমে য'ত হাউলি কৰি ৰাখিছিল সেই ঠাইখনৰ নাম তেওঁৰ নামানুসৰি ভামো নগৰ ৰাখিছিল। ভামো আইদেউক বডৌচাই কুঁৱৰী কৰি লৈছিল। সেই কথাক স্বভাৱ কৰিয়ে বিহুনামত গালে - "স্বৰ্গদেউ যশস্যা সোণৰ কাণমাৰি/কুঁৱৰী মানলৈ দি।"

১৮১৮ খৃঃত পুৰন্দৰ সিংহ ৰাজপাটত বহে। তেওঁৰ দিনত মানে দ্বিতীয়বাৰ আক্ৰমণ কৰে। মানৰ হাতত হাৰি পুৰন্দৰ সিংহ পলাই যায়। মান ৰজাই আলামিঙ্গি নামৰ সেনাধিনায়কজনক সেই যুদ্ধলৈ পঠাই ছিল। আলামিঙ্গিয়ে যুদ্ধ জিনি মিঙ্গিমাহা তিলোৱাক অসমৰ সেনাপতি পাতি থৈ যায় আৰু চন্দ্ৰকান্ত সিংহক পুনৰ ৰজা পাতে। চন্দ্ৰকান্ত সিংহ নামত ৰজা হৈ মিঙ্গিমাহা তিলোৱাৰ তলত থাকিল। সেই সুযোগতে চন্দ্ৰকান্ত সিংহই ভৱিষ্যতে মানক ৰোধিবৰ বাবে মান অহা বাট দীঘলীঘাটত ওখকৈ গড় মাৰে। কাৰণ মানে অসমৰ গাঁও-ভুঁই পুৰি, মুনিহ-তিৰোতাক ওপৰত যি অৱৰ্ণনীয় অত্যাচাৰ কৰি ধন-সোণ, বয়-বস্তু লুটি শ্মশানত পৰিণত কৰি গৈছিল। এনেতে ব্ৰহ্মদেশৰ ৰজা বডৌচাৰ মৃত্যুৰ বাতৰি পাই মিঙ্গিমাহা তিলোৱা নিজ দেশলৈ যায়। কিন্তু মিঙ্গিমাহা তিলোৱাই উলটি আহি সেই কোঠ দেখি পোনতে পাতাল বৰবৰুৱাক হত্যা কৰে আৰু পিছত নগৰ আক্ৰমণ কৰে। পুনৰ অসমত মানৰ ৰণ হয়। সেই কাহিনী বিহুনামত সংৰক্ষিত হ'ল এনেদৰে -

ভাতে ৰান্ধি দিয়া খাও প্ৰাণেশ্বৰী

তামোল কাটি দিয়া খাও

মিঙ্গিমাহা তিলোৱা ৰণখন পাতিছে

দেশ ৰাখিবলৈ যাওঁ।

বৃটিছৰ সহযোগত অসমত মানৰ দিনৰ অন্ত পৰিল ইংৰাজৰ শাসন চলিল। অসমৰ পৰা মানক বিতাৰিত কৰিবলৈ অনাৰ সুবাদত ইংৰাজে অসমত খোপনি পুতি বহিলে। ১৮৩২ খৃঃত চাহাব জেনকিন্সে অসমৰ হাবিত থকা চাহগছৰ অনুসন্ধান চলায় আৰু অসমত চাহ বাগিছা খুলিবলৈ গৱৰ্ণমেন্টলৈ অনুৰোধ জনায়। তেওঁৰ অনুৰোধ মৰ্মে জয়পুৰত চাহবাগিচা পাতে। পিছতসেই চাহ বাগিছা ১৮৩৯ চনত আসাম কোম্পানী গঠন কৰি ১৮৪০ চনত কোম্পানীক বিক্ৰী কৰা হয়। ৰবাৰ্ট ব্ৰুচ আৰু চি এ ব্ৰুচ - এই দুই ভাতৃ অসম বিখ্যাত চাহৰ অৱিষ্কাৰক। সেয়ে বিহুনামত গোৱা হ'ল -

ফিৰিঙি চাহাবে বাগিচা পাতিলে

ডেকাল'ৰা লগালে কামত

হেন্দুৰনী ছোৱালী মেমনী কৰিলে

ডাইবৰ চাহাবৰ দিনত।

........................

কোম্পানী আহিলে বাগিচা পাতিলে

টেকেলাই মাৰিলে পাত

লানি লানি কৰি বনুৱা নামিলে

তত্ নাই চাহাবৰ গাত।

চাহশিল্পৰ গইনা লৈ বৃটিছ কোম্পানীবিলাক অহাৰ লগতে তাত কাম কৰিবৰ বাবে উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা আদি ঠাইৰ পৰা বনুৱাবিলাক আহি অসম ভৰিপৰাৰ কথা অসম বুৰঞ্জীত উল্লিখিত। এই কথা অসমীয়া লোকমন - লোকজীৱনত গভীৰভাৱে ৰেখাপাত কৰিছিল।

ইংৰাজৰ হৈ কাম কৰি লালবন্দী শোধাবলৈ যোৱা মণিৰামে এদিন অসমৰ প্ৰথম স্বাধীনতা আন্দোলনত যুজাৰু হৈ ফাঁচি কাঠত উলমিবলগীয়া হ'ল। মণিৰাম-পিয়লীৰ স্মৃতিত চহা কৰিয়ে বিহুনাম গালে -

কেনেকৈ ধৰিলে তোকে ঐ মণিৰাম

কেনেকৈ ধৰিলে তোক

এফালে যোৰহাট আনফালে গোলাঘাট

চিঠি লিখি ধৰিলে তোক।

ইংৰাজৰ লগত মিতিৰালি কৰি মণিৰামে গোপনে ৰজা হ'বলৈ ইচ্ছা কৰা কথাও বিষ্ণুনামত এইদৰে গালে।

সোণৰ ধোঁৱাখোৱাত খালি ঐ মনিৰাম
ৰূপৰ ধোঁৱাখোৱাত খালি
ৰজা হ'বলৈ ওলালি মনিৰাম
ডিঙিত চিপেজৰী ল'লি।

মুঠ ওপৰত অসমীয়া বাপতী সাহোন বিহুটিৰ বুকুত বিবিধ বিশ্বাস, পৰম্পৰা, লোকগীত-মাত, ৰোমহৰ্ষ আনন্দ, বিৰহৰ বেখ ন ন ৰূপত অতীজৰে পৰা অংকিত হৈ থকাৰ উপৰিও অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিবেষ্টনীৰ বেহ-ৰূপও প্ৰোথিত হৈ আহিছে। অলপ গমি চালেই অসমৰ সুণীয়া ইতিহাস কিদৰে লিপিট খাই আছে তাক অনুধাৱন কৰিব পাৰি।

বছেৰেকৰ বিহুটি উদ্‌যাপন কৰাৰ চলেৰে বিহু তথা অসম ইতিহাস অধ্যয়ন কৰি অসমীয়া জাতিৰ ঐতিহ্য পৰম্পৰাক ম্লান হ'বলৈ নিদি সংৰক্ষণ কৰি ৰখাটো আমাৰ সকলোৰে কৰ্তব্য। অহেতুক কাৰণত ভায়ে ভায়ে কন্দল লাগি বৰ অসম আৰু যাতে খণ্ডিত নহয় সেই কথা ভাবি চোৱাৰ সময় সমাগত। আহক পাহৰণিৰ গৰ্ভত বিলীন হ'ব ধৰা ঐতিহাসিক ঘটনা সম্বলিত বি নামবোৰ উদ্ধাৰ কৰি ঐক্য সংহতি ৰক্ষা কৰাৰ লগতে বিহুটিক অধিক মহীয়ান কৰোঁ।

*লেখিকাৰ ঠিকনা ঃ কোঁৱৰ গাঁও, চকুৱাখনা*

সমল সংগ্ৰহ ঃ-

অসমীয়া লোক সাহিত্য ৰূপৰেখা - লীলা গগৈ

আহোমৰ দিন - হিতেশ্বৰ বৰবৰুৱা

অসম বুৰঞ্জী - পদ্মেশ্বৰ নাওবৈছা ফুকন।

০০০০০



# ভূপেন হাজৰিকাৰ গীতত ব'হাগ, বসন্ত ঋতু আৰু বিহুৰ পৰিবেশ চিত্ৰন

প্ৰমোদ চন্দ্ৰ দাস



**অৱতৰণিকা ঃ**

ড° ভূপেন হাজৰিকা; এটা বিশ্ব বিশ্ৰুত নাম। যাৰ নামেই সমগ্ৰ অসম আৰু অসমীয়া জাতিৰ পৰিচয়, অসমৰ এটা জাতীয় অনুষ্ঠান। তেওঁ অসমীয়া সংগীত জগতত এক বিস্ময়কৰ প্ৰতিভা। ১৯২৬ চনৰ ৮ চেপ্তেম্বৰত শদিয়াত জন্ম হোৱা এইজনা মহান কলাকাৰৰ মহাপ্ৰয়াণ ঘটে ২০১১ বৰ্ষৰ ৫ নৱেম্বৰত। মৃত্যুৰ প্ৰাক্‌মুহূৰ্তলৈকে সংগীতৰ কৃচ্ছ্ৰ সাধনাৰে বিশ্ব শিল্পীৰ স্বীকৃতি পাবলৈ সক্ষম হোৱা ড° ভূপেন হাজৰিকা একেধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক তথা বাদ্যযন্ত্ৰী, চলচ্চিত্ৰ নিৰ্মাতা আৰু সংগীত পৰিচালক, অভিনেতা, নৃত্যশিল্পী, চিত্ৰশিল্পী আৰু সুনিপুণ গদ্যলেখক হিচাপে এগৰাকী অনন্য শিল্পী আছিল। সংগীত সাধনাকেই জীৱনৰ ব্ৰত কৰি লৈ সীমাৰ পৰিধিৰ মাজত আবদ্ধ নথকা এইজনা মহান শিল্পীক 'সংগীত ৰত্ন', 'সংগীত সূৰ্য', 'সুধাকণ্ঠ' ইত্যাদি বিভিন্ন অভিধাৰে অভিহিত কৰা হয়।

**ভূপেন হাজৰিকাৰ গীতৰ সাধাৰণ আলোচনা ঃ**

ভূপেন হাজৰিকাৰ গীতসমূহৰ বিষয় বৈচিত্ৰ্য, ভাবৰ বৈবিধ্য, সুৰৰ অভিনৱত্ব আদি অনেক গুণেৰে সমৃদ্ধ আৰু একক তথা অনন্য। অসমৰ জনগণৰ বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰা তেওঁৰ গীতসমূহৰ ভাষা আৰু বিষয়বস্তুত বিশ্বমানৱৰো সমাজ চেতনা আৰু দায়বদ্ধতাৰ ইঙ্গিত পোৱা যায়। তদুপৰি তেওঁৰ গীতৰ বিষয়বস্তু আৰু ভাবদৰ্শনে সাতৰঙী ৰামধেনুৰ দৰে পাহাৰ-ভৈয়াম একাকাৰ কৰে। সেয়ে তেওঁৰ গীতসমূহক 'সমন্বয়ৰ সেঁতু' আখ্যা দিব পাৰি।

বিংশ শতিকাৰ অসমীয়া আধুনিক গীতৰ সুদীৰ্ঘ পৰিক্ৰমাত জ্যোতি প্ৰসাদ আগৰৱালা আৰু বিষ্ণু প্ৰসাদ ৰাভাই যি ভেটি প্ৰতিষ্ঠা কৰিছিল সেই ভেটিকেই আধাৰ আৰু কৰ্ষণ কৰি ভূপেন হাজৰিকাই অসমীয়া আধুনিক গীতক নতুন শৈলীৰে গতিশীল ৰূপ প্ৰদান কৰে। অসমৰ এটি সংস্কৃতিবান পৰিয়াল নীলকান্ত হাজৰিকা আৰু শান্তিপ্ৰিয়া হাজৰিকাৰ জ্যেষ্ঠ পুত্ৰ হিচাপে লাভ কৰা ঘৰুৱা সাংস্কৃতিক পৰিৱেশ আৰু তেজপুৰৰ দৰে সাংস্কৃতিক চহৰত থাকি 'জ্যোতি বিষ্ণু আৰু ফণী শৰ্মা'ৰ দৰে সাংস্কৃতিক ত্ৰিমূৰ্তিৰ সান্নিধ্যই ভূপেন হাজৰিকাৰ শিল্পীমন হাইস্কুলীয়া জীৱনতে পুৰঠ কৰি তুলিছিল। মাত্ৰ ১১ বছৰ বয়সতেই ৰচনা কৰা 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান' শীৰ্ষক গীতেৰে সংগীতৰ যাত্ৰা আৰম্ভ কৰা হাজৰিকাই পৰৱৰ্তী সময়ত অসমৰ ধৰ্ম, সমাজ, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি বিভিন্ন বিষয়ক তথ্য আৰু সমল হিচাপে লৈ গীত ৰচনা কৰে, সুৰ আৰোপ কৰে আৰু নিজৰ সুধা কণ্ঠেৰে হিয়া উজাৰি পৰিৱেশন কৰে। কুৰি শতিকাৰ চল্লিছৰ দশকৰ পৰা একবিংশ শতিকাৰ আৰম্ভণিলৈকে তেওঁ বিভিন্ন বিষয় আৰু ভাব বৈচিত্ৰ্যৰে যিবোৰ কালজয়ী গীত ৰচনা কৰিলে তেওঁৰ সমসাময়িক কোনো এজন অসমীয়া গীতিকাৰে তেনে সফলতা লাভ কৰিছে বুলি উপলব্ধি কৰিব পৰা নাযায়। আটলাণ্টিক আৰু প্ৰশান্ত মহাসাগৰৰ ঢৌ-লহৰৰ পৰা আৰম্ভ কৰি ব্ৰহ্মপুত্ৰৰ বহ্নিমান ৰূপলৈকে, দিখৌ-দিক্ৰঙৰ সুসমাহিত আৰু কালান্তক ৰূপৰপৰা কপিলীৰ ভয়ংকৰ ৰূপলৈকে, টিৰাপৰে টাংচা, চিয়াঙৰে গালং, লোহিতৰে খামতি আৰু দিচাংমুখৰ মিছিং ডেকাটিৰ পৰা সাপোন চহৰ শ্বিলঙৰ খাচী প্ৰেয়সীলৈকে পাহাৰ-ভৈয়াম একাকাৰ কৰা সমন্বয়ৰ সুৰ তেওঁৰ গীতসমূহৰ বিষয়বস্তুৰ মাজত নিহিত হৈ আছে।

ভূপেন হাজৰিকাৰ গীতসমূহৰ বিষয় বৈচিত্ৰ্যৰ মাজত বিভিন্ন তথ্যৰ সন্ধান পোৱা যায়। তেওঁৰ গীতসমূহত নিৰ্দিষ্ট কোনো এটা বিষয় বা বিভাগৰে তথ্য আৰু সমল নিহিত হৈ থকাৰ বিপৰীতে ভাষা, সাহিত্য, সমাজ নীতি, সংস্কৃতি বুৰঞ্জী, ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, দৰ্শন আদি বিভিন্ন বিভাগৰ সমলেৰে তথ্যসমৃদ্ধ। জনতাৰ শিল্পী হিচাপে তেওঁৰ গীতসমূহত পল ৰবচনৰ গণমুক্তিৰ পৰা আৰম্ভ কৰি অসমৰ 'মাইহাং বাটিত সোবাদ পানী' খোৱালৈকে সংস্কৃতিৰ সম্পূৰ্ণ ধাৰ বোঁৱতী নদীৰ দৰে প্ৰবাহিত হৈ আছে। বিশেষকৈ হাজৰিকাৰ গীতৰাজিত মিঠা মিঠা ব'হাগে অনা মিঠা বাতৰিৰ পৰা আৰম্ভ কৰি শীতৰ সেমেকা ৰাতিৰ তুঁহ জুইৰ উত্তাপলৈকে, বৰষাৰ ৰিম্ ঝিম্ বৰষুণৰ পৰা শৰতৰ কপাহ আলসুৱা মেঘ আৰু কঁহুৱা কোমল শেৱালিলৈকে কত যে নানাৰঙী ছবি চিত্ৰায়িত হৈ আছে তাৰ লেখ-জোখ নাই।

**ভূপেন হাজৰিকাৰ গীতত অসমৰ প্ৰকৃতি চিত্ৰণ ঃ**

ভূপেন হাজৰিকাৰ গীতি সাহিত্যত স্বদেশপ্ৰেমৰ সুতীব্ৰ অনুভূতি নিহিত থকাৰ হেতুকেই অসমৰ বিনন্দীয়া প্ৰকৃতিয়ে তেওঁৰ গীতত অনন্য ৰূপ লাভ কৰিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বৈচিত্ৰ্যময় সমাজ আৰু সংস্কৃতিক হাজৰিকাই গীতত প্ৰতিফলিত কৰাৰ দৰে অসমৰ অপৰূপ ঋতুকালীন পৰিৱেশ, নদ-নদী আৰু পাহাৰ-ভৈয়ামৰ চিত্ৰকো চিত্ৰায়িত কৰি তেওঁৰ অনুপম গীতি সাহিত্য ৰচনা কৰিছিল। কাৰণ, ভূপেন হাজৰিকা বুলিলে অসমৰ আকাশে-বতাহে যেন ভাঁহি আহে এটি কণ্ঠস্বৰ; যাৰ মাজত অসমৰ কেঁচা মাটিৰ গীতিময় গোন্ধ পোৱা যায়। সেয়ে ড° মামণি ৰয়চম গোস্বামীয়ে হাজৰিকাৰ 'কণ্ঠক বাদ দি অসমৰ নক্সা আঁকিব নোৱাৰো' বুলি অভিমত দিছিল। তেওঁৰ গীত সমূহে প্ৰতিজন অসমীয়াৰ হৃদয়ত অসমৰ প্ৰাকৃতিক ছবিখন বিশেষভাৱে সজীৱ কৰি ৰাখিছে। হাজৰিকাৰ গীতৰ এনে প্ৰাকৃতিক সৌন্দৰ্যৰ ৰমণীয়তাৰ কাৰণেই ড° দিলীপ কুমাৰ দত্তই কৈছিল -

'... ভূপেন হাজৰিকাৰ অসম বৰ্তমানৰ ৰাজনৈতিক অসম নহয়। তেওঁৰ অসম ভাৰতৰ
পূৰ্ব দিশৰ 'সূৰ্য্য উঠা দেশ', বিশাল ব্ৰহ্মপুত্ৰ আৰু গিৰিৰাজ হিমালয়ৰ 'ওখোৰা মোখোৰা
সেউজীয়া লহৰ পতা' ঠাল-ঠেঙুলিৰে সেই অলকাপুৰী অসম।'[১]

ভূপেন হাজৰিকা আছিল এজন প্ৰকৃতি প্ৰেমী। তেওঁৰ গীতত অসমৰ প্ৰকৃতিৰ লগত জড়িত বহাগ, জেঠ, আহাৰ, শাওন আদি বাৰমাহৰ লগতে বসন্ত, বৰ্ষা, শৰত, শীত, ছয় ঋতুৰ ঋতুকালীন পৰিৱেশৰ সাবলীল বৰ্ণনা; ব্ৰহ্মপুত্ৰ-লুইত, দৰিকা-দিচাং, দিখৌ-দিক্ৰং, কলং-কপিলী-ভৰলী, গদাধৰ-পাগলাদিয়া আদি নদী-উপনদীৰ উপস্থাপন; বৰদৈচিলা- বতাহ-ধুমুহা, বৰষুণ-বানপানী, কুঁৱলী-ভাৰৰ আৰু অসমৰ পাহাৰ-ভৈয়ামৰ বৈচিত্ৰ্যপূৰ্ণ বৰ্ণনাই মাদকতা সৃষ্টি কৰে। বিশেষকৈ প্ৰাচীন সংস্কৃত সাহিত্য আৰু মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্যত যিদৰে ঋতুকালীন পৰিৱেশৰ বৰ্ণনাই মাধুৰ্য গুণৰ প্ৰকাশ ঘটাইছিল, সেইদৰে ভূপেন হাজৰিকায়ো তেওঁৰ গীতি সাহিত্যত এনে ঋতুকালীন প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনাৰ জৰিয়তে শ্ৰোতা-জনতাক আহ্লাদিত কৰিছিল। সেয়ে ইংলেণ্ড, আমেৰিকা আদি দেশত বাস কৰা প্ৰবসুৱা 'অসমীয়াসকলৰ কাৰণে ভূপেন হাজৰিকাৰ গীতেই অসম আৰু অসমীয়া জাতীয় জীৱনৰ লগত একমাত্ৰ সেতু।'[২]

ভূপেন হাজৰিকাৰ গীতসমূহলৈ লক্ষ্য কৰিলে এটা কথা প্ৰতীয়মান হয় যে, অসমৰ আকাশ-বতাহ, বায়ু-পানী আৰু জলবায়ু ভূপেন হাজৰিকাৰ উশাহ-নিশাহৰ দৰে আছিল। নৈসৰ্গিক শোভাৰে পৰিৱেষ্টিত অসমৰ বায়ু-পানী খাই ডাঙৰ হোৱা ভূপেন হাজৰিকাই তেওঁৰ অনেক গীতত অসমৰ ঋতুকালীন পৰিৱেশ আৰু প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ চিত্ৰ চিত্ৰায়িত কৰিছিল এনে বিশেষত্বপূৰ্ণ গীতসমূহৰ এখনি তালিকা প্ৰস্তুত কৰা হ'ল-

**বহাগ আৰু বিহুৰ প্ৰকৃতি চিত্ৰণৰ গীত ঃ** 'ব'হাগ মাথোঁ এটি ঋতু নহয়', 'মিঠা মিঠা ব'হাগৰ', 'নৱ নৱ ব'হাগ আহে', 'বৰদৈচিলা নে সৰুদৈচিলা নে', 'ব'হাগৰ প্ৰথম পুৱা', 'অ' বিহুৰেনো বিৰিণা', ইত্যাদি।

**বৰ্ষা ঋতুকালীন পৰিৱেশ আৰু প্ৰকৃতি চিত্ৰণৰ গীত ঃ** 'এ' বিজুলী নাচে', 'গুম্ গুম্ গুম্ গুম্ মেঘে গৰজিলে', 'মেঘে গিৰ্ গিৰ্ কৰে', 'ৰিম্ ঝিম্ ৰিম্ ঝিম্ বৰষুণে', স্নেহেই আমাৰ শত শ্ৰাৱণৰ', 'হু হু ধুমুহা আহিলেও' ইত্যাদি গীত।

**শৰতঋতুকালীন পৰিৱেশ আৰু প্ৰকৃতি চিত্ৰণৰ গীত ঃ** 'এটুকুৰা আলসুৱা মেঘ', 'কঁহুৱা বন মোৰ অশান্ত মন', 'তোমাৰ উশাহ কঁহুৱা কোমল', 'শৰত কালৰ ৰাত্ৰি', 'শৰতৰ শেৱালিৰ', 'শাৰদীৰাণী তোমাৰ হেনো নাম' ইত্যাদি।

**কাতি মাহৰ এন্ধাৰ পৰিৱেশ আৰু প্ৰকৃতি চিত্ৰণৰ গীত ঃ** 'এন্ধাৰ কাতিৰ নিশাতে'

**শীতৰ পৰিৱেশ আৰু প্ৰকৃতি চিত্ৰণৰ গীত ঃ** 'শীতৰে সেমেকা ৰাতি' ইত্যাদি গীতৰ প্ৰসঙ্গ উল্লেখ কৰিব পাৰি। যি কি নহওক, এই প্ৰবন্ধটিত ভূপেন হাজৰিকাৰ গীতত চিত্ৰায়িত হোৱা ব'হাগ আৰু বিহুৰ বিনন্দীয়া ৰূপ বৈচিত্ৰ্যৰ বিষয়ে আলোচনা কৰা হৈছে।

**ভূপেন হাজৰিকাৰ গীতত ব'হাগ, বসন্ত ঋতু আৰু বিহুৰ পৰিৱেশ চিত্ৰণ ঃ**

ঋতু পৰিবৰ্তন আৰু ঋতুকালীন বৈচিত্ৰ্য অসমৰ জলবায়ুৰ অন্যতম প্ৰাকৃতিক পৰিঘটনা। এনে

ঋতুকালীন বৈচিত্র্যই অসমৰ প্ৰাকৃতিক সৌন্দৰ্যক আলোকিত কৰি তোলে। ভূপেন হাজৰিকাই তেনে ঋতুকালীন বৈচিত্র্যৰ আলমতেই তেওঁৰ কেইবাটাও গীতত ব'হাগ মাহ আৰু বিহুৰ প্ৰসঙ্গ উল্লেখেৰে অসমৰ নৈসৰ্গিক ছবি চিত্ৰায়িত কৰিছে। হাজৰিকাৰ 'ব'হাগ মাথোঁ এটি ঋতু নহয়', 'মিঠা মিঠা ব'হাগৰ', 'নব নব ব'হাগ আহে', 'ব'হাগৰ প্ৰথম পুৱা', 'বৰদৈচিলা নে সৰুদৈচিলা নে', 'এই ব'হাগ জ্বলন্ত তৰুণ', 'অ' বিহুৱেনো বিৰিণা', 'আহধান দাবলৈ', 'বিহুটি বছৰি আহিবা', চৰাই চিকুণ অ' লীলা ৰহিলা', 'চেনাই মোৰ ঐ', 'মোৰ গাটো দেখোন অ' মাকন', গৌৰীপুৰীয়া গাভৰু দেখিলোঁ', 'মইনাজান মইনাজান', আদি কেইবাটাও গীতত ব'হাগ, বসন্ত ঋতু আৰু বিহুৰ নান্দনিক বৈচিত্ৰ্য পৰিলক্ষিত হয়।

হাজৰিকাৰ 'ব'হাগ মাথোঁ এটি ঋতু নহয়' গীতটোতেই ব'হাগ মাহ, বিহু আৰু বসন্ত ঋতুৰ সুকোমল আৱেশ মুখৰিত হৈ আছে। তেওঁৰ মতে ব'হাগ মাথোঁ এটি ঋতু বা মাহ নহয়; ব'হাগ অসমীয়া জাতিৰ আয়ুসৰেখা আৰু গণজীৱনৰ সাহ। এই ব'হাগতে অসমীয়া জাতিয়ে নিজকে নিকা কৰি বিহুৰ মাধ্যমেৰে আৰু সমন্বয়ৰ আৰ্হিৰে নতুন বছৰক আদৰি লয়। সেয়ে গীতটোত পোৱা যায় -

'ব'হাগ মাথোঁ এটি ঋতু নহয়;
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস-ৰেখা
গণজীৱনৰ ই সাহ।

..............................

ই প্ৰভেদক কৰেহি নাশ।। (গীতাৱলী, পৃষ্ঠা-৩৪০)

হাজৰিকাই গভীৰভাৱে উপলব্ধি কৰিছিল যে, ব'হাগৰ ব্যাপ্তি কেৱল বিহু বা বিহুগীতৰ মাজতেই আবদ্ধ নেথাকে; ব'হাগেই নতুন বছৰটোৰ কাৰণে নতুন নতুন চিন্তা আৰু পৰিকল্পনা আনি দিয়ে। সেয়ে অসমীয়া মানুহৰ বাবে ব'হাগ হৈছে দুখৰ কলীয়া ডাৱৰ আঁতৰোৱা সূৰ্যৰ পোহৰত পোৱা এখনি যেন সৃষ্টিৰ দলিল –

'ব'হাগ মাথোঁ বিহুগীত নহয়
ইনাই-বিনাই গোৱা
ব'হাগ এখনি সৃষ্টি দলিল
সূৰ্যৰ জ্যোতিত পোৱা।
......................।।' (গীতাৱলী, পৃষ্ঠা- ৩৪০)

হাজৰিকাই তেওঁৰ 'মিঠা মিঠা ব'হাগৰ' গীতকেইটাতো প্ৰেমৰ মিঠা আকুলতাৰে ব'হাগৰ বিহুগীত আৰু বিহুৱা আৱেশৰ অনুভূতি প্ৰকাশ কৰিছে।

'মিঠা মিঠা ব'হাগৰ
গীত এটিকে ৰচোঁ বুলি ভাবিলোঁ
এনেতে, চুচুক-চামাককৈ কাষ চাপিলাঁ
মই যেন ভাষা পালোঁ।
মিঠা মিঠা ব'হাগৰ।

..............................

বিহুৱা আৱেশে আজি মোক জোকোৱাত
মই যেন ধুমুহা হ'লোঁ।' (গীতাৱলী, পৃষ্ঠা- ৩৯৪)

সেইদৰে নতুন বছৰৰ প্ৰথম মাহ ব'হাগতেই প্ৰেয়সীক পাবলৈ গীতি কবি হাজৰিকাই আকুলতাৰে ব্যগ্ৰ হৈ পৰাৰ কথা তেওঁৰ 'নব নব ব'হাগ আহে' গীতটোত অৱতাৰণা কৰিছে। -

'নব নব ব'হাগ আহে
সৰু ফুলে মিচিকি হাঁহে
মনে তোমাক ধিয়ায়।
.........।' (গীতাৱলী, পৃষ্ঠা- ২৮৭)

সমগ্ৰ অসমীয়া জাতিৰ কাৰণে ব'হাগ মাহটোৱেই যে সাহস, প্ৰেৰণা আৰু প্ৰতিবাদৰ উৎস সেই কথা গীতি কবি হাজৰিকাই 'বৰদৈচিলা নে সৰুদৈচিলা নে' গীতটোত উপমা আৰু প্ৰতীকাত্মক ভাষাৰে উদাত্ত আহ্বান জনাইছে। -

'বৰদৈচিলা নে সৰুদৈচিলা নে
অসমৰ আকাশত বৰ বৰ চিলা

..............................

বৰদৈচিলাৰে আগচুলি থপিয়াই
মাটিলৈ নমাই আনি
অসমীয়া মনটোত সুমুৱাই দিবলৈ
ব'হাগেই বতৰ কিজানি
বোলো হয় হয় হয় হয় — হয় নে ?
.........?' (গীতাৱলী, পৃষ্ঠা- ৩৩৬/৩৩৯)

গীতিকাৰ হাজৰিকাই তেওঁৰ অন্য এটি গীত 'এই ব'হাগ জ্বলন্ত তৰুণ'ত নতুন চিন্তা আৰু আশাবাদৰ সুৰ প্ৰতিফলিত কৰিছে। তেওঁৰ অন্তৰ্দৃষ্টিত ব'হাগ হৈ পৰিছে এক জ্বলন্ত অৰুণ। পুৰণি জহি-খহি যোৱা মূল্যবোধৰ পৰিবৰ্তে নতুন ব'হাগে নতুন নতুন চিন্তাৰ জোৱাৰ বোৱাই আনে। গীতটোৰ কথা অংশত তেওঁ কৈছিল –

'পুৰণি ব'হাগবোৰ ক্লান্ত আছিল, পুৰণি ব'হাগবোৰ অশান্ত নাছিল। আজিৰ ব'হাগ এক জ্বলন্ত অৰুণ, এই বহাগ এক দূৰন্ত তৰুণ। পুৰণি জহি-খহি যোৱা মূল্যবোধৰ ঠাইত নতুন নতুন চিন্তাৰ জোৱাৰ আজি দেখিছানে?'[৩]

সেয়ে গীতটোৰ ভাষাত পোৱা যায়–

'এই ব'হাগ জ্বলন্ত অৰুণ
এই ব'হাগ দুৰন্ত তৰুণ।

..............................

পুৰণি ব'হাগ ক্লান্ত আছিল
পুৰণি চিন্তা অশান্ত নাছিল।
আজিৰ ব'হাগ যেন বলিয়া বসন্ত

..............................

আকাশে ঢালে নতুনৰ বৰষুণ
ঢোল বাই নাচে দুৰন্ত তৰুণ
..............................।' (গীতাৱলী, পৃষ্ঠা-১০৯)

ভূপেন হাজৰিকাৰ বিহু আৰু বিহুসুৰীয়া গীতসমূহতো ব'হাগ, বসন্ত ঋতু আৰু বিহুৰ অনিৰ্বচনীয় বৰ্ণনাৰ দ্বাৰা অসমৰ প্ৰকৃতিয়ে জীৱন্ত ৰূপ লাভ কৰা দেখা যায়। কণ্ঠ সুধাকৰ হাজৰিকাই 'অ' বিহুৱেনো বিৰিণা', 'আহধান দাবলৈ', 'বিহুটি বছৰি আহিবা', 'চৰাই চিকুণ অ' লীলা ৰহিলা', 'চেনাই মোৰ ঐ', 'মোৰ গাটো দেখোন অ' মাকন' আদি গীত আৰু বিহুসুৰীয়া গীতসমূহত ঋতুৰাজ বসন্ত আৰু ব'হাগ বিহুৰ বিনন্দীয়া পৰিবেশৰ চিত্ৰ ৰূপায়িত কৰিছে। এইক্ষেত্ৰত পোনপ্ৰথমে তেওঁৰ 'অ' বিহুৱেনো বিৰিণা' গীতটিৰপৰা এফাকি উদ্ধৃতি দিব পাৰি –

'অ' বিহুৱেনো বিৰিণা — অ' আইতা
অ' নাচনীৰ কলাফুল লৰে।

..............................

ব'হাগতে পাতি যাওঁ বিয়া অ' – অ' আইতা
কেৰুমণি গেজেৰা — নেমাৰিবা কেতেৰা
চায়েনো চাই থাকিবৰ মনে অ' – অ' আইতা
চায়েনো চাই থাকিবৰ মন।
......................।' (গীতাৱলী, পৃষ্ঠা-২২/২৩)

হাজৰিকাই 'চৰাই চিকুণ অ' লীলা ৰহিলা' গীতটোত বিহুৰ সচিত্ৰ বিৱৰণ দিয়াৰ উপৰিও বিহু যে অসমৰ যশ-মান আৰু আদৰৰ প্ৰতীক বাপতি সাহোন সেই কথা সগৌৰৱেৰে অৱতাৰণা কৰিছে। তেওঁ বিহু উৎসৱ আৰু বিহু সংস্কৃতি নেথাকিলে অসম আৰু অসমীয়াৰ অস্তিত্ব বিপন্ন হ'ব বুলি নতুন প্ৰজন্মক সঁকিয়াই দিছে। উদাহৰণস্বৰূপে –

'চৰাই চিকুণ অ' লীলা ৰহিলা
তেলীয়া সাৰেং অ' লীলা ৰহিলা

..............................

হায় ঐ বিহুটিনো আদৰৰ
বিহুটিনো সাদৰৰ
বিহুটিনো অসমৰ ধন
হায় ঐ এনুবানো বিহুটি
এৰিবযে লাগিলে
নাথাকেনো অসমৰ মান।'
(গীতাৱলী, পৃষ্ঠা-১৮৬/৮৭)

সেইদৰে 'চেনাই মোৰ ঐ' গীতটোত সাৰ্থক উপমা অলঙ্কাৰৰ প্ৰয়োগেৰে মিঠা ব'হাগৰ সুবাসিত পৰিবেশ আৰু প্ৰেমিক-প্ৰেমিকাৰ প্ৰেমৰ উদ্দাম অনুভূতি প্ৰকাশ কৰিছে। গীতটোত কুলি-কেতেকীৰ সুললিত কণ্ঠ আৰু কপৌ ফুলৰ সৌন্দৰ্যই সুতীব্ৰ মাদকতাৰ সৃষ্টি কৰিছে। সেয়ে গীতৰ ভাষাত পোৱা যায় –

'চেনাই মোৰ ঐ
গুণ্‌গুণাই, গুণ্‌গুণাই, গুণ্‌গুণাই
আহিলি
চকু টিপ মাৰিলি
ৰম্‌ৰমায় যায় মোৰ গা।

..............................

বৈ বৈ বৈ বৈ মাতে কুলি কেতেকী
বৈ বৈ বৈ বৈ মই নাচোঁ হে ৰচকী
সোণ তই ওলালিহি মিঠা ব'হাগত
খোপাতে কপৌফুল কঁপে উলাহত
...................।।' (গীতাৱলী, পৃষ্ঠা-১৯৮)

সাধাৰণতে বিহুৰ উখল-মাখল পৰিবেশত বিহুৱা ডেকাৰ মন-প্ৰাণ চঞ্চল হৈ উঠে। এইটো স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত কথা। সেয়ে গীতি কবি হাজৰিকাই এই কথা অন্তঃকৰণেৰে অনুভৱ কৰি তেওঁৰ 'মোৰ গাটো দেখোন অ' মাকন' গীতটোৰ জৰিয়তে ব্যক্ত কৰিছে। গীতটোত ৰঙালী বিহুৰ আৱেশে দুৰ্যোগ, হতাশা আৰু নিৰাশাবাদৰ বিপৰীতে গভীৰ আশাবাদৰ সঞ্চাৰ কৰিছে। উদাহৰণস্বৰূপে –

'মোৰ গাটো দেখোন অ' মাকন
সাতখন আঠখন
ৰঙালী বিহুতে ৰঙা ৰঙা মন
তই দেখোঁ গাভৰু হ'লি মাকন।

.......................................

অহাবাৰ বিহুতে অ' মাকন
তোকে বিয়া কৰাম অ' মাকন

....................................

জিলিকি উঠিব ঘৰখন
তই দেখোঁ গাভৰু হ'লি মাকন।'
(গীতাৱলী, পৃষ্ঠা-৪০৫/০৬)

তদুপৰি ভূপেন হাজৰিকাৰ 'আহধা... দাবলৈ', 'বিহুটি বছৰি আহিবা', 'গৌৰীপুৰীয়া গাভ... দেখিলোঁ', 'মইনাজান মইনাজান' ইত্যাদি অনেক বি... আৰু বিহুসুৰীয়া গীতত ব'হাগ, বসন্ত ঋতু আৰু বিহু... পৰিবেশ প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ... হাজৰিকাই এই গীতসমূহত অসমৰ পাহাৰ-ভৈয়াম... ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহৰ প্ৰসঙ্গ উপস্থাপনে... অসমৰ নৈসৰ্গিক শোভা চিত্ৰিত কৰি পাঠক আৰু... হেজাৰ শ্ৰোতা-জনতাক আপ্লুত কৰিছি... উদাহৰণস্বৰূপে 'গৌৰীপুৰীয়া গাভৰু দেখিলোঁ' গীতটোৰ ভাষাত পোৱা যায়–

পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰোঁ মই
লতানো বগাবলৈ টান
বলিয়া হাতীকো বলাব পাৰোঁ মই
তোমাকনো বলাবলৈ টান।' (গীতাৱলী, পৃষ্ঠা-১৭...)

সেইদৰে তেওঁৰ 'মইনাজান মইনাজান' গীতটো... পোৱা যায়–

'মইনাজান মইনাজান লুইত পাৰে হ'লোঁ
মইনাজান মইনাজান দিক্ৰং পাৰে হ'লোঁ
মইনাজান মইনাজান জিৰালোঁ ঐ নাওবৈচাত।
.........................।'(গীতাৱলী, পৃষ্ঠা-৩৭৫)

৪.০০ **উপসংহাৰ ঃ**

ভূপেন হাজৰিকাৰ গীতসমূহ সঁচা অৰ্থত অসম আৰু অসমীয়া সংস্কৃতিৰ সম্পদ। অসমৰ বায়ু-পানী, আকাশ-বতাহ, প্ৰকৃতি-পৰিবেশৰ সমল সংযোজনেৰে পৰিপূৰ্ণ তেওঁৰ গীতসমূহত অসমৰ কেঁচা মাটিৰ সুবাস বিচাৰি পোৱা যায়। এইক্ষেত্ৰত হাজৰিকাই তিনিটা 'ব'(B)-ৰ যোগসূত্ৰেৰে গীতসমূহৰ বিষয়বস্তু গঢ় লৈছিল বুলি মত পোষণ কৰিছিল। সেই অনুসৰি উক্ত তিনিটা 'ব'(B)-ৰ প্ৰথমটোৰ মতে- ব'হাগ আৰু বিহু, দ্বিতীয়টোৰ মতে- ব্ৰহ্মপুত্ৰ নদী আৰু তৃতীয়টোৰ মতে ভূপেন হাজৰিকা নিজে। সেয়ে হাজৰিকাৰ প্ৰায়বোৰ গীততেই ব'হাগ, বসন্ত ঋতু আৰু বিহুৰ পৰিবেশে বিষয়বস্তু হিচাপে জুমুৰি দি ধৰা দেখা যায়। তদুপৰি ব্ৰহ্মপুত্ৰকে আদি কৰি বিভিন্ন নদী-উপনদী, পাহাৰ-ভৈয়ামৰ বৰ্ণনাৰে অসমৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰকৃতিক চিত্ৰায়িত কৰাৰ লগতে স্বকীয় অভিজ্ঞতা তথা বিষয়ৰ বৰ্ণনাৰ জৰিয়তে গীতসমূহক ব্যক্তিনিষ্ঠ গীতি কবিতাৰ ৰূপ দান কৰিছিল। মুঠতে ভূপেন হাজৰিকাৰ গীতসমূহক ব'হাগ, বসন্ত ঋতু আৰু বিহুৰ উন্মাদনাময় পৰিবেশ জগাই তোলা অসমৰ জনজীৱনৰ লগত জৰিত এক অমূল্য সাহিত্য সম্পদ হিচাপে আখ্যা দিব পাৰি।

*লেখকৰ ঠিকনা ঃ সহকাৰী অধ্যাপক,*
*অসমীয়া বিভাগ, জাঁজী হেম নাথ মহাবিদ্যালয়*

***পাদটীকা ঃ**

১। ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃষ্ঠা- ১৭৫
২। ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃষ্ঠা- ১৭৫
৩। গীতাৱলী, পৃষ্ঠা- ৩৪০

০০০০০

# অসমৰ বুৰঞ্জীত বিহুকেন্দ্ৰিক দুটিমান চিত্ৰ

য়াছিংফা গগৈ

অসমত গৌৰৱেৰে প্ৰায় ছশ বছৰকাল ৰাজত্ব কৰা আহোমসকল দক্ষিণ-পূব এচিয়াৰ বৃহৎ টাই বা শান জাতিৰ এটা শাখা। আহোমৰ পূৰ্বপুৰুষ টাই বা শানসকল প্ৰধানকৈ ব্ৰহ্মদেশৰ উত্তৰ-পূবৰ পাহাৰীয়া অঞ্চল আৰু পশ্চিম য়ুনানৰ লোক আছিল। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাতে চুকাফাৰ নেতৃত্বত পাটকাই পৰ্বত পাৰ হৈ সৌমাৰখণ্ডত ভৰি দিয়া আহোমসকলে অসমৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক জীৱনৰ অনেক ক্ষেত্ৰত প্ৰচুৰ অৱদান আগবঢ়াই গৈছে। সুদূৰ মাওলুঙৰ পৰা সৌমাৰপীঠত এখন নতুন ৰাজ্য স্থাপন কৰিবলৈ আহোঁতে চুকাফাই প্ৰায় ৯০০০ জন অনুগামীৰ লগতে বহন কৰি আনিছিল সুকীয়া ভাষা, ধৰ্ম, আৰু সামাজিক ৰীতি-নীতি। কিন্তু ' সাত ৰাজ মাৰি এক ৰাজ ' কৰিব খোজা চুকাফাই তেওঁ জয় কৰা পাহাৰ আৰু ভৈয়ামৰ লোকসকলৰ ওপৰত নিজৰ ধৰ্ম, ভাষা, সংস্কৃতি জোৰকৈ জাপি দিব খোজা নাছিল । তেওঁলোকক আহোমৰ সৈতে সমমৰ্যাদা দিয়াৰ উপৰিও আহোমৰ সৈতে বৈবাহিক সম্বন্ধ গঢ়াতো উৎসাহ দিছিল। এনে কৰাৰ ফলত সকলো বিজিত লোকক এক কৰি এটা বৃহত্তৰ জাতি গঠনত চুকাফা কৃতকাৰ্য হৈছিল। চুকাফাৰ পৰবৰ্তী স্বৰ্গদেউসকলেও তেওঁৰ আৰ্হি লৈ উদাৰ মনোভাব দেখুৱাৰ ফলত আহোম আৰু স্থানীয় জনগোষ্ঠীৰ মাজত ব্যৱধান আঁতৰি সাংস্কৃতিক বিনিময় ঘটিল।

অসমীয়া জাতিৰ জাতীয় জীৱনত অশেষ অৱদান আগবঢ়োৱা আহোমসকলৰ কথা বাদ দি বিহুৰ কথা ভাবিব নোৱাৰি।

আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া ৰজাৰ ৰাজত্বকালত অসম বুৰঞ্জীত আহোম আৰু চুতীয়াসকলৰ মাজৰ যুদ্ধত অসমৰ বাপতিসাহোন 'বিহু' ৰ উল্লেখ পোৱা যায়। ১৫২৩ চন। আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া ৰজা আৰু চুতীয়া ৰজা নীতিপালৰ মাজত আহোম-চুতীয়াৰ মাজত যুদ্ধ হৈছিল। 'দেওধাই অসম বুৰঞ্জী'ত সন্নিবিষ্ট 'চুতিয়াৰ কথা' ত উল্লেখ আছে যে আহোম আৰু চুতীয়াৰ যুদ্ধত আহোমৰ সেনাপতি ফ্ৰাচেংমুং বৰগোহাঞিয়ে মন্ত্ৰণা কৰি ঘিলাগছত বগোৰাই পৰ্ব্বতৰ ওপৰত ঢুলীয়াক ঢোল বজাবলৈ দিলেগৈ । স্বৰ্গীৰজাৰ আজ্ঞাৰে পৰ্ব্বতত উঠি ঢোল বজালেগৈ। চুতীয়া জনশ্ৰুতি মতে সেইদিনা আছিল সাত বহাগৰ বিহুৰ দিন। ঢোলৰ মাত শুনি পাহাৰৰ ওপৰত থকা চুতীয়া সৈন্য চঞ্চল হৈ পৰিল। যুদ্ধজয়ৰ ইঙ্গিত বুলি ভাবি তেওঁলোকে আনন্দত মতলীয়া হৈ নাচিবলৈ ধৰিলে। আন কিছুমানে আকৌ বিহুৰ আনন্দত মতলীয়া হ'ল। এনে পৰিবেশত আহোম সৈন্য আহি যুদ্ধ আৰম্ভ কৰিলে আৰু যুদ্ধত চুতীয়াসকলৰ পৰাজয় হ'ল ।১

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত অসমৰ বাপতিসাহোন বিহুৱে ৰাজকীয় মৰ্যাদা লাভ কৰিছিল। তেওঁৰ পৃষ্ঠপোষকতাত ৰংঘৰৰ বাকৰিত বিহু জকজমকতাৰে উদ্‌যাপিত হৈছিল। ৰজাই শ্ৰেষ্ঠ বিহুৱা-বিহুৱতীক বঁটা-বাহন দি উৎসাহিত কৰাৰ উপৰিও ৰজাৰ ঘৰত বিহু মাৰিবলৈ নিমন্ত্ৰণ কৰিছিল। ৰুদ্ৰসিংহৰ ৰাজকবি কবিৰাজ চক্ৰবৰ্তীয়ে এটা সংস্কৃত কবিতা ৰচনা কৰি স্বৰ্গদেউ আৰু ৰাইজক বিহুৰ ওলগ জনাইছিল —

ৰতিপতি বদনং  
কলৰূপ বদনং  
তুলিত কনক বিকাৰম্  
ঘনকুচ কলসং  
পৰিলসি দলসং  
কলনৃপম ।।  
নৃত্যতি ললিতং  
হৰিগুণ বলিতং  
গায়তি বিহু বিলাসন্ ।  
ফলিতম্ বচনং  
মুখৰিত বসনং  
নটিপটল মৃদুহাসং  
তৰল মৃগমলং  
চলকৰ কমলং  
কোকিল কলৰব ৰাবং।  
ৰুচিৰাপ পঘণং  
মৃদুপণ জঘনং  
যুবজন মোহন ভাৱম্ ।  
ভূষণ ললিতং  
বসভৰ বসিতং  
ছুৰণ বলীত মক্ৰিৰম্  
গায়ন ভননং  
শ্ৰুতিসুখ জননং  
মনসে কলয়তি বেলম  
সুৰজ সুৰনীতং....তানধুনি  
বিৰচিত বহুবিধ খেলম্ ।  
শ্ৰীৰুদ্ৰসিংহ  
ধৰণিপাত সিংহ  
নিৰুপম বচন সমাজে  
ইদমণি গানং  
হৰিগুণ ভাণং  
শুনুত ভণিত কবিৰাজে ।।২

স্বৰ্গদেউ ৰুদ্ৰসিংহই বিহুক ৰাজকীয় মৰ্যাদা দিয়াৰ লগতে বিহুৰ লগত সংগতি ৰাখি জনসাধাৰণৰ মাজত চলি থকা ম'হ-যুঁজ, শেনচৰাইৰ যুঁজ, হাতী-যুঁজ, কুকুৰা-যুঁজ আদিৰো প্ৰচলন কৰিছিল। ৰজাই ৰংঘৰত উঠি আৰু প্ৰজাই ৰংঘৰৰ পথাৰত সেই ৰং-ধেমালিবোৰ চাইছিল। যুঁজত জিকা ম'হৰ, শেন,কুকুৰা চৰাইৰ গৰাকীসকলত উপযুক্ত বঁটা-বাহন দি উৎসাহিত কৰিছিল ।

অসম বুৰঞ্জীৰ মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মোৱামৰীয়াসকলৰ হাতৰপৰা আহোম সিংহাসন উদ্ধাৰ কৰাৰ সময়ত অসমৰ বিহুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। উল্লেখযোগ্য যে ৰাজেশ্বৰসিংহ স্বৰ্গদেউৰ পাছত তেওঁৰ ভায়েক স্বৰ্গদেউ লক্ষ্মীসিংহ ৰাজপাটত বহাৰ সময়তে অসমত মোৱামৰীয়াসকলে আহোম ৰাজ্য আক্ৰমণ কৰি লক্ষ্মীসিংহক জয়দৌলত বন্দী কৰি থৈছিল। আহোমৰ সিংহাসনত নাহৰ খোৱা আৰু ৰমাকান্ত বহি ছিল। নাহৰখোৱাৰ ভাগিন ৰাঘ বৰবৰুৱা হৈ ৰাজেশ্বৰ সিংহৰ বিধবা পত্নী কুৰঙ্গনয়নী কুৱঁৰীক তেওঁৰ অনিচ্ছাসত্বেও পত্নীৰ মৰ্যাদা দিছিল। আহোমসকলৰ পবিত্ৰ হেংডান ৰাঘ মৰাণৰ হস্তগত

হোৱাত অসমৰ ডা-ডাঙৰীয়াসকল ক্ষুণ্ণ হৈছিল। আহোম স্বৰ্গদেউৰ গৌৰৱ হানি আৰু নিজৰ মৰ্যাদা ক্ষুণ্ণ হোৱাত কুৰঙ্গনয়নীয়ে ৰাঘমৰাণক হত্যা কৰিবলৈ আহোম ডা-ডাঙৰীয়াসকলৰ সৈতে গোপনে আলোচনা কৰি কৈছিল —

সিবিলাক ৰণেৰে নহয়, উজনিৰ চেকনি-কোৰোবাৰ বেশ ধৰি সেই নামকে গাই

গৰু-বিহুৰ দিনা আহিব, মই ৰাঘক উলিয়াই আনিম শৰাই খনচেৰেকেৰে। তাতে

ৰাঘই নাম গোৱা চাই থাকোতে মই কোব মাৰি ভৰি কাটি দিম।...মই বিহুৰ দিনা

তাক ৰাজঘৰলৈ নিম।৩

কুঁৱৰী আৰু ডাঙৰীয়াসকলৰ মাজত আলোচনা কৰি ঠিক কৰা হ'ল যে চ'তৰ বিহুৰ সংক্ৰান্তিৰ দিনাই আক্ৰমণ চলোৱা হ'ব। সেইদিনা বিহুৰ আনন্দত সকলো মতলীয়া হৈ থাকিব। বিদ্ৰোহীসকলৰ ঘৰত ৰাইজে হুঁচৰি গাই ফুৰিব। সতৰ্কতা আৰু পহৰা ঢিলা হ'ব। সেয়েহে হুঁচৰি গোৱা দল হিচাপে অতি সহজে তেওঁলোকে সোমাব পাৰিব নগৰৰ ভিতৰলৈ। তেওঁলোকে থিৰ কৰিলে যে হাতত টোকোন আৰু চেকনি লৈ কাপোৰৰ আঁৰত দা আৰু শূল লুকুৱাই গোবিন্দ গাওঁবুঢ়াৰ চেকনি কোৰোবা সেনা বাহিনীৰ ভেশচনেৰে ৰাঘ বৰবৰুৱাৰ ধৰলৈ মাজনিশা আহিব।৪ কুৰঙ্গনয়নীয়ে তেওঁলোক আহিলে ৰাঘ বৰবৰুৱাক ৰাইজক সেৱা কৰি আশীৰ্বাদ লবলৈ ধৰৰ পৰা উলিয়াই আনিব। এই সুযোগতে কুঁৱৰী আৰু বিদ্ৰোহী আহোম সৈন্যসকলে ৰাঘক হত্যা কৰিব।

সেইদিনা আছিল চ'তৰ বিহুৰ সংক্ৰান্তিৰ দিন। চাৰিওফালে ঢোলৰ মাত, হুঁচৰি গোৱা মানুহৰ জুম। ৰাতি হৈ অহাত পৰিকল্পনামতে ষড়যন্ত্ৰকাৰীসকলে কাপোৰৰ তলত টোকোন, চেকনি, লোহাৰ শূল, নাল কটা খৰা দা লুকুৱাই আৰু হাতত ঢোল, পেঁপা, টকা লৈ বিহুৱা বেশ ধৰি ৰাঘ বৰবৰুৱাৰ ঘৰত প্ৰৱেশ কৰিলে। ষড়যন্ত্ৰকাৰীসকলে আশাকৰাৰ দৰে বৰবৰুৱাৰ ঘৰত পহৰা নাছিল। হুঁচৰি গোৱাৰ পাছত আশীৰ্বাদ লবলৈ ৰাইজৰ আগত আঁঠু লৈছিলগৈ। এনেতে কুৰঙ্গনয়নীয়ে পাচফালৰ পৰা দাৰে ঘাপ মাৰিলে আৰু লগে লগে হুঁচৰি গোৱা মানুহবোৰে কাপোৰৰ তলৰপৰা দা আৰু শূল উলিয়াই ৰাঘক তাতে হত্যা কৰিছিল। ৰাঘমৰাণক হত্যা কৰাৰ লগে লগে বাকীথকা মোৱামৰীয়া বিদ্ৰোহীসকলকো দমন কৰাটো সহজ হৈছিল।

এনেদৰে আহোম সিংহাসন মোৱামৰীয়াৰ হাতৰ পৰা উদ্ধাৰ কৰাত বিহুৱে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

হেঙুল - হাইতালৰ ৰঙেৰে ৰঞ্জিত কৰা বুৰঞ্জীৰ পাতত এনেবোৰ অনুচিত্ৰই আজিও আমাক ৰোমাঞ্চিত কৰে। ৰাপতিসাহেন বিহুৰ গইনা লৈ সেই সময়ৰ মানুহৰ ৰাজনৈতিক আৰু সামাজিক আশা-আকাংক্ষাই কেনেদৰে পোখা মেলিছিল এনেবোৰ ঘটনাৰ পৰা উমান পাব পাৰি। জয়-পৰাজয়, আশা-আকাংক্ষা, হতাশা, জীৱন - মৰণৰ পটভূমিকে লৈ বুৰঞ্জী ৰচিত হয়। বিশ্বমানৱৰ উত্থান- পতনৰ কথাকে পাঠ কৰি উত্তৰপুৰুষে অভিজ্ঞতা লাভ কৰে।


প্ৰসংগ সূত্ৰ:

১. ড. স্বৰ্ণলতা বৰুৱা আৰু ড. ডম্বৰুধৰ নাথ চুতীয়া জাতিৰ বুৰঞ্জী, পৃঃ ১৩৭

২. ড. নগেন শইকীয়া সম্পাদিত বেণুধৰ শৰ্মা ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, পৃঃ ১৪১৫

৩. ড. সূৰ্যকুমাৰ ভূঞা, স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ, অসম প্ৰকাশন পৰিষদ, পৃঃ ৬৭

৪.ড. ধ্ৰুবজ্যোতি বৰা, মোৱামৰীয়া গণ অভ্যুত্থান, পৃঃ ১২৫



*লেখিকাৰ ঠিকনা: দীঘলা গাঁও, ঢকুৱাখনা*


ooooo



## ঃ জানোচা পাহৰো ঃ

*চাৰিকড়ীয়া নদীৰ ফাটত ঠন ধৰি উঠা ফাটবিহুৰ এক দীঘলীয়া ইতিহাস আছে। কিন্তু নিয়াৰিকৈ ক'তো এই ইতিহাস লিপিবদ্ধ অৱস্থাত নাই। ইতিহাসৰ দীঘল বাট গৰকি অহা এই ফাটবিহুক আমি এনেধৰণে ভাগ কৰিব পাৰো- আহোম ৰজা দিনৰ, কোম্পানীৰ দিনৰ, অৰ্ধসামন্তীয় মহাজনী যুগৰ, লুটপাতৰ দিনৰ, স্ব-ৰাজ্যৰ প্ৰাক্কালৰ, স্বাধীনোত্তৰ কালৰ আৰু সাম্প্ৰতিক কালৰ। যোৱা ১৯৭৬ চনৰ পৰা ফাটবিহু একেলেথাৰিয়ে অনুষ্ঠিত হৈ আহিছে। ইয়াৰ আগৰ সময়চোৱাত অনুষ্ঠিত হোৱা ফাটবিহুৰ ধাৰাবাহিকতা নাছিল। সামাজিক, ৰাজনৈতিক আৰু অজ্ঞাত কাৰণত ফাটবিহু পতা নাছিল। যিহেতুকে ১৯৭৬ চনৰ পৰাই ফাটবিহুৰ ধাৰাবাহিকতা ৰক্ষা হৈছে সেই সময়কে আমি ফাটবিহুৰ সাম্প্ৰতিক কালৰ সূচনা হোৱা বুলি ধৰি ললে নিশ্চয় ভুল কৰা নহ'ব। ১৯৭৬ চনত যিসকলে উদ্যোক্তা আৰু বিহুৱা-বিহুৱতীয়ে ফাটবিহু পাতিছিল তাৰে ভালে কেইজনে আমাৰ মাজৰ পৰা মেলানি মাগিছে। বহুকেইগৰাকীৰ ঠিকনাও সলনি হৈছে। জীৱিত সকলৰ মাজৰ সকলোকে সাক্ষাত কৰাও সম্ভৱ হোৱা নাই। তথাপি এই শিতানত কেইগৰাকী মানক বিনম্ৰভাৱে ৰাইজক চিনাকী কৰি দিয়াৰ প্ৰয়াস কৰিছো। কাৰণ এই সকল সাংস্কৃতিকপ্ৰেমী লোকক আমি পাহৰি গলে ভুল কৰা হ'ব। সেই সম্পৰ্কে দুটিমান লেখা আগবঢ়োৱা হ'ল।*

*- সম্পাদক*

# দুৰ্যোগৰ মাজেদি ফাটবিহু


ছবিলাল জৈন


সৰুতে শৰৎচন্দ্ৰ গোস্বামীদেৱৰ ভূগোলত পঢ়িবলৈ পাইছিলো ঢকুৱাখনা ভদ্ৰলোকৰ বাসস্থান বুলি। তাৰ পিছত ঢকুৱাখনা কিহৰ বাবে বিখ্যাত বুলি প্ৰশ্ন সুধিলে - উত্তৰ দিছিলো এড়ী মুগাৰ বাবে বিখ্যাত বুলি। বৰ্তমান তেনে প্ৰশ্ন সুধিলে ছাত্ৰ-ছাত্ৰী সকলোৱে উত্তৰ দিয়ে 'ঢকুৱাখনা ফাটবিহুৰ বাবে বিখ্যাত।' সঁচাই বৰ্তমান ঢকুৱাখনাৰ একমাত্ৰ পৰিচয় 'ফাটবিহু'।

ফাটবিহুৰ অতীত ইতিহাসৰ কোনো লিখিত বুৰঞ্জী নাই। ফাটবিহু বুলিয়েই নহয় কোনো লোক সংস্কৃতিৰ জন্মৰ চন তাৰিখ নেথাকে। সময়ৰ খোজত লোক মনৰ আবেগ উচ্ছাহ অনুভূতি, মননৰ ফচল মানুহৰ চেতনাত জমা হৈ হৈ গ্ৰহণ বৰ্জনৰ মাজেদি এক পৰিশালিত ৰূপ পৰিগ্ৰহ কৰে। স্বাভাৱিকতে চাৰিকড়ীয়া পাৰে পাৰে মিৰি, দেউৰী, কৈৱৰ্ত আদি লোকসকলে বিহু মৰাৰ পৰম্পৰা আছিল। পিছলৈ এই বিহুত অন্যান্য জনগোষ্ঠীসমূহ জড়িত হৈ পৰিছিল। ফাটবিহু নিশ্চয়কৈ এদেও দুদেও কৈ স্বাভাৱিক আনন্দ প্ৰকাশৰ পৰা আহি আহি আনুষ্ঠানিক উৎসৱৰ ৰূপ পাইছে। বিহুৱেই হওঁক বা আন লোক সংস্কৃতিয়েই হওঁক এই সকলোবোৰ ভূমিপুত্ৰ সকলৰ অৱদান।

'ফাটবিহু'ৰ নামাকৰণ আৰু ইয়াৰ জন্মৰ চন তাৰিখ তথা স্থান সম্পৰ্কে অনেক বিজ্ঞ লোক সকলে অনেক তথ্য যুক্তি সহকাৰে আগবঢ়াইছে যদিও তাত সন্দেহৰ অৱকাশ নথকা নহয়। যিকি নহওক ফাটবিহুৰ

ঢকুৱাখনাবাসীৰ হিয়াৰ আমঠু। পৰম্পৰাগত ভাবে চলি থকা ফাটবিহুৰ মাজে মাজে যতি পৰাও দেখা যায়। ইয়াৰ কাৰণ ঘাইকৈ প্ৰাকৃতিক দুৰ্যোগ।

১৯৫০ চনৰ ১৫ আগষ্টত শতিকাৰ আটাইতকৈ ডাঙৰ ভূমিকম্প হয়। আমাৰ যি মনত আছে তাৰ কিছু বৰ্ণনা তলত ডাঙি ধৰিলো। মোৰ বয়স তেতিয়া ৬ বছৰ। সন্ধিয়া সাত মান বজাত পূব ফালৰ পৰা এটা বিকট চিঞৰ ভাঁহি আহিল। লগে লগে পৃথিৱীখন জোকাৰিবলৈ ধৰিলে। মানুহে 'হৰিবোল, হৰিবোল' বুলি ঈশ্বৰৰ নাম লবলৈ ধৰিলে। আইসকলে বিপদৰ উৰুলি। আমাৰ ঘৰৰ পিছফালে থকা ডাঙৰ পুখুৰীটোৰ পানী চোতাললৈ উঠি আহিল। ঘৰৰ সকলো চোতাললৈ ওলাই আহিলো। প্ৰকৃতিৰ সুখ সম্পদৰ মাজত জীৱন নিৰ্বাহ কৰা ঢকুৱাখনাবাসী এক মূহুৰ্তৰ ভিতৰতে সৰ্বহাৰা হৈ পৰিল। পৃথিৱীখন চিৰাল ফটা দিলে। গোটেই নিশা ইটোৰ পাছত সিটো জোকাৰণি আহিবলৈ ধৰিলে। পিছদিনা মানুহবোৰ সন্ধিয়া ঘৰ-দুৱাৰ এৰি নামঘৰত গোটখালে, মৰিলে সকলোবোৰ লগে ভাগে মৰিম বুলি। কেইবা বছৰ ধৰি ভূমিকম্পৰ জোকাৰণি মাজে মাজে আহিবলৈ ধৰিলে। ভূমিকম্পৰ পিছত বানপানী। কিমান মানুহ আৰু জীৱজন্তু মৰিল তাৰ লেখ জোখ নাই। এনে এক দুৰ্যোগৰ সন্মুখীন হোৱাৰ বাবে কেইবাবছৰ ধৰি ঢকুৱাখনা বাসীয়ে ফাটবিহু পাতিব পৰা নাছিল।

ফাটবিহু পুনৰ প্ৰয়াত পৰমা বড়া, প্ৰয়াত জয়চন্দ্ৰ গগৈ আদিৰ দৰে কেইজনমান উদ্যোগী সমাজ কৰ্মীৰ দ্বাৰা পুনৰ এটা গতি লাভ কৰে।

তিৰ্ব্বতীয় ধৰ্মগুৰু দালাই লামাক ভাৰতবৰ্যই আশ্ৰয় দিয়াৰ বাবে ক্ষোভিত হৈ চীনে ভাৰত আক্ৰমন কৰে। সেই সময়ত ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী আছিল কৃষ্ণ মেনন। অদূৰদৰ্শী এইজন প্ৰতিৰক্ষা মন্ত্ৰীয়ে বছৰৰ অধিক সময় খৰচ কৰিছিল বিদেশ ভ্ৰমণত। মেমন ডাঙৰীয়াক তেখেতৰ কাণ্ড কাৰখানা দেখি এবাৰ সাংবাদিক সকলে প্ৰশ্ন কৰিলে -"আপুনি দেশৰ প্ৰতিৰক্ষা বাবে কি ব্যৱস্থা হাতত লৈছে।" মন্ত্ৰীৰ উত্তৰ -"আমাৰ কোনো শত্ৰু নাই, অযথা অস্ত্ৰ-শস্ত্ৰত আৰু সেনাবাহিনীত খৰচ কৰি লাভ নাই।" অবিবেচক মন্ত্ৰী ডাঙৰীয়াই ভাৰতবৰ্যত থকা অনেক অস্ত্ৰ-শস্ত্ৰ আৰু খাৰ-বাৰুদৰ কাৰখানা বন্ধ কৰি দিলে। ভাৰতীয় সৈন্য সকলৰ হাতত প্ৰবল প্ৰতাপী চীনা সৈন্যৰ লগত যুঁজিবলৈ মাত্ৰ বন্দুকৰ বাহিৰে আৰু একো অত্যাধুলিক অস্ত্ৰ শস্ত্ৰ নাছিল। চীনা সৈন্য কি যুদ্ধে আগবাঢ়ি আহি বমডিলা পালেহি। হঠাৎ ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিলে "My shym pathy goes to Assam" পথ নিৰ্মাণত বিহাৰ উৰিষ্যাৰ সকলো বনুৱাই অসম এৰি নিজ নিজ ঘৰলৈ গুছি গ'ল। ব্যৱসায় জগততো নেহৰুৰ এই ঘোষণাই আতংকৰ সৃষ্টি কৰিলে। হাজাৰ হাজাৰ ব্যৱসায়ী প্ৰাণৰ মমতাত ব্যৱসায় বাণিজ্য বন্ধ কৰি ঘৰলৈ গুছি যায়। প্ৰধান মন্ত্ৰী সহায়ৰ বাবে ছোভিয়েট ৰাছিয়া পালেগৈ। ৰাছিয়া চৰকাৰে কমিউনিষ্ট দেশৰ বিৰুদ্ধে কোনো সহায় কৰিব নোৱাৰাৰ কথা জনালে। প্ৰধানমন্ত্ৰী আমেৰিকা পালেগৈ। আমেৰিকাই যুদ্ধখন বন্ধ কৰি দিব, যদিহে ভাৰতে এটা চৰ্ত মানি লয়। অৱশেষত সেয়ে হ'ল। চীনে দখল কৰা ভূখণ্ড ভাৰতে আমেৰিকাৰ মধ্যস্থতাত এৰি দিলে আৰু যুদ্ধ থাম কাটিল। যুদ্ধৰ কিছু দিনৰ পিছতে আহিল প্ৰবল বান পানী মহাবাহু ব্ৰহ্মপুত্ৰ বানে ঢকুৱাখনা মাজুলীৰ সকলো বাট-পথ ভাঙি-চিঙি টুকুৰা টুকুৰ কৰিলে। পথ মেৰামতি কৰিবলৈ কোনো বনুৱা নাই। যাতায়ত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিল। বঙ্ঠাইত স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাময়িকভাবে চলাচল কৰিবৰ বাবে পথবোৰ মেৰামতি কৰা হ'ল। এনে এক পৰিস্থিতিৰ মাজত ঢকুৱাখনাবাসীয়ে 'ফাটবিহু'ৰ কথা চিন্তা কৰিব নোৱাৰা হ'ল। প্ৰায় ১৫ বছৰ কাল ঢকুৱাখনাত ফাটবিহু উদযাপন হোৱা নাছিল।

১৯৭৬ চন, সেই সময়ত ঢকুৱাখনাত সোনা হোটেল নামেৰে এখনি হোটেল আছিল। সোনা চাহনী আছিল এজন সমাজ প্ৰিয় ব্যক্তি। তেখেতৰ হোটেলত প্ৰয়াত পীতাম্বৰ গগৈ, দূৰ্গা সূত, নন্দ, হলিৰাম আৰু আমি প্ৰায় সন্ধিয়া গোট খাওঁ। নাট্য মঞ্চৰ পৰা আৰম্ভ কৰি বিভিন্ন অনুষ্ঠান সমূহৰ বিষয়ে সাধাৰণতে আমাৰ মাজত আলোচনা চলে। এদিন পীতাম্বৰ গগৈদেৱে ঢকুৱাখনাত হেৰাই যাব খোজা ফাটবিহুটি পুনৰ উদযাপনৰ সম্পৰ্কে আলোচনা কৰে আৰু মোক আৰু দূৰ্গা সূত দেৱক এখন ৰাজহুৱা সভা আহ্বান কৰি এই সম্পৰ্কে আলোচনা কৰিবলৈ নিৰ্দ্দেশ দিয়ে। পূজ্য গগৈ ককাইদেৱক আমি সকলোৱে শ্ৰদ্ধা কৰিছিলো। তেখেতৰ কথা মতে মই আৰু দূৰ্গা সূতদেৱে ঢকুৱাখনা এম.ভি.স্কুলত এখনি ৰাজহুৱা সভা আহ্বান কৰো। তাৰিখ আছিল এপ্ৰিল মাহৰ ১০আৰু বাৰ শনিবাৰ। এই সভাত স্বাক্ষৰিত উপস্থিত সদস্য সকলৰ ভিতৰত বহু কেইজন পৰলোকগামী হৈছে। তেখেতলোক আছিল ক্ৰমে প্ৰয়াত পীতাম্বৰ গগৈ, প্ৰয়াত তিতাৰাম গগৈ, প্ৰয়াত পদ্ম ফুকন, প্ৰয়াত ভদ্ৰেশ্বৰ দাস, প্ৰয়াত তৰণি গোহাঁই, প্ৰয়াত নৰেন কোঁৱৰ, প্ৰয়াত মিহিৰ বড়া, শ্ৰী ৰজনী বৰগোঁহাই, তিলেন চমুৱা, জীতেন গোঁহাই, যোগেন দত্ত, দুলাল চেতিয়া, আহবায়ক সকল আৰু নন্দ হলিৰাম।

ৰাজহুৱা সভাখনত সভাপতিত্ব কৰিছিল প্ৰয়াত পীতাম্বৰ গগৈদেৱে। সভাই সৰ্বসন্মতি ক্ৰমে মে' মাহৰ ১তাৰিখ শনিবাৰে আৰু ২ তাৰিখ ৰবিবাৰে দুদিনীয়া কাৰ্যসূচীৰে উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সভাতে সেই বছৰৰ পৰাই বিহুৰ এক নতুন সংযোজন এখনি মুখপত্ৰ প্ৰকাশৰ কথা আমি উল্লেখ কৰো। সভাত উপস্থিত সকলো সদস্যই হাত চাপৰিৰে আমাৰ সেই প্ৰস্তাৱ গ্ৰহণ কৰে আৰু তাৰ উদ্যোগ লবৰ বাবে আমাকে দায়িত্ব অৰ্পণ কৰে। মুখ পত্ৰখনিৰ নামাকৰণ আমি 'বিহুৱান' দিয়া ভাল হব বুলি কোৱাৰ লগে লগে সকলোৱে সন্মতি প্ৰকাশ কৰে।

সভাত উপস্থিত সকলো সদস্যক আদৰণি সমিতিৰ সদস্য হিচাবে ঘোষণা কৰে আৰু প্ৰয়াত প্ৰফুল্ল কলিতা, ড° জিতৰাম কলিতা, শ্ৰী জগদীশ গগৈ আৰু শ্ৰী শিৱ প্ৰসাদ গগৈ দেৱকো সদস্য হিচাবে মনোনীত কৰে। সভাই প্ৰয়াত নৰ কুমাৰ বৰগোহাঁঞি দেৱক সভাপতি আৰু শ্ৰী দূৰ্গা সূতদেৱক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে।

প্ৰথম দিনা আদৰণী সভাপতিদেৱে বিহুৰ ধ্বজা উত্তোলন কৰে। মঘাই ওজাৰ প্ৰিয় শিষ্য ৰামেশ্বৰ ওজাদেৱে ঢোল বাদনেৰে বিহুৰ শুভ উদ্বোধন কৰে। এইবছৰ কেইবাটাও বিহুদল নিমন্ত্ৰণ কৰা হৈছিল যদিও বাস্তৌ গাওঁ, ঘাঁহী গাঁও, হুজ গাঁও, মাজি গাঁও আৰু চেকনী দাংধৰা এই পাঁচটি বিহু দলেহে যোগদান কৰে। বিহু প্ৰতিযোগিতাৰ বিচাৰক আছিল প্ৰয়াত তিতাৰাম গগৈ, প্ৰয়াত কমল চন্দ্ৰ গগৈ আৰু জিতেন চুতীয়া দেৱ। ঘাঁহী গাঁৱৰ দলক শ্ৰেষ্ঠ বিহু দল আৰু বাস্তৌ গাঁৱৰ বিহু দলক দ্বিতীয় শ্ৰেষ্ঠ বিহু দল হিচাবে ঘোষণা কৰা হয়। মাজি গাঁৱৰ প্ৰয়াত জয়পুৰ দাসে শ্ৰেষ্ঠ ঢুলীয়াৰ সন্মান লাভ কৰে। প্ৰয়াত মহেশ্বৰ সূতে কেৱল চৰাই নাচ আৰু পানীৰাম চুতীয়া দেৱৰ ধেমেলীয়া বিহু নাচে ৰাইজক আনন্দৰ খোৰাক দিছিল।

১৯৭৬ চনৰ ফাটবিহু ধাৰাবাহিক ভাবে চলি থকা বিহুক মঞ্চ বিহুলৈ ৰূপান্তৰিত কৰা হয় আৰু বিহুৱান নামেৰে ফাট বিহুৰ এখন মুখ পত্ৰ প্ৰকাশ কৰা হয়। এই বিহুৱানখন উন্মোচন কৰিছিল আমাৰ সকলোৱে শ্ৰদ্ধেয় প্ৰয়াত সতীশ চন্দ্ৰ গগৈদেৱে। বিহুৱানখনিত ডঃ জিতৰাম কলিতাদেৱৰ "বিহু বিহু লাগিছে গাত", প্ৰয়াত কৰুণা কান্ত কলিতা দেৱৰ 'সুন্দৰৰ আৰাধনা', প্ৰয়াত ডঃ চন্দ্ৰধৰ চমুৱা দেৱৰ 'শিমলু তুলাৰ দৰ্শন' এই তিনিটা প্ৰবন্ধ অভিযন্তা নৱ কুমাৰ বৰ গোহাঞিঃ দেৱৰ উহুৱলৈ যাওঁতে এটি গল্প, প্ৰয়াত পদ্ম ফুকন দেৱৰ 'বহাগ' জিতেন চুতীয়া দেৱৰ 'দূৰণিত ব'হাগৰ গাঁও' আৰু শিৱ প্ৰসাদ গগৈ 'ছটা কবিতা' এইখিনি সাহিত্য সম্ভাৰেৰে বুটা বছা হয়। লেখা সমূহে পলমকৈ পোৱাৰ বাবে প্ৰকাশৰ ক্ষেত্ৰত কিছু অসুবিধা সৃষ্টি হয় যদিও নৱ জীৱন প্ৰিন্টিং প্ৰেছ, ধেমাজি স্বত্বাধিকাৰীয়ে এদিনৰ ভিতৰতে ছপা কৰি আমাৰ হাতত তুলি দিছিল। আমি আজিও তেখেতক

এই কাৰ্যৰ বাবে শ্ৰদ্ধাৰে সোঁৱৰো। বিহুৱানখনিত 'সোনা হোটেল' 'সন্তীয়া কাপোৰৰ দোকান' 'সংগীতা ষ্টোৰ', 'চৌধাৰী চাইকেল কোম্পানী', 'ৰাজ কুমাৰ প্ৰেম কুমাৰ', 'গুপ্তা হোটেল', 'ৰবী টেইলৰ্চ', 'জনতা ষ্টোৰ্চ', 'পাঞ্জাৱ টেইলৰ্চ', 'চচাইটি ষ্টোৰ্চ', আপ টু ডেট টেইলৰ্চ' আৰু নৱ ৰংগ হোটেল' এই ব্যৱসায়ী প্ৰতিষ্ঠান সমূহে বিজ্ঞাপন দি সহায়ৰ হাত আগবঢ়াইছিল। ঘাৰমৰাৰ 'শিৰোমণি বৰুৱা জনপ্ৰিয় বিহুৱা মহোদয় মুকলি সভাৰ নিৰ্দিষ্ট বক্তা আছিল।

যিকি নহওঁক ঢকুৱাখনা ফাটবিহু পূৰ্বাঞ্চল সৰ্বপ্ৰাচীন আৰু সৰ্ব বৃহৎ বিহু সন্মিলন। ১৯৭৬ চনত বিহুৰ ৰূপদিয়াৰ পিছৰ পৰা ইয়াৰ অনেক শ্ৰীবৃদ্ধি হৈছে, ফলে ফুলে জাতিস্কাৰ হৈছে। এই বিহুৱে বৰ্ত্তমানলৈকে অসমীয়া জাতীয় বিহু সংস্কৃতিৰ পৰম্পৰা সম্পূৰ্ণভাৱে ৰক্ষা কৰি আহিছে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অতিথি সকলে ফাট বিহুক ভূয়সী প্ৰশংসা কৰি গৈছে। বিহুৱা বিহুৱতী তথা কৰ্মকৰ্তা সকলে জাতীয় সাজপাৰ পৰিধান কৰাৰ ওপৰিও দৰ্শক সকলেও জাতীয় সাজপাৰ পিন্ধি বিহু উপভোগ কৰাৰ যি অনুপম দৃশ্য তাক ভাষাৰে প্ৰকাশ সম্ভৱ নহয়। ফাট বিহুৱে বৰ্ত্তমানলৈকে যি এক জাতীয় ঐতিহ্য ৰক্ষাকৰি উদযাপন কৰি অহা হৈছে সেই ঐতিহ্য যাতে ভৱিষ্যতলৈও অক্ষুণ্ণ থাকে তাৰ বাবে নৱ প্ৰজন্মই নিশ্চয়কৈ মনোনিৱেশ কৰিব।

*লেখকৰ ঠিকনা ঃ জীয়ামৰীয়া, ঢকুৱাখনা।*

০০০০০



ঃ জানোচা পাহৰো ঃ

# স্মৃতিৰ গাগৰি খুঁচৰি

তিলেন চমুৱা

কথাবোৰ প্ৰায়েই আলোচনা হয়। বিশেষকৈ ব'হাগ বিহুৰ বতৰত। কিন্তু কেইবাবছৰো ইয়াক ৰূপায়ণ কৰিব পৰা নাছিলো। শেষত ১৯৭৬ চনত আমি সিদ্ধান্ত ললো "এইবাৰ ফাটবিহু পাতিমেই"। অনুপ্ৰেৰণাৰ গুৰি বঠা ধৰিলে প্ৰয়াত পীতাম্বৰ গগৈ ককাইদেউ আৰু শ্ৰীযুত ছবিলাল জৈন দেৱে। ঢকুৱাখনা এম. ভি. স্কুলত ৰাজহুৱা সভা বহিল। কমিটি গঠন কৰা হ'ল। ৰাজহুৱা সভাই প্ৰয়াত নৱ বৰগোহাঁই ককাইদেউক সভাপতি আৰু দুৰ্গা সূত দেৱক সম্পাদকৰ দায়িত্ব দি এখনি ফাটবিহু কমিটি গঠন কৰি দিয়ে। ফাটবিহুৰ মুখপত্ৰ এখনি প্ৰকাশৰো সিদ্ধান্ত লোৱা হয়। নামটো "বিহুৱান"। প্ৰথম সংখ্যাৰ সম্পাদকৰ দায়িত্ব দিয়া হয় ছবিলাল জৈন দেৱক। এই খিনিতে উল্লেখ্য যে দুৰ্গা সুতদেৱে ফাটবিহু কমিটিৰ একেলেঠাৰিয়ে পাঁচ বছৰ কাল সম্পাদকৰ দায়িত্বত আছিল। এইয়াই আৰম্ভণী। পুনৰ প্ৰাণ পোৱা ফাটবিহু আজি পূৰ্ণ যৌৱনা। হালি-জালি ফাটবিহুৱে জগত সভালৈ গতি কৰিছে।

আৰম্ভণী দিনত ফাটবিহুৰ কথা ভবিলে বা লিখিবলৈ ললে মই নষ্টালজিক হৈ পৰো। আৱেগে হেঁচা মাৰি ধৰে, মনে শৃঙ্খলা নামানে।

তেতিয়া আমি আবেলি পৰত ঢকুৱাখনা চাৰিআলিৰ কোনোবা চাহৰ হোটেলত বা এম.ভি. স্কুলৰ খেল পথাৰত বহি আলোচনাবোৰ কৰিছিলোঁ। আলোচনাৰ থাঁত ধৰিছিল প্ৰয়াত পীতাম্বৰ গগৈ ককাইদেউ বা ছবিলাল জৈনদেৱে।

সম্পাদক দুৰ্গা সুত দেৱ, প্ৰয়াত ভদ্ৰেশ্বৰ দাসদেৱ আৰু কৰ্ম-কৰ্তা সকলৰ সাংগঠনিক প্ৰচেষ্টা সফল কৰি প্ৰথম বছৰেই অতি ধুম-ধামেৰে ফাটবিহু সফল ভাৱে উদ্‌যাপন কৰা হয়। তেতিয়া ফাটবিহু ঢকুৱাখনাৰ এম.ভি.স্কুলৰ খেল পথাৰতে উদ্‌যাপন কৰা হৈছিল। পৰিবেশ তৈয়াৰ কৰিবৰ বাবে গছৰ ডাল আদি ৰুই লোৱা হৈছিল আৰু তাৰ মাজে মাজে বিহু দল সমূহে বিহু মাৰিছিল। মই এতিয়াও ভাবি আচৰিত হওঁযে, গছৰ পাতৰ সৈতে সেই গধুৰ গধুৰ ডালবোৰ ফিল্ডলৈ অনা, গাঁত খান্দি পোতা আদি কামবোৰ এজন পৌঢ় লোকে আপোন মনে কৰি গৈছিল, তদাৰক কৰিছিল, তেখেত হৈছে আমাৰ সকলোৰে শ্ৰদ্ধাৰ আৰু মৰমৰ প্ৰয়াত তিতাৰাম গগৈদেৱ। সেই বয়সতো তেখেতে এনে কৰ্ম শক্তি কেনেকৈ পাইছিল তাক ভাবিলে মই এতিয়াও তবধ মানো। সেই সময়ত ঢকুৱাখনাত চাকৰি কৰি থকা প্ৰায়বোৰ চৰকাৰী চাকৰিয়ালেই আমাক সহায় কৰিছিল। বিশেষকৈ ঢকুৱাখনা আৰক্ষী থানাৰ গগৈ উপাধিৰ এজন উপ-পৰিদৰ্শকে (নামটো পাহৰিছো ঘৰ শিৱসাগৰত) আমাক কৰা সহায়ৰ কথা উল্লেখ নকৰিলে আমাক অকৃতজ্ঞতাৰ দোষে চুব।

ফাটবিহু আৰম্ভ কৰাৰ আগে আগে আমি কিছুমান তথ্য বিচাৰি তেতিয়াৰ বুঢ়া মেথা সকলৰ কাষ চাপিছিলো। কোনে কাক লগ কৰিব তাৰ দায়িত্ব ভাগ কৰি দিয়া হৈছিল। মই নিজে শ্ৰদ্ধাৰ হোমেন বৰগোহাঁই দেৱৰ দেউতাক প্ৰয়াত ইন্দ্ৰধৰ বৰগোহাঁই দেৱৰ সাক্ষাৎকাৰ লৈছিলো। সাক্ষাৎকাৰ বাণীবদ্ধ কৰাৰ বাবে এটি টেপ ৰেকৰ্ডাৰৰ দৰকাৰ হৈছিল। আমাৰ নিজা টেপ ৰেকৰ্ডাৰ নাইবা কমিটিৰ কোনো সদস্যৰে সেই সময়ত টেপ ৰেকৰ্ডাৰ নাছিল। ঢকুৱাখনাৰ প্ৰতিষ্ঠিত ব্যৱসায়ী উমা শংকৰ চাহ দেৱে তেখেতে নতুনকৈ কিনা টেপটো কমিটিৰ অনুৰোধত আমাক দি সহায় কৰিছিল। প্ৰথম বছৰৰ ফাটবিহুত সোণত

সুৰগা চৰাইছিল ঘাঁহি গাঁৱৰ প্ৰয়াত মহেশ্বৰ সূত দদাইদেউৰ ময়ুৰ চৰাইৰ নাছে। তেখেতে এই ময়ুৰ নাছটো জীয়াই থকা কাললৈকে কেইবাবছৰো বিহু তলিত প্ৰদৰ্শন কৰিছিল। আমি ভূ-লৈ জানিব পাৰিছিলো যে, আগৰ দিনৰ স্বতঃস্ফূৰ্তঃ ভাৱে হোৱা কহঁৰা আৰু ঝাউ বনৰ মাজৰ বিহু তলিতো কৈশোৰ কালতে তেখেতে এই ময়ূৰ নাচ নচুৱাইছিল।

দ্বিতীয় বছৰৰ ফাট বিহুৰ কথা। পৃথিয়াল গাঁও বিহু দলৰ বিহু তুঙ্গত উঠিছে। তেনেতে দেখা গল কিছুমান মানুহ ফিল্ডৰ এটা চুকলৈ গৈ জুম বান্ধিছে। কিবা হাই-কাজিয়া লাগিছে নেকি কমিটিৰ দায়িত্বত থকা বাবৰ বাবে মই খৰ-খৰকৈ তাত উপস্থিত হলো। গৈ মই হতবাক। এজন বৃদ্ধ লোকে দুই কানত হেঁচামাৰি ধৰি বিহু নামৰ সুৰ ধৰিছে আৰু লগতে সম বয়সৰ দুজনে দপ-দপাই নাছিছে। (সেই নামৰ সুৰ আৰু নাছোন ভংগী মই আজিলৈকে কতো দেখা নাই) তিনিও জন বেলেগ ঠাইৰ। তেওঁলোক হ'ল পানীৰাম দুৱৰা কাঠবৰাৰী, পানীৰাম চুতীয়া বালিগাঁও আৰু বাপুৰাম দাস ভাটি হুজ গাঁৱৰ। আগতে কৈশোৰ কালত ফাটবিহুত গাইছিল-নাচিছিল। এতিয়া বহুত বছৰৰ পাছত ফাটবিহু চাবলৈ আহি পুৰণা দিনৰ বন্ধু লগ পালে আগৰ কথা মনত পৰে। গতিকে স্বতঃস্ফূৰ্তভাৱেই এই অৱস্থা হয় ফাটবিহু। তোমাৰ মহিমা অপাৰ। তুমি সোমাই আছা ঢকুৱাখনীয়াৰ তেজত কোঁহে কোঁহে। আমি ফাটবিহুৰ দলবোৰত যুৱক আৰু যুৱতী সকলোকে অংশগ্ৰহণৰ সুবিধা দিছিলো। সেই দিনত বাস্তৌ গাঁৱৰ গুণ ফুকনৰ নাম, নাচ আৰু দীঘলা গাৱৰ দুই ভগ্নী মঞ্জু গগৈ আৰু মীৰা গগৈ নাচোনে তেতিয়াৰ বিহুতলীত তোলপাৰ লগাইছিল। তাৰোপৰি বাস্তৌ গাঁৱৰ বিহুৱা-বিহুৱতী সকলৰ লগতলৈ আইতা প্ৰয়াত ননীবালা গগৈয়ে ফাটবিহুৰ শেষৰ দিন বিহুতলীৰ পৰা বাস্তৌ গাঁও পৰ্য্যন্ত ৰাস্তাৰে বিহু মাৰি যোৱা দৃশ্য অৱৰ্ণনীয়। এইটোৱে ফাটবিহুৰ সৌষ্ঠব বৃদ্ধিৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰতো প্ৰভূত অৰিহণা যোগাইছিল।

স্বৰ্গগতা আইতালৈ এইখিনিতে নমস্কাৰ জনাইছো।

**বিহুৱানৰ বতৰা -**

ছবিলাল জৈন আৰু শিৱপ্ৰসাদ গগৈৰ সম্পাদনাত প্ৰথম দুবছৰত বিহুৱান প্ৰকাশ হৈ ওলাল। কিন্তু পাছৰ বিহুৱানে প্ৰকাশৰ বাট নুবুলিল। কাৰণটো আৰ্থিক। ইয়াৰ পাছৰ সংখ্যা সম্পাদকৰ দায়িত্ব এই অভাজনে ললো। মনতে বল বান্ধিলো, যিকোনো প্ৰকাৰে প্ৰকাশ কৰি উলিয়ামেই। কমিটিৰ সদস্য আৰু কৰ্মকৰ্তা সকলেও আৰ্থিক নহলেও মানসিক বল দিলে। কাৰ্যত আৰু হাতে সহায় কৰিলে তেতিয়া ভাতৃপ্ৰতীম ইন্দিবৰ বুঢ়াগোহাঞি। সেই সময়ত ঢকুৱাখনাত ছপাশাল নাছিল। গতিকে ধেমাজিত এটা ছপাশালত ছপা কৰিব লগা হ'ল। আলোচনীখন আটক ধুনীয়া কৰিবৰ বাবে বেটুপাতৰ পৰিকল্পনাও কৰা হ'ল। ইন্দিবৰ বুঢ়াগোহাঁয়ে নিজে বেটুপাত অঙ্কন আৰু তাকে কাঠত কাটি ব্লক তৈয়াৰ কৰিলে। ব্লকৰ বাবে দুটুকুৰা তিতাচপা কাঠ দি তৈয়াৰ কৰিলে। ব্লকৰ বাবে দুটুকুৰা তিতাচপা কাঠ দি আমাক সহায় কৰিছিল গোলোক গগৈ ককাইদেউৱে।

কথাবোৰ লিখিলে আৰু দীঘল হোৱাৰ ভয়। গতিকে চমু কৰিছো। মুঠতে সেই দিনত আমি ৰাইজৰ পৰা যি আন্তৰিক মৰম আৰু সহযোগিতা পাইছিলো সেইবোৰ মনত পৰিলে এতিয়াও আপ্লুত হওঁ। এই লিখনিত মই যি সকলৰ নাম উল্লেখ কৰিছোঁ তাৰ বাহিৰেও স্মৃতি বিভ্ৰমৰ বাবে কাৰোবাৰ নাম যদি বাদ পৰিছে তাৰ বাবে ক্ষমা বিছাৰিছো।

ফাটবিহুৰ জন্ম যন্ত্ৰনা আজি মোৰ বাবে এক মধুৰ স্মৃতি। তাতোকৈ আনন্দ লাগে এই বাবেই যে, আমি জন্ম দিয়া কণমানিজনী এতিয়া যৌৱন প্ৰাপ্ত। ৰূপে-গুণে জাতিস্কাৰ হৈ তাই আজি জগত সভালৈ বাট বুলিছে। জয়তু ফাটবিহু। কিমধিকমিতি।

*লেখকৰ ঠিকনা - আমোলাপট্টি, ঢকুৱাখনা*

০০০০০



**ঃ জানোচা পাহৰো ঃ**

# বিহুৱলীয়া এগৰাকী আইতাৰ গীত আৰু কথাৰে



সৰোজ গগৈ

গাভৰু কালত আইতা গৰাকী বেচ ধুনীয়া আছিল বুলি আজি দেখা সকলোৱে ক'ব। কল্পনা কৰিছো আইতাৰ আজিৰ পৰা অন্ততঃ সত্তৰ বছৰ মান আগৰ এখন সুন্দৰ ছবি। বাইশ-তেইশ বছৰ বয়সৰ উজ্জ্বল বগা-বগা গাৰ বৰণ, ধুনীয়া চকু, এটা ধুনীয়া বৈ পৰা জোঙা নাক আৰু আজিও শুৱনিহৈ থকা মূৰৰ ক'লা চুলি। খামুচীয়া কঁকাল, নিয়মীয়া ওখ আইতাক এযোৰ মুগাৰ বিহা-মেখেলা, ৰঙা ব্লাউজ, খোপাত কপৌফুল, হাতত গামখাৰু, কপালত ৰঙা সেন্দুৰৰ ফোঁট টোৱে যে কিমান সুন্দৰ দেখাইছিল! আজিৰ গাভৰুৰ দৰে এইগৰাকী আইতাই অত্যাধুনিক প্ৰসাধান সামগ্ৰী বা বিউটিপাৰ্লাৰৰ আশ্ৰয় ল'বলৈ সুবিধা পোৱা নাছিল। তেওঁ স্বাভাৱিকতে ধুনীয়া আছিল। আজিও সেই বিৰানব্বৈ বছৰীয়া আইতাক বয়সে টলাব পৰা নাই। চূণে-খপাতে এমোকোৰা তামোল খাই ওঁঠ খনি বোলাই ঘৰৰ সন্মুখৰ বাৰান্দাত নাইবা পুত্ৰৰ ফাৰ্মাচীত চকী এখন পাৰি বহি থাকে। তাতে তামোল-পাণৰ যতন আৰু খুন্দিবলৈ খুন্দনাটোও থৈ লয়। সময়ে সময়ে ওচৰৰ হোটেলৰ ল'ৰা এটাই আইতাক মিঠাই দি যায়।

এগৰাকী আইতা (আমাৰ এনাইদেউ) ক যেতিয়াই লগ পাওঁ এমোকোৰা হাঁহি আৰু এটা চকুৰ টিপ্ মাৰি আমাক আনন্দ দিয়ে। নিজেও সদায় ফুৰ্ত্তিত থাকে আৰু উৎসৱে-পাবনে লগ পালেই বিহু নাম জোৰে। ভাবি আচৰিত হওঁ এই নব্বৈ বিৰানব্বৈ বছৰ বয়সৰ এগৰাকী অশীতিপৰ বৃদ্ধাৰ স্মৃতি শক্তিৰ প্ৰসাৰতা দেখি। সেয়ে এদিন কথা প্ৰসংগত এনাইদেউক ক'লো আপুনি গোৱা বিহুনাম কেইযাৰমান মই লিখি নিব খোজো। তেওঁ সন্মত হ'ল।

বিহুনাম কেইযাৰ আইতাৰ গাই যোৱাৰ দৰেই মই লিখি গ'লো -

(১) অ......অতি চেনেহৰে মুগাৰে মহুৰা...
অতি চেনেহৰে মাকো....
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।

(২) ম'হৰে গুৱালটিক উকিয়াই সুধি যাওঁ
ম'হৰ কিয়ে কিয়ে নাম
এজনী হাঁৰেয়ে এজনী পাৰেয়ে
এজনী নুমলী নাম
হাঁৰেয়ে খুজিলে টেমীকৈ কটাৰী
পাৰেয়ে খুজিলে ফণী
জাকৰ নুমলীয়ে খুজি পঠিয়াইছে এটোলা সোণৰে
মণি।

(৩) বেল আলি দুবৰি বনে ঐ লহৰী
বেল আলি দুবৰি বন
হাড়ক মাটি কৰি তেজক পানী কৰি
কালৈ তুমি ঘটিছা ধন
ধনে ধনে কৰি ধনকে ঘটিলা
দিহা লটি ঘটি হ'ল

ধনে থাকিল পৰি দেহা যাব মৰি
লগত যাব দুচলি খৰি।
(৪) চোমনি চোমনি পুলিকৈ চোমনি
জুৰিব নালাগে তল
হাতৰ কটা তামোল হাতত শুকালে
দিবলৈ নেপালো চল।
(৫) ঐৰে গছতে মৌৱে বাঁহ ললে
ককাই পাৰি দিয়া খাঁও
এটোলা সোণাৰে বিড়ি গঢ়াই দিয়া
বিহু মাৰিবলৈ যাওঁ
বিহুটি চৰাইয়ে কৰে বিহু বিহু
আমাৰ বিহু কাপোৰ নাই
সমনীয়াই সুধিলে কমে কিয়ে বুলি
সৰুতে মৰিলে আই।
(৬) নৈখন দেখিয়ে মোৰ পিয়াহ লাগিলে
তোমাক দেখি লাগিলে দয়া
সপোন সামাজিকত ফুৰো একেলগে
কোনজন ঈশ্বৰৰ মায়া।
(৭) ঈশ্বৰে দুখীয়া কৰিলে চেনাই ধন
খাইছো বাঁহৰ চুঙাত পানী
জগন্নাথৰ দোকানত আছে মাটি কলহ
আনিব নোৱাৰো কিনি
(৮) বিজুলী নহঁও মই চমকত চাবলৈ
নহঁও মই বোৰতী নৈ
চৰাইও নহঁও মই উৰি গৈ চাবলৈ
দুহাতে দুপাখি লৈ
(৯) চকুৰে পানীয়ে চিয়াঁহী কৰিলো
আঙুলি কৰিলো কলম
তোমালৈ এ বুলি চিঠিখনি লিখিলো
দিবলৈ নাপালো পিয়ন
(১০) চিঠি দিওঁ পিঠি দিওঁ কাগজত লিখি দিওঁ
চৰকাৰী পিয়নৰ হাতত
কাম কৰি থাকোতে মন কৰি থাকিবা
চিঠি যাব পিয়নৰ হাতত।
(১১) ভাৱনা আহিলে ভাত খাব নোৱাৰো
ডিঙিত লাগি লাগি ধৰে
চিন্তা আহিলে শুব মই নোৱাৰো
কাপোৰ খহি খহি পৰে।
(১২) ভাবৰ টোপনিয়ে কৰিলে জুৰুলা
আৰুবা কৰিব কি
তোমাৰে লগতে মই হৈছো জুৰুলা
সকলো বিসৰ্জ্জন দি।
(১৩) কলৈ যাঁও কি কৰো ক'ত সোমাই মৰোগৈ
কলৈ গ'লে পাহৰিম তোক
মিচিমি আহিব বৰে বিহ আনিব
তাকে খাই পাহৰিম তোক
(১৪) অ' ৰুণু-জুনু ঢোলৰ মাত নুশুনো
পেপাঁৰ মাত নুশুনো
শুনিলে তোমাৰ মাত ৰ'ব মই নোৱাৰো
চৰায়ে তুলিলে অ' ৰুণু-জুনু
চবুৰি পোৱালী অ' ৰুণু জুনু
গছৰ ডাল শুনি কৰি
আমাৰ আই-বোপায়ে আমাকো তুলিলে
লোকৰ ঘৰ শুৱনি কৰি।
(১৫) হেৰ' আইটি লচ্‌কচি ৰিহা ললি কেচ্ বাচি
দৰা ললি মন বাচি চোলা ললি ফুল বাচি
আকৌ নো কিহৰ দুখত কান্দ আইটি
জিলচী ঐ
কাষত ললি কলচী ঐ
যোৰহাট ঐ
বালিঘাট ঐ
কোবাই দে বগৰী জাপ জাপ ঐ।
(১৬) হাতো কোমল কোমল ভৰি কোমল
কোমল মুখৰ কোমল কোমল মাত
তোৰে কোমল মাতত ৰ'ব মই নোৱাৰো



এৰি যাঁও পেটৰে ভাত।
(১৭) ভাতৰে ভোকতে নমৰো মই দেহাজান
নমৰো মই পানীৰে পিয়াহ
তোমাৰে বেজাৰত নমৰো মই এ মানে
নমৰো মই আনৰে বেজাৰ।
(১৮) পাণতে পালো মই পাণৰে মকৰা
চূণতে পালো মই পোক
শোৱা বিচনাত পালো ধূলি মাটি
সেইদেখি এৰিলো তোক।
(১৯) নৈ চেঙেলীয়া গড়া ঐ দেহাজান নৈ
চেঙেলীয়া গড়া
তুমি চেঙেলীয়া মই চেঙেলীয়া
এৰিব নোৱাৰো দেহা।
(২০) ঐ পৰ্বতে পৰ্বতে বগাব পাৰো মই
লতা বগাবলৈ টান
হলীয়া হাতীকো বলাব পাৰো মই
তোমাক বলাবলৈ টান।
(২১) মাছে মাৰি মাৰি খালৈটি ভৰালো
আটাইবোৰ লালুকী বেং
নিজেও নেখাঁও মই লোকক ঐ নিদো মই
ধনলৈ সামৰি থং।
আইতাক সুধিছিলো তেওঁলোকে বিহু ক'ত
কেতিয়া নাচিছিল। তেওঁ কৈছিল স'ৰা গছৰ তলত, নৈৰ কিনাৰত বিহুৰ ন দিন আগৰ পৰা আবেলি আবেলি গাঁৱৰ গাভৰু জাক লগহৈ বিহু মাৰিছিল আৰু বিহুৰ দিনাৰ পৰা পিছৰ সাত দিন ৰাতি ৰাতি বিহু মাৰিছিলো। বিহু সামৰণি মাৰিবৰ দিনা সকলোৱে বৈছিকৈ ফুৰ্তি কৰিছিল আৰু গছৰ সৰাপাত বোৰকে উৰুৱাই উৰুৱাই বিহু উৰুৱাইছিল। এই গৰাকী শ্ৰদ্ধেয় আইতা ঢকুৱাখনা কাঠবৰাৰী গাঁৱৰ প্ৰয়াত পানীৰাম দুৱৰা আৰু প্ৰয়াত কেন্দুলী দুৱৰা আইৰ বৰ জীয়ৰী শ্ৰীযুক্তা তুলেশ্বৰী দুৱৰা আৰু প্ৰয়াত মাণিক চন্দ্ৰ গগৈদেৱৰ পত্নী। বৰ্তমান তেওঁৰ বয়স বিৰানব্বৈ বছৰ। আনৰ পৰা শুনি শুনিয়ে কীৰ্তনৰ পদ, ঘোষা সৰহখিনি গাব পাৰে। কেতিয়াবা পাহৰি যায় ভাবি ভাবি আকৌ গায়। নিয়মিত ভাৱে পুৱা-গধূলি প্ৰাৰ্থনা গায়। ওচৰতে থকা ৰাজস্থৰা নগৰ নামঘৰলৈও যায়। আমাৰ বাপটিসাহোন ফাটবিহু চাবলৈও এৰা নাই। উল্লেখ্য ওপৰৰ বিহুনাম কেইফাঁকি এঘন্টামান সময়ৰ বিতৰত একে বহাতে পোৱা।

শেষত ভগৱানৰ ওচৰত আইতাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি বিদায় লৈছিলো।

লেখিকাৰ ঠিকনা ঃ কাঠবৰাৰী, ঢকুৱাখনা

০০০০০

**ঃ জানোচা পাহৰো ঃ**

# এগৰাকী বিহুৱাঃ একুৰি বিহুনাম

প্ৰণামী বুঢ়াগোহাঞিঃ

মানুহজন দেখাত সাধাৰণ।

হৃষ্ট-পুষ্ট দেহ। ৱঙীয়াল মুখ। দেখিলে কোনেও নকয় আশীৰ উৰ্দ্ধৰ লোক বুলি। তেওঁ একেধাৰে কাঠমিস্ত্ৰী, বাঁহ-বেতৰ সুনিপুন কাৰুশিল্পী, ঢুলীয়া, নামতি আৰু নাচনি। গাঁৱৰ সাধু বাব অলংকিত কৰা আগৰে পৰাই তেওঁ কীৰ্ত্তন, ভাগৱত পাঠ কৰি যশস্যা অৰ্জন কৰিছিল। ঢকুৱাখনা জানৰ পাৰত অৱস্থিত গোহাঁই গাঁওৰ এটা সাধাৰণ ঘৰত তেওঁ বাস কৰে। নাতি-পুতিৰ সৈতে এখন ভৰা ঘৰ। তেওঁৰ নাম উমেশ্বৰ বৰগোঁহাই।

তেওঁৰ যাদুকৰী হাতৰ চাপৰ ঢোলত পৰিলে ঢোলে গৰজে। কলীয়া ডাৱৰত প্ৰতিধ্বনিত হয় ঢোলৰ চাপৰ। অপূৰ্ব কণ্ঠৰ গৰাকী তেওঁ। অজস্ৰ পুৰণি বিহুনাম তেওঁৰ কণ্ঠইদি প্ৰাণ পাই উঠে। অপূৰ্ব ভঙ্গী তেওঁৰ নাচোনৰ। গাঁৱৰ হুঁচৰি দলৰ তেওঁ যশস্বী বিহুৱা। হুঁচৰিৰ পদ দিয়াৰ পৰা আৰম্ভ কৰি জোঙলা, বিহুনাম গোৱা-নচা সকলোতে তেওঁৰ একক অনন্য।

যোৱা ২০১১চনতেই তেওঁৰ গোৱা কেইটামান বিহুনাম আৰু কনঘোষা বানীবদ্ধ কৰিছিলো। ষ্টুডিঅ'ত নহয়-ঘৰতে সাধাৰণ ৰেকৰ্ডাৰত। উপযুক্ত সংৰক্ষণৰ অভাৱত তাৰে কিছু অস্পষ্ট হৈছে, কিছু মচ খাই গ'ল। যিখিনি আছে বিহুৱলীয়া ৰাইজলৈ আগবঢ়াব খোজিছো। মই নিজে নাচ ভালপোৱা বিহুৱলীয়া ঢকুৱাখনীয়া গাভৰু। জন্ম মোৰ গুৱাহাটীত যদিও উত্তৰাধিকাৰী সূত্ৰে -গোঁহাই গাঁৱৰ জীয়াৰী। ফটিকিছ দুবাৰ মানহে ভালকৈ চোৱাৰ সৌভাগ্য হৈছে। ফটিকিছ নচাৰ সুবিধা আজিও নহ'ল। ভাৰতবৰ্ষৰ প্ৰায়বোৰ প্ৰধ নগৰত বিহুনচাৰ সৌভাগ্য মোৰ হৈছে। ঢকুৱাখনৰ প্ৰচলিত পুৰণি বিহুনামে মোক আকৰ্ষণ কৰে। তাৰে তাগিদাত উমেশ্বৰ বৰগোঁহাইৰ পৰা বাণীবদ্ধ কৰিছিলো এই বিহুনামসমূহ। তাৰে একুৰি -

১। লাফ মাৰি আনাগৈ পুলি তামোল থুকি
মৈদা দি আনাগৈ পাণ,
ভিতৰলৈ যোৱাগৈ শৰাইখনি আনাগৈ
ৰাইজক কৰাহি মান।

২। উজায়ে আহিলে কেএগয়ে পোৱালী
আলুগুটি ভাতত দি খায়,
অসমৰ দেশ পাই চিকা ৰূপ কমায়
দেশলৈ মনতে নাই।

৩। ডিবৰু ভেটিলে নলে বাই নাচনী
ডিবৰু ভেটিলে নলে,
শুদা তুলাচনীয়ে মালিহা মাৰিছে
নাচনীক চাবৰে মনে।

৪। ঢোলে কৰিলে খিনিকি খিনদাওঁ
মৃদঙে কৰিলে তাওঁ
তললৈ মুৰ কৰি ভাবিব নেলাগে
আমি ঘৰাঘৰি যাওঁ।

৫। হাতত মাৰি লৈ ঢুলীয়া ওলালে
নাচনী কেহৈলে গ'ল
নাচনীৰ মুৰতে কপৌফুল নাইকিয়া
কপৌফুল বিচাৰি গ'ল।

৬। কেনেকৈ ধৰিলে তোকে ঐ মণিৰাম
কেনেকৈ ধৰিলে তোক,
ইফালে যোৰহাট ইফালে গোলাঘাট
চিঠি লেখি ধৰিলে তোক।

৭। গুপুতে গুপুতে আনিলে মণিৰাম
গুপুতে গুপুতে মাৰি,
শলক চাহাবে টোকোলাই পাৰতে
গুপুতে গুপুতে দিলে ফাঁচি।

৮। মলা ধপাত বছৰত মলা ধপাত বছৰত
ভক্তি কৰে ঈশ্বৰক,
সেই কাৰণে নাম থলে
নাম ঘোষা কীৰ্ত্তনত।

৯। অ' সোণমনি ৰাতি দুপৰ ৰাতি
কেতেকীৰ বিননি
বসন্তৰ জাননী অসমৰ চৌপাশে
ঢোলৰ গিৰ গিৰজনি
নধৰে টোপনি
থাকো উজাগৰে।

১০। কহুঁৱা বননি লাঙি গদাপানি
নগা পাহাৰলৈ যাম মই কিজানি
নগা পাহাৰত গৈ ডালিমীক লগতলৈ
আদা-জলকীয়া আনিম মই কিজানি
তুমি ধুৰলৈ যাবা খেদা মাৰি
তেতিয়া কৈনো যাম অন্তৰৰ কাহিনী
লাইকে-লেচাইকে চাবা ঐ ডালিমী
লাইকে-লেচাইকে লবা ঐ সাৰটি
ঘূৰি নাহিম কিজানি।

১১। তিতাধানৰ খেৰৰে ছাই ঐ দেউতা
তিতাধানৰ খেৰৰে ছাই
তললৈ মুৰ কৰি ভাবিব নেলাগে
চিকাৰূপ এশটি দিয়া।

১২। কৰদৈ চকলা পাত সমনীয়া
কৰদৈ চকলা পাত,
আগত ঐ চাকিখন পাচত ঐ বটাটি
শৰাইলৈ নেমেলো হাত।

১৩। জামু ক'লা হলে খাবা ঐ সমনীয়া
কাপোৰ কলা হলে ধোবা,
আইয়ে বোপায়ে কৈ পঠিয়ালে
বিহুচাবলৈ যোৱা।

১৪। ঐ সমনীয়া সোৰণশিৰী নিজৰা
পাতি থৈছো ডিঙৰা,
সময় চাই লাগিব তাতে
বগা বগা শিঙৰা।

১৫। হাঁহে-বাটে বোলে লোদোৰে পোদোৰে
পাৰই বাটে বোলে বৈ
ডিবৰু জিলাতে বেহা-বেপাৰ কৰিমে
ছুবুৰি লিগিৰী লৈ।

১৬। আগবাৰী এৰাগছ কোনে কাটিনিলে
পাচবাৰী উৰুঙা কৰি
আমাৰে নাচনীক কোনে ধৰিনিলে
বিহুৰ খোলা মুকলি কৰি।

১৭। ভলুকা বাঁহৰে আথি মোৰ দেউতা
ভলুকা বাঁহৰে আথি
আমি ল'ৰা মানুহ ধেমালী কৰিছো
আমাকো ন'থব ৰাখি।

১৮। শিয়ালে কৰিলে হুৱা ঐ দেউতা
শিয়ালে কৰিলে হুৱা,
ঘৰতে টকা পইচা নাই যদি দেউতা
আমাৰ পৰা ধাৰলৈ লোৱা।

১৯। চৰাই চিৰিকটি সৰে কৰে ধেমালি
বহি লৈ গছৰে ডালত,
লগৰ সমনীয়াই বিহুটি পাতিছে
লগৰে লগৰীৰ লগত।

২০। খুটিতে পৰিলে জিএগ্র সমনীয়া
খুটিতে পৰিলে জিএগ্র
তললৈ মূৰ কৰি ভাবিব নেলাগে
চিকাৰূপ এশকে দিয়া।

*লেখিকাৰ ঠিকনা ঃ সমাজকৰ্ম বিভা[illegible]*
*সহকাৰী অধ্যাপিকা, ডাউন-টাউন বিশ্ববিদ্যাল[illegible]*
*পানীখাইটি, গুৱাহাটী*

০০০০০



# সোঁৱৰণিৰ জলঙাইদি ফাটবিহু

ডাঃ বিদ্যেশ্বৰ দলে

ইতিহাসৰ ছাঁ-পোহৰত চকামকাকৈ উদ্ভাসিত হাবুং নামৰ ভূখণ্ডটিৰ সেউজীয়া বুকু ভেদি একাঁবেকা বাটেৰে সৰ্পিল গতিৰে বৈ গৈছে চাৰিকড়ীয়া নৈ। আকাৰে আয়তনে বৰ বেছি ডাঙৰ নহ'লৈও এই পুৰণি নৈখনে হাবুঙৰ বিভিন্ন প্ৰান্তত বিভিন্ন সময়ত ঘটা ঘটনা পৰিঘটনাৰ বহুতো অকথিত কাহিনী বুকুত সামৰি লৈ নিৰৱচ্ছিন্ন গতিৰে বৈ আছে। সাম্প্ৰতিক সময়ত ধেমাজি আৰু লখিমপুৰ জিলাৰ অন্তৰ্গত অতীতৰ হাবুং প্ৰদেশৰ বিস্তীৰ্ণ ভূমিত যুগ যুগ ধৰি বসবাস কৰি থকা বিভিন্ন জন সমাজৰ জীৱন ধাৰা, কৃষ্টি-সংস্কৃতি, ৰাজ শক্তিৰ উত্থান-পতন, দেশী-বিদেশী শাসক প্ৰশাসকৰ শাসন প্ৰণালী বিধি ব্যৱস্থা আদিৰ জীৱন্ত সাক্ষী এই চাৰিকড়ীয়া নৈ। এই বিচিত্ৰ নৈ খনৰ পাৰতেই অৱস্থিত ঢকুৱাখনা নগৰ। সৰু বয়সতেই আৰ তাৰ মুখত ঢকুৱাখনা নামটো শুনিছিলো। কিন্তু দেখা নাছিলো। এদিন মোৰ ঢকুৱাখনা চোৱাৰ সৌভাগ্য আহিল। তেতিয়া আছিল ১৯৫৮ চন। জেঠ মাহ। মাজুলীৰ উজনি খণ্ডত অৱস্থিত আমাৰ গেজেৰা গাঁৱৰ সমুখেদি বৈ যোৱা খেৰকটীয়া সুঁতি নাৱেৰে পাৰ হৈ ঢকুৱাখনালৈ বুলি আমি আগবাঢ়িলো। খোজ কাঢ়ি গৈ দুপৰ বেলাত চাৰিকড়ীয়াৰ ঢকুৱাখনা ঘাট পালো। তেতিয়া চাৰিকড়ীয়াৰ ওপৰত দলং নাছিল। হাত নাওঁৰেই যাত্ৰী পাৰা পাৰ হৈছিল। বহুতো যাত্ৰীৰ সতে আমি ঘাট পাৰহৈ ঢকুৱাখনা চাৰিআলি উঠিলো। উত্তৰ, দক্ষিণ, এই ঢকুৱাখনা চাৰিআলি। চাৰিআলিটোৰ ইফালে সিফালে দোকান পোহৰ। চাহৰ হোটেল, কাপোৰ-কানিৰ দোকান, গেলামালৰ দোকান আদি। এটা চুকত ব্যস্ত হৈ আছে কঁহাৰ শাল এটা। শালত মালিকক দদাইদেউৱে চিনি পাই মাত লগালে। ডেকা উপাধিৰ মানুহজনে সময়ে সময়ে আমাৰ গাঁৱলৈ কাঁহৰ মাল, বাতি, বটা আদি বিক্ৰী কৰিবলৈ আহে। এনেতে বৰষুণ অহা দেখি হোটেল এখনত সোমাই জিৰণি লোৱাৰ চলেৰে চাহ খালো। অলপ পাছত চাৰি আলিতটোৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ দূৰত থকা সৰু দদাইদেউহঁত লগ কৰিবলৈ গ'লো। বয়-বস্তুবোৰ দি মেলি সেইদিনাই ঘৰলৈ উভতিলো। ইয়াৰ পিছত ঢকুৱাখনালৈ মোৰ যাব লগা হোৱাৰ নাছিল।

১৯৭৮ চন। প্ৰায় বিশ বছৰৰ পিছত ঢকুৱাখনাত ভৰি দিছো। ঢকুৱাখনা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য বিষয়া হিচাবে যোগদান কৰিলো। নতুন জীৱন যাত্ৰা। কামত ব্যস্ত হৈ পৰিছো। কেইদিনমানৰ পিছতেই মানুহৰ মুখে মুখে ফাটবিহুৰ কথা শুনিবলৈ ধৰিলো। আগতে দুই এবাৰ ফাটবিহুৰ নামটো শুনিছিলো যদিও ফাটবিহু সম্পৰ্কে মোৰ একো ধাৰণা নাছিল। মাত্ৰ ভবিছিলো- বিহু সন্মিলন। বহাগী মেলা জাতীয় কিবা এটা উৎসৱ হ'ব। এসপ্তাহৰ পিছত দেখিলো ফাটবিহু উদযাপন সমিতিয়ে গোহাৰি উলিয়াইছে। বহাগ মাহৰ শেষ সপ্তাহত ফাটবিহু অনুষ্ঠিত হ'ব। স্থান হ'ল ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ৰ খেল পথাৰ। খেলপথাখন অৱশ্যে গৱৰ্ণমেন্ট এম. ভি. স্কুল ফিল্ড বুলিহে জনাজাত। এম. ভি. স্কুলখন আমাৰ স্বাস্থ্যকেন্দ্ৰৰ গাতে

লাগি আছে। আৰু ফিল্ডখনো একেবাৰে সমুখত। গতিকে ফাটবিহু চাবলৈ অলপো অসুবিধা নহ'ব। এই বুলি মনতে ভাবি ল'লো। এনেতে ফাট বিহু উদ্‌যাপনৰ দিন আহি পালে। উদ্‌যাপন আৰম্ভ হ'বৰ আগদিনা নিৰ্দ্ধাৰিত স্থানত শেষ প্ৰস্তুতি চলিছে। সমিতিৰ সদস্যকলে কামত ব্যস্ত হৈ পৰিছে। খেলপথাৰখন সজাই পৰাই তুলিছে। মূল প্ৰৱেশ দ্বাৰত সজা হৈছে আদৰণী তোৰণ, ক্ষেত্ৰএখন পূব অংশত অস্থায়ী মঞ্চ আৰু বাকী অংশত গছৰ পৰা কাটি অনা ডাঙৰ ডাঙৰ ডালবোৰ থিয় অৱস্থাত পুতি দিয়া হৈছে। ঘন পাতেৰে ভৰা পুতি দিয়া ডালবোৰেৰে গঢ়ি তোলা হৈছে এখনি কৃত্ৰিম হাবি। এনে কৰাৰ উদ্দেশ্য হ'ল- এই ৰুই দিয়া গছবোৰৰ গুৰিতেই ফাটবিহুৰ দিনা বিহুদলবোৰে বিহু মাৰিব। বাইজে ওচৰৰ পৰা চাব। বুজিব পাৰিলো- মই ভৱাৰ দৰে সচৰাচৰ চলি থকা বিহু সন্মিলন বা বহাগী মেলা নহয়। সিবিলাকতকৈ কিছু বেলেগ। ইয়াৰ স্বকীয় বৈশিষ্ট্য আছে।

পিছদিনা অৰ্থাৎ ফাটবিহু উদ্‌যাপনৰ প্ৰথম দিনা পুৱা দেখিলো উদ্‌যাপন সমিতিৰ সদস্য সকল আয়োজনত ব্যস্ত। দুগৰাকী সদস্যই খেল পথাৰত ৰুই দিয়া গছবোৰত ক্ৰমিক নম্বৰ লগাইছে। এই ক্ৰমিক নম্বৰবোৰ চাই বিহুদলবোৰে নিজৰ নিজৰ স্থান ল'ব। সময় আগবাঢ়িল। বিহুদলবোৰ আহিবলৈ ধৰিল। লাহে লাহে বিহু তলিলৈ ৰাইজ আহি আছে। বিহুদলবোৰে সমিতিৰ লগত নাম লিখালে। নামবোৰ লিখি পঞ্জীয়ন কৰাৰ পাছত বিহু দলবোৰক একোটাকৈ নম্বৰ দিয়া হ'ল। এই নম্বৰবোৰৰ সতে গছত লগাই থোৱা নম্বৰবোৰ মিলাই বিহু দলবোৰে স্থান ল'ব আৰু তাতে বিহু মাৰিব। বিহুদলবোৰৰ যোগদান শেষ হোৱাৰ পাছত আহিল বিহু উদ্বোধন কাৰ্যসূচী। উদ্‌যাপন সমিতিয়ে বিশেষভাৱে নিমন্ত্ৰণ কৰি অনা উদ্বোধক ডাঙৰীয়াই মাইকত দুআষাৰ কৈ বিহু উদ্বোধন কৰিলে। বিহুদলবোৰে নিজৰ নিজৰ নম্বৰ চাই খেলপথাৰত ৰুই থোৱা গছবোৰৰ নম্বৰ মতে মিলাই মিলাই অৱস্থান গ্ৰহণ কৰিলে। লগে লগে বিহু আৰম্ভ কৰিলে। ঢোল, তাল, টকা, পেপাঁ, গগনাৰ শব্দ আৰু সুৰ লহৰত বিহু তলি ৰজন জনাই উঠিল। বিহু নাম, বিহু গীত, সুৰ ছন্দত চৌদিশ মুখৰিত হ'ল। সমবেত ৰাইজে ঘেৰি ঘেৰি বিহু চাইছে। এটা দলৰ বিহু কিছু সময় চাই সিটো দলৰ বিহু চাইছে। এক ওখল মাখল পৰিবেশত পূৰ্ণ গতিৰে বিহু চলিব ধৰিলে। এনেকৈ বিহু চলি থাকোতেই উদ্‌যাপন সমিতিয়ে ইতিমধ্যে নিয়োগ কৰি থোৱা বিচাৰক মণ্ডলীয়ে বিহু দলবোৰৰ ওচৰলৈ গৈ বিহু নৃত্য নিৰীক্ষণ কৰিছে। সকলো দিশ চাইমেলি বিচাৰ বিবেচনা কৰি নম্বৰ দিছে। বিচাৰক মণ্ডলীৰ প্ৰতিগৰাকী সদস্যই প্ৰতিটো বিহুদলৰ ওচৰলৈ একাধিকবাৰ গৈছে আৰু নম্বৰ দিছে।

এনেকৈ দিয়া নম্বৰবোৰ যোগ কৰি বিহু প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। খেল পথাৰৰ মাজত ৰোৱা গছবোৰৰ গুৰিত প্ৰায় দুপৰ বেলাৰ পৰা আৰম্ভ হোৱা বিহু গধুলি পৰত শেষ হ'ল। নিৰ্দ্ধাৰিত সূচীমতেই বিহু আৰম্ভ হ'ল। হুঁচৰি বিহু দ্বিতীয় দিনৰ মূল কাৰ্য্যসূচী। ঢকুৱাখনাৰ অঞ্চলৰ বিভিন্ন গাঁৱৰ পৰা হুঁচৰি দল আহিছে। প্ৰথম দিনাখনৰ দৰেই ৰাইজ আহিছে। বিহুতলি মানুহেৰে ভৰি পৰিল। দুপৰীয়াৰ অলপ পৰ পিছত হুঁচৰি বিহু আৰম্ভ হ'ল। এইবাৰ দ্বিতীয় দিনাৰ প্ৰথম কাৰ্যসূচী আছিল ফাটবিহুৰ স্মৃতিগ্ৰন্থ 'বিহুৱান' উন্মোচন। যথা সময়ত স্থানীয় সংস্কৃতিৱান ব্যক্তি এগৰাকীৰ হতুৱাই বিহুৱান উন্মোচন কৰা হ'ল। ইয়াৰ পিছতেই হুঁচৰি আৰু বিহু প্ৰতিযোগিতাৰ কাৰ্যসূচীলৈ আগবাঢ়িল। কিন্তু গছৰ গুৰিৰ পৰিৰ্তে বিহু গোৱা অনুষ্ঠিত হৈছে মঞ্চৰ ওপৰত। বিহু দলবোৰে পৰম্পৰাগত নিয়ম নীতিৰে হুঁচৰি গোৱাৰ লগতে ঢোল-তাল, পেপাঁ-গগনা, বিহুনাম, বিহু গীতেৰে নাচ নৃত্য কৰি বিহু প্ৰদৰ্শন কৰিলে। প্ৰায় পঁচিছটা দলে যোগদান কৰিছিল বিহু মৰা শেষ হ'লত উদ্‌যাপন সমিতিৰ সভাপতিয়ে সদৌটি ৰাইজক ধন্যবাদ জনালো। দুজনমানে বিহু নাম গালে। ইতিমধ্যে হুঁচৰি আৰু বিহু প্ৰতিযোগিতাৰ ফলাফল প্ৰস্তুত কৰা হ'ল। সমিতিৰ সম্পাদকে ফলাফল ঘোষণা কৰিলে। লগে লগে বঁটা বিতৰণী অনুষ্ঠান আৰম্ভ কৰিলে। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰা দল তিনিটাক সভাপতিয়ে বঁটা প্ৰদান কৰিলে। বিহুদলৰ দলপতিকিজনে বঁটা গ্ৰহণ কৰিলে। সভাপতিয়ে পুনৰ বাৰ ৰাইজক কৃতজ্ঞতা জনাই সভাৰ কাৰ্যসূচী সামৰণি ঘোষণা কৰিলে। সকলোৰে সন্তোষ মনেৰে ঘৰাঘৰি হ'ল। এইবাৰলৈ ফাটবিহু ইমানতে অন্ত পৰিল। জীৱনত প্ৰথমবাৰৰ বাবে ফাটবিহু চাই মই অতি নন্দিত হ'লো। এটা নতুন অভিজ্ঞতা লাভ কৰিলো। উপলব্ধি কৰিলো অসমৰ বিহু সংস্কৃতিৰ বৰ্ণিল জগতখনত "ঢকুৱাখনাৰ ফাটবিহু" এক অনন্য উপাদান।

১৯৭৮ চনৰ পৰা ১৯৮৮ চনলৈ প্ৰায় দহ বছৰ কাল মই ঢকুৱাখনাত আছিলো। এই নাতিদীৰ্ঘ সময়ছোৱাত ঢকুৱাখনাৰ সাংস্কৃতিক জগতখনৰ সতে জড়িত হৈ পৰিছিলো। দেখিছিলো প্ৰতিবছৰেই ঢকুৱাখনাত মহাপয়োভৰেৰে ফাটবিহু পতা হয়। ফাট বিহুৰ প্ৰতি ঢকুৱাখনাবাসী ৰাইজৰ বিপুল আগ্ৰহ দেখি মই বিস্ময় মানিছিলো। ফাটবিহু তেওঁলোকৰ কাৰণে ইয়াৰ আমঠু, কলিজাৰ এফাল।" হ'বৰেই কথা যিহেতু ফাটবিহু ঢকুৱাখনাৰ আচুতীয়া সম্পত্তি। অসমৰ অন্য কোনো ঠাইত নাই। সেয়াই চ'ত বহাগ মাহ অহাৰ লগে লগেই ইয়াৰ মানুহৰ মুখে মুখে উচ্চাৰিত হয় ফাট বিহুৰ কথা। ইজনে সিজনক সুধে- এইবাৰ ফাট বিহু কেতিয়া? এইবাৰৰ আয়োজন কেনে চলিছে? ফাটবিহুৰ প্ৰতি আছে সকলোৰে সুহৃদয়তা, আন্তৰিকতা। অন্য একে নহ'লেও আছে এক আবেগিক সম্পৰ্ক। কালক্ৰমত ফাটবিহুৰ সঁতে মোৰো তেনে সম্পৰ্কই গঢ় লৈ উঠিছিল। সেয়াই পিছলৈ ফাট বিহু উদ্‌যাপনৰ বিভিন্ন কামত অংশ লৈছিলো। উদ্‌যাপন সমিতিৰ সদস্য হোৱাৰ উপৰিও এবাৰ ফাটবিহুৰ স্মৃতিগ্ৰন্থ 'বিহুৱান'ৰ সম্পাদক হৈছিলো। তেতিয়া আছিল ১৯৮১ চন। সেই বছৰৰ বিহুৱানৰ বেটুপাতৰ ছবিটো আঁকিছিল সেই সময়ৰ উদীয়মান চিত্ৰশিল্পী ইন্দিবৰ বুঢ়াগোহাঁঞিয়ে। সম্পাদনা সমিতিয়ে দিয়া পৰামৰ্শ মতে জাতি-গোষ্ঠীৰ সমন্বয় সম্প্ৰীতিৰ বাৰ্তাবাহক ছবি এখন আঁকিবলৈ ক'লো। তেওঁ মোৰ ওচৰত প্ৰস্তাৱ দাঙি ধৰিলে, "গামোছা আৰু ৰিঃবি গাছেঙ'ৰ নক্সা (Design) মিলাই ছবিখন আঁকিলে কেনে হয়?" কথাটো মোৰো পছন্দ হ'ল। সেইমতে তেওঁক আঁকিবলৈ ক'লো। পিছদিনাখনেই ইন্দিবৰ বুঢ়াগোহাঁঞিয়ে ছবিটো আঁকি মোক দিলে। এটা গামোচা আৰু ৰিঃবি গাচীত্ সংযোগ কৰি অকাঁ এখন তাৎপৰ্যপূৰ্ণ ছবি। সেইবাৰৰ বিহুৱানৰ বেটুপাতত সেই ছবিকেই দিয়া হ'ল। ৰাইজে ইয়াৰ অন্তৰ্নিহিত ভাৱটো শলাগিলে। ইয়াৰ পিছত আৰু এবাৰ আৰু এবাৰ ফাটবিহু উদ্‌যাপনৰ বিশেষ দায়িত্ব ল'বলগা হ'ল। তেতিয়া আছিল ১৯৮৫ চন। সেই বছৰৰ ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ দায়িত্ব মোকেই অৰ্পণ কৰিলে। মোতকৈ উপযুক্ত মানুহ বহুত আছিল। কিন্তু মোৰ ওপৰত আস্থাৰাখি দায়িত্ব দিছে বুলি ভাবি লৈ কামত আগবাঢ়িলো। উদ্‌যাপন সমিতিৰ সদস্যসকলৰ নিষ্ঠা আৰু আন্তৰিকতাই মোক কাম কৰাত প্ৰভূত প্ৰেৰণা যোগাইছিল। ৰাইজৰ সহায়ত সহযোগত সেইবাৰো সুকলমে সফলতাৰে ফাটবিহু অনুষ্ঠিত হৈছিল। ঢকুৱাখনাত থকা সময়ছোৱাত ফাটবিহুকে ধৰি আন সামাজিক ও সাহিত্য-সংস্কৃতিক ক্ষেত্ৰত কাম কৰোতে সততে লগ পোৱা ব্যক্তি সকল আছিল-জগদীশ গগৈ, পিতাম্বৰ গগৈ, শিৱপ্ৰসাদ গগৈ, কৰুণা কলিতা, ছবিলাল জৈন, কুশল গগৈ, দুৰ্গা সূত, ঘন কোঁছ, বিদ্যা দত্ত, গোলোক গগৈ, নন্দ চুতীয়া, গোবিন্দ দত্ত, চাৰু চুতীয়া, চেনিৰাম বৰুৱা, হেমচন্দ্ৰ গগৈ, লোহিত চুতীয়া, যোগেশ বৰুৱা, বিষ্ণু বৰবৰা আদি। এই সকলৰ উপৰিও বহুতো বয়োজ্যেষ্ঠ লোকৰ দিহা-পৰামৰ্শ আৰু যুৱক-যুৱতীসকলৰ কৰ্ম উদ্যমে কামবোৰ কৰাত সহায়ক হৈছিল। স্মৃতব্য যে, মই ঢকুৱাখনাত থকা সময়ছোৱা

আছিল অসম আন্দোলনৰ ভৰপক সময়। আন্দোলন সংক্ৰান্তীয় ঘটনাই সৃষ্টি কৰা বহুতো জটিল পৰিস্থিতিৰ মাজতো ৰাইজৰ সহায়ত কাম কাজবোৰ সুকলমে কৰি যাব পৰা হৈছিল। সেইবোৰ কথা আজিও মোৰ বাবে মিঠা সোঁৱৰণিৰ জীৱন্ত ছবি। অৱশেষত চাকৰিৰ স্থান বদলি হোৱাত ১৯৮৮ চনৰ আগভাগতেই ঢকুৱাখনাৰ পৰা মই জোনাইলৈ গুচি আহিলো। ইয়াৰ পাছত আন ঠাইলৈ যাওঁতে ঢকুৱাখনা চাৰিআলি পাৰ হৈ গৈছো যদিও ঢকুৱাখনাত থকাকৈ অহা নাই। তেনেকৈ বহুদিন পাৰ হৈ গ'ল। এনেতে ঢকুৱাখনালৈ যাবলৈ এটা সুযোগ আহি পৰিল। ২০১০ চনত ফাটবিহু স্থায়ী কমিটিৰ সাধাৰণ সম্পাদক লালিত্য দাসৰ পৰা এদিন ফোন আহিল। তেওঁ ক'লে যে ফাটবিহুৰ স্মৰণিকা 'বিহুৱান'ৰ উন্মোচক হিচাবে মোৰ নাম প্ৰস্তাৱ কৰা হৈছে। সেয়ে সম্মতি দিব লাগে। তপৰাই সম্মতি দিলো। নিদিয়াৰ প্ৰশ্নই নাহে। যথাসময়ত নিমন্ত্ৰণী পত্ৰ পালো। সেই মৰ্মে ৮মে'২০১০ চন তাৰিখে ঢকুৱাখনালৈ ওলালো। প্ৰায় বাইশ বছৰৰ পিছত বিশেষ এটা কাম লৈ ঢকুৱাখনালৈ ওলাইছো। মনত শিহৰণ অনুভৱ কৰিলো। মোৰ প্ৰিয়তম স্থান ঢকুৱাখনা তাতে উপলক্ষ হ'ল ফাটিবিহু। পুলকিত মনেৰে যথাসময়ত ঢকুৱাখনা পালোগৈ। উপস্থিতি হ'লো ফাটবিহুৰ তলিত। উদ্‌যাপন সমিতিৰ সদস্যসকলে আথে-বেথে আদৰিলে। এৰি অহা দিনৰ স্মৃতিবোৰে মন ভৰি পৰিল। আৱেগত চকু সেমেকি উঠিছিল। বিহু তলিত থিয় হৈ ইফালে সিফালে চালো। দেখিলো ভালেখিনি পৰিৱৰ্তন। উত্তৰ মুখী পৰিৱৰ্তন। প্ৰথমেই চকুত পৰিল ফাট বিহু উদ্‌যাপনৰ স্থান সলনি হৈছে। আগৰ সেই ঢকুৱাখনা মজলীয়া বিদ্যালয় খেলপথাৰৰ সলনিএতিয়া তাৰ পৰা অলপ ভাটিফালে চাৰিকড়ীয়া নৈৰ পাৰৰ ম'হঘূলি চাপৰিৰ কাযত পতা হৈছে বিহুতলি। তাতেই সজা হৈছে স্থায়ী মঞ্চ। আগৰ দৰে গছৰ ডাল কাটি কৃত্ৰিম গছ তৈয়াৰ কৰাৰ সলনি এতিয়া যথাস্থানতেই গজি থকা প্ৰকৃত গছৰ তলত বিহুদলবোৰে বিহু মাৰিছে। উদ্‌যাপন সমিতিৰ সকলোকিগৰাকী সদস্য-সদস্যাই পৰম্পৰাগত সাজপাৰ পিন্ধি শৃঙ্খলাবদ্ধভাৱে কাৰ্য পৰিচালনা কৰিছে। পৰম্পৰাগত খাদ্যসম্ভাৰেৰে অতিথিসকলক আপ্যায়ন কৰিছে। এনে মনপৰশা বেহৰূপবোৰে মনটোক অতিভূত কৰিছে। অতিথি আদৰণীকক্ষত চাহ জলপান খাই জিৰণি লোৱাৰ পাছত মোৰ ভাগৰ কাৰ্যসূচী "বিহুৱান" উন্মোচন কৰিবলৈ আগবাঢ়িলো। মঞ্চত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশ বিৰাজ কৰিছে। মঞ্চৰ মাজত মই অৱস্থান ল'লো। কাষত "বিহুৱান"ৰ সম্পাদক কবি-সাহিত্যিক শিৱপ্ৰসাদ গগৈ আৰু প্ৰকাশযক ধৰণীধৰ হাজৰিকা। সমুখত উৎসাহী অনুৰাগী ৰাইজ। উদ্‌যাপন সমিতিৰ ফালৰ পৰা আমাক আদৰণি জনালে। মনটো শ্ৰদ্ধা আৰু কৃতজ্ঞতা দোঁ খাই গ'ল। ইমানখিনি সন্মান আৰু আদৰ পাবলৈ মই কিজানি যোগ্য নহওঁ। তথাপি মৰম ভৰা আদৰক নেওচিব নাপায় বুলি কোৱা কথাষাৰক মানি লৈ সকলোবোৰ গ্ৰহণ কৰিলোঁছ এনেতে 'বিহুৱান'ৰ টোপোলাটো মোলৈ আগবঢ়ালে। টোপোলাটোৰ আৱৰণ খুলি "বিহুৱান" পুথি ৰাইজৰ আগত তুলি ধৰিলো। ৰাইজে হাত চাপৰি বজাই অভিবাদন জনালে। একবিংশ সংখ্যক বিহুৱান,২০১০ বৰ্ষ উন্মোচিত হ'ল। এখন সুন্দৰ আলোচনী। অৰ্থপূৰ্ণ তাৎপৰ্যপূৰ্ণ ৰঙীন বেটুপাতেৰে আকৰ্ষণীয় স্মৃতিগ্ৰন্থ। য'ত সন্নিবিষ্ট আছে তথ্যসমৃদ্ধ বিশ্লেষণাত্মক লিখনি অভিজ্ঞ লেখক লেখিকাৰ মনোৰম ৰচনা প্ৰবন্ধ পুৰণি আৰু নতুন কবিকুলৰ ভাল ভাল কবিতা। অভিজ্ঞ সম্পাদকৰ হাতৰ পৰসত সৃষ্টি হ'ল এখনি সবাংৰ্গসুন্দৰ স্মৃতিগ্ৰন্থ-যিয়ে ফাটবিহু তথা ঢকুৱাখনাৰ স্মৃতি যুগ যুগ ধৰি বহন কৰি থাকিব। এনে এখন গ্ৰন্থ উন্মোচন কৰিবলৈ পাই নিজকে ধন্য মানিলো। বিহুৱানখন উন্মোচন কৰাৰ পাছত নিয়ম মানি দুআষাৰ ক'বলৈ আগবাঢ়িলো। সুদীৰ্ঘ সয়মৰ বিৰতিৰ পিছত এটা বিশেষ উপলক্ষ্যত ঢকুৱাখনাবাসী ৰাইজৰ সমুখত থিয় দি মনটো কেনেবা কেনেবা লাগিছিল। বহুতো কথা ক'বলৈ মন আছিল যদিও ক'ব পৰা নগ'ল। কিবা এটাই যেন আগচি আগচি ধৰিছিল। সেয়ে কথাখিনি সংক্ষেপে কৈ মোৰ ভাষণ সামৰিলো। স্মৃতিগ্ৰন্থ উন্মোচন অনুষ্ঠান শেষ হোৱাৰ পাছত আগৰ লগ-বন্ধুসকলৰ সতে অন্তৰংগভাৱে কিছু কথা পাতিলো। বহুদিনৰ পিছত তেওঁলোকক লগ পাই খুউব ভাল লাগিছিল। আবেলি পৰত ৰাইজৰ পৰা বিদায় লৈ ঢকুৱাখনা এৰি গুচি আহিলোঁ। এৰি আহিলোঁ হিয়াভৰা প্ৰীতি আৰু কৃতজ্ঞতা।

কথাতে কয়- দিন যায়, কথা থাকে স্মৃতিৰ বুকুত। বহুদিনৰ আগতে ঢকুৱাখনাত আছিলো। চৰকাৰী চাকৰি কৰাৰ লগতে অন্যান্য কামো কৰিছিলো। অলপ অলপকৈ হ'লেও ঢকুৱাখনাৰ সাহিত্য-সংস্কৃতি, তথা সামাজিক কাম বিলাকত জড়িত হৈ কিছু জ্ঞান অভিজ্ঞতা লাভ কৰিছিলোঁ। তাৰ প্ৰতিবেদনত ঢকুৱাখনাক মই বিশেষ একোৱেই দিব নোৱাৰিলো। যি কি নহওঁক ঢকুৱাখনাৰ ৰাইজৰ প্ৰতি আছে অসীম শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা। ঢকুৱাখনাত থকা সময়খিনিয়েই হৈছে মোৰ চাকৰি জীৱনৰ মধুৰতম সময়। সেয়াই মোৰ স্মৃতিৰ পটত ঢকুৱাখনাই সজীৱ হৈ সদায়েই জিলিকি থাকে। মোৰ মন-মস্তিকত, চিন্তা-চেতনাত ঢকুৱাখনাৰ নামটো সদায়েই প্ৰেৰণাৰ উৎস হৈ থাকিব। আমি সকলোৱেই জানো ঢকুৱাখনা এখনি প্ৰাচীন ঐতিহ্যপূৰ্ণ ঠাই। শিক্ষিত ভদ্ৰলোকৰ ঠাই। ফাটবিহু ঢকুৱাখনাৰ আচুতীয়া আপুৰুগীয়া সম্পদ। অসমৰ সাংস্কৃতিক জগতত ই একক আৰু অনন্য। হয়তো সম্প্ৰতি ঢকুৱাখনাৰ পৰিধি পাৰ হৈ ফাটবিহুৱে অসমৰ আন ঠাইতো জনপ্ৰিয় হ'ব ধৰিছে। এইটো আমাৰ বাবে গৌৰৱৰ কথা। আশাকৰো ফাট বিহুৱে সদায়েই নিজৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি নতুন দিনৰ নতুন বাটেদি আগুৱাই গৈ থাকিব। ইয়াৰ ঐতিহ্যৰ বৰ্ণিল ৰূপযেন কেতিয়াও ম্লান নহয় তাকেই কামনা কৰো।

*লেখকৰ ঠিকনা ঃ জোনাই নিবাসী এগৰাকী বিশিষ্ট চিকিৎসক,*
*আৰু ফাটবিহুৰ এসময়ৰ উদ্যোক্তা*



ooooo

# "চৰ-চাপৰি বিহুদল'ৰ জন্মকথা আৰু ফাটবিহুৰ অভিজ্ঞতা

ইছমাইল হোছেইন

(এক)

১৯৯৯ চনৰ ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে শিৱপ্ৰসাদ গগৈ আৰু কৃষ্ণ দত্ত। এই দুগৰাকী উদ্যোক্তাৰ আমন্ত্ৰণক্ৰমে মই ১৯৯৯ চনৰ ফাটবিহু মুখপত্ৰ 'বিহুৱান' উন্মোচন কৰাৰ সুযোগ পাইছিলোঁ। সেয়াই আছিল মোৰ যাত্ৰা, ফাটবিহুৰ যাত্ৰা, জীৱনত প্ৰথমবাৰৰ বাবে ধুতী (চুৰিয়া) পিন্ধাৰ অভিজ্ঞতা, ফাটবিহুতলীত বিভিন্ন জনগোষ্ঠীৰ বিহুৱা-বিহুৱতীৰ সৈতে উমলি-জামলি ফুৰাৰ বিৰল অভিজ্ঞতা। সেই প্ৰথমবাৰতেই ঢকুৱাখনাবাসীয়ে মোক আপোন কৰি লৈছিল, ময়ো হৈ পৰিছিলোঁ ঢকুৱাখনাৰে এজন। সেই সময়ত মোৰ বয়স আছিল ৩৪ বছৰ।

১৯৯৯ চনৰ পৰা ২০১৪ চনলৈ- এই যোল্লটা বছৰত মই ২০০৫ চনৰ বাহিৰে প্ৰতিবাৰেই ফাটবিহুলৈ যোৱাৰ অভিজ্ঞতা হৈছে। ২০০৫ চনত বৰাক উপত্যকাৰ অসমীয়া ৰাজবংশী গাঁও জাপিৰবনৰ বিহুত ব্যস্ত আছিলোঁ। সেইবাৰৰ বাদে প্ৰতিবাৰেই ফাটবিহুৰ পৰা পাই আহিছোঁ নন সমল। ২০০০ চনত শিৱপ্ৰসাদ গগৈৰ সৈতে যুটীয়াভাৱে সম্পাদনা কৰিছিলোঁ 'ঢকুৱাখনাৰ ফাটবিহু' নামৰ এখন গ্ৰন্থ। ২০০২ চনত ৰচনা কৰিছিলোঁ 'ফাটবিহু ইতিহাস আৰু ঐতিহ্য' নামৰ আন এখন গ্ৰন্থ।

২০০৩ চনত ফাটবিহুৰ ভিডিঅ' ৰেকডিং কৰি গুৱাহাটী দূৰদৰ্শনত প্ৰচাৰ কৰাৰ উপৰি এটি তথ্যচিত্ৰ নিৰ্মাণ কৰি প্ৰথমে অসমত, তাৰ পিছত ইংৰাজী ভাষাত ডাবিং কৰি বিশ্বজুৰি প্ৰচাৰ কৰাৰ পৰিকল্পনা কৰিছিলোঁ। কিবা এটা কাৰণত সেই কামটি স্থগিত ৰাখিলোঁ। ২০০৮ চনত লণ্ডনলৈ যাওঁতে কেইবাগৰাকী প্ৰবাসী অসমীয়াই ফাটবিহুৰ ঐতিহ্যৰ কথা জানি লণ্ডনৰ বি বি চিৰ সৈতে যোগাযোগ কৰি আন্তৰ্জাতিক প্ৰচাৰৰ কামত আগবাঢ়িবলৈ অনুৰোধ কৰিছিল; কিন্তু ২০০৩ চনত দুগৰাকী ছদ্মবেশী লোকে এখন কাকতত আমাৰ বিৰুদ্ধে চিঠি লিখাৰ কথা মনত পৰাত ফাটবিহু সম্পৰ্কে অধিক আগনাবাঢ়িলোঁ।

২০০৩ চনৰ পৰা ফাটবিহু সম্পৰ্কীয় স্থায়ী পৰিকল্পনা নকৰিলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অনেক লোকক ফাটবিহুলৈ আকৰ্ষিত কৰিছিলোঁ। ২০০২ চনত ফাটবিহুৰ সৈতে জড়িত কেইবাগৰাকী বিহুৱা-বিহুৱতীক লৈ মই গঢ়ি তোলা 'ব্ৰহ্মপুত্ৰ বিহুদল'ৰ উদ্যোগত ত্ৰিপুৰা চৰকাৰৰ আমন্ত্ৰণক্ৰমে আগৰতলাত দহদিনীয়া প্ৰশিক্ষণেৰে অনা-অসমীয়া বিহুদল এটিও গঢ়ি থৈ আহিছিলোঁ। সেই ত্ৰিপুৰীসকলেও আমাৰ পৰা শিকিছিল ঢকুৱাখনা ফাটবিহুত আমি শুনি-শিকি অহা বিহুনাম -

'ম'ইঘূলি চাপৰি আবেলি ঐ আবেলি
ধানে নিবাইছিলা চাপৰি ঐ চাপৰি...' ইত্যাদি।



ত্ৰিপুৰাৰ বিভিন্ন ঠাইত বিহু মাৰোঁতে ত্ৰিপুৰী, চকমা, বৰ্মন, বঙালী, ৰাংখাল আদি জনগোষ্ঠীৰ হৃদয়ো বিহুনামে চুই যোৱাত আমি গৰ্ববোধ কৰিছিলোঁ। তেওঁলোকেও দুই-এটা বিহুনাম বাংলা ভাষালৈ অনুবাদ কৰি গাইছিল -

"হাওৰা নদী ছাৰিতে পাৰি আমি লাহৰী
তিস্তা নদী ছাৰিতে পাৰি;
তোমাকে ছাৰিতে নাহি পাৰি লাহৰী
নাখেয়েও থাকিতে পাৰি।"

যিয়েই নহওঁক, বিহুনাম আৰু বিহুনাচে ত্ৰিপুৰাতো সমাদৰ পোৱাত অনুভৱ কৰিছিলোঁ ফাটবিহুৰ বিহুনামৰ যাদুকৰী শক্তিৰ কথা। আমি চৰ-চাপৰিৰ ইছলামধৰ্মীয় সমাজ-জীৱনৰ সৈতে জড়িত বাবে মাজে সময়ে চৰ-চাপৰিৰ বিহুকেন্দ্ৰিক অনুষ্ঠানতো সেইবোৰ বিহুনাম আৰু বিহুনাচ পৰিৱেশন কৰি আহিছোঁ।

বিশেষকৈ ১৯৮৫ চনৰ পৰা অনুষ্ঠিত কৰি অহা কামৰূপ জিলাৰ সোণতলী চৰ আঞ্চলিক বিহু সন্মিলনৰ মঞ্চত ২০০২ চনৰে পৰা অংশগ্ৰহণ কৰি বিহুনাম আৰু বিহুনাচক আদৰ্শ হিচাপে তুলি ধৰিছিলোঁ। সেই সময়ত বহুতেই সুধিছিল- 'ফাটবিহু কি?' আমি বিহুনাম আৰু নাচেৰে তাৰ উত্তৰ দিছিলোঁ। তেতিয়ালৈকে সোণতলীত স্থায়ী আৰু আদৰ্শ বিহুদল নাছিল যদিও সাময়িক প্ৰশিক্ষণেৰে এদল ডেকা-গাভৰুক নচুৱাইছিলোঁ। ২০১০ চনত সোণতলীৰ বিহু সন্মিলনে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়াত সেইবাৰ চলিব পৰাকৈ এটি বিহুদল গঢ়ি তোলা হৈছিল। সেইবাৰৰ বিহুত অতিথিসকলৰ মাজৰ এগৰাকী অতিথি আছিল গোগামুখৰ পূৰ্ণ কুমাৰ চিন্তে। এন ই টিভিয়ে প্ৰচাৰ কৰা সোণতলী বিহুৰ মুকলি সভাত ভাষণ দিওঁতে অতিথি চিন্তেই বিহু সন্মিলনৰ কৰ্মকৰ্তা আৰু আমাক সমালোচনাৰে থকা-সৰকা কৰি কৈছিল- 'ইছমাইল হোছেইনে ফাটবিহুলৈ গৈ ধুতী পিন্ধি আনকো পিন্ধাব পাৰে; কিন্তু সোণতলীৰ চৰ আঞ্চলিক বিহু সন্মিলনৰ কৰ্মকৰ্তাক পিন্ধাব নোৱাৰে কিয়?' চিন্তেৰ সেই ভাষ্য অসমৰ বাইজে এন ই টিভিৰ প্ৰচাৰৰ মাজেৰে শুনি আমাক অনেক প্ৰশ্ন সুধিছিল। চিন্তে ডাঙৰীয়াই তাতেই ক্ষান্ত নাথাকি 'আমাৰ অসম' কাকতৰ ৩০ মে',২০১০ সংখ্যাত লিখিছিল- "এইবাৰ বিশিষ্ট লেখক, বিহু গৱেষক ইছমাইল হোছেইনৰ আমন্ত্ৰণক্ৰমে সোণতলীৰ ৰূপালী জয়ন্তী বৰ্ষ গৰকা বিহুলৈ গৈছিলোঁ। ইছমাইল হোছেইনে অসমৰ চুকে-কোণে বিভিন্ন বিহুমঞ্চত উপযুক্তভাৱে যুক্তি দাঙি ধৰি বিহু অনুষ্ঠিত কৰাৰ সৎ দিহা-পৰামৰ্শ দি আহিছে। সোণতলী বিহুৰ গুৰিধৰোঁতা, মুখ্য পৰামৰ্শদাতা হিচাপে তেওঁক উদ্যোক্তাসকলে যথেষ্ট সন্মান যাচিছে। কিন্তু পৰিতাপৰ কথা যে তেওঁৰ সৎ দিহা-পৰামৰ্শৰে অনুষ্ঠিত ৰূপালী জয়ন্তীবৰ্ষ গৰকা সোণতলী বিহুৰ দুৰৱস্থা দেখি আমি হতবাক হ'লোঁ। বিহুৰ কোনো নান্দনিক ৰূপ নাই, বিহুমঞ্চত প্ৰাকৃতিক পৰিৱেশৰ অকণো নাম-গোন্ধেই নাই; বৰঞ্চ বিহুমঞ্চও টেণ্ট হাউছৰ জিক্‌মিকিয়া কাপোৰেৰে ইছলামধৰ্মীয় প্ৰতীক চিহ্নৰে সজোৱা হৈছে।"

এনে ধৰণৰ চিঠি-পত্ৰ আৰু বিৰ্তকই সোণতলী অঞ্চলৰ চৰ-চাপৰিবাসী ৰাইজৰ মনত আঘাত দিয়াৰ উপৰিও মোকো ব্যক্তিগতভাৱে কোবাই গৈছিল। মনে মনে ভাবি আছিলোঁ, ফাটবিহুৰ অনুকৰণেৰে সঁচাকৈয়ে যদি এটি বিহুদল সোণতলীত গঢ়ি তুলিব পাৰোঁ আৰু চুৰিয়া-চোলা পিন্ধা এদল উদ্যোক্তা, বিহুৱা আৰু মুগাৰ ৰিহা-মেখেলা পৰিহিত এদল নাচনীৰ জন্ম দিব পাৰোঁ, তেন্তে নিশ্চিতভাৱে চিন্তেৰ আক্ৰমণাত্মক ভাষণৰ প্ৰত্যুত্তৰ দিয়া হ'ব। পিছে আমাৰ হাতত ধন-বিত নাছিল প্ৰশিক্ষক আনি বা লাখটকীয়া মুগাৰ পোছাক, অলংকাৰ, বাদ্য আদি কিনি প্ৰশিক্ষণ দিবলৈ। কথাবোৰ ভাবি থকাৰ বাহিৰে উপায় নাছিল। ভাবি থাকোতেই ২০১১ চনটো পাৰ হৈ গ'ল। ২০১২ চনত চাকৰিসূত্ৰে বদলি হৈ যোৰহাটলৈ আহিবলগা হ'ল। ২০১২ চনৰ পৰা ২০১৩ চনৰ ডিচেম্বৰলৈকে- এইখিনি সময় যোৰহাটত

অতিবাহিত কৰি থাকোতে কোনোদিনেই ভাবিব পৰা নাছিলোঁ যে সুদূৰ পাঁচশ কিলোমিটাৰ দূৰলৈ গৈ বিহুদল এটি গঢ়ি তুলিব পাৰিম।

২০১৩ চনৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখে গুৱাহাটীৰ আবাসত পৰিয়ালৰ সৈতে পাৰ কৰোঁতে সাংবাদিক বন্ধু হেমন্ত কুমাৰ ভৰালীৰ সৈতে এগৰাকী ব্যক্তি হঠাতে আবাসলৈ আহি চিনাকী হ'ল। প্ৰথম দৰ্শনতেই নিজৰ পৰিচয় দি উদ্দেশ্যৰ কথা ক'লে - "মই কনক গগৈ। লক্ষীমপুৰ জিলাৰ লালুকত ঘৰ। কৰ্মসূত্ৰে দিল্লীত থাকোঁ। আপোনাৰ ওচৰলৈ আহিছোঁ সহায় বিচাৰি।" মানুহজনৰ কথা কোৱাৰ ভংগিমা দেখি বৰ ভাল লাগিল। মই বিনয়েৰে ক'লোঁ- "কওঁকচোন মই কি সহায় কৰিব পাৰোঁ।" তেওঁ ক'লে- "আমাৰ লালুকৰ ঘৰৰ ওচৰত মৈমনচিঙীয়া মূলৰ ইছলামধৰ্মী লোকে বসবাস কৰে। প্ৰতিবাৰে মানুহ বিহুৰ দিনা তেওঁলোকৰ গাঁৱৰ কণ কণ ল'ৰা-ছোৱালীবোৰে জাক পাতি আমাৰ চোতাললৈ আহি 'দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী/কেতেকী মলেমলায় ঐ গোবিন্দাই ৰাম' বুলি হুঁচৰি গাই মাক আশীৰ্বাদ দিয়ে। মায়ে তেওঁলোকক জলপান খুৱাই ক্ষুদ্ৰ উপহাৰো দিয়ে। এদিন মাই ক'লে- 'ঐ কনক, তই এই ল'ৰা-ছোৱালীবোৰক লৈ কিবা এটা কৰ। এওঁলোক অৱহেলিত অ'। ইহঁতক আমাৰ ল'ৰা-ছোৱালীৰ দৰেই বনাব নোৱাৰিনে?' মাৰ কথাষাৰ মোৰ গাত লাগিল। ভাবিলোঁ, এই মৈমনচিঙীয়া মূলৰ ল'ৰা-ছোৱালীবোৰক লৈ এটি বিহুদল গঢ়ি তুলিম আৰু সেই বিহুদলে এদিন আহোম, চুতীয়া, কোচ, কলিতা, কৈৱৰ্ত আদি জনগোষ্ঠীৰ ডেকা-গাভৰুৰ দৰেই বিহুনাচ নাচি সুনাম অৰ্জন কৰিব আৰু তেওঁলোকেও প্ৰকৃত অসমীয়াৰূপে মূৰ দাঙি কথা ক'ব পাৰিব। লালুক অঞ্চলত চাৰিটা বছৰে চেষ্টা কৰি ব্যৰ্থ হ'লোঁ। সমাজখন গোড়া। ল'ৰা-ছোৱালীবোৰক বাহিৰলৈ ওলাই আহিবলৈ নিদিয়ে। সপোন সপোন হৈয়ে থাকিল। উপায় নেপাই আপোনাৰ ওচৰলৈকে আহিলোঁ।"

মানুহগৰাকীৰ কথা শুনি দুই মিনিট সময় নিস্তব্ধ হৈ কিবা এটা ভাবিলোঁ। অৱশেষত তেওঁৰ মুখলৈ চাই ক'লোঁ,- 'আপোনাৰ সপোন বাস্তৱত পৰিণত হ'ব। সোণতলী চৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনে ত্ৰিছ বছৰত ভৰি দিলে। স্থায়ী বিহুদল এটিৰ কথা ময়ো ভাবি আছোঁ। সহযোগী পোৱা নাই। মই সকলো উদ্যোগ ল'ম, যদিহে আপুনি পৃষ্ঠপোষকৰ দায়িত্ব পালন কৰে।" কথামতে কাম।

২০১৩ চনৰ ২৫ ডিচেম্বৰত প্ৰস্তুতি লৈ ২০১৪ চনৰ ১৫ এপ্ৰিলত (১ ব'হাগ) পূৰ্ণাংগ ৰূপত 'চৰ-চাপৰি বিহুদল'টি গঢ় লৈ উঠাৰ পিছত সিদ্ধান্ত লোৱা হ'ল দলটিক ফাটবিহুলৈ নিবলৈ। ফাটবিহু উদ্যোক্তাসকলৰ সৈতে যোগাযোগ কৰা হ'ল। তেওঁলোকে প্ৰস্তাৱটিৰ কথা শুনি যথেষ্ট আনন্দিত হ'ল আৰু ফাটবিহুলৈ আদৰণিও জনালে। সোণতলীৰ পৰা ছয় কিলোমিটাৰ দূৰত্বত মুকলিকৈ ফুৰা-চকা নকৰা চৰ-চাপৰিৰ বিহুৱা-বিহুৱতীসকল ছশ কিলোমিটাৰ দূৰত্বৰ ঢকুৱাখনালৈ আহিবলৈ পাই উল্লাসত কিৰিলি পাৰি উঠিল। তেওঁলোকৰ পিতৃ-মাতৃসকলেও আগ্ৰহেৰে ল'ৰা-ছোৱালীবোৰক ঢকুৱাখনালৈ বুলি বাহত তুলি দিলে। লগত আহিল সোণতলীৰ চৰ-চাপৰি বিহুদলৰ প্ৰস্তুতি সমিতিৰ সভাপতি আব্দুছ ছামাদ, সম্পাদক কবীৰ আশ্ৰাফুল, উপ-সভাপতি ৰয়ানুৰ ইছলাম, অভিভাৱক নৰুল ইছলাম, অভিভাৱিকা মনোৱাৰা বেগম, আদিকে কৰি মুঠ ত্ৰিশজন। ৮ মে'ৰ পুৱা সাত বজাত যাত্ৰা আৰম্ভ কৰি ৰাতি ৯ বজাত দলটি ফাটবিহুতলীত আহি পালে। ফাটবিহুৰ হৈ কেশৱ গগৈ, লালিত্য দাস, ভদ্ৰ গগৈ, নৱ গগৈ, মনোজ গগৈ, জীৱন চমুৱা আদিয়ে দলটিক আদৰিলে। হাত-মুখ ধুই দলটিয়ে আৰম্ভ কৰি দিলে বিহুনাচৰ আখৰা। তেওঁলোকৰ ওচৰলৈ আহি জীৱন চমুৱা, নৱ গগৈ, লালিত্য দাস আদিয়েও বিহুনাম জুৰিলে, নাচিলে। এক অভূতপূৰ্ব পৰিৱেশ। নিমিষতে চৰ-চাপৰি বিহুদলটি মিলি গ'ল



ফাটবিহুৰ উদ্যোক্তাসকলৰ সৈতে। দৃশ্যবোৰ দেখি মোৰ হিয়াত আনন্দই নধৰা হ'ল। ভাৱ হ'ল, যেন সজাতবন্দী চৰাইবোৰ মেলি দিয়া হ'ল। মুকলি আকাশ-বতাহ পাই মনৰ উলাহত নাচিবলৈ ধৰিছে, কণ্ঠত বাজি উঠিছে সুমধুৰ সুৰ। এনেদৰে ৰাতি বাৰটা বাজিল। ৰাতিৰ সাজ ফাটবিহুৰ কাৰ্যালয়তেই আয়োজন কৰা হ'ল। তেতিয়ালৈ 'চৰ-চাপৰি বিহুদল'ৰ পৃষ্ঠপোষক কনক গগৈ দিল্লীৰ বাসভৱনত উজাগৰে আছে। মাজে মাজে মবাইলত যোগাযোগ কৰি কথা-বতৰা আৰু বিহুনাম শুনে। এবাৰ মোক ক'লে,- "মোৰ দেহাটো দিল্লীত; কিন্তু মনটো ফাটবিহুতলীত। মই যেন সকলো দৃশ্য দিল্লীৰ পৰাই চাই আছোঁ। মই ১০ মে'ত গৈ আছোঁ। আপোনালোকে ফাটবিহুতলীক অধিক সেউজীয়া কৰি তোলক।"

ৰাতি এক বাজিল। ৮ মে'ত গৈ ৯ মে'ত সোমাল। ফাটবিহুৰ নৱনিৰ্মিত অতিথিশালাৰ দুটা কোঠাত 'চৰ-চাপৰি বিহুদল'ৰ শোৱাৰ ব্যৱস্থা কৰি আমি বিদায় ল'লোঁ। পিছদিনা পুৱা দলটি ধৰমশালালৈ স্থানান্তৰ কৰা হ'ল। ৰাতিৰ ভাগত নাচনীখিনিক কুশল গগৈদেৱৰ অতিথিশালাত থাকিবলৈ দিয়া হ'ল। পিছদিনা অৰ্থাৎ ১০ মে'তো একে আয়োজন। ১১ মে'ৰ গধূলি দলটিয়ে সোণতলীলৈ বুলি উভতিল।

ফাটবিহুৰ তিনিটা দিন চৰ-চাপৰি বিহুদলটি মুক্ত বিহংগৰ দৰে ফাটবিহুতলীত উমলি-জামলি ফুৰিল। ফাটবিহুৰ তিনিটা দিন কেনেদৰে পাৰ হ'ল ক'বই নোৱাৰিলে। ৰাতি ৯-১০ বজাত ধৰমশালা আৰু অতিথিশালালৈ আহিয়ো বিহুৱলীয়া হয় তেওঁলোক, ৰাতি ১২ টা বজালৈকে বিহু মাৰে। কুশল গগৈৰ অতিথিশালাত নাচনীকেইজনীক চোৱা-চিতাৰ দায়িত্ব আছিল মোৰ আৰু অভিভাৱিকা মনোৱাৰা বেগমৰ। দহ বজাৰ পিছত কোনেও যাতে বিহু নামাৰে সেই বিষয়ে নাচনীহঁতক সৰ্তক কৰি দিয়া হয়। তেওঁলোকক শুবলৈ কৈ আমিও টোপনি যাওঁ। হঠাৎ টোপনি ভাগে নাচনীৰ কিৰিলিত। কেৱল বিহুনামেই নহয়, 'জয় হৰি বোলা, জয় আল্লা বোলা' বুলি গাবলৈ ধৰে। কোনোবাই 'আল্লাহু, ভগৱানহু' বুলিও বিহুনাম জোৰে। বিয়ানাম, বৰগীত গায়। মুঠতে ৰাতি ১০ বজাৰ সীমা পাৰ হৈ এক বাজেগৈ। অৱশেষত কঠোৰ ভাষাৰে গালি দিয়াৰ পিছতহে সিহঁতে চকু মুদে। ছোৱালীবোৰৰ এই আনন্দ-উন্মাদনাৰ মূল প্ৰেৰণা হ'ল বিহু,- ফাটবিহু। মোৰ দৰেই যেন সোণতলীৰ বিহুৱা-বিহুৱতীসকলকো ফাটবিহুৱে বলিয়া কৰিলে।

ফাটবিহুলৈ চৰ-চাপৰি বিহুদল নি মই ব্যক্তিগতভাৱে অনন্য অভিজ্ঞতা অৰ্জন কৰিছোঁ। পাঁচদিনৰ বাবে আঠগৰাকী নাচনী আৰু একডৰ্জনৰো অধিক বিহুৱাৰ অভিভাৱক হোৱাৰ অভিজ্ঞতা হৈছে। কাৰোবাৰ ভোক, কাৰোবাৰ পানীলগা জ্বৰ, কাৰোবাৰ মূৰৰ বিষ, কাৰোবাৰ পেটৰ বিষ, কাৰোবাৰ ভৰিৰ বিষ, কাৰোবাৰ অভিমান, কাৰোবাৰ চকুলো- এই সকলোবোৰ চম্ভালি মই ফাটবিহুত কুৰিটা সন্তানৰ পিতৃ আৰু অভিভাৱকৰ দায়িত্ব পালন কৰি যি আনন্দ উপভোগ কৰিছোঁ সেয়া লিখি প্ৰকাশ কৰিব নোৱাৰি। আমাৰ বিহুদলটিৰ ঐক্যবদ্ধ ৰূপ দেখি ঢকুৱাখনাৰ শতাধিক ব্যক্তিয়ে প্ৰশ্ন কৰিছে, - 'চৰ-চাপৰিত কেনেকৈ সম্ভৱ হ'ল বিহুদল? পাঁচদিনৰ বাবে ফাটবিহুলৈ বুলি আহিবলৈ অভিভাৱকে অনুমতি দিলেনে?' এনে ধৰণৰ প্ৰশ্নৰ উত্তৰ আছিল এটাই- "কনক গগৈৰ পৃষ্ঠপোষকতা, মোৰ উদ্যোগ, সোণতলীবাসীৰ সহযোগিতা আৰু ঢকুৱাখনাবাসীৰ আন্তৰিকতাই সকলোখিনি সম্ভৱ কৰি তুলিলে।"

'কৈ থাকো মানে ওৰকে নপৰে ফাটবিহুৰে কথা'- ফাটবিহুৰ কথাৰ অন্ত নাই। ১৯৯৯ চনত প্ৰথমবাৰৰ বাবে ফাটবিহুলৈ যাওঁতে ডিম্বেশ্বৰ গগৈ সংকলিত 'দেহা গৰকিলে প্ৰেমে' (১৯৮২) নামৰ ক্ষুদ্ৰ গ্ৰন্থখনৰ পাতত এটি বিহুনাম পাইছিলোঁ। বিহুনামটি আছিল এনে ধৰণৰ-

"কাণেৰে শুনিছোঁ           চকুৰে দেখা নাই
মৈমনসিঙীয়া আহিছে বুলি;
তোৰে চুলি চুটি           বান্ধ তুলি তুলি
আমোলাই ধৰকহি বুলি।"

উল্লেখ্য যে, বিহুনামটিত উল্লেখ থকা 'মৈমনসিঙীয়া' সম্প্ৰদায়ৰ সন্তান হ'ল এই লেখক আৰু চৰ-চাপৰি বিহুদলৰ বিহুৱা-বিহুৱতীসকল। অবিভক্ত ভাৰতবৰ্ষৰ প্ৰাচীন কামৰূপ উত্তৰ অংশৰ উত্তৰ মৈমনসিংহৰ পৰা এদল কৃষক কুৰি শতিকাৰ প্ৰথমটো দশকতে আহি সোণতলী চাপৰিত থিতাপি লৈছিল। ক্ৰমান্বয়ে অসমীয়া ভাষাত গ্ৰহণ কৰি, অসমীয়া সমাজৰ সৈতে মিলি, অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰি এওঁলোক কুৰি শতিকাৰ তৃতীয়টো দশকতেই অসমীয়া জাতিত চামিল হৈছিল। এই জনগোটটোৰ অসম আগমন সম্পৰ্কে অসম বিধান পৰিষদত প্ৰশ্ন উত্থাপন হোৱাত ১৯২৭ চনৰ ২৩ জুলাইত ছৈয়দুৰ ৰহমানে ভাষণত কৈছিল যে চৰ-চাপৰিত বসবাস কৰা মৈমনসিঙীয়া মুছলমানসকলে 'নিবেশিত' (Domiciled) অসমীয়া নহ'ব, তেওঁলোক হ'ব আহোম আৰু কলিতাৰ দৰে অসমীয়াহে। (The will become Assamese, not domiciled Assamese like peope but Assamese infact as much as the Ahoms and Kalitas become Assamese.) আহোম-কলিতাৰ দৰে অসমীয়া হ'ব খোজা চৰ-চাপৰিবাসী 'মৈমনসিঙীয়া' সম্পৰ্কে ভীতিসূচক বিহুনামটি কেতিয়া কোনে ৰচনা কৰিছিল বা ক'ত পৰিবেশন কৰিছিল সেই বিষয়ে ১৯৯৯ চনৰ পৰা ২০১৪ চনলৈকে অনুসন্ধান আৰু অন্বেষণ কৰিয়ো জনা নগ'ল।

পূৰ্বৰ মৈমনসিঙীয়াৰ বংশধৰ চৰ-চাপৰিৰ বিহুৱতী হামেলা, মিনুৱাৰা, আয়েশা, ছিদ্দিকা (নাৰগিচ) আদিক বিহা-মেখেলা পিন্ধা অৱস্থাত ফাটবিহুতলীত দেখি বহুতেই কৈছিল, - 'তোমালোকক চৰ-চাপৰিৰ ছোৱালী যেন লগা নাই; আমাৰ ঢকুৱাখনাৰ আহোম, চুতীয়া, কোচ, কলিতাৰ ছোৱালীৰ দৰেই লাগিছে।' হামেলাহঁতে ঢকুৱাখনীয়াৰ এনে অনুভৱৰ কথা মোক কোৱাত মোৰ বুকুৰ মাজত যেন ঢোলৰ লহৰ উঠিছিল। মই তেওঁলোকক কৈছিলোঁ- 'ফাটবিহুৱে তোমালোকক ধন্য কৰিলে। তোমালোকে ঢকুৱাখনীয়াৰ হৃদয় জয় কৰিলা।'

হয়, স্বীকাৰ কৰিছোঁ। ফাটবিহুৱে ১৯৯৯ চনতেই মোৰ দৰে 'মৈমনসিঙীয়া'ৰ বংশধৰ অসমীয়াক অনুভৱী আৰু আপোচহীন অসমীয়া হোৱাৰ বাট দেখুৱাইছিল আৰু ময়ো যেন ফাটবিহুতলীৰ ভূমিত নতুনকৈ জন্ম গ্ৰহণ কৰিছিলোঁ। একেদৰে প্ৰায় যোল্ল বছৰ পিছত চৰ-চাপৰিৰ মৈমনসিঙীয়া গোটৰ সন্তানসকলক (যিসকলক 'মিএগ্ৰা' বুলি বহুতে তুচ্ছ-তাচ্ছিল্য কৰে; অথচ 'মিএগ্ৰা' মানে ডাঙৰীয়া বা সন্মানীয় ব্যক্তি) আহোম-চুতীয়া-কলিতাৰ দৰে প্ৰকৃত অসমীয়া হোৱাৰ বাট দেখুৱালে ফাটবিহুৱে। ফাটবিহুৰ পৰা বিদায় লৈ ১২ মেইত সোণতলী পোৱাৰ পিছত চৰ-চাপৰি বিহুদলৰ নাচনী আয়েশা, হামেলা, মিনুৱাৰাহঁতৰ মুখত কেৱল তিনিটা শব্দ- 'ফাটবিহু', 'ঢকুৱাখনা' আৰু 'ম'হঘূলি'। ২০০৮ চনত আমাৰ জন্মস্থান কয়াকুচিৰ ইছলামধৰ্মী ভাৱৰীয়াৰ চান্দসাই ভাওনা দলে যেতিয়া নতুন কমলাবাৰী সত্ৰৰ ভাওনা সমাৰোহত 'ৰামবিজয়' অংকীয়া নাটত ভাও লৈ মাজুলীৰ মাটিৰে বুকু পবিত্ৰ কৰিছিল, তেনেদৰে ২০১৪ চনতো ইছলামধৰ্মী বিহুৱা-বিহুৱতীৰ 'চৰ-চাপৰি বিহুদলে' ঢকুৱাখনাৰ ফাটবিহুতলীৰ মাটিৰে তেওঁলোকৰ বুকু পবিত্ৰ আৰু পলসুৱা কৰিলে। ১৯৩৮ চনত (জেঠ, ১৮৬০) 'আৱাহন' আলোচনীৰ পাতত (নৱম বছৰ, ষষ্ঠ সংখ্যা) 'চৰুৱাৰ উক্তি' কবিতাৰ মাজেৰে চৰ-চাপৰিৰ সন্তান মৌলবী বন্দে আলীয়ে ঘোষণা কৰিছিল-



"নহওঁ চৰুৱা মই           নহওঁ পমুৱা
আমিও যে হ'লো অসমীয়া;
অসমৰ জলবায়ু           অসমৰ ভাষা
সকলোৰে সমান ভগীয়া।'

..................................

"স্নেহী অসম-মাতৃ           দিছে স্তন্যধাৰা
আনন্দতে নাচে মোৰ হিয়া;
গাওঁ আহা সমস্বৰে           আমি অসমীয়া
নোহো আৰু মৈমনসিঙীয়া।"

সোণতলী চাপৰিৰ পৰা ম'হঘূলি চাপৰিলৈ যে ফাটবিহুতলীত উমলি-জামলি ফুৰা চৰ-চাপৰি বিহুদলৰ বিহুৱা-বিহুৱতীসকলৰ কণ্ঠাতো যেন একে প্ৰতিধ্বনি শুনিবলৈ পাইছিলোঁ।

পিতৃ-মাতৃয়ে ১৯৬৫ চনত মোক শাৰীৰিকভাৱে জন্ম দিছিল, ১৯৯৯ চনত ফাটবিহুৱে জন্ম দিলে সাংস্কৃতিকভাৱে। আৰু ২০১৪ চনত মই চৰ-চাপৰিবাসীৰ নতুন জনম দেখিলোঁ ফাটবিহুতলীত। মোৰ জীৱনৰ সেয়া আছিল সবাতোকৈ গৌৰৱময় মুহূৰ্ত।

(লেখকৰ ঠিকনা ঃ- প্ৰৱক্তা। প্ৰিনচ্ অব ৱেলচ্ ইন্‌ষ্টিটিউট অব ইঞ্জিনিয়াৰিং এণ্ড টেক্‌ন'ল'জী। যোৰহাট-১। মোবাইল - ৯৪৩৫১-০৯৭৬৪

## সম্পাদনা সমিতিৰ টোকা ঃ

বৃটিছ চৰকাৰে ১৯০৫ চনৰ পৰা ১৯১২ চনলৈকে বংগদেশৰ পূব অংশ অসম প্ৰদেশৰ লগত যুক্তকৰি 'পূৰ্ববংগ আৰু অসম' নামেৰে এখন প্ৰদেশ গঠন কৰিছিল। ৰাজধানী পাতিছিল ঢাকাত। সেইসময়ত দুয়োটা অঞ্চলৰ বাসিন্দাসকল একেখন ৰাজ্যৰেই হৈ পৰিছিল। গতিকে একেখন প্ৰদেশৰে ভিতৰত দুয়ো অঞ্চলৰ লোকে আহ-যাহ কৰাত কোনো আঁৰ-বেৰ নাছিল।

তদানীন্তনকালত গোৱালপাৰা জিলাত জমিদাৰী প্ৰথা চলন্তি আছিল। জমিদাৰ সকলে তেওঁলোকৰ আয় বৃদ্ধিৰ স্বাৰ্থত সীমামূৰীয়া ৰংপুৰ আৰু মৈমনসিঙ জিলাৰ পৰা ভূমিহীন দুখীয়া কৃষকসকলক আনি চৰ-চাপৰিৰ দ চানেকীয়া পতিত ভূমিত মৰাপাট খেতি কৰিবলৈ দিছিল। অসমক পূব বংগৰ পৰা কাটি সুকীয়া প্ৰদেশ কৰাৰ পিছতো ব্ৰিটিছ প্ৰশাসকসকলেও তাকে অনুসৰণ কৰি উজনি অসমত চৰুৱা-প্ৰব্ৰজনকাৰী লোকক সংস্থাপিত কৰিবলৈ বিচাৰিছিল।

মৈমনসিঙীয়া কৃষকসকল আগৰে পৰাই কঠোৰ পৰিশ্ৰমী আছিল। উন্নত ধৰণে কৃষিকাৰ্য কৰিব পাৰিছিল। আনহাতে থলুৱা বাসিন্দাসকল বৃটিছ ৰাজত্ব কালছোৱাত স্বাভাৱিক অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। জনসংখ্যাৰ বৃদ্ধিৰ হাৰো মন্থৰ। পৰ্যাপ্ত ভূমিও আছিল। পৰিয়ালত খাবলৈ জোৰাকৈ আহু-শালি, মাহ-সৰিয়হ, কিছু পৰিমানে শাক-পাচলিৰ খেতি কৰিছিল। চৰ চাপৰি, দলনি পথাৰ সমূহত গৰু-ম'হ পুহিছিল। এড়ি মুগাও পুঁহিছিল। হাবি-অৰণ্যৰ পৰা খৰি-খেৰ, নৈ-বিলত মাছ-পুঠি ধৰি সৰলভাৱে জীয়াই আছিল। জমিদাৰৰ কেকোঁৰা চেপা নাছিল। ব্যৱসায়িক ভিত্তিত বহুলভাৱে কৃষিকাৰ্য নাছিল।


যিবিলাক প্ৰাকৃতিক উপাদানৰ পৰা স্বচ্ছলভাৱে জীৱন নিৰ্বাহৰ উপায় হৈছিল সেই মাটি-পানী, হাবি-বননিত গুৰি-গোষ্ঠী, জাত-মাত নিমিলা, শ শ মাইল দূৰৰ হাজাৰ-বিজাৰ মানুহক স্থায়ীভাৱে বহিবলৈ দিলে পূৰ্বৰে পৰা বসবাস কৰা থলুৱা মানুহৰ স্বাৰ্থ নিশ্চিত ভাৱে বিঘ্নিত হ'ব। চৰুৱা বা অভিবাসী মৈমনসিঙীয়াসকলৰ নিশ্চিত সংস্থাপনৰ চৰকাৰী প্ৰচেষ্টা দেখি থলুৱালোক ত্ৰাসিত হোৱাটো স্বাভাৱিক। জন গাথঁনিত বিৰূপ প্ৰভাৱ পেলোৱাৰ উপক্ৰম দেখি লখিমপুৰ জিলাৰ চৌদিশে সমাজ সচেতন লোকসকলে সভা-সমিতি পাতি, বাতৰি কাকতৰ যোগেদি চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। ঢকুৱাখনা, মাছখোৱা, বৰদলনি আদিত জাকেজুমে প্ৰব্ৰজনকাৰীসকলে মাটি চাবলৈ অহাত চিন্তিত হৈ

পৰিছিল। প্ৰমাণস্বৰূপে নব্বৈ বছৰৰ পূৰ্বে 'অসমীয়া' কাকতত প্ৰকাশিত কেইটামান সম্বেদ দাঙি ধৰিলো। কেৱল সেয়ে নহয়, সমীপৱৰ্তী কেইখনমান জিলাৰ বাসিন্দাকো স্থায়ীভাৱে মাটি দখলৰ বিৰোধিতা কৰিছিল। পৃথিৱীৰ কোন জনগোষ্ঠীয়েনো নিজৰ অস্তিত্ব বিপন্ন হ'বলৈ এৰি দিব?

এগৰাকী মহান চিন্তাবিদে লিখিছে - "কোনো মানুহেই সমগ্ৰ মানৱ জাতিৰ প্ৰতি কৰুণা দেখুৱাব নোৱাৰে। কাৰ প্ৰতি কৰুণা দেখুৱাব সেই কথা তেওঁ নিজে ঠিক কৰি ল'ব লাগিব।"

এহো বাহ্য। স্বাধীন ভাৰততো কোনো প্ৰদেশেই আন প্ৰদেশৰ হাজাৰ-বিজাৰ মানুহক স্থায়ী ভূমি বন্দোবস্তিত সংস্থাপিত হ'বলৈ দিবনে - সন্দেহৰ বিষয়। ৰেলত উঠা যাত্ৰীয়ে পিছৰ ষ্টেচনৰ যাত্ৰীক পোনেই আসন এৰি দিবলৈ টান পায়। কিছুদূৰ যোৱাৰ পিছত সেইজন বন্ধু হৈ পৰে। সেয়া মানুহৰ স্বাভাৱিক প্ৰবৃত্তি।

(অসমীয়া ২২ কাতি, ১৮৪৭ শক)




উত্তৰ লক্ষীমপুৰত

ফাটবিহুৰ প্ৰতি গভীৰ সদিচ্ছা থকা ইছমাইল হোছেইনে আক্ষেপ প্ৰকাশ কৰা বিহুনামবোৰ যোৱা শতিকাৰ তৃতীয় দশকৰ পৰা মুখে মুখে প্ৰচলিত হৈ অহা। সংগ্ৰাহকৰ স্ব-ৰচিত নহয় — ক্ষেত্ৰ অধ্যয়নৰ ফচলহে। গাঁৱৰ চাৰিসীমাৰ বাহিৰ নোলোৱা, ৰাজনীতিৰ ভূ-ভা নোপোৱা গঞাই সেয়ে গাইছিল -

কাণেৰে শুনিছো চকুৰে দেখা নাই
মৈমনসিঙীয়া আহিছে বুলি;


ইছমাইল হুছেইনে সোণতলীৰ বিহুদলটোৰ ফাটবিহুলৈ অনাৰ বাবে শলাগৰ পাত্ৰ। পূৰ্বৰ ভেদভাৱ পুনৰ উকটিবৰ মন নাছিল। তেখেতে নামষাৰক লৈ সন্দেহ প্ৰকাশ কৰাতহে এই কথাখিনি অৱতাৰণা কৰা হ'ল। দেহা গৰকিলে প্ৰেমে প্ৰথম সংস্কৰণ প্ৰকাশিত হৈছিল-১৯৮২ চনত। সংগ্ৰহ তাৰো বহু বছৰৰ আগত। হোছেইন ঢকুৱাখনালৈ আহিছিল ১৯৯৯ চনতহে। নুশুনাটো স্বাভাৱিক। কিমধিকমিতি। ০০

("অসমীয়াত" সম্পাদকলৈ চিঠি)




বৰদলৈৰ প্ৰতিবাদ

(অসমীয়া ৭ ভাদ, ১৮৪৭ শক)



(অসমীয়া ১৮ অক্টোবৰ, ১৯২৫ চন)



উত্তৰ লক্ষীমপুৰত

ডেপুটি কমিশ্যনাৰক

মৈমনসিঙীয়াৰ অভ্যৰ্থনা।

০০০০০



# ব'হাগ বিহুঃ ঐতিহ্য, সংশয় আৰু সম্ভাৱনা

ড° নৰেন্দ্ৰ নাথ দত্ত

পৃথিৱীৰ চুকে-কোনে থকা হাজাৰ-বিজাৰ জাতি-জনগোষ্ঠীৰ যেনেকৈ নিজা-নিজা সাংস্কৃতিক উপাদান, নানান উৎসৱ-পাৰ্বন আছে ঠিক তেনেকৈ উত্তৰ পূৰ্বাঞ্চলৰ ব্ৰহ্মপুত্ৰ মহানদৰ দুয়োপাৰে বিস্তাৰিত হৈ থকা অসমভূমিত বসবাস কৰা লোক সকলৰ বাবে 'বিহু' এক অমূল্য লোক-সংস্কৃতিৰ উপাদান। অসমীয়া জাতীয় জীৱনৰ চিন্তা-চেতনা তথা অলিন্দ ধমনীত বিহু প্ৰবাহিত হৈ আছে। অসমভূমিত বসবাস কৰা বিভিন্ন ভাষিক-ধৰ্মীয় জনগোষ্ঠী নিৰ্বিশেষে সকলোৱে বিহুৰ প্ৰতি দুৰ্বাৰ টান অনুভৱ কৰে। কেৱল সেয়াই নহয়, কৰ্মব্যৰ তাড়নাত প্ৰৱাসী হ'বলগা প্ৰতিগৰাকী অসমীয়া বিহুৰ বতৰত মনত এক অনাবিল আনন্দ অনুভৱ কৰে আৰু স্বদেশ-স্বজাতিলৈ মনত পেলাই বিহুগীতৰ কলি গুণ-গুণায়। বাস্তৱিকতে কেৱল কৃষিভিত্তিক এনে লোক-উৎসৱ পৃথিৱীতে বিৰল।

চ'তৰ দোমাহীৰ পৰা ব'হাগৰ প্ৰথম সপ্তাহত উদ্‌যাপন কৰা ব'হাগ বিহু বা ৰঙালী বিহুৰ আবেদনেই সুকীয়া। কুলি-কেতেকীৰ সুৱীয়া মাত, গছৰ ডালে ডালে ন-কুঁহিপাত, কপৌ, নাহৰ, তগৰ আদি ফুলৰ শোভা লৈ বসন্ত যেন নামি আহে অসমী আইৰ বুকুলৈ। ব'হাগত যেন প্ৰকৃতি ৰাণীয়ে ও নিজৰ সমগ্ৰ সত্তা উজাৰি আত্মসন্তুষ্টি লাভ কৰে।

ব'হাগেই আনে আনন্দ, স্বাভিমান, প্ৰতিশ্ৰুতি ইত্যাদি। সেয়েহে প্ৰকৃতাৰ্থতেই ব'হাগ কেৱল এটি মাহ নহয়, ই অসমীয়া জাতি জীয়াই থকাৰ প্ৰেৰণা। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কথাশিল্পী ড° লক্ষ্মীনন্দন বৰাদেৱে তেখেতৰ এখন ৰচনাত উল্লেখ কৰিছে - "আমি য'তেই থাকোঁ ব'হাগৰ বতৰত বিহুৰ উন্মাদনা অনুভৱ কৰোঁ। আমাৰ নগৰ-মহানগৰত ব'হাগ মহাৰ কোনো চিন-চাপেই নাই; কুলিয়ে নামাতে, কেতেকীয়ে নিবিনায়, প্ৰকৃতিৰ সাজোন-কাচোন অনুপস্থিত, নাহৰ ফুল নুফুলে। তথাপি চহৰবাসী অসমীয়াই ব'হাগ বিহুৰ বিশেষ শিঁহৰণ বাপতি-সাহোন ৰূপ সদায় অনুভৱ কৰি আছে।

এই বসন্ত ঋতুত প্ৰকৃতিৰ ন-সাজোনে মানুহৰ মনলৈ আনন্দৰ জোৱাৰ আনে। দূৰ অতীতত প্ৰকৃতিৰ আবেদনত সঁহাৰি জনাই কোনোবা ডেকাই গাইছিল-

যাঁও পদূলিৰে আহোঁ পদূৰিলে
তোমাৰ পদূলিৰ বাট।
ৰবঘৰৰ মূধতে তাঁতে বৈ আছিলা
নিদিলা এযাৰি মাত।।

ডেকা-গাভৰুৱে বিহুগীতৰ মাধ্যমেৰে ভাবৰ আদান-প্ৰদান কৰিছিল। এই গীত সমূহ প্ৰধানতঃ প্ৰেম-পীৰিতিৰ মুক্ত প্ৰকাশ আছিল। নদীৰ পাৰ, বৰগছৰ তল, পানী খোৱা ৰাজহুৱা পুখুৰীৰ পাৰ আদিয়েই আছিল গীত-মাত পৰিৱেশনৰ স্থান। য'ত উজান উঠিছিল জাত-জাত, বিহুনাম অথবা বনঘোষাৰ কলি। এইবোৰেই কাল অতিক্ৰমি আজিৰ মুকলি বিহু, গছতলৰ বিহু, জেংবিহু, ৰাতি বিহু, টকা বিহু আৰু অতি সম্প্ৰতি মঞ্চ বিহুৰ ৰূপলৈ ৰূপান্তৰিত হ'ল। স্থান বিশেষে এনে বিহুৱে মৰ্যদা সহকাৰে নিজা-নিজা নামেৰে প্ৰতিষ্ঠা লাভ কৰি দেশৰ পৰিধি অতিক্ৰম কৰিছে। ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহু হ'ল তাৰ উদাহৰণ।

ব'হাগ বিহুৰ অন্য এক লোক অনুষ্ঠান হ'ল হুঁচৰি পৰম্পৰা। ঠাই বিশেষে এই হুঁচৰি পৰম্পৰাৰ সামান্য প্ৰভেদ থাকিলেও ইয়াৰ অন্ত নিৰ্হিত মূল উদ্দেশ্য একেই। উজনি অসমৰ বিভিন্ন গাঁও সমূহত গৰুবিহুৰ দিনা সন্ধ্যা ৰাজহুৱা নামঘৰত হুঁচৰি জোৰা হয়। তাৰ পিছতেই গাঁওখনৰ মান্যজনৰ ঘৰত হুঁচৰি গোৱা হয়। এয়া শ্ৰেণীভেদৰ কথা নহয় বৰঞ্চ সন্মান প্ৰদৰ্শন কৰাৰহে কথা। এই হুঁচৰি সাত দিন ধৰি গোৱা হয় যদিও কেতিয়াবা ব্যতিক্ৰমো দেখা যায়। উল্লেখযোগ্য যে পূৰ্বে উল্লেখিত মুকলি বিহু আৰু ব'হাগৰ হুঁচৰি দুটা সুকীয়া পৰম্পৰা। প্ৰথমবিধ ডেকা-গাভৰুৰ কিন্তু দ্বিতীয়বিধ কেৱল পুৰুষ সকলৰ দ্বাৰাহে পৰিৱেশিত অনুষ্ঠান।

"হুঁচৰি এ চ'ত আমি বিহু কৰোঁ য'ত/ দেহি ঐ দূৱৰি নগজে ত'ত।"

"দেউতাৰ পদূলি চোতালৰ দূৱৰি/ হৰি নাম এফাঁকি গাঁও ঐ গোবিন্দাই ৰাম"।

আদি পদ ঘোষা আৰম্ভ কৰি যেতিয়া গৃহস্থৰ চোতালত হুঁচৰি আৰম্ভ কৰা হয়, স্বাভাৱিকতেই ঘৰ-ঘৰুৱাৰ মনত এক পবিত্ৰ ভাৱ উদয় হয়। অসমত হুঁচৰি গোৱাৰ প্ৰথা কেতিয়াৰে পৰা আৰম্ভ হ'ল ইয়াৰ সঠিক সমিধান নাই

তথাপিও ভৱা হৈছে আহোম সকলৰ দিনৰ পৰাহে হুঁচৰি গোৱাৰ পৰম্পৰা আৰম্ভ হয়। হুঁচৰিত গোৱা পদ, যোজনা আদিত স্বৰ্গদেউ সকল তথা ডা-ডাঙৰীয়া সকলৰ গৃহত হুঁচৰি গোৱা আৰু আশীৰ্বাদ দিবলৈ যোৱাৰ কথা উল্লেখ আছে। কাল প্ৰবাহত হুঁচৰি ৰাজঘৰৰ চোতালৰ পৰা প্ৰজাৰ দুৱাৰ মুখলৈ ওলাই আহিল। উজনি অসমৰ হুঁচৰিত নাচনী লৈ বিহু কৰা নহয় সচৰাচৰ গাঁৱৰ ডেকা-বুঢ়াসবে মিলি নিশাৰ আগতহে হুঁচৰি গায়। হুঁচৰি যিহেতু বিহু সংস্কৃতিৰ এটা সুকীয়া পৰিৱেশন, সেই বাবেই ইয়াৰ লগত 'মুকলি বিহু', জেং বিহুৰ নিচিনা ডেকা-গাভৰুৰ বিহুৰ গীত-মাত অথবা বিহুনাচ সংযোগ কৰা উচিত নহয়। কোনো-কোনোৱে হুঁচৰিক 'বিহু হুঁচৰি' বুলিলেও ই প্ৰকৃতাৰ্থত কিমান গ্ৰহণ-যোগ্য সেইয়া বিচাৰ্যৰ বিষয়।

সময়ৰ পৰিবৰ্তনৰ লগে লগে সকলো কথাৰে পৰিবৰ্তন হয়, ই বাস্তৱ সত্য। ঠিক তেনেকৈ আমাৰ আপোন বিহুটিৰো নানান দিশৰ পৰা পৰিবৰ্তনমুখী হৈছে। এই পৰিবৰ্তনবোৰ নিতান্তই স্বাভাৱিক হলেও এইবোৰে বিহু সম্পৰ্কীয় ঐতিহ্য-পৰম্পৰাত আঘাত হনাৰ উপক্ৰম হৈছে। পৰিবৰ্তন ৰোধৰ বাবে কোনো কোনো ব্যক্তি অথবা অনুষ্ঠানে কৰা প্ৰচেষ্টাই বিশেষ ফল দিয়া নাই যেন অনুভৱ হৈছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে আমি ব্যক্তিগতভাৱে বিহুৰ বিষয়ে অধ্যয়ন, চিন্তা-চৰ্চা, গৱেষণা আদিত লাগিথকা ব্যক্তি নহয় যদিও তাহানিৰে পৰা দেখি অহা, বয়োজ্যেষ্ঠজনৰ পৰা শুনি অহা অথবা নিজস্ব অনুভৱী ধাৰণাৰে কব পাৰি।

বিহু বাস্তৱিকতে এক কৃষিভিত্তিক লোক উৎসৱ। ঘৰচীয়া জীৱ-জন্তু, পথাৰ-সমাৰ, গছ-লতা, নদী-বিল আদি ইয়াৰ অবিচ্ছেদ্য অংগ। কিন্তু আজিৰ গ্ৰামাঞ্চলবোৰত কৃষি নিৰ্ভৰ সামজখনলৈ ব্যাপক পৰিবৰ্তন আহি পৰিছে যেনে - হালৰ গৰু নাই, তাৰ ঠাই ললে যন্ত্ৰই। গৰুক সামূহিকভাৱে নদীৰ ঘাটিত গা-ধুৱাই চাট মৰাৰ যি লোকাচাৰ ক্ৰমে ক্ৰমে নাইকীয়া হৈ গৈছে। যিহেতু গৰু হ'ল কৃষিজীৱি সমাজৰ পৰিয়াল বিলাকৰ অৰ্থনীতি মূল। আহিলা তথা চালিকা শক্তি সেয়েহে, অসমীয়াই চ'তৰ সংক্ৰান্তিৰ দিনটো পূৰ্বৰেপৰা চলি অহাৰ দৰেই 'গৰু-বিহু' ৰূপে উদ্‌যাপন কৰাও গুৰুত্ব দিয়াটো উচিত। অন্য অৰ্থত আজিৰ তাৰিখটো গ্ৰামঞ্চলত গৰুবিহুৰ প্ৰাসঙ্গিকতা আছে। ইয়াৰ জৰিয়তে সৰুচামক জানিবলৈ, বুজিবলৈ সুযোগ দিয়াটো আমাৰ দায়িত্ব। গৰু বিহুৰ দিনা ৰাতিলৈ এশ এবিধ কৰীয়া শাকৰ আঞ্জা খোৱাৰ পৰম্পৰা পূৰ্বৰে পৰা চলি আহিছে সেউজীয়া শাক-বন সু-স্বাস্থ্যৰ সোপান। বিহুৰ দিনটোৰ এই লোকাচাৰৰ জৰিয়তে গোটেই বছৰটোৰ বাবে নিৰোগী দেহৰ অধিকাৰী হোৱাৰ আশা কৰা হয়। নিজৰ বাৰীখনৰ পৰাই যদি এই শাক-বন আহৰণ কৰিব পাৰি তেনেহলে ই জানো জৈৱ বিবিধতা সংৰক্ষণৰ লগতে সৌন্দৰ্য ৰক্ষাৰ দিশটো সামৰি নলব? এই দিশবোৰৰ প্ৰতি ধ্যান দিয়টো উচিত।

ব'হাগৰ প্ৰথম তাৰিখৰ পৰা আৰম্ভ কৰি জেঠৰ মাজ ভাগলৈকে আজিৰ সময়ত গাঁৱে-ভূঞে, নগৰে-চহৰে অসংখ্য বিহুমেলা অনুষ্ঠিত কৰা হয়। সেইবোৰে প্ৰকৃততে কিমান সুস্থ-সংস্কৃতিৰ ধাৰক-বাহক সেইয়া বুজা টান, গতিকে চুবুৰীয়ে চুবুৰীয়ে এনে বিহুৰ কাৰ্যসূচী লোৱাৰ পৰিবৰ্তে এক বহল এলেকা ভিত্তিত ব'হাগৰ ভিতৰতেই কাৰ্যসূচী সমূহ সমাপন কৰিলে সময়, শ্ৰম, অৰ্থ আদিৰ অপচয় নহ'ব আৰু আঞ্চলিক সৌহাৰ্দ্য-সমন্বয় বৰ্তী থাকিব। বিহু মেলা বিলাকত ব্যাপক ধনৰ লেনা-দেনা হোৱাতো আজিৰ সময়ত নতুন কথা নহয় যদিও উদ্‌যাপন সমিতি সমূহৰ সেইটো উদ্দেশ্য হ'ব নালাগে। তাৰ পৰিবৰ্তে সুস্থ সাংস্কৃতিক বাতাবৰণ আৰু ঐতিহ্য ৰক্ষা আৰু প্ৰসাৰতেই গুৰুত্ব দিয়াতো বাঞ্ছনীয়। পথচাৰীৰ পৰা ধন দাবী,ঘৰে ঘৰে গৈ অৰ্থ সংগ্ৰহ যান-বাহনৰ পৰা অৰ্থবা অনা অসমীয়া লোকৰ পৰা বলপূৰ্বক অৰ্থ সংগ্ৰহ কৰা কাৰ্যই জাতীয় সন্মানত আঘাত কৰে।



সেয়েহে বিহু উদ্‌যাপন সমিতি সমূহে এনে দিশবোৰৰ প্ৰতি সৰ্তক হোৱাতো প্ৰয়োজনীয়।

ব'হাগ বিহুৰ বিভিন্ন কাৰ্যক্ৰমনিকাত সততে ব্যৱহাৰ হোৱা সামগ্ৰীসমূহ নিজাকে স্থানীয়ভাৱে উৎপাদনৰ ব্যৱস্থা কৰিলে নানান দিশত লাভ হয়। ক্ষুদ্ৰ অৰ্থনীতি, স্থানীয় কুটিৰ শিল্প তথা পৰ্যটনৰ লগতে নান্দনিক ধ্যান ধাৰণা আদি অনেক দিশ ইয়াৰ লগত বিশেষ ভাৱে সঙোৰ খাই আছে। চেন্নাই অথবা অন্ধ্ৰৰ গামোচাখনতকৈ অসমীয়া শিপিনী চেনেহৰ বিহুৱানখনৰ মূল্য অনেক গুণে বেছি। বিহুৰ কাৰ্যসূচী সমূহত ব্যৱহৃত হোৱা পুৰস্কাৰ সমূহ যেনে শ্বিল্ড- কাপ আদিৰ পৰিবৰ্তে সৰুদৈয়া বৰদৈয়া, জাপি, গগণা, ঢোল, বাবে বহনীয়া পোছাক, অসমীয়া সংস্কৃতি বিষয়ক গ্ৰন্থ, গ্ৰন্থ পুথি আদি আগবঢ়াব পৰা যায়। বিভিন্ন বিহু মেলাৰ কাৰ্যসূচীৰ লগতে তাল মিলাই কম পৰিসৰত হ'লেও পিঠা, হুৰুম আদি খাদ্য সম্ভাৰ তৈয়াৰ কৰাৰ প্ৰতিযোগিতা লগতে একোখনকৈ প্ৰদশনীও আয়োজন কৰিব পৰা যায়। য'ত ঢোল, পেঁপা, ৰামধন গগণা, নাহৰী গগণা, বাঁহী, টকা, সুতুলী, টগালী, হাঁচতি, তগৰ, নাহৰ, কপৌ আদি ফুল ; দীঘলতী, মাখিয়তী, গৰুৰ পঘা, দেওতৰা, তৰাগছ, বহমথুৰি, জেতুকা, আঁচুকৰী, ৰঘোকেৰা, কেতুৰী, গামখাৰু, কেৰু, থুৰিয়া, সঁফুৰা, শৰাই আদি নানান বিহু সম্পৰ্কীয় লোকাচাৰৰ লগত জড়িত সামগ্ৰীৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলে মনোৰঞ্জনৰ লগতে নব-প্ৰজন্মই জানিবলৈ-বুজিবলৈ এক পৰিবেশ পাব।

আধুনিক সময়ত বিদ্যুতিন মাধ্যমৰ অনুগ্ৰহত সঁচা কথা ক'বলৈ গলে কাতিৰ পৰাই ব'হাগ বিহু আৰম্ভ হ'বলৈ লৈছে। এইবোৰক নিয়ন্ত্ৰনলৈ অনাতো সময়ৰ দাবী হৈ পৰিছে। বিহুমেলা বিলাকৰ লগত আয়োজন কৰা সাংস্কৃতিক সন্ধ্যা নামৰ কাৰ্যসূচী বিলাকলৈ নিমন্ত্ৰণ কৰা গৰিষ্ঠ সংখ্যক নামী-অনামী শিল্পীৰ ওভতগোৰ আচৰণেও কেতিয়াবা কেতিয়াবা তিতা-টেঙা লগায়। কোনো কোনোৱে আনকি অসমীয়া জাতীয়-জীৱনৰ পুৰুধা ব্যক্তি সকলৰ কৰ্মৰাজীৰ প্ৰতিও ভেঙুচালি প্ৰদৰ্শন কৰিবলৈ কুণ্ঠাবোধ নকৰে। কাজেই আমি অনুভৱ কৰো প্ৰতি গৰাকী ভালপোৱা লোকেই জাতীয় স্বাভিমান ৰক্ষাৰ স্বাৰ্থত পূৰ্বে উল্লেখিত কথাবোৰ বিশ্লেষণ কৰি চোৱাৰ সময় আহি পৰিছে।

আধুনিক সময়ত পৰিবেশন কৰা বিহুগীত সমূহ বিহুনাচ, ঢোল, পেঁপা, গগণা, সুতুলি আদি বাদ্যৰ ব্যৱহাৰ, বিহুৱা ডেকা-গাভৰুৰ সাজ-পাৰ আদিকে ধৰি বিভিন্ন দিশত পৰিবৰ্তন হৈছে। যিবোৰ বাস্তৱিকতে গ্ৰহণযোগ্য নে বৰ্জনীয় সেই কথা বিহু সম্পৰ্কে গভীৰভাৱে অধ্যয়ন কৰা ব্যক্তি সকলেহে বিচাৰ কৰিব পাৰিব। আমাৰ সেই জ্ঞানৰ নিতান্তই অভাৱ। তথাপিও ক'ব পাৰি পুৰণি বিহুৰ গীত-মাত, নাচ আদিয়ে সকলোৰে মনত আনন্দ দিয়ে। পুৰণিৰ এই আকৰ্ষণ প্ৰতিজন অসমীয়াৰ হৃদয়ত ঠাই পাওক আৰু অসমীয়াৰ এই বাপতি সাহোন ৰঙালী বিহুটি নজহা-নপমা ৰূপত চিৰস্থায়ী হৈ ৰওক

*লেখকৰ ঠিকনা*

*সহযোগী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ*

*ঢকুৱাখনা মহাবিদ্যালয়, ঢকুৱাখনা।*

00000

# বিহুগীতত ম'হগুৱাল

হেমচন্দ্ৰ হাজৰিকা



বিহুগীতত ম'হ আৰু ম'হগুৱালৰ বিষয়ে বিস্তৃতৰূপত পোৱা যায়। ম'হ নহ'লে বিহু অসম্পূৰ্ণ হৈ ৰ'ব। কাৰণ বিহুত ম'হৰ এঠা দৈ, গুৰ সমন্বিতে বকুলবৰা ধানৰ চিৰা জলপানতো অপৰিহাৰ্য। মাঘৰ বিহুত চিৰাদৈ আৰু তিলপিঠাৰ জলপানেই মুখ্য স্থান লাভ কৰিছে। জলপানৰ মূল বস্তু দৈ গাখীৰ য'ত উৎপাদন হয় সেয়াই হ'ল ম'হ গুৱালৰ খুটি।

আগৰ দিনত অসমীয়া ডেকাবোৰ ভৰ যৌবনৰ পৰাই ম'হৰ খুটিত থাকিবলৈ লৈছিল। সাধাৰণতে ম'হ খুটিবোৰ নৈ আৰু বিলৰ পাৰত অৱস্থিত। ম'হে খাবৰ কাৰণে পৰ্যাপ্ত দলঘাঁহ, নলৰ গজালি আৰু কোমল পাত পাবলৈ হ'লে বিলৰ পাৰত ম'হখুটি পাতিব লাগিব। নৈৰ পাৰৰ ওখ চাপৰি তাৰ কাষতে বিল, এয়াই ম'হ ৰাখিবৰ কাৰণে উপযুক্ত স্থান। এনে ঠাইতেই পুৰণি কালত অসমীয়া মানুহে ম'হ ৰাখিছিল। ঢকুৱাখনা চাবিকড়ীয়া নৈৰ পাৰৰ আজিকালি ফাটবিহু অনুষ্ঠিত হোৱা ম'হঘুলি চাপৰি নামৰ ঠাইডোখৰতো হয়তো প্ৰাচীন কালত ম'হে ঘুলি লৈছিল। কাৰণ সেই অঞ্চলত আজিকালিও ম'হ আছে। যোৱা কেইবছৰমানলৈকে নাতিদূৰৰ বাসুদেৱ থানত অসংখ্য মাইকী ম'হ আছিল বুলি শুনিছিলো। কেৱল ম'হ পুহি গাখীৰ উৎপাদন কৰি ধন ঘটিলেই জীৱন সাৰ্থক নহয়, আৰু কিবাকিবি লাগে। কিনো লাগে? নিশ্চয় প্ৰেম-প্ৰীতি, ঘৰ -সংসাৰ। ম'হৰ লগত দিনে-ৰাতিয়ে লাগি থাকিব লাগে নহ'লে মাইকী ম'হৰ জাক হেৰুৱাব লাগিব।

অবিবাহিত ডেকা ম'হগুৱালবোৰ ম'হখুটিত থকাৰ সময়ত ম'হৰ শিঙৰ পেঁপা তৈয়াৰ কৰি নলনিৰ মাজত বজোৱাৰ উপৰিও মতা ম'হৰ পিঠিত উঠি ঘৰলৈ আহোঁতে বা পুৱাবেলা ম'হ চৰাবলৈ নিওঁতে ম'হৰ শিঙৰ পেঁপা বজাই গাঁৱৰ গাভৰুৰ মন বলিয়া কৰিছিল। বিহুগীতত পেঁপাৰ মাতে বলিয়া কৰা গাভৰুৰ মনৰ কথা এনেদৰে পোৱা যায়-

পেঁপাটি বজাবৰ তিনিটি আঙুলি
মাজৰটি আঙুলি লৰে;
বহোঁ তাঁতৰ পাটত চকু আলিবাটত
মাকো সৰি সৰি পৰে।

০০০০

ম'হৰ শিঙৰ পেঁপাটি নবজাব ককাইটি
মোৰে মন উৰুঙা কৰে;
পেঁপাৰ মাতশুনি ৰ'বকে নোৱাৰো
হাতৰ বন সৰি পৰে।

০০০০০

এই পেঁপা বজোৱা ডেকাটো কেৱল ম'হ গুৱালেই নহয় অন্য ডেকাও হ'ব পাৰে। তথাপি যি ডেকাই ম'হৰ লগত অনবৰতে লাগি থাকে তেওঁহে ম'হৰ শিঙৰ পেঁপাটো বজোৱাত আগভাগ লোৱাটো স্বাভাৱিক। কাৰণ মন মতলীয়া কৰা শুৱলা মাতৰ পেঁপাটো বজাই মনৰ বতৰা বতাহত এৰি দিবৰ কাৰণে ম'হ চৰোৱা মুকলি পথাৰখনেই উপযুক্ত স্থান। ম'হ লৈ যাওঁতে বাটত দেখি যোৱা গাভৰুজনীক উন্মনা কৰিবৰ কাৰণে ডেকা গুৱালে গাভৰুৰ ঘৰৰ সন্মুখত একো কৰিব নোৱাৰে। সেয়েহে দুই-তিনিটা গুৱালৰ ভিতৰত পীৰিতি কৰা ডেকাই যঁতৰত মহুৰা ফুৰাই থকা গাভৰুজনীয়ে শুনাকৈ দূৰৰ পৰা উকি মাৰি জনাই যে তেওঁ তাইক দেখি আহিছে। সেইকথা বিহুগীতত এনেদৰে পোৱা যায়।

ম'হ মেলি গুৱালটি চাপৰি পালেগৈ
বাটত চিঙি খালে কল;
পাছৰটি গুৱালে উকিটি মাৰিলে
য'তৰত নুঘুৰে শলা।

০০০০০

কেৱল উকি মাৰি মনৰ কথা জনায়েই ক্ষান্ত নহয়। নানান বুধি কৰি গাভৰুক দেখা কৰে। মতা ম'হটো হেৰাল বুলি মনৰ পচন্দৰ গাভৰুজনীৰ পদূলিত পাক মৰা কথা বিহুগীতত আছে।

ৰিব্ ৰিব্ কৰি বতাহ জাকি বলিলে
চোতালৰ উৰুৱাই ধূলি;
শহুৰৰ পদূলিত তিনিপাক মাৰিলো
মতা ম'হ হেৰালে বুলি।

০০০০

ভালপোৱা গাভৰুজনীক ম'হগুৱালে সদায় ৰখি থকা ম'হজাকৰ লগত তুলনা কৰে এনেদৰে -

ম'হতকৈ মোহনি নাই সমনীয়া
ম'হতকৈ মোহনি নাই;

তাতকৈ মোহনি শঙ্কৰৰ জীয়েক ঐ

নেদেখি তৰণি নাই।

00000

নেদেখিলে থাকিব নোৱাৰা গাভৰুজনীক পাবলৈ হ'লে ধনৰ প্ৰয়োজন। কেৱল ম'হৰ গাখীৰৰ পৰা পোৱা ধনে জোৰাব নোৱাৰিলে কোম্পানিৰ কামত সোমোৱা অৰ্থাৎ চাহ বাগিছাৰ চাকৰি আশা কৰে। বাগিছাৰ চাকৰি পালে গাভৰুজনীক সহজে পোৱা যাব। সেই কথা বিহুগীতত কৈছে এনেদৰে -

মতা ম'হৰ বেজাৰত মাইকী ম'হ বেচিলো

কৰিয়া তুলিলো চাঙত;

তোমাৰে বেজাৰত ঘৰ বাৰী এৰিলো

সোমাওঁগৈ কোম্পানীৰ কামত।

00000

অসমত ম'হ পালন কৰি বসবাস কৰা নেপালী সম্প্ৰদায়ৰ লোকেও অসমীয়া গাভৰুৰ মাকক এঠা দৈ গাখীৰ খুৱাই মোহনিয়াই জীয়েকক হাত কৰিব পাৰিছিল। এই কথাও বিহুগীতত আছে -

মাকক ভুলালে ম'হৰ দৈ গাখীৰে

বাপেকক ভুলালে ধনে।

0000

নেপালীয়ে গাখীৰ আৰু মতাম'হ বেচি গোটোৱা ধনেৰে গাভৰু এজনীক হাত কৰাটো সহজ আছিল। 'চেনাইৰে লগতে পীৰিতি কৰোঁতে ম'হৰ খুটি বিকি গ'ল; 'ঠেউৰী ম'হৰে জিবা, ঘৰত মই থাকিব নোৱাৰো কোনোবাই কৰিলে কিবা', 'ওদালৰ তলতে নাকী জৰি বাটোতে ম'হে বনৰীয়া হ'ল; 'এইবেলি বিহুটি খাবলৈ নাপালো মতাম'হ ৰখীয়া দিলে', 'বড়গছৰ তলতে বিহুমাৰি থাকোতে ম'হে বনৰীয়া হ'ল,' ইত্যাদি গুৱাল আৰু ম'হ সম্পৰ্কীয় অনেক কথা বিহুগীতত আছে।

ম'হ বনৰীয়া হ'লে অতি উগ্ৰ হয়। ই তেতিয়া গুৱালকে আক্ৰমণ কৰে। 'মাটিবৰ দাৰোগাক ম'হে খুচি মাৰিলে বন্দুকে নিদিলে জুই' বুলি বিহুগীতত উল্লেখ আছে। ম'হে সাধাৰণতে অচিনাকি লোকক দেখিলেই উগ্ৰ হয়। ওপৰোক্ত বিহুগীত ফাঁকিয়েই এই কথাৰ সত্যতা প্ৰমাণ কৰে। বৰ্ত্তমান সময়তো ম'হে আক্ৰমণ কৰি গুৱালক নিধন কৰা আমি কেবাবাৰো দেখিছোঁ।

স্বামী-স্ত্ৰীৰ মাজত যি সম্পৰ্ক মাইকী ম'হ জাক আৰু গুৱালৰ মাজতো সেই সম্পৰ্কৰ সাদৃশ আছে। তিৰোতাক যিদৰে স্বামীয়ে পালন কৰিব লাগে সেইদৰে ম'হজাককো গুৱালে পালন কৰিব লাগে। কিয় আমাৰ যিমান আপোন গুৱালৰ কাৰণে ম'হজাকো সিমান আপোন। ম'হৰ লগত সদায় থকা মানুহেহে ম'হৰ প্ৰতি থকা গভীৰ তান উপলব্ধি কৰিব পাৰে। বিশেষ কাৰণে গুৱালৰ পৰা দৈ গাখীৰ এটেকেলি ধন দি কিনালোকে ম'হ আৰু গুৱালৰ জীৱন কিমান সংঘাত -মধুৰ তাক বুজি সহজে নাপায়। ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য বিহুগীতত বিৰাজমান।

*লেখকৰ ঠিকনা ঃ অৱসৰ প্ৰাপ্ত জ্যেষ্ঠ স্নাতক শিক্ষক*

*টীয়ক খঙীয়া গাঁও*

00000



# ফাটবিহুলৈ গৈছিলো

ড° ধৰণীধৰ গোস্বামী

লখিমপুৰ জিলাৰ ঢকুৱাখনা এটি মহকুমা। মূলতঃ এই মহকুমাৰ সৰহ সংখ্যক গঞাৰ কৃষিয়েই জীৱিকাৰ প্ৰধান উৎস। ইয়াত এতিয়াও কাঠনি, আপুৰুগীয়া গছ-গছনি, ফলমূল যথেষ্ট পোৱা যায়। গুৰুণমুক্ত বৃহৎ বৃহৎ মুক্ত জলাশয় আছে য'ত জলজ উদ্ভিদহে আপুৰুগীয়া প্ৰজাতিৰ প্ৰাণী বিৰাজমান। ঢকুৱাখনাৰ বিষয়ে মই মোৰ সদ্য প্ৰকাশিত গ্ৰন্থ "বিশ্ব সাহিত্যৰ অমৃত গৰলৰ সন্ধানত" নামৰ কিতাপখনত এনেদৰে লিখিছিলো -

"ঢকুৱাখনা এখনি সৰু নৈ চাৰিকড়ীয়া। আহোমৰ ৰাজত্বকালত চাৰিটা কড়ী দি ঘাট পাৰ হ'ব লাগে বাবে এই নৈখনৰ নাম চাৰিকড়ীয়া। আহোম ৰজা ৰাজেশ্বৰ সিংহই চাৰিকড়ীয়া আৰু কড়া নদী সংযোগ কৰি এটা জান খন্দাইছিল। এই জানটোৰ নাম ঢকুৱাখনা জান। ঢকুৱাখনা জানটো খান্দোতে তামোলৰ ঢকুৱাৰে মাটিবোৰ পাৰলৈ তোলা হৈছিল বাবে ইয়াৰ নাম ঢকুৱাখনা জান আৰু ঠাইখনক ঢকুৱাখনা বুলি জনা যায়।" (পৃষ্ঠ ১২২ )

এই ঢকুৱাখনাৰে ঢকুৱাখনা ফাটবিহু কমিটিৰ আমন্ত্ৰণ ক্ৰমে মই যোৱা ২০১৪ চনৰ মে মাহৰ দহ তাৰিখে ঢকুৱাখনাত উপস্থিত হৈছিলো। সেইমাহৰ ন,দহ, আৰু এঘাৰ তাৰিখত এই ফাটবিহু সন্মিলনৰ তাৰিখ পৰিছিল। মই আছিলো মুকলি অধিবেশনৰ আমন্ত্ৰিত অতিথি। কটন কলেজৰ মোৰ প্ৰিয় প্ৰাক্তন অধ্যাপক ড° ৰমেশ পাঠক ছাৰো বিশিষ্ট অতিথিৰূপে আমন্ত্ৰিত হৈছিল।

এঘাৰ তাৰিখে মই ঠিক বাৰমান বজাত মোৰ ভাতৃ প্ৰতিম নৰনাৰায়ণ বুঢ়াগোহাঁইৰ লগত অধিৱেশনস্থলী পালোগৈ । লোকে লোকাৰণ্য ঢকুৱাখনা। চাৰিওপিনে মানুহ, মানুহ কেৱল মানুহ। বিৰদি বাট নোপোৱা অৱস্থা। বিহুৰ উদ্যোক্তা প্ৰধানকৈ কেশৱ গগৈ ডাঙৰীয়াই (এওঁ আমাৰ সতে একেলগে কটন কলেজত পঢ়িছিল) মোক ঢকুৱাখনাৰ ইনচপেকচন বাংলা লৈ লৈ গ'ল) বাটতে তেখেতে ক'লে - পাঠক ছাৰো আহি ইয়াতে উঠিছেহি; ছাৰক আপুনি কিছুসময় সঙ্গ দিয়ক।"

আমি আগবাঢ়িলো। মাজে মাজে বৰষুণ। ইপিনে সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হৈছে। বহুতো মানুহ। বাংলোত মই পাঠক ছাৰক লগ পাই মনটো বৰ ভাল লাগিল। পাঠক ছাৰ বৰ ৰসিক। সি মোক সুধিলে -

ঃ কেতিয়া আহিলা?

ঃ যোৱা কালিয়েই আহিলো, ছাৰ। আপুনি?

ঃ মোৰ কথা কি কবা? মোৰ হাতত এতিয়া অফুৰন্ত সময়। মই শ্ৰেণীবিহীন(Classless) মানুহ। (ছাৰে ইয়াতে "ক্লাচলেচ" মানে কালমাৰ্ক্সৰ শ্ৰেণীবিহীন সমাজৰ কথা কোৱা নাই। কলেজৰ ক্লাচৰ কথা কৈছে। ছাৰে অৱসৰ পাইছে যেতিয়া এতিয়া কলেজত ক্লাছ কৰিব নালাগে। সেয়ে ক্লাচলেচ) । যোৱা কালি আবেলিয়েই পাইছোহি।

সভাৰ আৰম্ভ হোৱাৰ আগতে বিভিন্ন প্ৰসঙ্গ টানি দুয়ো কথা পতিলো। মাজে মাজে বৰষুণ। ছাৰে

এবাৰ কৈ উঠিল -
ঃ বুজিছা গোস্বামী; দেৱকান্ত বৰুৱাৰ এটি কবিতা পঢ়িছিলো-
ঃ কিয় মনত পেলালে ছাৰ?
ঃ ঢকুৱাখনাৰ বৰযুণ দেখি।

বৰুৱাৰ কবিতাটি আছিল দিল্লীৰ বৰষুণকলৈ। সম্ভৱতঃ এটি স্তৱক এনেকুৱা আছিল -

"এই আহে এই যায়
দিল্লীৰ বৰষুণ।"

ঃ মই পঢ়া নাই ছাৰ।
ঃ তুমি আৰু ক'ত পঢ়িবা। ইয়াৰ বৰষুণো দিল্লীৰ দৰেই। এজাক আহিল, কিছুসময় থাকি গ'ল। আন এজাক আহিল গ'ল। ৰাতিপুৱাৰ পৰা মই এই বাংলোত বহি তাকেই চাই আছো। বৰষুণ সম্পৰ্কে ইয়াত কাৰোবে মুখতে কোনো মন্তব্য শুনা নাই। বৰষুণ আহিছে বৰষুণ গৈছে।

আমাৰ আলোচনা চলি থাকোতে কমিটিৰ বিষয়ববীয়াই আমাক জনালেহি যে মুকলি সভাখন আৰম্ভ হবৰ সময় হৈছে। মুল মণ্ডপলৈ আমি যাব লাগে।

নিদ্ধাৰিত সময়তকৈ অলপ দেৰীকৈয়ে সভা আৰম্ভ হ'ল। নিমন্ত্ৰিত অতিথিৰ সম্বৰ্দ্ধনা শেষ হ'ল। পোন প্ৰথমে ড° পাঠক ছাৰে বক্তৃতা আৰম্ভ কৰিলে। ফাটবিহু সম্পৰ্কে ছাৰে বিতংভাৱে আচল কৰিলে। সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যয়ো মা, মাতৃভাষা আৰু মাতৃভূমিৰ বিষয়ে বিতংভাৱে আলোচনা কৰিলে। প্ৰায় সন্ধিয়া আৰম্ভ হবৰ সময় হৈছে। দিনমনি প্ৰায় অস্তাচলত। এনেতে সভাপতিয়ে মোক ভাষণ ৰখাৰ বাবে অনুৰোধ জনালে-

সভাত উপবিষ্ট সজ্জন সকলক সম্বোধি মই আৰম্ভ কৰিছিলো মোৰ কথা - "শ্ৰদ্ধেয় ফাটবিহু বলীয়া ৰাইজ। ফাটবিহু ঢকুৱাখনাৰ এটি নিজস্ব উৎসৱ। অসমৰ অন্য ঠাইত বিহু অনুষ্ঠান, উৎসৱ বা মহোৎসৱক ফাটবিহুৰ সতে তুলনা কৰিব নোৱাৰি। ইয়াৰ এটি নিজস্ব ঐতিহ্য আছে। আছে ইয়াৰ নিজস্ব বৈশিষ্ট্য। ইতিহাসৰ আপোনাসৱৰ এই ঢকুৱাখনাৰ নাম আছিল হাবুং। শব্দটো মঙ্গোলীয় মূলৰ। "হা" শব্দৰ অৰ্থ মাটি আৰু "বুং" শব্দৰ অৰ্থ হ'ল পলসুৱা। কাজেই পলসুৱা ভূমিয়েই হল হাবুংঙৰ অন্তৰ্নিহিত অৰ্থ।

আহোম ৰজাৰ ৰাজত্বকালত বহুতো পাহৰীয়া মানুহে বেহা-বেপাৰ কৰিবলৈ ভৈয়ামলৈ আহিছিল। তেওঁলোকক হাট বা ফাট পাতি দিয়া হৈছিল চাৰিকড়ীয়া নদীৰ পাৰত। এই চাৰিকড়ীয়া নদীয়ে ঢকুৱাখনাৰ সামগ্ৰিক উন্নয়ণৰ এক অতীৱ গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আমি জানো যে কোনো এখন দেশৰ অৰ্থনৈতিক উন্নয়নত নদীসমূহে এক প্ৰধান ভূমিকা পালন কৰে। উদাহৰণ স্বৰূপে - ইংলণ্ডৰ টেমচ নদীয়ে, আমেৰিকাত মিচিচিপি নদীয়ে, জাৰ্মানত ৰাইন নদীয়ে, নিউইয়ৰ্কত হাডচন নদীয়ে, পেৰিচত ছেন নদীয়ে, ফ্লোৰেন্সত আৰ্নো নদীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

আকৌ ফাট শব্দলৈ উভতি আহো। অসমৰ বিভিন্ন ঠাইত ফাট শব্দটোৰ প্ৰচলন আছে। যেনে - শিৱসাগৰৰ নগা ফাট, দৰং জিলাৰ ভুটিয়া ফাট, নগাঁও জিলাৰ হলাৰ ফাট, কাজিৰঙাৰ কলাৰ ফাট ইত্যাদি।

অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা আহোম ৰাজবিষয়া সকলে নিয়মীয়াকৈ আহি ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ ফাটত কৰ-কাটল তুলিছিল জনসাধাৰণৰ পৰা। এই কৰ-কাটল তুলিবৰ বাবে তেওঁলোকে শিবিৰ পাতি, ছাউনি পাতি বাস কৰিছিল। এই ছাউনিবোৰ অস্থায়ী ৰূপত তৈয়াৰ কৰা হৈছিল। ৰাজকীয় কৰ সংগ্ৰহত ব্যস্ত থকা বিষয়াসকলৰ আমোদ-প্ৰমোদৰ বাবে চাৰিকড়ীয়া নৈৰ দুয়োপাৰে বসতি স্থাপন কৰা বিভিন্ন জনগোষ্ঠী সমূহৰ ডেকা-গাভৰু, যুৱক-যুৱতী সকলে বিৰিণা আৰু ঝাউবনৰ মাজে মাজে নৈৰ ফাটত জুমে জুমে বিহুৰ খোলা পাতিছিল। এই বিহু উপভোগ কৰিবলৈ ওচৰৰ নৈ পৰীয়া কৃষিজীৱিলোকে ঢপলিয়াই আহিছিল। নৈৰ ফাঁটত কৰ দিবলৈ অহা জন সমাগমৰ উপলক্ষ্যত, চাৰিকড়ীয়া নৈৰ পাৰে এটি নতুন ৰূপ পৰিগ্ৰহ কৰিছিল। লাহে লাহে চাৰিকড়ীয়া নদীৰ ফাটত হোৱা বিহুৱে, পিছলৈ চাৰিকড়ীয়া নৈৰ ফাটবিহু আৰু কালক্ৰমত ঢকুৱাখনা ফাট হিচাবে পৰিগণিত হলগৈ।

সম্প্ৰতি গোলকী কৰণৰ যুগ। গোটেই পৃথিৱী এখন সৰু গাঁও। গোলকীকৰণে সাহিত্য সংস্কৃতিৰ ওপৰত এটা গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছে বিশেষকৈ থলুৱা সংস্কৃতিৰ ওপৰৰ। সাম্প্ৰতিক সময়ত গোলকীকৰণ অৱধাৰিত। গোলকীকৰণৰ লগত সুৰ মিলাই স্বকীয়তা বৰ্তাই ৰাখি ফাটবিহু আগবাঢ়ি যাব লাগিব। সম্প্ৰীতিৰ বাৰ্তা বাহক হৈ ফাটবিহুৱে অসম তথা ভাৰতবাসীক দিয়ক সংস্কৃতিৰ নতুন সুৰ। সেই সুৰ নিনাদিত হওঁক গোটেই পৃথিৱীতে। ইয়াকে আমি কামনা কৰিছো।

ফাটবিহু উপলক্ষে ঢকুৱাখনালৈ যোৱাৰ ক্ষেত্ৰত, মই ঢকুৱাখনাৰ দীঘলা গাঁওৰ শ্ৰীযুত বগেন গোহাই ডাঙৰীয়াৰ পৰিয়ালৰ নাম লবই লাগিব। এথেত সকলৰ ঘৰতে মই আছিলো। বগেন গোহাঁইৰ মাজু পুত্ৰ নৰ নাৰায়ণ বুঢ়াগোহাঁই নৰ্থ লেংক কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰবক্তা। মোৰ ভাতৃ প্ৰতিম কম বয়সীয়া হলেও বন্ধুৰ দৰে। অতিশয় ভদ্ৰ। নৰনাৰায়ণৰ মা-দেউতা, ককায়েক প্ৰণৱ, ভায়েক বিশ্ব, বৌয়েক সকলোৱে অতিথিক সাক্ষাৎ দামোদৰ বুলি ভাবে। ফাটবিহুত সকলোৱে ধুতী আৰু মুগাৰ পাঞ্জাবী চোলা পিন্ধিব লাগে। মোৰ পাঞ্জাবী এটি আছিল, বগা। মুগাৰ নহয়। মই ফাটবিহুলৈ যাম বুলি ভাবিয়েই নৰনাৰায়ণৰ পৰম আৰাধ্যা মাতৃয়ে এটি সুন্দৰ মুগাৰ পাঞ্জাবী চিলাই থৈছিল। নিজৰ বাৰীৰ চোমনিৰ মুগাৰ পৰা নিজহাতে কটা সূতাৰে। এইজনী মানুহক কেনেকৈ পাহৰিম। আতিথ্যৰ কথা নকলোৱেইবা। নৰনাৰায়ণক ককাইদেউ শ্ৰীমান প্ৰণৱে মোক ধুতীখন পিন্ধাই দিয়াৰ কথা চিৰদিন মনত থাকিব। তেৱে মোক ধুতী পিন্ধাৰ শিক্ষা দিছিল।

বিহু অসমৰ, ফাটবিহু ঢকুৱাখনাৰ। আধুনিকতাৰ সতে যুঁজি, গোলকীকৰণৰ লগত ফেৰ মাৰি ফাটবিহু বিশ্বদৰবাৰত প্ৰতিষ্ঠিত হওঁক - তাৰেই কামনা কৰিছো।

*লেখক - পৰীক্ষা নিয়ন্ত্ৰক,*
*অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ*
*গুৱাহাটী-২১*

০০০০০



# বিদেশী পৰ্যটকৰ দৃষ্টিত ফাটবিহু ঃ

*ফাটবিহুৰ গৰিমা দেশৰ চাৰিসীমা পাৰ হৈ ইতিমধ্যে বিশ্বৰ প্ৰান্তে প্ৰান্তে বিয়পি পৰিছে। ইয়াৰ জনপ্ৰিয়তাও ক্ৰমে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰ্যটকে ফাটবিহু উপভোগ কৰি আনন্দ লভিছে। তেখেতসকলৰ মাজৰ দুগৰাকীমান পৰ্যটকে ফাটবিহু সম্পৰ্কে দিয়া মন্তব্য আগবঢ়োৱা হ'ল ঃ*

*— সম্পাদক*

হৰুহিচা আচাডা,
প্ৰবক্তা, নাৰা মহিলা বিশ্ববিদ্যালয়, জাপান

মই অসমত থকা দীঘলীয়া সময়ছোৱাত ঢকুৱাখনাৰ ফাটবিহু চাই আনন্দ পালো আৰু ই মোৰ বাবে স্মৰণীয় হৈ ৰ'ব। মই জেং বিহুৰ বাৰেৰহণীয়া সৌন্দৰ্য কাহানিও পাহৰিব নোৱাৰিম, য'ত অসমীয়া সংস্কৃতিৰ প্ৰাণপ্ৰাচুৰ্য বিভিন্ন জাতি-জনগোষ্ঠীৰ সংহতি নিহিত হৈছে। মই আশা কৰিম - এই বিহু আগলৈকে অনুষ্ঠিত কৰা হওক আৰু ঐতিহ্যমণ্ডিত এই উৎসবটি মহীয়ান কৰিবলৈ সকলো আগবাঢ়ি আহিব।

প্ৰীতি আৰু শ্ৰদ্ধাৰে
হৰুহিচা আচাডা

From:

"ASADA Haruhisa" <asadaharuhisa@hotmail.com>

To:

"swapnaligogoi77@yahoo.com" <swapnaligogoi77@yahoo.com> "bimanchetia@yahoo.co.in"

<bimanchetia@yahoo.co.in>

Full Headers Printable View

Dear Swapnali baideu, Biman Chetiya sir,

How are you and your family doing? I am fine with my wife in Japan.

A few days back, Dr. Barua sir gave me phone call that he requested me to write a short comment on Phato Bihu and send it to Mr. Indibar Buragohain by email.
But I can not send my message to his email address because I could not hear his email address from Barua sir cleary over phone.
So I would like to ask you to confirm Mr. Indibar Buragohain's email address from Barua sir, and kindly send my following message to him.

My message on Phato Bihu is as follows

Phato bihu in Dhakuakhana is the most memorable event during my longtime stay in Assam. I cannot forget the colorful sight of Jeng Bihu, which shows the richness of Assamese culture and unity of various ethnic communities. I hope this festival would continue into the future, and more people, especially from abroad, come to touch with this historical ceremony.

Best regards,

Haruhisa Asada
Lecturer, Nara Women's University, Japan

হৰুহিচা আচাডাৰ ই-মেইল

ড° আৰ. এচ. মান
কানাডা

অসম আৰু অসমীয়া কৃষ্টি-সংস্কৃতিয়ে মোক এক নতুন চিন্তাৰ সন্ধান দিলে য'ত মই দেখিবলৈ পাওঁ সুন্দৰতৰ অদ্ভুত প্ৰকাশ। ৰাজ্যখনৰ প্ৰকৃতি যেনেদৰে মোহনীয়, সেইদৰে ইয়াৰ উৎসৱ পাৰ্বন বিলাকো অতি ৰং-চঙীয়া। ঢকুৱাখনাৰ ফাটবিহু দেখি মই অভিভূত হৈছো। তাৰ জাতীয়-সাজপাৰে মোক অতি আকৰ্ষিত কৰিছে। ডাঃ অৰুণ কুমাৰ শৰ্মাৰ সৈতে মই যেতিয়া ফাট বিহু চাবলৈ ঢকুৱাখনালৈ গৈছিলো তেতিয়া মই প্ৰকৃতিৰ এখন নতুন ৰাজ্যত পদাৰ্পণ কৰিছিলো। য'ত চৌপাশে দেখিছিলো কেৱল সৌন্দৰ্য আৰু ৰং। অগনন মানুহৰ মনত চিটিকি পৰিছিল- এই ৰং। যি ৰঙে মানুহক পাহৰাই ৰাখিব পাৰে- পাৰ্থীৱ দুখ যন্ত্ৰণা। যি ৰঙে মানুহক দিব পাৰে মৰম, শান্তনা আৰু সংহতিৰ পৰশ।

আৰ. এচ. মান
কানাডা

# উছৰৰ মধু আলোড়ন

ডাঃ অঞ্জনজ্যোতি চৌধুৰী

২০১২ চনত মই ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহুলৈ বিশিষ্ট অতিথি হৈ গৈছেলোঁ। অসমৰ বিভিন্ন জনগোষ্ঠীৰ দ্বাৰা পৰিবেশিত বিভিন্ন লোকনৃত্য, লোকবাদ্য, লোকগীত শুনি অভিভূত হৈ পৰিছিলোঁ। তবধ মানিছিলো। ভাষণ প্ৰসংগত মই কৈছিলো 'আজি মোৰ সৰগৰ ইন্দ্ৰপুৰীত থকা যেন লাগিছে।' ফাটবিহু উদ্‌যাপনৰ কেইদিনমান আগতে মোৰ দাদা ড° অমৰজ্যোতি চৌধুৰীয়ে ৰচনা কৰা এটি গীত মই সুৰেৰে সজাই বাণীবদ্ধ কৰিছিলো গুৱাহাটীৰ শব্দৰূপা ষ্টুডিঅত। বিশিষ্ট সংগীত পৰিচালক ৰূপম তালুকদাৰে অতি সুন্দৰভাৱে গীতটি সজাইছিল। গীতটি গাবলৈ পাই মই ধন্য হৈছিলোঁ। গীতটি আছিল এনেধৰণৰ -

'বিহু এপাক নাচি যা, বিহু এপাক নাচি যা
ঢকুৱাখনাৰ বাইজ ফাটবিহু নাচি যা
বিহুৰ সোপানেৰে জাতিটো জগাই যা
বিহু এপাক নাচি যা, বিহু এপাক নাচি যা
চাৰিকড়ীয়াৰ ৰূপে জীৱনটো উপচা
ব'হাগৰ ৰূপ ৰস বুকুতেই ৰই যা
বিহুৰ দৰেই ভেদাভেদ নামি যা

.............................

বিহুৰ আনন্দ আকৌ আহিল। বিশিষ্ট সংগীত পৰিচালক পুৰুষোত্তম দাসদেৱৰ ভাষাৰে 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উৎসৱৰ মধু আলোড়ন।' বিহু আহিছে ৰং ৰহইচ বিলাবলৈ। ব'হাগ বুলিলেই বাৰে বাৰে মনত পৰে শৈশৱলৈ, কৈশোৰৰ এৰি অহা দিনবোৰলৈ। কাৰণ এই সময়ছোৱাতে আমাৰ মনৰ মাজত সঞ্চাৰ হৈছিল ব'হাগৰ ৰংৰূপৰ চেতনা। সৰুতে যেতিয়া বিহুৰ দিনা মাহ হালধিৰে গা-পা ধুই নতুন সাজ পিন্ধি কান্ধত বিহুৱান লৈ উৎসৱৰ এক বুজাব নোৱাৰা অনন্দত মতলীয়া হৈছিলো, মা-দেউতাই প্ৰথমেই আমাক লৈ গৈছিল আইতা, ৰৰদেউতা, জেঠাই ঘৰলৈ। ডাঙৰ সকলোকে বিহুৰ সেৱা জনোৱাটো আছিল আমাৰ পৰম্পৰা, বিনিময়ত আমি পাইছিলো ডাঙৰ সকলৰ পৰা স্নেহ,আলিংগন আৰু শুভাশিষ। এয়াতো আমাৰ সংস্কৃতিৰে এক অংশ, যি আমাৰ মনৰ ভিতৰখন ধুই নিকা কৰি পেলাইছিল। প্ৰীতি আৰু সম্প্ৰীতিৰ এই মেলাত আত্মীয়তাৰ মনোভাৱে এজনক আনজনৰ সৈতে চেনেহ সূতাৰে বান্ধিবলৈ শিকাইছিল। সন্ধিয়া দেউতাৰ হাতত ধৰি লতাশিল পথাৰত বিহু চাবলৈ যাওঁতে বিজুলি চেৰেকনিৰে অহা ধুমুহা বতাহজাকে আমাৰ মনত জগাই তুলিছিল অফুৰন্ত সাহস। ঢোল, পেপাঁ, গগনাৰ মাতত যেতিয়া সকলো মতলীয়া হৈছিল, ডেকা গাভৰুৰ বিহুনাচৰ তালে তালে আমিও কৰ্কাল ঘূৰাইছিলো। চাৰিওফালে তেতিয়া আছিল উল্লাহ,মাথো উল্লাহ।

এতিয়াও ব'হাগ বুলিলে মন উৰা মাৰে ল'ৰালি কাললৈ। মনত পৰে লতাশিল বিহুতলীৰ বিভিন্ন খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানবোৰলৈ। বিশেষকৈ মোৰ দেউতা লক্ষ্যধৰ চৌধুৰীয়ে অভিনয় কৰা মণিৰাম দেৱান, পিয়লি ফুকন আৰু লাচিত বৰফুকন আদি নাটসমূহৰ দৃশ্যসমূহলৈ। মনত পৰে আমাৰ সাদৰী আইতাই আমাক বেলুন, আইচক্ৰীম, মিঠাই আদি কিনি দিবলৈ দিয়া আধলি, সিকিকেইটালৈ। 'আইতা' মানে লতাশিল খেলপথাৰৰ ওচৰতে থকা (ফটিক বোড) দেউতাৰ খুড়ীয়েকৰ কথা কৈছোঁ। আমাৰ নিজৰ আইতাক আমি দেখা নাই। দেউতাৰ খুড়ীয়েককেই আমি আইতা বুলিছিলোঁ আৰু তেওঁলোকৰ ঘৰখনক বুলিছিলোঁ আইতাৰ ঘৰ। আইতাৰেই ল'ৰা বিখ্যাত ফুটবল খেলুৰৈ পিলিক চৌধুৰী, কুনকুন চৌধুৰী, ডম্বৰু চৌধুৰী, পুষ্প চৌধুৰী। পিলিকদাৰ পৰিবাৰ পোনা খুড়ী, জীয়েক মইন পেহী, জুনু পেহীহঁতৰ মৰম-চেনেহৰ কথা ব'হাগ আহিলেই বেছিকৈ মনত পৰে। 'মানুহ বিহু'ৰ দিনা লতাশিল পথাৰত সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ মাজত চিনিকীয়া চাইকেল চলোৱা প্ৰতিযোগিতা হৈছিল। তাত মই প্ৰায়েই যোগ দিছেলোঁ। প্ৰথম, দ্বিতীয় স্থান পাই-নাপাই পুৰস্কাৰ নাপালে বৰকৈ কান্দিছিলোঁ। তেতিয়া দেউতা আৰু পিলিকদাই খেলপথাৰৰ পৰা বাহিৰে বাহিৰে পাণবজাৰলৈ লৈ গৈ দোকানৰপৰা ট্ৰফী কিনি মই পুৰস্কাৰ পোৱা বুলি এনেয়ে কৈছিল। তেতিয়াহে বোলে খং মাৰ গৈছিল। চতুৰ্থ শ্ৰেণী পোৱাৰ পাছত মই দেউতাই লিখা 'মোৰ লক্ষ্য' নামৰ পদ্যটো আবৃত্তি কৰি সঁচাকৈ পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলোঁ। সেই বোৰ কথা মনত পৰিলে আজিও পৰম তৃপ্তি লাভ কৰোঁ।

আমাৰ ল'ৰালি কালটো সঁচাকৈয়ে সুখৰ আছিল। আমাৰ মা প্ৰয়াত উষা চৌধুৰী শিক্ষয়িত্ৰী আছিল। দেউতা প্ৰয়াত লক্ষ্যধৰ চৌধুৰীয়ে সাহিত্য-সংস্কৃতি, সমাজসেৱা, ৰাজনীতিৰ বিভিন্ন কামত হাতত ছাতি এটা লৈ দিনটো টলৌ টলৌকৈ ঘূৰি ফুৰে। দেউতা সন্ধিয়া ঘৰলৈ অহাৰ পাছতো আমাৰ ৰং-ৰহইচ আৰম্ভ হৈ যায়। দেউতাৰ ওপজা গাঁওখনৰ নাম আছিল ৰামহল। গাঁওখনৰ নামটো দেউতাৰ লগত মিলি গৈছিল। দেউতা নিজেই আছিল ৰঙৰ মহল। দেউতা ঘৰলৈ অহাৰ পাছতো দাদা-বাইদেউ আৰু মই গান গাঁও, আবৃত্তি কৰোঁ, দেউতাই নাটকৰ বচন মাতিবলৈ ধৰে। ইয়াৰ পাছতে মা-দেউতাই আমাক ৰামায়ণ-মহাভাৰতৰ বিভিন্ন আখ্যানৰ লগতে দেশ-বিদেশৰ সাধুকথা ক'বলৈ ধৰে। তাৰপাছত আমি নিজৰ নিজৰ পঢ়া-শুনাত লাগি যাওঁ। এবাৰ দাদাক পঢ়াশালিত আবৃত্তি কৰিবলৈ এটা কবিতা লগা হ'ল। দেউতাক কথাতো কোৱাত দেউতাই নিজেই এটা কবিতা লিখি দিলে। সেই কবিতাটো পাছত পঢ়াশালিৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছিল। প্ৰথমে দেউতাই গান্ধীজী, জৱাহৰলাল নেহৰু, জয়প্ৰকাশ নাৰায়ণ আৰু লাচিত বৰফুকনক লৈ লিখা এটা কবিতা দাদাক দি আবৃত্তি কৰিবলৈ ক'লে। কবিতাটি আছিল এনেধৰণৰ - "মই গান্ধীজীৰ দৰে হ'ম/ সদায় সত্য কথাহে ক'ম/অহিংস ব্ৰতেৰে জগত জিনিম/সত্য পথতহে ৰ'ম/মই হ'ম জৱাহৰলাল/পৰাধীনতাৰ সাগৰ সাঁতুৰি/তৰিম জয়ৰ পাল/মই হ'ম জৱাহৰলাল/মই হ'ম জয়প্ৰকাশ/নহওঁ কাৰোৰে দাস /উচ্চ-নীচৰ শিপা উভালিম/নিজৰ ভৰিত নিজে থিয় দিম/নকৰোঁ পৰত আশ/মই হ'ম জয়প্ৰকাশ/মই লাচিত বৰফুকন হ'ম/দেশতকৈ মোমাই ডাঙৰ নহয়/জগতক চিঞৰি ক'ম/মই লাচিত বৰফুকন হ'ম।

কবিতাটো পাই দাদাই বৰ ধুনীয়াকৈ আবৃত্তি কৰিবলৈ ধৰিলে। দাদাক কবিতাটো দিয়া দেখি বাইদেউৰ ঠেহ লাগিল। বাইদেউকো তেনেধৰণৰ কবিতা লগা হ'ল। দেউতাই বাইদেউলৈ বুলি কবিতা লিখি উলিয়ালে এনেদৰে - "মই হ'ম কনকলতা /প্ৰাণ বলি দিও উধাৰি আনিম/দেশৰ স্বাধীনতা /মই হ'ম কনকলতা/মই হ'ম সৰোজিনী /বিশ্ব বিজয়িনী/সুপ্ত ভাৰত জগাই তুলিম/ঢালি সঞ্জীৱনী।"

কবিতাটো পাই বাইদেউৱে স্ফূৰ্তিতে সাত জঁপ মাৰিলে। লগেলগে আবৃত্তি কৰিবলৈ লাগি গ'ল। দেউতাই ধুনীয়াকৈ ছন্দ মিলাই মিলাই কবিতা লিখা দেখি ময়ো এদিন এটা কবিতা লিখি ভয়ে ভয়ে মাক চাবলৈ দিলোঁ। কবিতাটোৰ প্ৰথম শাৰী আছিল এনেকুৱা -

"মা, যদি তুমি মোক ভালপোৱা
ভাজি দিয়া এখন মালপোৱা।"

বাইদেউৱে কবিতাটো দেখি হাঁহি হাঁহি কৈছিল "ই ডাঙৰ হ'লে নামজ্বলা কবি হ'ব পাৰিব। যি মূলা বাঢ়ে তাৰ দুপাততে চিন। অঞ্জনৰ চিন অকল দুপাততে থকা নাই, বাকী গোটেই পাতবোৰলৈও বিয়পি পৰিছে।" বাইদেউৰ কথা শুনি সকলোৱে গিৰ্জনি মাৰি হাঁহিলে।

দেউতাই বং-ৰহইচৰ মাজেদিয়েই আমাক পঢ়াশালিত প্ৰয়োজন হোৱা কিছুমান কথাও শিকাইছিল। কবিতাৰ দৰে গাই দিছিল বাবে আমাৰ তৎক্ষণাত মনত বৈ গৈছিল। প্ৰাথমিক বিদ্যালয়ত আমাক শিক্ষকসকলে ডাঙৰ ডাঙৰ মাছৰ নাম, গোন্ধ থকা ফুলৰ নাম আদি ক'বলৈ দিছিল। ডাঙৰ ডাঙৰ মাছৰ নাম দেউতাক সোধাৰ লগে লগে দেউতাই সুৰ লগাই গাই দিছিল -"বৌ, বাহু, ভেউ, আঁৰি, বৰালি, চিতল ছটা মাছৰ নাম হৈ গ'ল।" আমাৰ সৰু ভাইটি অনুপৰ যেতিয়া আধাফুটা মাত শুনি আমি স্ফূৰ্তি কৰিছিলোঁ, সেই সময়তে দেউতাই তাক এটা কবিতা শিকাই দিছিল -

"মই এতিয়া ডাঙৰ হৈছোঁ মামক বোলো ভাত/তলে-ওপৰে দুয়োপাৰিতে গজিছে চোৱা দাঁত/মেও বুলিলে ভয় নকৰোঁ, মেকুৰীৰ নেজত ধৰোঁ /কাণখোৱাটো আছে যদি নাহে কেলেই বাৰু?"

দেউতা শিক্ষক আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত দেউতাই শিক্ষকতা বাদ দিছিল। ভাৰত স্বাধীন হোৱাৰ পাছত দেউতাই শাসনত থকা দললৈ নগৈ বিৰোধী ৰাজনৈতিক দলত যোগ দিছিল। মায়ে পাণবজাৰ ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী কাম কৰি পোৱা বেতনেৰেই আমাৰ ঘৰখন টনা-টনিকৈ চলিছিল। অনাতাঁৰ কেন্দ্ৰৰ বাবে নাটক লিখি পোৱা টকাৰে দেউতাই কেতিয়াবা ফল-মূল,মিঠাই, মাছ-মাংস লৈ আহে। নতুন নতুন কিতাপো আনি দিয়ে। আমাৰ বেমাৰ-আজাৰ হ'লে দেউতা দিনত সাধাৰণতে ক'লৈকো নগৈছিল। আমাৰ ওচৰতে থাকি নানা ধৰণৰ সাধুকথা, সঁচা কাহিনী কৈ থাকে। অসুখত যিহকে বিচাৰোঁ মায়ে তাকে আনি খাবলৈ দিছিল। সেইকাৰণে বেমাৰ-আজাৰ হ'লে মই ভালেই পাইছিলোঁ আৰু এটা কথাত মাৰ বাহিৰে আমি সকলোৱে ভাল পাইছিলোঁ। অলপ বেছিকৈ বৰষুণ দিলেই আমাৰ ঘৰত পানী উঠে। মায়ে খাটৰ ওপৰত ষ্টভত ভাত ৰান্ধি থাকে আৰু মাজে মাজে আমাক নিমখীয়া বা মিঠা মালপোৱা, আলুভজা, বেচনৰ পকৰি আদি বনাই বনাই দি থাকে। দেউতাই বিছনাতে বহি আমাক ৰামায়ণ-মহাভাৰতৰ কাহিনীবোৰ কৈ থাকে। মাজে মাজে 'বক্ষকুমাৰ', 'পিয়লি ফুকন' আদি নাটকৰ বচনবোৰ মাতি থাকে। সেই সময়খিনিতে আমি মৰততে সৰগ বিচাৰি পোৱা যেন পাইছিলোঁ। দেউতাৰ ওচৰলৈ গাঁও-ভূঁইৰ পৰা বহু মানুহ আহি থাকে। এদিন এখন গাঁৱৰ এজন লোকে অলপ মলিয়ন কাপোৰ পিন্ধি আমাৰ ঘৰলৈ আহিছিল। মই তেওঁলৈ অলপ অৱজ্ঞাৰ ভাবেৰে চাইছিলোঁ। দেউতাই কথাটো ধৰিব পাৰি মোক জীৱনৰ এটা ডাঙৰ পাঠ শিকালে, "ভাল কাপোৰ পিন্ধিলেই ভাল মানুহ হ'ব নোৱাৰি। এই যে মানুহজন দেখিছ, তেখেত এজন প্ৰকৃত সমাজসেৱক। ৰাইজৰ সুখ-দুখৰ কথা চিন্তা কৰাৰ বাহিৰে তেওঁৰ আন চিন্তা নাই। তেওঁক এটা সেৱা জনাই আহগৈ যা।" দেউতাই আমাক শিক্ষা দিছিল এনেদৰে - "মানুহতকৈ ডাঙৰ দেৱতা নাই। মানুহক ভাল পাবলৈ শিকা। মানুহৰ সেৱা কৰিবলৈ জানিলেই ভগৱান সন্তুষ্ট হ'ব।" সকলোৱে মা-দেউতাৰ পৰা এনে বহু অমৃত শিক্ষা পাইছিলোঁ।

আগতে আমাৰ উজান বজাৰৰ 'লতাশিল বিহুতলী'ত গান গোৱাটো বৰ আনন্দৰ আৰু ভাগ্যৰ কথা আছিল। তেতিয়া আমি অষ্টম শ্ৰেণীৰ ছাত্ৰ। আমি উজান বজাৰৰ স্থানীয় ল'ৰাবোৰে মঞ্চত গান গাবৰ সুযোগ পাবৰ বাবে বিহু মঞ্চৰ ওচৰে-পাজৰে ঘূৰি ফুৰোঁ। তেতিয়া সাংস্কৃতিক সম্পাদক আছিল প্ৰয়াত নীৰেন বৰুৱা। নীৰেনদা প্ৰখ্যাত বৰুৱা পৰিয়ালৰ ল'ৰা। দিগ বৰুৱা, ব্ৰজেন বৰুৱা, দৈত্যেন বৰুৱা, দ্বিবন বৰুৱা, ৰমেন বৰুৱা, গিৰীণ বৰুৱাৰ ভায়েক, দ্বীপেনদাতকৈ ডাঙৰ আছিল। তেখেত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া ঘোষক আছিল। তেখেতৰ দৰদী কণ্ঠৰ মাত শুনিবলৈ আমি পুৱাই ৰেডিঅ' শুনি থাকোঁ। ৰেডিঅ'ত অসমীয়া বাতৰি পঢ়ি থাকিলে শুনোতাই ৰেডিঅ'ৰ কাষৰ পৰা আঁতৰি যাবই নোখোজে। এনেকুৱা মিঠা আছিল তেখেতৰ কণ্ঠস্বৰ। তেখেত এজন জনপ্ৰিয় আবৃত্তিকাৰো আছিল। বিহুৰ কেইদিনত ধুমুহা বতাহ আহিলে সকলোৰে মন মৰহি যায়। কিন্তু আমাৰ সমনীয়াবোৰৰ বৰ স্ফূৰ্তি লাগিছিল। ভাল নামী-দামী গায়ক-গায়িকাসকল ধুমুহা-বৰষুণৰ পাছত সাধাৰণতে গান গাবলৈ নাহে। সেয়ে আমি সাংস্কৃতিক সম্পাদকক খাটনি ধৰোঁ যাতে তেওঁলোক নাহিলে আমাক গান গাবলৈ সুযোগ দিয়ে। সেইবাৰো ধুমুহা-বতাহ অহাৰ পাছত আমি মিঠাকৈ গৈ বৰুৱাদাক ক'লোঁগৈ যে খগেন মহন্ত, অনিমা চৌধুৰী, দ্বীপেন বৰুৱা, নীলিমা খাতুন বাইদেউহঁত উত্তৰ গুৱাহাটীলৈ গান গাবলৈ গৈছিল। এতিয়া দুই-তিনিঘন্টাৰ আগতে আহি নাপায়। ধুমুহাত ডাঙৰ গছ এজোপা বাগৰি পৰাত উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ অহা বাট বন্ধ হৈ পৰিছে। সেয়ে যদি কিবা সাংস্কৃতিক কাৰ্যসূচী চলাই থাকিব লাগে, তেতিয়া আমিয়েই গান গাই এঘন্টা সময় কটাই দিব পাৰিম। তেতিয়াৰদিনত ম'বাইল ফোন নাছিল। গতিকে বিহুৰ কৰ্মকৰ্তাসকলেও সহজে গায়ক-গায়িকাসকলৰ সৈতে যোগাযোগ ৰক্ষা কৰিব নোৱাৰিছিল। সেয়ে আমাৰ কথা শুনি নীৰেনদাই ক'লে যে আমাক এটা দুটা গান গাবলৈ দিব। যদি ভালকৈ গাওঁ, তেতিয়া কোনো নহালৈকে গান গাই থাকিবলৈ দিব।

আমাৰ উলাহে হিয়া নধৰা অৱস্থা। যদিও ধুমুহা-বৰষুণৰ বাবে বিছ-পঁচিছজনমান দৰ্শক উপস্থিত আছিল, তথাপি আমাৰ আনন্দৰ সীমা নোহোৱা হ'ল। দৰ্শক কম থাকিলেও বিহু মঞ্চত উঠি মাইক্ৰ'ফোনত গান গোৱাৰ আমেজেই বেলেগ। আমি নীৰেনদাক আমাক গান গাবলৈ দিয়াৰ বাবে কৃতজ্ঞতা জনালোঁ। তেনেতে হঠাৎ নীৰেনদাই সুধিলে, "গছ কোন ঠাইত বাগৰিছে।" আমাৰ লগৰ কিৰণে চালে-বেৰে কোৰোৱাৰ দৰে ক'লে, "দাদা, গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত।" নীৰেনদাই ক'লে, "সেইটো বুজিছোঁ। কিন্তু কোনখিনি ঠাইত বাগৰিছে? " আমাৰ লগৰ খালেকুজ্জামানে ক'লে,"দাদা শৰাইঘাট দলঙৰ ওপৰত। মই নিজে দেখি আহিছোঁ।"কিছু সময় টলকা মাৰি নীৰেনদাই ক'লে, "শৰাঘাট দলঙত দেখোন গোটেই লোহা। তলত পানী। তাত গছ ক'ৰ পৰা আহিল? ইমান সৰু ল'ৰা হৈ তহঁতে মোক ফাঁকি দিবলৈ আহিছ?" খালেকে কথা কওঁতেই মই লাহেকৈ তাৰ পৰা ফালৰি কাটিলোঁ। সিহঁতো তলমূৰ কৰি তাৰপৰা আঁতৰি আহিবলৈ লওঁতেই নীৰেনদাই ক'লে "যা, এইবাৰ কাৰণে মাফ কৰিলোঁ। আজিৰপৰা এনে গোকাট ফাঁকি নামাৰিবি। তহঁতৰ গান গোৱাৰ আগ্ৰহ দেখি মোৰো ভাল লাগিছে। যা, এটা এটাকৈ গাই থাক।" দৰ্শক নাথাকিলে কি হ'ল, আমি এটা এটাকৈ হেঁপাহ পলুৱাই গান গালোঁ। এঘন্টামানতে বতৰ ভাল হ'ল। জনপ্ৰিয় শিল্পীসকল এজন এজনকৈ আহি পালে। আমাৰ কিন্তু সেইদিনা বহুদিনীয়া হেঁপাহ পূৰণ হ'ল। আমাৰ লগৰ প্ৰায় সকলোৱে কিবা নহয় কিবা বাদ্য-যন্ত্ৰ বজাব জানিছিলোঁ। আমি ছজনে বাদ্য-যন্ত্ৰত সুৰ সমলয় পৰিবেশন কৰিলোঁ। বতৰ ভাল হোৱাত শ্ৰোতা-দৰ্শকে বিহুতলী ভৰি গ'ল। দৰ্শকসকলে আমাৰ গান শুনিবলৈ নাপালে, কিন্তু সুৰ-সমলয় শুনি জাউৰীয়ে জাউৰীয়ে হাত চাপৰি দিলে। আজিও মাজে মাজে সেই দিনবোৰলৈ উভতি চাওঁ-তাহানিৰ ৰংসনা ৰঙীয়াল দিনবোৰৰ কথা ভাবিলেই অবুজ আনন্দত হিয়া-মন শাঁত পৰি যায়।

*অধ্যাপক, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়*

০০০০০

# বিহু-মোৰ শৈশৱৰ, মোৰ কৈশোৰৰ

ইলা দেৱী অধিকাৰী

সুন্দৰীদিয়া
মাথো এটি নাম নহয়
নহয় মাথো
চহৰ নগৰ কিম্বা জনবন
ই জনৰ প্ৰাণত মন সিঁচিব পৰা
এক দিব্য উপবন।

এয়া শ্ৰদ্ধেয় বন্ধু ওজাৰ লেখা। হয়, সুন্দৰীদিয়া এটি নাম নহয়। সুন্দৰীদিয়াই মানুহক মানুহ হোৱাৰ সুন্দৰীপথ দেখুৱায়।

এইখন সুন্দৰীদিয়াতেই এৰি থৈ আহিছোঁ মোৰ শৈশৱ, মোৰ কৈশোৰ।

সাত ব'হাগৰ দিনা কীৰ্ত্তনঘৰৰ কাঁথিত আইতাৰ কাযত বহি শুনি থাকোঁ -

"তাৰ পিছত কি হ'ল?" - পৰম আগ্ৰহেৰে গুৰুচৰিতত বৰবিলাৰ যক্ষ খেদা কাহিনী পঢ়ি থকা পাঠকক ভকতে সোধে।

'............ অখণ্ড গতিত চলি থকা পালনামৰ ধ্বনিত গৰুড়ৰ কান্ধত উঠি স্বয়ং বিষ্ণু নামি আহিছে সুন্দৰীদিয়ালৈ। দেহৰ পৰা বিচ্ছুৰিত হোৱা সুন্দৰ নীলাভ আভাই মুহূৰ্ততে চমৎকৃত কৰি তুলিছে ঠাইডোখৰ। গৰুড়ৰ পাখি লাগি অশ্বথ বৃক্ষৰ ডাল ভাঙি পৰিছে। ..................।"

এয়া মোৰ শৈশৱৰ বিহু সোঁৱৰণি। বিহু নহয়, বৰপেটাত বিহুক "দহ্মী" বুলি কয়। গৰু বিহুক "পহিলা দহ্মী", বৰবিহুক "বৰদহ্মী"।

বৰপেটা জিলাৰ এখন সৰু গাঁও সুন্দৰীদিয়া। ১৫৪৬ চনত মহাপুৰুষ মাধৱদেৱে ইয়াতে স্থাপন কৰিছিল সুন্দৰীদিয়া সত্ৰ। ভাগিনীয়েক ৰামচৰণ ঠাকুৰক সত্ৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰি তেৱাঁই সুন্দৰীদিয়াৰ পৰা বিদায় লয়। পিছত ১৫৭০ চনত তেৱাঁ পুনৰবাৰ সুন্দৰীদিয়ালৈ আহে আৰু তাতে চৌবিশ বছৰ ছয়মাহ কাল থাকি নাম-ঘোষাৰ দৰে পবিত্ৰ গ্ৰন্থ ৰচনা কৰে।

সুন্দৰীদিয়া বুঢ়া লুইত আৰু মানাহৰ সংগমস্থলৰ এটা চাপৰি, কামৰূপত চাপৰিক 'দিয়া' বোলে। সেইবাবে অপৰূপ সৌন্দৰ্যৰ এই ঠাইডোখৰৰ নাম হ'ল সুন্দৰীদিয়া।

সত্ৰনগৰী বৰপেটা আৰু ইয়াৰ ওচৰ-



গাঁওবৰ আটাইবোৰৰ সত্ৰ অঞ্চলতেই বিহুক সত্ৰীয়া ভাবধাৰাই আৱৰি ৰাখে। সেয়ে শৈশৱত কুলিৰ মাতে বসন্তৰ বতৰা দিয়াৰ লগে লগে মা আইতাৰ তাঁতশালৰ খট্‌খটনিয়ে মনক উল্লাসিত কৰিছিল। আমোচা এখন বিহুবানকৈ থাপানালৈ আগবঢ়াব লাগিব, সেইখন আঁচুতীয়াকৈ বৈ উলিয়াব লাগিব সেইটো চিন্তাই প্ৰথম আছিল, তাঁতশালৰ সমুখত বহি মা-আইতাক সূতা জোৰাবলৈ সহায় কৰি দিয়া সময়বোৰত কুলিচৰাইক জোকাই ৰং পাইছিলো। কুলিজনীৰ মুখে মুখে কুউ-কুউ কৈ চিঞৰি থাকোঁতে এটা সময়ত কুলিজনীয়ে চিঞৰিবলৈ এৰি দিয়ে।

মই কাউৰীবাঁহত কণী পৰা কুলিৰ কণী দেখা নাই, কিন্তু ৰাবিষাৰ আকাশখন ক'লামেঘে ঢাকিলেই অনিলে মাইঁতে কয় - "কুলিৰ ডিমাহেন হৈছে আকাশখন", বৰপেটাৰ ভাষাত ডিমা মানে কণী। এই কথাৰ পৰাই ধাৰণা হৈছিল - কুলিৰ কণী ক'লা।

মা-আইতাহঁত তাঁতশালত ব্যস্ত থকা দিনবোৰত সন্ধিয়া সন্ধিয়া দাদা-খুৰাহঁত ব্যস্ত থাকে পঘা বটাত। পঘা, এবাল ভাগে ভাগে বটি উলিয়াব লাগে, প্ৰতিজনী গাই, প্ৰতিটো বলধ, প্ৰতিজনী চেউৰী, প্ৰতিটো দমৰালৈ।

পঘা বাটোতে খুৰাহঁতে মোক মৰাপাটৰ ভাগ দুটা দুহাতেৰে ধৰি আতৰত থিয় হৈ থাকিবলৈ দিয়ে। পঘা বাটি থকা সময়ত ভাগ দুটা ইহাত সিহাতকৈ সলাই থাকিব লাগে।

এনেকৈয়ে আমাৰ শৈশৱত বিহু আহিছিল। ঢোল, পেঁপা, গগনা বজাই গোৱা বিহু শুনিছিলো ৰেডিঅ'ত। আকাশবাণী গুৱাহাটীয়ে শুনাইছিল। মন নাচিছিল, আমি নচাৰ নিয়ম নাছিল।

চ'ত মাহৰ শেষৰ দিনা ৰাতিপুৱাতে ডাঙৰ চালনী এখনত লাই, বেঙেনাৰ টুকুৰাই দিয়ে মা-হঁতে। খুৰাহঁতে বাঁহৰ তমাল চাঁচি দিয়ে আৰু আমি চালনীখনৰ চাৰিওফালে ঘূৰণীয়াকৈ বহি মালা গাঁথো। গৰুৰে প্ৰতি একোডালকৈ।

দাদাহঁতে গৰুবোৰ ধুৱাবলৈ নখান্দা নৈৰ লৈ লৈ যায়। মইও লগতে যাওঁ। সেইদিনা গৰুবোৰ গোহালিৰ পৰা উলিওৱাৰ আগতে মাইঁতে সিহঁতৰ শিং আৰু গাত মাহ-হালধী বৰথেকেৰা একেলগে পটাত বটি বনোৱা মিশ্ৰণ এটা সানে। আমাকো সেইবোৰ সানি গাধুবলৈ দিয়ে। সেইদিনা গাত চাবোন লগাব নিদিয়ে।

গৰুবোৰক লাই-বেঙেনাৰ মালা পিন্ধাই নৈলৈ নিওঁতে চাই বৰ ভাল লাগে। আমি দীঘলতি, মাখিয়তিৰে কোবাই কোবাই যাওঁ গৰুবোৰক। গা-ধুওৱাৰ পিছত মালা পিন্ধা গৰুবোৰে ইটোৰে সিটোৰ মালা কামুৰি খায়। গৰুবোৰক পথাৰত চৰিবলৈ দি আমি হাতীশুড়াৰ গছ বিচাৰোঁ। সৰু সৰু জোপোহা গছবোৰ উঘালি উঘালি আনো। সেইবোৰেৰে ইটোৰে সিটোক কোবাওঁ। কোনেও নাকান্দো। গৰু বিহুৰ দিনা হাতীশুড়াৰে কোবালে হেনো গাত হাতীৰ সমান বল হয়। মাইঁতৰ মুখত শুনা কথা।

তাৰ পিছত দাদাহঁতৰ লগত ঘূৰি ফুৰোঁ জেতুলিপকা, কেঞাকঠাল, বগৰীডাল বিচাৰি বিচাৰি। এইবোৰেৰে গধূলি জাগ্ দিয়ে গোহালিত। গোহালি ঘৰ চুকে কোনে নহৰু পানী ছটিয়াই দিয়ে আইতাই। দুপৰীয়াতে ধুই থোৱা বিচনিৰে জাগটোত বা দিয়াৰ পিছত গৰুবোৰকো বিচি দিয়ে, আমাকো বিচনিৰ বা দিয়ে। প্ৰতিটো গৰুকে হাতেৰে ধৰি ধৰি দুখন দুখন পিঠা খুওৱাৰ পিছত হাত মুখ ধুই আমিও পিঠা খাবলৈ পাওঁ।

ৰবিহুৰ দিনা মায়ে আমাক বিচনাতে তিয়াই থোৱা মচুৰ দাইল আৰু নিমপাত খুৱাই দিয়ে। তিতা লাগি উঠি বহোঁ। মায়ে গা-পা ধুই শালৰ পৰা কাটি উলিয়াই থোৱা গামোচাবোৰ পানীত তিয়াই আচাৰি আচাৰি ধুই মেলি দিয়ে। আমি গা নুধুৱাবোৰক কাঢ়াকৈ সঁকিয়াই দিয়ে সেইবোৰ নুচুবলৈ।

আইতাই ৰাতিতে তিয়াই থোৱা মাটিমাহ পটাত বটি লৈ আমাৰ প্ৰত্যেকৰে মাজমূৰত এথেপা এথেপা লগাই দিয়ে। মাহৰ ভৰণ মূৰত লৈ পঢ়া টেবুল চাফা কৰোঁ, ঘৰ সাৰোঁ। দুপৰীয়া গা ধোৱাৰ পিছত মায়ে বিহুৱান দিয়ে। ছোৱালীবোৰক গাইপতি একোখনকৈ, ল'ৰাবোৰক আটাইবোৰকে সাঙুৰি এখন। মোৰ চাৰিটা ভাইটিক একেলগে বহুৱাই এখন দীঘল বিহুৱানেৰে সাঙুৰি দিয়ে মায়ে। তাত চাৰিখন গামোচা থাকে। সেই কেইখন নাকাটে, শালৰ পৰা 'আনাকাটা' হিচাপে উলিয়ায়। 'আনাকাটা' কাপোৰ মাংগলিক কাৰ্যত ব্যৱহাৰৰ বাবে বয়। ছোৱালীবোৰক এখনীয়া বিহুৱান আৰু ল'ৰাবোৰক 'আনাকাটাৰে সাঙুৰি বিহুৱান দিয়া সম্পৰ্কত মায়ে কৈছিল - 'তহঁত ছোৱালীবোৰ বেলেগ বেলেগ ঘৰলৈ যাবি। তহঁতক সাঙুৰিব নাপায়। ল'ৰাবোৰ একেঘৰতে থাকিব, মিলেৰে থাকিবলৈ এই ব্যৱস্থা'।

বিহুৱান লোৱাৰ পিছত কীৰ্ত্তনঘৰলৈ যাওঁ। তাত নাম প্ৰসংগ হৈ থাকে। আঁঠু লওঁ। তাৰ পিছত কীৰ্ত্তনঘৰৰ চোতালত দৌৰ খেলা, ওখ জাপ, দীঘল জাপ আদিৰ প্ৰতিযোগিতা। পুৰস্কাৰো দিয়ে। কাঠপেঞ্চিল, ৰবৰ, স্কেল এইবোৰ।

ব'হাগৰ প্ৰথমটো দিন আমি এনেকৈয়ে পাৰ কৰিছিলো। বিহু ফাংচন, বিহু নাচ নাছিল আমাৰ অঞ্চলত। তাৰ পিছৰ চাৰিটা দিন বিহুৱান দিয়া-লোৱাৰ দিন। মামাহঁত আহে আমাৰ বিহুৱান লৈ। খুৰাহঁত পেহীহঁতৰ ঘৰলৈ যায়। মৰম চেনেহৰো আদান-প্ৰদান হয় বিহুৱানৰ লগতে। সুন্দৰীদিয়া সত্ৰত ব'হাগৰ ছয় তাৰিখৰ দিনা সুৰেৰি উৎসৱ পালন কৰে। 'সুৰেৰিৰ অৰ্থ জগন্নাথ প্ৰভূৰ নগৰ পৰিভ্ৰমণ। এই উৎসৱ বৰপেটাৰ দৌল উৎসৱৰ সৈতেহে জড়িত। বৰপেটাত দৌলক 'দেউল' বোলে। দেউল তিনিদিনীয়া। শেষৰটো দিন 'সুৰেৰি'। সেইদিনা জগন্নাথ প্ৰভূক ভক্তগণে কান্ধত তুলি ফাকু খেলি খেলি কলয়াগংগালৈ নিয়ে আৰু তাৰ পৰা পুনৰ ওভোতাই আনি কীৰ্ত্তনঘৰৰ চাৰিওফালে সাতপাক ঘূৰাই পুনৰ কীৰ্ত্তনঘৰত সুমুৱাই থয়। এই ব্যৱস্থা বৰপেটা অঞ্চলৰ প্ৰায় সকলো সত্ৰতে পালন কৰে। কোনো এবাৰ সুন্দৰীদিয়া সত্ৰত দেউলৰ সময়ত হোৱা তীব্ৰ বতাহ বৰষুণৰ বাবে মহাপ্ৰভূৰ কীৰ্ত্তনঘৰ আবৰ্তন মাত্ৰ দুপাকতে সামৰিব লগা হোৱা বাবে বাকী পাঁচপাক ব'হাগৰ ছয় তাৰিখে ঘূৰোৱাৰ ব্যৱস্থা কৰা হ'ল। সেই তেতিয়াৰে পৰা সুন্দৰীদিয়া সত্ৰত ব'হাগৰ ছয় তাৰিখে সুৰেৰি উৎসৱ চলি আহিছে।

আমাৰ কৈশোৰত সুৰেৰিৰ আনন্দত আমি মতলীয়া হৈছিলো। জগন্নাথ মহাপ্ৰভূৰ দোলাৰ পিছে পিছে নাম প্ৰসংগৰ সৈতে চাপৰি বজাই বজাই কলয়াগংগালৈ যাওঁ। চৰিত পুথিত আছে - মহাপুৰুষ মাধৱদেৱে এই ঠাইত সাতদিন-সাতৰাতি কৃষ্ণকথা আলোচনা কৰিছিল। সেই সময়ত অচ্যুত গুৰুৱে গুৰুজনাক নিজগৃহৰ পৰা গাখীৰ আৰু ৰাম আতাই বামুণা সত্ৰৰ পৰা কল আনি দিছিল। গুৰুজনাই কল খাই বাকলি পেলোৱা ঠাইত কলয়াগংগাৰ সৃষ্টি হৈছিল। সেই সময়ত মহিষ, গণ্ড, হস্তী আদিৰ ৰূপেৰে ধৰ্ম, ব্ৰহ্মা আদি দেৱতাসকলে কৃষ্ণ কথা শুনিবলৈ আহিছিল। শৈশৱ, কৈশোৰত চৰিত পুথিৰ শ্ৰৱণ, কীৰ্ত্তনে আমাৰ মানসতাত কীৰ্ত্তনঘৰ, কলয়াগংগা আদিৰ প্ৰতি মৰম, শ্ৰদ্ধা মিহলি ভক্তিভাৱৰ সৃষ্টি কৰিছিল। সেয়েহে ছয় ব'হাগৰ সুৰেৰি আমাৰ বাবে অতিকৈ আগ্ৰহৰ অনুষ্ঠান আছিল। আমি সাতবিহু উপভোগ কৰিছিলো সুৰেৰিৰ আনন্দেৰে আৰু ৰাতিৰ সাজৰ বাবে বুটলিছিলো সাতবিধ মিহলি শাকেৰে "সাতশাক",।

ছয় ব'হাগৰ ৰাতিৰ সাজ ভাতৰ সৈতে সাতশাকৰ ভাজিখন আৰু 'জ্বাল' আঞ্জাখন অপৰিহাৰ্য আছিল। মাহঁতে সেই বিশেষ আঞ্জাখন ৰান্ধিছিল কলৰ মুচি, মালভোগকলৰ শিপা, অমিতাৰ শিপা, জলুক, নতাপান, গন্ধচানা, গৰম মছলা আদিৰে।

আমাৰ শৈশৱ কৈশোৰত ব'হাগৰ সাতদিনৰ দিনা ব'হাগ বিহুৰ সামৰণি পৰিছিল কীৰ্ত্তনঘৰৰ চাৰিহাটীৰ নামেৰে। চাৰিযোৰা থিয়নামৰ দলে ক্ৰমিক্ৰমে থিয়নাম গায়। আকাশ বতাহ মুখৰিত হয় নামৰ ধ্বনিৰে। শেষৰ নামটো একেলগে উমৈহতীয়াকৈ গায় চাৰিওটা দলে। শেষত "যায় হৰি আজি হৰি মথুৰাকে", "প্ৰাণ হৰি গৈলা এৰি", আদি ঘোষা গাই গাই কলয়াগংগালৈ যায় আৰু তাত কৃষ্ণকথা আলোচনা কৰে। তাৰ পিছত কীৰ্ত্তনঘৰলৈ ঘূৰি আহি গুৰুচৰিত পাঠ কৰে -

"মাধৱেহে জানে আনে নজনায়
বাহিক স্বৰূপে গুৰু ভকতত কয়।"

কীৰ্ত্তনঘৰৰ কাঁথিত আইতাৰ কাষত বহি শুনি থাকোঁ, শুনি থাকোঁ। এনেকৈয়ে মোৰ শৈশৱত, মোৰ কৈশোৰত বিহু আহিছিল কুলিৰ মাতেৰে, তাঁতশালৰ খট্‌খটনিৰে, কীৰ্ত্তনঘৰৰ নামপ্ৰসংগেৰে। বিহুগীত, বিহুনাচে কঁপোৱা নাছিল সেইবোৰ বিহু, আকাশে বতাহে বিহু আছিল খোলাৰ বোলত, তালৰ চাবত, ডবাৰ কোবত।

*লেখিকাৰ ঠিকনা ঃ*
*বৰ্ত্তিয়া উচ্চতম মাধ্যমিক বিদ্যালয়*
*ফোন-৯৭০৯০-২২৫৫২*



০০০০০

# বিলুপ্তিৰ পথত বৰ্হমথুৰি উদ্ভিদ

ড° অন্নজ্যোতি গগৈ

বৰ্হমথুৰি এজুপি মজলীয়া আকাৰৰ চিৰসেউজীয়া ধুনীয়া বৃক্ষ। এই উদ্ভিদ হিমালয়ৰ পাদদেশৰ অৰণ্য তথা দক্ষিণ পূৱ এছিয়াৰ স্থানীয় উদ্ভিদ। অতীতৰ অসমত বৰ্হমথুৰি উদ্ভিদ পৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। কিন্তু বৰ্তমান এই উদ্ভিদ লুপ্তপ্ৰায় শ্ৰেণীত অন্তৰ্ভূক্ত হৈছে। ই অতি পৰিতাপৰ বিষয়।

বৰ্হমথুৰি উপক্ৰান্তীয় জলবায়ুৰ উদ্ভিদ। ১৫ মিটাৰলৈকে গছজোপা ওখ হয়। গছজোপাৰ পাত ডাঙৰ, টান, বৃন্তযুক্ত, একান্তৰ, উপৰিভাগ মিহি আৰু কাষ সমান। কুমলীয়া অৱস্থাত পাত ৰঙচুৱা আৰু থিয় হৈ থাকে। পাতৰ দৈৰ্ঘ্য ৩০-৪০ ছেঃ মিঃ পৰ্যান্ত আৰু বহলে ১০-১৫ ছেঃমিঃলৈকে হয়। চ'ত মাহত কুঁহিপাতৰ 'থুৰি' ওলায়। এই থুৰি অতীজৰ অসমৰ ডেকা-গাভৰুৱে চোবাই, ওঁঠ বেঙেনা চানেকীয়া ক'লা কৰি বিহুত নাচিছিল। এনেদৰে সৌন্দৰ্যবৰ্ধন কৰাৰ ব্যৱস্থা অসমত বিহুৰ উৎপত্তিৰ দিনৰ পৰাই চলি অহা বুলি অনুমান কৰা হয়। বৰ্হমথুৰিৰ বৰণে বিহুৱতীজনীৰ ওঁঠজুৰি উজ্জ্বল আৰু আকৰ্ষণীয় কৰি তুলিছিল। ওঁঠৰ উপৰিও দাঁত আৰু দাঁতৰ আলু ক'লা কৰি অতীজৰ গাভৰু, বোৱাৰী তথা আইতাসকলে আনন্দ লভিছিল। তামোল আৰু পানৰ লগতো এই থুৰি খাই দাঁত কঁলা কৰিছিল। কবি মিত্ৰদেৱ মহন্তই 'বিহু আদৰণি' নামৰ কবিতাত বৰ্হমথুৰিকো টানি আনিছে এনেদৰে -

"শুনা ঐ চতাই
পেঁপাটি বজাই
ৰঙালীক আঁহা লৈ
পদুলি মুখত
বাট চাই চাই
থাকিম কিমান ৰৈ
আনিলোঁ জেতুকা
আনিলোঁ থেৰেজু
আনিলোঁ বৰ্হমথুৰি"

সেইদৰে 'বৰ্ষগীত' কবিতাত মঃ ইব্ৰাহিম আলীয়ে লিখিছে এইদৰে -

"জোনৰ পোহৰে জুৰিৰ বুকুত
সৰি সৰি পৰে,
বৰহমথুৰি বনৰ আঁৰত
কোমল কুঁহি আৰে।"

বৰ্হমথুৰিৰ ফুলৰ বৰণ গুলপীয়া, গন্ধযুক্ত আৰু শীৰ্ষঅংশত অকলশৰীয়াকৈ ফুলে। ফুলৰ পাহি ৯ টা, বাহিৰৰ পাহিকেইটা কিঞ্চিত সেউজীয়া বৰণৰ, ভিতৰৰ কেইটা বগা গুলপীয়া। এপ্ৰিল মে মাহত ফুল ফুলে। ফল ডিম্বাকৃতিৰ, ঠোঁটযুক্ত আৰু টান। ই ১৩-১৫ ছেঃ মিঃ দীঘল।

বৰ্হমথুৰি গছৰ কাঠ ধোঁৱা বৰণীয়া আৰু তুলনামূলকভাৱে কোমল। সেয়ে কাঠৰ বৰ বেছি মূল্য নাই। অৱশ্যে কাঠ ঘৰুৱা আচবাব, হাথিয়াৰ বনোৱা, ঘৰ সজা, তক্তা তথা ইন্ধন হিচাবে কিছুমান লোকে ব্যৱহাৰ কৰে।

বৰ্হমথুৰি গছৰ বৈজ্ঞানিক নাম Talauma hodgsonii. গোত্ৰ Magnoliaceac. উত্তৰবঙ্গ, ছিকিম, অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয় আৰু মিজোৰামৰ ১৮০০ মিটাৰ উচ্চতালৈ এই গছ পোৱা যায়। চিৰসেউজ বনাঞ্চল সাধাৰণতে এই উদ্ভিদৰ বাসস্থান। বৰ্তমান অসমত এই গছ ক'ৰবাত দুই এজোপাকৈহে দেখা যায়। বিশেষকৈ উজনি অসমৰ শিৱসাগৰ, যোৰহাট, লখিমপুৰ, গোলাঘাট, ধেমাজি আদি জিলাত এই উদ্ভিদ চেগাচোৰোকাকৈ প্ৰত্যক্ষ কৰা যায়।

বিশেষজ্ঞ সকলে কয় যে কে বিশেষ ধৰণৰ পতঙ্গই ফুলৰ পৰাগযোগ ঘটায়। গোন্ধযুক্ত ফুলৰ ৰসাল খাদ্যৰ সন্ধানত সেই পতঙ্গই ফুলত পৰি পৰাগযোগ ঘটোৱাৰ দৰে অতি উপকাৰী কামফেৰা সমাধা কৰে। সেই বিশেষ পতঙ্গবিধৰ অভাৱত ফুলৰ পৰাগযোগ নহৈ বংশবিস্তাৰত হেঙাৰ সৃষ্টি হৈছে বুলি পৰিৱেশবিদে ক'ব খোজে। তামোল পাণৰ লগত থুৰিটো চোবাই খালে দাঁত আৰু আলু মজবুত হয় বুলি কোৱা হয়। পেটত কৃমি জমা হ'লে ই উপকাৰী আৰু তেতিয়া ই হজমকাৰক হিচাপে কামত দিয়ে। পাতৰ কলি বা থুৰিৰ লগতে বাকলিত ফলো একেই উদ্দেশ্য প্ৰয়োগ কৰিব পাৰি। কুমলীয়া পাত আৰু গছৰ আগ অংশ কাচিৎ শাক হিচাপেও খোৱা হয়। ফল চৰাই ধৰিবৰ বাবে ফান্দত টোপ হিচাবে ঠাইবিশেষে প্ৰয়োগ হয়।

বৰ্হমথুৰি অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। আজিকালি ৰঙালী বিহুৰ সৈতে জেতুকা আৰু বৰ্হমথুৰিৰ ব্যৱহাৰ একেবাৰে কমি অহা পৰিলক্ষিত হৈছে। জেতুকাৰ বোলেৰে নখ, হাত বুলালেও বৰ্হমথুৰিৰে হাত আৰু দাঁত ৰঙ কৰাৰ পৰম্পৰা প্ৰায় নাইকিয়া হ'ল বুলিলেও বঢ়াই কোৱা নহয়। অৱশ্যে মঞ্চত বিহু মাৰিবলৈ যাওঁতে (হয়তো বিচাৰকক আকৰ্ষিত কৰিবলৈ) ঠাইবিশেষে বিহুৱতীয়ে বৰ্হমথুৰিৰ ৰঙেৰে ওঁঠ বুলোৱাৰ কথা শুনি যায়। তাৰ পৰিবৰ্তে আজিকালি বজাৰত অতি সহজলভ্য লিপষ্টিক আৰু নেইল পলিচে সেই স্থান অধিকাৰ কৰিছে। বৰ্হমথুৰিৰ গছ আজিৰ নতুনচাম লোকে নেদেখা বা চিনি নোপোৱাৰ দৰে হৈছে। এই গছ যি দুই এজোপা আছে সংৰক্ষণ কৰা তথা নকৈ পুলি ৰোপন কৰি ইহঁতৰ সংখ্যা বৃদ্ধি কৰাটো অতি জৰুৰী হৈ পৰিছে। অন্যথা যি কেইজোপা গছ জীৱিত অৱস্থাত আছে সিহঁতো কালৰ বুকুত লুপ্ত হ'বলৈ সৰহ সময় নালাগিব।

*লেখিকাৰ ঠিকনা ঃ সহযোগী অধ্যাপিকা,*
*ধেমাজী মহাবিদ্যালয়।*

০০০০০

# ব'হাগৰ ছবি

জ্যোৎস্না বৰুৱা

ব'হাগ বিহুৰ সময়ত মই জন্ম গ্ৰহণ কৰা শুৱনি গাঁওখনলৈ মোৰ বৰকৈ মনত পৰে। আৰু লগে লগে প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ-বৰ্ণ-স্পৰ্শ সমন্বিত এক সজীৱ প্ৰেমময় আৰু আনন্দদায়ক আশ্চৰ্য সুৰ অন্তৰাত্মাত বাজি উঠে। ব'হাগ আহিলে স্বচ্ছন্দে প্ৰাণৱন্ত হৈ উঠা মোৰ শৈশৱ আৰু কৈশোৰৰ গাঁওখন যেন ৰামধেনু যুগৰ কবি প্ৰফুল্ল ভূঞাই 'বিহু' নামৰ কবিতাটোত আঁকা প্ৰাণময় ছবিখনহে -

"সৰু সৰু গাঁওবোৰ প্ৰাণেৰে উপচি গ'ল
আৰু তাৰ সৰু সৰু প্ৰাণবোৰ
আনন্দত ফুল হ'ল - ব'হাগৰ ফুল;
পথাৰ মুখৰ হ'ল
বিহুনাম টকা আৰু পেঁপাৰ মাতত।
জীৱনত যেন এইবাৰ প্ৰথম শুনিলোঁ গান
সুৰ আৰু প্ৰাণ তাত ইমান নিবিড়।'

(নতুন কবিতা, সম্পাদক-মহেন্দ্ৰ বৰা)

বিশেষ অসুবিধা নাথাকিলে প্ৰতিবাৰে গৰু বিহুৰ দিনাই আমি সপৰিয়ালে মোৰ জন্মগাঁও আৰু স্বামীৰ জন্ম গাঁৱৰ ঘৰ দুখনলৈ যাওঁ। গৰু বিহুৰ দিনাক লৈ আমাৰ সকলোৰে বাবে এটা সকীয়নি আছে - 'চ'তত চকৰি/ব'হাগত বাবৰি/ জেঠত আমনা ধান/ গৰু বিহু দিনাখন ল'বি আশীৰ্বাদ/ তেহে পাবি বৈকুণ্ঠত থান।'

অলপদূৰ আগবাঢ়িয়ে ফাটবিহুতলীৰ ওচৰতে লাগি থকা আছুৰ কাৰ্যালয়ৰ দেৱালত অচিন শুভাকাংক্ষীজনে ডাঙৰ ডাঙৰ বগা আখৰেৰে লিখা সুন্দৰ আৰু সত্য শব্দ চাৰিটাত মোৰ চকু পৰিল - 'গছ থাকিলেহে বিহু থাকিব।' শব্দ চাৰিটা পাগুলি পাগুলি গৈ থাকোঁতেই চিনাকী যুৱক এজনক লগ পালোঁ। তেওঁ গাঁৱৰ যুৱ সংঘৰ সম্পাদক। উপযাচিয়ে তেওঁ ক'লে- 'হুঁচৰি গাবলৈ এইবাৰো মই মানুহবোৰক কাকুতি-মিনতি কৰিব লাগিব। ঢুলীয়াকেইজনে খা-খৰচ আছুতীয়াকৈ বিচাৰিব। ইয়াৰ ভিতৰতে কোনো কোনোৱে কাৰোবাৰ ঘৰৰ চোতালত ভৰি নেপেলোৱাৰ কিবা-কিবি অজুহাত দেখুৱাব। এনেকৈনো বিহুৰ পৰম্পৰা, হুঁচৰিৰ পৰম্পৰা বাৰু অটুট থাকিবনে? .....?

স্বামীৰ জন্ম গৃহত প্ৰৱেশ কৰাৰ লগে লগে প্ৰতিবেশী এঘৰৰ অকণমানি এটাক লগ পালোঁ। মৰমেৰে তাক সুধিলোঁ -'তুমি আজি গৰুক গা ধোৱাবলৈ গ'লা নে নাই?' সি তপৰাই উত্তৰ দিলে - 'খাল-বিলত পানী নাই নহয়, আমি ঘৰতে গৰু ধোৱালোঁ।' একেদৰে মোৰ জন্মগৃহতো একেযাৰ কথা শুনিলোঁ-'ওচৰৰ বৰদৈ পুখুৰীত গৰুক গা ধুৱাবলৈ পানী নাই। পাঁচটা গৰুক দমকলৰ পানীৰেই গা ধুৱাব পাৰি।' গৰু বিহুৰ দিনাৰ প্ৰতিখন গাঁৱৰ ছবি আগতে আছিল এনেধৰণৰ -'চ'তৰ বেলি ব'হাগলৈ ডেও মাৰিলে। নৱবৰ্ষৰ নবীন দিনৰ উৰুকাই দেখা দিলেহি। ন-পানী বাঢ়িল। গৰু বিহু হ'ল। গৰুক মাহ-হালধি ঘঁহি কপালত ফোঁট দি, সাতো-সাগৰৰ পানীৰে নোৱাই-ধোৱাই ছাটত বন্ধা লাও-বেঙেনা, ৰৱথেকেৰা খুৱাই, লাও-বেঙেনাৰ মালা পিন্ধাই, ডিঙিৰ পঘা আৰু ছাট সলাই আনি নিজৰ নিজৰ গোহালি ঘৰত, বৰঘৰৰ ছালত খুঁচি থয় গোটেই বছৰটোৰ অপায়-অমংগল নহ'বৰ বাবে। সেইদৰে ঘৰত গাঁজী গছ, গৰু থাকিলে সেই গৰুৰ ঠেং সৰকোৱা পঘাডাল আনি নলগা গছজোপাত বান্ধে।

'মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ বৰ গৰু'

বুলি গৰুক আশীৰ্বাদ দিলে। দীঘলতি মাখিয়তীয়ে

'মাখিয়তী মাখি পাত
মাখি মাৰোঁ জাত জাত'

বুলি গাত কোবাই মহে-ডাঁহে খাব নোৱাৰিবলৈ কটপা দিলে। গধূলি পদূলিৰ পৰা গোহালিলৈকে ওৰে বাটটোত তুঁহৰ জুই ধৰি মাখিয়তী-দীঘলতিৰে যাগ দি, পিঠা খুৱাই তৰাৰ পঘা পিন্ধাই চৰণ ধুৱাই সেৱা কৰি জীৱন যাত্ৰাৰ ঘাই সঁজুলি গোধনৰ পূজা শেষ কৰিলে। সেই দিনাই গধূলিলৈ হুঁচৰি .......' (বিহুৰ ভোগজৰা ............ বেণুধৰ শৰ্মা)

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নতি তৃণভূমি আৰু জলাশয়ৰ দ্ৰুত অৱক্ষয়ৰ বাবে গৰুৰ গৰিমা হ্ৰাস পালেও আমাৰ দৰে নদন-বদন আৰু শুৱনি গাঁৱত শৈশৱ আৰু কৈশোৰ পাৰ কৰা মানুহৰ মনত গৰু বিহুৰ সুন্দৰ ছবিখন চিৰঅম্লান হৈ ৰ'ব। গহীন-গম্ভীৰ এই পশুপ্ৰাণীটোৰ স'তে যে আমাৰ কেনে যুগমীয়া বন্ধন আছিল? বৃহৎ এপাল গৰু চৰোৱাৰ বাবে গাওঁখনত থকা পৰম্পৰাৰ নীতি-নিয়মবোৰেও গাঁওখনৰ মানুহবোৰক কেন্দ্ৰিত কৰি ৰাখিছিল। মোৰ কৈশোৰ কালত এবছৰত আমাৰ ঘৰ গোহালিত বিভিন্ন নামেৰে চিনাকি মুঠ উনৈশটা গৰু আছিল আৰু আমি নিজকে ডাঙৰ মানুহ বুলি ভাবিছিলোঁ। কাৰণ তেতিয়া আমি বিশ্বাস কৰিছিলোঁ 'যাৰ নাই গৰু সি সবাতোকৈ সৰু।'

'পোন প্ৰথমে চ'ত-ব'হাগৰ সন্ধিক্ষণত বসন্তকালৰ পূৰ্ণ পয়োভৰৰ মাজত স্বতঃস্ফূৰ্ত আন্দোলনৰ হেন্দোলনিত যি উৎসৱ হৈছিল আৰু যি অনুষ্ঠান উৎসৱৰ এক প্ৰধান অনুষ্ঠান আছিল, 'বৈহু' অৰ্থাৎ গৰু পূজা, তাকেহে পোনতে বিহু বোলা হৈছিল। .................. টাই ভাষাত 'বৈ' মানে পূজা বা উপাসনা আৰু 'হু' মানে সৰু। 'বৈহু' কালক্ৰমত বিহুলৈ ৰূপান্তৰিত হ'ল। (বিহু এটি সমীক্ষা -লীলা গগৈ)

সময়ে অনেক কথাই সলাই পেলায়। পৰিৱৰ্তনেই চূড়ান্ত সত্য বুলি আমি অনেকবাৰ নিজকে পতিয়ন নিয়াব লাগিব। গছ-গছনি, খাল-বিল, নৈ-নিজৰা, চৰাই-চিৰিকটি......... আদিৰ লগতে আমি হেৰুৱাবলৈ গৈ আছোঁ একেবাৰে আপোন গৰুবোৰো। গৰুৰ স'তে নানা ধৰণে জীৱনৰ এছোৱা অতিবাহিত কৰা আমিবোৰে মাত্ৰ ক'ব লাগিব - " পৃথিৱীখনতো সদায় সলনি হৈ থাকে। কোনে জানে তোমালোকে একে ঠাইতে থাকিবানে নাথাকা;..........(সাউদৰ পুতেকে নাও মেলি যায়- হোমেন বৰগোহাঞি) টমাছ ডিকুৱেঞ্চিয়ে গাই গৰুক বৰ ভাল পাইছিল। তেওঁ কৈছিল - পৃথিৱীৰ সকলো প্ৰাণীৰ ভিতৰত আটাইতকৈ নিৰ্জু আৰু মৰমলগা প্ৰাণী হ'ল গাইগৰু। নিজৰ পোৱালিটোক হেৰুৱাব লগা হ'লে বা সি চকুৰ আঁতৰ হ'লে গাইগৰুৱে যি ব্যাকুলতা দেখুৱায়, তেনেকুৱা ব্যাকুলতা আন কোনো প্ৰাণীয়েই দেখুৱাব নোৱাৰে। ক'বলৈ মই লাজ নকৰোঁ যে গাইগৰু বোৰক মই গভীৰভাৱে ভালপাওঁ।"

কিমান যে ভাল লগা আৰু ভালপোৱা বস্তুৰ স'তে আমি আমাৰ ভাল মনবোৰো হেৰুৱাই পেলাব লাগিব। স্মৃতিবোৰ ক্ৰমশঃ ধূসৰ হৈ দিগন্তৰ ফালে গতি কৰিব। অশ্ৰুসজল দুচকুৰে দুঃসহ বিষাদ বুকুত সামৰি সুতৰি আমি ভবিষ্যতলৈ গৈ থাকিম। প্ৰজন্মৰ পাছত প্ৰজন্মৰ অহা-যোৱা চলি থাকিব। গোলকীকৰণৰ বিশ্বত জীৱ-জন্তুবোৰ ক্ৰমশঃ সৰু হৈ গৈ থাকিব। এদিন কোনেও বিশ্বাসেই নকৰিব এই কথা - "যাৰ নাই গৰু সি সবাতোকৈ সৰু।' তথাপি ব'হাগ আহিব। বনৰ বসন্ত স'তে মনৰ বসন্তৰ মিলা-প্ৰীতি বুজি নোপোৱা

মানুহবোৰে কৃত্ৰিম আনন্দত উত্ৰাৱল হৈ আজিকালি যেতিয়াই-তেতিয়াই ব'হাগ বিহুকে পাতি থাকে। যধে-মধে নাচ-গান কৰাকে এতিয়া অনেকে সংস্কৃতি ৰক্ষা কৰা বুলি বুজি পায়। যিবোৰ বিহুগীতক আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোক-সংস্কৃতিৰ গৱেষক পণ্ডিত ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে "finest folk poetry" বুলি উচ্চ মন্তব্য দিছে, তেনেবোৰ বিহুগীতৰ কালিকাত কালিমা সানি এচামে কেৱল ব্যৱসায়ত নামি পৰিছে। নিজৰ সভ্যতা - সংস্কৃতিক মহিমামণ্ডিত ৰূপত চিৰযুগমীয়া কৰিবলৈ আন্তৰিক এক সুস্থ তাড়না অকৃত্ৰিমভাৱে ব্যক্তিমাত্ৰে অনুভৱ কৰিব পাৰিব লাগিব। পুহমাহৰে পৰা একেলেঠাৰিয়ে জেঠলৈকে ব'হাগ বিহু পাতি নাচ-গান কৰি থাকিলে ব'হাগৰ সৌন্দৰ্য আৰু ঐতিহ্যক সুৰক্ষা দিয়া নুবুজায়। সেউজীয়া প্ৰকৃতিৰ সুৰক্ষা আৰু প্ৰতিপালনেৰে আমি হৃদয়ৰ সেউজীয়া ভাব-অনুভূতিবোৰক লালন-পালন কৰি বসন্তৰ চিৰন্তন প্ৰেমিক হ'ব পাৰিব লাগিব। বনৰ বসন্তৰ স'তে মনৰ বসন্তৰ মিলন উৎসৱেহে ব'হাগৰ ছবিখন চিৰদিন উজলাই ৰাখিব।

*লেখকৰ ঠিকনা ঃ- আমোলাপট্টি, চকুৱাখনা।*



০০০০০



# অসমীয়া জনজীৱনত বিহুগীতৰ নান্দনিক সুবাস

জেপোলীন ৰাজ কুমাৰী

মাটি, শিপা আৰু নৈ। অনাদি কালৰে পৰা এই পৃথিৱীৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰে সভ্যতা সংস্কৃতিৰ মূল ভেঁটি। নৈৰ বলুকাত সভ্যতাই বাহ সাজে আৰু সভ্যতাৰ বুকুত গঢ়ি উঠে কলা সংস্কৃতিৰ বহুৰঙী দলিচা। অসমৰো লুইত আৰু অন্যান্য উপ নৈসমূহক বাদ দি কোনো সংস্কৃতি উচ্ছ্বাস, আৱেগ-অনুভূতি, প্ৰাণ পাই উঠিব নোৱাৰে। সেয়ে, অসমীয়াৰ বুকুৰ আপোন চিৰি লুইতৰ বুকুয়েদি বঠা বাই সাতোৰঙী পালতৰা আঁচল উৰুৱাই পুনৰ আহিল হেঁপাহৰ ৰঙালী। এতিয়া, বসন্ত ঋতুৰ সুগন্ধত গছে-বনে, ফলে-ফুলে প্ৰকৃতিও উখল-মাখল। বসন্তৰ শুভাগমনত বনৰ কুলি-কেতেকী, ঘৰিকতৰা, সখীয়তী, চৰাই কেইটিৰ গাতো লাগিছে যৌৱনৰ উতলা জোৱাৰৰ উন্মাদনা। যিহেতু অসমীয়াৰ প্ৰাণাধিক চেনেহৰ এই ৰঙালী বিহুটিয়ে কঢ়িয়াই আনে ভোগৰ আনন্দ আৰু সৃষ্টিৰ গৌৰৱ। বিহুৱে অসমীয়াৰ বুকুত জীয়াই ৰাখে পৰম্পৰা, লোকগীত, লোকাচাৰ আৰু লোক বিশ্বাস। যুগে যুগে প্ৰতিজন অসমীয়াৰ হৃদয়ত বিহু নামসমূহে নৱ নৱ চেতনাৰে প্ৰাণ পাই আহিছে। প্ৰকৃতিৰ জীয়াৰীৰ এনে জাতিষ্কাৰ ৰূপ-গুণ, কুলিকণ্ঠী মূৰ্ছনাই বাৰু কোনগৰাকী মানুহক আকৃষ্ট নকৰাকৈ থাকিব পাৰে? এনেহেন ৰতৰত সেয়ে কোনোবা বিহুৱা ডেকাই, বহনাজনীয়ে মৰমৰ দীঘে দি চেনেহৰ বাণিৰে বৈ দিয়া বিহুৱান খনিৰে মূৰত পাগ মাৰি আনন্দেৰে বিঙিয়ায় -

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো;
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।"

অসমীয়াৰ গামোচা বা বিহুৱান খনি হিয়াৰ আমঠু অতিকে চেনেহৰ। সেয়ে মহুৰা, মাকোৰে গঢ়ি তোলা তাত শাল খনিৰে সৈতে অভিন্ন যোৰা গঠা আছে ব'হাগৰ বিহুটিৰ। ফাগুন, চ'ত মাহৰে পৰা অসমীয়া শিপিনীৰ তাঁতশালে প্ৰাণ পাই উঠে। মাকোৰ খিত খিতনি, গৰকাৰ দপ্ দপনি আৰু দোপতিৰ সুৰলা মাতে চৌদিশ ৰজনজনাই তোলে। অসমীয়া তিৰোতাই নিজ ঘৰতে মুগা পুহি, সূতা কাটি, মহুৰা ঘূৰাই স্বামীক যুদ্ধলৈ যাবলৈ ৰাতিটোৰ ভিতৰতে কৱচ কাপোৰ বৈ দিয়াৰ কাহিনী পৃথিৱীতে বিৰল। অসমীয়া পাকৈত শিপিনীয়ে কাপোৰত বচা ভমকাফুলীয়া ফুল দেখি মহাত্মা গান্ধীয়ে কৈছিল; 'অসমীয়া শিপিনীয়ে কাপোৰৰ পাৰিত সাধু ৰচনা কৰে'।

বিহুগীতসমূহে স্বৰ্ণালী ইতিহাসৰ কথাও বাৰে বাৰে সোঁৱৰাই দিয়ে -

" স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা
কাণত জিলিকিলে মকৰ কুণ্ডল

গাতে গোমচেঙৰ চোলা।"

নিবিচৰাকৈ দিয়াটোও যেন প্ৰকৃতিৰ অ-ঘোষিত নিয়ম। আশা নকৰাকৈ বাখৰুৱা ব'হাগীজনীয়ে বিহুগীতৰ লহৰে লহৰে ছন্দে ছন্দে সিঁচি দিয়ে বসন্তৰ ভৰুণ সপোন। জনজীৱনৰ লগতে বনৰ পশু-পক্ষী, গছ-লতাইও ন-সাজেৰে বনফৰিঙৰদৰে জপিয়াই নাচে। সেয়ে কৃষ্ণলতা কপৌ, কেতেকী, নাহৰ, বৰ্হমথুৰি, বকুল, আম আদিয়ে বিহুগীতত বিশেষ ভাৱে আসন অলংকৃত কৰিছে -

"পদুলিৰ মুখতে      নাহৰ জুপি ফুলিলে
মনে মোৰ কেনেবা কৰে
আমৰে ডালতে      কপৌফুল ফুলিলে
চেনাইলৈ মনতে পৰে।"

ব'হাগৰ বুকুত জাতিয়ে গুঁঠে, শাশ্বত আবেগেৰে তেজাল প্ৰাচুৰ্য। সেয়ে ঢোল, পেঁপা, গগনাৰ মন মতলীয়া মাত শুনি নাচনীৰো গা সাতখন-আঠখন হৈ বিহুতলীলৈ যাবলৈ উখল-মাখল লাগে। ঘৰৰ সকলো কাম বনক একাষৰীয়াকৈ থৈ বাওলী বাহেদৈজনীয়ে কৰ্কালত আঁচলে পাৰিয়ে গুঁণা বচা বিহা মেৰিয়াই কমোৰা তুলাৰ দৰে উম্বনা হৈ পৰে -

"আজি বিহু বিহু      কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ ব'তৰ
বংঘৰ বাকৰিত      ঢোলৰ মাত শুনি
উজুটিত ভাঙি যাওঁ যঁতৰ।"

পূৰ্বতে উল্লেখ কৰি অহা হৈছে যে, আবহমান কালৰে পৰা নৈৰ সৈতে শ্ৰমজীৱী লোকৰ জীৱন-জীৱিকা, আবেগ-স্পন্দন, সকলোখিনি ওতপ্ৰোত ভাৱে জড়িত হৈ আছিছে। এনে প্ৰবাহমান সম্পৰ্কই সকলোকে দিয়ে জীয়াই থকাৰ প্ৰেৰণা।

"নৈৰ পাৰে পাৰে      নলৰে গঁজালি
তাতে কলি গন্ধ চৰে
নাচনীৰ মূৰতে      গুটি ফুলৰ গামোচা
পখিলা উৰাদি উৰে।"

অন্যাহাতে লুইত আৰু অন্যান্য উপ নৈ সমূহে যুগে যুগে কঢ়িয়ায় মানুহৰ প্ৰেম-পীৰিতি, সপোন-দিঠকৰ বতৰাও। সেয়ে বিহুগীতেও এইদৰে কয় -

"লুইতৰ বালি      বগী ঢকে ঢকী
কাছুই কণী পাৰে লেখি
গাতে জুই জ্বলে      সৰিয়হ বাগৰে
ধনক পানী ঘাটে দেখি।"

বৰ্ষাৰ আগমনে অসমীয়া কৃষিজীৱীৰ দুচকুলৈ নমাই আনে সেউজীয়া সপোন। আশাৰ ভৰুণ মাদকতাৰ বোলে সেয়ে বিহুগীততো ৰহণ লগায় -

"তুমি কৰি যাবা      ৰোৱনী দাৱনী
মইয়ো বাই যাম হাল,
তোমালৈ চাই চেনেহী      বান্ধি যাওঁ ডাঙৰি
যুঁৰীয়া ভঁৰাল মেট মৰাই ল'ম।"

কেতেকীসজীয়া বসন্তৰ বাকৰিত মূৰ্ত হৈ উঠে প্ৰেম-পীৰিতি, সাগৰ-গভীৰ আন্তৰিকতা। কিয়নো শাশ্বত প্ৰেম ঈশ্বৰৰ মহামান্য অৱদান আৰু বিহুগীত মানেই যেন প্ৰণয় যুগলৰ সুৰীয়া গীত। আমোল-মোল হৃদয়ত দীপ্ত অনুৰাগ সিঁচি এয়া দৃষ্টিৰ তৃপ্তি, ভৰপক আবেগ। সেয়ে নৈৰ পাৰত ম'হ চৰাই থকা বমেন ককাইটিৰ মুখেৰেও ঘাটলৈ পানী আনিবলৈ যোৱা প্ৰাণাধিক চেনেহীজনীক দেখি স্বতঃস্ফূৰ্তভাৱে ওলাই আহে এনেদৰে–

"মুখলৈ কি চাবা      পূৰ্ণিমাৰ জোন যেন
চকু সৰগৰ তৰা
গাললৈ কি চাবা      সেন্দুৰী আম যেন
জিলিকে নিলগৰ পৰা।"

অলপ কায চাপি ডেকাই আকৌ গায় -

" প্ৰথমে ঈশ্বৰে      সৃষ্টি স্ৰজিলে
তাৰ পিছে স্ৰজিলে জীৱ
সেইজন ঈশ্বৰে      পীৰিতি কৰিলে
আমি বা নকৰিম কিয়?

প্ৰেমে জাত্যাভিমান নামানে। নিচিনে উচ্চ-নীচ। হ'লেও কেতিয়াবা পৰিয়ালৰ, সমাজৰ কথা চিন্তা কৰি গাভৰুজনীয়ে মাক - দেউতাকে পছন্দ কৰি দিয়া দৰালৈ বিয়া হৈ যাবলগীয়া হয়। তেনেক্ষেত্ৰত ডেকাজনৰ মনৰ অৱস্থা, হৃদয়ৰ বতৰা বাৰু কেনে হ'ব পাৰে? নিশ্চয় বিৰহ বেদনাৰে জৰ্জৰিত। হয়, সেয়ে কোনোবা চেনাইটিয়ে অন্তৰৰ বিষাদবোৰক বিহু নামৰ জৰিয়তে ক্ষোভৰ বহিঃ প্ৰকাশ ঘটায় -

"মোকে নিন্দা কৰি      খাবি কত দিন
যুঁৰীয়া ভঁৰালৰ ভাত
এদিনা লাহৰী      এনে দিন আহিব
খুজিও নেপাবি মাত।"

যিহেতু জনজীৱনৰ সৰহ সংখ্যক বিহুগীতেই প্ৰেম-প্ৰতাৰণা, বিৰহ-বেদনা, আশা-নিৰাশা, আশীৰ্বাদ-অভিশাপ, পোৱা-নোপোৱাৰে বিজড়িত। সেয়ে গাভৰুজনীৰ ক্ষেত্ৰতো কেতিয়াবা অনুৰূপ ধৰণে হৃদয় উথলা দেখা যায় -

"আগলি বাঁহৰে      লাহৰি গগনা
বহি তাঁতৰ পাটত বাওঁ
আহে কি নাহে ঐ      মোৰ ধন চেনাই
চিৰি পাতি মঙ্গলখন চাওঁ।"

আকৌ অসমীয়া আ-অলংকাৰ সমূহেও বিহুগীতত অনন্য মাত্ৰা প্ৰদান কৰিছে।

"হাতৰে শুৱনি      হাতৰ গামে খাৰু
কৰ্কালৰ শুৱনি ৰিহা
শিৰৰে শুৱনি      দীঘলকৈ সেওঁতা
গলধন শুৱনি খোপা।"

ব'হাগ জাতিৰ প্ৰাণ। বিহুগীত অসমীয়াৰ মান। প্ৰত্যেকৰে তেজে তেজে প্ৰবাহমান আঁচলৰ ধন ব'হাগ আৰু বিহুগীতসমূহ। এনেহেন ব'হাগৰ বিহুটিক বাৰু কোনজন অসমীয়াই নেওচা দিব পাৰে? সেয়ে জীৱন-জীৱিকাৰ তাড়নাত ঘৰৰ পৰা আঁতৰত থকা লোকসকলো বিহুলৈ তিনি চাৰিদিন থাকোতেই স-পৰিয়ালে, স-বান্ধৱে সাতামপুৰুষীয়া শিপাডাল বিচাৰি গাৱঁৰ ঘৰলৈ ঢপলিয়াই আহে। এয়াও জাতিটোক, পৰম্পৰাক, ঘৰখনক খামুচি ধৰি ৰখাৰ নিষ্কলুষ সন্ধিক্ষণ। অন্যাহাতে সাত সাগৰ তেৰ নদীৰ সিপাৰে থকাজনৰো বিহুৰ কেইদিনত হেঁপাহৰ ঘৰখন, গাঁওখনলৈ চেৰেং চেৰেংকৈ মনত পৰে। সেয়ে বিহু নামৰ জৰিয়তে এনেকৈয়ে অসমীয়াৰ হৰ্ষ মিহলি, বিৰহ-বেদনা উপলব্ধি কৰিব পাৰি।

"বিদেশতো নবহে      মন সমনীয়া
কোম্পানীৰ চাকৰিটো নবহে মন;
কমোৱা তুলাবোৰ      যেনেকৈ উৰিছে
ঘৰলৈ উৰিবৰ মন।"

সেয়ে ক'ব পাৰি, ব'হাগ মাথো আমাৰ ঋতু ভিত্তিক জাতীয় উৎসৱ, পৰম্পৰা, ৰীতি-নীতি নাইবা অফুৰন্ত উচ্ছ্বাস স্পন্দনেই নহয়; ব'হাগ জাতিৰ ঐতিহ্য, গৌৰৱ, জীৱনৰেখা আৰু এখন স্বচ্ছ দাপোণ। য'ত জাতিৰ প্ৰতিচ্ছবি স্বচ্ছ ৰূপত যুগ-যুগান্তৰৰ পৰা বৰ্ত্তমানলৈকে দেখা পোৱা যায়। আৰু অদূৰ ভৱিষ্যতেও দেখা পাবলৈ এনে এখন দাপোণক আমি অসমীয়াই সদায়ে স্বচ্ছ কৰি ৰাখিবই লাগিব। তেহে জনজীৱনৰ আয়ুস ৰেখাই বিশ্ব দৰবাৰলৈ সেতু গঢ়ি অনন্ত কাললৈকে স-গৌৰৱেৰে মূৰ তুলি জাতিৰ পৰিচয় দিব পাৰিব। অন্যথা মাটিৰ সৈতে শিপাডাল বিছিন্ন হ'লে হাজাৰ বুৰঞ্জীৰ পাত লুটিয়ালেও জাতিটোৰ অস্তিত্ব বিচাৰি পোৱা কঠিন হ'ব।

লেখিকা :- নাজিবা।
ফোন - ৮৪৭১৯৭৩৭৬৮

০০০০০

# বিহু নামত সৌন্দৰ্য

জীৱন ঘৰফলীয়া

চ'তে গই গই　　ব'হাগে পালেহি
ফুলিলে ভেৰেলি লতা।
কৈনো কৈ থাকিলে　　ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।

অসমীয়াৰ জাতীয় জীৱনৰ আন্তৰিকতা বিজড়িত বিহু উৎসৱৰ কথা কৈ থাকিলেও ওৰ নপৰে। মুগাৰ মহৰাতকৈও মৰমৰ বিহুনামত অসমীয়া মানুহৰ মনৰ আগ্ৰহ, হেঁপাহ আৰু আন্তৰিকতা যেনেদৰে প্ৰকাশ পাইছে ঠিক তেনেদৰেই প্ৰকাশ পাইছে অসমীয়া মানুহৰ সৌন্দৰ্যবোধ। মানুহৰ সৌন্দৰ্য্যবোধ সৃষ্টি-প্ৰতিভা, মানসিক উৎকৰ্ষৰ বুকুতেই সংস্কৃতিৰ জন্ম। বিহুও অসমীয়া সাংস্কৃতিক উৎসৱ।

সৌন্দৰ্য অনুভূতি মাথোন; আপেক্ষিক। জিভাৰ সোৱাদৰ দৰে সৌন্দৰ্যৰ সোৱাদো মনটোৱে প্ৰতি বেলেগ হ'ব পাৰে। উৰুঙা ফাগুনৰ সুৰুঙাইদি ৰঙৰ সঁফুৰা কঢ়িয়াই অনা ৰঙালী বিহুৰ আগমনত অসমীয়া শিপিনীৰ গাত তত নাইকীয়া হয়। চেনাইক দিবলৈ লোৱা বিহুৱানখনত বাৰবিফুলীয়া সৌন্দৰ্য দেখি বিহুৱা ডেকাই গায় -

"আইদেইৰ গামোচা　　বাৰবি ফুলীয়া
ডিবৰু জিলাৰে সূতা।"

০০০০০

ৰাতিৰে ৰাতিটো　　কাটি সূতলাহি
ধনলৈ বিহুৱান বলোঁ।
ৰঙাকৈ আঁচুৰে　　বাছি পানে কটা
টিপতে লুকুৱাই থলো।"

০০০০০

বিহুৰ আগমনত অসমীয়া শিপিনী গৰাকী কেৱল তাঁতৰ পাততেই ব্যস্ত নাথাকে। গৃহস্থৰ আটাইকে এসাজ ভালকৈ জা-জলপান খুৱাই ঘৰখন সুন্দৰকৈ মচি-কাচি নিকা কৰি নতুন কাপোৰ পিন্ধি নিজৰ মনৰ সৌন্দৰ্যবোধ প্ৰকাশ কৰে।

বিহুনামত প্ৰকাশ পোৱা সৌন্দৰ্যক ঘাইকৈ দুটা ভাগত ভাগ কৰিব পাৰি (ক) প্ৰাকৃতিক সৌন্দৰ্য (খ) দৈহিক সৌন্দৰ্য। বিহুৰ আগে আগে আহে বসন্ত, বছৰৰ শ্ৰেষ্ঠতম ঋতু। বসন্ত আহিলেই পৰিৱৰ্তন আহে। গছত কুঁহিপাত মেলে, ফুল ফুলে, চৰায়ে কিৰিলিয়ায়, নদীত ন-পানী ফুটে, আকাশত ডাৱৰে ভুমুকিয়ায়। বিহুনাম বন ঘোষাত এইবোৰৰ ছবি ফুটি উঠিছে; সেইদৰে ফুটি উঠিছে সৌন্দৰ্যৰ নিত্য নতুন ৰূপ সুষমা।

নাহৰ, তগৰ, মাধৈমালতী, খৰিকাজাই, চম্পাফুলে বিহু নামৰ বুকুত সঘনাই ভুমুকি মাৰিছে।

তোমাৰ বাৰীত ফুলিলে　　ইন্দ্ৰজিত মালতী
মোৰ বাৰীত পৰিলে ছাঁ
দিনৰে দিনটো　　তোমালৈ ধাউতি
ৰাতি পুৰি মাৰে গা।



০০০০০

...সেন্দুৰ বৰণৰ কুলি আহে আৰু আহে বিহুৱতী। লগত আহে মুখত নতুন মাত লৈ সখিয়তী, হেটুলুকা, পেটুলুকা। চৰাইৰ উৰণীয়া স্বভাৱলৈ মনত পেলাই ডেকা গাভৰুৱে গায় -

"চৰাই হোৱা হ'লে　　উৰি গলোহেঁতেন
দুকাষে দুপাখি লৈ।"

০০০০০

"বৰৰ মুধতে কপৌ কুৰুলিয়াই সাইলাখ মদনৰ মত"। মদনে গৰকা মনত চৰাইৰ ৰূপ সৌন্দৰ্যই বিহুৰ ৰঙত সদায়েই নতুন ৰূপ লয়। নদীমাতৃক অসমৰ বিহুৱা ডেকাৰ মনত নৈ-নিজৰাই সৌন্দৰ্যৰ সফুঁৰা মেলে। কাষই কণী পাৰে লুইতৰ বগী ঢকে ঢকী হোৱা - দৈয়াং, দিখৌ, ঝাঁজী, ধনশিৰী, ৰঙানৈ, চিচি, ভোগদৈ, কলং, দিহিং আদি নৈৰ গৰা, সোঁত পানী আৰু অন্যান্য প্ৰকৃতিক ৰূপ ফুটি ওলায়।

ৰঙালী বিহুৰ ৰঙৰ সঁফুৰাত দেহ মন প্ৰাণ উটুৱাই বিহুনাচ নচা নাচনীজনীৰ অঙ্গে-অঙ্গে বিকশিত হোৱা অঙ্গৰাগ দেখি বিহুৱলীয়া ডেকাৰ মনতো সৌন্দৰ্যৰ প্লাৱন নামে। যৌৱনৰ পৰশত ধৰিত্ৰী ধুনীয়া হোৱাৰ লগে লগে বিহুৱা ডেকাৰ সৌন্দৰ্যৰ প্ৰতি তীব্ৰ হেঁপাহ জন্মে। প্ৰণয়ৰ পূৰ্বৰাগত কোমল মনৰ ডেকাৰ হয়তো ক'বলৈ মন যায় :-

চৰাই হালধীয়া　　পাখী বিনন্দীয়া
অৰণ্যৰ ভিতৰত টোপ
দিনটোৰ ভিতৰত　　এবাৰ নেদেখিলে
পেটটো নালাগে ভোগ।"

ঠিক সেইদৰে যৌৱনৰ উন্মাদনাই গাভৰুৰ চকুতো সৌন্দৰ্যৰ ইন্দ্ৰজাল তৰে। সেই সময়তে পৃথিৱীৰ সকলো সৌন্দৰ্যই যেন কেন্দ্ৰীভূত হৈ পৰে এক নিৰ্দিষ্ট ব্যক্তিত।

'উজাই চালো মই　　ভটীয়াই চালো মই
তোমাৰ মান গুৱনি নাই
সেৱে ঐ মাৰিব　　মনিচে মাৰিব
তোমাক জানো অকলে পাই।

বিহুনামৰ লগত মুকলি বিহুৰ নাচনী গৰাকীৰ এৰাব নোৱাৰা সম্বন্ধ। ঢোলৰ ছেৱে ছেৱে, পেঁপাৰ লহৰে লহৰে নচা নাচনী গৰাকীৰ দেহৰ প্ৰতি অংগৰ সৌন্দৰ্য বিহুনামত দাঙি ধৰা হৈছে। খামুচীয়া কঁকাল। চঁপাকলীয়া আঙুলী, পদুমৰ ঠাৰি যেন বাহু, ককিলাসজীয়া গা যেতিয়া বিহু নামৰ সুৰত নাচি উঠে, তেতিয়া সঁচাকৈয়ে এক অপৰূপ সৌন্দৰ্যৰ সৃষ্টি হয়। এনেদৰে নাচনীত পখিলাৰ সৌন্দৰ্য আৰোপ কৰা হৈছে -

"ঢোলটি বাবে　　তিনিটি আঙুলি
মাজৰটি আঙুলি লৰে,
আমাৰে নাচনী　　নাচবলৈ ধৰিলে
পখিলা উৰাদি উৰে।"

যৌৱন গৰকি যোৱা ডেকাৰ চকুজুৰিয়ে গাভৰুৰ সৰ্বাঙ্গতে সৌন্দৰ্যৰ উমান পায়। গাভৰুৰ এনে সৌষ্ঠৱে বিহুনামত সৌন্দৰ্যৰ পোহৰ মেলিছে। বিহুনামবোৰত সৌন্দৰ্যৰ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা উপমাবোৰত কবি প্ৰসিদ্ধিৰ গোন্ধ পোৱা যায়। ফুল, চৰাই, জন্তু ইত্যাদিৰ উপমাৰে সমৃদ্ধ বিহুনামবোৰত অসমীয়াৰ স্বাভাৱিক মনৰ অসাধাৰণ সৌন্দৰ্যবোধৰ সন্ধান পোৱা যায়। হৰিণাৰ চকু, হাতীৰ শুঁৰ, ঘোঁৰাৰ ফান, তিয়ঁহৰ জালি, পদুমৰ চকা আদি উপমা সাহিতিক দৃষ্টিৰ ফালৰ পৰাও তাৎপৰ্যপূৰ্ণ শাৰীৰিক আৰু প্ৰকৃতিক সৌন্দৰ্যৰ বিজনিত উপমাবোৰ সজীৱ হৈ উঠিছে।

"তোমাৰ চকুজুৰি　　হৰিণাৰ চকুযেন
বুকুতো পদুমৰ চকা,

তোমাৰ বাহু দুটি        পদুমৰ ঠাৰি যেন
বেচমৰ কাপোৰে ঢকা।"

বন ঘোষাৰ এটি দিশ হৈছে অঙ্গৰাগ। বসন্তই উন্মনা কৰা যৌৱনৰ পৰশ পোৱা ডেকাৰ চকুত গাভৰুৰ অঙ্গে-অঙ্গে ৰূপশিখা ফুটি উঠে আৰু সি বন ঘোষাৰ বুকুত প্ৰকাশ পায়।

"তোমাৰ মুখখনি        মালি মাছৰ নিচিনা
বামী মাছৰ নিচিনা চুলি।

০০০০

"ৰ'দ পাই জিলিকে
তোমাৰ গাল দুখনি
হাঁহিলে জিলিকে দাঁত।"

০০০০০

"হাতলৈ কি চাবা        হাতীৰে শুঁৰ যেন
ভৰিবলো কি চাবা গোট;
মুখলৈ কি চাবা        দোল-দাপোণ যেন
এখামোচ কঁকালৰ গোট।

০০০০০

সৌন্দৰ্য যে কেৱল নাৰীৰ অঙ্গ সৌষ্ঠৱক কেন্দ্ৰ কৰিয়ে প্ৰকাশ কৰা হৈছিল, এনে নহয়। নাচনীৰ হাঁহি, অমিয়া মাততো সৌন্দৰ্যৰ সফুৰা লুকাই আছে। এনে বৰ্ণনাত স্বভাৱ কবিৰ কাব্যিক দৃষ্টিৰ সূক্ষ্মতা প্ৰকাশ পাইছে। গাভৰুৰ মাতক কুলিৰ কণ্ঠৰ লগত তুলনা কৰা হৈছে। হাঁহিটো বিজোৰা হৈছে মাণিকী মধুৰীৰ লগত।

"কিনো হাত দুখনি        কিনো ভৰি দুটি
কিনো তোমাৰ শুৱলা মাত।"

০০০০০০

"তোমাৰ দেহাটি        পদুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি।"

০০০০০

" তোমাৰ মাতেষাৰি        কুলিৰে মাত যেন
মাতেৰে মোহিলা মোক।"

০০০০০

"মিচিকীয়া হাঁহিটি        লাহৰী ওঠতে
কোন সতে এৰি যাঁও তোক।"

০০০০০

যৌৱনে গৰকা গাভৰুৰ দেহতেই যে ডেকাই সৌন্দৰ্যৰ সন্ধান পাইছে তেনে নহয়, গাভৰুৱেও ডেকাৰ দেহত মনে বিচৰা সৌন্দৰ্যৰ সন্ধান পাইছে।

"শকতকৈ কলাফুল        কঁকাল খামুচীয়া
বহলকৈ চেনাইৰে বুকু
এনুৱা চেনাই তোক        কেনেকৈ পাহৰিম
নিতৌ সামাজিকত দেখোঁ।

০০০০০

শকত কলাফুল, বহল বুকু, খামুচীয়া কঁকাল, মুখত মিচিকিয়া হাঁহি গাভৰুৰ আকৰ্ষণৰ বস্তু। কেৱল দৈহিক সৌন্দৰ্যই। আকৰ্ষণৰ কেন্দ্ৰ নাছিল, গুণৰো আদৰ আছিল। ৰোৱনী, দাৱনী, শিপিনীৰ দৰে হালোৱা, মাছুৱৈ, ঢুলীয়া, পেঁপুৱা, ডেকাকো বিহুনামৰ বহুতো ঠাইত ভূমুকি মৰা দেখিবলৈ পোৱা যায়। অসমীয়া বিহুনাম বনঘোষাবোৰ কেৱল নামেই নহয়, ইয়াৰ বুকুত অসমীয়া মানুহৰ সামাজিক সাংস্কৃতিক জীৱন অনেক বাতৰি সোমাই আছে।

*লেখকৰ ঠিকনা*
*খোৱাং, ডিব্ৰুগড়*

০০০০০



# কবিতা

## নিউজ চেনেল

কুশল দত্ত

অৱশেষত একত্ৰিছ জুলাই আহিল-
আজিৰেপৰা আটাইকেইটা নিউজ চেনেলৰ সম্প্ৰচাৰ
এসপ্তাহৰ বাবে বন্ধ।

এই মুলুকৰ লোকৰ জিভাৰ জুতি সলোৱাৰ অপৰাধত?
এই মুলুকৰ লোকৰ মুখত মুখা পিন্ধাই দিয়াৰ অপৰাধত?
এই মুলুকৰ লোকৰ নাকত নতুন গোন্ধ সনাৰ অপৰাধত?
এই মুলুকৰ লোকৰ চকুত নতুন চছমা পিন্ধোৱাৰ অপৰাধত?
এই মুলুকৰ লোকৰ কাণত নতুন ফুটা উলিওৱাৰ অপৰাধত?

মহামান্য ন্যায়ালয়ৰ এমাহৰ আগৰ ঘোষণা-
বাইজক চৰিত্ৰ পাঠ দিব পৰাকৈ
চেনেলকেইটাৰ নিজৰ চৰিত্ৰই এতিয়াও পূৰঠ হৈ উঠা নাই
সেয়ে এসপ্তাহৰ বাবে আটাইকেইটাকে জুভেনাইল হোমলৈ পঠাব লাগে



ঘোষণা শুনি নে নুশুনি নে কাৰোবাৰ উচতনিত-
নতুন জুতিৰে লাহে লাহে নিজাববীয়াকৈ পূৰঠ হৈ অহা ল'ৰাহঁতে
চৰকাৰী ষড়যন্ত্ৰ'ৰ প্ৰতিবাদত সদায় কৰি অহাৰ দৰে
এইবাৰো আৰম্ভ কৰি দিলে আন এক 'বিপ্লৱ'

তাকে দেখি
আজীৱন বহু নিৰৰ্থক আন্দোলনৰ প্ৰত্যক্ষদৰ্শী ভুক্তভোগী
স্কুলৰ প্ৰধান শিক্ষকৰ স্বগতোক্তিঃ জোকৰ মুখত চুণ পৰাদি
উটাই জোল খোৱাহঁতৰ হওঁতে ভালেই এটা শিক্ষা হ'ল
আটাইবোৰ মালিককে তপত ভাতৰ ধোঁৱাই ধৰিছিল
পিছে দুটা-এটা একেবাৰে দলিয়াই পেলাব
লগীয়া কথাও আছিল ......................

কবিৰ ঠিকনাঃ দৈনিক অসম, গুৱাহাটী।

# চকাছুন্দা বিহুৰ ধান-গান

জ্যোতিনীলিমা গগৈ

কুঁহিপাতমেলা গছ বিৰিখৰ সেন্দুৰী গানবোৰ
চতাই পৰেবত পালেগৈ
ৰ'দঘাই মাটিৰ ধানৰ বুকুতো সঁচলৈ নাই
বিহুৰ হেঁপাহ
মানুহৰ বুকু-মাটিত পৰি আছে মলঙা হাঁচতি

ঢেঁকী গ'ল কোন ধুবুৰীলৈ
পদুমীৰ গুমগুমাই উঠা ভৰিৰ চাবে
নাভাঙে মহ-গুৱালৰ পেঁপাৰ সুৰ

তপত বিহুৰ তাপে দহে
ৰৰঘৰৰ বাহিৰ-ভিতৰ

চকাছুন্দাকৈ সৌৱা কনবীয়া ফুলৰ গোন্ধত
ঠাহ খাই আছে ৰিণিকি ৰিণিকি মাটিৰ সুৰ
কপৌ-কেতেকীৰ বুকুৰ কৌটিকলীয়া বহাগৰ
নিছিগা ধাৰ

বাহিৰে ৰংচং এৰি
ফুলপানীছিগালৈ যাওঁ
আদৰি আনো
মাটিৰ মানুহৰ তেজে-ঘামে কুৰুলিয়াই থকা
বাপতি সাহোন বিহু..........।



কবিৰ ঠিকনাঃ আমোলাপট্টি, ঢকুৱাখনা।



# ম'হঘুলি চাপৰি

কাব্যশ্ৰী গগৈ

(১)
নিশা হ'লেই
চাৰিকড়ীয়াৰ বুকুলৈ
জোনটো নামি আহে

চিচু গছৰ স'তে
কথা পাতি জোনাকে
পলসুৱা মনত
সপোন আঁকে।

(২)
ব'হাগৰ দুপৰীয়া
এছিৰা পকাধান ৰঙী ৰ'দ

চেমনীয়াৰ টকাৰ
সৰু সৰু মাত
বিহুৱতীৰ ৰিনিনি

সেউজ প্ৰতিশ্ৰুতি হৈ
বুকুৰ ৰৰঘৰ গৰকি সোমায়
কপৌফুলীয়া সুবাস।
(৩)
থৌকি বাথৌ
ম'হঘুলি চাপৰি
সাতাম পুৰুষীয়া সভ্যতা-সংস্কৃতি

গাত মেৰিয়াই ললোঁ
কেছ বচা ৰিহা
ঘূৰণীয়া পৃথিৱীৰ সেউজীয়া মনত
গুণ গুণ সুৰৰ ঢৌ তুলি

ঢোলৰ চেৱৰ
চেনেহ চিকুণ বিলাসিতা

কবিৰ ঠিকনাঃ কাঠৰবাৰী, ঢকুৱাখনা



# ফাটবিহু

নিবিড় অনুৰাগ মানস

আবেলিৰ ৰঙবোৰ ক্ৰমশঃ বিৰিঙি উঠিছিল
চাৰিকড়ীয়া হৃদয়ত........
মাতমৰা পাবৰ কনেঙজনীৰ তপত উশাহত
নাচি উঠিল
মহঘুলি চাপৰিৰ এজাক সেউজবুলীয়া সপোন...
সৃষ্টি আৰু ঐতিহ্যৰ প্ৰতিটোপাল আবিৰে
সাৱটি ধৰিলে
ভালপোৱাৰ চিৰসেউজ পৃথিৱীখনক
অসমীয়াৰ বুকুত উথলি উঠিল
এজাক সৃষ্টিৰ কোমল বতাহ
নিজক বিছাৰি চোৱাৰ.....
হেৰাই যোৱা সপোনবোৰ পুনৰ
প্ৰাণ পোৱাৰ আগজাননী....
শিলাবৃষ্টি, মেঘৰ গাজনি
ধ্বংসৰ পথাৰত সৃষ্টিৰ কিৰিলি লৈ
নাচি উঠিল এজাক তুলবুল মাধুৰীমা
স্বৰ্গদেৱে নাম দিলে - ফাটবিহু
অসম আৰু অসমীয়াৰ স্নেহৰ কোলাত গজালি মেলিলে
সোণালী দিনৰ গান
স্থিতপ্ৰজ্ঞ
সময়ৰ ঘূৰণীয়া চকা।

*কবিৰ ঠিকনাঃ সম্পাদক, মাহেকীয়া অনুৰণন, ধেমাজী।*

# গান

সত্যজিৎ বৰপাত্ৰ

গান এটা বাজি উঠে হৃদয়ত
ছন্নপৰা পথাৰখনৰ দুখ
গান এটা বাজি উঠে শেতেলিত
আইৰ জুশালত অসুখ
ফাল কটা কেঁকোৰা নাঙলৰ মুঠিত
পিতাইৰ হাত কঁপে
বাড়ি অহা বছৰটোৰ অসুখ

গান এটা বাজি উঠে বজাৰখনত
সেমেকা গধুলিটো মাতাল হয়
টিমিক- ঢামাক চাকি জ্বলি থাকে
অথচ ছগা নাহে........
আন্ধাৰ সাৱতি বহি থাকে এটা প্ৰাচীন মুদ্ৰা
এতিয়া বজাৰখনৰো অসুখ

গান এটা বাজি উঠে চাপৰিটোত
এজাক মানুহৰ সমদল
খোজৰ ভৰত বিৰিঙে নতুন দিনৰ সূৰ্য্য
শুকান নদীখন হঠাৎ গাভৰু হয়
নিশাৰ বাঁহীত বাজে কাৰপুনপুলিৰ পৰাতন সুৰ
গান এটা বাজি উঠে চাপৰিটোত
বহুদিন......
বহুৰাতি......
আৰু গানৰ লহৰত নাচে এজাক উলংগ মানুহ।

*কবিৰ ঠিকনাঃ বাঁহপৰা, ঢকুৱাখনা।*



# চাৰিকড়ীয়া

নৱনীতা গগৈ

চাৰিকড়ীয়া সোঁতত বাজি উঠে
গৰখীয়াৰ কলঘোষাৰ সুৰ
এলো দুকুলাকৈ চন্দ্ৰকলাৰদৰে
বাঢ়ি আহিল নৈখনৰ যৌৱন
স্ৰোতস্বিনী হৈ বৈ গ'ল নিৰবধি
মহঘুলিৰ বাকৰিত পেলাই গ'ল
কেঁচা মাটিৰ সেমেকা গোন্ধ।
ব'হাগ নাহিলে নৈখনৰ চকুলোবোৰ
বই বান্ধে ভেটফুলৰ পাহিত
ব'হাগ আহিলে হাঁহিবোৰ
জিলিকি উঠে পাৰৰ বালিচন্দা হৈ
চাৰিকড়ীয়া আৰু ব'হাগ এয়া
এক আজন্ম পৰিচয়।
চাৰিকড়ীয়া তোৰ আন এটা নাম
নৈ পৰীয়া গাভৰুৰ প্ৰেমৰ সংজ্ঞা
নৈখনৰ বুকুলৈ যেতিয়া সন্ধ্যা নামে
মুনিচুনি বেলিৰ পোহৰবোৰ
পাতুৰি নোহোৱা হয়
আকাশত ঘৰমুৱা বগলী উৰে
আইৰ ঘৰলৈ মোৰ মনত পৰে
মহঘুলি চাপৰিৰ পৰা বিৰিঙাই মাতে
কনাইটি অ' কাষলে চপাই দে নাও
সিপাৰৰ ঘাটলৈ যাওঁ।

*কবিৰ ঠিকনাঃ আলোক নগৰ, ঢকুৱাখনা।*

# বৈ বৈ চম্পাৱতী

সৌৰভ কুমাৰ বৰুৱা

তাঁত কাটি উলিয়ালি
মুগাৰ ৰিহাখনি
চুঙা কটি উলিয়ালি ধন

সাউদৰ পুতেকলৈ
বাট চাই বৈছিলি
সঁপিছিলি যাক দেহ-মন

নাওবন্ধা ঘাটতে বৈ বৈ চম্পাৱতী
বণিজ মেলা ঘাটতে বৈ বৈ চম্পাৱতী
খাৰু-মণি কিনাতো চল,
সাউদৰ নাও চাপিব
মনৰ ৰাজকুমাৰ আহিব
বুকুত বৰলুইতৰে ধল।

সেইদিন ধৰি চম্পাৱতী
বৈনো বৈ চম্পাৱতী
আজিও চম্পাৱতী
ঘাটতে বহি ৰ'লে
কিন্তু
বিহুলৈ কিমান দিন
তাইক কোনেও নক'লে

*কবিৰ ঠিকনাঃ জীয়মৰীয়া, ঢকুৱাখনা।*

# সোণটোলৈ বিহু নিমন্ত্ৰণ

ডাঃ ইন্তিকাবুৰ ৰহমান

ভাবো তই আহিলে
ঢোলটো খুলি থ'ম
গুলাই যাম পুৰাৰ নিৰ্বৰত
ক'বৰাত কুলিৰ মাত
এটা দুটা ঢোলৰ চাপৰ
ডেকা গাভৰুৰ কিৰিলি
অথবা এটা হিকট
অথচ সোৱাদ লগা চিএৱে
মোৰ স্মৃতিত যৌৱন আনিব।
তোৰ অনুভৱত সোমোৱাৰ খুজিছো
এটা মিঠা আবেগ
কোমল কোমল লগা
কৈশোৰৰ পৰা আজি পৰ্যন্ত
সাঁচি যোৱা
মৰমৰ সুবাস।
সোণটো তই বুজি পাবিনে
হৃদয়ত তোলপাৰ কৰা
শব্দৰ গতি
কবিতাৰ ছন্দৰ দৰে
মৰম সনা চাৱনি
তই হয়তো দেখাই নাই
সেয়ে তই এইবাৰ আহিবি
মই বৰ আবেগেৰে
ৰৈ আছো
যোৱাৰ আগতে
তোক চিনাকী
কৰি দিম
মৰমৰ সংস্কৃতি
আপোন পাহৰা
আবেগ সনা
মন হৃদয় উত্তাল কৰা
এক ৰঙীন সুবাস।।
সোণটো ভালে আছনে?
হৃদয়ত মৰমৰ মাত
আৰু মনত এবুকু আশালৈ
তোলৈ ৰৈ আছো
বিহুত আহিবি তই।
কুলিয়ে যেতিয়া মাতিব
ঢোলত চাপৰ পৰিব
মই হেপাহেৰে বাট চাম তোলৈ
মোৰ বাবে
তই হবি বিহুৰ আলহী।
ভয় নকৰিবি
তই নাচিব নালাগে
নালাগে তই
ঢোল পেঁপা গগনাত
মাতাল হব
নিশা হুঁচৰিৰ বাবে
টোপনিৰ আমেজত
ব্যাঘাত নহয়।
কাৰণ তইতো নাজান
দেউতাৰ পদূলিৰ
হুঁচৰিৰ সৌন্দৰ্য
কিমান আবেগিক।
মোৰ বিহু তোৰ সতে নিমিলে
যৌৱনৰ মিঠা গীতবোৰ
ধূসৰিত অতীতটো
এটা দীঘল চোলাৰে
ঢাকি থৈছো।

*কবিৰ ঠিকনাঃ জ্যেষ্ঠ মেডিচিন বিশেষজ্ঞ, আদিত্য হস্পিতেল, ডিব্ৰুগড়।*



# ব'হাগতে পাতি যাঁও বিয়া

জুপিতৰা নাথ

ৰ'দো দিছে-বৰষুণো দিছে
হাঁহিছে আকাশে-কান্দিছে আকাশে
ভালে পাতে আহি ব'হাগ
লগাইছি তইৰ ৰবৈচিলা সপোনক আঁত
পেট পাতি ভাত নুখুওৱা
মইজনীৰ আজি ভোকত তত নাই
সেৱাই চুঁচি খাম কুঁচিয়া-নৰসিংহৰ আঞ্জা
দিলে দিব যা বিয়াত বৰষুণ দোপালপিটা
গুৰু-গোঁসাই নমনা
এইজনীক কোনেনো কৰিব কইনা
মুখ লাওপাত-কচুপাত
গাত বসন্তৰ উৎপাত
এনেয়ে লাৱনী ইকৰাপাতৰ গা
তাতে আকৌ বসন্তই বোৱালে বা-
ক'ত ৰয় আৰু চিত
এইমাত্ৰ যদি কলপাতত পিছলে
তাৰ পাছতেই কাৰোবাৰ চকুত বিয়পে
দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী
ঢিলাও বুলি চাপৰ মাৰি আহিল হুঁচৰি
মৰাৰ অলংকাৰ থৈ সামৰি
তুমি লোৱা-
বায়ে দিয়া স্বৰ্ণালংকাৰ দুহাত পাতি
স্বাতী অ' আকাশত উৰুওৱা উৰুলি এজাউৰি
উৰি উৰি উৰুলি
বাৰি আইদেউৰ খিৰিকীত দুলি দুলি
কপৌ কোঁৱৰক স্বামী বৰণ কৰিব বতাহী ছোৱালীয়ে
এই ব'হাগতে বিয়াখনি পাতিব-
আমোল কাটিব ঘৰচিৰিকাজনীয়ে।।

*কবিৰ ঠিকনাঃ আমোলাপট্টি, চকুৱাখনা।*

# আকৌ ব'হাগ

লীনামনি শইকীয়া দিহিঙীয়া

প্ৰতিটো ব'হাগতে
গজি উঠো
বুকুৰে বুকুৰে শিপাই
বনফুল হৈ ফুলো।
দেখাপাওঁ বতাহৰ
কুমলীয়া আগ
নৃত্যৰত বিৰিখে সজা
কলপটীয়া আকাশ।
বিৰহী কেতেকীৰ সুঁহুৰিত
সাৰ পাই উঠো
বনৰীয়া ৰাতি
আটি আটি বান্ধো
মন উপকূল ভৰা বসন্তৰ
বাউলি সুবাস।
কেচাপাত, পকাপাত, সাৰপাতে
নুৰিওৱা বিষালি কলিজাত
বাসন্তী শোক
এতিয়াও চোতালত এজোটি
গুণাফুলীয়া তাঁত
এফালে উঘাৰ পাক,
আনফালে চেৰেকিৰ পাক
চেনাই অ'
বিচাৰিহে পোৱা নাই
ক'ত যে হেৰাল জীৱনৰ আঁত....?

# ফাটবিহু ম'হঘূলি ইত্যাদি.....

সুৰুজ কুমাৰ ভূএগ্ৰা

কোনোবা কালতে বতাহত ভাহি অহা শুনিছিলো
বজালে ঢোল ফাটে, গালে মাত ফাটে
বিহুৱাৰ দল ফাটে*, পানীৰ ফাট বহে.........
কোন বনৰীয়াই চো মাৰি কৈ যায়
সেই ঠাই-এই ঠাই।

বালিমাহী চৰাইৰ ফিচাত
নাচি থকা মোৰ শৈশৱ আৰু কৈশোৰ
বুকুত উক্‌মুকাই থকা
কমলা কুঁৱৰীৰ পানীৰ সপোন
অজানিতে বাগি মাৰি আঁতৰি যায়
পল, পল, অনুপল।

সপোনৰ বুটাফুল বাছি
সেইজীয়া সময়
নৈপৰীয়া বনগীতৰ স'তে মিলি যায়।
অবাটৰো বাট মোকলাই
অভিসাৰী বাটে ঠেং মেলে।

পানীময় নদী
সেউজীয়া উচ্ছলতাৰে বাংময় হয়,
কড়া-কুমতীয়া-চিচি-টেকেলিফুটা
চাৰিকড়ীয়াৰে উজাই আহে
ফাট বহে, হাট বহে।

ঢোল-দগৰে বুকুৰ মেঠনি উজায়।

যৌৱনমতী হয় কড়ী লোৱা ঘাট
ঠেং মেলা বাট
মাহ হালধীৰে উৰুলিময় ম'হঘূলি।
চিচুবনৰ মেচ'ফিল ছেলত লাগি ৰয়
সেউজবুলীয়া অমিয়া মাত
সুবদী সময়।





# কাজিৰঙা

ৰূপম ৰুণ গগৈ

প্ৰকৃতিয়ে হাত বাউল দি মাতিছে
কাজিৰঙা অ' কাজিৰঙা।
কিন্দীয়া অলকানন্দা
তোমাৰ কাঁচিয়লি ৰ'দত
অলপ অকৃত্ৰিম মৰমৰে উমলিব দিয়া
শীতৰ হাড়কঁপোৱা ঠাণ্ডা দলিয়াই
ৰৌদ্ৰোজ্জ্বল এটা পুৱা
আহুতীয়াকৈ ৰাখা।

নিৰীক্ষণ গৃহৰ পিঠি বগাই
চাব বিচাৰো এশিঙীয়া গঁড়ৰ মনালিছা হাঁহি
ঔহবাৰ বুকুৰে মনলে আনি দিয়া সুখৰ উত্তেজনা
জলাশয়ৰ মাধুৰীমা, চৌদিশৰ সেউজীয়া।

খোলাহডৰ জীপত উঠি
জাকবন্ধা হস্তী আৰু বনৰীয়া ম'হ
নানবৰ্ণী পক্ষীৰ কলৰৱ; পশুবোৰৰ চিএগ্ৰৰ
খোদিত কৰিব বিচাৰো
হৃদয়ৰ ফ্ৰেমত।

যদি চাব বিচাৰো
তোমাৰ পৰিচাৰ্যত থকা
তৃণমূল কৰ্মীৰ
সপোন আৰু আশাৰ কবৰ।

তোমাৰ শান্ত নিস্তব্ধতা
আৰু আৰণ্যক মাদকতা
কাৰ কুঠাৰঘাতত ধৰ্ষিতা হয়
তাকো জানিব বিচাৰো।

কাজিৰঙা, অ' কাজিৰঙা।
কুঁৱলীৰ আচ্ছাদন ফালি
তোমাৰ প্ৰেমত পৰা সেউজীয়াক
মধুৰ সম্ভাষণ জনোৱা
কাজিৰঙা, অ' কাজিৰঙা।

*কবিৰ ঠিকনাঃ কুণ্ডিল, শদিয়া।*



# বিহুৱানখনত তই আকৌ ফুল বাচিবি

ত্ৰিদিপ গগৈ

সৰুভনী.........
বিহুৱানখনত তই আকৌ ফুল বাচিবি
তোৰ আঙুলিৰ মূৰত নাচিব সূতা
তই বাতিবি মহুৰা
আইয়ে যে তোক শিকাইছিল
মহুৰা বাতিবলৈ'
চিঙি যোৱা সূতা যোৰা লগাবলৈ
আইয়ে যে তোক শিকাইছিল
মাকো মাৰিবলৈ'
বিহুৱানখনত ফুল বাচিবলৈ'
মমতাৰে উপচাই পেলাইছিল তোক.....

আইজনী মোৰ কেনে আছে অ' সৰুভনী
পিতাই পথাৰলৈ যাওঁতে
আগৰ দৰেই আইয়ে পিতাইক
চাহপানী যতাইনে
পথৰুৱা গামোছাখন কান্ধত তুলি দিয়েনে
দুখতো সুখী, সুখতো সুখী মোৰ পিতাই
বৰ মৰম আকলুৱা অ' সৰুভনী
তই পিতাইৰ কথা মানিবি
আইয়ে পাহৰি গ'লে তইয়ে যতনাই দিবি
পিতাইক পথাৰৰ জলপান.......

তই জোনাকৰ স'তে খেমালি নকৰিবি সৰুভনী
বতাহৰ স'তে একেলগে নাহঁহিবি
অকলশৰে চতিয়নাৰ তলত ৰৈ
চৰাইৰ মাত নুশুনিবি অ' সৰুভনী
চল পালেই সিহঁতে তোক জোকাব
চল পালেই সিহঁতে তোক চিকুটিব
ঝুণুক-জুণুককৈ বাঢ়ি অহা গাভৰু লাজবোৰ
সিহঁতে বিচাৰিব তোক
সৰুভনী তই আইৰ কথা শুনিবি
তই পিতাইৰ কথা মানিবি
বিহুৱানখনত তই আকৌ ফুল বাচিবি......।





# ব'হাগ

নিত্যানন্দ শইকীয়া

পিয়নে মোনাত ভৰাই অনা
কাংক্ষিত চিঠিখনৰ দৰে
হাতত হাঁচতি লৈ বহাগ,
বৰ বৰিবৰ হ'ল অ' আই
সাজ সলাই আহ অ' ওলাই,
অজান্তিমুলুকৰ সপোন এটালৈ
কেতেকীজনীয়ে নিৰলে বিনায়
ৰবাব ফুলৰ গোন্ধেৰে তিৰবিৰায়
বন নলগা চেঙেলীয়া মন।
বহাগ আহিবনো ক'লৈ
আইতৰ তললৈ নে নৈ পাৰলৈ?
নৈখন দেখোন ছেৰাশালি হ'ল
খৰালি নৈ খনে জিৰায়
বাৰিষা বুকুখন খহায়।
আইতৰ তলত কোনে গুমগুমায়
ঢোলে নে কলপতীয়া কলিজাই?
নে নাচনীৰ তলুৱাখন ধৰফৰায়।

পিয়নে মোনাত ভৰাই অনা
কাংক্ষিত চিঠি খনৰ দৰে
হাতত হাঁচতি লৈ বহাগ ......।

ঠিকনাঃ

# ৰঙালী আদৰণি

ধ্ৰুৱজ্যোতি বৰা

ৰবদৈচিলা আইৰ উশাহে
গাত বুলাই অসমীয়াৰ
ৰঙালী বিহু পালেই বুলি।

মনটো আকৌ উৰুৱায়
চ'ত যেন অসমীয়াৰ
ৰঙালীক আদৰৰ হে প্ৰস্তুতি।
ঢোলীয়াৰ ঢোল তালৰ আখৰা ই
জগাই তোলে সেই কৃষ্টি সংস্কৃতিৰ
উতলা তেজৰ সম্পৰ্ক।
ডেকা গাভৰুৰ প্ৰেম বহুৱলৈ
যেন আদৰে কপৌফুল পাহে।
বিদেশৰ কৰ্মচাৰীৰ দৰেই
কুলি চৰাই য়ে চাগে আবেদন
দিয়ে নিজ গাঁৱলৈ যাওঁ বুলি।
গামোচাই তাঁত শালৰ পৰাই
সাজু হয় সকলোৰে মাজত
সন্মান, মৰম চেনেহ বোৰ
বান্ধি ৰাখিবলৈ।
চুবুৰীয়াৰ চিৰা পিঠাৰ প্ৰতিযোগিতাই
মোক সোঁৱৰাই দিয়ে
ঘৰলৈ যাব লৈ হ'ল,
হুঁচৰিও গাবৰেই হ'ল

## হাবুঙৰ কনেং

শৰৎ চন্দ্ৰ দাস

কি যে সজল চাৱনি তাইৰ
লাৱনি দেহাটি ভাঙিছে
গুমৰাগ চমানৰ লয়লাসত;
মিচিকি হাঁহিটিয়ে যেন
চমকং মাৰিছে বিজুলী।
ভবিৰ গিৰিপনিত কঁপিছে
ম'হঘূলি চাপৰিৰ "ফাটবিহুতলী"।
তাইৰ উদ্দাম নাচোনৰ তালত
চাৰিকড়ীয়াইও ল'ব খোজে
নিমিষতে ভৰ বাৰিষাৰ ৰূপ
শাৰী শাৰী চিচু গছবোৰেও
হালি-জালি নাচিব ধৰে
তাইৰ সতে, তালত তাল মিলাই;
ৰিবিগাছেঙৰ ভাঁজত বান্ধি ৰখা
আচিনায়াংবোৰ ওলাই আহিছে
ঐনিতমৰ চিকুন সুৰ হৈ ......
আবেলিৰ কোমল ৰ'দালিয়ে
আঁকিছে তাইৰ গোলাপী গালত
এটি সাতোৰঙী চুমা।
ৰক্তিম ওঁঠযুৰিত বিৰিঙিছে
বলিয়া বসন্তৰ উন্মাদনাবোৰ.....
তাইয়েই জানো নহয়?
মোৰ মন সৰগৰ অপেশ্বৰী
হাবুঙৰ কাংকান কনেঙজনী

## অনুভৱঃ ব'হাগৰ

মুকুল জয়ন্ত

(ক)
মোৰ জীৱনৰ অংক
.তোমাৰ ফলিখনতে কৰিম
ৰাতি ৰাতি শলিতা জ্বলাই
লিখিছিলো চিঠি
তোমাৰ ঠিকনা পাহৰি

(খ)
বোকাৰ বাটতো
অহা যোৱা কৰে
মোৰ দুভৰি
নৈ'ৰ বুকুখন চাই
উজাগৰে থাকে
মোৰ দুচকু।

## হৃদয়ত লেখিম আকৌ তোমাৰ নাম

কৃষ্ণ বড়া

আজিও লেখা নহল হৃদয়ত তোমাৰ নাম.....
পৰিভ্ৰমী পখীৰ দৰে উৰি ফুৰে মোৰ মন
কেতিয়াবা পাহাৰ, কেতিয়াবা ভৈয়াম,
কেতিয়াবা আকৌ নদীৰ পাৰে পাৰে।

হৃদয়ত স্মৃতিয়ে লেখিব খুজো
বিষাদ অনুভৱৰ নাম
দুহাতে দুগালত পৰশ বুলোৱাৰ দৰে
হৃদয় খনতো চুই চাব নোৱাৰো তোমাৰ

আঘোণৰ সোণালী ধান বুটলাৰ দৰে
তোমাৰ হৃদয়খনতো বুটলি ল'ব নোৱাৰো
আকৌ সময় পালে এবাৰ
হৃদয়ত তোমাৰ নাম লেখিম।।

## প্ৰতীক্ষাৰ অন্তত

কেশৱ শইকীয়া

ভাগৰি পৰিছো
ধূলিয়ৰী বেদী
কিমান তিয়াম টুপা টুপে টুপা টুপে
নিয়ৰ সৰাদি তেজৰ টুপাল
আৰু তেজ ঢালি ঢালি...

কিমান বাট চাম
ফুল পাহ নুফুলিল
আৰুটো ৰোৱাৰ সময় নাই
ফাগুণ অহালৈ.......

শেৱালিৰ দৰে টুপা টুপে টুপা টুপে
ক্ষণ অনুক্ষণ অহৰ্নিশে
আঃ বুকুত কি যে যান্ত্ৰণা
দুঃসহ দুৰ্নিবাৰ

সুদূৰত বেলৰ উকি
ধৰি লওঁনে
এই যেন শেষ দেখা দেখি

*ঠিকনাঃ ঢকুৱাখনা।*

# প্ৰয়োজন তোমাক

পুবালী সন্দিকৈ

মেঘাচ্ছন্ন আকাশৰ তলত
অকলশৰে মই বৈ আছো
তুমি যে কৈছিলা
'মই আহিম বুলি' মোৰ কলিজাত হাত ফুৰাই
কেতিয়াবা অনুভৱ হয়
তুমি যেন আতৰি গৈছা
আজি কান্দিব খুজিও কান্দিব পৰা নাই
চকুপানীবোৰ বৰফ হল
বৰফবোৰ গলিবলৈ তোমাৰ বুকুৰ উত্তাপৰ
বহুত প্ৰয়োজন।
কেতিয়াবা মনত পৰেনে তোমাৰ
চাৰিকড়ীয়া নদীৰ পাৰৰ মহ'ঘুলি চাপৰিত
ঐতিহাসিক ফাটবিহুত .............
মোৰ হৃদয়ত ঝংকাৰ তুলি কৈছিলা
মোক ভালপাওঁ বুলি
আজিও নৈখনৰ কহঁৰা জাবনিখনে
তোমাৰ স্মৃতিৰ কথা সোঁৱৰাই
ফাটবিহুৰ আগমনত তোমাক পুনৰ
মোৰ কাষত বিচাৰো
তোমাৰ হাতত তুলি দিব বিচাৰো
আস্থা আৰু বিশ্বাসৰ প্ৰতিশ্ৰুতি
তুমিতো জানা
মই পূৰ্ণ নহঁও তোমাৰ অবিহনে
তুমিও দুখী
মোক হেৰুৱাইছা বাবেই
সাত সাগৰ তেৰ নদী পাৰ হৈ তুমি গুচি আঁহা
তোমাৰ বাবে মই জী উঠিম
আৰু মোৰ বাবে তুমি।।।




*পীতাম্বৰ গগৈৰ সোঁৱৰণত কেইটিমান লেখা ঃ*

## স্মৃতিৰ এখিলা পাত ঃ

# পীতাম্বৰ গগৈৰ জীৱন আৰু কৃতী

নন্দ চুতীয়া



*ফাট বিহু উদযাপন সমিতিৰ সভাপতি পীতাম্বৰ গগৈ দেৱক সম্বৰ্দ্ধনা জনাইছে সম্পাদক বিনোদ গগৈয়ে (ফাইল চিত্ৰ)*

পীতাম্বৰ গগৈদেৱৰ জন্ম হৈছিল ঢকুৱাখনা গাঁওৰ বালিগাঁৱত চিপাহী পৰিয়ালত ১৯৩৮ চনত। পিতৃৰ নাম পূৰ্ণকান্ত গগৈ আৰু মাতৃৰ নাম পঞ্চমী গগৈ। এওঁলোকৰ সন্তান আঠটি। চাৰিজন ল'ৰা আৰু চাৰিগৰাকী কন্যা। ল'ৰা কেইটিৰ নাম ক্ৰমে ভোলা গগৈ, যোগেন গগৈ, পীতাম্বৰ গগৈ আৰু দেৱ কুমাৰ গগৈ। বৰ্তমান ভোলা গগৈৰ বাদে বাকী তিনিজন [illegible]ই পৰলোকগামী হৈছে। ছোৱালী কেইগৰাকীৰ নাম হ'ল যথাক্ৰমে পদ্মেশ্বৰী গগৈ, বিশ্বেশ্বৰী গগৈ, লীলা গগৈ আৰু সোণতৰা গগৈ। এওঁলোকৰ মাজৰ এগৰাকীহে এতিয়া এই সংসাৰত আছে। ভোলা গগৈ টোকলাই চাহ গৱেষণা কেন্দ্ৰত চাকৰি সূত্ৰে যোৰহাটতে মাটি বাৰী লৈ স্থায়ী বাসিন্দা হৈ বৈ গ'ল।

পীতাম্বৰ গগৈদেৱে স্কুলীয়া শিক্ষা ঢকুৱাখনাত আৰম্ভ কৰি পিছত যোৰহাটলৈ গৈ ককায়েকৰ লগত থাকি যোৰহাটতে পঢ়া শুনা কৰি মেট্ৰিক পাচ কৰে আৰু যোৰহাটতে উচ্চ শিক্ষা গ্ৰহণ কৰে।

পিছত তেওঁ ১৯৬৯ চনত লগত এখন বগা ৰঙৰ

জীপ গাড়ী লৈ ঢকুৱাখনাত ব্যৱসায় কৰিবলৈ ওপজা গাঁও বালি গাঁৱলৈ একেবাৰে গুচি আহিল। কিন্তু ব্যৱসায়ত মনোযোগ দিয়াতকৈ খেলা-ধূলা আৰু সাংস্কৃতিক দিশটোত বেছিকৈ মনোযোগ দিয়াত ব্যৱসায় বন্ধ হৈ পৰে। পীতাম্বৰ গগৈদেৱ ঢকুৱাখনা টাউন ক্লাবৰ এজন দক্ষ গল কীপাৰ আছিল। ইয়োৰোপৰি এজন ভাল ভলীবল খেলুৱৈ আছিল। ঢকুৱাখনা নিচিনা ঠাইত হকীখেল প্ৰচলন কৰিবলৈও তেখেত প্ৰচেষ্টা হাতত লৈছিল। ঢকুৱাখনালৈ আহি ঢকুৱাখনা নাট্য মন্দিৰত অনুষ্ঠিত শ্ৰীকৃষ্ণ ৰাসলীলা অভিনয়ত জড়িত হৈ পৰি বসুদেৱ চৰিত্ৰটো ৰূপায়ণ কৰে আৰু পৰিচালনাৰ দায়িত্বও মূৰ পাতি লয়। বহুবছৰ ধৰি ভগ্ন অৱস্থাত থকা ঢকুৱাখনা নাট্য মন্দিৰটো পুনৰ ঠন ধৰাই উঠাবলৈ পীতাম্বৰ গগৈদেৱে কৰ্মপটু যোগ্যজনক সভাপতি সম্পাদকৰ বাব দি ঘনাই নাটক কৰোৱাই নাট্য মন্দিৰটি পুনৰ সজীৱ কৰি তোলে। ইয়াৰ উপৰিও গগৈদেৱ এজন সফল নাট পৰিচালক আছিল। নাট্য মন্দিৰটি পুঁজি টনকীয়াল কৰিবলৈ একহৰ ষ্ঠৰিও গোৱাইছিল। সেই সময়ৰ ঢকুৱাখনা কলেজৰ অধ্যক্ষ পদ্মকান্ত ফুকন, উপাধ্যক্ষ শিৱ প্ৰসাদ গগৈ, ৰমেন বৰগোহাঁই, ছবিলাল জৈন, ঢকুৱাখনা থানাৰ ওৱেৰলেচ অপাৰেটৰ মহীবৰা, ঢকুৱাখনা মুগা ফাৰ্মৰ জুনিয়ৰ গৱেষক অফিচাৰ পুলিন বৰা, জগদীশ গগৈ আদি নিচিনা ব্যক্তিয়ে এইখন ষ্ঠৰিত ভাগ লৈছিল। গগৈদেৱৰ পৰিচালনাৰ হাত লাগি মঞ্চস্থ হোৱা প্ৰতিখন নাটকেই সফলভাৱে ফুটি উঠিছিল। গগৈদেৱে সাৰ্থকভাৱে পৰিচালনা কৰা উল্লেখযোগ্য নাটকবোৰ হ'ল- নকুল ভূঞাৰ 'চন্দ্ৰকান্ত সিংহ', প্ৰফুল্ল বৰুৱাৰ 'সাঁকো', শম্ভু মিত্ৰৰ 'এমুঠি চাউল', হিমেন্দ্ৰ বৰ ঠাকুৰৰ 'বাঘ', প্ৰফুল্ল বৰুৱাৰ 'উপ পথ', ফণীশৰ্মাৰ 'ভোগজৰা', উত্তম বৰুৱাৰ 'বৰ মানুহৰ দোলা', দুলাল ৰায়ৰ 'মহাৰাজা', নন্দ চুতীয়া 'মই সাবিত্ৰীয়ে কৈছো' আৰু 'চিএৰ', শিৱ প্ৰসাদ গগৈৰ 'মিৰি জীয়ৰী' আৰু 'আচামী দুই নম্বৰী', জ্যোতি প্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী', নগাঁও নাট্য সমাজৰ 'পিয়লি ফুকন' 'ধাননি' আদি অনেক নাটক। তাৰোপৰি সেই কালত ঢকুৱাখনা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত পতা জয়মতী উৎসৱত দুবছৰ একেৰাহে অভিনীত হোৱা 'জয়মতী' নাটকখনো সফলতাৰে পৰিচালনা কৰি দৰ্শকৰ মন মুহিছিল।

১৯৭০ চনত বালিগাঁৱৰে জীয়ৰী নীলিমা ওজাৰ লগত বিবাহ পাশত আবদ্ধ হয় আৰু তিনিটা সু-সন্তানৰ পিতৃৰ গৰাকী হয়। সন্তান কেইটিৰ নাম যথাক্ৰমে - অঞ্জুমনি গগৈ, অঞ্জন গগৈ আৰু অনিলেশ গগৈ। গগৈদেৱ ১৯৮৯ চনৰ পৰা কেইবাবছৰ ঢকুৱাখনা নাট্য মন্দিৰৰ সভাপতিৰ দায়িত্বতো আছিল। ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতি পদৰো ভাৰ লৈছিল। দুবছৰমান ফাট বিহুৰ বিচাৰকৰ দায়িত্বতোও শিৰ পাতি লৈছিল। ধেমাজিত অনুষ্ঠিত সদৌ অসম পদ্মনাথ গোহাঁঞি বৰুৱা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰো বিচাৰক হৈছিল। ঢকুৱাখনা নাট্য মন্দিৰৰ উত্তম কুমাৰ বৰুৱাৰ সম্পাদকৰ দিনত অসম আৰু অৰুণাচল ৰাজ্যৰ মাজত সাংস্কৃতিক সমন্বয় গঢ়ি তুলিবলৈ ঢকুৱাখনা নাট্য মন্দিৰৰ শিল্পীৰ হতুৱাই পীতাম্বৰ গগৈদেৱে ভালেমান দিন আখৰা শিকাই পাচীঘাটলৈ লৈ গৈ সফলভাৱে অনুষ্ঠান পৰিৱেশন কৰোৱাইছিলগৈ। আকৌ বিভিন্ন কাৰণত মাজে মাজে বন্ধ হৈ যোৱা ঢকুৱাখনা স্থানীয় লোক উৎসৱ ফাটবিহুটো ১৯৭৬ চনৰ পৰা ধাৰাবাহিকভাৱে পাতি থাকিবলৈ প্ৰথম উদ্যোগ হাতত লোৱা মানুহজনো আছিল পীতাম্বৰ গগৈদেৱেই। ঢকুৱাখনা পাব্লিক বাচ আস্থান খুলি বাচ আস্থানৰ সভাপতিৰ দায়িত্ব লৈ বাচ আস্থানটো সুপৰিকল্পিতভাৱে সজাই পৰাই তুলিবলৈ প্ৰয়াস কৰি থাকোতেই বাচ আস্থানৰ কাৰ্যালয়তেই উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হোৱাত গুৱাহাটী মেডিকেল কলেজলৈ ততাতৈয়াকৈ নি থকাৰ অৱস্থাতে আদবাটতে ২০০৬ চনৰ ২৬ চেপ্তেম্বৰৰ দিনা শেষ নিশ্বাস ত্যাগ কৰে। ফাট বিহুৰ মুখ পত্ৰ 'বিহুবান'ৰ পাততে এই লেখাৰ জৰিয়তে ভগৱন্তৰ ওচৰত এইজন গুণী ব্যক্তি পীতাম্বৰ গগৈদেৱৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

০০০০০





ফাটবিহু উদ্‌যাপন সমিতি - ২০১৮

## ফাটবিহু সমিতি



**বহি বাওঁফালৰ পৰা ঃ** বসন্ত শইকীয়া, ভাস্কৰ দাস, বিনোদ গগৈ, নিলোৎপল গোস্বামী, ভদ্ৰ গগৈ, ৰঞ্জিত সন্দিকৈ, নৱ গগৈ (সম্পাদক), প্ৰদীপ চমুৱা (সভাপতি), মুকুল গগৈ, গোবিন্দ দত্ত, কেশৱ গগৈ, ললিত দাস, ৰাজেন্দ্ৰ গগৈ, চেনেহী দত্ত, মঞ্জু গগৈ, মনিকা পাটিৰ গগৈ।

**থিয় হৈ বাওঁফালৰ পৰা ঃ** নবীন বৰুৱা, দীপক চমুৱা, টংক দত্ত, চন্দ্ৰজিৎ শইকীয়া।



প্ৰদীপ চমুৱা
সভাপতি
ফাটবিহু সমিতি



নৱ গগৈ
সম্পাদক
ফাটবিহু সমিতি



জগত ফুকন
সভাপতি
ফাটবিহু উদ্‌যাপন সমিতি



হৰিচন্দ্ৰ বৰুৱা
সম্পাদক
ফাটবিহু উদ্‌যাপন সমিতি

## 'বিহুৱান' সম্পাদনা সমিতি - ২০১৫



ডিম্বেশ্বৰ গগৈ
উপদেষ্টা



বলোৰাম দলে
উপদেষ্টা



সৰোজ গগৈ
সদস্যা



[illegible] কোঁৱৰ গগৈ
সদস্যা



ইন্দিবৰ বুঢ়াগোহাঞি
সম্পাদক



জ্যোতি নীলিমা গগৈ
সদস্যা



বিপুল গগৈ
সদস্য



অৰুণ চমুৱা
সদস্য



অৰূপ কুমাৰ বৰুৱা
সদস্য

# জানোচা পাহৰো



* পীতাম্বৰ গগৈ



* নৰ কুমাৰ বৰগোহাঞি



* তিতাৰাম গগৈ



* নবেন কোঁৱৰ



দুৰ্গা সূত



শিৱপ্ৰসাদ গগৈ



ড° জিতৰাম কলিতা



জিতেন গোহাঁই



জগদীশ গগৈ



ছবিলাল জৈন



নন্দ চুতীয়া



তিলেন চমুৱা

# আলোকচিত্ৰ ঃ পুৰণি ফাইলৰ পৰা



সম সাহিত্য সভাৰ সভাপতি ইমৰাণ শ্বাহক ফাটবিহুতলীত আদৰি অনাৰ এটি মুহূৰ্ত



বিশি কিৎসক সাহিত্যিক আৰু ব্যঙ্গ ৰসিক ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে ফাটবিহুত ভাষণ দিছে

# আলোকচিত্ৰ ঃ পুৰণি ফাইলৰ পৰা



ফাটবিহুৰ তলীত দৰ্শকৰ উদুলি-মুদুলি



জনপ্ৰিয় অভিনেত্ৰী সাগৰিকা গোস্বামীয়ে ফাটবিহুৰ বৰ্ণাঢ্য শোভাযাত্ৰাত ভাগ লৈছে

# সমন্বয়ৰ ফাটবিহুতলী



বিহু



মিচিং বিহু



দেউৰী বিহু



বড়ো বিহু



চৰ চাপৰিৰ বিহু

## জানোচা পাহৰো
## ফাটবিহুৰ কেইগৰাকীমান পুৰণি বিহুৱা-বিহুৱতী


কৃষ্ণা গগৈ দত্ত


দিব্য ফুকন বুঢ়াগোহাঁই


চম্পা গগৈ


মঞ্জু গগৈ


অৰুণি গগৈ ফুকন


দিব্য চমুৱা পেগু


সোণপাহি দাস


বিদ্যাৱতী গগৈ


গুণ ফুকন


পৰমা ফুকন


কেঁহু গগৈ


পুষ্পপ্ৰাণ ফুকন

# নাটক প্ৰিয় মানুহঃ ক্ৰীড়া প্ৰেমী মানুহ

শিৱ প্ৰসাদ গগৈ

জাতস্য হি ধ্ৰুৱো মৃত্যুধ্ৰুৱং জন্ম মৃতস্য চ।
তস্মাদ পৰিহাৰ্য়েহৰ্থে ন ত্বং শোচিতুৰ্মহসি।।

গীতাৰ সাংখ্যযোগ দ্বিতীয় অধ্যায়ত, কুৰুক্ষেত্ৰৰ ৰণথলীত স্বজন সকলক দেখি মোহত বিষাদ গ্ৰস্ত অৰ্জুনক শ্ৰীকৃষ্ণই আত্মাতত্ত্বৰ জ্ঞানেৰে এইদৰে প্ৰবোধ দিছিলঃ যিজন জন্ম হয় তেওঁৰ মৃত্যুহে ধ্ৰুৱ অৰ্থাৎ সত্য আৰু যিজনৰ মৃত্যু হয় তেওঁৰ পুৰ্নজন্মও নিশ্চিত। গতিকে মৃত্যুৰ কথা ভাবি শোকাৰ্ত হোৱা অনুচিৎ। পীতাম্বৰ গগৈৰ অকাল মৃত্যুত আমাৰ মনৰ দুখ আৰু সন্তাপ গীতাৰ এই অমৃত কথাৰে প্ৰশমিত কৰিয়ে ক্ষান্ত হোৱাৰ বাহিৰে আন কি উপায় থাকিব পাৰে? তেওঁৰ প্ৰস্থানৰ পাছত তেওঁৰ পৰলোকগামী আত্মাৰ সদ্‌গতি কামনা কৰাৰ বাদে আমাৰ আন্তৰিক ইচ্ছা আন একো নাই।

পীতাম্বৰ গগৈ মোৰ এগৰাকী জ্যেষ্ঠ বন্ধু আছিল। জ্যেষ্ঠ এজনো বন্ধু হ'ব পাৰে, কণিষ্ঠ এজনো বন্ধু হ'ব পাৰে। এই সৰল কথাটিকে আমি দকৈ নেভাবি আশ্চৰ্য্য হওঁ। সত্তৰ দশকৰ শেষভাগত ঢকুৱাখনালৈ আহি ইয়াত যি কেইজনৰ বন্ধুত্ব লাভ কৰিছিলোঁ, তেওঁলোকৰ মাজত পীতাম্বৰ গগৈ আছিল দুটা কাৰণত মোৰ বৰ প্ৰিয়। প্ৰথমটো কাৰণ পীতাম্বৰ গগৈৰ নাটকৰ বিষয়ে নিবহ-নিপানী কৈ থকা সূক্ষ্ম আৰু বিস্তাৰিত জ্ঞান। দ্বিতীয়টো আছিল ফুটবল আৰু ক্ৰিকেট প্ৰীতি।

সেইকালত ঢকুৱাখনা এখনি সৰু চহৰ। ঢকুৱাখনা চাৰিআলিটোকে আশ্ৰয় কৰি সৰু চহৰখন গাঁৱলীয়া জীৱনৰ সীমিত সা-সুবিধা পূৰণৰ বাবে ডেকা-বুঢ়া সকলোৰে একমাত্ৰ নিত্য প্ৰয়োজনীয় বজাৰ সমাৰৰ কেন্দ্ৰস্থল আৰু অৱসৰ বিনোদনৰো মিলন থলী। চহৰ এখনত থাকিবলগীয়া কোনো ধৰণৰ বিশেষ আকৰ্ষণ নাছিল, অথচ বৃহত অঞ্চলটোৰ হেজাৰ হেজাৰ মানুহৰ বৈষয়িক ব্যস্ততাৰ কেন্দ্ৰবিন্দু আছিল-চাৰিআলিটোৰ বজাৰখন। সপ্তাহৰ প্ৰতি মঙ্গল আৰু শুক্ৰবাৰে দুদিন হাট বহে। অৱশ্যে দৈনিক বজাৰো আছিল। এই দুটা দিনত হাটলৈ বুলি উপলক্ষ্য কৰি সহস্ৰাধিক লোকৰ সমাগম হৈছিল। ঠিক যেন থমাছ্ হাৰ্ডিয়ে লেখা মেয়ৰ অফ্ কেষ্টৰব্ৰীজৰ গাঁৱৰ মানুহ আহি উদুলি-মুদুলি কৰি তোলা বংৰহইচ পূৰ্ণ ওৱেচেক্স চাহেক্সৰ বজাৰ এখনহে। ইয়াতেই যেন সমগ্ৰ অঞ্চলৰ সকলো বয়সৰ মানুহৰ জীৱনৰ ঈপ্সিত সুখ-দুখৰে ভৰা হৃদয়ৰো আদান-প্ৰদানৰ মেলাহে বহে। সেই কাৰণেই সম্ভৱতঃ যিকোনো ৰাজহুৱা সভা-সমিতি, চূড়ান্ত পৰ্য্যায়ৰ প্ৰতিযোগিতাৰ খেলা-ধূলা আৰু আন আন বহুমুখী অনুষ্ঠানবোৰো এই দুটা দিনতহে ঘাইকৈ আয়োজন কৰা হৈছিল। চৰকাৰী স্বীকৃতিৰে নহয়, উদ্যোগী ডেকা-ডগ্ৰা

সকলেহে যাঠী দশকৰ আগভাগতে ঢকুৱাখনাক টাউন বুলি ঘোষণা কৰি লৈছিল। তেনে অত্যুৎসাহী ডেকাচামে ১৯৫১ চনতে ঢকুৱাখনা টাউন ক্লাব নামৰ এটি ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিষ্ঠান গঠন কৰি লৈছিল। এই প্ৰতিষ্ঠানে সেইকালচোৱাতে ঢকুৱাখনা টাউন ক্লাব নামেৰে এটি সুদক্ষ ফুটবল টীমৰ জন্ম দিছিল। এই টাউন ক্লাবটিৰ সৌজন্যত জিলা ভিত্তিত কেইবাখনো ফুটবল প্ৰতিযোগিতা পৰিচালনা কৰিছিল। এই অনুষ্ঠানটিৰ সৈতে পীতাম্বৰ গগৈ ওতঃপ্ৰোতভাৱে জড়িত এজন আগশাৰীৰ উদ্যোক্তা আছিল। ঢকুৱাখনা বজাৰৰ সৰু-বৰ সকলো ব্যৱসায়ীৰে টাউন ক্লাবটি বৰ আদৰৰ আছিল। সমগ্ৰ অঞ্চলৰ ক্ৰীড়া প্ৰেমী ৰাইজ এই ফুটবল টীমটোৰ উৎসাহী আৰু সমৰ্থক আছিল। ঢকুৱাখনা টাউন ক্লাবৰ ফুটবল টীমটোক সেই সময়ৰ এজন বাজিক খেলুৱৈ মদন সোণোৱালদেৱে নতুন ক্ৰীড়া-কৌশলেৰে সজাই পৰাই অনেক যত্ন কৰি গঢ় দি গৈছিল। অবিভক্ত লখিমপুৰ জিলাতে কেৱল নহয়, জিলাৰ বাহিৰতো এই দলটিয়ে নৈপুন্যতা প্ৰদৰ্শন কৰি সকলোৰে প্ৰিয়ভাজন ফুটবল টীম হিচাপে স্বীকৃতি লভিছিল। ময়ো আহি এই দ'লটিৰ হৈ খেলাৰ সুযোগ পোৱাৰ সুবাদতে পীতাম্বৰ গগৈৰ লগত পৰিচয় হৈছিলো। গগৈদেৱে মই টীমটোত যোগ দিয়াৰ আগতে এগৰকী সুদক্ষ গলকীপাৰ হিচাবে খ্যাতি আৰ্জিছিল। সেই সময়ত ঢকুৱাখনা ক্ৰীড়াজগতলৈ ক্ৰিকেটৰ প্ৰৱেশ কৰা নাছিল। ফুটবল-ভলীবলহে আছিল অতি প্ৰিয় খেল। গগৈদেৱকে ধৰি আমি কেইজন মানে দেশৰ ক্ৰিকেট দলৰ টেষ্ট খেলৰ ধাৰা বিৱৰণি ৰেডিঅ' যোগে শুনি আমাৰ আড্ডাত আপোন-পাহৰা হৈছিলো আৰু উপস্থিত আন আন সদস্যক গগৈদেৱে ক্ৰিকেটখেলৰ মৌখিক পাঠ দিছিল। তেতিয়া কোনো বাতৰি কাকত ঢকুৱাখনাত দৈনিক পোৱা নগৈছিল; আগ্ৰহীজনে নিজা উদ্যোগত ডাকযোগে সংগ্ৰহ কৰি লৈছিল। গতিকে বাহিৰৰ জগতৰ লগত আশীৰ দশকলৈকে যাতায়তৰ অসুবিধাৰ কাৰণে দুৰ্গম আছিল ঢকুৱাখনা। একমাত্ৰ অনাতাঁৰ যোগেদিহে ঢকুৱাখনীয়াই বাহিৰৰ জগতৰ খা-খবৰ পাবলৈ সক্ষম হৈছিল। কুৰি শতিকাৰ শেষৰটো দশকৰ পৰাহে ঢকুৱাখনাই আন আন নগৰত থকা সা-সুবিধাবোৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

পীতাম্বৰ গগৈদেৱৰ জ্যেষ্ঠ ভাতৃ শ্ৰীযুত ভোলা নাথ গগৈ। সমগ্ৰ ভাৰতবৰ্ষৰে প্ৰথম আৰু একমাত্ৰ চাহগৱেষণা কেন্দ্ৰ যোৰহাটৰ টোকলাই গৱেষণাগাৰত শ্ৰীযুত গগৈদেৱ আছিল এগৰাকী জ্যেষ্ঠ বোটানিষ্ট্। সেই সূত্ৰে পীতাম্বৰ গগৈদেৱে স্কুল আৰু কলেজৰ শিক্ষা লাভ কৰিছিল যোৰহাট নগৰত। উজনি অসমৰ এখন প্ৰখ্যাত নগৰ, আহোম ৰজাৰ শেষ ৰাজধানী আৰু চাহ-শিল্পকে ধৰি আন আন উদ্যোগ প্ৰতিষ্ঠান, জে.বি.কলেজৰ দৰে আগশাৰীৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান আদিৰে যোৰহাট আছিল স্বাধীনতাৰ বহু আগৰে পৰা এখনি শিক্ষা সংস্কৃতিৰ চহকী নগৰ। যোৰহাটত থকা কালত গগৈদেৱে কেইবাগৰাকীও কলা-সংস্কৃতিৰ প্ৰতি আগ্ৰহী যুৱকৰ সান্নিধ্য লাভ কৰি নাট্যকলাৰ চৰ্চা কৰিছিল। তেখেত সকলৰ ভিতৰত আছিল অখিল চক্ৰৱৰ্ত্তী, অতুল বৰদলৈ আৰু পুলক গগৈ আদি। ব্যক্তিগত খেয়ালত যোৰহাট নগৰ এৰি পীতাম্বৰ গগৈ জন্মভূমি ঢকুৱাখনালৈ ঘূৰি আহিল। সেই সময় আছিল সত্তৰ দশকৰ শেষভাগ। কুৰি শতিকাৰ আগভাগতে ঢকুৱাখনা নাট্য মন্দিৰ নামৰ নাট্যকলা চৰ্চা এটি প্ৰখ্যাত অনুষ্ঠান গঢ় লৈ উঠিছিল। এই নাট্য অনুষ্ঠানটিয়ে অসমীয়া ভাষাৰ প্ৰায় সকলো নাটক মঞ্চস্থ কৰাৰ গৌৰৱ দাবী কৰিব পাৰে। এই নাট্য অনুষ্ঠানৰ লগত পীতাম্বৰ গগৈদেৱ আজীৱন জড়িত হৈ আছিল। তেখেত মুখ্যতঃ এগৰাকী সুদক্ষ নাট পৰিচালক আছিল। সাঁকো, চিৰাজ,



এমুঠি চাউল, ভোগজৰা, পিয়লি ফুকন, মিৰিজীয়ৰী, মই সাবিত্ৰীয়ে কৈছো আদি কৰি কেইবাখনো নাটকৰ দুখনমানত গগৈদেৱে মুখ্য চৰিত্ৰত অভিনয় কৰাৰ সুযোগ দিছিল। গগৈদেৱ আছিল একপ্ৰকাৰ নাটক পাগল মানুহ। নাটকৰ বিষয়ে ক'বলৈ সুযোগ পালে লেঠাৰি নিছিগাকৈ কৈ থাকিবলৈ ভাল পাইছিল। জনপ্ৰিয় নাটকতকৈ জটিল অথবা এবষ্ট্ৰেকট্ নাটক বেছি ভাল পাইছিল। ইউৰোপীয় আৰু বাংলা নাটকৰ বিষয়ে বিস্তৃত ধ্যান ধাৰণা আছিল। নাট্যানুষ্ঠানত, প্ৰখ্যাত হ'লেও আনৰ নাটক মঞ্চস্থ কৰাতকৈ অনুষ্ঠানৰ নিজা শিল্পীৰ নাটকৰ প্ৰতিহে গগৈদেৱ আগ্ৰহী আছিল। তেখেতে আমাক নাটক ৰচনাৰ প্ৰতিও অনুপ্ৰাণিত কৰিছিল। তেখেতৰ নেৰানেপেৰা তাগিদাতে মিৰিজিয়ৰী আৰু আচামী দুই নম্বৰী নামৰ বৰদলৈৰ উপন্যাস খনি আৰু বাংলা গল্প এটাৰ নাট্যৰূপ দি নাটক মঞ্চস্থ কৰি আমি ব্যক্তিগত ভাৱে পোৱা আনন্দতকৈ তেখেত বহুবেছি উৎফুল্লিত হৈছিল। জ্যোতিপ্ৰসাদ, ফনী শৰ্মাৰ নাটক পৰিচালনা কৰিবলৈ লৈ তেখেতে কৈছিলঃ অসমৰ খ্যাতিসম্পন্ন এই দুগৰাকী নাট্যকাৰৰ নাটক পৰিচালনা কৰা অতি কঠিন কাম। কাৰণ দুয়োগৰাকী নাট্যকাৰৰ নাটক অসমৰ বিভিন্ন মঞ্চত খুব নিখুঁট আৰু সাৰ্থকভাৱে মঞ্চস্থ হৈ গৈছে। গতিকে ভুল ত্ৰুটি হ'লে দৰ্শকৰ গৰিহণা খাব লাগিব। নাটক পৰিচালনা কৰিবলৈ লৈ গগৈদেৱে তিনিটা কথালৈ বৰ ভয় কৰিছিল। প্ৰথমটো আছিল সংগীত সংযোজনা, দ্বিতীয়টো পোহৰ সঞ্চালন আৰু তৃতীয়টো আছিল দৃশ্য সজ্জা। সেই সময়ত ঢকুৱাখনাত নিপুণ সংগীত সাধকৰ বৰ অভাৱ আছিল। পোহৰৰ কথা ওলালেই নাটক আখৰা কৰাৰ বহু সময় সেই সমস্যা সমাধানৰ কাৰণে আলোচনা কৰি শেষ নহৈছিল। কাৰণ তেতিয়াও ঢকুৱাখনালৈ বিজুলী বাতিৰ সংযোগ ঘটা নাছিল। পৰিচালক হিচাবে এইকেইটা দিশৰ সমস্যাই তেখেতৰ মনত বৰ দুখ দিছিল আৰু কৈছিল ৰসজ্ঞ দৰ্শকে নাটকৰ কলাত্মক ৰূপ-মাধুৰীৰ সোৱাদ নাপাই পৰিচালককে দোষ জাপি দিব। চৰিত্ৰ অভিনয়ৰ আখৰাত প্ৰতিজন শিল্পীক সাৱধান কৰি দি কৈছিল নাটকত চৰিত্ৰৰ সৰু ডাঙৰ বুলি কোনো কথা নাই। সকলো চৰিত্ৰই সমান গুৰুত্ব আৰু সেয়ে অভিনয়ৰ বেলিকা সকলো শিল্পী চিৰিয়াছ হব লাগিব। অভিনয়ৰ দিশবোৰ - মুখ মণ্ডলৰ ভাৱ-প্ৰকাশৰ অভিব্যঞ্জনা, চকুৰ দৃষ্টি সঞ্চালন, হাত আৰু ভৰিৰ স্বাভাৱিক আৰু নাটকীয় চাল-চলন, সবাতোকৈ সংলাপৰ প্ৰক্ষেপনত উচ্চাৰণ, স্বৰ-বন্ধন (Voice-modulation) আদি বিষয়বোৰ ন-পুৰণি সকলো শিল্পীকে সমানে গুৰুত্ব দি শিকাই দিছিল। আমি নিজে দুখনমান নাটকত তেখেতৰ পৰিচালনা বৰ শ্ৰদ্ধাৰে গ্ৰহণ কৰি ধন্য হৈছিলো।

গগৈদেৱৰ নাটকৰ প্ৰতি বেছি দুৰ্ব্বলতা যে যোৱা তিনিটামান বছৰ জীৱনৰ শেষৰ খন নাটক পৰিচালনা কৰাৰ হেপাহেৰে নাটক এখন লিখিবলৈ কুতুৰি আছিল আৰু ময়ো তেখেতৰ তাগিদাতে নাটক এখনৰ জুমুঠিটো নিৰ্মাণ কৰি লৈছিলো। মোৰ গাতে খাটে; এলাহৰ বন ছমাহ'। মোলৈ ছমাহটো ছবছৰ হ'ল। গগৈদেৱৰ শেষ সপোন বাস্তৱলৈ পৰিণত নহ'ল কেৱল মোৰ দোষতে। এই কাৰণতে তেখেতৰ মৃত্যুত বৰ ব্যথিত হৈ ৰলো। জীৱনৰ অতিকৈ প্ৰিয় বস্তুটো নোপোৱাকৈয়ে পীতাম্বৰ গগৈয়ে জীৱনৰ নাট সামৰিব লগা হ'ল; তাৰ কাৰণ যে মই, এই দুখ মোৰ চিৰলগীয়া হৈ পীড়ন দি থাকিব। ফকৰাৰ নিষ্ঠুৰ সতৰ্কবাণী সদায় ফলিয়াই আহিছেঃ লেট্ ৰিপেণ্টেছ্ ইছ্ চেলডম্ ট্ৰো।

বৈষয়িক জীৱন যাপনৰ বেলিকা মানুহ জন বৰ উদাসীন আছিল। সমগ্ৰ জীৱনটো মানুহজনে বহু অনাটনৰ কালতো বিচলিত হোৱা নেদেখিলো। জীৱনৰ

শেষৰ ফালে এটা স্বচ্ছন্দ জীৱনত ভৰি দিও দৈনিক নিজা উপাৰ্জ্জনৰ বেহানি কৰিহে আত্মতুষ্টি লভিছিল। এই কথাই প্ৰমাণ কৰে যে স্বাধীনভাৱে জীয়াই থাকিবলৈহে সকলো আত্ম সন্মানবোধ থকা মানুহে ভাল পায়। পীতাম্বৰ গগৈৰ জীৱনৰ প্ৰতি থকা অনকপ্ৰমাইজিং দৃষ্টিভঙ্গী এটাৰ বাবে মই ভিতৰি ভিতৰি তেখেতক বৰ ভাল পাইছিলো। বন্ধুত্বৰ প্ৰীতি স্পেনীস্ পটণ্ট এটাৰে সামৰো - "সন্মান আৰু অৰ্থ একেটা মোনাতে নাথাকে"।

কেতিয়াবা মানুহৰ জীৱনটো বৰ আশ্চৰ্যজনক ৰূপে ধৰা দিয়ে। ই বহু সময়ত নাটকীয় ৰূপ লয়। সত্তৰৰ দশকত পীতাম্বৰ গগৈয়ে ডেকাকালৰ অত্যুৎসাহী মন এটালৈ, এখন বগা ৰঙৰ জীপ্ গাড়ীৰে জীৱন সংগ্ৰামত সংস্থাপনৰ সপোন দেখিছিল। তেতিয়া ঢকুৱাখনাত গাড়ীৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। সেই ব্যৱসায়ত তেখেতে সাফল্যও লাভ নকৰা নহয়, কিন্তু এক অবৃভিয়াছ্ কাৰণত সেই অধ্যায় সামৰি মাজতে এজন অতি ব্যস্ত কৃষক হ'ল। আৰু শেষ বয়সত পুনৰ যানবাহনৰ যাতায়তী ব্যৱসায়ত জড়িত হৈ পৰিশেষত উন্নত চিকিৎসাৰ বাবে তাৎক্ষণীক ভাৱে গুৱাহাটীলৈ নিয়াৰ পথত বাহনৰ বুকুতেই শেষ নিশ্বাস ত্যাগ কৰিলে। মৃত্যুৰ বেলিকা গৃহিনী বা আত্মীয় সকলৰ কাকো কোনো ধৰণৰ আলপৈচানৰ সুবিধাকে নিদিলে। এই মৃত্যু নাটকীয় পৰিঘটনাৰ দৰে নাটক শেষ হোৱাৰ পাছত অনেক ভাৱনাৰ বুৰ বুৰনি। উন্নত মানৰ চিকিৎসাৰ সুবিধা ঢকুৱাখনাত নহলেও লখিমপুৰতে যদি থাকিলহেতেন? হায়, মৃত্যুৰ ওচৰত মানুহ যে কিমান নিঃসহায়।

*লেখকৰ ঠিকনা ঃ প্ৰাক্তন অধ্যক্ষ*
*বালি গাঁও, ঢকুৱাখনা।*

০০০০০



# ফাটবিহু সমিতিৰ সভাপতিৰ একাষাৰ

"ম'হঘূলি গুৱনি ফাটবিহু ৰাকৰি
আকাশৰ গুৱনি তৰা
ঢকুৱাখনাৰ ৰাইজে ফাটবিহু পাতিছে
ৰঙেৰে উপচি পৰা।

বিহু অসমীয়াৰ সাংস্কৃতিক উৎসৱ। অসমৰ জাতীয় উৎসৱ হিচাপে বিহুৱে যেনেকৈ এক নিজস্ব প্ৰাণ আৰু সত্বা প্ৰদান কৰিছে থিক তেনেকৈ ফাটবিহুৱে ঢকুৱাখনাবাসীক এক স্বকীয় মৰ্যদা প্ৰদান কৰিছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অনুষ্ঠিত হোৱা ফাটবিহু এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক উৎসৱ। চাৰিকড়ীয়া নৈৰ পাৰৰ ম'হঘূলি চাপৰিত অনুষ্ঠিত কৰা ফাটবিহু সমন্বয়ৰ উৎসৱ হিচাবে বৰ্তমানে অসমীয়া লোক সংস্কৃতিৰ এক অমূল্য সম্পদলৈ পৰিগণিত হৈছে।

ঐক্য, সম্প্ৰীতি আৰু সমন্বয়ৰ উৎসৱ হৈছে ফাটবিহু। ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ ফাটবিহুতলীখন হৈছে বিভিন্ন ধৰ্ম, সম্প্ৰদায়ৰ ভেদা-ভেদ পাহৰি এক মন এক প্ৰাণলৈ মিলিত হোৱা এক অন্যতম তীৰ্থস্থান। ফাটবিহুৱে ঢকুৱাখনীয়াক অসমৰ সাংস্কৃতিক জগতৰ এক উচ্চ স্থানত ৰাখিছে। ফাটবিহু অদ্বিতীয়। কিন্তু সময় পৰিবৰ্তনশীল । সময়ৰ পৰিবৰ্তনৰ লগে লগে ফাটবিহুতো পৰিবৰ্তন আহিছে। পৰিবৰ্তনৰ দিশ দুটা - উন্নতি আৰু অৱক্ষয়। উন্নতিৰ দিশতো আকোঁৱালী অৱক্ষয়ৰ দিশতো ৰোধ কৰাই হৈছে আমাৰ জাতীয় সংস্কৃতিৰ ক্ষেত্ৰত এই সময়ত নতুন চিন্তা ধাৰাৰে মাত্ৰা দিব লাগিব। য'ত সৃষ্টি আৰু আদৰ্শ থাকিব।

২০১৫ বৰ্ষৰ ৫ এপ্ৰিল তাৰিখে এই অভাজনক ৩ বছৰৰ বাবে ফাটবিহু সমিতিৰ সভাপতি হিচাপে দায়িত্ব অপৰ্ণ কৰে। সভাপতি হিচাপে যিসকল ঢকুৱাখনাৰ মহান সংস্কৃতিবান ব্যক্তিয়ে ফাটবিহুক আজিৰ এই পৰ্যায়ত উপনীত কৰালেহি সেইসকল ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা ও সেৱা জনাইছো। ঢকুৱাখনাৰ আপুৰুগীয়া সম্পদ ফাটবিহুক সম্পূৰ্ণ সুৰক্ষা দিয়াৰ ক্ষেত্ৰত ঢকুৱাখনাবাসীৰ গঠনমূলক দিহা-পৰামৰ্শ ও সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছো। পূৰ্বৰ ফাটবিহু সমিতিৰ সভাপতি, সম্পাদক আৰু বৰ্তমান ফাটবিহু সমিতিৰ বিষয়ববীয়াৰ লগতে ঢকুৱাখনাবাসীৰ পূৰ্ণ সহযোগত ফাটবিহু তলীখনৰ উন্নয়নৰ বাবে কেইটামান গুৰুত্বপূৰ্ণ বিষয়ত পৰিকল্পনা প্ৰস্তুত কৰিছো। ২০১৫ বৰ্ষৰ ফাটবিহু উদ্‌যাপনৰ পাছতে প্ৰাৰম্ভিক পৰ্যায়ত গুৰুত্ব আৰোপ কৰা হৈছে-

১) ফাটবিহুতলীৰ চাৰিসীমাত পকীবেৰা নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ।

২) ফাটবিহুতলী সেউজকৰণৰ বাবে বৃক্ষৰোপন কৰা।

৩) ৰাইজৰ দান-বৰঙণিৰে বিহুতলীখন সমান কৰি মুকলি বিহুৰ বাবে কেইটামান ওখ ভেটি নিৰ্মাণ কৰা।

৪) ফাটবিহুৰ এটা নিজা Webside স্থাপন কৰা।

এই পৰিকল্পিত আঁচনিসমূহ ৰূপায়নৰ বাবে আমি একত্ৰিত হৈ আলোচনা কৰাৰ সময় সমাগত। ফাটবিহু অসমবাসীৰ এক উজ্জ্বল আশা-আকাংক্ষাৰ প্ৰতীক। সময় সলনি হোৱাৰ লগে লগে সমাজ-সংস্কৃতিলৈ পৰিবৰ্তন আহিছে। ঢকুৱাখনাৰ ফাটবিহুৱেও প্ৰগতিৰ দিশলৈ আগুৱাই গৈছে। কিন্তু নতুন প্ৰজন্মই

চোকা দৃষ্টি ৰখাৰ প্ৰয়োজন যাতে ফাটবিহুৰ ঐতিহ্যক আধুনিকতাৰ আমোদ-প্ৰমোদে গ্ৰাস কৰিব নোৱাৰে।

২০১৫ বৰ্ষৰ ফাটবিহু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া, সদস্য-সদস্যালৈ ফাটবিহু সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধা ও স্নেহ যাচিছো। এই বৰ্ষত ফাটবিহু বছেৰেকীয়া প্ৰকাশ **বিহুৱান**খনি প্ৰয়াত পীতাম্বৰ গগৈৰ স্মৃতিত প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহা তেওঁৰ কনিষ্ঠ পুত্ৰ অনিলেখ গগৈ আৰু বোৱাৰী ড° বিউতি গগৈলৈ সেৱা ও শ্ৰদ্ধা জনালো। সম্পাদনা সমিতিৰ বিষয়ববীয়া সকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে ২০১৫ বৰ্ষৰ ফাটবিহুৰ তিনিও দিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলো সন্মানীয় অতিথিলৈ ঢকুৱাখনাবাসীৰ হৈ সেৱা জনালোঁ।

ফাটবিহুৰ দৰে অনুষ্ঠানৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে জ্ঞাতে-অজ্ঞাতে হ'ব পৰা ভুল ত্ৰুটিক আঙুলিয়াই গঠনমূলক দিহা-পৰামৰ্শ প্ৰদান কৰি ফাটবিহুক আগুৱাই নিয়াৰ অংশীদাৰ হ'বৰ বাবে ঢকুৱাখনাবাসীক বিনম্ৰ অনুৰোধ জনালোঁ।

সদৌ শেষত আশা ৰাখিছো সকলোৰে সহযোগত ফাটবিহুৱে অসমৰ সাংস্কৃতিকজগতত ঢকুৱাখনাক নেতৃত্ব দিবলৈ সক্ষম হ'ব।

ফাটবিহু মহীয়ান হোৱাৰ কামনাৰে -

*প্ৰদীপ চমুৱা, সভাপতি*
*ফাটবিহু সমিতি*

ooooo



# ফাটবিহু সমিতিৰ সম্পাদকৰ একাষাৰ

"বিহুতে বলিয়া কোনে সমনীয়া
বিহুতে বলিয়া কোন?
বিহুতে বলিয়া ঢকুৱাখনীয়া
কপালত মহাৰে সোণ।"

ঢকুৱাখনাৰ পুৰণি নাম হাবুং। অসমীয়া জাতি নিৰ্মাতা আহোম ৰজা স্বৰ্গদেউ চুকাফাই ৰাজধানী প্ৰতিষ্ঠা কৰিবলৈ উপযুক্ত ঠাই নিৰ্বাচন কৰিবৰ বাবে ঘূৰি ফুৰোতে হাবুঙত তিনিবছৰ কাল অনুগামীসকলৰ সৈতে থাকি ঠাইখনৰ আলেখ লেখ চাই বানপানীয়ে ঘনাই আমনি কৰাত ৰাজধানী প্ৰতিষ্ঠা কৰাৰ আশা নেদেখি হাবুং ত্যাগ কৰি গুচি যায়। প্ৰবাদমতে "স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই যাতায়তৰ সুবিধাৰ্থে চাৰিকড়ীয়া আৰু কড়া নৈক সংযোগ কৰি এটা জান খন্দাইছিল। সেই জানটো খান্দোতে তামোলৰ ঢকুৱা ব্যৱহাৰ কৰিছিল। সেই বাবেই এই জানটোৰ নাম ৰখা হ'ল "ঢকুৱাখনা জান" আৰু জানটোৰ নাম অনুসৰিয়েই ঠাইখনৰ নাম ঢকুৱাখনা হ'ল আৰু লাহে লাহে আগৰ সেই হাবুং নামটো জনসাধাৰণৰ মনৰ পৰা মোচখাই গ'ল।

অসমীয়া জাতি বুলি কলে কোনো এটা বিশেষ জনগোষ্ঠী বা ভাষাগোষ্ঠীৰ কথা নুবুজায়। বিভিন্ন সময়ত অসমলৈ আহি স্থায়ীভাৱে বসতি স্থাপন কৰা জনগোষ্ঠীসমূহৰ সন্মিলিত শক্তিয়েই হৈছে অসমীয়া জাতি। ইতিহাসে চুকি নোপোৱা কালৰে পৰা বহু জাতি-জনগোষ্ঠী আহি বাৰে বৰণীয়া কৃষ্টি-সংস্কৃতিৰে জাতিষ্কাৰ কৰি তুলিছিল বৰ লুইতৰ দুয়োপাৰ। কৃষ্টি সংস্কৃতি এইবোৰ সৃষ্টি হৈছিল চহা লোকৰ মাজত। অসমীয়াৰ এক অনন্য সম্পৰ্ক হৈছে বিহু। বিহু এক কৃষি ভিত্তিক উৎসৱ। এই কালৰ পৰা বিহু উৎসৱটি অসমৰ কৃষিজীৱী মানুহৰ এক উমৈহতীয়া কৃষ্টি বুলি আখ্যা দিব পাৰি যি কি নহওক লোক সংস্কৃতিৰে ভৰপূৰ আমাৰ এইখন অসম। অসমৰ এই লোক সংস্কৃতি সমূহৰ ভিতৰত বিহুৱেই হৈছে সবাতোকৈ ওপৰত। আনহাতে এই বিহু সমূহৰ ভিতৰত ৰঙালী বিহু অসমীয়াৰ অতি আদৰৰ, হিয়াৰ আমঠু। অতি প্ৰাচীন কালৰে পৰ বিভিন্ন জাতি, বিভিন্ন ভাষা, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো জনগোষ্ঠী মিলি এই ৰঙালী বিহুটি উদ্‌যাপন কৰি অহাৰ লগতে সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই অসমক মহামিলনৰ তীৰ্থ ভূমিত পৰিণত কৰিছে।

ঢকুৱাখনা বাসীয়েও ৰঙালী বিহুটিক আদৰাৰ লগতে ইতিহাসে চুকি নোপোৱা দিনৰে পৰা নিজস্ব বৈশিষ্ট্য আৰু জাতীয় পৰম্পৰাৰে আন এক লোক উৎসৱ পালন কৰি আহিছে। এই লোক উৎসৱটিয়েই হৈছে - ঢকুৱাখনীয়াৰ হিয়াৰ আমঠু, বাপটি সাহোন "ফাটবিহু"। ফাটবিহু অসমৰ লোক সংস্কৃতিৰ ফুলনিৰ এপাহ নজহা-নপমা ফুল। ফাটবিহুত কোনো ধৰ্ম, ভাষা বা জাত-পাতৰ প্ৰাচীৰ নাই। ফাটবিহু হৈছে সমন্বয়ৰ প্ৰতীক। ফাটবিহু আৰু ঢকুৱাখনীয়া এটা মুদ্ৰাৰ ইপিঠি -সিপিঠি।

সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে সংস্কৃতিয়ে নন ৰূপ সলায়। সময় গতিশীল। গতিশীল সময়ৰ লগে লগে সমাজ আৰু সংস্কৃতিৰো বিভিন্ন পৰিবৰ্তন আহে। তাহানিৰ গছ তলৰ বিহু আহি আজি মঞ্চ পালেহি। ঢকুৱাখনাৰ ফাটবিহুলৈও নিশ্চয় পৰিবৰ্তন আহিছে। তাহানি ঢকুৱাখনা চৰকাৰী এম.ভি.স্কুলৰ খেলপথাৰত গছৰ তলত কই উদ্‌যাপন কৰা ফাটবিহু আজি মঁহঘূলি চাপৰিৰ মঞ্চ পালেহি। তথাপিও কিছু ফাটবিহুৰ যি স্বকীয় ঐতিহ্য, নিজস্ব বৈশিষ্ট্য, মুকলি বিহুৰ পৰম্পৰাক অকনো বিজতৰীয়া সংস্কৃতিৰ চিটিকনি পৰিবলৈ নিদিয়াকৈ ধৰি ৰাখিব পৰাটো ঢকুৱাখনাবাসীৰ বাবে অত্যন্ত গৌৰৱৰ কথা।

যোৱা ৫ এপ্ৰিল ২০১৫ বৰ্ষৰ সাধাৰণ পৰিষদৰ সভাই এই অভাজনক ঢকুৱাখনাবাসী ৰাইজৰ হিয়াৰ আমঠু 'ফাটবিহু'ৰ ফাটবিহু সমিতিৰ সম্পাদকৰ (তিনিবছৰীয়া) দৰে গুৰু দায়িত্ব অৰ্পন কৰে। আমাৰ দৰে ব্যক্তিৰ এই মহান অনুষ্ঠানটিৰ সম্পাদকৰ দৰে দায়িত্ব পালন কৰিবলৈ যোগ্যতা আছে বুলি নাভাবো। তথাপি আমাৰ ওপৰত ৰাইজৰ আস্থা আৰু বিশ্বাস দেখি আমি অভিভূত হৈছো। ৰাইজৰ আদেশক শিৰ পাতি লৈ আমি নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিম বুলি মনতে দৃঢ় সংকল্প লৈছো। এই ক্ষেত্ৰত শ্ৰদ্ধাৰ ৰাইজৰ সহযোগিতা আৰু গঠনমূলক পৰামৰ্শৰ বাবে আমি আবেদন জনালো।

ফাটবিহুতলীত ইতিমধ্যে স্থায়ী মঞ্চ, মঞ্চৰ পূব আৰু পশ্চিম দিশত দুটাকৈ বভাঘৰ, কৃষ্টিভৱন, অতিথিশালা, তোৰণ, বাচঁ'ৰা, প্ৰসাৰাগাৰ, প্ৰৱেশ পথ আদি স্থায়ীভাৱে নিৰ্মাণ হৈ উঠিছে যদিও বিহুতলীখনত কৰিবলগীয়া বহুতো কাম বাকী আছে।

মুকলি বিহু অনুষ্ঠিত কৰা শিঙ গছসমূহ বৰ্তমান শুকাই মৰি গৈছে। কিছু আছে যদিও সেই গছ সমূহৰ তলত মুকলি বিহু পাতিবৰ বাবে পৰ্যাপ্ত নহয়। ঢকুৱাখনাবাসী ৰাইজে নতুনকৈ গছ ৰোপন কৰিছে যদিও সময়ে সময়ে কোনো সমাজ বিৰোধী লোকেই হওঁক বা গৰু ছাগলীয়েই হওঁক বিহু তলীখনত স্থায়ী বেৰা নোহোৱাৰ বাবে নষ্ট কৰা দেখা গৈছে। সুপৰিকল্পিত ভাবে গছ পুলি কই ফাটবিহু তলীখন সেউজীয়া কৰাৰ কথা চিন্তা কৰা হৈছে। অৰ্থৰ অভাৱত বিহুতলীখনৰ স্থায়ী বেৰা আজিলৈকে নিৰ্মাণ কৰিব পৰা হোৱা নাই। স্থায়ী বেৰা নোহোৱাৰ বাবে বিভিন্ন উন্নয়ণমূলক কাম-কাজত স্থবিৰতা আহিছে। এই ক্ষেত্ৰত আমি ঢকুৱাখনাবাসী ৰাইজৰ সহযোগিতা কামনা কৰিছো।

মুকলি বিহু উপভোগ কৰিবলৈ অহা ৰাইজে জনসমূদ্ৰৰ মাজত ভালদৰণে বিহু উপভোগ কৰিবলৈ সুবিধা নোপোৱা যেন আমাৰ দৃষ্টিগোচৰ হয়। যদি আমি মুকলি বিহু অনুষ্ঠিত হোৱা প্ৰত্যেকজোপা গছৰ চাৰিওফালে বিহু মাৰিব পৰা সুবিধা হোৱাকৈ পৰিকল্পিতভাৱে ওখ ঢাপ নিৰ্মাণ কৰিব পাৰো ই বিহু উপভোগ কৰা ৰাইজৰ বাবে সুখদায়ক হব। ইয়াৰ বাবেও আমি চিন্তা চৰ্চা কৰিছো।

বিভিন্ন সময়ত ফাটবিহু উপভোগ কৰিবলৈ পৰ্যটকৰ আগমন হোৱা দেখা যায়। ৰাইজৰ সহযোগ পালে নিশ্চয় ফাটবিহু তলীখনক পৰ্যটকৰ আকৰ্ষণ স্থলী হিচাপে গঢ়ি তুলিব পৰা যাব।

ফাটবিহু তলীত কেইটামান জিৰণি চৰাৰ অতি প্ৰয়োজন। বিহুৰ দিনকেইটাত বিহু উপভোগ কৰিবলৈ অহা ৰাইজে ৰ'দে বৰষুণে মুকলি আকাশৰ তলত বিহু উপভোগ কৰিব লগা হয়। পূব আৰু পশ্চিম দিশত দুটা বভাঘৰ আছে যদিও পৰ্যাপ্ত নহয়। এই ক্ষেত্ৰতো আমি ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰিলো।

বিহুতলীখন খলা-বমা হোৱাৰ হেতুকে বিহু উপভোগ কৰিবলৈ অহা বিহুপ্ৰেমী ৰাইজৰ সময়ে সময়ে যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। বিহুতলীখন সমতল কৰাৰ কথাও আমি চিন্তা চৰ্চা কৰিছো।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত ফাটবিহুৰ এটা নিজা ৱেবচাইট নোহোৱাটো আমাৰ বাবে অত্যন্ত



দুৰ্ভাগ্যজনক। আমাৰ কাৰ্যকালত এটা ৱেবচাইট খোলাৰ চিন্তা কৰা হৈছে।

ফাটবিহুৰ কোনো নিজা পুঁজি নাই। ৰাইজৰ দান-বৰঙনি অবিহনে ফাটবিহুক মহীয়ান কৰি তুলিব পৰাটো কোনো কাৰণতে সম্ভৱ নহয়। ৰাইজৰ পূৰ্ণ সহযোগিতাত আমি ওপৰত উল্লেখিত কাম সমূহ আগুৱাই নিব পাৰিম বুলি অতি আশাবাদী।

২০১৫ বৰ্ষৰ উৎসৱটি উদ্‌যাপনৰ উপলক্ষে প্ৰকাশ পাব লগীয়া ঢকুৱাখনাৰ দাপোনস্বৰূপ 'বিহুৱান'খন প্ৰকাশৰ দায়িত্ব শ্ৰদ্ধাৰ প্ৰয়াত পিতাম্বৰ গগৈদেৱৰ কনিষ্ঠ পুত্ৰ অনিলেখ গগৈদেৱে বহন কৰি উদ্‌যাপন সমিতিক সকাহ দিয়াৰ বাবে তেখেতৰ লগতে পৰিয়ালবৰ্গলৈ আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

যি সকল বিহুৱা বিহুৱতীয়ে ৰাতি ৰাতি গাঁৱে গাঁৱে হুঁচৰি গাই ফাটবিহু উদ্‌যাপনৰ বাবে অৰ্থ সংগ্ৰহ কৰি উদ্‌যাপনত সহায়ৰ হাত আগবঢ়াইছে সেই সকলকো আমি ধন্যবাদ জনাইছো।

শেষত সদৌটি ৰাইজলৈ আমাৰ শ্ৰদ্ধা আৰু সেৱা আগবঢ়োৱাৰ লগতে ফাটবিহুৰ ওলগ জনালো।

আহক আমি সকলোৱে মিলি ফাটবিহুক মহীয়ান কৰোঁ।

জয়তু ফাটবিহু।

বিনীত

ফাটবিহুৰ দীৰ্ঘায়ু কামনাৰে
নৱ গগৈ
সম্পাদক
ফাটবিহু সমিতি
ঢকুৱাখনা

00000

# -ঃ ২০১৪ বৰ্ষৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ-

টকা বিহু ঃ-

১ম ঃ- জোনবিৰি টকা বিহু দল, ঘিলামৰা।
২য় ঃ- ১ নং বাস্তৌ গাঁও টকা বিহু দল।
৩য় ঃ- খজুৱা বোৱাৰী টকা বিহু দল।

চেমনীয়া হুঁচৰি ঃ-

১ম ঃ- জাংফাই চেমনীয়া বিহু দল, ঘিলামৰা।
২য় ঃ- ঢকুৱাখনা সাংস্কৃতিক কলা কেন্দ্ৰ চেমনীয়া দল।
৩য় ঃ- শঙ্কৰদেৱ শিশু নিকেতন চেমনীয়া দল।
সোনাৰি চাপৰি জাতীয় বিদ্যালয় চেমনীয়া দল।

বিহুৱতী ঃ-

১ম ঃ- শ্ৰীমতী শান্তিপ্ৰিয়া বৰুৱা, হেনৰিক ইবচেন চেমনীয়া বিহু দল।
২য় ঃ- শ্ৰীমতী ইলিয়ানা ৰাজকুমাৰী, শঙ্কৰদেৱ শিশু নিকেতন, চেমনীয়া বিহু দল।
৩য় ঃ- শ্ৰীমতী জয়শ্ৰী দিহিঙীয়া, সোনাৰি চাপৰি আঞ্চলিক ৰঙ্গ মঞ্চ চেমনীয়া বিহু দল।

বিহুৱা ঃ-

১ম ঃ- শ্ৰী লক্ষ্যজ্যোতি বৰুৱা, সাংস্কৃতিক কলাকেন্দ্ৰ, চেমনীয়া দল।
২য় ঃ- শ্ৰী দীপাঙ্কৰ হাজৰিকা, জাংফাই চেমনীয়া বিহু দল।
৩য় ঃ- শ্ৰী নিতু কোঁৱৰ, শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়।

ঢোলীয়া ঃ-

১ম ঃ- শ্ৰী উজ্জ্বল চুতীয়া, সোনাৰি চাপৰি জাতীয় বিদ্যালয় চেমনীয়া দল।
২য় ঃ- শ্ৰী নিত্যা ৰাজখোৱা, শঙ্কৰদেৱ শিশু নিকেতন চেমনীয়া দল।
৩য় ঃ- শ্ৰী প্ৰণৱজ্যোতি বৰুৱা, ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়।

পেঁপাবাদক ঃ-

১ম ঃ- শ্ৰী দিব্যজ্যোতি চুতীয়া, শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়।
২য় ঃ- শ্ৰী পৰাগজ্যোতি গগৈ, ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়।
৩য় ঃ- শ্ৰী ধ্ৰুৱজ্যোতি শইকীয়া, চেণ্ট্ৰেল স্কুল, ঢকুৱাখনা।

ফুলাম গামোছা প্ৰতিযোগিতা ঃ-

১ম ঃ- মুনমী বোৱাকটা দল।
২য় ঃ- শ্ৰীমতী পূৰ্ণিমা গগৈ দল।
৩য় ঃ- শ্ৰীমতী নিকু শইকীয়া দল।



মিছিং বিহু প্ৰতিযোগিতা ঃ-

১ম ঃ- কঠালগুৰি আগ্ৰুন কৃষ্টি দল।
২য় ঃ- ১ নং আলিমূৰ দাংধৰা কৃষ্টি দল।
৩য় ঃ- ২ নং আলিমূৰ দাংধৰা কৃষ্টি দল।

শ্ৰেষ্ঠ ঢোলীয়া ঃ- শ্ৰী পলাশ পাতিৰ, ২নং আলিমূৰ দাংধৰা কৃষ্টি দল।
শ্ৰেষ্ঠা বিহুৱতী ঃ- শ্ৰীমতী ৰীমা পেগু, কঠালগুৰি আগ্ৰুন কৃষ্টিদল।

পূৰ্ণবয়স্ক বিহু প্ৰতিযোগিতা ঃ-

১ম ঃ- বহনা হুঁচৰি দল, কলাকটা।
২য় ঃ- কাঁচিজোন হুঁচৰি দল, চিলাপথাৰ।
৩য় ঃ- গোগামুখ ৰংঘৰীয়া হুঁচৰী দল।

বিহুৱতী ঃ-

১ম ঃ- শ্ৰী নয়নমণি পেগু, ঢকুৱাখনা সাংস্কৃতিক কলাকেন্দ্ৰ বিহু দল।
২য় ঃ- শ্ৰী তুতুকন গগৈ, বাহপৰা বিহুদল।
৩য় ঃ- শ্ৰী মৌচুমী ৰয়, হেনৰিক ইবচেন নাট্য দল।

বিহুৱা ঃ-

১ম ঃ- শ্ৰী মইনা চেতিয়া, কাঁচিজোন বিহু দল।
২য় ঃ- শ্ৰী জিতেন দত্ত, বহনা বিহু দল।
৩য় ঃ- শ্ৰী বিদ্যুৎ বৰা, মৰনৈ বিহুদল।

ঢোলীয়া ঃ-

১ম ঃ- শ্ৰী মানিক বৰুৱা, গোগামুখ পুৰণি বিহুদল।
২য় ঃ- শ্ৰী পলাশ ভূঞা, গোগামুখ ৰংঘৰীয়া।
৩য় ঃ- শ্ৰী লিখন গগৈ, কাচিজোন বিহুদল।

পেঁপাবাদক ঃ-

১ম ঃ- শ্ৰী কেশৱ দাস, হেনৰিক ইবচেন নাট্য দল।
২য় ঃ- শ্ৰী যোগেন নেওগ, গোগামুখ পুৰণি বিহুদল।
৩য় ঃ- শ্ৰী দীপক খনিকৰ, মৰনৈ বিহুদল।

মুকলি বিহু প্ৰতিযোগীতা ঃ-

টকা বিহু -

১ম ঃ- মিলিজুলি টকা বিহুদল।

২য় ঃ- দীঘলা চাপৰি টকা বিহু দল।

৩য় ঃ- ১ নং বান্টো টকা বিহু দল।

চেমনীয়া বিহু ঃ-

১ম ঃ- শঙ্কৰদেৱ শিশু নিকেতন চেমনীয়া দল।

২য় ঃ- ঢকুৱাখনা সাংস্কৃতিক কলাকেন্দ্ৰ চেমনীয়া বিহু দল।

৩য় ঃ- ঢকুৱাখনা চেন্ট্ৰেল স্কুল চেমনীয়া বিহু দল।

পূৰ্ণবয়স্ক বিহু ঃ-

১ম ঃ- বহনা বিহুদল, কলাকটা।

২য় ঃ- ঢকুৱাখনা সাংস্কৃতিক কলাকেন্দ্ৰ বিহুদল।

৩য় ঃ- নৱ কাঠবৰাৰী বিহুদল।

মিছিং বিহু ঃ-

১ম ঃ- ১ নং আলিমূৰ দাংধৰা কৃষ্টি দল

২য় ঃ- উজনী ৰতনপুৰ কৃষ্টি দল।

৩য় ঃ- ২ নং আলিমূৰ দাংধৰা কৃষ্টি দল।

০০০০০



## ফাটবিহুলৈ সাদৰ নিমন্ত্ৰণ

শ্ৰদ্ধাভাজনেষু,

ফাটবিহুৰ শুভেচ্ছা গ্ৰহণ কৰিব। চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘূলি চাপৰিত অৱস্থিত সকলো জনগোষ্ঠীৰ মহামিলনৰ পুণ্যস্থলী ফাটবিহু তলীত ঢকুৱাখনাবাসীৰ হিয়াৰ আমঠু, বাপতি সাহোন '**ফাটবিহু উৎসৱ**'টি অহা ২৪, ২৫ আৰু ২৬ ব'হাগ, ১৯৩৭ শক ( ইং ৮, ৯ আৰু ১০ মে' ২০১৫ ) তাৰিখ শুক্ৰ, শনি আৰু দেওবাৰে সিপিঠিত দিয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ দিহা কৰা হৈছে।

ফাটবিহুৰ এই তিনিওটি দিনৰ সমূহ কাৰ্যসূচীতে আপোনাৰ / আপোনালোকৰ অকুণ্ঠ সহায়-সহযোগ, দিহা-পৰামৰ্শৰ লগতে উপস্থিতি আন্তৰিকতাৰে কামনা কৰি ইয়াৰে সাদৰ নিমন্ত্ৰণ জনালোঁ।

পুনৰ ফাটবিহুৰ ওলগেৰে-

বিনীত

শ্ৰী প্ৰদীপ চমুৱা, সভাপতি
শ্ৰীমতী মঞ্জু গগৈ, উপ-সভানেত্ৰী
শ্ৰী নৱ গগৈ, সম্পাদক
শ্ৰী ৰঞ্জিত সন্দিকৈ, সহঃ সম্পাদক
**ফাটবিহু সমিতি**

শ্ৰী জগত ফুকন, সভাপতি
শ্ৰীমতী অনুৰাধা গগৈ, উপ-সভানেত্ৰী
শ্ৰী হৰেণ দত্ত, উপ-সভাপতি
শ্ৰী জীৱন চমুৱা, উপ-সভাপতি
শ্ৰী হৰিচন্দ্ৰ বৰুৱা, সম্পাদক
শ্ৰীমতী ৰেখা গগৈ, সহঃ সম্পাদিকা
শ্ৰী তৰুণ চেতিয়া, সহঃ সম্পাদক
শ্ৰী ডিম্পল হাজৰিকা, সহঃ সম্পাদক
**ফাটবিহু উদ্‌যাপন সমিতি**

০০০০০

# কাৰ্যসূচী

## ২৪ ব'হাগ (৮ মে' ২০১৫) শুক্ৰবাৰ ঃ

পুৱা ৯-৩০ বজাত ঃ পতাকা উত্তোলন

উত্তোলক ঃ **শ্ৰীযুত প্ৰদীপ চমুৱা**, সভাপতি, ফাটবিহু সমিতি

পুৱা ১০-০০ বজাত ঃ স্মৃতি তৰ্পণ

তৰ্পক ঃ **শ্ৰীযুত জগত ফুকন**, সভাপতি, ফাটবিহু উদযাপন সমিতি

পুৱা ১১-০০ বজাত ঃ বিহুদলসমূহলৈ আদৰণি

পুৱা ১১-৩০ বজাত ঃ মঞ্চ মুকলি

মুকলি কৰিব ঃ **শ্ৰীযুত চন্দ্ৰ কমল বড়া**, সহঃ শিক্ষক,
৫২ নং আদৰ্শ তিনিগাঁও প্ৰাথমিক বিদ্যালয়

দিনৰ ১২-০০ বজাত ঃ টকা বিহু প্ৰতিযোগিতা

উদ্বোধিকা ঃ **শ্ৰীযুক্তা স্বপ্না গগৈ**, বিহুৱতী

বিয়লি ৩-০০ বজাত ঃ চেমনীয়া হুঁচৰি বিহু প্ৰতিযোগিতা

উদ্বোধক ঃ **শ্ৰীযুত ফণীধৰ দলে**, অৱসৰপ্ৰাপ্ত শিক্ষক

## ২৫ ব'হাগ (৯ মে' ২০১৫) শনিবাৰ ঃ

পুৱা ৯-৩০ বজাত ঃ কপৌফুল আৰু বৃক্ষৰোপণ

ৰোপক ঃ **শ্ৰীযুত দুৰ্গা সূত**, অৱসৰপ্ৰাপ্ত শিক্ষক

পুৱা ১০-০০ বজাত ঃ গামোচা প্ৰতিযোগিতা

উদ্বোধিকা ঃ **শ্ৰীযুক্তা বাসন্তী মৰাং**, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা,
চকুৱাখনা মহাবিদ্যালয়

পুৱা ১১-০০ বজাত ঃ বিহুদলসমূহলৈ আদৰণি

দিনৰ ১২-০০ বজাত ঃ পূৰ্ণবয়স্ক হুঁচৰি প্ৰতিযোগিতা (সকলো জনগোষ্ঠীৰ বাবে)

উদ্বোধক ঃ **শ্ৰীযুত হেম বৰুৱা**, অৱসৰপ্ৰাপ্ত শিক্ষক

বিয়লি ২-০০ বজাত ঃ ফাটবিহুৰ বছেৰেকীয়া প্ৰকাশ 'বিহুৱান' উন্মোচন

উন্মোচক ঃ **ড° বনজিৎ ভট্ট**, মুৰব্বী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ,
ধেমাজি মহাবিদ্যালয়

বিয়লি ৩-০০ বজাত ঃ পূৰ্ণবয়স্ক হুঁচৰি প্ৰতিযোগিতা



## ২৬ ব'হাগ ( ১০ মে' ২০১৫) দেওবাৰ ঃ

পুৱা ১০-০০ বজাত ঃ সাংস্কৃতিক শোভাযাত্ৰা

উদ্বোধিকা ঃ **শ্ৰীযুক্তা মাধুৰিমা চৌধুৰী**, জনপ্ৰিয় অভিনেত্ৰী
আৰু বিহু বিশেষজ্ঞা

দিনৰ ১২-০০ বজাত ঃ মুকলি বিহু প্ৰতিযোগিতা

উদ্বোধক ঃ **শ্ৰীযুত ইন্দ্ৰেশ্বৰ দাস**, মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ,
জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট

বিয়লি ১-৩০ বজাত ঃ মুকলি সভা

উদ্বোধক ঃ **শ্ৰীযুত দেবাশীষ বৈশ্য**, মহকুমাধিপতি, চকুৱাখনা মহকুমা

সভাপতি ঃ **শ্ৰীযুত প্ৰদীপ চমুৱা**, সভাপতি, ফাটবিহু সমিতি

মুখ্য অতিথি ঃ **শ্ৰী শ্ৰী নাৰায়ণ চন্দ্ৰ দেৱগোস্বামী**, সত্ৰাধিকাৰ,
নতুন কমলাবাৰী সত্ৰ

ঃ **ড° উপেন ৰাভা হাকাচাম**, প্ৰাধ্যাপক, অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

সন্মানীয় অতিথি ঃ **শ্ৰীযুত সৰ্বানন্দ সোণোৱাল**, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী,
ভাৰত চৰকাৰ

ঃ **শ্ৰীযুত নব কুমাৰ দলে**, বিধায়ক, চকুৱাখনা বিধান সভা সমষ্টি

বিশিষ্ট অতিথি ঃ **শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ**,মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা,অসম চৰকাৰ

ঃ **ড° ৰাণী নৰহ**, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, ভাৰত চৰকাৰ

ঃ **শ্ৰীযুত গৌৰৱ ব্ৰোথা**, উপায়ুক্ত, লখিমপুৰ জিলা

ঃ **শ্ৰীযুত ব্ৰজেনজিৎ সিন্‌হা**, আৰক্ষী অধীক্ষক, লখিমপুৰ জিলা

নিৰ্দিষ্ট বক্তা ঃ **শ্ৰীযুত দিগন্ত শইকীয়া**, বিহু বিশেষজ্ঞ, যোৰহাট

আমন্ত্ৰিত অতিথি ঃ **শ্ৰীযুত হেমেশ্বৰ পেগু**, উপাধ্যক্ষ, মিছিং স্বায়ত্ব শাসিত পৰিষদ

ঃ **শ্ৰীযুক্তা মামনি হাজৰিকা**, সভানেত্ৰী, লখিমপুৰ জিলা পৰিষদ

ঃ **শ্ৰীযুক্তা জ্যোতিপ্ৰভা দলে**, সভানেত্ৰী, ধেমাজি জিলা পৰিষদ

ঃ **শ্ৰীযুত কাৰ্ত্তিক কলিতা**, নিৰ্বাচনী বিষয়া, চকুৱাখনা মহকুমা

ঃ **শ্ৰীযুত বিপুল কুমাৰ দাস**, চক্ৰ বিষয়া, চকুৱাখনা ৰাজহ চক্ৰ

ঃ **ড° গিৰিণ গগৈ**, অধ্যক্ষ, চকুৱাখনা মহাবিদ্যালয়

ঃ **ড° প্ৰাণজিৎ বৰা**, সহযোগী অধ্যাপক, অসমীয়া বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়

ঃ **শ্ৰীযুত প্ৰেমধৰ কামান**, খণ্ড উন্নয়ন বিষয়া, চকুৱাখনা উন্নয়ন খণ্ড

ঃ **শ্ৰীযুত সঞ্জীৱ বড়া**, খণ্ড উন্নয়ন বিষয়া, ঘিলামৰা উন্নয়ন খণ্ড

ঃ **শ্ৰীযুত সদানন্দ কলিতা**, প্ৰভাৰী, চকুৱাখনা আৰক্ষী থানা

**মুকলি সভাত জ্যেষ্ঠ কৃতী বিহুৱা-বিহুৱতীসকলক সম্বৰ্দ্ধনা জনোৱা হ'ব।**

**"আহক, আমি সকলোৱে জাতীয় সাজপাৰ পৰিধান কৰি ফাটবিহু উপভোগ কৰোঁ।"**

## ফাটবিহুৰ বছৰেকীয়া প্ৰকাশ বিহুৱান সম্পাদকসকল
### প্ৰথম প্ৰকাশৰ পৰা ষষ্ঠবিংশ প্ৰকাশলৈ
(১৯৭৬-২০১৫)

| সম্পাদক | সংখ্যা | চন | প্ৰকাশক |
|---|---|---|---|
| ১) ছবিলাল জৈন | ১ম | ১৯৭৬ | উদ্‌যাপন সমিতি |
| ২) শিৱপ্ৰসাদ গগৈ | ২য় | ১৯৭৭ | ঐ |
| ৩) তিলেন চমুৱা | ৩য় | ১৯৭৯ | ঐ |
| ৪) জয়চন্দ্ৰ হাজৰিকা | ৪ৰ্থ | ১৯৮০ | ঐ |
| ৫) ডাঃ বিদ্যেশ্বৰ দলে | ৫ম | ১৯৮১ | ঐ |
| ৬) ভৰত বৰুৱা আৰু | ৬থ | ১৯৮২ | ঐ |
| কেযেশ্বৰ চমুৱা | | | ঐ |
| ৭) প্ৰাঞ্জল চমুৱা | ৭ম | ১৯৮৫ | ঐ |
| ৮) বিষ্ণু বৰবৰা | ৮ম | ১৯৮৬ | ঐ |
| ৯) নন্দ চুতীয়া | ৯ম | ১৯৮৮ | ঐ |

(১৯৮৯ৰ পৰা ১৯৯৮ লৈ অনিবাৰ্য কাৰণবশতঃ বিহুৱান প্ৰকাশ হোৱা নাছিল)

| সম্পাদক | সংখ্যা | চন | প্ৰকাশক |
|---|---|---|---|
| ১০) অমিয় কুমাৰ সন্দিকৈ | ১০ম | ১৯৯৯ | উদ্‌যাপন সমিতি |
| ১১) বিদ্যা দত্ত | ১১শ | ২০০০ | ঐ |
| ১২) অমিয় কুমাৰ সন্দিকৈ | ১২শ | ২০০১ | ঐ |
| ১৩) জগদীশ গগৈ | ১৩শ | ২০০২ | চন্দ্ৰনাথ দাসৰ পৰিয়ালবৰ্গ |
| ১৪) ড° জিতৰাম কলিতা | ১৪শ | ২০০৩ | বলাই চন্দ্ৰ গগৈৰ পৰিয়াল বৰ্গ |
| সহযোগী ইন্দিবৰ বুঢ়াগোহাঞি | | | |
| ১৫) শিৱ প্ৰসাদ গগৈ | ১৫শ | ২০০৪ | টংকেশ্বৰ গগৈৰ পৰিয়ালবগ |
| ১৬) শিৱ প্ৰসাদ গগৈ | ১৬শ | ২০০৫ | গজেন্দ্ৰ নাথ চমুৱাৰ পৰিয়ালবৰ্গ |
| ১৭) পূৰ্ণানন্দ গগৈ | ১৭শ | ২০০৬ | লিখন চন্দ্ৰ গগৈৰ পৰিয়ালবৰ্গ |
| ১৮) ড° জিতৰাম কলিতা | ১৮শ | ২০০৭ | সতীশ চন্দ্ৰ গগৈৰ পৰিয়ালবৰ্গ |
| ১৯) মৌচুমী হাতীবৰুৱা | ১৯শ | ২০০৮ | সখীধৰ দত্তৰ পৰিয়ালবৰ্গ |
| ২০) ডিম্বেশ্বৰ গগৈ | ২০শ | ২০০৯ | বলোৰাম দলে |
| ২১) শিৱপ্ৰসাদ গগৈ | ২১শ | ২০১০ | কেশীৰাম হাজৰিকাৰ পৰিয়ালবৰ্গ |
| ২২) জিত কুমাৰ চমুৱা | ২২শ | ২০১১ | বলোৰাম দত্তৰ পৰিয়ালবৰ্গ |
| ২৩) কুশল গগৈ | ২৩শ | ২০১২ | সোণধৰ খনিকৰৰ পৰিয়ালবৰ্গ |
| ২৪) হেমন্ত কুমাৰ বৰুৱা | ২৪শ | ২০১৩ | নৱ কুমাৰ বৰগোহাঞিৰ পৰিয়ালবৰ্গ |
| ২৫) তোলন দত্ত | ২৫শ | ২০১৪ | ৰমেন বৰুৱাৰ ভগ্নী পল্লৱিতা বৰুৱা |
| ২৬) ইন্দিবৰ বুঢ়াগোহাঞি | ২৬শ | ২০১৫ | পীতাম্বৰ গগৈৰ পুত্ৰ-বোৱাৰী অনিলেখ গগৈ আৰু ড° বিউটি বৰুৱা |



## ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতি/সম্পাদকসকল
১৯৭৬-২০১৫

| চন | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৭৬ | নৱকুমাৰ বৰগোহাঞি | দুৰ্গা সুত |
| ১৯৭৭ | তিতাৰাম গগৈ | ঐ |
| ১৯৭৮ | ডাঃ হৰেণ দলে | ঐ |
| ১৯৭৯ | শিৱ প্ৰসাদ গগৈ | ঐ |
| ১৯৮০ | চাৰু চুতীয়া | প্ৰাঞ্জল বিকাশ চমুৱা |
| ১৯৮১ | মহেন্দ্ৰ ভঁৰালী | জীৱন চমুৱা |
| ১৯৮২ | ৰজনী বৰগোঁহাই | জীৱন চমুৱা, পদ্মেশ্বৰ কোঁচ |
| ১৯৮৩ | ফাটবিহু অনুষ্ঠিত হোৱা নাই | |
| ১৯৮৪ | সৰ্বেশ্বৰ বৰুৱা | ভৰত বৰুৱা |
| ১৯৮৫ | মুনীন শৰ্মা | জীৱন চমুৱা |
| ১৯৮৬ | চাৰু চন্দ্ৰ চুতীয়া | চন্দ্ৰকমল বৰা |
| ১৯৮৭ | হোমেন দাস | বিনোদ গগৈ |
| ১৯৮৮ | ৰজনী বৰগোঁহাই | গিৰিণ গগৈ |
| ১৯৮৯ | সোনধৰ খনিকৰ | কেশৱ গগৈ |
| ১৯৯০ | পীতাম্বৰ গগৈ | বিনোদ গগৈ |
| ১৯৯১ | জয়ন্ত গগৈ | আনন্দ গগৈ |
| ১৯৯২ | মহেন্দ্ৰ ভঁৰালী | ঈশ্বৰ প্ৰসন্ন বুঢ়াগোঁহাই |
| ১৯৯৩ | জগদীশ গগৈ | শোভন বৰুৱা |
| ১৯৯৪ | চাৰু চুতীয়া | কোযেশ্বৰ চমুৱা |
| ১৯৯৫ | নন্দ চুতীয়া | হিৰণ্য দত্ত |
| ১৯৯৬ | বিদ্যা দত্ত | জীৱন চমুৱা |
| ১৯৯৭ | ড° গিৰীণ গগৈ | জীৱন চমুৱা |
| ১৯৯৮ | কোযেশ্বৰ দত্ত | প্ৰদীপ চমুৱা |
| ১৯৯৯ | শিৱপ্ৰসাদ গগৈ | কৃষ্ণ দত্ত |
| ২০০০ | গঙ্কেশ কুমাৰ শইকীয়া | কেশৱ চমুৱা |
| ২০০১ | গঙ্কেশ কুমাৰ শইকীয়া | ভদ্ৰ গগৈ |
| ২০০২ | ধীৰেণ দত্ত | কেশৱ গগৈ |
| ২০০৩ | গোবিন দত্ত | বসন্ত শইকীয়া |
| ২০০৪ | কুশল গগৈ | চিত্তৰঞ্জন দাস |

| | | |
|---|---|---|
| ২০০৫ | গোবিন দত্ত | শোভ দাস |
| ২০০৬ | বিনোদ গগৈ | নব গগৈ |
| ২০০৭ | ধীৰেণ দত্ত | ভাস্কৰ দাস |
| ২০০৮ | উত্তম কুমাৰ বৰুৱা | মুকুল গগৈ |
| ২০০৯ | ললিত কুমাৰ দাস | ৰঞ্জিত সন্দিকৈ |
| ২০১০ | প্ৰদীপ চমুৱা | দীপক চমুৱা |
| ২০১১ | হেমন্ত পেগু | অমিয় কুমাৰ গগৈ |
| ২০১২ | ছবিলাল জৈন | প্ৰাঞ্জল গোহাঁই |
| ২০১৩ | চেনিৰাম বৰুৱা | প্ৰশান্ত হাজৰিকা |
| ২০১৪ | ভদ্ৰ গগৈ | মনোজ গগৈ |
| ২০১৫ | জগত ফুকন | নব গগৈ |

00000

# প্ৰাপ্তি স্বীকাৰ আৰু কৃতজ্ঞতা

যিসকল শ্ৰদ্ধাৰ লেখক লেখিকাই আমালৈ লেখা পঠাইছিল অথচ যথেষ্ট পলম হোৱাৰ বাবে আৰু অনিবাৰ্য কাৰণবশতঃ লেখা প্ৰকাশ কৰিব নোৱাৰিলো তেখেতসকললৈআমাৰ কৃতজ্ঞতা আৰু প্ৰাপ্তি স্বীকাৰ কৰিলো।

- সম্পাদনা সমিতি

শান্তনা বৰুৱা, তপন কুমাৰ চমুৱা, জিতু দত্ত, বিপুল বৈশ্য, আকাশ প্ৰিয়ম, ভূধৰ দাস, দুৰ্লভ দাস, যতীন কোঁৱৰ, বিদ্যাৱতী গগৈ (কণিষ্ঠা) গণেশ চমুৱা, সৰ্বেশ্বৰী পেগু, মৃদুপৱন ৰূপম, বিউতি বৰুৱা, গৌৰী প্ৰসাদ শৰ্মা, ৰাহুল গগৈ, ৰেখা গগৈ, নব গোঁহাই, ৰাণী বুঢ়াগোহাঁই (ঢকুৱাখনা), পল্লৱী দত্ত শইকীয়া (লখিমপুৰ), ৰেৱতী বৰুৱা (ধেমাজি), দিগন্ত ডেকা (লখিমপুৰ), মোহন শইকীয়া (মাজুলী)

বিহুৱান ঃ ফাট বিহু, ঢকুৱাখনাৰ হৈ অনিলেশ গগৈ আৰু ড° বিউতি গগৈৰ দ্বাৰা প্ৰকাশিত, ফেয়াৰগ্ৰাফিক্‌চ, বামুণীমৈদাম, গুৱাহাটী -২১ত মুদ্ৰিত আৰু ইন্দিৰৰ বুঢ়াগোহাঞিৰ দ্বাৰা সম্পাদিত।



# ফাটবিহু উদ্‌যাপন সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

ভূগোলত লিপিবদ্ধ ভদ্ৰলোকৰ বাসস্থান হিচাপে পৰিচিত ঢকুৱাখনাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ একতাৰ এনাজৰীৰ বৃহত্তৰ সাংস্কৃতিক অনুষ্ঠান ফাটবিহু। প্ৰকৃতিৰ বুকুত মানৱ জাতিক জীয়াই থাকিবলৈ উৎসাহ দিয়া গছবোৰে কুঁহিপাত মেলাৰ লগে লগে ঋতুৰাজ বসন্তই ব'হাগৰ বতৰা কঢ়িয়াই আনে। ব'হাগ আগমনৰ লগে লগে বিহুৰ উলাহে প্ৰতিজন ঢকুৱাখনীয়াক মনত পেলাই দিয়ে ব'হাগ মাহৰ শেষত অনুষ্ঠিত হোৱা ফাটবিহুৰ কথা। সমগ্ৰ ঢকুৱাখনাৰ মান-মৰ্য্যাদাৰ পৰিচায়ক সাংস্কৃতিক অনুষ্ঠান ফাটবিহু। এসময়ত ফাটবিহু বুলিলে মানুহৰ মাজত প্ৰশ্নৰ উদয় হৈছিল - অসমৰ তিনিটা বিহুৰ পিছত ফাটবিহু কি ? বৰ্তমান সময়ত সেই প্ৰশ্নৰ উত্তৰ হয়তো সমগ্ৰ অসমবাসীয়ে জানে যে ফাটবিহু ঢকুৱাখনাৰ সমন্বয় আৰু ঐতিহ্য পৰম্পৰাৰ উৎসৱ। সকলো জাতি-জনগোষ্ঠীৰ মিলনেৰে গছৰ তলত অনুষ্ঠিত বিহু কিজানি ফাটবিহুৱেই একমাত্ৰ। ফাটবিহুৰ উদ্দেশ্য-ঐতিহ্য, পৰম্পৰা আৰু সমন্বয়। বিহু-কুঁৱৰী, মৌ-কুঁৱৰী, সাংস্কৃতিক সন্ধিয়া, ব'হাগৰ পিছত বিহু পতা ফাটবিহুৰ বৈশিষ্ট্য নহয়। প্ৰকৃতিৰ বুকুত সৃষ্টি হোৱা ফাটবিহু ভৱিষ্যতেও সেই প্ৰকৃতিৰ বুকুতেই জয়যাত্ৰা অব্যাহত থাকিব সেইটো ঢকুৱাখনাবাসীৰ একান্ত ইচ্ছা।

সময়ৰ আহ্বান আৰু প্ৰয়োজনীয়তাৰ খাতিৰত অতীতৰ ফাটবিহু আজি সামান্য পৰিৱৰ্তন হ'লেও মূল কৃষ্টি আৰু সংস্কৃতিক একেই আছে। কেৱল সময়ৰ আহ্বান আৰু উপযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি সকলোকে জড়িত কৰাৰ স্বাৰ্থত কিছুমান প্ৰক্ৰিয়া সংযোজন কৰা হৈছে। ফাটবিহুৱে আজিৰ দিনত অসমৰ চাৰিও কোণৰ পৰা মানুহক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বিদেশী পৰ্যটকেও ফাটবিহুৰ ৰং-ৰহইচৰ প্ৰতি আপ্লুত হৈ বিহুৰ সাজ পৰিধানেৰে ফাটবিহুৰ গৌৰৱ বৃদ্ধি কৰি বিদেশত অসমৰ সস্কৃতিক জিলিকাই ৰাখিছে। অসম ৰাজ্যখনৰে গৌৰৱ নিজস্ব মাটিত প্ৰাকৃতিক পৰিৱেশত স্থায়িত্ব লাভ কৰা ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰা একমাত্ৰ বিহু ঢকুৱাখনাৰ ফাটবিহু। ফাট বিহুৰ মৰ্যাদাক শ্ৰদ্ধা জনাই সকলো মানুহেই ফাটবিহুলৈ মুক্তহস্তে ৰৰঙণি আৰু বিভিন্ন সা-সামগ্ৰী আগবঢ়োৱাৰ লগতে কেইবাটাও আগ্ৰহী পৰিয়ালে কিছু বছৰৰ পৰা ফাটবিহুৰ মুখপত্ৰ প্ৰকাশ আৰু এসাঁজ আহাৰ ব্যক্তিগতভাৱে আগবঢ়োৱাৰ বাবে আগবাঢ়ি অহাটো ফাটবিহুৰ বাবে শুভ লক্ষণ। লগতে বিহুৰ আলমত সৃষ্টি হোৱা কোনো জাতীয় চেতনা আৰু ৰুচিবোধ নথকা অপ-সংস্কৃতিয়ে যাতে ফাটবিহুৰ ঐতিহ্যত ব্যাঘাত জন্মাব নোৱাৰে তাৰবাবে আমি অসমবাসীৰ ওচৰত আবেদন জনাইছোঁ। ফাটবিহু ঢকুৱাখনাৰ নহয় অসমৰ গৌৰৱ। এই আপাহতে আমি অসমবাসীৰ প্ৰতি আহ্বান জনাওঁ, ফাটবিহুলৈ আহক। অসমৰ প্ৰতিখন জিলাৰ পৰা ফাটবিহু তলীত এটি গছপুলি ৰোপণ কৰি ফাটবিহুক আপোলোকৰ মাজলৈ বিয়পাই নিয়ক।

অপ্ৰিয় হ'লেও সত্য নগদ ধন আৰু মূল্যবান সামগ্ৰীৰ আকৰ্ষণীয় পুৰস্কাৰযুক্ত প্ৰতিযোগিতাই বিহুক স্বকীয় বৈশিষ্ট্যৰ পৰা কিছু আঁতৰাই নিছে। ফাটবিহু সেইখিনিতে ব্যতিক্ৰমী অনুষ্ঠান। ফাটবিহুৱে ধন সামগ্ৰীৰ দ্বাৰা ঐতিহ্যমণ্ডিত বিহুক লোলুভিত কৰিব নিবিচাৰে। আমি দৃঢ়তাৰে ক'ব বিচাৰো ফাটবিহুৱে কেতিয়াও ঐতিহ্য আৰু পৰম্পৰা বিসৰ্জন নিদিয়ে। ইয়াৰ শৃংখলা সদায় অটুত থাকিব। অৱশ্যে কিছুমান পদ্ধতি বা পৰিচালনাৰ নীতি-নিয়ম সাল-সলনি বা অন্তৰ্ভূক্তিৰ প্ৰয়োজনীয়তা নথকা নহয়। যিসকল ব্যক্তি, পুৰুষ-মহিলাই আমাৰ লগত থাকি সহায়-সহযোগিতা আগবঢ়াই আহিছে তেখেত সকলোকো ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছো, আৰু দায়িত্বৰ সময়ছোৱাত হোৱা ভুল-ক্ৰুটী অথবা অজ্ঞতাৰ বাবে ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। শ্ৰদ্ধাৰে -

হৰিচন্দ্ৰ বৰুৱা, *সম্পাদক*
ফাটবিহু উদযাপন সমিতি

*With Best Compliments From-*





বৃহৎ আর্থিক উপার্জনৰ বাবে আপোনাৰ ক্ষুদ্র পদক্ষেপ,

লাখপতি হওক, প্ৰতিমাহে ২,৫০০ টকাকৈ তিনি বছৰৰ ৰেকাৰিং ডিপোজিত একাউন্ট খোলক।

भारतीय स्टेट बैंक
**State Bank of India**
हर भारतीय का बैंक
THE BANKER TO EVERY INDIAN

Branch Manager
State Bank of India
Dhakuakhana Branch, Dhakuakhana
PIN- 787055


চাৰিকড়ীয়া নদীৰ পাৰত শৰতৰ ব্যস্ততা, ছবি ঃ ইন্দিবৰ বুঢ়াগোহাঞি